অচেনা কি চীন

মৈত্রেয়ী দেবী

অনুবাদ / মনু সেন

DIRECTOR, LIBRARY SERVICES ★ ASSAM GUWAHATI ★

ভবানী পাবলিশিং কনছার্ণ

অচিনাকি চীন মূল বাংলা ৰচনা: মৈত্ৰেয়ী দেৱী: অসমীয়ালৈ অনুবাদ মনুসেন
প্ৰথম প্ৰকাশ: ফেব্ৰুৱাৰি ১৯৭৮: দ্বিতীয় প্ৰকাশ: ফেব্ৰুৱাৰি ১৯৮৮. প্ৰকাশক
বনবিহাৰী চক্ৰৱৰ্তী, ভৱানী পাবলিচিং কনচাৰ্ণ ১-এইচ ৰাধানাথ মল্লিক লেন
কলিকতা৭০০০১২ মুদ্ৰণ তাৰা প্ৰেছ, ৪৪ সুধীৰ চাটাৰ্জি ষ্ট্ৰীট কলিকতা ৭০০০০৬
বেটুপাত: পূৰ্ণেন্দু পত্ৰী, পিছফালৰ বেটুপাত আৰু অংগসজ্জা তুষাৰ সান্যাল।

বত্ৰিছ টকা মাথোন

---

achinaki chin [china unknown] a travelogue on china originally written in bengali by maitreye devi translated into assamese by monusen published by banabehari chakraborty, bhabani publishing concern, 1 h, r m lane calcutta 700 012 first published february 1978, second edition february 1988 front cover purnendu pattrea back cover & illustrations tushar sanyal

অ চি বা কি
চীব

DIRECTOR, LIBRARY

এই লিখিকার

'ন হন্যতে' পাঠক

ভলাবলগীয়া :

বিধি আর বিধাতা

সংপুত রবীন্দ্রনাথ

কির এই বজ্রপাত ?

মাত্র পাঁচ সপ্তাহৰ বাবে চীনদেশলৈ গৈছিলোঁ। ইমান কম সময়ৰ ভিতৰত এখন দেশ সম্বন্ধে কিমান-খিনিয়েইবা জানিব পাৰি, বিশেষকৈ, যিখন দেশ স্থান কালত বহুবিস্তৃত। যিখন দেশৰ ইতিহাস যিমান পুৰণি, সেইখন দেশৰ সমাজ-সংস্কাৰসকলো সিমানেই জটিল। বুজি পোৱা টান। প্ৰকৃততেই টান। কথা মাথোন সিমানেই নহয়। সেই অতি প্ৰাচীন চীন যি মন্ত্ৰেৰে নতুন হ'ল, সেই মন্ত্ৰেৰে দীক্ষিত নোহোৱা বাবে সেই নতুন ভাষাৰ সম্পদো মোৰ নাই। অৰ্থাৎ পুৰণি ভাষাও নাজানো, আৰু নতুন ভাষাও নুবুজোঁ।।

এয়া গ'ল জীৱনৰ ভাষাৰ কথা। আকৌ মুখৰ ভাষাও একেবাৰে বেলেগ — দোভাষীয়ে সহায় নকৰিলে এটা শব্দও বুজি নাপাওঁ, এষাৰ বাক্য পঢ়িব নোৱাৰোঁ—এনে অৱস্থাত আমাৰ দেশ চোৱাটো যেনিবা ধূসৰ কাঁচৰ আৱৰণৰ মাজেদিহে চোৱা। এইখন বিশাল দেশত অন্ততঃ প্ৰথম সাতোটা দিন মোৰ তেনেভাৱেই অসহায় যেন লাগিছিল।

তাৰ পাছত লাহে লাহে এদিন চকুৰ আবৰণ গুচি মনৰ দুৱাৰডলিত নানা ভাব, নানান চিন্তাই ভুমুকি মাৰিবলৈ ধৰিলে। কেতিয়াৰপৰা যে মই অলপ অলপকৈ চিনি পোৱা হৈছিলোঁ, বুজি পোৱা হৈছিলোঁ—সঠিককৈ ক'ব নোবাৰিম।

আজি এই বাটৰ শেষলৈ আহি সমুখলৈ চাই পঠিয়ালে কেবল সমুখৰ দৃশ্যযেই চকুত নপৰে, ইচ্ছাতে হওক বা অনিচ্ছাতেই হওক, বাৰে বাৰে অতীতৰ দৃশ্য ভাহি উঠে, সানমিহলি হৈ পৰে। বহু দেশ মই দেখিছোঁ, যদিও একেৰাহে বহুদিনলৈকে ক'তো থকা নাই। অ্যামেৰিকাত তিনি মাহ আছিলোঁ, একেৰাহে ইযাতকৈ বেছি দিন ইঅ'ৰোপতো কটোৰা নাই। যেতিযা য'লৈকে গৈছোঁ, মই তাৰ 'পজিটিভ' দিশটো চাবলৈহে চেষ্টা কৰিছোঁ, 'নেগেটিভ'টো নহয়। 'মিছ মেযো' হ'বলৈ চেষ্টা কৰা নাই মই। পিছে বেযাখিনিও মাজে-সময়ে চকুত নপৰা নহয়।

সেযেহে—আজি লিখিবলৈ লওঁতে কেতবোৰ বিশেষ তুলনা স্বাভাবিকভাবেই মনলৈ আৰু কলমৰ আগলৈও আহিব নিশ্চয। সেইবোৰৰ কিমানখিনি গ্ৰহণীয আৰু কিমানখিনি বৰ্জনীয় সেযা মোতকৈ অভিজ্ঞ পাঠকসকলে তেওঁলোকৰ মনতে বিচাৰ কৰি গ্ৰহণ বা বৰ্জন কৰিব।

ছোভিয়েত ইউনিয়নলৈ দুবাৰ গৈছিলোঁ। প্ৰথমবাৰ ১৯৫৫ চনত, দ্বিতীয়বাৰ ১৯৬২ চনত। ১৯৫৫ চনত আমাৰ দেশত কমিউনিষ্টভীতি আছিল প্ৰচণ্ড। 'ৰুছিয়াৰ চিঠি' লিখাৰ পাঁচিছ বছৰৰ পাছতো। এই ভীতিৰ প্ৰচণ্ডতম ৰূপ দেখা পাইছিলোঁ পশ্চিম ইঅ'ৰোপত ১৯৫৩ চনত।

ভীতিৰ ভাবনা লৈয়েই ৰুছিয়াত ভৰি দিছিলোঁ। কিন্তু সাধাৰণ মানুহৰ মৰমৰ সোঁতত সেই ভয় এডাল কুটাৰ দৰে মুহূৰ্ততে উটি গৈছিল।

মস্কো ষ্টেশ্যনত আমি ফুলৰ তৰংগত ভাহি ভাহি গৈ আছোঁ, এগৰাকী বৃদ্ধাই মোৰ শাড়ীৰ ফুলাম পাৰিত চুমা খাই কৈছিল "কিমান দিন যে আমি বিদেশৰ মানুহ দেখা নাই—You have walked out of fairy tales, you have walked out of Arabian nights"

উভতি অহাৰ পাছত মই 'মহা ছোভিয়েত' নামৰ কিতাপ এখন লিখিছিলোঁ। মৰ সাহ বুকুত বান্ধিয়েই লিখিবলগীয়া হৈছিলোঁ। ৰবীন্দ্ৰ-সাহিত্যৰ অনুবাদ-প্ৰচেষ্টাক সলাগি যেতিয়া লিখিছিলোঁ তেতিয়া 'বিশ্বভাৰতী' আলোচনীৰ সম্পাদকে লিখিছিল কমিউনিষ্ট দেশৰ বৰ বেছি সলাগ লোৱা হৈছে—অলপ কম কৰিবনে? মই কমোৱা নাছিলোঁ।

আন লোকসকলে তাক অৰ্থাৎ সেই সলাগনিক আৰু বঢ়াই তুলিছিল, যেতিয়া অনুবাদিকা ভেৰা নভিক'ভাই ৰবীন্দ্ৰ পুৰস্কাৰ পাইছিল। ভেৰাই নিষ্ঠাৰে সৈতে এই কাম কৰিছিল। নভিক'ভাই তেতিয়া ভালকৈ বাংলা নাজানে। সেয়েহে, বহুতো আমোদজনক 'হাওলাৰ'ৰ সৃষ্টি হৈছিল।

নভিক'ভা ইয়ালৈ অহাৰ প্ৰথম দিনা দোকানৰ গাত 'ইয়াত স্নেহ-পদাৰ্থ বিক্ৰী হয়' পঢ়ি উচপ খাই উঠিছিল। কেপিটেলিস্ট দেশৰ কিনা-বেচা সম্পৰ্কে অলপ তথ্য-পাতি তেওঁ জানিছিল, সেইবুলি ইমানখিনি নহয়। উচপ খাই উঠি সুধিছিল

"তোমালোকৰ দেশত চেনেহো বিক্ৰী হয়।"

ছয়-সাত মাহ ধৰি প্ৰতিদিন তিনি ঘণ্টাকৈ ৰবীন্দ্ৰনাথৰ কবিতা অনুবাদৰ কামত তেওঁক সহায় কৰি দিছিলোঁ। তেওঁ কৈছিল, "তুমি বিনামূল্যত এই কাম কৰি দিবা কিয় ?"

মই কৈছিলোঁ, "সেই কথাটোও তুমি বুজি পাব লাগিব—নহ'লে ভাৰতবৰ্ষ-খনকে তুমি বুজি নাপাবা। মই এই কাম তোমাৰ কাৰণে কৰা নাই, এয়া মোৰ গুৰুপ্ৰণাম। মূল্য মই ঢেৰ পাইছোঁ।"

এই মূল্য আৰু অমূল্যৰ বোধ পাশ্চাত্য দেশত নিচেই কম। যি কি নহওক, মোৰ সেই প্ৰচেষ্টাৰ কথাটোৰে ক'তো স্বীকৃতি লাভ কৰা নাই।

১৯৬২ চনত লেনিনগ্ৰাদত আকৌ নভিক'ভাৰ সৈতে দেখাদেখি হৈছিল। তেওঁ লজ্জিত হৈ কৈছিল যে, এই বিষয়ত তেওঁৰ কোনো হাত নাছিল, সহায়কাৰী হিচাপে মোৰ নামটো যাতে গ্ৰন্থাৱলীত সাঙোৰা হয় তাৰ বাবে তেওঁ বাৰে বাৰে কৈছিল।

কিন্তু তেতিয়া হেনো সেইটো 'পলিচি' নাছিল।

১৯৬২ চনত ৰুছিয়াত কিছুমান কথালৈ মই মন নকৰাকৈ থকা নাছিলো, যিবোৰ কথা এতিয়া শুনিছো আৰু চীনদেশত বিস্তাৰিত শুনিলো। কিন্তু সেইবাৰ মই যিবোৰ চাই আহিছিলো সেইবোৰ মোৰ মানত অন্তত পক্ষে মিছা হৈ উঠা নাই।

বাৰে বাৰে চৰকাৰৰ পৰিবৰ্তন হয়, 'পলিচিৰ' পৰিবৰ্তন ঘটে, —ইখন দেশৰ সৈতে সিখন দেশৰ সম্পৰ্কৰো পৰিবৰ্তন হয়, সেইবুলি আজিৰ সত্য কাইলৈ মিছা হৈ নপৰে।

১৯৫৫ চনৰপৰা ১৯৭৭ চনটোৰে যদি বহু পথ পাৰ হৈ আহিছেও, তথাপি ১৯৫৫ চনটো তো আছিল।

তদুপৰি, যি কোনো দেশৰ চৰকাৰৰ ৰীতিনীতিৰ পৰিবৰ্তন ঘটিলেও মানুহৰ মন মোটামুটিভাৱে একেই থাকে।

চীনদেশৰ কথা লিখিবলৈ লৈ বাৰে বাৰে ১৯৫৫ চনৰ ছোভিয়েত ভ্ৰমণৰ কথা মনত পৰিছে। তাৰ প্ৰধান কাৰণ—এই পৰিবৰ্তনশীল জগতখনত ভাৰতৰ মানুহেই বোধ হয় সবাতোকৈ অপৰিবৰ্তনীয়। 'মহা ছোভিয়েত' লিখাৰ পাছত সকলোৱে ক'বলৈ ধৰিলে "তোমালোকক চকু বান্ধি ঘূৰাইছিল।"

মন্ত্ৰী কালীপদ মুখাৰ্জিয়ে হুংকাৰি কৈছিল, "আপোনালোকক মাত্ৰ দুই-তিনিটা বাটতে ঘূৰাই পকাই দেখুৱাইছিল। আপোনালোকক চকু বান্ধি ঘূৰাইছিল। মোকো ডেম'ক্ৰেটিক জাৰ্মানিত তেনেকুৱা কৰিছিল।"

মানুহে মন্ত্ৰীক যিমান ভয় খায় সাধাৰণ মানুহক সিমান ভয় নকৰে—সেই কথাটো তেওঁক তেতিয়া কোৱা নাছিলো। আমি আনকি গাঁৱলীয়া বাট পথতো ঘূৰি ফুৰিছো। তদুপৰি, কোনো এখন নতুন দেশ চাবলৈ গ'লে কেৱল বাহিৰৰ চকুযুৰিয়েই সকলোখিনি নহয়—তৃতীয় চকুটোও মেলি ৰাখিব লাগে।

তাক তো কোনেও বান্ধিব নোৱাৰে।

চীন সম্বন্ধে লিখিবলৈ লৈ এতিয়াও সেই সমস্যাৰ সন্মুখীন হৈছো। কোনো কোনোৱে সেই একেটা কথাকৈ কৈছে—চকু বান্ধি ঘূৰাইছিল। নিজৰ আৰু আনৰ বুদ্ধিবৃত্তিৰ ওপৰত আস্থা নথকাটো এইখন দেশত একপ্ৰকাৰ দেশপ্ৰেমৰ লক্ষণ। অৰ্থাৎ আমি যি কৰিব নোৱাৰিলোঁ, আন কোনোৱেও তাক কৰিব নোৱাৰে। এয়া দীনতা। তাতকৈ বৰঞ্চ যিয়ে যিমানখিনিলৈকে আগ বাঢ়িছে তাক গ্ৰহণ কৰা, বুজা আৰু সেইখিনিকে মোৰ বুলি শ্ৰদ্ধা কৰাটোৱেই মনুষ্যত্বৰ বিকাশৰ পথ।

য'তেই যি তপস্বীয়ে কৰিলে দুস্কৰ যজ্ঞ যাগ
মই তাৰ লভিলোঁ যে ভাগ,
য'ত নিশংক বীৰে মৃত্যুক লংঘিলে অনায়াসে
মোক ঠাই দিয়ে সেই ইতিহাসে—' এই ৰবীন্দ্ৰবাণী আমি গ্ৰহণ কৰা নাই।

সৰু কালত আমি যি চীনদেশৰ কথা জানিছিলোঁ সেয়া আছিল হিউয়েন ছাঙৰ চীনদেশ, ফা হিয়েনৰ চীনদেশ। মোৰ দেউতাৰ লাইব্রেৰিত শামান হুৱাই লী-ৰ (Shaman Whi Li) লিখা আৰু ছেমুৱেল বীল বি এ, ডি চি এল লণ্ডন ইউনিভাৰ্ছিটি কলেজৰ প্ৰফেছৰ অৱ্ চাইনীজ-কৃত অনুবাদ—'দি লাইফ অফ হিউয়েন ছাং' নামৰ নাতিদীৰ্ঘ গ্ৰন্থ এখন পঢ়িছিলোঁ। এই গ্ৰন্থ পঢ়ি চীনদেশৰ মানুহৰ কষ্টসহিষ্ণুতা, দৃঢ়তা আৰু নিখুঁত ঐতিহাসিক চেতনাৰ নিদৰ্শন লাভ কৰি অভিভূত হৈছিলোঁ। এই ঐতিহাসিকসকলে ভাৰতবৰ্ষৰ প্ৰতি যি গভীৰ স্নেহ আৰু শ্ৰদ্ধা প্ৰকাশ কৰিছে তাৰ ফলতো শ শ বছৰ জুৰি চীনদেশৰ প্ৰতি আমাৰ প্ৰীতি আৰু শ্ৰদ্ধা অটুট হৈ আছে।

আমাৰ দেশৰ প্ৰতিজন ল'ৰা-ছোৱালীয়েই ইতিহাসৰ প্ৰথম পাততে চীনদেশৰ কথা পঢ়িবলগীয়া হয়।

ৰবীন্দ্ৰনাথ যেতিয়া চীনলৈ গৈছিল তেতিয়াৰ কথা মোৰ ভালকৈ মনত নপৰে। পিছে ১৯৩৮ চনত যেতিয়া জাপানে চীন আক্ৰমণ কৰিলে, তেতিয়া ৰবীন্দ্ৰনাথে জাপানৰ কবি বন্ধু নগুচিলৈ ধিক্কাৰ জনাওঁতে তেওঁৰ চীনৰ প্ৰতি সহানুভূতি আৰু জাপানে সাম্ৰাজ্যবাদী ই'ৰোপৰ অনুসৰণকাৰী প্ৰচেষ্টাৰ প্ৰতি তেওঁৰ ঘৃণাৰ কথা মনত পৰে।

তেতিয়া 'প্ৰবাসী' আলোচনীত নিয়মিতভাৱে চীনৰ সচিত্ৰ খবৰ প্ৰকাশিত হৈছিল। ৰামানন্দ চট্টোপাধ্যায়ে ক'ৰপৰা যে সেইবোৰ ছবি যোগাৰ কৰিছিল সেই কথা ভাবিলে আচৰিত যেন লাগে। সেই ছবিবিলাকে মোৰ মনত দ' খাঁচ বহুৱাই থৈছে। সৰহভাগ ছবিত কুওমিনটাংহঁতে কমিউনিষ্টসকলৰ মূৰ কাটি লানি লগাই দেৱালৰ ওপৰ সজাই থৈছিল, নাইবা বাজআলিৰ ওপৰ কমিউনিষ্টসকলৰ লানি লাগোৱা মৃতদেহ। তেতিয়া, কোৱা বাহুল্য, সেই কটা মূৰ বা লানি লগোৱা মৃতদেহবিলাকলৈহে আমাৰ সমবেদনা হৈছিল। কিন্তু এই ভয়াবহ নৃশংসতা কৰাইত নিন্দিত নহ'ল, নিন্দিত হ'ল সিপক্ষ আৰু মুক্ত দুনিয়াৰ মুক্তহস্তৰ দানেৰে চিয়াং কাই শেক শকত-আৱত হ'বলৈ ধৰিছিল।

আজিৰ নতুন চীন চাই পুৰণি চীনদেশখনৰ কথা বাৰে বাৰে মনত পৰে। মই তো পুৰণি চীনদেশখনকো নাজানো। পাৰ্ল বাক-অৰ কিতাপ আৰু কাকত-

আলোচনীৰ টুকুৰা খবৰৰ যোগেদি ছেগা-চোৰোকাকৈ যিকণ জানিব পাৰি, তাৰ ওপৰত নিৰ্ভৰ কৰি আমি তেতিয়া নানা ভাৱে ধাৰণা কৰিছিলোঁ। তেতিয়া মাদাম চিয়াং কাই শেক আছিল এছিয়াৰ জাগ্ৰত নাৰীশক্তিৰ প্ৰতিমূৰ্তি। *

চীনৰ স্বাধীনতা-যুদ্ধৰ প্ৰতি আমাৰ দেশৰ মানুহ আছিল সম্পূৰ্ণ সহানুভূতিশীল, তেওঁলোকে চিয়াং কাই শেককেই নতুন চীনৰ বৰেণ্য নেতা বুলি ভাবিছিল। ৰবীন্দ্ৰনাথৰ মৃত্যুৰ কিছুদিনৰ পাছতেই তেওঁ সপত্নীক ভাৰতলৈ আহিছিল। পৰাধীন ভাৰতত ভাৰতৰ হৈ বৰলাটে তেওঁলৈ সংবৰ্ধনা জ্ঞাপন কৰোঁতে চীনৰ জনগণৰ দৃঢ়তা, চৰিত্ৰবল আৰু একতাৰ কথা কৈছিল। যিমান দূৰ মনত পৰে' তেতিয়া ৰামানন্দ চট্টোপাধ্যায়ে লিখিছিল

'আমি আমাৰ ইংৰাজ শাসকসকলৰ লগতে সচৰাচৰ একমত নহওঁ, কিন্তু এই বিষয়ত আমি বৰলাটৰ লগতে সম্পূৰ্ণভাৱে একমত।'

চিয়াং কাই শেকেও তেওঁৰ প্ৰত্যুত্তৰত ৰবীন্দ্ৰনাথ সম্বন্ধে সুন্দৰ মন্তব্য কৰিছিল। সেই মন্তব্যটো মোৰ বহীত লিখা আছে।

"I am appreciative of your excellency's reference to the cultural background between the two peoples Without doubt it was partly owing to its existence that the Indian nation was moved to express deep sympathy with us from the moment that we began our war of resistance The enemy—now a common enemy —tried every expedient to divert that sympathy to himself India was not misled for a moment When Japan made perfidious offers of friendship the illustrious poet Tagore in noble language voiced the burning indignation which India felt, in being asked to grasp in amity the blood stained hand"

এই প্ৰসংগত সিদিনাৰ এটা ঘটনা মনত পৰিলে আজিও ৰং পাওঁ।

সপত্নীক চিয়াং কাই শেক শান্তিনিকেতনলৈ আহিছিল, লগত আছিল নেহৰু। উদয়ন গৃহৰ পশ্চিম ফালৰ বাৰাণ্ডাত চাৰি পাৰি বহি পাথৰৰ চালপীৰাৰ ওপৰত দেশীয় পদ্ধতিত কাঁহীত প্ৰত্যেকৰ বাবে আহাৰ্য্য পৰিবেশনৰ ব্যৱস্থা কৰা হৈছিল। সেয়েহে প্ৰত্যেকেই জোতা সোলোকাই থৈ বহিবলগীয়া হৈছিল। খোৱা-বোৱাৰ

পাছত মাদাম চিয়াং কাই শেকে যেতিয়া জোতা পিন্ধিবলৈ লৈছিল তেতিয়া ক্ষিপ্রগামী নেহৰুৱে খৰখোজেৰে আহি তেওঁক জোতা পিন্ধাত সহায় কৰিছিল। ক্ষিতালৰিত [এইখিনিত কৈ থওঁ, ৰবীন্দ্ৰনাথে বোধ হয় 'শিভালৰি'ৰ অনুবাদ কৰিছিল 'দুৰ্বলবৎসল', মই কওঁ ইয়াত 'অবলাবৎসল'হে প্ৰযোজ্য] সুদক্ষ অন্যান্য মহাজনসকলৰ কোনোবা কুন্থবিয়েও এই কৰ্মটি কৰিব'ল ইচ্ছুক আছিল, কিন্তু পণ্ডিতজীৰ দৰে ক্ষিপ্ৰতা তেওঁলোকৰ নাছিল। এই কথা লৈ আমি তেতিয়াৰ কমবয়সীইঁতে বহুদিনলৈকে ৰংৰহইচ কৰিছিলোঁ। এইবোৰ কথা এই কাৰণে মনত পৰিছে যে চীনে যেতিয়া জাপানী আক্ৰমণৰপৰা মুক্তি পাবলৈ বাট বিচাৰি আছিল, তেতিয়া তেওঁলোকৰ মুক্তিৰ আকাংক্ষা যে কিমান সৰ্বব্যাপী আছিল সেই কথা আমি বহুতেই জনা নাছিলো।

তেতিয়া আমাৰ মানত চিয়াং কাই শেকেই আছিল স্বাধীনতাকামী চীনৰ প্ৰতীক। কিন্তু তেওঁ আছিল মাথোন কাঠামো, মাথোন 'কৰ্ম', ঘাই শিপা আছিল চীনৰ জনগণ, যিসকলৰ সৰহভাগেই তেতিয়া আছিল কমিউনিষ্ট মতাদৰ্শত আস্থাশীল।

মাও চে তুঙৰ ওচৰত তেতিয়া স্বাধীনতাৰ ৰূপ স্পষ্ট আছিল বা হ'ব ধৰিছিল। তেওঁ অৱশ্যে এদিনতে সৰ্বজ্ঞ হোৱা নাছিল নিশ্চয়। স্বাধীনতাৰ অৰ্থটো তেওঁ নিজৰ আৰু দেশৰ সমূহ ৰাইজৰ ওচৰত ক্ৰমাত স্পষ্ট কৰি তুলিব পাৰিছিল।

আজি ভাবোঁ, আমিও স্বাধীনতা যুদ্ধ নকৰাকৈ থকা নাছিলোঁ, কিন্তু সেই স্বাধীনতা যুদ্ধৰ অৰ্থ আছিল মাত্ৰ বিদেশী খেদাৱাহে। বিদেশী খেদাৱাৰ বাহিৰে মানুহক স্বাধীন কৰাৰ কথা ৰবীন্দ্ৰনাথ আৰু গান্ধীজী বাদে আন কেইজনে ভাবিছিল?

আৰু তেওঁলোকে ওবা সমূহ ৰাইজৰ মাজত তেওঁলোকৰ মত দঢ় কৰিব পৰা নাছিল কিয়?

তেওঁলোকৰ বিশ্বাস দঢ় নাছিলনে?

বাক্যত জোৰ নাছিলনে?

কথা সেইটো নহয়, আমাৰ জাতীয় চৰিত্ৰৰ প্ৰধান দুৰ্বলতা হ'ল শৃংখলাবোধৰ অভাৱ -সি কেতিয়াও কোনো বিষয়তেই আমাক একমত হ'বলৈ নিদিয়ে। কোনো যুদ্ধতেই অন্তৰ আৰু বাহিৰৰ শৃংখলা নথকাহ'লে বিজয়ী হ'ব নোৱাৰি।

১৯৪৯ চনত চীন স্বাধীন হ'ল। কেইবছৰমানৰ পাছত, মোৰ যিমান দূৰ মনত পৰিছে—১৯৫২ বা '৫৩ চনত এগৰাকী ইংৰাজ মহিলা, তেওঁৰ নাম ড স্পর্ট'ন, দুবছৰমান মোৰ ঘৰত আছিল। ভাৰত চৰকাৰে কোনো এখন জীৱবিজ্ঞানৰ অভিধানত তেওঁক একটি অধ্যায় লিখিবলৈ নিযুক্ত কৰিছিল। এওঁ তেতিয়া চীনৰপৰা আহিছেহে মাথোন, অর্থাৎ চীন চৰকাৰে তেওঁক দেশৰপৰা উলিয়াই দিছিল। তেওঁ মুঠতে সাত আঠ বছৰমান চীন দেশত আছিল। তেওঁৱেই পোনপ্ৰথম মোক প্ৰত্যক্ষদৰ্শীৰ বিবৰণ দিয়ে।

তেওঁৰপৰাই প্ৰথমে শুনিছিলো যে, মতাদৰ্শত সম্পূৰ্ণ পৃথক হোৱা সত্ত্বেও কমিউনিষ্টসকলে জাপানৰ আক্ৰমণৰ বিৰুদ্ধে কুওমিনটাঙক সহায় কৰিবলৈ প্ৰস্তুত আছিল। এও উভয় ৰাজত্বতে আছিল আৰু ৰাতিপুৱা আলি কেঁকুৰিত জা জলপান কিনি আনিবলৈ গৈ অসংখ্য নৰমুণ্ড দেখাটো আছিল এওঁৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ বিষয়। তেওঁ মোক তেতিয়া কৈছিল যে কেনেদৰে নতুন চীনৰ কর্তৃপক্ষই দুবছৰমানৰ ভিতৰত দেশত আশ্চৰ্য্য শৃংখলা আৰু দায়িত্ববোধ ঘূৰাই আনিছিল। লৰা বুঢ়া ডেকা গাভৰু সকলোকে দেশ গঠনৰ কামত লগোৱা হৈছিল। তেওঁ মোক তেতিয়াই কৈছিল যে আগতে যিবোৰ লেতেৰা ঠাইত মাখিয়ে ভেনভেনাই আছিল, এতিয়া সেইবোৰ ঠাইত এটা মাখি দেখা পালেও লৰা ছোৱালীহঁত দৌৰি আহে—এই মাখিটো আহিল কৰপৰা? কাৰ বাৰীত জাৰৰ জোথৰ দ'ম খাইছে? গাঁৱতো ল'ৰা ছোৱালীহঁতে দল বান্ধি গাঁও ভূঁই চাফ চিকুণ কৰিছে, মাখি খেদিছে—ই এটা মুভমেণ্ট।

মই আচৰিত হৈছিলো—মাখি খেদোৱাটোও এটা মুভমেণ্ট! মোৰ মানত মুভমেণ্ট হ'ল—প্ৰচেছন, হাই উৰুমি, চিএৰ বাথৰ, মাৰ মাৰ কাট্ কাট আৰু পুলিচ ভেন।

ড স্পর্টনে কৈছিল, 'মাখি খেদিবলৈ অৱশ্যেই মুভমেণ্ট লাগিব। য'তে ত'তে থু খেকাৰ পেলোৱা, জাৱৰ জোথৰ দ'মোৱা—এইবোৰ লেতেৰা অভ্যাসৰ বিৰুদ্ধে আন্দোলন লাগিব। নহ'লে সাধাৰণ মানুহে বুজি পাব কেনেকৈ? সজাগ হৈ উঠিব কেনেকৈ?"

তেতিয়া মোৰ মনত পৰিছিল . এবাৰ ৰাজপুতানাত শ্ৰীনাথদ্বাৰ নামৰ তীৰ্থক্ষেত্ৰলৈ গৈছিলোঁ। নামকৰা তীৰ্থক্ষেত্ৰ—কৃষ্ণৰ মন্দিৰ। বাটত আমাৰ লগতে আছিল ধকধকীয়া খদ্দৰ পৰিহিতা দুগৰাকী মহিলা কংগ্ৰেছকৰ্মী। বাটৰপৰা নমাৰ লগে লগেই চকুত পৰিল—এদল পাণ্ডাই এগৰাকী গাঁৱলীয়া মহিলাক বেঢ়ি জুমুৰি দি ক'বলৈ ধৰিছে যে কমেও এশ টকাৰ পূজা আগ নকৰিলে তেওঁৰ পুত্ৰৰ বেমাৰ ভাল নহ'ব। বেচেৰীয়ে টকা নথকাত কঁকালৰপৰা কৰ্দনি-ডালকে খুলি দিলে। দেৱতাৰ এই সেৱকইঁতৰ ওপৰত ইমান যে খং উঠিল! সেই সময়ত শ্ৰীনাথো দিবানিদ্ৰাত •লাল কাল। দুৱাৰ বন্ধ। সেয়েহে দৰ্শনৰ আশা পৰিত্যাগ কৰি প্ৰসাদ-বেচা দোকানলৈ গ'লোঁ। দোকানত ভাগে ভাগে নানাবিধ মিঠাই সজাই থোৱা হৈছে। কিন্তু মিঠাইৰ ওপৰত মাখিৰ চামনি! হাজাৰ বিজাৰ মাখি দ'ম বান্ধি ক'লা হৈ আছে।

মই পাণ্ডাক ক'লোঁ, "মিঠাইৰ ওপৰত ইমান মাখি পৰিছে কিয়!'

পাণ্ডাই প্ৰথমবেপৰাই মোৰ মনৰ তলা-নলা পোৱা নাছিল, এতিয়া তাৰ চকু চেলুকা-চেলুক হ'ল। সি ক'লে, "মিঠাইত মাখি নপৰি ক'ত পৰিব, বালিত?"

আমাৰ লগৰীয়া ধকধকীয়া খদ্দৰ পিন্ধা সেই কংগ্ৰেছকৰ্মী মহিলা গৰাকীয়েও এই কথাত হুমভৰ দিলে।

মই তেতিয়ালৈকো মহ মাখি, এন্দুৰ উৱহ আদিক উছন কৰিবলৈ লোৱা মুভমেণ্টৰ কথা নাজানো, এই সম্পৰ্কে মোৰ কোনো ধাৰণাও নাছিল।

ড স্পৰ্টন অতি বুদ্ধিমতী আৰু খ্যাতিসম্পন্না বিজ্ঞানী। তেওঁ মোৰ ওচৰত যিমানদিন আছিল, পুৰণি চীনৰ তুলনাত নতুন চীনৰ প্ৰশংসাত তেওঁ ইমানেই উচ্ছ্বসিত হৈছিল যে ইমান কম দিনৰ ভিতৰতে ইমান পৰিবৰ্তন হ'ব পাৰে বুলি মই বিশ্বাস কৰিবলৈকো টান পাইছিলোঁ।

তেওঁ মোক কৈছিল "মানুহক ঠিকমতে বুজাব পাৰিলে মানুহে স্বাৰ্থত্যাগ কৰে, পৰিশ্ৰম কৰে—ই কোনো অসম্ভৱ কাম নহয়।"

তেওঁ চীনদেশলৈ উভতি যাবলৈ উচপিচাই আছিল। সেই দেশখনৰ প্ৰতি তেওঁৰ ইমান আকৰ্ষণ দেখি বিস্মিত হৈ এদিন তেওঁক সুধিলোঁ, "তুমি যিসকলৰ ইমান শলাগ লৈছা—তেওঁলোকেই দেখোন তোমাক তাৰপৰা খেদিলে!"

তেওঁ অলপো অপ্ৰস্তুত নহৈ টপৰাই ক'লে, "ভাল কৰিলে। কেৱল আমি

ইংৰাজইতেই নহয়, সমগ্ৰ ইঅ'ৰোপৰ মানুহে চীনদেশক যিদৰে শোষণ কৰিছিল তাৰ ফলত যদি তেওঁলোকে বিদেশীইতৰ ওপৰত আস্থা হেৰুৱাইছে তেনেহ'লে মই দোষ ধৰিব নোৱাৰোঁ। তোমালোকে ইয়াত ইংৰাজৰ যি মূৰ্তি দেখিছো চীনত তাতকৈ বহুগুণে জঘন্য। সিইঁতে তাত কেৱল লুট-পাতেই কৰিছিল।"

এওঁ চিয়াং কাই শেকৰ সম্পৰ্কে এটা গল্প কৈছিল

চীনদেশত তেতিয়া ভীষণ ইনফ্লেশ্বন, এসাজ খাবলৈ হ'লে এমোনা টকা লৈ যাব লাগে হোটেললৈ। কিন্তু চিয়াং কাই শেকে এই কথা বিশ্বাসকে কৰা নাছিল। কিয়নো তেওঁক চাৰিওফালে থকা মানুহবিলাকে সেই কথা তেওঁক বুজিবলৈ দিয়া নাছিল। এদিন চিয়াং কাই শেকে ক'লে, "আজিয়েই তমুক হোটেললৈ গৈ খাই বৈ চাই আহিম ইনফ্লেশ্বননো কেনেকুৱা বস্তু।"

তেওঁ হোটেললৈ গ'ল আৰু আমাৰ ভাৰতীয় মুদ্ৰাৰ হিচাপত চাৰি অনা পইচাৰে পেট পূৰাই খাই আহিল। তেতিয়া তেওঁৰ মনত খুব ফূৰ্তি—চোৱাইক ? ক'তো কেনিও ইনফ্লেশ্বনৰ নাম গোন্ধ নাই—চব শত্ৰুৰ মিছা প্ৰচাৰ।"

এয়া অসম্ভৱ নহয়।

সৰ্বোচ্চ পদৰ চাৰিওকাষতে ইমান আঁৰ বেৰ যে তাৰপৰা নিম্নভূমি দৃশ্যমান হোৱা কদাপিও প্ৰায় সম্ভৱ নহয়।

যিমান দূৰ মনত পৰে, ১৯৫৮ চনত ভুবনেশ্বৰত পি ই এন সন্মিলন অনুষ্ঠিত হৈছিল। তেতিয়া তিনি দিন ধৰি নিচেই ওচৰৰপৰা পণ্ডিত নেহৰুক দেখা পাইছিলো। একেলগে কোনাৰকলৈ গৈছিলো। গাড়িৰ এক বিৰাট সমদল। এই ঘটনাৰ তিনি চাৰি মাহৰ আগতে সেই বাটেদিয়েই কোনাৰকলৈ যাওঁতে বাটৰ মাজৰ খলা-বমাৰ জোকাৰণিৰে গা বিষাই গৈছিল আৰু ধূলি ধূসৰিত হৈছিলোঁ। কিন্তু সেইদিনা পণ্ডিত নেহৰুৰ লৈতে যাওঁতে বাটৰ দাঁতি-কাষৰীয়া ঘৰবিলাক আছিল চাফ চিকুণ আৰু বাট পথ নিমজ, পানীৰে ধুউৱা, আৰু কিমান যে আৰামপ্ৰদ!

"বাটত সিঞ্চন কৰা গন্ধ বাৰি
যেন মলিন নহয় 'চৰণ' তাৰ।" —সাধাৰণ মানুহ যে কি অৱস্থাত থাকে, তাৰ উমান এওঁলোকৰ পক্ষে লোৱা তেনেই টান। বাস্তৱিকতে টান।

ভদ্ৰমহিলা ডুবছুৰমান মোৰ ওচৰত আছিল। তেওঁ চীনলৈ উভতি যাবলৈ পাৰ্যমানে চেষ্টা কৰিছিল, কিন্তু তেওঁৰ সেই ইচ্ছা সফল হোৱা নাছিল। ইয়াৰ— অৰ্থাৎ ভাৰতৰ কাম শেষ হোৱাৰ পাছত তেওঁ আন এটা কাম লৈ কলম্বোলৈ গুচি গৈছিল। তেওঁ কৈছিল 'মই চেষ্টা কৰিয়েই থাকিম।'

এই কথাষাৰ মানিবই লাগিব যে ড স্পৰ্শনেই মোৰ মনটোক নতুন চীনৰ প্ৰতি অনুকূল কৰি তুলিছিল আৰু মনৰ সেই ভাবটো স্থায়ী হৈছিল। চীন যেতিয়া তিব্বতত সোমালগৈ তেতিয়া আমাৰ দেশৰ স্বাধীনতাপ্ৰিয় বহুতো মানুহেই ক্ষুণ্ণ আৰু ক্ষিপ্ত হৈছিল। কোনো দেশৰ স্বাধীনতা হৰণ কৰাটো অতি গৰ্হিত কাম।

কিন্তু দীৰ্ঘকাল ধৰি মই কালিম্পঙত ম পুত তিব্বতৰ প্ৰতিবেশীস্বৰূপ বাস কৰিছিলোঁ আৰু সেয়েহে তিব্বতবাসী বহু লোকক চিনি পাইছিলোঁ। তাৰপৰা অহা যোৱা কৰা বহুতো লোকৰপৰ বহু তথ্য পাতি পোৱাৰ ফলত তিব্বতত যে দৰাচলতে কোনো মানুহেই স্বাধীন নাছিল আনকি স্বয় দলাই লামাও স্বাধীন নাছিল – সেই কথাটো মই ভালকৈয়েই জানিছিলো। তাৰ মানুহ আছিল চক্ৰান্তৰ বন্দী, কুসংস্কাৰৰ বন্দী আৰু শতকৰা নৈব্বৈজ নই দাৰিদ্ৰ্যত বন্দী।

সেই বন্দীত্বৰ ৰূপ যে কেনে ভয়াবহ সেই কথা ১৯ ৫ চনত জাপানী শ্ৰমণ কাবাগুচিয়ে লিখা 'তিব্বতত তিনি বছৰ' কিতাপখন পঢ়িলেই বুজি পোৱা যায়। এই কথাটো বুজাবলৈকে এই কিতাপখন মই অনুবাদ কৰিছিলো। অৱশ্যে 'নৱজাতক'ৰ পাতত প্ৰকাশিত সেই অনুবাদ লোকচক্ষুৰ আঁৰতেই থাকি গ ল।

তেতিয়া সত্যনাৰায়ণ সিং নামৰ এজন ব্যক্তিয়ে এখন কিতাপত তেওঁ অকলেই এখন উৰাজাহাজ চলাই তিব্বতলৈ গৈ চীনাইতৰ সৈতে যুদ্ধ কৰাৰ কাহিনী লিখিছিল—লগতে বোমাক্সো আছিল যথেষ্ট। তাত নৃশংস বোমাৰ বিধ্বংসী বৰ্ণনা পঢ়িছিলোঁ আৰু তাৰ সৈতে মিলাই চাবলৈ চেষ্টা কৰিছিলোঁ দালাই লামাৰ লাছা এৰি অহাৰ চিত্ৰ। ইমান বয বস্তু, ধন সোণ আৰু মানুহ দুনুহ লৈ দীঘলীয়া পাৰ্বত্য পথ অতিক্ৰমি তেওঁ গুচি আহিছিল কেনেকৈ? চীনা সকলে তেওঁক ধৰিব নোৱাৰিলে কিয়? মাৰিয়েই বা নেপেলালে কিয়?

সত্যনাৰায়ণ সিংহৰ সেই বোমাকৰ এডভেঞ্চাৰ মোক সিমান ভৱাই তোলা নাছিল, যিমান ভৱাই তুলিছিল চীনাসকলৰ দুৰ্বোধ্য ব্যৱহাৰে।

১৯৬২ চনৰ জুন মাহত আকৌ ছোভিয়েত ইউনিয়নলৈ গৈছিলোঁ, তেতিয়া তাত স্তালিনৰ প্ৰভাব-প্ৰতিপত্তি অস্তমিত। পিছে সেই সম্বন্ধে কোনোৱে একো কথা নকয়। চাওঁতে চাওঁতে তেওঁৰ মূৰ্তি, ছবি অন্তৰ্হিত। কেৱল আমাৰ কবি সমৰ সেনে মোক কৈছিল যে তেওঁ হেনো 'বাকু' ৰেস্তৰাঁত বহি 'তোমালোক অকৃতজ্ঞ' ইত্যাদি বুলি কৈ বিস্তৰ চিঞৰ বাখৰ কৰিছিল। কিন্তু তেওঁক কোনোৱেই একো কোৱা নাছিল। আমি, যিসকলে ৰাজনীতিৰ মেৰপাক বৰ বুজোঁ, এই কথাত বা আন কিবা কাৰণত যে চীনৰ লৈতে ৰুছিয়াৰ সৌভ্ৰাত্ৰৰ ক্ষেত্ৰত ফাট মেলিছে—সেই কথা বুজা নাছিলোঁ। সেয়েহে ১৯৬২ চনৰ শেষৰ ফালে ভাৰতৰ সীমান্তত যেতিয়া যুদ্ধ লাগিল তেতিয়া বিনামেঘে বজ্ৰপাত হোৱা যেন লাগিছিল।

ইপিনে বান্দুং কনফাৰেন্স হৈ গ'ল, তেতিয়া পঞ্চশীলৰ মন্ত্ৰ জপ কৰা হৈছে। চৌ এন লাই ভালেকেইবাৰমান ভাৰতলৈ আহিল। হঠাতে এয়ানো কি কাণ্ড! ক'ৰবাত তৃণগুল্মহীণ তুষাৰমেৰুত এটা সীমাৰেখাৰ এটি চিনৰ বাবে চীনৰ এই কাণ্ড? এই বাবে ইমানদিনীয়া সৌহাৰ্দ্য ধ্বংস হ'ব? যিসকলে তেতিয়ালৈকো চীন আৰু ৰুছিয়াৰ মতান্তৰৰ কথাৰ সম্ভেদ পোৱা নাছিল, তেওঁলোকে ভাবিছিল—কমিউনিষ্টইঁতৰ ওপৰত বিশ্বাস নাই। আৰু যিসকলে জানিছিল, তেওঁলোকে ভাবিছিল আন কথা। আৰু সেয়েহে সমগ্ৰ দেশতে কমিউনিষ্ট বিৰোধিতাৰ এটা তৰংগ বাগৰি গৈছিল। সি আছিল উত্তাল তৰংগ। ঠিক সাম্প্ৰদায়িক সংঘৰ্ষৰ দৰে।

মহা ছোভিয়েত' কিতাপখন লিখাৰ ফলত মোৰ তেতিয়া কমিউনিষ্ট বুলি অখ্যাতি আছিলেই, সেয়েহে মোৰ অৱস্থা হৈ উঠিছিল শত্ৰুপক্ষৰ নিচিনা। তদুপৰি, যুদ্ধৰ সময়ছোৱা নীৰৱে আছিলোঁ। কিয়, ক'ব নোৱাৰোঁ। সৰৱ হ'বলৈ চেষ্টা কৰিছিলো কিন্তু ভিতৰৰপৰা সঁহাৰি পোৱা নাছিলো। মোৰ স্বভাৱেই এনেকুৱা। কোনো এটা বিষয়ত যেতিয়া জনমত উত্তাল হৈ উঠে, তেতিয়া মোৰ ভাব হয়, আন পক্ষৰো কিবা ক'বলগীয়া আছে—সেইখিনিও শুনা প্ৰয়োজন। কিন্তু বেগেজ বন্ধাৰ আখৰাত যোগ নিদিয়াৰ ফলত মই কম খেচাৰত দিবলগীয়া হোৱা নাছিলো। এগৰাকী দেশপ্ৰেমী মহিলাই ঘৰলৈ আহি ককৰ্থনা কৰিলে

"আপোনালোকেই আমাৰ দেশত কমিউনিষ্টইজমকলাই দিছে, সিইঁতেই চীনাইতক মাতি আনিছে।"

মোৰ অশীতিপৰ শাহুআয়ে ক্ষুণ্ণ হৈ ক'লে, "হেৰা, চীনে ভাৰতখন আক্ৰমণ কৰিলেনো বোবাবীয়ে কি কৰিব ?"

আটাইতকৈ ডাঙৰ সমস্যাত পৰিছিলোঁ যেতিয়া চীনে তেওঁলোকৰ বিজয়ী সৈন্য ওভোতাই নিলে। কিয় আহিছিল, উভতি গ'লেইবা কিয়, সাধাৰণ মানুহৰ পক্ষে বুজাটো টান। এই অজ্ঞেয় চৰিত্ৰ পীত জাতিৰ ৰহস্য [তেওঁলোকক 'পীত' বা 'হালধীয়া' বুলি কিয় কোৱা হয় নাজানো। মই তেওঁলোকৰ গাত হালধি বা হালধীয়াৰ চিনমাত্ৰও দেখা নাছিলোঁ] বুজিবলৈ কোনো চেষ্টাই আৰু কৰা নাছিলোঁ।

তেতিয়া এদিন ৰেলগাড়িত এজন কেপ্টেইন—বা আৰু অলপ উচ্চপদস্থ এজন পঞ্জাবী ভদ্ৰলোকৰ সৈতে দেখা হ'ল। তেও চীনত বন্দী আছিল। তাৰ পাছত, মুক্তিৰ পাছত তেওঁলোক এটা কেম্পত কিছুদিনৰ বাবে আছিল। সেই কেম্পটোৰ নাম মোৰ মনত নাই। যি কি নহওক, তাৰপৰা আহি, এয়া দাৰ্জিলিং মেইলত উঠি কলিকতালৈ গৈ আছে তেওঁ। কলিকতাৰপৰা বাঁচী হৈ পঞ্জাবলৈ যাব। মই বোলপুৰৰপৰা তেওঁৰ সহযাত্ৰিণী হ'লো।

মই প্ৰথমেই তেওঁৰ গাৰ ওপৰত চকু ফুৰালো—গাৰ ক'ৰবাত কিবা ধৰণৰ আঘাতৰ চিন মোকাম দেখা পাওঁ নে কি। ওহোঁ, নেদেখিলো। আনকি পৰাজয়ৰ গ্লানিৰ চিনো নেদেখিলো তেওঁৰ চকু মুখত। তেও দেখাত বেছ শকত-আৱত আৰু ৰঙিয়াল মনৰ। তেওঁক বন্দীশিবিৰৰপৰা সদ্যমুক্ত ব্যক্তি বুলি ধাৰণাই নহ'ল। তেওঁ মোৰ ওচৰত চীনা খাদ্যৰপৰা আৰম্ভ কৰি তেওঁলোকৰ আচাৰ ব্যৱহাৰৰ আৰু দ্ৰষ্টব্যস্থানৰ যি বিশদ বৰ্ণনা দিলে তাৰপৰা তেওক বিদেশ ভ্ৰমণ কৰি অহা ব্যক্তি যেন লাগিছিল। পাছত আন কেইজনমানৰপৰাও একেবোৰ কথাকে শুনিছিলোঁ। সেনাবিভাগৰ এগৰাকী উচ্চপদস্থ ব্যক্তিৰ পত্নীয়ে কথা প্ৰসংগত কৈছিল যে বন্দী সৈন্যইতৰ মগজু ইমান'ক ধুউৱা হৈছিল যে সিইঁতে শত্ৰুৰ উচ্চ প্ৰশংসাহে কৰিছে। এইহোৰ কথা কাণ্ড দেখি শুনি আমি বিপদাপন্ন হৈ পৰিছো। অৰ্থাৎ অৱস্থা এনেকুৱা হ'লে শত্ৰুতা বজায় ৰখা বৰ টান কথা।

মই সেই কেপ্টেইনজনক সুধিলোঁ, "সিঁহতে আপোনাক বেয়নেটেৰে খোঁচা নাছিল ? হাত ভৰি ভঙা নাছিল ? একোৱেই কৰা নাছিলনে ? দেশপ্ৰেমৰ সলনি আপোনাৰ মন চীনা থাত্তইহে কাঢ়ি ল'লেনে ?"

তেওঁৰ বৰ খং উঠিল, "খুঁচিব কিয় ? হাত-ভৰি ভাঙিব কিয় ? ৰাজনীতিৰ সলনি হয়, ৰাষ্ট্ৰনীতিৰো সলনি হয়, আমি যেতিয়া যি চৰকাৰ থাকে সেই চৰকাৰৰ হুকুম পালন কৰোঁ, আমাৰ দোষ কি ?"

কথাষাৰ ঠিকেই। কিন্তু যুদ্ধৰ সময়ত কোনেনো এই কথা মনত ৰাখে ? আনন্দৰ সৈতে সুঁৱৰিছোঁ—বাংলাদেশৰ যুদ্ধৰ পাছত ধৰা পৰা পাকিস্তানী সৈন্যসকলৰ ক্ষেত্ৰত আমি সেই কথা মনত ৰাখিছিলোঁ। অৱশ্যে সেই কথাত বাংলাদেশৰ মুক্তিযুঁজাৰুসকলে আমাক বেয়া পাইছিল। পাকিস্তানী সৈন্যসকলৰ আটাইবিলাকক আমি জবাই কৰাটোৱেই তেওঁলোকৰ ইচ্ছা আছিল।

ভাৰত চীন যুদ্ধ সম্বন্ধে আধুনিক কালত বহুতো লিখা-লিখি হৈছে—ভাৰতীয়সকলেও লিখিছে, লিখিছে অন্যান্যৰো। সেই সম্বন্ধে আলোচনা কৰিব পৰা উপযুক্ত জ্ঞান মোৰ নাই। কেৱল এইবাৰ চীন ভ্ৰমণ কৰোঁতে কথাপ্ৰসংগত দুই এবাৰ সেই কথা যেতিয়াই উত্থাপিত হৈছিল—মই প্ৰায় একেই উত্তৰ পাইছিলো। সেই উত্তৰ হ'ল বৃটিছকৃত সীমা আমি নামানো। আলোচনাৰ মাধ্যমেদি সকলো সমস্যাৰ সমাধান কৰিব পাৰি। বিশেষকৈ সীমাৰেখা প্ৰতিবেশীসকলৰ মাজত আলোচনাৰ দ্বাৰায়েই স্থিৰ কৰা উচিত—সেই উদ্দেশ্যে আমাৰ প্ৰধানমন্ত্ৰী চৌ এন লাই ছবাৰ ভাৰতলৈ গৈছিল। (অৱশ্যে চৌ এন লাই ইমান বাৰ ভাৰতলৈ অহাৰ কথা মোৰ মনত নপৰিল। দুবাৰ অহাৰ কথা মই ক'ব পাৰোঁ)। যি কি নহওক, সেই সমস্যাৰ সমাধানৰ বাবে যুদ্ধ আছিল নিতান্ত অনভিপ্ৰেত। ভাৰতৰ সৈতে যুদ্ধত আমাৰ জয় পৰাজয় নাই। কিয়'না, ভাৰতৰ জনসাধাৰণেও আমাৰ দৰেই দীৰ্ঘকাল ধৰি বলদৰ্পী সাম্ৰাজ্যবাদীইঁতৰ অত্যাচাৰ সহ্য কৰিবলগীয়া হৈছিল। এতেকে, এই যুদ্ধৰ জয়ৰ কথা লৈ আমি গৰ্ব অনুভৱ নকৰোঁ। এয়া আছিল এটা অবাঞ্ছনীয় অথচ আৱশ্যকীয় কৰ্ম। আমি অতি দুখেৰে প্ৰয়োজনবোধত যুদ্ধ কৰিছিলোঁ। যিমানখিনি প্ৰয়োজন তাতকৈ এখোজো অধিক আগবাঢ়ি যোৱা নাছিলোঁ আমি।"

মই সুধিলোঁ, "তোমালোকে বন্দী সৈন্যসকলৰ সৈতে ইমান ভাল ব্যৱহাৰ কৰিছিলা কিয় ? মগজু ধুবৰ বাবে ?"

মই যিজনৰ সৈতে কথা পাতি আছিলোঁ তেওঁ বয়সিয়াল আৰু অভিজ্ঞ ব্যক্তি—যাক ইংৰাজী ভাষাত 'নলেজেবল' বুলি কোৱা যায়। তেওঁ ক'লে, "ভাল কথা কৈছা—সৈন্যসকলৰ সৈতে বেয়া ব্যৱহাৰ কিয় কৰিম ? তেওঁলোকো সাধাৰণ মানুহহে, তেওঁলোকে তো নিজৰ ইচ্ছামতে কোনো অন্যায় কাম কৰা নাছিল, তেওঁলোকৰ বাবে নিৰ্দিষ্ট কামহে কৰিছিল। সুযোগ সুবিধা পালেই কাৰোবাৰ ওপৰত অত্যাচাৰ কৰাৰ শিক্ষা আমাৰ নাই, তাতকৈ বেছি পলিটিকেল এডুকেশ্যন আমাৰ আছে।

এই পলিটিকেল এডুকেশ্যনৰ কথাটো পাছত আৰু বহলাই কম—এইটো সেই দেশত ইমান জীৱনজোৰা শিক্ষা যে, মোৰ এই ক্ষুদ্ৰ ৰচনাৰ মাজেদি যিমানখিনি প্ৰকাশ পাব তাতকৈ অধিক বুজাবপৰা বিদ্যা মোৰ নহ'ব যেন পাওঁ।

যি কি নহওক, মোৰ তেতিয়া তিব্বতৰ কথা মনত পৰিল। শুনিছিলা যে, তিব্বতত হেনো চীনাইঁতে ভীষণ অত্যাচাৰ কৰিছে আৰু সেই অত্যাচাৰ সৈন্যইঁতৰ ওপৰত নহয়, ধৰ্মভীৰু সাধাৰণ মানুহৰ ওপৰত। আৰু এই ধৰ্মৰ বাবেই এই অত্যাচাৰ। ধৰ্মৰ বাবে যুগে যুগে ধাৰ্মিকসকলে বহু ৰক্তপাত কৰিলে, তাৰ নিদাৰুণ অভিজ্ঞতা আমাতকৈ অধিক আৰুনো কাৰ আছে ? ইমান ডাঙৰ দেশখন টুকুৰা টুকুৰ হৈ গ'ল—ধৰ্মৰ নামত। আজিৰ দিনতো আয়াৰলেণ্ডত ধৰ্মযুদ্ধ হৈছে—তাত অৱশ্যে সমস্যাটো বেলেগ ধৰ্মযুদ্ধ নহয়, ধৰ্মক লৈ যুদ্ধ।

মই তেতিয়া বহু ভাবিছিলো, অধাৰ্মিকসকলে সেইটো কৰিব কিয় ? তেওঁলোকে চাগৈ আন কিবা কৰিলে, যিটো কাম তিব্বতীসকলৰ মানত ঘোৰ নিপীড়ন বুলি বোধ হ'ল। যেনে, তেওঁলোকে কিজানি ধৰ্মগ্ৰন্থৰ (পুথি) পাত ফালি খুন্দনাত খুন্দি পিহি খোৱাটো নিষিদ্ধ কৰিলে। আগতেও মই জানিছিলোঁ, অৰ্থাৎ মংপুত থাকোঁতে শুনিছিলো। পাছত তিব্বত সম্বন্ধে অভিজ্ঞ নলিনাক্ষ দত্ত ডাঙৰীয়াই তিব্বতৰপৰা ঘূৰি আহি সংস্কৃত কলেজত অনুষ্ঠিত

মিটিং এখনত কৈছিল যে তিব্বতীসকলে ভাল ভাল পাণ্ডুলিপিৰ ভালেখিনিয়েই খাই পেলালে। কিয়নো, বেমাৰ আজাৰ হ'লে লামাইঁতে সেইবোৰ সদগ্ৰন্থৰ পাতৰ এচিকুটকৈ কালি নি ধৰ্মপ্ৰাণ শিষ্যসকলক দৰৱ হিচাপে খাবলৈ দিছিল।

তদুপৰি জাপানী শ্ৰমণ একাই কাৱাগুচি লিখিত 'তিব্বতত তিনি বছৰ' গ্ৰন্থত পঢ়িছিলোঁ যে আনকি দালাই লামাৰ বিষ্ঠাও বড়ি হিচাপে বেমাৰীইঁতক খুউৱা হৈছিল। এই কথা মই অবিশ্বাস কৰা নাছিলোঁ, কিয়নো, বহুদিনৰ আগতে তিব্বতত শিক্ষা সাং কৰি বুধি লামা আহিছিল মংপুলৈ—তেতিয়া তেওঁৰ পৰা নানান ধৰণৰ সাধন-প্ৰক্ৰিয়াৰ মাজৰ এটা সাধন-প্ৰক্ৰিয়াৰ কথা শুনিছিলোঁ যে, তেওঁক হেনো হাত-ভৰি বান্ধি এটা বাকচত তিনি মাহৰ বাবে ভৰাই থোৱা হৈছিল। শাৰীৰিক গ্ৰহণ-বৰ্জন প্ৰক্ৰিয়াৰ বাবে অৰ্থাৎ মল-মূত্ৰত্যাগৰ বাবে সেই বাকচটোত এটা ডাঙৰ ফুটা আছিল, আৰু সেইদৰে থাকিয়েই তেও মন্ত্ৰ জপ কৰিবলগীয়া হৈছিল, যি মন্ত্ৰবিলাকৰ অৰ্থ অৱশ্যে তেওঁ একেবাৰে নাজানিছিল।

এইদৰে এটা নিৰ্দিষ্ট সময় কটাই দিব পাৰিলে এটা পৰীক্ষাত পাছ কৰা হয়। এই প্ৰক্ৰিয়াৰ মাজত অৱশ্যে অত্যাচাৰৰ প্ৰশ্ন নুঠে, কিয়নো সেই ভাবী লামাইঁতে নিজ ইচ্ছাৰেহে এই কৃচ্ছ্ৰসাধনক্ষেৰা বৰণ কৰি লয়। কিন্তু যিসকল ধৰ্মৰ প্ৰতি উদাসীন, যিসকল ধৰ্মৰ সাততো নাই পাঁচতো নাই, তেওঁলোকে এইবোৰ ধৰ্মাচৰণক আৱৰ্জনাৰ দ মতলৈ পেলাবলৈ কব। তেওলোকে কোনোবা বেমাৰত পৰিলে দালাই লামাৰ পাদোদক বা বিষ্ঠা খুৱাই নিশ্চয় হস্পিতাললৈ লৈ যাব।

চীনদেশৰ চলচ্চিত্ৰ এখনত তিব্বতত প্ৰতিষ্ঠিত এখন আধুনিক হস্পিটালৰ দৃশ্য দেখি মোৰ বাৰে বাৰে এটা কথাই মনত উকি দিছিল তিব্বতলৈ চীন সোমাই অহাৰ আগতে আমিও তাত হস্পিতাল, স্কুল ইত্যাদি স্থাপন কৰিবলৈ চেষ্টা নকৰিলো কিয়? তেওলোকৰ ধৰ্মচৰ্চা অব্যাহত ৰাখি কিবা এটা তো কৰিব পাৰিলোহেঁতেন। অন্তত আমাৰ দেশত যিমানকণ হৈছে। একো একোটা লামা লানিত বাহ সাত আঠশ লামাই দিনে নিশাই মন্ত্ৰ জপ কৰে। ধৰ্মতকৈ কৰ্মত প্ৰধান্য আৰোপ কৰাসকলৰ এই কথাত খং উঠিব পাৰে। কিন্তু আমি, যিসকল দৰাচলতে এতিয়াও লৌকিকতকৈ অলৌকিকলৈহে অধিক

আন্থই, আমি এই কথাত কেতিয়াও থ, নকৰিলোহেঁতেন। এক আৰ টি এছ তাইৰৰ লগতে বেজ বা অদ্ভূতকৰ্মা ওজাবৰী গুৰুদেৱইতেও তেওঁলোকৰ ফাং-ফুংকৰ্ম নিৰ্বিবাদে চলাই যাব পাৰিলেহেঁতেন।

তিব্বতত চীনা আক্ৰমণৰ ৰাজনৈতিক দিশৰ ভাল-বেয়াৰ বিচাৰ মই কৰিবলৈ খোজা নাই। কিন্তু য'ত মুষ্টিমেয় মানুহৰ লেমটৌগিৰি কৰি আৰু অন্ধাবশ্বাসৰ যুক্তিহীন সংস্কাৰৰ লাভীজালত বেষ্টিত বুদ্ধিযুক্ত মানুহৰ চিৰবন্ধনদশা, তাত স্বাধীনতা বা মুক্তিৰ প্ৰশ্ন নুঠে। যি কি নহওক, আমাৰ এই ভুলৰ পৰাচিত আমি চিকিমত কৰিব পাৰিম। তাত ভাল হস্পিতাল, ভাল স্কুল আৰু উত্তম দলিচাৰ (কাৰ্পেট) ফেক্টৰি গঢ়ি তুলিব পাৰিম। তিব্বতত আৰু চিকিমতো ভাল ভাল দলিচা তৈয়াৰ কৰা হয়।

এবাৰ চিকিমত এখন ভাল দলিচা কিনিবলৈ গৈছিলোঁ। অৰ্ডাৰ দিলে পাওঁতে কিমান দিন লাগিব সোধাত তেওঁলোক ক'লে, "তিনি মাহৰপৰা এবছৰ।"

"তাৰ মানে ?

"হয়, ইচ্ছা হ'লে ব'ব, নহ'লে নবয়। সেয়েহে সঠিককৈ সময় কোৱা টান।"

"যেতিয়া বোৱা কটা নকৰে তেতিয়া খায় কি ?'

"কিনো ক'ম—কোনো দিনা খাবলৈ জোৰে কোনোদিনা নোজোৰে—নঘোনেই কটাই দিয়ে। সেই বুলি নিতৌ নিয়মিত কাম-বনেও আমাক নুকুলায়, আমাক নুশুৱায়।'

এতিয়া দেখিলোঁ তিব্বতৰ কাৰ্পেট ফেক্টৰিবিলাকত দিনে নিশাই কাম চলিছে—ভাগে ভাগে কাৰ্পেট দ'মাই থোৱা হৈছে। আৰু কেৱল কাৰ্পেট ফেক্টৰিতেই নহয়—হাইড্ৰ' ইলেকট্ৰিক প্লেণ্টৰপৰা আৰম্ভ কৰি বিভিন্ন কল কাৰখানাত, বিদ্যালয়ত নিয়মীয়াকৈ উপস্থিত হ বলগীয়া হৈছে। এতিয়া মণিপদ্মে হুং-অৰ চক্ৰ ঘূৰাই বাটে বাটে ভিক্ষা কৰাটো এ'কবাৰে বন্ধ।

চিকিম তিব্বতকৈ বহু উন্নত আছিল। তাত অন্ততঃ ৰজাৰ পুতেকক ৰজা পতা হয়। জন্মান্তৰৰ দালাই লামাক জন্মৰ পাছত জন্ম ধৰি বিচাৰি উলিয়াই ৰজা পতা নহৈছিল। যি হওক, তথাপি—মই তিব্বতৰ কথা সুধিম বুলি মনতে ভাবি থৈছিলোঁ, ইয়াৰ সীমান্ত সমস্যাৰ সমাধান শান্তিপূৰ্ণ

আলোচনাৰ মাজেদি হৈছিলনে কি জানিবলৈ। কিন্তু সুসুধিলোঁ। ভাবিলোঁ, জানোচা—যদি তিতা কেঁহা অৱস্থাৰ সৃষ্টি হয়।

কিন্তু এই ভীতিৰ কোনো কাৰণ নাছিল। কিয়নো, তেওঁলোকে পলিটিকেল তৰ্ক-বিতৰ্ক অতি শান্তভাৱে কৰে। যুক্তিৰে যুক্তিক খণ্ডন কৰি কথা কয়, অলপো উত্তেজিত নহয়, কিয়নো, তেওঁলোকৰ পলিটিকেল শিক্ষা আছে। কিন্তু মই তো তেনেকুৱা নহওঁ। মোৰ তো পলিটিকেল শিক্ষাৰ আকালো নাই উবালো নাই। জোখে-জোখাৰে উত্তৰ নাপালে খ উঠি যায় মোৰ। ৰাজনৈতিক তৰ্কৰ ফলত আমাৰ আত্মীয়-স্বজনৰ মাজত মুখ দেখাদেখিও বন্ধ নোহোৱা নহয়। যি কি নহওক, মই যে তিব্বতৰ কথা সুসুধিলোঁ তাৰ আচল কাৰণ আছিল এটা কবিতা। এটা কবিতা মোৰ মনত পৰিছিল। কিন্তু সেই কবিতাটো ক'ত কোন মন্দিৰত যে আঁৰি থোৱা আছিল সেই কথা ভাবি থাকোঁতেই আমাৰ বাওণা হোৱাৰ সময় হ'ল। এই প্ৰসংগ আৰু শেষেই নহ'ল।

তিব্বতৰ কথাৰ আঁত ধৰি যিটো কবিতা মোৰ মনত পৰিছিল সেই কবিতাটো 'সময়ৰ বৰষুণ' (Timely Rain) নামৰ এখন কিতাপত পঢ়িছিলোঁ। স্টুৱাৰ্ট গেল্ডাৰ নামৰ এগৰাকী বিখ্যাত জাৰ্নালিষ্ট যিগৰাকীয়ে এসময়ত ভাৰতত মহাত্মা গান্ধীৰ লগতেও আছিল, তেওঁ বহু তদ্বিৰ তদাৰক কৰি ১৯৬২ চনত তিব্বতলৈ গৈছিল—তাত কমিউনিষ্টহঁতৰ অত্যাচাৰৰ প্ৰত্যক্ষদৰ্শীৰ বিবৰণ আনিবলৈ। যেনেকৈ 'মণিকা ফেল্টলন' গৈছিল কোৰিয়ালৈ।

স্টুৱাৰ্ট গেল্ডাৰে তেওঁৰ কিতাপত চতুৰ্দশ লামা দানৎছেন জালটছো' ১৯৫৪ চনত যেতিয়া পিকিঙলৈ গৈছিল তেতিয়া ৰচনা কৰা এটা কবিতাৰ উদ্ধৃতি দিছিল। কবিতাটো পিকিঙৰ কোনো এটা বৌদ্ধ মন্দিৰত আঁৰি থোৱা আছে। সেই মন্দিৰটোৰ নাম Broad Charity (প্ৰশস্ত কৰুণা)। মোৰ ধাৰণা এইটো নিষিদ্ধ নগৰীৰ এটা ঘৰ। কিন্তু পিকিঙত থাকোঁতে তিব্বতৰ কথা মোৰ মনত পৰা নাছিল, মনত পৰা হ'লে মই মন্দিৰটো চাব খুজিলোহেঁতেন।

এই কিতাপখনত মাও চে তুঙৰ কথা বহুতো লিখিব লাগিব। সেয়েহে প্ৰাৰম্ভণিতে চতুৰ্দশ দালাই লামাই ৰচনা কৰা তেওঁৰ স্তৱগীতি বা স্তোত্ৰটো

অনুবাদ কৰি দিছোঁ। কবিতাটো বৰ দীঘল। সেয়েহে মই ইয়াত মাত্র কেইটামান শ্লোকহে অনুবাদ কৰিম।

স্টুৱাৰ্ট গেল্ডাৰ আৰু মাৰা গোল্ডাৰ হ'ল ইংৰাজ। তেতিয়া 'নিউজ ক্রনিকল'ৰ ৰিপ'ৰ্টাৰৰ কামত স্টুৱাৰ্টৰ বিছ বছৰ হৈছেই। তেওঁ ভাৰতৰ মুক্তিযুদ্ধৰ ৰিপ'ৰ্টিঙো কৰিছিল আৰু সেই সূত্রত গান্ধীজীৰ বন্ধু আৰু ভক্ত হৈ পৰিছিল। এওঁ কোনো পলিটিকেল দলভুক্ত নোহোৱা বাবে আৰু কবিতাটোৰ সত্যতাৰ প্রমাণ কবিতাটোৰ মাজতে ইমান প্রকট হোৱা বাবে কবিতাটো মোৰ মানত ইমান বিশ্বাসযোগ্য হৈ উঠিছিল। দালাইলামাৰ মত পৰিবৰ্তনৰ কাৰণ কি—সেই কথাও তেওঁ লিখিছে। কিন্তু সেই বৃত্তান্তৰ পুনৰাবৃত্তি ইয়াত মই নকৰোঁ, কিয়নো, মই তো তেওঁৰ সম্পূর্ণ কিতাপখন অনুবাদ কৰিবলৈ লোৱা নাই। দালাই লামাই লিখিছিল

কেন্দ্রীয় গণ চৰকাৰৰ মহান জাতীয় নেতা মাও চে তুং অপাৰ স্নেহজাত চক্রবর্তী। বহুদিনৰেপৰাই তেওঁৰ দীর্ঘজীৱন আৰু সাফল্য কামনা কৰি এটা স্তোত্র লিখিম বুলি ভাবি আছিলো। ইতিমধ্যে অস্তৰ্ম গোলিয়াৰ কান্‌ছু বৌদ্ধ মন্দিৰৰ লামা ব্লাংছুয়াংকেৰগামে মোলৈ প্রণাম জনাই বহুদূৰৰপৰা এটি কবিতা লিখিবলৈ অনুৰোধ জ্ঞাপন কৰিলে। তেওঁৰ অনুৰোধ ৰক্ষা কৰিবলৈ মই সন্মত হ'লো। কিয়নো, এই অনুৰোধ আছিল মোৰ ইচ্ছাৰ অনুকূল।

চতুর্দশ দালাই লামা
নৰবুলিন-ছেন ফু প্রাসাদৰপৰা
১৯৫৪

হে ত্রিৰত্ন (বুদ্ধ, ধর্মসংঘ), যিসকলে এই পৃথিৱীৰ ওপৰত আশীৰ্বাদ
বর্ষণ কৰে
আপোনালোকৰ অতুলনীয় চিৰমংগলালোকত আমাক ৰক্ষা কৰক।
হে চেয়াৰমেন মাও ! তোমাৰ উজ্জ্বল কর্ম এই জগতৰ স্রষ্টা ব্রহ্মা আৰু
মহা সম্পতৰ তুল্য
এই পৃথিৱীৰ ওপৰত পোহৰ বিকিৰণকাৰী সূৰ্য্যৰ দৰে উজ্জ্বল
তোমাৰ নিচিনা নেতা অসীম পুণ্যকর্মৰ ফলতহে জন্ম গ্রহণ কৰে।

তোমাৰ বচনা মুকুতাৰ দৰে মূল্যবান, জোৱাৰেৰে উত্তাল আকাশস্পৰ্শী
সমুদ্ৰৰ দৰে শক্তিশালী ।
হে মহামাননীয় চেয়াৰমেন মাও, তুমি দীৰ্ঘজীৱী হোৱাঁ ।

আমাৰ বিৰাট দেশখন আছিল দুখৰ গধুৰ বোজাৰে দোঁ খোৱা, অন্ধকাৰত আৱদ্ধ,
তোমাৰ দীপ্তিৰে হ'ল তাৰ মুক্তি, এতিয়া দেশবাসী সুখ আৰু মংগলেৰে পূৰ্ণ ।
তোমাৰ শান্তিৰ পথ শ্বেতমণিখচিত ছত্ৰৰ দৰে
স্বৰ্গ, মৰ্ত্য আৰু মানৱৰ ওপৰত আছে ছায়াময় হৈ ।
তোমাৰ যশ সেই ছত্ৰৰ চাৰিওকাষৰ নেপূৰ
আকাশত সততে ঘূৰ্ণ্যমান আৰু ঝংকৃত ।

আমাৰ শত্ৰু তেজপিয়া সাম্ৰাজ্যবাদীহঁত
বিষাক্ত সাপৰদৰে সৰীসৃপ চয়তানৰ দূত—
তুমি নিৰ্ভীক পৰ্বতৰ দৰে, বিষাক্ত সৰ্পজয়ী তোমাৰেই অজেয় শক্তি
শাক্যমুনিৰ শ্ৰেষ্ঠ ধৰ্ম মুকুতাৰ চাকিত চন্দ্ৰালোকৰ দৰে উজ্জ্বল
সুগন্ধি মুকুতাৰ অলংকাৰৰ দৰে বাধাহীনভাৱে ধাৰণ কৰি আমি গৰ্বিত ।

তোমাৰ ইচ্ছা পুঞ্জীভূত মেঘৰ দৰে, বজ্ৰৰ দৰে তোমাৰ আহ্বানত ।
সেই মেঘৰ্পৰা সময় মতে নামি আহে নি স্বাৰ্থ ধাৰেৰে পৃথিৱীক কৰে পুষ্ট ।
তেনেকৈ পৰম মূল্যৱতী গঙ্গাধাৰা সৰ্বদিশলৈ ধাৱিত
তেনেকৈ শান্তি আৰু সুবিচাৰে কঢ়িয়াই আনে সকলো মানুহলৈ সীমাহীন
আনন্দ ।

এই পৃথিৱী স্বৰ্গৰ দৰে সুখকৰ হয় যেন
আমাৰ মহান নেতা হয় যেন চিৰজীৱী ।
ধৰ্মৰক্ষক দয়াময় বোধিসত্ত্বৰ শক্তিৰে
আৰু মহৰ্ষিসকলৰ বচনেৰে আমাৰ আশা হয় যেন পূৰ্ণ ।

চীনৰ তিব্বত-অধিৰোহণৰ পাছৰেপৰাই ('অধিৰোহণ' কথাষাৰ আক্ষৰিক অৰ্থতেই সত্য। কিয়নো, তিব্বত বোধকৰোঁ সমুদ্ৰপৰা পোন্ধৰ হাজাৰ ফুট ওখ। ইয়াক পৃথিৱীৰ চাল বা ছাদ বুলি কোৱা হয়) মনটো বিমুখ আৰু বিমূঢ় হৈ পৰিছিল। বিশেষকৈ দালাই লামাই যেতিয়া কৈছিল যে, ধৰ্মত্যাগ কৰোৱাবলৈ হাজাৰ হাজাৰ মানুহক নিষ্ঠুৰভাৱে মাৰি পেলোৱা হৈছে—তেতিয়া স্বাভাৱিকতেই সমগ্ৰ ভাৰত গৰ্জি উঠিছিল। মানুহক মাৰি পেলোৱা কথাটো আমাৰ কাৰণে এক অভাৱিত কথা, এই কথাত আমাৰ অনুমোদন নাই কোনোদিনেই, তুৰাৰ খুলি দিওঁ আমি—বাৰে বাৰে দলে দলে ভগনীয়া আহে। আমাৰ দেশত মোগল পাঠানইতে জোৰ কৰি ধৰ্মান্তৰিত কৰাৰ কথা শুনিছিলোঁ। কিন্তু সেই কথা সঁচা হ'লে উত্তৰ ভাৰতত হিন্দু মেজৰিটি নাথাকিলহেঁতেন। গতিকে, অতি কম-সংখ্যক মানুহক গৰু খুৱাই মুছলমানলৈ পৰিবৰ্তিত কৰিব পৰা সম্ভৱ হ'লেও হাজাৰ হাজাৰ মানুহক নোৱাৰি। তথাপি ধৰ্ম ত্যাগ যদিওবা কৰাব পাৰি—মাৰি পেলালে প্ৰাণত্যাগহে হয়গৈ, ধৰ্মত্যাগ নহয়। দালাই লামাৰ এই কবিতায়ো কিন্তু মোৰ সন্দেহ আঁতৰাব পৰা নাছিল। কিয়নো, এসময়ত কিবা কথাত অলপ ভাল ভাবিছিল বুলিয়েই পাছত কেতিয়াবা বেয়া নহ'ব—ইও কোনো কথা নহয়।

চীন সম্বন্ধে মোৰ মন বিৰূপ হৈ উঠিল নকশাল আন্দোলনৰ কাল'ছাৱাত। তেতিয়া পশ্চিমবংগ আৰু অন্যত্ৰ যি ছিন্ন-ভিন্ন ছিন্নমস্তা ৰাজনীতিয়ে পাইকাৰী হাৰত আৰু আন ঠাইত খুচুৰাভাৱে তাণ্ডৱৰ সৃষ্টি কৰিছিল সেই ৰাজনীতিত চীনৰ প্ৰভাৱ থকাৰ কথা তেতিয়াই স্পষ্ট হৈ উঠিল—যেতিয়া দেৱালৰ গাত প'ষ্টাৰ পৰিল—'চীনৰ চেয়াৰমেন আমাৰ চেয়াৰমেন'। মত ধাৰ কৰিব পাৰি, অৰ্থাৎ এখন দেশত উদ্ভূত মত যে আন এখন দেশত সফল হ'ব পাৰে, তাৰ সহস্ৰ প্ৰমাণ আছে, কিন্তু এখন দেশৰ নেতা আন এখন দেশৰ নেতা হ'ব নোৱাৰে, বিশেষকৈ যিখন দেশৰ মানুহৰ ওচৰত তেওঁ এটি নামহে মাথোন। তেতিয়া আমি ভাবিছিলোঁ, আমাৰ ভাল ভাল ল'ৰা-বিলাকক উচটাই চীনে আমাৰ ওপৰত কিবা ধৰণৰ পোটক তুলিছেনে কি? কিন্তু এই দেশৰ অনুকৰণপ্ৰিয় অল্পবুদ্ধি adventurist কেতবোৰ পাৰত-পজা নেতাই 'কালচাৰাল ৰেভলিউশ্যন'ৰ নাটৰ

আশ্বা দিবলৈ ওলাই যে আমাৰ আত্মত্যাগৰ, বীৰত্বৰ উপকৰণেৰে পূৰ্ণ কিছুমান শ্ৰেষ্ঠ সন্তানক কেৱল নিষ্ফল প্ৰচেষ্টালৈয়েই নহয়, অনিবাৰ্য্য ধ্বংসলৈ আগ বঢ়াই দিছিল—সেই কথাটো বুজা নাছিলোঁ। ধ্বংস কেৱল তেওঁলোকেই হোৱা নাছিল, ধ্বংস হৈছিল আমাৰ সকলোৰে সাহস। আৰু আমি বাজহাড় নোহোৱা প্ৰাণীত পৰিণত হৈছিলোঁ।

কলিকতাৰ প্ৰেছিডেন্সি কলেজত যিসকলে সনৎবাবুৰ দুৰ্দশা সৃষ্টি কৰিছিল, তেওঁলোকে সম্ভৱ চীনৰ ছিংহুৱা ইউনিভাৰ্ছিটিৰ অনুকৰণ কৰিছিল। কিন্তু সনৎবাবুৰে বা তেওঁক দুৰ্দশাগ্ৰস্ত কৰি তোলাসকলেও নাজানিছিল—এইবোৰ কথা-কাণ্ডৰ প্ৰকৃত অৰ্থ কি। কিয়নো, চীনদেশত নহয়, ইয়াত, এই কথা কাণ্ডবোৰ প্ৰায় 'লামা-লানি'ত বহি মন্ত্ৰ জপ কৰাৰ লেখীয়া কথা হৈ উঠিছিল।

তেনেকৈয়ে মূঢ়, তেনেকেয়েই ব্যৰ্থ।

সেই কালছোৱাত প্ৰত্যেক দিনাই অসীম চাটাৰ্জিৰ সৈতে আলোচনা কৰিছিলোঁ, দীপাঞ্জনৰ সৈতেও কথা পাতিছিলোঁ। কিন্তু কোনোৱেই মোক বুজাই ক'ব পৰা নাছিল যে তেওঁলোকে কি বিচাৰিছিল। কিয়নো, তেওঁলোকৰ ওচৰতো 'কালচাৰাল ৰেভলিউশ্যন'ৰ অৰ্থ বোধহয় স্পষ্ট হোৱা নাছিল—যিহেতু, তেওঁলোকে সদায় এচাপ বেছিকৈ ভেই জাপ মাৰিছিল। যিখন দেশত সামাজিক বা ৰাজনৈতিক ৰেভলিউশ্যনেই নহ'ল—তাত 'কালচাৰাল ৰেভলিউশ্যন'ৰ কল্পনা অলীক। অসীম (কাকা) যিদিনা কলিকতা এৰি গুচি গৈছিল সেই দিনা ৰাতি এঘাৰ বজাত মোলৈ ফোন কৰিছিল।

তেওঁ কৈছিল, "আপুনি মোক মৰম কৰিছিল, সেয়েহে যোৱাৰ আগতে আপোনাক মাত দি গ'লোঁ।"

অসীমৰ মাত আছিল বেদনাগধুৰ, মোৰ মনটোও গধুৰ গধুৰ লাগিছিল। তেওঁৰ সততাত মোৰ অবিশ্বাস নাছিল।

মই ৰবীন্দ্ৰনাথৰ এফাকি কথা সুঁৱৰিলোঁ 'ধন্য কৰো দাসে সফল চেষ্টায় আৰ নিষ্ফল প্ৰয়াসে'।

তাৰ পাছত আন্দোলন যেতিয়া উগ্ৰ হৈ উঠিল আৰু তাৰ ফলত চাৰিওফালে এটা আতংক বিয়পি পৰিল, তেতিয়া তেতিয়াৰ হোম ছেক্ৰিটাৰি শ্ৰীযুক্ত বি আৰ গুপ্তৰ অনুমতি লৈ মই গৌৰকিশোৰ ঘোষ, জ্ঞানাঞ্জন পাল, নিৰ্মল চট্টোপাধ্যায়

আমি বন্দী ল'ৰালকলৰ লৈতে সাক্ষাৎ কৰিবলৈ গৈছিলোঁ। তেতিয়া বিপ্লৱ, হাতিয়াৰ আদিৰ কথা আমি বাৰে বাৰে সুধিছিলোঁ—কথাটোনো কি ? বৰ্তমান শিক্ষাব্যৱস্থা যে বন্ধ্যা, সেই কথা আমিও বুজি পাওঁ। এই শিক্ষা-ব্যৱস্থাত কেৱল নিবনুৱাৰহে সৃষ্টি হৈছে। কিন্তু ভাই কেনেকৈ কি কৰিলে ভাল হ'ব তাৰ কিবা ব্লু প্ৰিণ্ট তোমালোকৰ ওচৰত আছেনে ? দিয়া সেই ব্লু প্ৰিণ্টটো—আমাৰ মনোমত হ'লে সৰ্বতোপ্ৰকাৰে সহায় কৰিম। আমিও তোমালোকৰ লগত লগ লাগিম। আমি মিত্ৰ হ'বলৈ বিচাৰোঁ, আমাক শত্ৰু বুলি ভাবি লাভ কি ?

কিন্তু কোনো ব্লু প্ৰিণ্ট তেওঁলোকে দিব নোৱাৰিলে। তাৰ পাছত, যাদৱপুৰ ইউনিভাৰ্ছিটিৰ ভাইছ চেন্সেলাৰ গোপাল সেনক নিষ্ঠুৰভাৱে হত্যা কৰাৰ পাছত সেই আন্দোলনৰ মাথা মুণ্ড একো বুজিব নোৱাৰি সকলো ধৰণৰ আলোচনা বন্ধ কৰি দিছিলোঁ।

কিন্তু সেই ব্লু প্ৰিণ্টটো পালোঁ।

পালোঁ চীনদেশলৈ গৈ।

সেই কথা যথাস্থানত আলোচনা কৰিম।

মাও চে তুঙৰ পত্নী আৰু তেওঁৰ অনুচৰবৰ্গ ই বিপ্লৱৰ নামত যি অত্যাচাৰ কৰিছিল বুলি শুনিলো সি নিশ্চয়েই এটা পৰিকল্পনাৰ অংগ কিন্তু আগ-গুৰি নোহোৱা বিছিন্ন অন্ধ অক্ষম অনুকৰণে মাথোন মূঢ়তাৰহে জন্ম দিলে।

চীন সম্বন্ধে মন যিমানেই সন্দেহ নাথাকক, সেই দেশলৈ যাবলৈ মোৰ মনত প্ৰবল ইচ্ছা আছিল। ভাবিছিলোঁ, এবাৰ সেই দেশখন চাই আহিবই লাগিব—যিখন দেশ আমাৰ নিচেই কাষত থাকিও ইমান অজ্ঞাত। যিখন দেশৰ নেতা সৰ্বোচ্চ পদত অধিষ্ঠিত হৈও নিজেই নিজৰ বিৰুদ্ধে বিদ্ৰোহ চলাই গৈছে (কালচাৰাল ৰেভলিউশ্যনক আমি এইদৰেই অদ্ভুত বুলি ভাবিছিলো) সেইটো মাথোন অজ্ঞাতয়েই নহয়, দুৰ্জ্ঞেয়ও। চীন পন্থীসকলৰপৰা কিছু বিৰোধী কথা বতৰা শুনিছোঁ, কিন্তু তাৰদ্বাৰা চীনদেশখনক ঠিক মতে বুজিব নোৱাৰি।

১৯৭৪ চনত মই শ্ৰীমতী গান্ধীলৈ চীনলৈ ডেলিগেশ্যন পঠোৱাৰ কথা লিখিছিলো। তেতিয়া অলপ সম্ভাৱৰ পোহৰ দেখা গৈছিল। তাৰ পাছত প্ৰথম সূচনা হ'ল চীনৰ টেবল টেনিছ টিম যেতিয়া আমাৰ দেশলৈ আহিল। কলিকতাৰ

চাকুৰিয়া লোকৰ প্ৰাংগণত খেলুৱৈসকলৰ সৈতে সাক্ষাৎ হৈছিল। তেতিয়া দিল্লীৰপৰা তেওঁলোকৰ ফাৰ্ষ্ট ছেক্ৰেটাৰি লী ও আহিছিল। অমায়িক মানুহজন।

টেবল টেনিছ দলটিয়ে এটি অতি সুন্দৰ ঘোষণাৰে ভাৰতত পদাৰ্পণ কৰিছিল —'Friendship first competition second' কথাষাৰ শুনাত যেনেকৈ সুন্দৰ, অৰ্থও তেনেকৈ বহল। এনেকুৱা চুটি চুটি এটা এটা বাক্যক অৰ্থবহ কৰি ক'বলৈ যে এওঁলোকে এওলোকৰ নেতাৰপৰা শিকিছে —সেই কথা এতিয়া বুজি পোৱা হৈছো। ভাৰতৰ প্ৰসংগত কথাষাৰ অৰ্থবহ।

এই কথাষাৰত কোৱা হৈছে আমি বন্ধুত্বৰ বাণী লৈ আহিছো—দুৰ্যোগৰ পাছত প্ৰথম মৈত্ৰীৰ বাণী। আকৌ ভাৰতৰ প্ৰসংগ বাদেও খেলাৰ প্ৰসংগতো এই কথাষাৰৰ সাৰ্থকতা কম নহয়। আজিৰ দিনত যেতিয়া খেলাৰ ক্ষেত্ৰও কলুষিত, জাল জুৱাচুৰি নেপ'টিজমৰ ৰাজত্ব—যেতিয়া 'sporting spirit' শব্দটোৱেই অৰ্থহীন হৈ পৰিছে তেতিয়া খেলাৰ প্ৰসংগত এই কথা কোৱাটো—হৰাজিকাযেই ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল খেলুৱৈসকলৰ মাজত মিলা প্ৰীতি—এযা পৰিচ্ছন সভ্য মানুহৰ ঘোষণা যি ঘোষণা আমাৰ বৰ্তমান পৃথিৱীত লুপ্তপ্ৰায়।

চীন সম্বন্ধে মোৰ মনটো দোধৰ মোধোৰৰ মাজত থকা সত্ত্বেও পশ্চিমবংগত ডা দ্বাৰকানাথ কোটনিছ স্মৃতি সমিতিৰ বহুকেইখন সভাত মই যোগদান কৰিছিলো। এই সমিতিয়ে ডা কোটনিছৰ খবৰ আমাৰ দেশত প্ৰচাৰ কৰিছে, নহ'লে ভাৰতৰ এইজনা বীৰ সন্তানক আমি মনত নেপেলালোহেঁতেন। সদৌ ভাৰত ডা কোটনিছ মেম'ৰিয়েল কমিটিৰ সভাপতি হিচাপে ডা বিজয় বাসু সপত্নীক নিমন্ত্ৰিত হৈ মাজে মাজে চীনলৈ গৈছিল, আনকি কূটনৈতিক সম্পৰ্ক প্ৰতিকূল থকাৰ সময়তো গৈছিল। এইবেলি চীনৰ হো-পেই প্ৰদেশত ছিজিয়াচুৱাং চহৰত, য'ত ডা কোটনিছৰ সমাধি, তাৰ ওচৰত এটি স্মৃতিমন্দিৰ অৰ্থাৎ মিউজিযাম স্থাপিত হৈছে। চীনৰ ৰাষ্ট্ৰদূতে এই মিউজিয়ামৰ উদ্বোধন উৎসৱলৈ নজন ভাৰতীয়ক নিয়ন্ত্ৰণ জনাইছিল।

এই ডেলিগেশ্যনে ২৮ নৱেম্বৰত যাত্ৰা কৰাৰ কথা। উদ্বোধনী দিৱস হ'ল ৯ ডিচেম্বৰ। নভেম্বৰ মাহৰ মাজভাগত জানিলোঁ যে মোকো দলত লোৱা হৈছে।

তাৰ পাছত আৰম্ভ হ'ল ভাৰত চৰকাৰৰ অনুমতি পত্ৰ অৰ্থাৎ পাছপ'ৰ্টৰ

সাধনা। অৱশেষত পাছপ'ৰ্টখনৰে সৈতে যেতিয়া দিল্লী পালোঁগৈ তেতিয়া শুনিলোঁ যে কোনোবা কৰণিকৰ [কেৰেণী] নিজৰ মতামতৰ মেৰপেচত পৰি আমাৰ চীনলৈ যোৱাটো প্ৰায় বন্ধ হৈছিলেই। যি কি নহওক, ২৮ তাৰিখে যোৱা নহ'ল।

আমি ৪ ডিচেম্বৰৰ তাৰিখে শেষৰাতি দিল্লীলৈ ৰাওনা কৰিলোঁ। দিল্লী হৈ বৰ্মে, বৰ্ম্মেপৰা স্যুইছ এয়াৰত উঠি পোনেই পিকিঙলৈ, মাজত ক'তো নৰ'ল। যাব পাৰিমনে নোৱাৰিম সেই দ্বন্দ্বত কেইটামান দিন যে কি উদ্বেগৰ মাজেদি কটাই ছিলোঁ!

দলপতি বিজয়বাবুৰে কৈছিল, চীনাসকলে তেওঁকহে নিমন্ত্ৰণ কৰিছে, গতিকে তেওঁৰ পাছপ'ৰ্টেই যদি ভাৰত চৰকাৰে আটক কৰি থয় তেনেস্থলত ডা. কোটনিছৰ ভায়েক-ভনীয়েক বা মোৰ পাছপ'ৰ্ট পোৱা নোপোৱা একেই কথা— কোনোৱেই তেতিয়া যাব নোৱাৰিব। কথা ঠিকেই। চীনাসকলে তেওঁকহে চিনি পায়, তেওঁলোকে চীনাসকলৰ হৈ যুদ্ধ কৰিছিল। কিন্তু মই যে যাবলৈ বিচাৰিছো—মই যদি অলপ কিবাকিবিও ভাল দেখা পাও (কিয়নো, আন বহুতৰ দৰে ময়ো তাত কেৱল বন্দুক বেয়নেটৰহে ৰাজত্ব দেখা পামগৈ বুলি এটা সন্দেহ পোষণ কৰিছিলোঁ) তেতিয়াহ'লে সেই কথা দেশলৈ উভতি আহি ক'ম। অৱশ্যে মই জানিছিলোঁ যে সেই কথা কোৱা বা ক'বলৈ চেষ্টা কৰাটোও এথন যুদ্ধৰ দৰেই হ'ব। এছিয়াৰ এই দুই বৃহৎ ভূখণ্ড, এই দুই বিপুল জনগোষ্ঠীৰ মাজত আন একো নহ'লেও শত্ৰুতা আৰু অবিশ্বাসৰ ভাৱখিনি গুচাব পাৰিলেও যি বিপুল শক্তি আৰু বল লাভ হ'ব সেই শক্তিলৈ ভয় খোৱা বহুতো দেশ আৰু গোষ্ঠী ওলাব।

যোৱাৰ আগতেই ভাবি থৈছিলো যে সুবিধা ওলালে সেই দেশত ৰবীন্দ্ৰনাথৰ কথা ক'ম। ইতিহাসৰ শাক্যসিংহ, বুদ্ধ আৰু মহাৰাজ প্ৰিয়দৰ্শী অশোকৰ দৰে এই যুগতো ৰবীন্দ্ৰনাথেই দেশে দেশে সেতুবন্ধন কৰিছিল। এছিয়া বা ইঅ'ৰোপৰ যি দেশলৈকে নাযাওঁ কিয়, সেই দেশ সম্বন্ধে তেওঁৰ বক্তব্য আছে যি বক্তব্য সদায় প্ৰগতিশীল অৰ্থাৎ দৃষ্টি সদায় সমুখৰ ফালে। বিভিন্ন দেশ সম্বন্ধে তেওঁৰ মন্তব্য ভৱিষ্যৎবাণীৰ দৰে সফল হৈছে।

কিন্তু যোৱা হ'বনে নহ'ব সঠিককৈ ঠিক নোহোৱাত গৰম কাপোৰ কানিও কিনিবলৈ নহ'ল আৰু কিতাপ পত্ৰও ঠিকঠাককৈ লোৱা নহ'ল। ৰবীন্দ্ৰনাথৰ

Talks in China কিতাপখন ল'লোঁ আৰু শেষ মুহূৰ্তত টেগোৰ ৰিছাৰ্চ ইনষ্টিটিউটে প্ৰকাশ কৰা জাপানী কবি নগুচিলৈ লিখা কবিৰ খিতাববাণী (উত্তৰ-প্ৰত্যুত্তৰ সহ) এখন সৰু কিতাপ লোমেনে মোক দিলে। ৰবীন্দ্ৰনাথৰ বিষয়ে মোৰ নিজৰ লিখা কেইখনমান কিতাপো ল'লোঁ। বয়-বস্তুৰ ওজন বিছ কিল'তকৈ বেছি হ'লে নহ'ব। সামান্য পৰিমাণৰ গৰম কাপোৰ ল'লেই ওজনত যথেষ্ট গধুৰ হৈ পৰে।

বিমানকোঁঠত বিজয়বাবুৱে ক'লে, "বয়-বস্তু আৰু অলপ কমাই ল'ব লাগিব, কিয়নো বম্বেৰপৰা মুকেশ কোটনিছহঁতে এচটা ভাল মাৰ্বল পাথৰ লৈ যাব। চাংছাৰ ওচৰত ছাওছান নামৰ ঠাইত মাও চে তুঙৰ যি স্মৃতিমন্দিৰ সজোৱা হৈছে তাত তেওঁৰ মৃতদেহ ৰক্ষিত হ'ব। সেই অট্টালিকাৰ একাষত ডা° কোটনিছ মেম'ৰিয়াল কমিটিৰ শ্ৰদ্ধাৰ্ঘ্যস্বৰূপে সেই মাৰ্বল পাথৰচটা সংলগ্ন কৰা হ'ব।"

মোৰ ইচ্ছা আছিল যে এগৰাকী কবিৰ স্মৃতিলৈ আন এগৰাকী কবিৰ এশাৰী কবিতা উদ্ধৃত কৰি থৈ আহিম। ইংৰাজীত দিব পাৰিলোহেঁতেন—কিন্তু নানান কাৰণত সেই ইচ্ছা কাৰ্য্যকৰী হৈ নুঠিল। যি হ'ল—সি নিচেই সাধাৰণ বাক্য। যি কি নহওক, এয়াৰপ'ৰ্টত খৰখেদাকৈ বয়-বস্তুৰ ওজন কমাবলৈ গৈ কিতাপখিনিয়েই উলিয়াই পেলালো আৰু ক'ব নোৱাৰাকৈয়েই Talks in Chinaখনো লৈ যোৱা নহ'ল।

চীনৰ চৰকাৰে কলিকতাৰপৰাই তেওঁলোকৰ কৰ্তব্য কৰ্মত সেৱা আগবঢ়ালে। আমাৰ নিজা নিজা ঘৰৰপৰা পিকিঙলৈ যোৱালৈ, এমাহ জোৱা চীন ভ্ৰমণ আদিৰ বাবে সকলো খৰচ তেওঁলোকেই বহন কৰিবলৈ গাত ল'লে।

দিল্লী বিমানকোঁঠত নামি প্ৰথমেই জনাৱ লতিফিৰ সৈতে দেখাদেখি। বহু দিনৰ পুৰণি কমিউনিষ্ট, খড়্গনাসা, সুদৰ্শন পুৰুষ। আমাৰ চীনযাত্ৰা সফল কৰি তুলিবলৈ এওঁৱেই দিল্লীত হ'ম ডিপাৰ্টমেণ্টৰ সৈতে যুঁজিছিল। এওঁ চীনৰ পুৰণি বন্ধু, অৱশ্যে কিমান দিনৰ পুৰণি ক'ব নোৱাৰোঁ।

চীনৰ দূতাবাসৰ ফাৰ্স্ট ছেক্ৰেটাৰি লী এয়াৰপ'ৰ্টত উপস্থিত আছিল। এওঁ খেলুৱৈসকলৰ সৈতে কলিকতালৈ আহিছিল। গতিকে এওঁ চিনাকি মানুহৰ দৰে কথা পাতিছিল। মোৰ আকৌ মানুহৰ মুখৰ চেহেৰা মনত নাথাকে, নামো পাহৰি যাওঁ। মই তেতিয়া ভাবি আছো যে এয়ে বোধহয় চীনা নিয়ম,

অচিনাকি মানুহৰ লৈতে চিনাকি মানুহৰ দৰে কথা পাতে এওঁলোকে। পাছতহে বুজি পাইছিলোঁ ৰহস্যটো—তেওঁ মোক চিনি পাইছিল।

এওঁ ইংৰাজীত কথা পাতে, তথাপি দুজন দোভাষীও আহিছিল। সিদিনা এয়াৰপ'ৰ্টত ডেলিগেশ্যনৰ আন সদস্য কেইগৰাকীও আহিছিল। এওঁলোক হ'ল -দিল্লীৰ ল' কলেজৰ অধ্যাপক দীনেশ পাণ্ডে চণ্ডীগড়ৰ জাৰ্নালিজমৰ অধ্যাপক তাৰাচান্দ গুপ্ত, ট্ৰেড ইউনিয়নিস্ট শিখ নেতা জ্ঞানসিং ধিংডা। কিন্তু দক্ষিণ ভাৰতৰপৰা যিগৰাকী মহাকবি শ্ৰীশ্ৰীৰ অহাৰ কথা আছিল তেওঁৰ প্লেনখন কুঁৱলীৰ বাবে অৱতৰণ কৰিব নোৱাৰি উভতি গ'ল। মহাকবি শ্ৰী শ্ৰী, অৰ্থাৎ তেলুগু ভাষাত তেওঁৰ কবিতা ইমানেই ভাল যে তেওঁৰ দেশবাসীয়ে তেওঁক মহাকবি' খিতাপ দিলে। আমি 'মহাকবি' কথাষাৰ বিশেষণ হিচাপে সাধাৰণতে ব্যৱহাৰ নকৰোঁ। কেৱল বাল্মীকি আৰু মধুসূদন দত্ত আৰু ইংলণ্ডত শেক্সপিয়েৰ হ'ল মহাকবি। ৰবীন্দ্ৰনাথ বিশ্বকবি। শেলী মহাকবি নে? ৱৰ্ডছৱৰ্থ? টেনিছন? নহয়, আমি তেনেকৈ নকওঁ। কিন্তু আমাৰ এই মহা অৰ্থাৎ বিৰাট ভাৰতভূমিৰ সমস্যা এয়ে যে এখন প্ৰদেশৰ লেখক এগৰাকী যিমানেই ডাঙৰ নহওক, আনখন প্ৰদেশত তেওঁক চিনি নাপায়। যি কি নহওক, আমি হোটেলত যেতিয়া খোৱা বোৱা কৰি আজাৰ হৈছো, তেতিয়াই মহাকবি আহি পালেহি।

সেই দিনা আবেলিলৈ এখন প্ৰেছ কনফাৰেন্স আছিল। প্ৰতিফিয়ে ক'বলে ধৰিলে যে শেহলৈকে অনিশ্চয়তাৰ মাজত থকা বাবে বেছি মানুহক খবৰ দিয়া নহ'ল। দিল্লীৰ বিৰাট বিৰাট সভাগৃহৰ তুলনাত এই ঠাইডোখৰ নিচেই নি কিন ধৰৰ। দেখিয়েই মোৰ প্ৰথম যুগৰ Iscus অৰ সভাসমূহৰ কথা মনত পৰিল আৰু এটা নষ্টালজিয়াৰ সৃষ্টি হ'ল। তাৰ পাছত সভা যেতিয়া বেছ জমি উঠিল তেতিয়াৰপৰা মহ আৰু নোযোৱা হ'লো। ডুখীয়াসকলৰ দলত থকাটোৱেই ভাল।

ভিয়েতনামৰ এম্বাছাডৰ আৰু চানৰ ৰাষ্ট্ৰদূত চিন চাও ইয়েন প্ৰেছ কনফাৰেন্সত উপস্থিত আছিল। চিন চাও ইয়েন মিষ্টভাষী আৰু সুশ্ৰী। তেওঁৰ আও-ভাওত এম্বাছাডাৰিয়েল হিজ এক্সেলেন্সি ভাব একেবাৰে নাছিল আৰু তেওঁৰ লগত ৰৱ বেছি আলধৰা বা পালি পহৰাষাও নাছিল। তেও সকলোৰে লৈতে ঘূৰি ঘূৰি

কথা বতৰা পাতিলে। সেই সভাত ডা কোটনিছৰ আন্তৰ্জাতিকতাৰ কথা আলোচিত হ'ল। আলোচনা প্ৰসংগত মাত্ৰ এবাৰৰ বাবে ৰবীন্দ্ৰনাথৰ নাম শোৱা হ'ল আৰু মোক ৰবীন্দ্ৰনাথৰ ভাগিনী বা ভতিজী অৰ্থাৎ 'নীছ' বুলি কোৱা হ'ল। মই কোনো আপত্তি নকৰিলোঁ। ভাগিনী হোৱা বা নোহোৱাত মোৰ লগতে তেওঁৰ সম্পৰ্কৰ কোনো ইফাল সিফাল নহ'ব। যি কি নহওক, মই তেতিয়াৰে পৰাই ভাবিছোঁ—মই যে চীনদেশলৈ গৈ ৰবীন্দ্ৰনাথৰ কথা ক'ম তাৰ সূত্ৰইবা ক'ত?

অথচ সেইটো দৰকাৰ। কিয়নো জৱহৰলালে যিমানেই আন্তৰ্জাতিকতাৰ কথা নকওক লাগিলে, সেয়া আছিল ৰাজনৈতিক আন্তৰ্জাতিকতা। ৰাজনৈতিক জগতত তাৰ মূল্য অন্যান্য ঘটনাৰ ওপৰত নিৰ্ভৰশীল। তেওঁ জীয়াই থাকোঁতেই সেই কথা প্ৰমাণিত হৈছিল। ৰবীন্দ্ৰনাথৰ বক্তব্য তাতকৈ বহু বেছি মৌলিক, সেই বক্তব্য মানৱজীৱনৰ গভীৰতৰ সত্যৰ ওপৰত প্ৰতিষ্ঠিত।

ডা কোটনিছ মেম'ৰিয়েল কমিটিৰ এটি অনস্বীকাৰ্য্য দান এয়ে যে ই চীনৰ লগতে শত্ৰুতাৰ দুৰ্যোগৰ মাজতো এটা সূত্ৰ ধৰি ক্ষীণ সম্পৰ্ক এটি বজায় ৰাখিবলৈ সক্ষম হৈছিল। ডা বিজয় বাসুৱে বহুতকে আকুপাংচাৰ শিকাই সেই বন্ধনক যে দৃঢ় কৰি তুলিছে সেই কথাতো সন্দেহৰ থল নাই। কিন্তু দুখন দেশৰ মাজত মিত্ৰতাৰ প্ৰশ্নত আৰু বহুতো কিবাকিবি কৰিব লাগিব, এই বন্ধনক আৰু বিস্তৃত কৰিব লাগিব। আকুপাংচাৰ এটি চৈনিক বিদ্যা ঠিকেই কিন্তু সেইখিনিয়েই যথেষ্ট নহয়। সেয়েহে সেই দিনা বাৰে বাৰে ভাবিছিলোঁ যে, চীনলৈ গৈ আৰু ৰবীন্দ্ৰনাথৰ কথা ক'ব পাৰিমনে? ইয়াতেই তো নোৱাৰিলো। কিয়নো বংগদেশৰ (বাংলাদেশ আৰু পশ্চিমবংগ লৈ) বাহিৰে ভাৰতৰ আন প্ৰদেশতো ৰবীন্দ্ৰনাথ সম্বন্ধে কোনেও সবিশেষ নাজানে আৰু ৰবীন্দ্ৰনাথৰ পৰিচয়ক বিস্তৃত কৰি তোলাৰ প্ৰচেষ্টা আনকি বংগদেশতো পৰিলক্ষিত নহয়। চীনদেশতকৈ পশ্চিমীয়া ইংৰাজীভাষী দেশসমূহ আমাৰ নিচেই ওচৰ। তাতো ৰবীন্দ্ৰনাথ প্ৰায় বিস্মৃত।

আমেৰিকাত ড অনিমা বসুৱে মোক বক্তৃতা দিবলৈ উবষ্টাৰ কলেজলৈ লৈ গৈছিল। তাত প্ৰথম দিনা তেওঁৰ ঘৰত এজন অধ্যাপকৰ লগতে কথা পাতি আছিলোঁ। মই ৰবীন্দ্ৰনাথ সম্বন্ধে ক'ম—এই কথাটি শুনি তেওঁ জানিবলৈ বিচাৰিলে, "ৰবীন্দ্ৰনাথ কোন?'

মই ক'লোঁ, "আপুনি জানো ৰবীন্দ্ৰনাথৰ নাম শুনা নাই ?"

তেওঁ ক'লে, "ওহোঁ, ৰবীন্দ্ৰনাথৰ অৰ্থ place or a person (কোনো ঠাইৰ নাম নে মানুহৰ নাম) মই তাকো বুজা নাই। Perhaps I am not cultivated enough (মই কিজানি যথেষ্ট শিক্ষিত নহওঁ)।

মই ক'লোঁ, "অনিচ্ছাৰে হ'লেও তোমাৰ সৈতে একমত হ'বলৈ বাধ্য হৈছোঁ।"

প্ৰেছ কনফাৰেন্সৰ পাছত আমি যাত্ৰীদলে একেলগে বহি দুই-এটা কথা আলোচনা কৰিলোঁ। তেতিয়াই মহাকবি শ্ৰীশ্ৰীয়ে ক'লে যে, কোনোবা এজন ছিনেমা ডিৰেক্টৰৰ সৈতে তেওঁৰ হেনো কনট্ৰাক্ট আছে। ডিৰেক্টৰজন এতিয়া বিদেশত আছে। তেওঁ দহ দিন মান পাছত উভতি আহিব। আহি যদি তেওঁ টেলিগ্ৰাফ পঠিয়ায়, তেনেহ'লে মহাকবিয়ে হেনো দহ দিনৰ পাছতেই চীনৰপৰা গুচি আহিব লাগিব। আচৰিত কথা, এই কথাত সকলোৱেই সন্মত হ'ল। মই ভাবিলোঁ—যিসকলে ইমান ব্যয় কৰি লৈ যাব –এনেকৈ মাজবাটৰপৰা উভতি আহিলে কি ভাবিব তেওঁলোকে। বহুতো ডেলিগেশ্যনত এনেকুৱা অদ্ভুত ঘটনা ঘটি থকা দেখিছোঁ অৱশ্যে।

ৰাতি চীন-দূতাবাসত এখন বিৰাট ভোজমেল পতা হৈছিল, শতাধিক লোক নিমন্ত্ৰিত হৈছিল। নিমন্ত্ৰিতসকলক কিদৰে নিৰ্বাচিত কৰা হৈছিল নাজানো। কিয়নো, এওঁলোকৰ মাজত কমিউনিষ্ট মতাৱলম্বীৰ সংখ্যা অধিক নহয় যেন লাগিল। পিছে গৰীয়া খোদাই কত থাকে। আমাৰ দেশৰ কমিউনিষ্টসকলৰ সম্বন্ধে, তথা সকলো মতৰ নেতাসকলৰ সম্বন্ধেই আমি শ্ৰদ্ধা হেৰুৱাইছো। নিতান্ত দুখলগা কথা। অথচ মই কিমান আগ্ৰহৰে যে কমিউনিষ্ট দেশলৈ যাবলৈ ওলাইছোঁ।

নিমন্ত্ৰিতসকলৰ মাজত নাভাৰ মহাৰাণী আছিল। নাভা হ'ল পঞ্জাবৰ এখন এষ্টেট। স্বাধীনতা যুদ্ধত অংশ গ্ৰহণ কৰাৰ ফলত নাভাৰ মহাৰাজক ইংৰাজসকলে জেলত ভৰাই থৈছিল। পিছে নিশ্চয় ৰাজকীয় জেল হ'ব। কিয়নো বিয়া কৰোৱাৰ কেইমাহমানৰ ভিতৰত তেওঁ জেললৈ যোৱাত মহাৰাণীও তেওঁৰ সৈতে গৈ জেলতে বসবাস কৰিছিল আৰু তাতেই তেওঁৰ সন্তানাদিৰো জন্ম হৈছিল। তাৰ পাছত মহাৰাজক ইংৰাজইতে ক'লৈ যে লৈ গ'ল কোনেও ক'ব নোৱাৰে।

মহাৰাণীক সুধিছিলোঁ যে চীনৰ সৈতে তেওঁৰ সংযোগ কি? তেওঁ এই দূতাবাসলৈ নিমন্ত্ৰিত হ'ল কিয়? এই প্ৰশ্নৰ উত্তৰত তেওঁ ক'লে যে, ভাৰত-চীন সম্পৰ্ক দূষিত হোৱাৰ পাছতো তেওঁ সদায় এওঁলোকৰ সৈতে সংযোগ ৰক্ষা কৰি চলিছিল। কিয়নো, তেওঁৰ ধাৰণা হৈছিল যে গোটেই দেশখন যেতিয়া এটা বিষয় লৈ উন্মত্ত হৈ উঠে, তেতিয়া দেশবাসীৰ বিচাৰবুদ্ধি লুপ্ত হয়। তেতিয়া নিৰপেক্ষভাৱে উভয় পক্ষক সমদৃষ্টিত চাই সত্যাসত্য বিচাৰ কৰিব পৰা কিছুমান মানুহ থকা আৱশ্যক। তেওঁলোকেই শান্তিৰ দূত। ঠিক এই কথাষাৰ এইদৰে হয়তো কোৱা নাছিল, তথাপি তেওঁৰ মোটামুটি বক্তব্যৰ তাৎপৰ্য্য এয়ে আছিল। মই বিস্মিত আৰু আনন্দিত হৈছিলোঁ।

চীন দূতাবাসত সোমোৱাৰ লগে লগেই মাও চে তুঙৰ সৈতে মুখামুখি হ'লোঁ। অৰ্থাৎ দেৱালত আঁৰি থোৱা ফ্ৰেমত বন্ধোৱা মাও চে তুঙৰ কবিতাৰ সৈতে। খোটালীয়ে খোটালীয়ে তেওঁৰ আলোকিত উপস্থিতি। কবিতা দুটি পঢ়ুৱাই ল'লোঁ—পলিটিকেল কবিতা নহয়, ক'ৰবাত কোনো এটা গিৰিশৃংগত বৰফ পৰাৰ বা তেনেকুৱা কিবা এটা প্ৰকৃতি বিষয়ক—পিছে তাৰ মাজত আন কিবা নিহিতাৰ্থ আছিলনে কি ক'ব নোৱাৰিলোঁ।

থাকিব পাৰে।

ককটেল পাৰ্টিৰ পাছত আমি কেইজনমান, মি লতিফি আৰু তেওঁৰ পত্নী ৰাতিৰ আহাৰৰ বাবে তাতে থাকিলোঁ।

এজনী ছোৱালীয়ে মোক সুধিলেহি, 'আপুনি এই শাড়ী পিন্ধিয়েই চীন ভ্ৰমণ কৰিবনে কি?'

মই একো উত্তৰ দিবলৈ নৌ পাওঁতেই মোৰ কোটচোলাটোলৈ চাই পুনৰ ক'লে, "ইয়াতকৈ গধুৰ কোট লোৱা নাই?"

আমাৰ পোছাকপাতি ছোৱালীজনীৰ মুঠেই মন পূত নহ'ল। তেওঁলোকে ক'বলৈ ধৰিলে

"পিকিঙত এতিয়া বৰফ গোটমৰা ঠাণ্ডা—। জিৰ' ডিগ্ৰিৰ বহু তলত নামি গৈছে।"

তেনেকুৱা অৱস্থাটো ঠিক কেনেকুৱা—তাৰ উমান লোৱা মোৰ পক্ষে বৰ টান। সেয়েহে—কিনো আৰু কৰিম—বুলি ভাবি মনে মনে বহি থাকিলোঁ।

ছোৱালীজনীয়ে আন সকলকো এইবোৰ কথা সুধিলেগৈ।

কিন্তু ঠাণ্ডাৰ কথাত ভয় খাই পিকিঙলৈ নোযোৱা ভকত তো আমাৰ মাজত এজনো নাই!

চোৱা যাওক, যি হয় হ'ব—বুলি ভাবি আমি বহি আছোঁ—এনেতে ছোৱালীজনীয়ে ক'লেহি

"টেলেক্‌ছ্‌ পঠালোঁ, তোমালোকৰ আটাইকেইজনৰ বাবেই ডাঙৰ অ'ভাৰকোট এয়াৰপ'ৰ্টত সাজু থাকিব।'

মোৰ তেতিয়া মনত পৰিল ৰবীন্দ্ৰনাথৰ 'জন্মদিন' কবিতাটো।

মই ৰাষ্ট্ৰদূতক সুধিলো "আজি ৰবীন্দ্ৰনাথৰ নাম উল্লেখিত হোৱা শুনিছিলো.. কিন্তু তেওঁৰ সম্বন্ধে কিবা জানেনে?

'ওঁ, নাজানিম কিয়? তেওঁ ক'লে, 'তেওঁ এগৰাকী কবি আৰু শান্তি নিকেতনত চীনা ভৱনৰ প্ৰতিষ্ঠা কৰিছিল বুলি শুনিছো।"

বছ।

ইমানেই।

চীনৰ লৈতে ৰবীন্দ্ৰনাথৰ সম্পৰ্ক কি, তেওঁ কিমানবাৰ তেওঁলোকৰ দেশলৈ গৈছিল—এইবোৰ কথা তেওঁ একোৱেই নাজানে।

এই যুগত চীনৰ লৈতে যোগাযোগ স্থাপনকাৰী প্ৰথম ভাৰতীয়জন যে ৰবীন্দ্ৰনাথ সেই কথা আমিয়েই যদি পাহৰি থাকোঁ আনে নাপাহৰিব কিয়?

জৱাহৰলালে যেতিয়া প্ৰথম এছিয়ান কনফাৰেন্স আহ্বান কৰিছিল, তেতিয়া ইণ্টাৰনেশ্যনালিজমৰ সম্পৰ্কে যথেষ্ট কথা কোৱা হৈছিল, কিন্তু সেই ভাবৰ উদ্যোক্তা আৰু প্ৰবক্তা ৰবীন্দ্ৰনাথৰ নামটোও উল্লেখিত হোৱা নাছিল তাত।

মই চীনৰ ৰাষ্ট্ৰদূতক কবিতাটো শুনালোঁ।

ৰোগশয্যাত পৰি থাকিয়েই কবিৰ যে চীনৰ কথা মনত পৰিছিল, তাতেই সেই দেশৰ মানুহৰ প্ৰতি তেওঁৰ মৰমৰ কথা ওলাই পৰে

জন্মবাসৰৰ ঘাটত
নানা তীৰ্থত পুণ্য তীৰ্থবাৰি
কৰিলোঁ আহৰণ।
সেই কথা থাকিল মোৰ মনত
এদিন গৈছিল চীনদেশলৈ
যিসকল অচিনাকি
কপালতে দিলে চিন আঁকি
তুমি আমাৰ চিনাকি বুলি কৈ।
স্থলকি পৰিল সেয়ে
কেতিয়া যে আনৰ ছদ্মবেশ
দেখা দিছিল সেয়ে
অন্তৰৰ নিত্য যি মানুহ
অভাৱিত চিনাকিৰে।

ভদ্ৰলোক চমৎকৃত হ'ল। এই কবিতা তেওঁ কস্মিনকালেও শুনা নাছিল। চীনাসকল জাতে পাতে কবি। তেওঁলোকে কবিতাৰ ভাষা বুজি পায়। সেয়েহে, তেওঁলোকৰ বৰণীয় নেতাই তেওঁলোকৰ সৈতে পলিটিকেল কথা বতৰাও কবিতাৰ ভাবাবে কৈছিল। ইয়াৰ গভীৰতা আৰু গুৰুত্ব যে কিমান সেই কথা সেই দেশলৈ গৈ ক্ৰমে ক্ৰমে বুজি পাইছিলো।

ককটেলৰ খাদ্য আছিল ইঅ'ৰোপীয। ডিনাৰত চীনদেশীয। চৈধ্যপদী। দীনেশ পাণ্ডেৰ পত্নীও নিমন্ত্ৰিত। তেওঁৰ কাৰণে আঠ দহ বিধৰ নিৰামষী পদাৰ্থ।

৫ তাৰিখৰ আগবেলা ঠিক ৯ বজাত দিল্লীৰপৰা বম্বে পালোহি। বম্বেৰ উবেৰয় চেৰিটন হোটেলত আমাৰ থকা মেলাৰ ব্যৱস্থা কৰা হ'ল। ইয়াত আমি স্যুইচ্ এয়াৰৰ আলহী। জকমকীয়া হোটেল। সাজন-কাচনত নিখুঁত। শুনিলো আমেৰিকান পেটাৰ্নেৰে নিৰ্মাণ কৰা হৈছে। দেশখন আমাৰ পেটাৰ্নটো আমেৰিকাৰ কিয় হ'ল ক'ব নোৱাৰিলোঁ। দাম অতিপাত চৰা। বাসু-দম্পতি ওলাল। তেওঁলোক বাহিৰত ক'ৰবাত খোৱা-বোৱা কৰিব। তেওঁলোকৰ মীল টিকেট দুখন আমাক দি থৈ গ'ল। মহাকবিয়ে খাদ্য নেখালে, মত্তেৰেই হৈ গ'ল।

আৰু অৱশেষত ৬ ডিচেম্বৰৰ তাৰিখে আমি বম্বেৰ খাস্তাক্রুজ বিমানকোঁৱৰপৰা স্যুইছ এয়াৰত উঠি প্ৰকৃততেই পিকিঙলৈ বুলি যাত্ৰা কৰিলোঁ।

প্লেনত বহি সবিস্ময়ে ভাবিবলৈ ধৰিলোঁ—তেনেহ'লে অৱশেষত চীনদেশলৈ যাম! কি আচৰিত কথা! আচৰিত! চীন যে কিমান দূৰ দেশ, স্থানৰ দূৰত্ব নহয়, দুৰ্গমতাৰ দূৰত্ব। মহম্মদে হেনো কৈছিল, শিক্ষাৰ বাবে আৱশ্যক হ'লে, চীনদেশলৈকো যাবা।ময়ো শিক্ষাৰ বাবেই গৈ আছোঁ। মহাপুৰুষসকলৰ উপদেশ মানি চলা ভাল। পিছে—শিক্ষাৰ ধৰণ-ধাৰণ যে কি হ'ব, কেনেকুৱা হ'ব, তাকেহে ভাবি উলিয়াব পৰা নাই।

মোৰ অলপ নিঃসংগ যেন লাগিল, যেন ৰকেটত উঠি জোনলৈহে গৈ আছোঁ। চীন সম্বন্ধে, চীনৰ মানুহ সম্বন্ধে এটা অপৰিচয়ৰ ভীতিয়ে মোৰ অৱচেতন মনত উক দিলে। সহযাত্ৰীসকলো অপৰিচিত, ভিন প্ৰদেশৰ ভিন ভাষাভাষী। সেয়েহে ভাবিলোঁ, মহাকবিৰ সৈতে অলপ মেল পতা যাওক, তেওঁৰ লগত মোৰ জাতে-পাতেও মিলিব। মই 'মহা' নহ'লেও 'ক্ষুদ্ৰ' কবিয়েই তো! কিন্তু দেখিলোঁ মুখখন মাফলাৰেৰে ঢাকি তেওঁ নিদ্ৰাচ্ছন্ন হৈ পৰিছেই। এই অভাৱনীয় যাত্ৰাই তেওঁৰ মনত কোনো তৰংগৰ সৃষ্টি কৰা নাই। যদি কৰিছেও, সেই তৰংগৰ দোলনিয়ে তেওঁক টোপনিতে লাল কাল কৰি পেলাইছে।

এনেতে স্যুইছ এয়াৰৰপৰা এখন মেপ দিলে। বহি বহি মেপৰ ৰঙা ৰেখাডালকে চাবলৈ ধৰিলোঁ, এই ৰেখাডালেই স্যুইছ এয়াৰৰ গতিপথ। আমি বম্বেৰপৰা ভাৰতৰ আকাশেদি পশ্চিমবংগ পাৰ হৈ বাংলাদেশ আৰু মানদেশৰ মূৰ ছুই য়ুনান প্ৰদেশত চীনভূমি স্পৰ্শ কৰিম। কলিকতাৰ ওপৰেদি যাওঁতে গঙ্গাৰ ব-দ্বীপবোৰ ভালদৰে চিনি পালোঁ। আমি ৯ বাজি ৪৫ মিনিটত বম্বে এৰি গধুলি ৬ বাজি ২৫ মিনিটত পিকিং পামগৈ। মাত্ৰ ৯ ঘণ্টাৰ বাট!

জোনলৈ যোৱা যেন লাগিছিল, পিকিঙৰ দুৱাৰমুখত জোন বেলি দুয়োজনকে দেখা পালোঁ। আমি উত্তৰমুৱা হৈ গৈ আছোঁ। পূব দিশত জোন আৰু পশ্চিমদিশত বেলি, দুকাষৰ খিৰিকীয়েদি এ'কলগেই দেখা গ'ল, নীলা সাগৰৰ দৰে আকাশত বগা বগা কপাহৰ চৰৰ দুই প্ৰান্তত উজ্জ্বল দুটা মণ্ডল জ্যোতি বিকীৰ্ণ কৰিছে।

এনেহেন দৃশ্য আগতে কাহানিও দেখা নাছিলোঁ। মহাচীনৰ প্ৰবেশপথত চন্দ্ৰ-সূৰ্য্যৰ এই যুগ্ম অভ্যাৰ্থনা পাই মন প্ৰসন্ন হৈ উঠিল।

আৰু অৱশেষত মহানগৰী পিকিং পালোঁহি। তেতিয়া গধূলি। কিন্তু দোভাগ নিশা যেন লাগিল। প্লে'নত আমাৰ লৈতে বিদেশী বিশেষ কোনো নাছিল। বহুৰেপৰা কোননো আৰু পিকিঙলৈ যাব? আছিল কেইজনমান চীনা মানুহ। এয়াৰপ'ৰ্টও নিস্তব্ধ। বৰফ পৰিছে। কোনোমতে কাপোৰ-কানি বেগ-টেগ চম্ভালি লৈ বাছত উঠিলোঁ।

অলপ পাছতেই বাছখন টাৰমিনালত ৰ'ল।

এন্ধাৰৰ মাজতে দীঘল ক'লা অ'ভাৰকোট পিন্ধা দুটি ছায়ামূৰ্তি বাছত উঠিল। শুনিলোঁ এজনে কৈছে "মেম্বাৰছ ওব দি দত্তৰ কোটনিছ মেম'ৰিয়েল কমিতি, ফলো মি, আদাছ´ প্লিজ ৰিমেইন ছিটেড।" ইংৰাজৰ দৰে নহয়, বিলাতী স্কুলত পঢ়া ভাৰতীয়ৰ দৰে উচ্চাৰণ।

আমি থিয় হ'লোঁ। এজন এজনকৈ বাছৰপৰা নামি আহোঁ। মাল-মত্তা লৈ মোৰ ভগা ভৰিৰে থপ-জপকৈ নমাটো যে অন্ধকাৰতো কাৰোবাৰ চকুত পৰিব ভাবিবই পৰা নাছিলোঁ। কোনোবা এজনে হাত বঢ়াই দি আলফুলকৈ মোৰ হাতখনত ধৰি সহায় কৰিলে "ওৱাচ আউট" (চাবা)—মাতটো বৰ সুৰলা, যেন বহুকালৰ চিনাকি মাত। পাছত বুজিছিলোঁ সি আছিল লী। মোৰ এমাহ জোৰা প্ৰবাসৰ নিত্যসংগী। তালৈ মনত পৰিলে মোৰ চীনদেশত এটি পুত্ৰ থকা যেন লাগে।

এয়াৰপ'ৰ্ট লাউঞ্জ পৰিষ্কাৰ পৰিচ্ছন্ন, ডাঙৰ ডাঙৰ চোফা, সন্মুখত সৰু সৰু মেজৰ ওপৰত ঢাকি থোৱা পিয়লাত চাহপাত দি থোৱা হৈছে, যুতি ফুল মিহলোৱা। আমি গৈ বহাৰ পাছত অলিভ ৰঙৰ ডিঙিলৈকে ঢকা কোটচলা পিন্ধা কেইজনীমান কম বয়সীয়া ছোৱালীয়ে ডাঙৰ ডাঙৰ ফ্লাস্কৰপৰা তপত পানী লৈই চাহপাতৰ ওপৰত ঢালি দিলে। সকলোতেই এই ব্যৱস্থা। চীনদেশৰ ক'তো টী পট ব্যৱহৃত হোৱা দেখা নাই।

পৰিচয়-পৰ্ব চলি আছে—তাৰ লগে লগে ধোঁৱা ওলাই থকা অ'ডিকোলন সনা টাৱেল চেপেনাৰে তুলি ধৰি আমাক পৰিবেশন কৰিলে। তেওঁলোকৰ এই

প্ৰথাটি—তিতি থকা গৰম টাৱেলেৰে অভ্যৰ্থনা কৰাটো—অতি তৃপ্তিকৰ। আগতে আমি যেতিয়া তদা ভৰিবে খোজ কাটিছিলোঁ তেতিয়া আমাৰ দেশতো পাদ্য-অৰ্ঘ্য আৰু আচমনৰ পানী আগ বঢ়োৱা হৈছিল। কিন্তু এই টাৱেল অতি কালোপযোগী। গৰম টাৱেলেৰে হাত-মুখ মচি ল'লে ভাগৰ পলায়। জাপানতো এই নিয়ম আছে। আজিকালি ইঅ'ৰোপৰ প্লে'নতো এই প্ৰথাৰ অনুকৰণ কৰা হৈছে। বি অ' এ-চিৰ প্লেনতো তিতি থকা গৰম টাৱেল পৰিবেশন কৰা দেখিছোঁ। আৰু প্লে'নত সদায় 'ফ্ৰেশনাৰ' বুলি পেকেটত মেৰিউৱা যি সুগন্ধি তিতি থকা কমাল দিয়া হয় সেই প্ৰথাটিও চীনা আৰু জাপানী প্ৰথাৰ অনুসৰণ যেন লাগে। এখন দেশৰ এইবোৰ সুপ্ৰথা আন দেশৰ অনুকৰণযোগ্য।

আমাৰ অভ্যৰ্থনাত চীন আৰু ভাৰতৰ যুগমীয়া মৈত্ৰীৰ কথা সঘনে উচ্চাৰিত হৈছিল। অভ্যৰ্থনা কৰিবলৈ আহিছিল চীনৰ 'বিদেশৰ স'তে মৈত্ৰী সমিতি'ৰ চেয়াৰমেন ওৱা৲ পিন নান আৰু ভাইছ চেয়াৰমেন ইয়া৲ চি আৰু অন্যান্য বহুতো লোক। এগৰাকী মিলিটেৰী জেনাৰেলো আছিল। প্ৰথমেই ভাবিলোঁ, এইবোৰত আকৌ মিলিটাৰি কিয় ? মিলিটাৰিৰ সম্পৰ্কে আমাৰ বিৰাগ ভাব এটা আছে। 'মিলিটাৰি-মিজাজ' কথাষাৰে তাৰ সাক্ষী দিয়ে। পাছত বুজি পাইছিলোঁ যে চীনাসকলে সেইবোৰ অৰ্থ সলাই দিলে। তেওঁলোকে এনে ধৰণৰ বহুতো শব্দৰ অৰ্থ সলাই পেলাইছে। শব্দ একেটাই কিন্তু ভাবটো স্বকীয়া। সেয়েহে প্ৰথমৰ ফালে কিছু দিনলৈ তেওঁলোকৰ বক্তব্য বুজাত মোৰ অলপ থেৰোগেঁৰো লাগিছিল।

ভাৰত চৰকাৰৰ ফালৰপৰা আমাৰ ৰাষ্ট্ৰদূত শ্ৰীনাৰায়ণন্ আৰু তেওঁৰ মানদেশীয় পত্নী উপস্থিত আছিল। আৰু আছিল সু-শ্ৰী, সু-ভাব শ্ৰীমেনন। পাছত মোক কোনো কোনোবাই কৈছিল যে শ্ৰীনাৰায়ণনৰ উপস্থিতিৰ অৰ্থ হ'ল যে আমাক ভাৰত চৰকাৰৰ প্ৰেৰিত ডেলিগেশ্যন ৰূপে গণ্য কৰা হৈছে। কথাষাৰ কিজানি ঠিকেই। কিয়নো, ছোভিয়েত দেশলৈ বা আন য'লৈকেই ডেলিগেশ্যনত নগৈছোঁ, আমাৰ দূতাবাসৰ ফালৰপৰা কেতিয়াবা কোনোবা এজন উপস্থিত থকাৰ দৃশ্য মোৰ চকুত পৰা নাছিল। মই যিমানবাৰ যিমানবোৰ দেশলৈ গৈছোঁ, ক'তো আমাৰ দূতাবাসৰ কোনো অস্তিত্ব কেতিয়াও অনুভৱ কৰা নাই। তেওঁলোকক যে আমাক সহায় কৰিবলৈহে তাত ৰাজকীয় অৱস্থাত ৰখা হৈছে সেই কথা তেওঁলোকে বা

সচৰাচৰ আমিও মনত নাৰাখোঁ। এবাৰ এ. য়েৰোন কমানিয়াত অবাঙালী এগৰাকী, এৰাছিৰ উচ্চপদস্থ দক্ষিণ ভাৰতীয় কৰ্মচাৰীয়ে বৰ আদৰ-সাদৰ কৰিছিল। কিন্তু সি আছিল ব্যক্তিগত।

যি হওক, শ্ৰীনাৰায়ণন্ অতি অমায়িক আৰু ভদ্ৰ। চীনাসকলৰ বাহিৰেও কেইবাগৰাকীও ইঅ'ৰোপীয়ক দেখা পাই আচৰিত হ'লোঁ। আৰু ভেতিয়াই মই স্থিৰ কৰিলোঁ যে এওঁলোকৰ মাজত এজনৰ লগতে অন্ততঃ আতৰা তথ্যপাতি জানি ল'বলৈ বহু সময় ধৰি কথা পতাৰ সুযোগ অৱশ্যেই উলিয়াই ল'ব লাগিব।

কই আলি নামৰ নিউজিলেণ্ডবাসী বিখ্যাত লেখক আৰু কাৰ আছিল এওঁলোকৰ অন্যতম। তেওঁ এই দেশত পঞ্চাছ বছৰতকৈও অধিক কাল ধৰি বসবাস কৰিছে, যদিও নিজৰ দেশৰ লগতে সম্পৰ্ক অটুট ৰাখিছে। এওঁৰ ল'ব কিতাপত এওঁৰ কথা উল্লিখিত হৈছে।

আৰু আছিল মা-হাইতে, যিগৰাকীৰ আন এটি নাম হ'ল জৰ্জ হাতেম। তেওঁৰ পত্নী স্যু ফেই।

ডা হান্সমূলে আৰু ডা ৰিচাৰ্ড ফ্ৰাই—এগৰাকী জাৰ্মান ইহুদী আৰু আনগৰাকী অষ্ট্ৰিয়ান।

ইমানবোৰ বিদেশীয়ে ইয়াত কি কৰিছে আৰু প্ৰথম দিনাই কিয় আমাক অভ্যৰ্থনা জনাবলৈ আহিছে, সেই কথা পাছত বুজি পাইছিলোঁ। এওঁলোক আটাইকেইগৰাকীয়েই আছিল ডা কোটনিছৰ বন্ধু।

মই তেওঁলোকক ক'লোঁ, "মই এখন কিতাপ লিখিম, মোক আপোনালোকে অলপ সহায় কৰিব লাগিব।"

তেওঁলোকে ক'লে, "মাত্ৰ এখন কিয়—দুখন কিতাপ লেখা—অৱশ্যেই সহায় কৰিম।"

এওঁলোকৰ মাজত কই আলিক মই আটাইতকৈ ভাল পাওঁ।

লাউঞ্জৰপৰা ওলাই অহাৰ আগতে গধুৰ অ'ভাৰকোটবোৰ আমাক দিয়া হ'ল। তেনেকুৱা গধুৰ কোট আমাৰ দেশত কাৰোৰেই কোনো প্ৰয়োজনত নাহে—গতিকে আমাৰ নিজৰ কোটবোৰ আছিল নিচেই সাধাৰণ বিধৰ। বাহিৰত মাথোন বৰফেই পৰা নাই, লগতে হিমচেঁচা বতাহো মাৰিছে। এখন ডাঙৰ:ক'লা

ৰঙৰ মটৰ যে আছিল তাত—সেইখন কলাভিৰ বাবে। আৰু আছিল ৰঙীন বগা ৰঙৰ কেইবাখনো মটৰ। মই আৰু বংশদা, লগতে এজন দোভাষী লৈ মটৰ এখনত উঠি বহিলোঁ। দোভাষীজন কোন আছিল এতিয়া মোৰ মনত নপৰা হৈছে।

কিয়নো, সেই সময়ছোৱাত কোনো এজনো আমাৰ ওচৰত বিশেষ বা বিশিষ্ট হৈ উঠা নাছিল। চিনাকি আৰু অচিনাকিৰ পাৰ্থক্য এয়ে। ৰবকে আমাৰ বনভূমিৰ মাজেদি অজান পথৰ আমি গৈ আছোঁ—বাটৰ দুকাষত নিষ্পত্ৰ বৃক্ষৰ ছায়াহীন অৰণ্য, পথৰ লাইট প'ষ্টৰ পোহৰেৰে মৃদুভাৱে আলোকিত। হেড লাইটৰ পোহৰ আৰু পথৰ পোহৰ মিলি গোটেই বাটছোৱাত যেন জুইৰ আভা, এনেকুৱা পোহৰে হেনো কুঁৱলী ভেদ কৰি যাব পাৰে। আমেৰিকাতো এই পোহৰ ব্যৱহাৰ কৰা হয়, কিন্তু আজিকালি মই তাত কাহানিও থকা নাই। এইদৰে গৈ থাকোঁতে আগ্ৰহৰে লৈতে চাই যাবলৈ ধৰিলোঁ—জনহীন পথ, মাজে-সময়ে দুই এখন ছাইকেল ট্ৰাক আৰু ঘোঁৰাবাগী গৈ আছে। সোণালী আখৰেৰে বড়া চালুৰ ওপৰত বনকৰা লিখা মাজে মাজে চকুত পৰিছে। এঠাইত এটা স্তম্ভ তেনেকুৱা চিত্ৰাক্ষৰেৰে সজ্জিত। চিত্ৰৰ দৰেই সযতনে অঁকা।

মই দোভাষীক সুধিলোঁ, "সেইবোৰ কি?"

দোভাষীয়ে ক'লে, "শ্ল'গান।"

মই উচপ খাই উঠিলোঁ। কথাটো ভাল নালাগিল। সেই লিখাখিনি ইমান ধুনীয়া যে এই শ্ল'গান শব্দটো সেই ক্ষেত্ৰত বৰ অশুৱনি যেন লাগিল। কিয়নো, আমাৰ ওচৰত শ্ল'গান শব্দটো অলপ নিন্দাজড়িত। শ্ল'গান হ'ল শূন্যগৰ্ভ কথাৰ ফুলজাৰি। এই শব্দটোৰ কিয় এই অৰ্থ হ'ল? কিয়নো, আমি সদায় দেখি আহিছোঁ যে মানুহক উদ্যোগী উৎসাহিত কৰি তুলিবলৈ যিবোৰ কথাৰে চিঞৰি খগক লগোৱা হয়, কাৰ্যক্ষেত্ৰত তাৰ এটা এটাও কৰা নহয়। এনেকুৱা বহুতো শ্ল'গান আছে।

এয়া এতিয়াই এটা মনত পৰিছে—'গৰিবী হঠাও'। গৰিবী সঁচাসঁচিকৈ হঠিলে বা গুচিলে সেই শ্ল'গানটো সাৰগৰ্ভ বাণী হৈ উঠিলহেঁতেন। যিহেতু সেই উদ্যোগ ক'তো কেতিয়াও সত্য হৈ নুঠিল, সেয়েহে সেই শ্ল'গানটো কথাৰ ফুলজাৰি মাথোন হ'ল।

বাৰে বাৰে এনেকুৱাই হৈছে আৰু শ্ল'গান শব্দটো আমাৰ ওচৰত একেবাৰে অৰ্থহীন হৈ পৰিছে।

কিন্তু চীনত শ্ল'গানৰ অৰ্থ সুকীয়া। তাত সেইবোৰ সত্যগৰ্ভ বাণী—'grasp revolution and increase production'.

এই শ্ল'গান কিন্তু ব্যৰ্থ শ্ল'গান নহয়। এই কথা যেতিয়া ক্ৰমাত স্পষ্টতৰ হ'বলৈ ধৰিলে তেতিয়াহে বুজিলোঁ—তেওঁলোকৰ ভাষা আৰু আমাৰ ভাষাৰ মাজত পাৰ্থক্য আছে। একেটা শব্দই আমাৰ মনত যি অৰ্থ দাঙি ধৰে, তেওঁলোকৰ ওচৰত সেই শব্দই আন ভাব প্ৰকাশ কৰে।

পিকিং নগৰৰ বাটআলিবোৰ বৰ বহল, মস্কোৰ দৰে। কিন্তু গাড়ী বিশেষ নাই। ট্ৰাক জীপ বয়বস্তু কাঢ়উৱা যন্ত্ৰপাতি বহনকাৰী নানা বিধৰ গাড়ী দেখা যায়। আৰু আছে অজস্ৰ ছাইকেল। মাও চে তুঙে হেনো কৈছিল যে তেওঁ প্ৰতিজন চীনবাসীক এখনকৈ ছাইকেল দিব। বোধহয় দি থৈ গ'ল। ছাইকেলত কোনো কোনোৱে মটৰ লগাই লৈছে। কোনোৱে বা বাকচ বান্ধি লৈছে। খ্ৰুশ্চফে হেনো উপলুঙা কৰি কৈছিল যে দুজন চীনাৰ বাবে একোটাকৈ পেণ্ট, আৰু ছজন চীনাৰ একোখনকৈ ছাইকেল। সঁচায়ে কৈছিলনে কি নাজানো। যদি কৈছিল তেন্তে অন্যায় কৰিছিল। গুলীৰ আঘাত মানুহে পাহৰি যাব পাৰে, বিদ্ৰূপৰ কষাঘাত কেতিয়াও নাপাহৰে।

পিকিঙত ট্ৰলিবাছ আৰু অ'মনিবাছ চলে। ভিৰ যথেষ্ট। ট্ৰ্যাম নাই। মেট্ৰো (পাতাল ৰেল) আছে। মই দেখা পোৱা নাছিলোঁ, আনসকলে দেখা পাইছিল।

পিকিং হোটেলত আমাৰ থকা-মেলাৰ বন্দবস্ত কৰা হৈছিল। হোটেলত সোমাই যাওঁতে মোৰ মনত পৰিল যে মই আৰু এটা হোটেল পিকিং বা হোটেল নানকিঙত আছিলোঁ, মস্কোত। আজি এই দুটা নামৰ মাজত কিমান পাৰ্থক্য হ'ল! এই হোটেলৰ দুটা ভাগ। পুৰণি ভাগ ফৰাচীসকলে নিৰ্মাণ কৰা বুলি শুনিলো, নতুন ভাগ পাছত নিৰ্মাণ কৰা হৈছে। হোটেলখন বেছ ডাঙৰ, চাফ-চিকুণ। কিন্তু জাকজমকীয়া নহয়, বাহুল্যবৰ্জিত। হোটেলত সোমালোঁ। দুয়োকাষৰ এলিভেটাৰবিলাকৰ মাজত থকা দেৱালত বঙা চাৰুৰ ওপৰত সোণালী আখৰেৰে সুশোভিত ইংৰাজী লেখা—'We have our

friends in every country.' মাও চে তুঙৰ বাণীৰ ওপৰত পোহৰ পৰি জিলিকিছে। আমাৰ এগৰাকী ৰেভলিউচনাৰি বন্ধুৱে এই বক্তব্যৰ আটাইখিনি গৌৰৱ আত্মসাৎ কৰি গৰ্বৰে সৈতে মোৰ পিনে চালে। মযো তেতিয়া মনে মনে আন এগৰাকী কবিৰ কবিতাৰ সৈতে একাত্ম হৈ গৰ্ববোধ কৰিবলৈ ধৰিলোঁ।

সকলোতে মোৰ ঘৰ আছে, মই
সেই ঘৰ ল'ম বিচাৰি
দেশে দেশে মোৰ দেশ আছে
মই সেই দেশ ল'ম আজুৰি।
পৰবাসী মই য'লৈকে নাযাওঁ
তাতে মোৰ ঠাই বিচাৰি পাওঁ
কেনিনো গৈ মই তাত যে সোমাওঁ
সন্ধান ল'ম উজাৰি
ঘৰে ঘৰে আছে পৰমাত্মীয়
তাকে ফুৰোঁ মই বিচাৰি।

মোৰ লগে লগে এই কবিতাটি আবৃত্তি কৰিব পৰা তাত আন কোনো নাছিল। কিন্তু কবিতাটি মনত পৰাৰ লগে লগেই মোৰ নিঃসংগতা দূৰ হ'ল।

মই সেই উজলি থকা বাক্যশাৰীলৈ চাই সত্যলৈ প্ৰণাম জনালোঁ। সত্য একেই—সেই সত্য যি কোনো দেশত যাৰ মুখেদিয়েই উচ্চাৰিত নহওক।

মই এজনৰ ওচৰত শপত খাই কৈছোঁ যে—মোৰ এই চীন ভ্ৰমণৰ কাহিনীত মই একো বাদ নিদিওঁ। অৰ্থাৎ মই তেওঁৰ লগ হৈ হাতত ধৰি য'লৈকে গৈছোঁ, যিহকে দেখিছোঁ সকলো দেখুৱাম, ক'ম। অৱশ্যে আটাইবোৰ কথা মোৰ নিশ্চয় মনত নপৰিব। তথাপি যিখিনি পৰিব সেইখিনি লিখিলেও তাৰ মাজত বহুতো সৰুসুৰা কথাও থাকিব। বিজ্ঞ লোকসকলে ভাবিব, এই কথাটোনো আকৌ লিখিব লাগিছিল কিয়? কিন্তু যিসকলে মোৰ লগ হৈ ঘূৰি ফুৰিব—তেওঁলোকে ভাল পাব।

আমাক বোধহয় পাঁচ মহলাত থাকিবলৈ দিয়া হৈছিল—প্ৰতিটো কোঠাত দুজনকৈ। মই আৰু বৎসলা—দুই নাৰীয়ে এটা খোটালীত আশ্ৰয় পালোঁ। ভালেই লাগিল মোৰ। বিদেশত মোৰ হোটেল-ভীতি হয়। এটা কোঠাত অকলশৰে বৰ নি সংগ যেন লাগে।

মই ক'লোঁ, "ডা. কোটনিছ, আমি সদায় একেলগে থাকিম।"

তেও ক'লে, 'দেখা যাওক।"

পিকিং হোটেলত বিলাতী খাদ্যও পোৱা যায়। কিন্তু আমি ক'লোঁ যে, চীনলৈ আহিছোঁ যেতিয়া চীনা খাদ্য খোৱাটোৱেই উচিত—মাথোন পুৱাৰ জা-জলপানখিনি' বিলাতী হওক।

প্ৰথমেই তেওঁলোকে সুধিলে, "আপোনালোকে বিফ তো নাখায়?'

সকলোৱে একেলগে ক'লে, নাই নাই।"

মই আচৰিত হলোঁ। ইমান ৰেভলিউচনৰ কথা কওঁ, অথচ সামান্য সংস্কাৰ এৰিব নোৱাৰোঁ। কোনো বস্তু খোৱা নোখোৱা অভ্যাস আৰু ৰুচিৰ ওপৰত নিৰ্ভৰশীল—সেই কথা ঠিক। কিন্তু বিফ খোৱাত সংস্কাৰৰ প্ৰশ্ন নাই, বিফ খালে জাত যায়। শাস্ত্ৰত নিষিদ্ধ। এই কথা লৈ এখন দেশ ভাগ হৈ গ'ল। ক'ত গৰুৰ হাড পৰি আছে, সেই কথাত মানুহৰ হাড টানি উলিউৱা হৈছে কিমান কাল ধৰি। কোনো কোনোৱে আকৌ হেমও নাখায়।

প্ৰথম দিনাই বুজিলো, চীনৰ চীনা খাদ্য কলিকতীয়া চীনা ৰেস্তৰাঁৰ খাদ্যৰ দৰে নহয়, বেলেগ।

ৰাতিপুৱা সাৰ পায়েই পৰ্দা আঁতৰালো আৰু চকুৰ আগত ভাহি উঠিল অনতিদূৰত নিষিদ্ধ নগৰী - থিয়েন আন মেন আৰু স্বৰ্গীয় শান্তিৰ দুৱাৰ (Gate of heavenly peace)। সকলো বৰফেৰে ঢাক খোৱা। মস্কোৰ ৰেড স্কোয়েৰাৰৰ দৰেই তাতেই ডাঙৰ ডাঙৰ জনসমাবেশ হয়। মাও চে তুঙে যেতিয়া গে'টৰ ওপৰত থিয় হৈ স্বাধীনতাৰ পতাকা উত্তোলন কৰিছিল, তেতিয়া বিশাল জনতা তাতেই গোট খাই ৰৈ আছিল। আৰু তাৰ কাষতেই গে'টৰ বিপৰীত ফালে Great Hall of the people, তাতেই সকলো মহতী সভা, অভ্যৰ্থনা, বেংক'ৱেট। আকৌ তাতেই চীনৰ মহান নেতা অন্তিম শয্যাত শুই আছিল আৰু তেওঁৰ দেশবাসীয়ে চকুলোৰে শেষ শ্ৰদ্ধা প্ৰদৰ্শন কৰিছিল।

৭ ডিচেম্বৰৰ তাৰিখে মোৰা মেজতে আমাক কোৱা হ'ল যে অলপ পাছতেই 'বিদেশৰ স'তে চীনৰ মৈত্ৰী সমিতি'ৰ এগৰাকী বিশিষ্ট সভ্যাই আমাৰ লৈতে আমাক ভ্ৰমণৰ ঠাইসমূহ সম্বন্ধে আলোচনা কৰিবলৈ আহিব। এই সমিতিয়েই আমাক নিমন্ত্ৰণ কৰিছিল।

পিকিঙত প্ৰথম নিশা আমি অতি আৰামতে শুব পাৰিছিলোঁ। কোঠাটো যথেষ্ট গৰম আছিল। কিন্তু টোপনি অহা নাছিল জ্ঞানসিং খিংড়াৰ। এওঁ এটা আখৰো ইংৰাজী ক'ব বা বুজিব নোৱাৰে। এওঁৰ কোঠাত লগৰীয়া আছিল 'মহাকবি'। মহাকবি দক্ষিণ ভাৰতৰ মানুহ, খুব সম্ভৱ তেওঁৰ হিন্দী বুজি নাপায়। তেওঁ প্ৰচুৰ ধূমপান কৰে আৰু অতিপাত মদো খায়। ইপিনে খিংড়াজী এইবোৰ বসত একেবাৰে বঞ্চিত। বন্ধ কোঠালীত কেইবাপেকেট ধূমপান কৰাৰ পাছত কোঠাত যেতিয়া ধোৱাই গুলুম বান্ধিলে, জ্ঞানসিঙৰ উশাহ বন্ধ হওঁ হওঁ হ'ল— তেতিয়া তেওঁ ভাবিলে, অলপ বাহিৰলৈকে ওলাই যাওঁ।

আৰু ঠিক তেতিয়াই, জ্ঞানসিঙৰ মতে, এটা একছিডেণ্ট হ'ল।

আচলতে দুটা একছিডেণ্ট।

বেচেৰা জ্ঞানসিঙে এয়ে প্ৰথমবাৰৰ বাবে ভাৰতৰ বাহিৰলৈ ওলাইছে। হোটেলৰ তলা-চাবিৰ ভলানলা একেবাৰেই নাজানে। তা বাস্তৱে অৱশ্যে কৈছিল যে ইয়াত তলা বন্ধ কৰাৰ কোনো প্ৰয়োজন নাই, কিন্তু প্ৰথমৰ ফালে সেই কথাটোলৈ আমি কাণসাৰেই কৰা নাছিলোঁ। যি কি নওহক, চাবিপাত মেজৰ ওপৰত আছিল। জ্ঞানসিঙে ধোৱাৰে গুলুম বন্ধা কোঠাটোৰপৰা ওলাই দুৱাৰখন জপাই দিয়াৰ লগে লগেই তলা বন্ধ হৈ গ'ল। তাৰ পাছত আৰু উপায় নাই। মহাকবিয়ে মন্তভৃপ্ত মৰ-টোপনিৰপৰা সাৰেই নোপোৱা হ'ল। তেতিয়া তলা-চাবিৰ তলা-নলা নজনা জ্ঞানসিঙে গোটেই ৰাতিটো কোঠাৰ বাহিৰতে পায়চাৰি কৰি কটাই, ৰাতি পুৱালত বিছেপশ্যনত এজনক বিচাৰি পালে, যিজনে ঘটনাটো বুজি পাই 'মাষ্টাৰ কী'ৰে দুৱাৰখন খুলি দিলে।

কোঠাত সোমোৱাৰ পাছ মুহূৰ্ততে তেওঁ ভাবিলে—গা-পা ধুই লওঁ। জাৰকালিৰ ৰাতিপুৱা গা ধুবলৈ গৈ বিজাতীয় কল-কজাবিলাক চলোৱাৰ কিটিপ নজনাৰ ফলত জ্ঞানসিঙে চেঁচা বৰফ-পানীৰেই গা ধুলে। আমেৰিকাত মোৰো এবাৰ তেনেকুৱা অৱস্থা হৈছিল। তাত আকৌ প্ৰতিটো মহলাৰ কৌশলেই যেন

বেলেগ বেলেগ। মাজ নিশা কলিং বেল বজাইহে মালিকক জগাবলগীয়া হৈছিলোঁ।

তেওঁ টোপনি-গধুৰ মাতেৰে কৈছিল, "তোমাক চাবি দিছিলোঁ যে ?"

"নোখোলে দেখোন !"

"এস্। ক'বলৈকে পাহৰি গৈছিলো যে অলপ বাঁও ফালে চেপি ঘূৰাব লাগে।"

পুৱাৰ জা-জলপান খাই আমি ম' চিইন জু-ৰে (Meng Hsein Ju) সৈতে মিটিঙত বহিলোঁ আমাৰ ভ্ৰমণ-তালিকা থিৰাং কৰিবলৈ। আগৰ তালিকাখনত উত্তৰ ফালৰ কোনো কোনো ঠাইলৈ যোৱাৰ কথা আছিল। কিন্তু অতিপাত জাৰৰ ভয়ত সেইবোৰ ঠাই বৰ্জন কৰি দক্ষিণলৈ যোৱাটোকৈ থাটাং কৰা হ'ল। ক'লৈ গ'লে যে ভাল হ'ব—মোৰ দৰে অজ্ঞ এজনীয়ে একোৱে ক'ব নোৱাৰিলোঁ। কিন্তু দলৰ আনসকলে দস্তৰমত আলোচনা কৰি দ্ৰষ্টব্য ঠাইবোৰ বাছি উলিয়ালে। আৰু আগতে তেওঁলোকে যি প্ৰ'গ্ৰেম দিছিল তাৰ সাল-সলনি হৈ গ'ল। যেনে—আমাৰ দাৰিয়েনলৈ যোৱাৰ কথা আছিল, তাৰ সলনি গৈছিলোঁ 'কুইলিন'লৈ। তাৰ পাছত আছিল 'উশি', তাৰ সলনি 'কুন্‌মিন' আৰু 'খিশোৱাপান্নালৈ যোৱাটোকে থাটাং কৰা হৈছিল। গতিকে, চকুত কানি বান্ধি ফুৰোৱাৰ প্ৰশ্নটো এইক্ষেত্ৰত নচলে। কিয়নো, তেওঁলোকে 'বাছি' থোৱা ঠাইবিলাকলৈ তো আমি নগ'লোঁৱেই। আৰু—আমাৰ বাবে কিমান ঠাইনো বাছি থোৱা সম্ভৱ ?

ভ্ৰমণ-তালিকা যুগুত কৰাৰ পাছত মঙে ক'লে, "আপোনালোকৰ প্ৰয়োজনৰ জোখাৰে পোছাকপাতি নাই, এতেকে আপোনালোকে দোভাষীসকলৰ সৈতে ফ্ৰেণ্ডশ্বিপ ষ্ট'ৰলৈ যাওক আৰু তাৰপৰা গৰম গেঞ্জি জাতীয় বস্তু কিনি লওক।

প্ৰতিজন সদস্যক এখন এখন খামত ভৰাই ১৩০ ইয়েনকৈ দিয়া হ'ল। শুনিলোঁ, এক ইয়েন ভাৰতীয় চাৰি টকাৰ সমান। কিন্তু বয়বস্তুৰ দাম চাই তাতোকৈ অধিক যেন লাগিল।

ফ্ৰেণ্ডশ্বিপ ষ্ট'ৰ মজলীয়াবিধৰ ডিপাৰ্টমেণ্টাল ষ্ট'ৰ। তাত চৌখীন বস্তু-

বাহানি অনেক আছে, নকল জোঁৱাহিও নোপোৱা নহয়। পুৰণি চৈনিক শিল্পবস্তু, জেড্ ইত্যাদি আৰু বহুমূল্য হাতীৰ দাতৰ গৃহসজ্জা, কাঠৰ খোদাই কৰা পৰ্দা আদি মনোৰম বাছকবনীয়া বস্তুৰে তিনি মহলা ঠাহ খোৱা। অন্যান্য মচলাভ লাগতিয়াল বস্তু বাহানি। চৌখীন বস্তুবোৰৰ সৰহভাগেই বিদেশী লোকসকলে কিনে। ৰপ্তানিও কৰা হয়। আমি দুই এটা খুচুৰা বস্তু কিনিলোঁ। মই দুই ইয়েন দাম দি এজাৰ গৰম দস্তানা কিনিলোঁ। মই চীনা খেতিয়ক সকলে ব্যৱহাৰ কৰা কোট-চোলা বিচাৰি আছিলোঁ। এই দোকানখন এমবাছিৰ নিচেই ওচৰত। ইয়াত ঘাইকৈ বিদেশী সকলেই বেছি ভাগ কিনা-কটা কৰে।

এটা কোঠাত দেখিলো প্ৰচুৰ পৰিমাণৰ তিব্বতী দলিচা। এই তিব্বতী কাৰ্পেট বা দলিচা বৰ বিখ্যাত। এতিয়া এইদেশতো তৈয়াৰ কৰা হৈছে। চিকিমতো এই কাৰ্পেট তৈয়াৰ কৰা হৈছিল। সেই কথা আগতেই উল্লেখ কৰা হৈছে। খুব সম্ভৱ তিব্বততো তেনেকুৱাই আছিল। এতিয়া নিশ্চয় ঘড়িৰ কাঁটাৰে সৈতে সময় মিলাই ঠিক সময়ত কাৰ্পেটৰ কাৰখানাত আহি বোৱা-কটা কৰিবলগীয়া হৈছে।

আৰু এয়ে হ'ল তিব্বতীসকলৰ স্বাধীনতা হেৰুওৱাৰ দুখ।

আমি শুনিলোঁ যে চীনত আটাইবিলাক দোকানতে বস্তুৰ দাম একেই। বিভিন্ন দোকানত একেটা বস্তুৰ বিভিন্ন দাম নহয়, দোকান যিমানেই পৰিপাটি নহওক লাগিলে। ফ্ৰেণ্ডশ্বিপ ষ্টৰ খুব পৰিপাটি কিন্তু দাম সৰু দোকানতো যি ইয়াতো সি। অৱশ্যে বস্তু বাহানি পোৱাৰ ক্ষেত্ৰত প্ৰভেদ আছে। ইয়াত প্ৰসাধন সামগ্ৰী, মিংক কোট, গহনা ভেলভেট আদি পোৱা যায়। মই যে খেতিয়কসকলে ব্যৱহাৰ কৰা কপাহী কোট বিচাৰি আছোঁ, সেইটো অৱশ্যে ইয়াত পোৱা নাযায়। সাধাৰণ কপাহী বা উলৰ গেঞ্জীও পোৱা নগ'ল। স্যুৱে যোক ক'লে যে, আন দোকানত পোৱা যায়, পিছে তাত বৰ ভিৰ। মই উৎসাহেৰে সৈতে ক'লোঁ যে তেনেকুৱা বজাৰলৈহে মই যাবলৈ বিচাৰোঁ। তেতিয়া, খোৱা-বোৱাৰ পাছত সেই বজাৰলৈ যোৱা হ'ব বুলি ঠিক কৰা হ'ল।

স্যু ছোৱালীজনী বৰ মৰমিয়াল। কিন্তু তাই ইংৰাজী সমূলি নাজানে। হিন্দী জানে। তাই হ'ল জ্ঞানসিং ধিংভাৰ দোভাষী। কিন্তু মস্কিল হ'ল যে তাইৰ হিন্দী আৰু জ্ঞানসিংৰ হিন্দীত আচমান-জমিনৰ ফাৰাখ। গতিকে

কিবা সমস্যাৰ উদ্ভৱ হ'লেই তাৰপৰা হাত সাৰিবলৈ ছেগ পালেই সাউতকৈ তাই মোৰ ওচৰলৈ আহে।

কিন্তু খিংড়াও এৰা বিধৰ ভকত নহয়। কয়, "চু, তুমি কাৰ কাম কৰিছা—মোৰ নে দেৱীজীৰ?"

যি কি নওহক, আমি সকলোৰেই সাধাৰণ বজাৰ'লৈ গ'লোঁ। ইও ডিপার্টমেণ্টাল ষ্ট'ৰ। সঁচায়ে বৰ ঠেলা-হেঁচা, প্রচুৰ বস্ত্র-বস্তু। কুপনেৰে কিনা হয়—উপৰ পোছাকৰ বাবে এবিধ কুপন কপাহী পোছাকপাতিৰ বাবে আন এবিধ কুপন। খুচুৰা বস্তু টকা অর্থাৎ ইয়েনতো বেচা হৈছে। ক্রেগুৰ্ষিপ ষ্ট'ৰত কোনো চীনাই বজাৰ কৰা মোৰ চকুত পৰা নাই—সকলোৰেই বিদেশী। ইয়াত আকৌ সকলো চীনা। আমি বৰকৈ হাত ধৰি টকা খৰচ কৰি আছিলোঁ। কিয়নো, এই এশ ত্রিছ ইয়েনেৰে এমাহ চলাব লাগিব। ভাৰত চৰকাৰে যিকেইটা আমেৰিকান ডলাৰ আমাক দিছিল, সকলোৰে বাসনা, তাৰে হংকঙত বস্তু বাহানি কিনা হ'ব। সকলোৰেই কয়, হংকঙত বস্ত্র-বস্তুৰ উত্তৈন্দী আৰু চোৰৰ বাজ্য। সাংঘাতিক ধৰণে দৰাব লাগে হেনো। হওক, তথাপি হংকঙত বস্ত্র-বস্তু কিনাৰ আগ্রহ আমাৰ নকমে।

সেয়েহে পিকিঙৰ চীনা বজাৰত আমি নিচেই সামান্য বস্ত্র-বস্তু কিনিলোঁ। বহুতেই ছুৰেটাৰৰ নিচিনা কপাহী গেঞ্জী কিনিলে, তিন-চাৰি ইয়েন দামত। মই চৌধ্য ইয়েন দাম দি এটা তুলা ভৰ্তি কোটচোলা কিনিলোঁ। ধুনীয়া কোটচোলা, বেছ গৰম। সেই কোটচোলাটোৰেই চীনৰ ঠেণ্ডা লগা জাৰ কটাই আছিলোঁ।

সেইদিনা, অর্থাৎ ৭ তাৰিখে ৰাতিৰ পৰতে মৈত্রী সমিতিৰ সভাপতিয়ে আমাৰ সন্মানার্থে ভোজমেল পাতিব। এই ভোজমেললৈ আমাৰ ৰাষ্ট্রদূত নাৰায়ণন্ আৰু তেওঁৰ পত্নীও নিমন্ত্রিত হ'ল। চৰকাৰী ডেলিগেশ্যন নহ'লে এনেকুৱা নহয় হেনো। সাধাৰণতে, অতি কম ৰাষ্ট্রদূতেইহে এইদৰে নিমন্ত্রিত হৈছে। এগৰাকী বিদেশী মহিলাই লিখিছিল যে, দূতাবাসৰ বিদেশী বাসিন্দাসকলৰ বৰ দুখ যে চীনাসকলে তেওঁলোকৰ সৈতে খোৱাবোৱা নকৰে। অৱশ্যে এই এমাহৰ ভ্রমণকালত আমাৰ ভ্রমণসংগীসকলৰ কোনোৰেই সাধাৰণতে আমাৰ সৈতে একত্র-আহাৰ কৰা নাছিল—বেংক'ৱেট বা ভোজমেলৰ বাহিৰে।

৭ তাৰিখৰ দুপৰীয়া মই ডা॰ বাসুক ক'লোঁ, "মই আমাৰ নিমন্ত্রণকর্তাৰ

সৈতে অলপ কথা পাতিব খোজোঁ।" তেওঁক মই ৰবীন্দ্ৰনাথৰ 'জন্মদিন' কবিতাটিৰ ইংৰাজী অনুবাদটো দি ক'লোঁ, "আপোনাৰ বক্তৃতা যেতিয়া টাইপ কৰা হ'ব এইটোও টাইপ কৰাব।"

তেওঁ অতি আচৰিত যেন হৈ ক'লে, "এই কবিতাটো আপুনি এতিয়াই অনুবাদ কৰিলে নেকি?"

১৯৬৮ চনত প্ৰকাশিত এখন বিশেষ ৰবীন্দ্ৰসংখ্যা মোৰ লগত আছিল। ১৯৬১ চনত পিকিঙত যি ৰবীন্দ্ৰ-জন্মোৎসৱ অনুষ্ঠিত হৈছিল, সেই সংখ্যাটোত তাৰ পূৰ্ণ বিবৰণ—আৰু চি চি লিনৰ এটি ভাষণ, নাম—"ৰবীন্দ্ৰনাথ ঠাকুৰ ভাৰতৰ মহাকবি" আৰু চি ছিন লিন ৰচিত এটি প্ৰবন্ধ 'ঠাকুৰ মোৰ হৃদয়ত আছে'—ওপৰত চীনা শিল্পীয়ে অঁকা ৰবীন্দ্ৰনাথৰ এখন পূৰ্ণাংগ চিত্ৰ ছপাইছিলোঁ।

১৯৬১ চনত ইয়াত যি চীন ফ্ৰেণ্ড মিছন আছিল তেওঁলোকৰপৰাই এই সম্বল পাইছিলোঁ। এগৰাকী মহিলাই মোক দিছিল।

১৯৬২ চনত যেতিয়া যুদ্ধ আৰম্ভ হ'ল, তেতিয়া মই অতি বিস্ময়েৰে সৈতে এই ছবি আৰু লেখাবোৰ চাইছিলোঁ। তাৰ পাছত ১৯৬৭ চনত এইবোৰ সকলো-পৰাই চিঞিল নগাই 'নৱজাতকৰ' এটি বিশেষ সংখ্যাত প্ৰকাশ কৰিছিলোঁ। মই নীৰৱ ভাবাবে ক'ব খুজিছিলো যে, যুদ্ধৰ উদ্যোগপৰ্বৰ মাজতো তেওঁলোকে বিচাৰ-বুদ্ধি স্থিৰে ৰাখিছিল আৰু ভাৰতৰ মাননীয় কবিজনালৈ শ্ৰদ্ধা জ্ঞাপন কৰিছিল। মই এই কথাবাৰ ভাৰতৰ জনসাধাৰণৰ ওচৰত প্ৰকাশ কৰিবলৈ বিচাৰিছিলোঁ। কিন্তু মোৰ সেই সৰু আলোচনীৰ প্ৰচাৰশক্তি নিচেই কম। কিমানজনেইবা পঢ়িবলৈ পালে। সেই আলোচনী এখন আৰু সোমেনে নগুচিলৈ লিখা চিঠি ইত্যাদি মৈত্ৰী সমিতিৰ সভাপতিলৈ উপহাৰস্বৰূপে আগবঢ়ালোঁ।

সভাপতি ওৱাং পিন নানৰ দোভাষী ল'ৰাজনক বেছ শিক্ষিত বুলিয়েই ধাৰণা হ'ল। তাৰ ইংৰাজী উচ্চাৰণ শুদ্ধ, ইংৰাজীও খুবেই ভাল। সি এই বিষয়ত অলপ উৎসাহী হৈ উঠা যেন লাগিল। 'জন্মদিন' কবিতাটি টাইপ নোহোৱাত দিব নোৱাৰিলোঁ।

ভোজমেলৰ প্ৰাৰম্ভণী ভাষণত ডা. কোটনিছৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন আৰু

চীন-ভাৰতৰ দীৰ্ঘদিনৰ মিত্ৰ-সম্পৰ্কৰ কথা উল্লেখ কৰা হ'ল। আৰু যিবোৰ কথা উল্লেখিত হ'ল সেইবোৰ হ'ল বৰ্তমান চীনৰ ৰাজনীতিৰ কথা। সভাপতি ওৱাং পিন বাবে ক'লে, "দেশৰ শত্ৰু 'গেং অৱ ফোৰ'ক পৰাস্ত কৰি লিইতৰ চক্ৰান্ত ব্যৰ্থ কৰি দিয়া হৈছে। চেয়াৰমেন হুৱা কুঅ' ফেঙে দৃঢ় হাতেৰে দেশৰ শাসনভাৰ গ্ৰহণ কৰিলে। এতিয়া চীনদেশৰ চাৰিওফালে শান্তি আৰু শৃংখলা, দেশৰ সমূহ বাইজ এতিয়া পৰম নিশ্চিন্ত—এই সময়ছোৱাত যে আপোনালোক আহিছে, এয়া আমাৰ পক্ষে বৰ আনন্দৰ কথা।"

'গেং অৱ ফোৰ'ৰ কথা পাছত বিশদভাবে অৰ্থাৎ আমি যিমানখিনি শুনিছিলোঁ—ক্ৰমে ক্ৰমে আলোচনা কৰিম। ইয়াত মাথোনকে এইখিনিকে কৈ থওঁ, প্ৰত্যেক প্ৰতিষ্ঠানত আলাপ-আলোচনা আৰম্ভ হোৱাৰ আগতে আৰু পাছত কীৰ্তনৰ ধুৱাৰ দৰে এবাৰ এই কথাখিনি কোৱা হয়। কোৱা হয়—'গেং অৱ ফোৰ' বা 'চাৰিজনীয়া চক্ৰ' ধ্বংস হোৱাত দেশত সুসময়ে দেখা দিছে, সকলোৱে শান্তি লভিছে। এনেকুৱা এঠাইলৈকো আমি যোৱা নাই বা এনেকুৱা এজন মানুহকো পোৱা নাই—যিঠাইত যিজনে এইবাৰ কথা কোৱা নাই। এইবোৰ কথাৰপৰা এনেকুৱা অনুমান কৰিলে অনুচিত নহ'ব যে, এওঁলোকৰ অৱচেতন মনত এতিয়াও এই 'চাৰিজনীয়া চক্ৰ'ৰ সম্বন্ধে যথেষ্ট ভীতি বিদ্যমান। যি হওক, এই বিষয়টো আমি চীনৰ য'ত যেনেকৈ ভ্ৰমণ কৰিম, তেনেকৈ আলোচনা কৰা যাব। মই মাথোন এই কথা ভাবি আচৰিত হৈছিলোঁ যে দেশৰ ৰাজনীতি সম্বন্ধে তেওঁলোকেই আমাক কোৱাটো আৰু জনোৱাটো প্ৰয়োজনীয় বুলি ভাবিছে। আন কোনো দেশত এনে হোৱাটো দেখা নাছিলোঁ।

আমি চীনলৈ যোৱাৰ আগতেই চীনদেশৰ অন্তৰ্দ্বন্দ্বৰ কথা শুনিছিলোঁ। মই চীনদেশলৈ যাবলৈ ওলোৱা শুনি এগৰাকী শুভাৰ্থী মহিলাই মোক কৈছিল "এতিয়াহে আপোনাৰ চীনলৈ যাবৰ সময় হ'ল। এনেয়ে তাত ভূঁইকঁপ তদুপৰি গৃহযুদ্ধ।"

এই ছেগতে ভোজমেলৰ বৰ্ণনাটো দি লওঁ। তিনিখন মেজত বেলেগে বেলেগে আয়োজন কৰা হৈছিল। চীনত দেখিলোঁ খোৱামেজ সদায় ঘূৰণীয়া। চীনৰ বিশিষ্ট ব্যক্তিসকলৰ সৈতে ইঅ'ৰোপীয়সকলো আছিল। তেওঁলোকৰ মাজত ডা জৰ্জ হাতেম—যিজন ব্যক্তি মা-হাই'ত নামেৰে পৰিচিত, তেওঁ তেওঁৰ

চীনা পত্নীৰে সৈতে আমাৰ মেজত বহিছিল। তেতিয়া তেওঁৰ স'তে সামান্য আলাপ হ'ল। শুনিলোঁ এখেতে চীনদেশত উপদংশ ব্যাধি নিৰ্মূল কৰাত প্ৰচুৰ সহায় কৰিছে। সেইটোৱেই তেওঁৰ বিশেষ দান। আন এগৰাকী ইঅ'ৰোপীয় হ'ল ড মৃ্যলাৰ। এওঁ এগৰাকী জাপানী নাৰ্ছক বিয়া কৰালে। এই মহিলাগৰাকী জাপানে চীন আক্ৰমণ কৰোঁতে নাছ হিচাপে আহি শত্ৰুৰ হাতত বন্দিনী হৈছিল। এই বন্ধন শেহলৈ উদ্বাহবন্ধনলৈ বাগৰিল। ডা অটল আছিল ভাৰতীয় মিশ্যনৰ দলপতি।

মৃ্যলাৰ, অটল আৰু কোটনিছে ডিছেম্বাৰ জাৰত বৰফ আৰু বৰষুণ মূৰত লৈ ফ্ৰণ্টত ৰোগীৰ সেৱা, আৰ্তজনৰ সেৱা কৰিছিল, চিকিৎসা কৰিছিল। এওঁ তেতিয়া আৰু নাজী জাৰ্মানিলৈ উভতি যোৱা নাছিল। মই মিছিছ বাসুৰপৰা শুনিলো, তাত এওঁৰ নাম মৃতৰ তালিকাভুক্ত হৈছিল। এওঁ যে জীৱিত সেই কথা এওঁৰ আত্মীয়-স্বজনে সম্প্ৰতিহে জানিব পাৰিছে। ডা মৃ্যলাৰ মেডিকেল কলেজৰ প্ৰিন্সিপাল আছিল। আন এগৰাকী বিদেশী ডা ফ্ৰাই জাতিত অষ্ট্ৰিয়ান। তেওঁ ডা॰ কোটনিছৰ সৈতে একেলগে কাম কৰিছিল। এওঁলোকৰ বাহিৰে আটাইতকৈ বিখ্যাত বিদেশী হ'ল নিউজিলেণ্ডদেশীয় ৰুই আলি। এখেত ডাক্টৰ নহয়, পিছে বিভিন্ন কৰ্ম বিশাৰদ। এখেতে পঞ্চাছ বছৰ ধৰি চীনদেশত বাস কৰিছে। এওঁ মাও চে তুঙৰ বন্ধুস্থানীয় ব্যক্তি। এও বয়লাৰ ইনস্পেক্টৰ হৈ সাংহাইলৈ আহিছিল আৰু চীনাসকলৰ ওপৰত বিদেশী বিশেষকৈ শ্বেতাংগ-সকলৰ অত্যাচাৰ দেখি, চীনাসকলৰ প্ৰতি সম্পূৰ্ণ সহানুভূতিশীল হৈ গোটেই জীৱন এই দেশৰ মংগলৰ বাবে উছৰ্গা কৰিছিল। এওক হেনো 'চাইনিজ ড্ৰাম' বুলি কোৱা হয়। অৰ্থাৎ চীন সম্বন্ধে এওৰ গভীৰ জ্ঞান থকা বাবেই এই নাম। চীনত সমবায় (Co operative) সংগঠন হ'ল এওঁৰ প্ৰধান দান।

ই'অৰোপীয়সকলৰ সৈতে অলপ বেছি সময়লৈ কথা পতাৰ ইচ্ছা মোৰ আছিল। কিয়নো, ইঅ'ৰোপ মোৰ তেনেই চিনাকি, তেওঁলোকৰ ভাষা মই বুজোঁ। কিন্তু সেই সুযোগ পোৱা নগ'ল। পাছত ৰুই আলিৰ সৈতে অলপ কথা পাতিছিলোঁ অৱশ্যে।

সেই কথা যথাস্থানত ক'ম।

সেইদিনই দ্বুপৰীয়া পৰতে আন এজনৰ সৈতে চিনাকি হ'লোঁ। তেওঁক ইঅ'ৰোপীয় বুলি নকৈ ইঅ'ৰেছীয় বুলি ক'ব পাৰি। কিন্তু তেওঁ কহন-বহণত পুৰাপাকা ইঅ'ৰোপীয়। এওঁ হ'ল লেখিকা হান স্যুৱান। চীন সম্বন্ধে তেওঁৰ ৰচনা বিখ্যাত। এওঁৰ চীনা স্বামীৰ সৈতে বিচ্ছেদ হৈছে। শুনিলোঁ, পাছত পূব ভাৰতীয় দ্বীপপুঞ্জবাসী কোনোবা এজন ভাৰতীয়ক বিয়া কৰালে। চীনৰ সৈতে এওঁৰ সংযোগ এতিয়াও অটুট।

এওঁৰ মুখতো 'চাৰিজনীয়া চক্ৰ'ৰ কথা শুনিলোঁ। এইখিনিতে নজনাসকলৰ জ্ঞাতার্থে কৈ থোৱা ভাল যে, 'চাৰিজনীয়া চক্ৰ'ৰ এই চাৰিজন—যি চাৰিওজনক বর্তমান চেয়াৰমেনে পার্টি-বিৰোধী চক্ৰান্তৰ অভিযোগত অভিযুক্ত কৰি ৰাজনীতি ক্ষেত্ৰৰপৰা অপসাৰিত কৰিলে—তেওঁলোক হ'ল ওৱাং হুং ওৱেন (Wang Hung Wen), চাং চুন চিয়া (Chang Chung Chia), চিয়াং চি (Chiang Ching) আৰু ইয়াও ওৱেন য়ুৱান (Yao Wen Yuan)। এওঁলোকৰ মাজত চিয়াং চিং হ'ল চীনৰ প্ৰিয় নেতা মাও চে তুঙৰ চতুর্থ পত্নী। কালচাৰাল ৰেভলিউশ্যনৰ সময়ছোৱাত অর্থাৎ ১৯৬৬ চনৰপৰা এওঁলোকে প্ৰাধান্য লাভ কৰিছিল আৰু ক্ৰমে অতি শক্তিশালী হৈ উঠিছিল। এওঁলোকৰ উচ্চাকাংক্ষা, বিশেষকৈ চিয়াং চিঙৰ চৌ এন লাই বিৰোধী কার্যকলাপৰ ফলত জনগণ এওঁলোকৰ ওপৰত বিৰক্ত হৈ উঠিছিল। মাও চে তুঙৰ মৃত্যুৰ পাছত এওঁলোকে ক্ষমতা অধিকাৰ কৰিবলৈ চেষ্টা কৰিছিল।

কিন্তু হুৱা কুও ফেঙে ক্ষিপ্ৰতাৰে সৈতে এওঁলোকক বন্দী কৰাত এওঁলোকৰ বিহদাত ভাগিল।

এইবোৰ কথা শুনিছো আৰু ভাবিছো—এওঁ মাও চে তুঙৰ পত্নী, এওঁক সকলোৱে ইমান বেয়া পালে কিয়? কেনেকৈ? এনেতে আমাৰ দলৰ তাৰাচান্দ গুপ্ত, যিজনে হেনো চীন সম্বন্ধে দুখন কিতাপ পঢ়িছে—হান স্যুৱানক সুধিলে, 'মই এঠাইত পঢ়িছিলোঁ যে চিয়াং চিঙে ক্ষমতা পালে আপুনি আৰু চীনত সোমাব নোৱাৰিব বুলি কৈছিল। হয়নে?"

হান স্যুৱানে ক'লে, "নহয়, ঠিক তেনেকৈ কোৱা নাছিলো। মই কৈছিলোঁ যে চিয়াং চিঙে ক্ষমতা অধিকাৰ কৰিলে মই আৰু চীনলৈ নাযাওঁ।"

মই সুধিলো, 'কিয়?"

তেওঁ ক'লে, "সেইক্ষমতালোভী-অহংকাৰী নাৰীৰে মোক নিশ্চয় তেওঁৰ জীৱনী লিখিবলৈ ক'লেহেঁতেন। মই চেয়াৰম্যনৰ জীৱনী লিখিছোঁ, গতিকে তেওঁৰো লিখিব লাগিব। মই কেতিয়াও সেই কাম নকৰিলোহেঁতেন।

"বাৰু, আপোনালোকে চিয়াং চিঙৰ কোনো দিনেই পচন্দ কৰা নাছিল বুলি কৈছে। তেনেহ'লে মাও চে তুং জীয়াই থাকোঁতে সেই কথা কোৱা নাছিল কিয় ?"

"আমি বৃদ্ধ মানুহজনৰ মনত দুখ দিব খোজা নাছিলোঁ। পিছে তেওঁ কথাটো জানিছিল, তেওঁ হয়তো কৃত্ত কেৱল ওপৰতেই নির্ভৰ কৰিছিল।"

চিয়াং চিঙৰ সম্পৰ্কে বহু কথা শুনিছিলো, সেইবোৰ মনো পাছত ক'ম। এতিয়া মই মোৰ পাঠক-পাঠিকাসকলৰ লৈ'ত চীন ভ্ৰমণ'লৈ ওলাইছোঁ। য'ত যি যেনেকৈ চাই আহিছোঁ, তেনেকৈ কৈ যাম।

এতিয়া আকৌ ভোজ মেনুৰ বৰ্ণনালৈ উভতি যাওঁ ব'লক। চীনদেশৰ খোৱা-বস্তুৰ মাজত মঙহেই সৰ্বপ্ৰধান। যদিও, উত্তৰ চীন আৰু দক্ষিণ চীনৰ মাজত বন্ধা-বঢ়াত পাৰ্থক্য আছে। খোৱামেজত সৰ্বপ্ৰথম পৰিবেশন কৰা হয় দহ-বাৰ বিধৰ ঠাণ্ডা খাদ্য। টুকুৰা-টুকুৰকৈ কটা নানা বিধৰ মাংস—কুকুৰা বা গাহৰিৰ, মাছ-ভজা, বাঁহৰ গাঁজ, জেলিফিশৰ সৰু সৰুকৈ কটা ৰঙীন আঞ্জা ইত্যাদি আৰু লগতে ৰঙা ৰঙৰ মদ। এই মদ মিঠা, এলকোহল নাই বুলিয়েই ক'ব পাৰি। আৰু বুঢ়া আঙুলিটোৰ সমান গিলাচত একেবাৰে পানীৰ দৰে দেখাত—'মা থাই'। 'মা থাই' বৰ কাঢ়া মদ। কোনো কোনোৱে ক'লে, ৰুছ দেশৰ 'ভদ্‌কা'তকৈও কাঢ়া। আৰু কোনোবাই যদি বিয়েৰ বা হুইস্কি খাবলৈ বিচাৰে তাকো দিয়ে। ঠাণ্ডা খাদ্যৰ পাছত দিয়ে গৰম খাদ্য। নানা তৰহৰ মঙহ—য'ই পিকিং ডাক। অৰ্থাৎ হাঁহ। বৰ বিখ্যাত খাদ্য। আৰু ডাঙৰ ডাঙৰ জলকীয়াৰ টুকুৰাৰে গাহৰিৰ মাংস। ইয়াৰ মাজত জলকীয়াৰ ভাগ নিচেই সামান্য। আমাৰ দেশত চীনা বন্ধা-বঢ়াত পাচলিৰ ভাগ যিমান থাকে, তাত তেনেকুৱা নহয়।

মাংসৰ পাছত মাছৰ পাল। মাছ মানে—একেবাৰে ডাঙৰ এটা বৌ মাছৰ দৰেই সজোৱা, নকলী চকু দুটাৰে টটকৈ চাই আছে। মাছৰ আঞ্জাৰ বন্ধা-বঢ়া বৰ ভাল, কিন্তু ইউ'ৰোপীসকলৰ দৰে কাঁইট উলিয়াই নিদিয়ে। কাঁইট থাকিলেও

পাহী নাহী ক্লপ্তিকেৰে ধুনীয়াকৈ বাছি খায়। এই মাছ-মঙহৰ মাজে-মাজে আছে মিঠাই। মিঠাইৰ প্ৰাচুৰ্য্য বৰ বেছি নহয়। গাখীৰৰ মিঠাই নাই বুলিলেই ক'ব পাৰি।" বোধকৰোঁ দালিৰ মিঠাই। এদিনহে মাথোন আইছক্ৰিম খাইছিলোঁ। আৰু মেজত থাকে মান্দো নামৰ কটি। ভাজ কৰা গজাৰ দৰে—ভাপত দিয়া।

তিব্বতী ৰন্ধন মোমো—ময়দাৰ ভিতৰত মাংস ভৰাই উতলা পানীত সিজাই ল'ব লাগে। ইয়াৰ মানুহে মোমো খুব খায়। পাচলি বোলোঁতে আছিল কেৱল বন্ধাকবি আৰু ছেলেৰি—এবিধ বিলাতী শাক। খোৱাৰ মাজে মাজে ইঅ'ৰোপৰ দৰে 'ট'ষ্ট' কৰাৰ প্ৰথা বৰ প্ৰবল, চীন-ভাৰত মৈত্ৰীৰ আকাংক্ষাৰে, যুগমীয়া বন্ধুত্বৰ কামনাৰে। এই ডেলিগেশ্যনৰ স্বাস্থ্য কামনা কৰি বাৰে বাৰে মা থাইৰ গিলাছৰ সৈতে গিলাছ লগাই একে শোহাই খাই কয় 'গাম্বে'। অৰ্থাৎ বটমছ আপ (একেবাৰে ওলোটাই দিয়া)। যদি মদ খাবলৈ ভয় খোৱা কোনো এজনে বস্তুটো মদ লয়, তেনেহ'লে তেওঁক আনপক্ষই মা থাই খাবলৈ আঁকোৱগোঁজকৈ ধৰে। মোৰ সন্মুখত বহি থকা এগৰাকী মহিলাই বুদ্ধি কৰি নিজৰ গিলাছৰ মা থাই গিৰিয়েকৰ গিলাছত বাকি দি নিজৰ গিলাছত লেমনেড ঢালি লৈ নিবোকা চামোনৰ দৰে বহি থকা দেখিলোঁ। কিন্তু একে শোহাই 'গাম্বে' কৰাত শেষত গৈ ধৰা পৰিল। মা থাই জলকীয়াৰ দৰে জলা।

আমাৰ প্ৰথম দিনৰ ডিনাৰত মদ্যপ্ৰীত মহাকবি ক্ৰমাত তুৰীয় অৱস্থাত উপনীত হ'ল। তেওঁৰ একাষত বহি আছিল মা হাইতে বা জৰ্জ হাতেম। তেওঁ সুধিলে, 'তোমাৰ জীৱনৰ ফিল'ছফি কি ?"

মহাকবিয়ে নিৰ্দ্বিধাই ক'লে, "এনাৰ্কিজম।"

মই ক'লোঁ, 'এনাৰ্কিজম আকৌ ফিল'ছফি নেকি ?"

নিশ্চয় তুমি অমুকৰ কিতাপ পঢ়িছা, তমুকৰ কিতাপ পঢ়িছা—বুলি বহুতো চাহাবৰ নাম ক'বলৈ ধৰিলে। মই ক'লোঁ, "নহয়, এওঁলোকৰ কিতাপ মই নাই পঢ়া,—আৰু পঢ়িবলৈ ইচ্ছাও মোৰ নাই।"

তেতিয়া মহাকবিয়ে ক'লে, "তুমি মাথোন ৰবীন্দ্ৰনাথহে পঢ়িছা। তেওঁ আছিল বুৰ্জোৱা কবি, ইনডিভিজুৱালিষ্ট কবি।—মই ৰেভলিউচনাৰি কবি, ইণ্টাৰনেচনালিষ্ট কবি।"

মই ক'লোঁ, "বাৰু।"

ইতিমধ্যে কবিবৰ উত্তেজনাত মহাকবিৰ আগত থকা ছিগাৰেটৰ ছাইৰ ৰ'মটোত কেনেবাকৈ খুন্দা লাগি গোটেই মেজখনত সি চৰিত হৈ পৰাত মা হাইতেই মিচিকীয়াই হাঁহি মহাকবিক ক'লে, "তুমি যে এনাৰ্কিষ্ট—এতিয়াহে মোৰ বিশ্বাস হৈছে।"

চীনা খাদ্যৰ কথা আৰু অলপ কৈ এই আধ্যা সামৰিম। খোৱা বোৱাৰ শেষৰ ফালে স্যুপ আৰু ভাত দিয়ে। আৰু যেতিয়া ফল লৈ আহিব, তেতিয়া বুজা যাব যে ভোজ শেষ। ভাত কিয় পাছত দিয়ে সোধাত ক'লে যে ভাতেৰে পেট নভৰাই মাংসেৰেহে ভৰাবলৈ বিচাৰে।

সেইদিনা ডিনাৰৰ পাছত স্কুলীয়া ল'ৰা ছোৱালীহঁতৰ বেলে চাবলৈ গ'লোঁ। নাচ, অভিনয় আৰু সাজ পাৰ অতি চমৎকাৰ, কিন্তু বিষয়বস্তু তুলুঙা। যেনে—আপেল ফল বোটলা, তা-চাইত শস্য উৎপাদন ইত্যাদি। ৰে'ল, ৰ'ড, খেলা আদিৰ বিষয়ে নাচ। মই আৰু বৎসলাই মুখামুখিকৈ বহি ৰেজিমেণ্টেড আৰ্ট লৈ আন্দোলন কৰিলোঁ।

এই দিনটো আছিল পিকিঙত আমাৰ দ্বিতীয় দিন।

পাছত ক্ৰমে এই সম্বন্ধে বহুতো কথা ভাবিলগীয়া হৈছিলো। সেই কথা পাছত যথাস্থানত ক'ম।

৭ তাৰিখে আবেলি পৰতেই আমি বজাৰ সমাৰ কৰি উভতি আহি নিষিদ্ধ নগৰী চাবলৈ ওলাইছিলো। দিল্লী বা আগ্ৰা ফ'টৰ দৰে প্ৰাচীৰবেষ্টিত প্ৰসাদসমূহ হ'ল ইতিহাসপ্ৰসিদ্ধ দৰ্শনীয় বস্তু। প্ৰথম গে'টখনৰ নাম 'স্বৰ্গীয় শান্তিৰ সিংহদ্বাৰ' (gate of heavenly peace)। তাৰ পিছত এখন চোতাল পাৰ হৈ এটা ঘৰ, আকৌ এখন গে'ট, তাৰো তেনে এটা ধুনীয়া নাম। এটা নাম মনত পৰিছে—পৰিছে—'ঐক্যতান' দ্বাৰ বা সামঞ্জস্যৰ দ্বাৰ' (gate of harmony)। আৰু তাৰ পিছত আকৌ এখন চোতাল, আৰু আৰু এটা ঘৰ। এনেকৈ ইখনৰ পিছত আনখনকৈ বহুকেইখন চোতাল, গে'ট আৰু প্ৰাসাদ। এই আটাইবোৰেই কাঠেৰে সজা ৰঙীন লা-ৰে ঢকা, বাৰেবৰণীয়া। অতি ধুনীয়া স্থাপত্য। কিন্তু স্থাপত্যত ভাৰতৰ লৈতে ফেৰ মৰা টান।

সেই দিনটো আছিল অতিপাত ঠাণ্ডা, আৰু উত্তৰ দিশৰ পৰা সোঁ সোঁকৈ কোবাল বতাহ বলিছিল। শুনিলোঁ যে সেই কোবাল বতাহে ছাইবেৰিয়াৰ হিমস্পৰ্শ কঢ়িয়াই আনিছে। গধুৰ অবৰকোট কোটচোলা, মুৰত মুখত মেৰিউৰা শালকাপোৰ আৰু মোৰ থপজপ ভৰি লৈ বৰ বিমোৰতে পৰিছিলোঁ। কেতিয়াবা মঙে, কেতিয়াবা লীএ মোক ধৰি ধৰি পাৰ কৰি দিছিল। অৱশ্যাই ক্ৰমাত এনে ৰূপ ল'লে যে স্থাপত্য চাবলৈ গৈ নিজেই স্থাপত্য হওঁ হওঁ হ'ল। মিউজিয়াম নেদেখাকৈয়েই আমি উভতি যাব খুজিছিলোঁ, কিন্তু তেওঁলোকৰ দেখুৱাবৰ বৰ ইচ্ছা। একালে ফিউডালিজমৰ ইমান নিন্দা কৰে—কিন্তু তেতিয়াৰ দিনৰ শিল্পবস্তু তেওঁলোকৰ গৰ্বৰ বিষয়।

চীনৰ মানুহে তেওঁলোকৰ অতীতক পাহৰি পেলোৱা নাই, অতীতৰ সৈতে ওতঃপ্ৰোতভাবে জড়িত। কেৱল কিবা সুকৰ্ম দেখুৱাওঁতে বাৰে কয়—এইবোৰ আমাৰ দেশৰ 'মেহনতী' জনতাৰ দান। এই সকলো সাধাৰণ মানুহৰ শ্ৰমৰ ফল। তেওঁলোকে সোঁৱৰাই দিয়ে যে তাজমহল শাহজাহানে নিৰ্মাণ কৰা নাছিল, তাজমহল নিৰ্মাণৰ কৃতিত্ব পিঠিত পাথৰ কঢ়িয়াই অনাসকলৰ। এই কথা বাৰে বাৰে কৈ শ্ৰমিকসকলক মৰ্য্যাদাৰে আদৰে, যিসকল ইমান দিন আছিল অনাদৃত।

"যিসকল কেও নহয়,
একো নহয়,
মানুহৰ ইতিহাসত।"

তেওঁলোকৰ মতে সভ্যতাৰ ইতিহাস এওঁলোকেই ৰচিছে।

স্থাপত্য চোৱাৰ চথ জাৰতে জঠৰ হৈ যোৱাত আমি কোনো মতে পলাই সাৰিলোঁ। পাছত মোৰ মনত পৰিছিল যে Gate of Broad Charity ইয়াতেই—য'ত দালাই লামাৰ কবিতা আঁৰি থোৱা আছিল।

৮ তাৰিখে পুৱা চাৰে আঠ মান বজাত আমি অপ্‌টিকেল ইনস্ট্ৰুমেণ্ট ফেক্টৰি চাবলৈ যাম বুলি স্থিৰ কৰিছিলোঁ। এই জাৰত ইমান পুৱা বিছনা এৰি উঠিবলৈ মহাই নিবিচাৰে। কিন্তু উপায় নাই। চীনৰ মানুহে চলপুৱাতেই

সাৰ পায়। ৰাতিপুৱা পাঁচ বজাতে গোটেই নগৰখন জাগি উঠি ব্যায়াম কৰে। চেৰনীয়াইতে দৌৰে। বয়সস্থসকলে ঠাইতে থিয় হৈ ব্যায়াম কৰে। ইয়াৰ জাৰত পাৰ্ক আৰু ফুটপাথত তেওঁলোকে ব্যায়াম কৰা দেখি আমি আচৰিত হৈছিলোঁ। তাৰ পাছত চাউল-দালি মিহলোৱা ভাতৰ বাটিৰে তুই-এবাটি হ্যাপ আৰু নুডল্ মাংসৰে সৈতে খাই তেওঁলোকে কামলৈ ওলাই যায়।

ইউৰোপ বা আমেৰিকাত ইমান পুৱা বিছনা এৰি উঠাৰ কথা কোনোৱে ভাবিবই নোৱাৰে। ফ্ৰান্সত তো গোটেইখন চহৰৰ বেলা ন বজালৈকে সাৰহুৰ নাই। কিন্তু ফ্ৰান্সপৰা জাৰ্মানিলৈ গৈ আচৰিত হৈছিলোঁ। 'অলপমান আঁতৰতে কি পৰিবৰ্তন'। জাৰ্মানসকলেও কেন্দ্ৰজালিতেই সাৰ পায়।

আমি ফ্ৰান্সৰ আদব-কায়দাৰে টোপনিয়াই থাকিম বুলি ভাবিছিলোঁ, কিন্তু পুৱা ছ বজাতেই ৰাজমিস্ত্ৰীয়ে খিৰিকীৰ বাহিৰত খটখটাই কাম আৰম্ভ কৰি দিলে। আমাৰ নিচিনা গৰম দেশতো আজিকালি বিলাতি কায়দাৰে অভ্যস্ত লোকসকলে আগবেলা আঠ-ন বজালৈকে শুই থকাটো চাহাবীয়ানাৰ নিদৰ্শন বুলি ভাবে।

আমেৰিকাত দেখা পালোঁ যে বিখ্যাত বিখ্যাত প্ৰফেছৰসকলেও ভৰ দুপৰলৈকে টোপনি মাৰে, ৰাতি এবজালৈকে হয় কাম কৰে আৰু নহ'লেবা মদৰে সৈতে after dinner ৰসালাপ কৰে।

এবাৰ মই মোৰ এগৰাকী বান্ধৱীক পুৱা সাত বজাত ফোন কৰি অপ্ৰস্তুত হৈছিলোঁ। তেওঁ তন্দ্ৰাজড়িত ঈষৎ বিৰক্তিসনা মাতেৰে কৈছিল—"হেল্ল'।"

মই ক'লোঁ, "নিদ্ৰাৰ ব্যাঘাত ঘটালোঁ নে কি?"

তেওঁ ক'লে, "নহ'লেনো আৰু কি? ইমান পুৱাখন টোপনিউৱাৰ বাহিৰে আৰু কি কৰি আছিলোঁ বুলি ভাবিছিলা তুমি?"

এই বিস্ময়কৰ ঘটনা নানা জনক কৈও তেওঁৰ তৃপ্তি হোৱা নাছিল।

চীনৰ মানুহে চলপুৱাতে যেনেকৈ সাৰ পায়, তেনেকৈ গধুলি ছয় বজাত ৰাতিৰ আহাৰ খাই আজৰি হয়। তাৰ পাছত আৰু একো খায় বুলি ধাৰণা নহ'ল। ছিনেমা বা বেলে চাই ৰাতি নবজাত ঘৰলৈ ঘূৰি অহাৰ পাছত অলপ গৰম চাহ বাদে আন একো নাখায়।

অগত্যা আঠ বজাৰ ভিতৰত সাজু হৈ চাৰে আঠ বজাত অপ্‌টিকেল ইনস্ট্ৰুমেণ্ট

ফেক্টৰি চাবলৈ ওলালোঁ। সিদিনাৰ সেই পুৱাবেলাটো আছিল বৰষুণৰ, প্ৰকাণ্ড বহল ৰাজআলি 'ছাং আনলু' আঠ-ন মাইল দীঘল। ছাং আনলু অৰ্থাৎ চিৰ ব'ত অব্ এভাবলাষ্টিং পীচ। হয়, পথছোৱাক 'চিৰশান্তিৰ পথ' বুলি কোৱাত ভুল একো নাই। আন চহৰৰ তুলনাত ইয়াত হৈ-চৈ কম। বাটছোৱা প্ৰায় পঞ্চাছ গজ বহল, সেয়েহে ভিৰ কম। গাড়ী নাই বুলিলেও হয়। এখোছিৰ গাড়ী বাদে সাধাৰণ মানুহৰ নিজা গাড়ী নাই। আছে মাথোন চৰকাৰী টেক্সি। আৰু আছে ছাইকেলৰ সোঁত, ট্ৰাক আৰু বাছ। 'এই চিৰশান্তিৰ পথ'ছোৱা থিয়েন আন মেন স্কোয়েৰাৰ হৈ স্বৰ্গীয় শান্তিৰ সিংহদ্বাৰৰ আগেদি দূৰ-দূৰণিলৈ গৈছে।

বাটৰ দুকাষত কোনো বিজ্ঞাপন দেখা নগ'ল। চীনদেশৰ কোনো চহৰতে বিজ্ঞাপন নেদিখিলোঁ। প্ৰয়োজনৰ জোখাৰে বস্তু-বাহানি তৈয়াৰ কৰা হৈছে—চৰকাৰৰ পৰিকল্পনা অনুযায়ী। কম্পিটিশ্বনৰ প্ৰশ্নই নুঠে, কিয়নো, মানুহক ঠগি নিজৰ বস্তু বেচিব নালাগে তাত, বা লোভ দেখুৱাই কিনাব নালাগে। লোভ নাইকিয়া কৰিবলৈহে চেষ্টা কৰা হৈছে। আৰু সেই কথাৰ লগে লগে এই কথাটোও বুজি পালোঁ যে কদৰ্য্য বিজ্ঞাপনৰ অনুপস্থিতিয়েই পথছোৱাক চিৰশান্তিৰ পথ কৰি তুলিছে।

আৰু পথছোৱাৰ অ'ত ত'ত আছে উজ্জ্বল আখৰেৰে মাও চে তুঙৰ বাণী। লিখাবোৰ চিত্ৰৰ দৰে সজোৱা, পথছোৱাক সুশোভিত কৰি তুলিছে। লেখাবোৰ পঢ়িব তো নোৱাৰোঁ, সেয়েহে মোৰ মনটো ক্ষুণ্ণ।

বিজ্ঞাপনৰ কথাত মোৰ আমেৰিকাৰ কথা মনত পৰিল। প্ৰতিযোগিতাৰ কদৰ্য্য ৰূপটো তাতো বহুতৰে মনত ভুমুকি মাৰিছে। আমেৰিকাৰ তৰুণ ডেকা-গাভৰুইতে বহুতো ন ন কথা ভাবিছে। কিন্তু দুৰ্ভাগ্য এয়ে যে তেওঁলোকৰ কোনো নেতা নাই। এনে লোক এজনো নাই যিজনক তেওঁলোকে মানে, শ্ৰদ্ধা কৰে, ভালপায়, যিজনৰ নিৰ্দেশত সন্দেহৰ অৱসান হয়।

বিজ্ঞাপনৰ সম্পৰ্কে মোৰ বন্ধুজনৰ মতামত অতি স্পষ্ট। নিচেই কম বয়সীয়া ধুনীয়া ল'ৰাজন। কমাৰ্শিয়েল আৰ্ট পাছ কৰি ওলাইছে—কিন্তু কৰ্মহীন। সি মোক ক'লে যে, সি ডাঙৰ ফাৰ্ম এখনত commercial artist অৰ কাম কৰিছিল। কিন্তু সততে সেই কাম এৰি দিলে। তাৰ খৰচ

চলে কেনেকৈ জানিবলৈ বিচৰাত সি নিৰ্বিকাৰ ভাৱে ক'লে যে মোৰ লেণ্ডলৰ্ডে মোক মাজে মাজে ভাৰাত থটুৱায় (hires me)। কথাষাৰ একেবাৰে বুবুজিলোঁ।

এদিন দেখিলোঁ—সি কাঠৰ থটথটীটো চাবোন-পানীৰে ধুইছে।

"এয়ানো কি কৰিছা, জন ?"

"আজি মোৰ লেণ্ডলৰ্ডে মোক ভাৰাৰে লৈছে—মাজে মাজে এই কামবোৰ কৰিব লাগে।"

মই অবাক হৈ সুধিলোঁ, "তুমিনো সেই ভাল কামটো এৰি দিলা কিয় ?"

সি ক'লে, "এডভাৰ্টাইজিঙৰ কাম কৰিবলৈ হ'লে পাচিয়ে পাচিয়ে মিছা কথা ক'ব আৰু লিখিব লাগে। কিয় মই সেই কোম্পানিটোৰ পেট শকত কৰিবলৈ মিছা কথা কৈ থাকিম ?

"এইবাবে তুমি ইমান ভালটো কাম এৰি দি এনে কামত ধৰিলা ?"

কিন্তু জন অলপো দুখিত নহয়। সি ক'লে, "কামটো কিয়নো ভাল ? মিছা কথা কোৱাটো জানো ভাল ? আৰু চিৰি চাফা কৰাটোনো বেয়া কিয় ? মোৰ মনত কোনো গ্লানি নাই।'

আমেৰিকাত আৰু কেইজনমান ডেকা গাভৰুৰ সৈতে জনৰ মনোভাৱ লৈ আলোচনা কৰিছিলোঁ, তেওঁলোকো আচৰিত হোৱা নাছিল, কৈছিল, ঠিকেই তো।

সেইদিনা চৌ-ৱে যেতিয়া ক'লে, 'নহয়, আমাৰ বিজ্ঞাপনৰ দৰকাৰেই নহয়'—তেতিয়া মনত পৰিল জনৰ কথা। জন এই দেশত সুখতে দিন কটালেহেঁতেন।

চিৰশান্তিৰ বাটেদি অপ টিকেল ইনস্ট্ৰুমেণ্ট ফেক্টৰিলৈ গৈ থাকোঁতে এঠাইত মাও চে তুং আৰু স্তালিনৰ এখন যুগ্ম চিত্ৰ বাটৰ কাষত নিৰ্বিকাৰভাৱে থিয় হৈ থকা দেখিলোঁ। পাছত আৰু বহু ঠাইত স্তালিনৰ ছবি দেখিছিলোঁ। পিছে সেইদিনা সেই ৰ দালি জনপথৰ দাঁতিত হঠাতে তেওঁৰ চিত্ৰ দেখি মনটো চিৰিংকৈ উঠিল।

চীন আৰু ৰুছিয়াৰ সম্পৰ্ক সম্বন্ধে আৰু কোনো ব্যাখ্যাৰ দৰকাৰ নাই। ১৯৫৫ চনত মস্কোত য'তে ত'তে স্তালিনৰ যিবোৰ 'মৰ্মৰ মূৰ্তি আছিল, আজি

তাৰ চিন মোকামো আৰু নাই। আৰু লেনিনৰ কাষত শুই থকা বাকচত বন্দী যি মৃতদেহ দেখিছিলোঁ তাকো আঁতৰাই নিয়া হৈছে। এইলোকে মৃতদেহক এইদৰে পৌৰাণিক যুগৰ দৰে সাঁচতীয়াকৈ ৰাখিবলৈ বিচাৰে কিয়, নুবুজো। শুনিলোঁ মাও চে তুঙৰ দেহও হেনো ৰাখিব। ক'ত সেই বিৰাট সত্তা, আৰু ক'ত বা কাঁচৰ বাকচত বন্দী মৰা শ এটি! চীনৰ মানুহ বহু বিষয়ত অত্যন্ত বৈজ্ঞানিক মনোভাবাপন্ন কিন্তু এয়া আদিম যুগৰ বুদ্ধি। এই কথাত যুক্তিতকৈ ভাবাবেগেই প্ৰধান।

'যি ৰমণীয় য'ক মৰি' এই সত্যবাৰ অগ্ৰসৰতাৰ বীজ মাথোন।

আমি অপ টিকেল ইনস্ট্ৰুমেণ্ট ফেক্টৰি পালোঁহি। কৰ্মকৰ্তাসকলে, আচলতে কৰ্ত্ৰীসকলে—কিয়নো এইটো যাইকৈ মহিলাসকলৰ দ্বাৰা পৰিচালিত প্ৰতিষ্ঠান—আগবে পৰাই টপতৈয়াৰ হৈ'যই আছিল। গাড়িৰপৰা নমাৰ লগে লগেই চকুত পৰিল অতি ধুনীয়া সচিত্ৰ অভিনন্দন বাণী দেৱালত আঁৰি থোৱা আছে 'ডা কোটনিছ স্মৃতি সমিতি স্বাগতম'।

শুনিলোঁ এই ফেক্টৰিৰ কৰ্মীবৃন্দয়েই কৰিছে। কাষৰ দেৱালত প্ৰায় সাত আঠগজ দীঘল আৰু ডেৰ গজ মান বহল ৱাল নিউজ পেপাৰ'—হাতেলিখা প্ৰাচীৰপত্ৰ। এইবোৰ ইমান নিখুঁতভাৱে বিভিন্ন ৰঙৰ কাগজত লিখা আৰু মাজে মাজে কাৰ্টুন অঁকা যে এইবোৰ আৰ্টিষ্টে অঁকা নহয় বুলি বিশ্বাস কৰা টান। অৱশ্যে যিজনে আঁকিছে তেওঁ নিশ্চয়েই আৰ্টিষ্ট, কিন্তু তেওঁ এই ফেক্টৰিৰেই কৰ্মী। প্ৰতিটো প্ৰতিষ্ঠানতে এনেকুৱা ডাঙৰ ডাঙৰ প্ৰাচীৰপত্ৰত সচিত্ৰ লেখা মেলা কৰিব পৰা আৰু আঁকিব পৰা কৰ্মীৰ অভাৱ নাই। আৰু হাতৰ আখৰো দক্ষ আৰু পৰিচ্ছন্ন।

আমাৰ দেশতো মাজতে এবাৰ দেৱাল লিখনৰ বৰ প্ৰচলন হৈছিল, বোধ কৰোঁ চীনৰ অনুকৰণত। কিন্তু সেই প্ৰাচীৰপত্ৰবিলাকে চহৰখনক লেতেৰা কৰি তুলিছিল। অশুদ্ধ বানানৰে সৈতে অপটু হাতৰ সৰহভাগ লিখনে নিষ্ঠাৰ অভাৱ প্ৰকাশ কৰিছিল। পিছে টালিগঞ্জৰ কালে কেইখনমান নিপুণ হাতেৰে লিখা প্ৰাচীৰপত্ৰও দেখিছিলোঁ।

যি হওক, চীনৰ সেই প্ৰাচীৰপত্ৰবিলাকৰ মাজত 'গেং অব ফোৰ'ৰ ছবিও আছিল—এখন কোৰেৰে উঠাই চাৰিওজনকে গেৰেকনিত পেলাইছে। এই ছবি-

বিলাকৰ ফটো তোলাৰ চেষ্টা কৰা হ'ল। কিন্তু মন্ত্ৰো ফটো তোলাত অভিজ্ঞ নহওঁ আৰু দীনেশেও কেমেৰাটোক ঠিকমতে ব্যৱহাৰ কৰিব পৰা নাছিল। সেয়েহে আমাৰ সেই চেষ্টা বিফল হ'ল।

অপ্‌টিকেল ইনস্ট্ৰুমেণ্ট ফেক্টৰিত সোমাই বগা চাদৰ পাৰি দিয়া মেজৰ ফুৰাৰে আমি বহিলোঁ। একাষত আমি, আনকাষত কাৰখানাৰ কৰ্মকৰ্তাসকল। যথাৰীতি গৰম টাৱেল আৰু যুঁতি ফুলৰ গোন্ধেৰে আমোল-মোলোৱা চাহ, ছিগাৰেট আদি পৰিবেশন কৰা হ'ল। তাৰ পাছত আমাক সেই কাৰখানা সম্বন্ধে যাৱতীয় তথ্য জনোৱা হ'ল। সকলো কমিউনিষ্ট দেশতে এই একোটা নিয়মতে দেখুউৱা হয়।

ইয়াত বহিয়েই মাও চে তুং চীনৰ হৃদয়ত কি আসনত প্ৰতিষ্ঠিত সেই কথাটি যেন প্ৰথম বাৰৰ বাবে বুজি পালোঁ। ধাৰণা হ'ল যে ১৯৪৯ চনৰ পাছতে অৰ্থাৎ লিবাৰেশ্বনৰ পাছত মাজে মাজে তেওঁ একো একোটিকেই নতুন আৰু বৃহৎ কৰ্মৰ সূচনা কৰিছিল—দেশৰ মানুহলৈ প্ৰকৃত আহ্বান জনাইছিল। সকলো প্ৰতিষ্ঠানৰ দৰেই, সাংস্কৃতিক বিপ্লৱৰ পাছৰপৰা ইয়াতো এটি ৰেভলিউশ্বনাৰি কমিটি আছে। তাৰ মাজত কৰ্মীবৃন্দ আছে। ডিৰেক্টৰজন এজন অৱসৰপ্ৰাপ্ত মিলিটাৰি অফিছাৰ। তেওঁৰ অলিভ ৰঙৰ চোলাৰ ওপৰত ৰঙা তাৰকাচিহ্নয়েই পি'পলছ আৰ্মিৰ চিনাকি দাঙি ধৰে। ৰেভলিউশ্বনাৰি কমিটিৰ ভাইছ চেয়াৰমেন এগৰাকী মহিলা। নাম তেওঁৰ লী চি স্যাই।

প্ৰথমতে আমাক আদৰণি জনোৱা হ'ল। তাৰ পাছত 'চাৰিজনীয়া চক্ৰ'ৰ নিন্দা আৰু পতনৰ সংবাদ দিয়া হ'ল। ধৰি ল'ব লাগিব, প্ৰত্যেক প্ৰতিষ্ঠানত আৰু সভাত এই 'গেং অব ফোৰৰ কীৰ্তি বখনা হ'বই। আৰু তাৰ পাছত শ্ৰীমতী লিউৱে এই কাৰখানাৰ ইতিহাস ক'বলৈ ধৰিলে।

১৯৫৮ চনত মাও চে তুঙে তেওঁৰ দেশবাসীলৈ আহ্বান জনালে কৰ্মযজ্ঞত জঁপিয়াই পৰিবলৈ। এই কালছোৱাক কোৱা হয়—the year of the great leap forward—যিহাৰ কথা অসমীয়াত 'বৃহৎ জঁাপ' বা 'জেও দি আগবঢ়া' অৰ্থাৎ অতি দ্ৰুতগতিৰে আগ বাঢি যোৱা বুলি ক'ব পাৰি। সকলো সাংগঠনিক আৰু উৎপাদনৰ কামত বিজুলী গতিৰে আগ বাঢ়িব লাগিব। সেই বছৰৰেপৰাই চীনৰ সৰ্বতোমুখী উৎপাদন-যজ্ঞৰ পাতনি তৰা হ'ল।

এই কালছোৱাৰ সৰ্বত্যাগী আন্দোলন—দেশৰ মানুহক, আপামৰ জনসাধাৰণক আত্মনিৰ্ভৰশীল কৰি তোলাৰ আন্দোলন। সকলো কামত সকলোৰেই ভাগ ল'ব লাগিব।

মাও চে তুঙে এবাৰ বাক্য ক'লে, "ৰাজনৈতিক পৰিবৰ্তন নহ'লে চীনৰ উৎপাদন-শক্তি বিনষ্ট হ'ব।"

এই বুলি কৈ তেওঁ 'great leap forward'অৰ বিপুল আন্দোলনৰ চক্ৰ ঘূৰাই দিলে। যেতিয়া জনতাৰ মাজত কৰ্মশক্তি উদ্দীপ্ত হৈ উঠে, যেতিয়া তেওঁলোকে কোনো কামৰ মাজেদি নিজক সাৰ্থক কৰি তুলিব পাৰে, তেতিয়াইহে তেওঁলোক নিজৰ ওপৰত আস্থাশীল হৈ উঠে। 'ৰেভলিউশ্যন'ৰ অৰ্থয়েই হ'ল দ্ৰুত পৰিবৰ্তন আৰু সেইটোৱেই 'leap'।

এই অপ্‌টিকেল ইন্‌স্ট্ৰুমেণ্ট ফেক্টৰি হ'ল সেই 'জেও দি আগ বাঢ়ৰ' এটি বিশ্বসনীয় আহি।

লী চি স্যুই-বে এই প্ৰতিষ্ঠানৰ ইতিহাস ক'বলৈ ধৰিলে

"চেয়াৰমেন মাওএ নাৰীসকললৈ এক বিশেষ আহ্বান জনাইছিল—'আহাঁ নাৰী, তুমিয়েই আধা আকাশ'। এই আহ্বানলৈ সঁহাৰি জনাই চীনৰ নাৰীশক্তি জাগি উঠিছিল। তেওঁলোকৰ ভৰিত লগোৱা শিকলি বহু আগতেই খোল খাইছিল, যদিও মনৰ শিকলি তেতিয়ালৈকো ভালকৈ খোল খোৱা নাছিল। বিপুল কৰ্মযজ্ঞত সম দায়িত্ব ল'বলৈ গৈ তেওঁলোক নিজৰ মনুষ্যত্বৰ আৰু নিজৰ শক্তিৰ প্ৰতি আস্থাবান হ'ল। যেতিয়া লী চি স্যুইয়ে এই সুন্দৰ বাক্যবাৰ উচ্চাৰণ কৰিছিল, তেতিয়া তেওঁৰ চকু মুখত মই এটি পোহৰৰ ৰেখা দেখা পালোঁ, আৰু মোৰ মনতো অলপ পোহৰ উজ্জলি উঠিল। মই মাও চে তুঙক অলপ বুজি পালোঁ। তেওঁৰ অসাধাৰণ কবিত্ব প্ৰতিভাৰ মাজতেই মানুহক জাগ্ৰত কৰাৰ মন্ত্ৰ-শক্তি আছে। মোৰ মনত অৰ্ধনাৰীশ্বৰ কল্পনাই খোকি-বাথো লগালে।

কিছু দিনৰ আগতে দেশত মহিলা সাহিত্যসভাত কোনো এজন মুখ্যমন্ত্ৰীৰ এঘণ্টা জোৰা ভাষণ শুনিছিলোঁ—নাৰীজাতিৰ বন্দনা। সেই ভাষণৰ অসাৰতাই তেতিয়াই শ্ৰোতাসকলক ক্লান্ত কৰি তুলিছিল। যি কথা সত্য নহয়, যি কথাৰ সত্য ৰূপ দিয়াৰ কোনো অভিপ্ৰায়েই নাই, তাত এই বচনাৱলী ফুটুকাৰ ফেন মাথোন।

তাবাৰ নতুনত্বয়ো মানুহক জোকাৰি দিয়ে। মই ভাবিবই নোৱাৰোঁ যে, এনেহেন কাৰ্য্যকৰী পৰিকল্পনা এটা কৰোঁতে কোনো ৰাজনৈতিক নেতাই আকাশখনৰ কথা ভাবিব পাৰে। সূচ্যাগ্ৰ ভূমিৰ বাবে তেওঁলোকে নিম্নাভিমুখী হৈ থিয় জাঁপ মাৰিছে। ওপৰৰ আকাশখনৰ কথা তেওঁলোকৰ মনত পৰিব কেনেকৈ ?

মাও চে তুঙৰ আহ্বানলৈ সঁহাৰি জনাই সেই অঞ্চলৰ নাৰীসকলে চশমাৰ কাঁচ আৰু চশমাৰ যন্ত্ৰপাতি তৈয়াৰ কৰাৰ কাৰখানা কৰিব বুলি স্থিৰ কৰিলে। এই নাৰীসকলে সেই কামৰ এ কাৰেই নাজানিছিল। কোনো এটা ঘৰো পোৱা নগ'ল, গতিকে ঘৰে ঘৰে কাম আৰম্ভ হ'ল—যেনেকৈ আমি মহিলা সমিতিৰ কাম কৰোঁ।

কিন্তু আমাৰ মহিলা সমিতিৰ কামৰ তো সূচীশিল্পতে আধ্যা পৰে। তাৰ পাছত সেই ৰুমাল হেণ্ডবেগ আৰু ফটাকানি গোটাই চিলোৱা নিহালি বা কঁথাৰ বোজাটো বেচিবলৈ গৈ যিহে হায়ৰাণ হ'বলগা হয়!

কিন্তু এওঁলোকে হঠাতে এনেহেন দুৰূহ কাম এটাৰ আঁচনিয়েই বা ল'লে কিয় আৰু এই দায়িত্ব লোৱাৰ ভৰসায়েইবা পালে ক'ৰপৰা—নাজানো। যি হওক, সেই ঘৰৰ বোৱাৰী-জীয়ৰীসকলৰ এই বিষয়ে আগতীয়াকৈ জনা বুজা বা শিক্ষা নাছিল। অন্তত এই বিষয়ে তেওঁলোকে একো নাজানিছিল।

লী চি স্বয়ে ক'লে, 'আগৰ দিনত এইবোৰ বস্তু বিদেশৰপৰা আহিছিল। চেয়াৰমেনে ক'লে, 'স্ব নিৰ্ভৰ হোৱা'। তেওঁৰ সেই বাণীয়েই আমাক এই কঠিন কামলৈ উদগাইছিল। তেওঁৰ আমাৰ সকলো কামৰ প্ৰেৰণা। কুসংস্কাৰৰ গণ্ডী পাৰ হৈ মুক্তি লাভ কৰাৰ ইচ্ছাও তেওঁৰ আমাৰ মাজত সঞ্চাৰিত কৰিছিল। আমি ত্ৰিছজনীয়ে মিলি এই কাম আৰম্ভ কৰিছিলোঁ। তেতিয়া নাছিল আমাৰ অৰ্থবল, নাছিল লাগতিয়াল আহিলা-পাতি, নাছিল কোনো দক্ষ কাৰিকৰ। বহুদিনলৈকে তেওঁলোকে কোনো পাৰিশ্ৰমিক নোলোৱাকৈয়েই কাম কৰিবলগীয়া হৈছিল। বিভিন্ন মানুহৰ ঘৰত অলপ ঠাই লৈ একো একোটা কাম কৰা হৈছিল।'

আগতে এইবোৰ তৈয়াৰ কৰাৰ অৰ্থ আছিল বিদেশৰপৰা যন্ত্ৰাংশ আনি যোৰা লগোৱা। কিন্তু স্বয়ংনিৰ্ভৰ হোৱাৰ অৰ্থ হ'ল কাঁচ তৈয়াৰ কৰাৰ

সামগ্রী আৰু যন্ত্র-পাতিবো নির্মাণ। পোনতে হাতেজা পাথৰৰ যাঁতত পিহি লোৱা হৈছিল। এতিয়া তাত সূক্ষ্মতম যন্ত্রপাতি তৈয়াৰ কৰা হৈছে। ত্রিছজনী মহিলাই যিটো প্রতিষ্ঠানৰ পাতনি তৰিছিল, এতিয়া তাত ৫২০ জন কর্মীয়ে কাম কৰিছে। এই কর্মীসকলৰ শতকৰা পঁয়সত্তৰ ভাগেই নাৰী। এই ফেক্টৰিৰ কামৰ অলপ বিশদ বিবৰণ দিম। কিয়নো, এই ফেক্টৰি'টাকে আমি সেই দেশৰ কর্মোদ্যোগৰ প্রতীক বুলি ধৰি লৈছোঁ।

ফেক্টৰিৰ কাম তিনি ভাগত ভগোৱা হৈছে। প্রথমটো হ'ল—অপ টিক কাঁচ তৈয়াৰ কৰা। দ্বিতীয়—মেটাল প্রচেছিং। তৃতীয়—ফিনিছিং বা শেষকৃত্য। যিকেইজনী নাৰীয়ে কাম আৰম্ভ কৰিছিল, তেওঁলোকৰ বিদ্যা নাছিল। কাম কৰি থাকোঁতে আজৰি পালেই পঢ়া-শুনা কৰিছিল। আৱশ্যক মতে, প্রয়োজন অনুযায়ী কামৰ লগে লগে পঢ়া-শুনা কৰাৰ ফলত তেওঁলোক স্বয়ংশিক্ষাৰ দৃষ্টান্ত হৈ উঠিল। পোনপ্রথমে তেওঁলোকে তৈয়াৰ কৰিছিল খনিত ব্যৱহাৰ কৰা লণ্ঠনৰ কাঁচ। ১৯৬৪ চনত তেওঁলোকে বিছগুণ বা চল্লিছগুণ মেগনিফায়িং বা ডাঙৰ কৰিব পৰা কাঁচ তৈয়াৰী কৰিবলৈ সক্ষম হ'ল। ক্রমে ক্রমে অন্যান্য বহুবিধৰ কাঁচ প্রচুৰ পৰিমাণে নির্মাণ কৰিবলৈ ধৰিলে। ১৯৭৩ চনত তৈৰাৰী হ'ল চাৰিশগুণ ডাঙৰ দেখুৱাব পৰা মাইক্র'স্ক'প। সম্প্রতি বেক্টেৰিয়াৰ পৰীক্ষা-নিৰীক্ষা কৰিবপৰা মাইক্র'স্ক'প তৈয়াৰ কৰা হৈছে—যাৰে কোনো বস্তুক যোলশ গুণ ডাঙৰকৈ পর্যাবেক্ষণ কৰিব পাৰি।

শাৰী শাৰীকৈ মাইক্র'স্ক'প সজাই থৈ দিয়া হৈছিল। কেইজনমানে পৰীক্ষা কৰি চালে। আমাক এটা যন্ত্র দেখুৱালে—যন্ত্রটোৰ নাম হ'ল পোলোৰোমিটাৰ। এই যন্ত্র চেনি পৰীক্ষা কৰিবলৈ ব্যৱহৃত হয়। শুনিলোঁ, ইয়াত বিটৰপৰা চেনি প্রস্তুত কৰাৰ প্রচলন আছে। এইবোৰ বস্তু আগতে কেতিয়াও ইয়াত প্রস্তুত হোৱা নাছিল, বিদেশৰপৰা আমদানি কৰিবলগীয়া হৈছিল। বিদেশীহঁতে চলচাই কান কাটিছিল, সুবিধা পাই ইচ্ছামতে দাম আদায় কৰিছিল। এতিয়া যে এইবোৰ যন্ত্র তৈয়াৰ কৰা হৈছে, যেনে—পোলোৰোমিটাৰ, হলোগ্রাফ আদি—অতি জটিল। লেছাৰ বিমৰ বাবেও অতি সূক্ষ্ম যন্ত্রপাতি নির্মাণ কৰা হৈছে। এটা কোঠাত দেখিলোঁ সৰু সৰু ৰূপালী কাঁচৰ বল লৈ কাম কৰা হৈছে। এইবোৰ লেছাৰ বিম খনিৰ কামত ব্যৱহাৰ কৰা হ'ব। এই যন্ত্রপাতিসমূহৰ কোনবিধ কিমান তৈয়াৰ

কৰা হ'ব সেই কথা চৰকাৰেই নির্দেশ কৰি দিয়ে আৰু কিনিও লয় চৰকাৰেই। ১৯৭৩ চনত চৰকাৰে এওঁলোকক পোলোবোমিটাৰ নির্মাণ কৰিবলৈ অনুমতি দিয়ে। তাৰ পাছত তিনি মাহ জোৰা কঠিন শ্রম আৰু চেষ্টাৰ ফলত তেওঁলোকে এই যন্ত্র নির্মাণ কৰিবলৈ সক্ষম হ'ল।

খোটালীয়ে খোটালীয়ে এইবোৰ যন্ত্রপাতি চাই চাই ঘূৰি ফুৰোঁতে এটা কথাই মোৰ মনত খেলিমেলি লগাই দিছিল যে বিশ্ববিদ্যালয়ৰ ডিগ্রী নোহোৱা-কৈয়েই গৃহস্থ ঘৰৰ বোৱাৰীসকলে এনেকুৱা জটিল কামৰ সূচনা কৰিলে কেনেকৈ। এগৰাকী মহিলাই গর্বৰে সৈতে ক'লে এতিয়া ইয়াত যিবোৰ যন্ত্রপাতি নির্মিত হৈছে সেইবোৰ চীনদেশৰ আন ঠাইত নির্মিত হোৱা যন্ত্রপাতিতকৈ অলপো নিম্নস্তৰৰ নহয়।

প্রথমৰ ফালে এওঁলোকৰ এই প্রতিষ্ঠানটো আছিল সমবায়মূলক, এতিয়া ই সম্পূর্ণ চৰকাৰী প্রতিষ্ঠান। বর্তমান ঘৰটো এসময়ত নার্ছিং স্কুল আছিল। তেওঁলোক আন ঠাইলৈ উঠি যোৱাত এওঁলোকে ঘৰটো পালে। ঘৰটো তেনেকৈ বিশেষ চৌখিন নহয়। কিন্তু কামবোৰ ইমানেই জটিল যে, মই বিস্ময়ত অভিভূত হৈ পৰিলো। নানা বিধৰ যন্ত্রৰ বাহিৰৰ আৱৰণৰ বাবে যত মেটাল প্রচেছিং কৰা হৈছে, তাত কু চা, লিন নামৰ চল্লিছ পঞ্চল্লিছ বছৰ বয়স্ক এজন ভদ্রলোকক লগ পালোঁ। আগত তেওঁ মিলিটাৰিত আছিল। প্রায় বিছ বছৰ ধৰি মিলিটাৰিত কাম কৰাৰ পাছত এতিয়া এই কাৰখানাত কাম কৰিছে। তেওঁক সুধিলোঁ তেওঁৰ কিবা ডিগ্রি আছে নে নাই, তেওঁ বিশ্ববিদ্যালয়ত পঢ়িছিল নে নাই।

তেওঁ নির্দ্বিধাই ক'লে যে, এতিয়া ইয়াত কাম কৰিছো, কাম কৰি থাকোঁতেই শিকিছোঁ, তাৰ বাবে ডিগ্রিৰ কোনো প্রয়োজন নাই। পাছত, কাম শিকি লৈ কিছুদিনৰ বাবে ইউনিভার্ছিটিলৈ যায়।—শুনি মোৰ ধাৰণা হ'ল, এওঁলোক জগতখন যেন ওলোটাই দিব ধৰিছে। আমাৰ হ'ল আগতে ডিগিৰি, পাছতহে চাকৰি।

এয়া দেখিছোঁ আগতে চাকৰি, পাছত ডিগ্রি।

আমাৰ মাজৰ এজনে প্রশ্ন কৰিলে, "এই দেশত দিনে কেইঘণ্টা কাম কৰিব লাগে?"

"আঠ ঘণ্টা।"

"অ'ভাৰ টাইম আছে ?"

কথাটো শুনি প্ৰথমে তেওঁলোক আচৰিত হ'ল। তাৰ পাছত ক'লে, "নহয়, আঠ ঘণ্টায়েই যথেষ্ট। পিছে কিবা প্ৰয়োজন হ'লে মানুহে স্বেচ্ছাই শ্ৰমদান কৰে। মাও চে তুঙে কৈছে—Be masters of the industries, do not be slaves of money (প্ৰতিষ্ঠানৰ প্ৰভু হোৱাঁ, টকাৰ দাস নহ'বা)।"

কথাষাৰে মুহূৰ্তটতে মোক বিমৰিষ কৰি তুলিলে। অতীতৰ 'ঘেৰাও' উছৱৰ কথা মনত পৰিল। কিমান প্ৰতিষ্ঠান যে বিলুপ্ত হৈ গ'ল। ডাঙৰ ডাঙৰ প্ৰতিষ্ঠানক তচোনচো কৰি সেই মৰিশালিত প্ৰেতৰ নাচোন নচা হ'ল। চালকেও নুবুজিলে, চালিতয়ো নুবুজিলে যে প্ৰভু হ'বলৈ হ'লে দাসত্বৰ বন্ধন ছিঙিব লাগিব। উভয় পক্ষয়েই যি স্থলত অৰ্থৰ দাস, সেই স্থলত প্ৰতিষ্ঠান ভৱিষ্যতবিহীন।

সেয়েহে আমি প্ৰশ্ন কৰিলোঁ, "উচ্চতম দৰমহা আৰু নিম্নতম দৰমহাৰ মাজত পাৰ্থক্য কিমান ?'

চীন চাই দেশলৈ উভতি অহাৰ পাছত বহুতেই মোক এই প্ৰশ্নটো সুধিছে। সেয়েহে উত্তৰটো পূৰ্ণভাৱে লিখিছোঁ। যদিও চীন দেশত ভ্ৰমণৰ লগে লগে এই প্ৰশ্নটো মোৰ ওচৰত এ'কবাৰে নিৰৰ্থক হৈ পৰিছিল। কিয়নো, সেই দেশত দৰমহাৰ পাৰ্থক্যৰ ওপৰত কোনো কথা নিৰ্ভৰশীল নহয়—মান-সন্মান, সুখ, যশ—একোৱেই নিৰ্ভৰশীল নহয়।

এগৰাকী মহিলাই আমাৰ প্ৰশ্নৰ উত্তৰ দি আছিল। তেওঁ এই প্ৰশ্নটো বিদেশীসকলৰপৰা শুনাত অভ্যস্ত যেন বোধ হ'ল। তেওঁ ক'লে, "দৰমহাৰ তাৰতম্য নথকা নহয়। সৰ্বোচ্চ এশ ইউৱান আৰু সৰ্বনিম্ন চল্লিছ বিয়াল্লিছ ইউৱান। তোমালোকে ভাবিব পাৰা, যে দৰমহা নিচেই কম, কিন্তু দৰমহা আৰু অধিককৈ দিলে ইমান মানুহে চাকৰি পাব কেনেকৈ ? কামৰ একো অভাৱেই নাই। প্ৰতিখন পৰিয়ালতে চাৰি-পাঁচজনকৈ খাটি খাব পৰা মানুহ আছে। কোনোবা 'হোৱাইট কলাৰ' কোনোবা 'ব্লু কলাৰ' কৰ্মী। অৰ্থাৎ কোনোবাই লিখা-পঢ়াৰ কাম কৰে, কোনোবাই কৰে হাতৰ কাম। বয়-বস্তুৰ

দাম কেতিয়াও নাবাঢ়ে। ইনফ্লেশ্যন একেবাৰে নাই। দৰমহা বাৰেও ঘৰ, বিজুলী আৰু অত্যাৱশ্যকীয় বস্তু-বাহানিৰ সুবিধা আছে। কাপোৰ-কানি, ৰেইনকোট, চিকিৎসাৰ খৰচ—নিজৰ আৰু আত্মীয়-স্বজনবো—বিনাব্যয়ত আৰু স্বল্পব্যয়ত কৰা হয়।"

তেওঁ ক'লে যে, তেওঁৰ নিজৰ পৰিয়ালটোৰ পাঁচজনে কাম কৰে, আৰু সেয়েহে তেওঁৰ অৱস্থা যথেষ্ট ভাল। বাৰ্ধক্যৰ সম্বল হিচাপে টকা সঞ্চয়ৰ বৰ বেছি প্ৰয়োজন নাই। কিয়নো, অৱসৰ লোৱাৰ পাছত দৰমহাৰ সত্তৰৰপৰা আশীভাগলৈকে পেনচন পোৱা যাব। পুৰুষে ষাঠি বছৰ বয়সত আৰু মহিলা-সকলে পঞ্চাছ বছৰ বয়সত অৱসৰ লয়। মহিলা কৰ্মীসকলে বছৰি ছাপ্পন্ন দিন মেটাৰনিটি লিভ পায়। এই কথা শুনি মোৰ মনত পৰিল পাৰ্ল বাক অৰ 'গুড আৰ্থ'ৰ কথা। খেতি-পথাৰত কাম কৰি থাকোঁতে সন্তান প্ৰসৱ কৰাৰ পাছ মুহূৰ্ততেই আকৌ কাম কৰিব লগা হোৱাৰ কথা। সেই চীনদেশ ক'ৰপৰা কোন সেন্দুৰীয়া আলি পালেগৈ। নাৰীকৰ্মীসকলৰ সন্তানহঁতৰ বয়স অনুসাৰে নাৰ্ছাৰিৰ ব্যৱস্থা আছে। তদুপৰি গা ধোৱাৰ ব্যৱস্থা আৰু মাহেকত দুবাৰকৈ চুলি কটোৱাৰ ব্যৱস্থা আছে। জাৰৰ দেশত বিনা খৰচত গা ধোৱাৰ ব্যৱস্থা অতি উত্তম কথা। মহিলাসকলক তেওঁলোকৰ অন্যান্য লাগতিয়াল বস্তু বিনামূল্যত দিয়া হয়। বেমাৰ আজাৰ, উছৱ পৰ্বৰ সকলোতে বিনা সুতত টকা ধাৰলৈ তো পোৱা যায়েই, কাৰোবাৰ মৃত্যু হ'লে সৎকাৰৰ খৰচ পোৱা যায়। প্ৰতি মাহত বিনামূল্যত ছিনেমাৰ টিকেট আৰু সাংস্কৃতিক অনুষ্ঠানৰ টিকেট পোৱা যায়। সকলো কৰ্মীয়েই সপ্তাহত এদিন আৰু বছৰেকত ঊনষাঠি দিন ছুটি পায়। তাৰ পিছত যিটো কথাই আমাক চমৎকৃত কৰিলে সেইটো হ'ল যে—তাত কোনো ধৰণৰ ইনকাম টেক্স নাই।

আমাৰ এজনে সুধিলে যে তাত ষ্ট্ৰাইক হয় নে নহয়। জনা গ'ল যে সংবিধানত ধৰ্মঘটৰ অধিকাৰ দিয়া হৈছে। কিন্তু নতুন চীন প্ৰতিষ্ঠিত হোৱাৰ পাছৰপৰা কোনো ষ্ট্ৰাইক হোৱা নাই। কি কাম কৰা হ'ব, কেনেকৈ কৰা হ'ব—সকলো সমস্যা সকলোৱে মিলি আলোচনা কৰি স্থিৰ কৰা হয়।

অফিছৰ কৰণিক বা বহী লিখা কৰ্মী আৰু কাৰখানাৰ হাতুৰী মৰা কৰ্মীৰ মাজত কোনো প্ৰভেদ নাই। আজৰি পালেই পঢ়া-লিখা কৰিবলৈ প্ৰতিখন

প্রতিষ্ঠানতে বিদ্যালয় আছে। এই কর্মীসকলৰ মাজত কোনোবাই বিশ্ববিদ্যালয়ত লিখা-পঢ়া কৰাৰ যোগ্যতা আৰ্জিলে তেওঁক অন্যান্য কৰ্মীয়ে নিৰ্বাচন কৰি পঠায়।

১৯৭০ চনৰপৰা এতিয়ালৈকে এই প্ৰতিষ্ঠানৰ ১৪ জন কৰ্মী বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ গৈছে।

কয় বস্তু তৈয়াৰ কৰা আৰু বিক্ৰি কৰাৰ মাজত কোনো সমস্যাৰ উদ্ভৱ নহয়। কিয়নো, যি বস্তু যিমানখিনি আৱশ্যক সিমানেই তৈয়াৰী হয়। এতিয়া এওঁলোকে 'কোৱালিটি কণ্ট্ৰোল'লৈ চকু দিছে।

যিগৰাকী মহিলাই আমাৰ প্ৰশ্নৰ উত্তৰ দিছিল, তেওঁ বিভিন্ন ধৰণৰ পলিটিকেল কথা বতৰাৰ অৱতাৰণা কৰিলে। তেওঁৰ বক্তব্য আছিল—সাংস্কৃতিক বিপ্লৱৰ পাছৰপৰা উৎপাদনৰ উন্নতি। ১৯৬৪ চনত যি আছিল, ১৯৭৪ চনত তাতকৈ ছ'গুণ অধিক উৎপাদন হৈছে। শুনিলো, কোনো কোনো ক্ষেত্ৰত নিধাৰিত সীমা বহুগুণে চেৰাই গৈছে।

মিছিছ পাং ওৱেন য়ু নামৰ একৰাকী বৃদ্ধাই ন দি ক'লে যে চেয়াৰমেনে— Grasp revolution and increase production--'বিপ্লৱক আগুৱাই নিয়া আৰু উৎপাদন বঢ়োৱা' বুলি কৈছে। মই তেতিয়া ভাবি আছো, এওঁলোকে কি ভাষাত কথা কৈছে। আমাৰ বিপ্লৱ মানে হ'ল—ঘেৰাও কৰা, উৎপাদন ধ্বংস হওক। থাওক এইবোৰ কথা। সেইদিনা মিছিছ পাং ওৱেনে Comprador philosophy-ৰ ব্যাখ্যা কৰিলে। বাহিৰৰপৰা সহায় পোৱাৰ আকৰ্ষণ—এয়া গহিত। এই আকৰ্ষণে ভিতৰৰ শক্তিক খৰ্ব কৰে। সেয়েহে আমি বাহিৰা সহায় নলওঁ। ইও এটা মত ঠিকেই, কিন্তু ইয়াক যে কেনেকৈ ফিল'ছফি বুলি কোৱা যায় নুবুজিলোঁ।

বহুতো তথ্যপাতি গোটাই, আমি যেতিয়া গাড়িত উঠিবলৈ খোজ ল'লো, তেতিয়া হঠাতে আমাৰ দোভাষী লীএ মোক ক'লে "Give as much as you can, take as much as you need (তোমাৰ সাধ্যে কুলায়মানে দিয়া, প্ৰয়োজনৰ জোখাৰে লোৱা)।"

সি যে কিয় ঠিক তেতিয়াই এই উক্তিটো উদ্ধকিয়াইছিল, ক'ব নোৱাৰো। পিছে সেই মুহূৰ্তত মই অজ্ঞ মহিলাসকলৰ উৎসাহেৰে এনেহেন এটা প্ৰতিষ্ঠান

পাছি উঠাৰ অবিশ্বাস্য ৰহস্যৰ আভাস পালোঁ। কিবা এটা বুজিলোঁ, যিটো বহুতো খুঁটিনাটি জ্ঞাতব্য তথ্যৰ তালিকাত বিচাৰি পোৱা নাছিলোঁ।

গাড়িত বহি বহি মই কেৱল ভাবিবলৈ ধৰিলোঁ—আমি কি শুনিলোঁ, কি চাই আহিলোঁ। স্রষ্টা মাও চে তুঙে বন্দুকৰ নলীত খাৰ-বাৰুদ ভৰাইছিল, হাতুৰী মাৰিছিল, নে মানুহ গঢ়িছিল?

শক্তিৰ উৎস কি?

বন্দুকৰ নলী, নে মানুহ?

অপ টিকেল ইন্সস্ট্ৰুমেণ্ট ফেক্টৰিৰপৰা ঘুৰি আহি আমাৰ আন ঠাইলৈ যোৱাৰ আয়োজন আৰম্ভ হ'ল। সেইদিনাই অৰ্থাৎ ডিছেম্বাৰৰ তাৰিখে আমি হোপেই প্ৰদেশৰ ছিজিয়াচুৱাঙলৈ ৰাওণা কৰিম। তাতেই ৯ ডিছেম্বাৰ তাৰিখে ডা কোটনিছৰ স্মৃতিভৱনৰ দ্বাৰোদ্ঘাটন হ'ব। সেইটা হ'ব তেওঁৰ চৌত্ৰিছতম মৃত্যুদিৱস। তিনি-চাৰিদিনৰ জোখাৰে বয়বস্তু লগত লৈ বাদবাকীখিনি হোটেলত থৈ যাবলৈ আমাক কোৱা হ'ল। ডা বাঙ্গৰে বাৰে বাৰে ক'লে, হোটেলৰপৰা কোনো বস্তু হেৰোৱাৰ ভয় নাই। সেহেয়ে মই হোটেলৰ খোটালীৰ হেংগাৰত দুটা কোট ওলোমাই এৰি থৈ গ'লোঁ। এটা কোট মই দেশৰপৰা লগত লৈ গৈছিলোঁ। সেইটো লণ্ডনত কিনিছিলোঁ। সেইটো কিয় লৈ গৈছিলোঁ ক'ব নোৱাৰোঁ। আৰু দ্বিতীয়টো যোৱাকালি পিকিঙত কিনা তুলা ভৰোৱা কোটটো। আৰু এটা বেগত ভৰাই খুচুৰা ইটো সিটো বহুতো কিবাকিবি ভৰাই থৈ দিলোঁ। লগত ল'লো তেওঁলোকে দিয়া দুৰ্বহ আৰু বিশাল হলোঁ কোটচোলা এটা। শুনিলোঁ তাত হেনো অতিপাত জাৰ। আমি ছঘণ্টীয়া বাট ৰেলেৰে যাম।

ষ্টেচনলৈ গৈ দেখিলো ইঅ'ৰোপীয়সকলো আহিছে। সপত্নীক ভাৰতীয় ৰাষ্ট্ৰদূত আৰু তেওঁৰ এটাখে শ্ৰীমেননো ওলাইছে। আৰু ওলাইছে আমাৰ নিমন্ত্ৰণ কৰ্তা ওৱাং পিন নান—বৈদেশিক মৈত্ৰী সমিতিৰ সভাপতি, যিজনক মই ৰবীন্দ্ৰনাথৰ কথা ক'ম বুলি ভাবিছিলোঁ। তেওঁৰ লৈতে তেওঁৰ সুদক্ষ দোভাষীজনকো দেখা পালোঁ। এওঁৰ নাম ক্যু জে ছিন (Ku Tze hsin)।

এও ক'লে যে, মই উপহাৰ দিয়া কিতাপখন—Tagore the man behind his poetry—তেওঁ পঢ়িলেই।

মই তেওঁক সুধিলোঁ, "ৰবীন্দ্ৰনাথকে চিনি পোৱা কোনো সাহিত্যিক জীৱিত আছেনে ?"

তেওঁ ক'লে, "এগৰাকী বিখ্যাত লেখিকা আছে। তেওঁৰ নাম ছিছিন ছি পিন ছিন (Mrs Hsei Pin Sin)। তেৱেঁই ৰবীন্দ্ৰনাথৰ ৰচনা চীনা ভাষালৈ অনুবাদ কৰিছিল।'

শুনিয়েই মন মোৰ উতলা হৈ পৰিল তেওঁৰ লৈতে সাক্ষাৎ লভিবলৈ।

ক্যু জে ছিনে ক'লে, "বিচাৰিলে অৱশ্যেই তেওঁৰ সন্ধান পোৱা যাব। তেওঁ বিখ্যাত লেখিকা।'

মোৰ মনত পৰিল জাপানৰ টমিকো কোৰাৰ কথা। জাপানতো ৰবীন্দ্ৰ-সাহিত্যৰ অনুবাদিকা আৰু ঠাকুৰ সমিতিৰ প্ৰতিষ্ঠাত্ৰী এগৰাকী মহিলা। এওঁৰ লৈতে চিনাকি হোৱাৰ আৰু বন্ধুত্ব হোৱাৰ সৌভাগ্য মোৰ হৈছিল। মহিলাসকলেই দেখিছোঁ ৰবীন্দ্ৰ সাহিত্যৰ ধাৰক।

ক্যু জে ছিনে ক'লে, "এদিন চীনৰ জনসাধাৰণ ৰবীন্দ্ৰ-সাহিত্যৰ লৈতে ভালকৈ পৰিচিত আছিল আৰু কোনো কোনোৱে তেওঁৰ অনুকৰণত কবিতাও লিখিছিল।"

তেতিয়া মোৰ ভাব হ'ল 'পিছিলো চীনৰ বাস' কবিতাটো এওঁক শুনাওঁ। মই লীক ক'লোঁ, 'সিদিনা তোমাক মই যি কবিতাটো টাইপ কৰিবলৈ দিছিলোঁ, টাইপ কৰা হ'লনে ?"

"ওহোঁ, এতিয়াও হৈ উঠিল।" লীএ ক'লে।

মোৰ খং উঠিল। এই ল'ৰাটো দেখিছোঁ বৰ অবাধ্য। মই ভুকু কোঁচাই ক'লোঁ, "কিয় হৈ নুঠিল ? তেনেহ'লে মোক নক'লা কিয়, ময়েই কপি কৰিলোহেঁতেন।"

সি বৰ অপ্ৰস্তুত হ'ল।

সেমেনা-সেমেনিকৈ ক'লে, "কাইলৈ—মই নিশ্চয় তিনি কপি টাইপ কৰাই দিম, কথা দিলোঁ।"

আৰু কৰাই সি দিছিল।

কই আহিব লৈতে ষ্টেশ্যনত ভালে কেইখনমান ফটো তোলা হৈছিল। কিন্তু সেইবোৰৰ এটাও নাই দেখোন। খুব সম্ভব মুঠিলেই। সকলোৱে ট্ৰে'নত উঠিলগৈ। ষ্টেশ্যনৰ চলন্ত উঠা-নমা কৰা খটখটীয়ে (escalator) আনন্দিঙক আমোদ দিছিল। তেওঁ এই চলন্ত খটখটীক চীনৰ এটা বিশেষ কৃতিত্ব বুলি ভাবিছিল।

ট্ৰেনত প্ৰথম প্ৰশ্নোত্তৰৰ সুবিধা ওলাল। ইতিমধ্যে মঙৰ লৈতে ভালেখিনি বন্ধুত্ব হৈছে। মানুহজনৰ পৰিচয় পালো। বয়স পঞ্চাছতকৈ বেছি, শকত-আৱত, ৰঙিয়াল মানুহজন। আমাৰ দলটোৰ ভাৰতীয়সকলৰ আটায়েই বৰ গুৰু-গম্ভীৰ মানুহ। ছেগ বুজি দীনেশে মণে অলপ হাঁহি ধেমালি কৰিছিলোঁ। এতিয়া লগ লাগিলহি মং। আৰু সি মোক প্ৰায়ে জোকাবলৈ ধৰিলে। এদিন দীনেশ আৰু মই তাক নেৰানেপেৰাকৈ ধৰিলোঁ। দীনেশে জানিবলৈ বিচাৰিলে— তাত বিচাৰ ব্যৱস্থা কেনেকুৱা। আৰু মই জানিবলৈ বিচাৰিলোঁ ফেমিলি প্লেনিং কেনে। মোক কোনোবাই কোৱা মনত পৰে—কমিউনিষ্ট দেশত family planning পচন্দ নকৰে। কিন্তু জানিলোঁ, কথাটো ঠিক তেনেকুৱা নহয়।

এওঁলোকে অতি ব্যাপকভাৱে জন্ম নিযন্ত্ৰণ আৰম্ভ কৰিছে। আৰু তাৰ প্ৰথম স্তৰ হ'ল মানুহক কথাটো বুজোৱা। দেৱালৰ গাত ত্ৰিকোণ চিন আঁকি নহয়, চহৰত জাকজমকীয়া সভাত বক্তৃতা দি নহয়। গাঁৱে গাঁৱে কমিউনৰ জৰিয়তেহে। তেওঁলোকৰ সুবিধা হ'ল এয়ে যে, তেওঁলোকৰ প্ৰচাৰযন্ত্ৰটো বৰ কাৰ্য্যকৰী। কমিউনৰ কমিটিয়ে খেতি সম্বন্ধে যেনেকৈ পৰামৰ্শ দিয়ে, পশুপালন সম্পৰ্কে যেনেকৈ উপদেশ দিয়ে, পৰ্য্যালোচনা কৰে, যেনেকৈ যিকোনো কৰ্ম পদ্ধতি লৈ আলোচনা কৰে, তেনেকৈয়েই জন্মনিয়ন্ত্ৰণ সম্বন্ধেও আলোচনা কৰি বুজাই দিয়ে।

কমিউনৰ এই কমিটি জনসাধাৰণৰেপৰাই নিৰ্বাচিত হয়। নিৰ্বাচিত হয় 'work team' বা কৰ্মীদলৰপৰা। নিৰ্বাচনৰ সময়তে তেওঁলোকৰ ৰাজনৈতিক শিক্ষা আৰু শৃংখলাবোধৰ জন্ম হৈছে। যিকোনো কথা যুক্তি সহকাৰে ক'লে সেই কথা বুজিব আৰু বুজাব পাৰে। তাৰ ফলত, ব্যাপকভাৱে বুজোৱাৰ কামটো সম্পন্ন হয়। আৰু কমিউনৰ সভ্যসকল যিহেতু সেই গাঁৱৰে নিৰ্বাচিত ব্যক্তি, বাহিৰৰপৰা প্ৰচাৰ কৰিবলৈ অহা নাই, সেই হেতু তেওঁলোকৰ কথা বিশ্বাসযোগ্য

হৈ উঠে। আমাৰ ছ'ছিয়েল ওৱৰ্কাৰসকলে জন্মনিয়ন্ত্ৰণৰ পৰামৰ্শ দিবলৈ গাঁৱলৈ যায়নে নাযায় নাজানো, গ'লেও তেওঁলোকৰ সৈতে গাঁৱৰ মানুহৰ অন্তৰৰ যোগাযোগৰ অভাৱ হেতুকে তেওঁলোকৰ সেইবোৰ পৰামৰ্শ ভাওৰ লোকৰ পৰামৰ্শ বুলি অগ্ৰাহ্য কৰে। ছ'ছিয়েল ওৱৰ্কাৰসকলে যেতিয়া চহৰৰ বস্তী অঞ্চললৈ যায়, তেওঁলোকেও বাছকবনীয়া সাজ পাৰ পিন্ধি বাহিৰৰপৰা আহে। আৰু সেয়েহে, তেওঁলোকক বুজোৱাটোও এটা উপকৰা বিষয়—সেই বুজোৱা কমিটিয়ে মনত কোনো বুজনি—কোনো সাঁচ নবহুৱায়। তাৰ পাছত—আমাৰ আন এটা প্ৰধান প্ৰতিবন্ধকতা হ'ল ঈশ্বৰ-নিৰ্ভৰতা, অৰ্থাৎ 'জীৱ দিলে যেৱে আহাৰ যোগাব তেৱে'।

মোৰ ঘৰৰ কাষৰে বস্তীৰ কৰিম, যাৰ বাৰটি সন্তান, তাক কোৱাত সি ক'লে "যি বিধিয়ে যিমান ফল দিয়াৰ কথা —দিবই।" এনেবোৰ উচ্চ দাৰ্শনিক চিন্তাক তেওঁলোকে হেনো জনসাধাৰণৰ মনৰপৰা সাৰি-পুচি বিদায় কৰিলে—যেনেকৈ বিদায় কৰিলে কনফ্যুছিউয়াছক।

সাংস্কৃতিক বিপ্লৱৰ এখন প্ৰধান যুদ্ধ হৈছিল কনফ্যুছিউয়াছৰ সৈতে। কলিকতাত বহি আমি যেতিয়া সংস্কৃতিক বিপ্লৱৰ তাণ্ডৱৰ কথা আমাৰ বাতৰিকাকতবিলাকত পঢ়িছিলো, তেতিয়া চীনত কিবা এটা বলিয়ালি চলি থকা বোধ হৈছিল যেন। তেতিয়া এগৰাকী অধ্যাপকে আমাক কৈছিল, "আপুনি মন কৰিছেনে নাই—চীনত সিহঁতে কনফ্যুছিউয়াছকো এৰি দিয়া নাই। সেয়েহে আমাৰ ল'ৰাহঁতেও সিহঁতৰ অনুকৰণত বিদ্যাসাগৰৰ মূৰটোকে ওফৰাই দিলে (বিদ্যাসাগৰ ষ্টেচুৰ মূৰটো ভাঙি পেলোৱা হৈছিল)। অৰ্থাৎ, যিয়েই মাননীয়, তাৰেই মানহানি কৰিব লাগিব।'

এই কথাষাৰ ৰাতিপুৱা ওলাইছিল। অপটিকেল ইনস্ট্ৰুমেণ্ট ফেক্টৰিৰ মহিলাবৃন্দই কথাৰ লাচতে কনফ্যুছিউয়াছ বিৰোধী আন্দোলনৰ উল্লেখ কৰাত মই সুধিছিলোঁ, "তেওঁৰ বিৰুদ্ধে আন্দোলন কিয় কৰা হৈছিল?"

তেতিয়াই আমাৰ দলৰ কোনো কোনোৱে মোক বাধা দি কৈছিল, এইবোৰ সৰুসুৰা কথা—এইবোৰ তেওঁলোকেই পাছত বুজাই দিব। মই এই কথাত সন্তুষ্ট হোৱা নাছিলোঁ। কিয়নো, এই সৰবজানসকলে নিজে বহুতো কিবাকিবি জানে ঠিকেই, কিন্তু ভাৰতৰ জনসাধাৰণক তো একো এটা কথাও বুজাব

পৰা নাই এওঁলোকে, পৰা হ'লে আমেৰিকা-চীন সম্পৰ্কটো কদাপি ইমান কটু হৈ নুঠিলহেঁতেন।

যি কি নহওক, এইবাৰ মঙে নিজেই কথাটো উত্থাপন কৰিলে। তেওঁ ক'লে, "এতিয়া তোমাৰ কনফ্যুছিউয়াছৰ প্ৰশ্নটোৰ উত্তৰ দিম। সেই পশ্চাৎমুখী উপদেষ্টাগৰাকীৰ উপদেশসমূহ আগতে আমি নাকচ কৰিছিলোঁ, পিছে নতুন যুগৰ সমস্যা জনগণক বুজাব পৰা গৈছে। তেওঁ কৈছিল 'যিমান সন্তান সিমানেই পুণ্য'। এই বিশ্বাস যদি বদ্ধমূল হয় তেনেহ'লে তুমি জন্ম-নিয়ন্ত্ৰণ কৰিবা কেনেকৈ?"

মই ক'লোঁ, "হওক, সেই বুলি তোমালোকে তেনে এগৰাকী জ্ঞানী পুৰুষক ইমান নিন্দা কৰিবানে?"

মঙে ক'লে, "তুমি কনফ্যুছিউয়াছ পঢ়িছা?"

মোৰ বিদ্যাৰ ওপৰত ইমান কটাক্ষপাত হ'লতো মই ভাবি চালোঁ যে মই সঁচায়ে সিমান একো নাই পঢ়া। নপঢ়িলোঁৱেইবা, সকলো কথা পঢ়িহে জানিব লাগিব নেকি! মই ক'লোঁ, 'মই তো বৌদ্ধশাস্ত্ৰ ত্ৰিপিটক পঢ়া নাই, সেই বুলি শাক্যমুনিক নাজানোনে কিবা (তেওঁলোকে বুদ্ধদেৱক শাক্যমুনি বুলি কয়)? আৰু —কনফ্যুছিউয়াছৰ কালত তো মাৰ্কছৰ জন্ম হোৱা নাছিল—তেনেহ'লেনো সেই বেচেৰাই ছ'ছিলিয়েজম জানিব কেনেকৈ?"

মঙে ক'লে, "জানা, অতি পুৰণিকালতো এনেকুৱা বহুতো মানুহ আছিল যিসকলৰ দৃষ্টি সদায় আছিল সন্মুখৰ ফালে, যিসকলৰ উপদেশে মানুহক আগ বঢ়াই লৈ গৈছিল। তেওঁলোক যি যুগৰেই মানুহ নহওক, সদায় শ্ৰদ্ধাৰ পাত্ৰ হয়।"

এই কথা শুনি মঙক বেছ বিজ্ঞ বুলিয়েই বোধ হ'ল, কিয়নো, মোৰ দুটা দৃষ্টান্ত মনত পৰিল। চণ্ডীদাসে কিমান যুগৰ আগতে কৈছিল—'সবাৰোপৰি মানুহেই সত্য, তাৰ ওপৰতে নাই'। এয়ে হ'ল সেই সন্মুখৰ ফালে দৃষ্টি থকাৰ কথা। তাৰো বহু যুগৰ আগতে, বোধ হয় মহাভাৰতত আছে 'যি নিজৰ প্ৰয়োজনতকৈ অধিক সঞ্চয় কৰে, স্তেন সঃ—সি চোৰ'। খুব সম্ভৱ ইয়াতকৈ উন্নততৰ মানৱতাৰ বাণী মাৰ্কছ বা লেনিনেও ক'ব পৰা নাছিল। আৰু আনফালে চোৱা—ঈশ্বৰগুপ্ত—বাঙালীৰ ছোৱালীয়ে লিখা-পঢ়া শিকাটোও তেওঁৰ মানত গৰ্হনীয়া কথা।

"আৰু কেইটামান দিন বৰ্ষ'বা
পাবাই পাবা দেখা
নিজ হাতেৰে চলাই বাগী
পথাৰতে খাব হাৰা।" —নাইবা হেমচন্দ্ৰৰ
"খাই যায় লৈ যায় যায় চাই চাই
বাঙালীৰ ছোৱালী যায় সৌ যায়।"—আটাইতকৈ বঞ্চিত, সবাতোকৈ উপক্ৰুত দুৰ্বল মানুহলৈ বিদ্ৰূপ। আৰু সেই যে 'দ্য গ্ৰেট ল গিভাৰ' পৰমপ্ৰাজ্ঞ মনু—তেওঁ ক'লে 'বেদ শূদ্ৰৰ কাণত পৰিলে শূদ্ৰৰ কাণত গৰম সীহ ঢালি দিব লাগিব'। আৰু নাৰীসকলৰ সম্পৰ্কে তেওঁৰ যিহে মতামত—সেইবোৰ মানি চলিবলৈ হ'লে মই আৰু কলম হাতত ল'বলগীয়া নহ'লোহেঁতেন।

এইবোৰ কথা মোৰ মনত পৰিবলৈ ধৰিলে। ভাবিলোঁ, কওঁ। মঙে যেতিয়া তেওঁলোকৰ দেশৰ কথা কয়, তেতিয়া মোৰ মনত তুমুল ধুমুহা বলে, মই নিশব্দ বিতৰ্ক কৰোঁ, সঁচা, আমিও তো নতুন সমাজ গঢ়িবলৈ চেষ্টা কৰিছিলোঁ, আমিও ডাঙৰ ডাঙৰ চিন্তাবিদ পাইছিলোঁ—যিসকলে আমাৰ সংস্কাৰবদ্ধ জীৱনৰ অৰ্গল খুলিছিল। তথাপি একো নহ'ল কিয়?

কিন্তু লী ক'লৈ যে গ'ল।

চৌ বেচেৰাই অনুবাদ কৰি কৰি হাৰাবাণ হৈ উঠিছে—সেয়েহে তাক আৰু আহুকালত নেপেলালোঁ।

মঙে ক'লে, "কনফ্যুছিউয়াছে কৈছিল 'দুখীয়াইঁত মূৰ্খ, ধনীসকল জ্ঞানী'। নাইবা, 'নাৰীৰ ঠাই চৌকাৰ কাষত'। এইবোৰ কথা মানিলে বা এইবোৰ কথা পুলিয়ে পোখাই উভালি নেপেলালে নতুন সমাজ-ব্যৱস্থা গঢ়ি তোলা সম্ভৱনে?'

এইবোৰ কথা মই মঙক কওঁ—আমিও বিপ্লৱ নকৰা নহয়, তোমালোকৰ ছোৱালীইঁতে ভৰি চুটি কৰিবলৈ বান্ধি থৈছিল, আৰু আমাক জীয়ন্তে পুৰি মাৰিছিল। এয়া মই যে আজি মোৰ ঘৰ-সংসাৰ এৰি থৈ অকলে অকলে মটা মানুহৰ দলত সোমাই টলৌ টলৌকৈ ঘূৰি ফুৰিছোঁ আৰু তোমাৰ লৈতে তৰ্কাতৰ্কি কৰিছোঁ—ই বিপ্লৱৰেই ফল। বিপ্লৱ কৰি গ'ল ৰামমোহন ব্ৰাহ্মসমাজ ৰবীন্দ্ৰনাথে —আমাৰ বিপ্লৱ হৈছে ঢাপে ঢাপে—আৰু তোমালোকে হঠাতে জঁপ মাৰি দিছা—এয়ে পাৰ্থক্য।

মোৰ মনত পৰিল মোৰ দেশৰ কথা। তাত তো মাৰ্কছ আৰু মনুৰ সহাৱস্থান। তাৰ ফলত কোনো এটা বিষয়তো সমগ্ৰ সমাজখনক আগবঢ়াই নৈ যোৱা ইমান কঠিন কৰ্ম।

মঙে আৰু কৈছিল, "কমিউনৰ স্তৰত জনগণক অৱহিত কৰাৰ লগে লগে সমগ্ৰ সা সুবিধাখিনি ঘৰে ঘৰে পাবলৈ ব্যৱস্থা লোৱা হয়।"

"কোনো ইমান নেৰি ফুৰে ?"

"কিয়, নগ্নপদ ডাক্টৰসকলে। সেই বেয়াৰফুট ডাক্টৰসকলে তাত বৈ থাকি নিজে বৰি খুৱাইহে উভতি আহে। কিয়নো অসাৱধানী কোনোবাই কিজানি দৰবখিনি এনেয়ে পেলাই থব বা পাহৰি যাব।"

মুছলমানসকলৰ এই বিষয়ে কি মত—মই জানিবলৈ বিচাৰিলোঁ, এই বিষয়ে তেওঁলোকৰ ধৰ্মৰ বিধান কি। শুনি বিস্ময় মানিলোঁ যে এই দুৰ্দান্ত গাহৰি-খোৱা দেশতো মুছলমানসকলে গাহৰিৰ মাংস নাখায়। কিন্তু তেওঁলোকৰ ধৰ্মৰ মাত্ৰ এইকণহে তেওঁলোকে মানে, আন একোৱেই নামানে। নামাজো নপঢ়ে, ৰোজাও পালন নকৰে। পাঁচোটা স্তম্ভৰ আটাইকেইটায়েই খহি পৰিছে। পিছে জাকাতটো বোধকৰোঁ আনভাৱে চৰকাৰে আদায় কৰি লৈছে। এই দেশৰ মুছলমানসকলেও জন্ম-নিয়ন্ত্ৰণত আপত্তি দৰ্শোৱা নাই।

মঙে বেছ দৃঢ়তাৰে ক'ৰে, "ফেমিলি প্লেনিং নহ'লে কোনো প্লেনিঙেই সফল নহ'ব। আৰু আমাৰো প্লেনড ইকনমি, তাৰ মাজত ফেমিলি প্লেনিং নহ'লে সকলো অথলে যাব। গতিকে, এই বিষয়ে আমি প্ৰথমৰেপৰাই সচেতন।"

চীনদেশেত প্ৰায় নশ মিলিয়ন মানুহ—ইয়াৰ মাজত বৃদ্ধ আৰু শিশুসকলৰ বাহিৰে সকলোৰে বাবেই কৰ্মসংস্থানৰ ব্যৱস্থা আছে।

ইতিমধ্যে শ্ৰীনাৰায়ণনৰ পত্নী তাত আহি বহিলহি। তেওঁ নানা ধৰণৰ গল্প জুৰিলে। সিপিনে স্বামীয়ে আহি ক'লে যে, ৰুই আলিয়ে মোক মাতিছে। মই যে তেওঁৰ লগতে কথা পাতিবলৈ ব্যগ্ৰ সেই কথা ৰুই আলিয়ে জানিছিল।

লগে লগেই তেওঁৰ ওচৰলৈ গ'লোঁ।

মোৰ লগতে বৎসলা কোটনিছো আহিল।

মই প্ৰথমেই কুই আলিক সুধিলোঁ, তেওঁ বিয়া নকৰালে কিয় ।

মানুহজন বেছ আমোদী । ক'লে, এতিয়া সময় হৈছে, কিন্তু এতিয়া আৰু তেওঁক কোনে বিয়া কৰাব । এসময়ত ঠিকেই বিয়া কৰলেহেঁতেন, কিন্তু তেতিয়া তেওঁৰ সময় নাছিল । চীনৰ সৰ্বব্যাপী যুদ্ধত সামাজিক আৰু অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰতে তেওৰ আটাইখিনি সময় উকলি গ'ল ।

মই এওঁৰ ওচৰতো জন্ম-নিয়ন্ত্ৰণৰ প্ৰশ্নটো দাঙি ধৰিলো । এই বিষয়ে মোৰ জনাৰ ধাউতি ইমান প্ৰবল হোৱাৰ কাৰণ এয়ে যে, মোৰ ধাৰণা, আমাৰ দেশত এই সমস্যাটোৰ সমাধান সৰ্বাগ্ৰে কৰা প্ৰয়োজন । কিন্তু কোনো সামাজিক সমস্যাক আনটোতকৈ বেলেগ কৰিব নোৱাৰি । ইপিনে বুদ্ধিক প্ৰখৰ কৰিবলৈ হ'লে ধৰ্মান্ধতা আৰু অন্যান্য কুসংস্কাৰ গুচাবই লাগিব ।

কুই আলিয়ে ক'লে, 'এতিয়া মৃত্যুৰ হাৰ এনেভাৱে হ্ৰাস হৈছে যে জন্ম-নিয়ন্ত্ৰণ অৱশ্যপ্ৰয়োজনীয় কথা । আগতে আকাল, মাউৰ আদিত হাজাৰ বিজাৰ মানুহৰ মৃত্যু হৈছিল—মাগুহে পীড়িত মানুহক গ্ৰেট ৱালৰ কাষত পেলাই থৈ গৈছিল । আৰু আজি অন্ন বস্ত্ৰ চিকিৎসাৰে মানুহ সুস্থ সবল ।"

সুধিলো, "কি কি উপায়েৰে নিয়ন্ত্ৰণ সফল হৈ উঠিছে ভাঙি-পাতি কওক ।"

প্ৰথমতে তেও ক'লে, আগতে বিছ বছৰীয়া ল'ৰা আৰু ওঠৰ বছৰীয়া ছোৱালীৰ মাজত বিয়া হৈছিল । কিন্তু এতিয়া ল'ৰাৰ ত্ৰিছ বছৰ আৰু ছোৱালীৰ বিছ বছৰ বয়স নহয়মানে চৰকাৰে বিয়াৰ লাইছেন্স নিদিয়ে ।"

মই সুধিলো, 'তেনেক্ষেত্ৰত—অবিবাহিত মাক দেউতাকৰ সন্তান নোপজেনে কি ?'

চৌ ৰে ক'লে, "বাস্টাৰ্ড একেবাৰে নথকা নহয় ।"

মই ঘোপাকৈ তেওঁলৈ চাই ক'লো, "এই চৌ—সেই শব্দটো নক'বা । কোনো শিশুৰ সম্পৰ্কে আমি সেই শব্দটো ব্যৱহাৰ নকৰোঁ ।"

"কথাটো ঠিকেই, কেঁচুৱাটোৰ তো কোনো জগৰ নাই ।'

'আৰু ত্ৰিছ বছৰ বয়সলৈকে বৰলা হৈ থাকিবলগীয়া হ'লে বাপেকীটোৰো বৰ বেছি দোষ নাই ।" মই ক'লোঁ ।

কুই আলিয়ে হাঁহি আছিল, "ক'লে, যিয়েই নহওক, ইয়াত অবিবাহিত নৰ-নাৰীৰ সন্তান হ'লে নিন্দিত হয় ।"

মই ক'লোঁ, "আমাৰ দেশতো। পিছে ইঅ'ৰোপত নহয়—তেওঁলোক পাৰমিছিভ।"

"ইমান পাৰমিছিভ হ'লে ইয়াত নচলিব।" আলিয়ে উত্তৰ দিলে।

"কিন্তু অবিবাহিত মাতৃৰ সন্তানৰ কি দশা হ'ব ?"

"কি আৰু হ'ব, ভালেই থাকিব। মাকেই প্ৰতিপালন কৰিব, নহ'লে কমিউনে।" কই আলিয়ে ক'লে, "গৰ্ভপাত আইনসংগত। প্ৰতিখন হস্পিটালতে ইয়াৰ ব্যৱস্থা আছে।"

তেওঁ আৰু ক'লে যে, এবাৰ এজনী ছোৱালীয়ে হস্পিতাললৈ আহি পোন্ধৰ মিনিট মানৰ ভিতৰতে গৰ্ভপাত কৰাই ওলাই অহা তেওঁ নিজ চকুৰে দেখিছিল।

মই সুধিলোঁ যে এই বাবে স্বামীৰ মতামতৰ প্ৰয়োজন আছে নে নাই।

তেওঁ ক'লে, "বিষয়টো তো ছোৱালীজনীৰ, গতিকে স্বামীৰ মতামতৰ প্ৰয়োজনটো ক'ত ?"

তদুপৰি আৰু জানিলোঁ যে, চীনদেশত ভ্ৰূণহত্যা কোনো দিনেই নিষিদ্ধ নাছিল। এইখিনিতে আমাৰ লৈতে পাৰ্থক্য বৰ বেছি। কিয়নো, আমাৰ দেশত চিৰকালেই ভ্ৰূণহত্যাক মহাপাপ বুলি গণ্য কৰা হয়। মনৰ ভিতৰত ইয়াৰ প্ৰভাৱে শিপাইছে। মই নিজক অতি সংস্কাৰমুক্ত বুলি ভাবো। কিন্তু ইয়াক সমৰ্থনো কৰিব নোৱাৰোঁ। জন্মনিয়ন্ত্ৰণ নিশ্চয় প্ৰয়োজন, কিন্তু তাৰ বাবে কিমানলৈকে যাব পাৰি ?

যি কি নহওক, আৰু শুনিলোঁ যে বেয়াৰফুট বা নগ্নপদ ডাক্টৰসকলে ঘৰে ঘৰে ঘূৰি ঘূৰি কোন পৰিয়ালত কিমান ল'ৰা-ছোৱালী আছে আৰু সাৱধানতাৰ প্ৰয়োজনীয়তা কিমানখিনি বুজিয়াই চায়। সেই অনুসাৰে দৰবপাতি আৰু অন্যান্য লাগতিয়াল সামগ্ৰী দিয়ে। কই আলিয়ে আৰু ক'লে যে, জন্মনিয়ন্ত্ৰণৰ ক্ষেত্ৰত কোনো নৈতিক প্ৰশ্ন এওঁলোকে উত্থাপন কৰা নাই। ধৰ্মীয় তো নহয়েই। প্ৰয়োজনৰ জোখাৰে ব্যৱস্থা। যেনে—হান্ জাতি, যিসকলে মাণ্ডেৰিন ভাষাত মাত-বোল কৰে, অৰ্থাৎ প্ৰধান চীন জাতি, তেওঁলোকৰ মাজতে জনসংখ্যা বাঢ়িছে, কিন্তু মাইনৰিটিসকলৰ মাজত বঢা নাই। তেওঁলোকে মাইনৰিটিৰে উপজাতি বা জনজাতীয় লোকক বুজায়। যেনে—তিব্বতত জন্ম-নিয়ন্ত্ৰণ কৰা

হোৱা নাই, তুৰ্কী ম্যুজকিংসকলৰ মাজতো নহয়। এওঁলোকৰ ইমান মাটি-বাৰী আছে যে, সিমান মাটিত খেতি বাতিয়েই কৰিব নোৱাৰে। চৌৱাং, মিও আদি জনজাতিৰ বিস্তীৰ্ণ অনাবাদী মাটি পৰি আছে। এওঁলোকৰ বংশবৃদ্ধি হ'লে ক্ষতি নাই।

হাইনান দ্বীপৰ লী জাতি, উত্তৰ-পশ্চিম কোৰিয়াৰ লী জাতি, আৰু অন্যান্য সৰু সৰু উপজাতিৰ ক্ষেত্ৰত জন্মনিয়ন্ত্ৰণৰ আৱশ্যকতা নাই। এইসকল উপজাতীয় মানুহ সভ্যতাৰ সংস্পৰ্শলৈ আহি লাহে লাহে এনেয়ে হ্ৰাস পাই আহিছে। সেয়েহে, তেওঁলোকৰ ক্ষেত্ৰত এইবোৰ ব্যৱস্থা হাতত লোৱা হোৱা নাই। যদিও সভ্যতাৰ সকলো সুবিধা তেওঁলোকেও ঢুকি পোৱাকৈ দিয়াৰ চেষ্টা কৰা হৈছে।

মই বুজি পালোঁ যে, চীনদেশখনো আমাৰ দৰেই বহু জাতি বহু ভাষা অধ্যুষিত দেশ। এতেকে, এই দুয়োখন পুৰণি ঐতিহ্যবাদী দেশৰ মাজত বহু ক্ষেত্ৰত মিলিল-বিল বিচাৰি পোৱা যায়।

তাৰ পাছত কই আলিৰ লৈতে ৰুছ-চীন সম্পৰ্ক লৈ কথা পাতিলোঁ। দীৰ্ঘ ডেৰঘণ্টা জোৰা আলোচনা। সেই কথা পাছত অন্য প্ৰসংগক্ৰমে লিখিম। মাথোন এবাৰ কথা মোৰ কাণত পৰি থাকিল—কই আলিয়ে কোৱা কথাষাৰ—"তোমাৰ মতে ৰুছসকলে জগতত শান্তি স্থাপন কৰিবলৈ বিচাৰিছে। তেনেহ'লে নো প্ৰতি ছমাহৰ মূৰে মূৰে এখনকৈ ছাবমেৰিন আৰু দুই মিলিয়নকৈ নিউক্লিয়াৰ মিছাইল নিৰ্মাণ কৰিছে কিয়? এইদৰে যুদ্ধৰ আহিলা পাতি বৃদ্ধি কৰি যোৱাটো বাৰু তোমাৰ মতে শান্তিপ্ৰিয়তাৰ লক্ষণনে?

মই দুবাৰ ৰুছিয়ালৈ গৈছোঁ, ৰুছিয়াৰ চিঠি পঢ়িছোঁ। পৃথিৱীৰ ওপৰত সেই দেশৰ চিন্তাধাৰাৰ প্ৰভাৱৰ কথা লৈ বহু ভৰা-গুণা কৰিছোঁ। গতিকে মোৰ দায়িত্ব আছে। মই সহজে এওঁলোকৰ কথা মানি ল'ব পৰা নাই। সেয়েহে ইমান তৰ্কৰ জাউৰি।

মোৰ মনটো বিমৰ্ষ হ'ল। মই তো একোৱেই নাজানো, ৰুছইতে কিমান অস্ত্ৰ নিৰ্মাণ কৰিছে, আমেৰিকানইতেই বা কিমান, বা চীনাসকলেনো কি কৰিছে। কিন্তু এইদৰে যে ভয়াবহ অস্ত্ৰ-শস্ত্ৰৰ দ'মটো ক্ৰমাত ওখ হৈ উঠিছে আৰু যিকোনো দিনা এটা বিস্ফোৰণৰ ফলত মহা সৰ্বনাশ ঘটিব পাৰে, সেই কথাও আমি শুনি

আছোঁ। মই কছিয়াতেই যুদ্ধবিৰোধী বহু কথা শুনিছোঁ, পিছে ইয়ান শান্তি-সন্মিলনৰ তেন্তে অৰ্থনো কি ?

এইবোৰৰ আটাইবোৰেই জানো ভুৱা ?

কছসকলৰদ্বাৰা আয়োজিত, লুছানত অনুষ্ঠিত পাৰী মহাসন্মিলনৰ কথা মনত পৰিবলৈ ধৰিলে—যি সন্মিলনত ভিয়েতনামৰ এগৰাকী নাৰীয়ে তেওঁৰ অভিজ্ঞতা বৰ্ণাবলৈ গৈ হুৰাওবাৰে কান্দি পেলাইছিল আৰু আন এগৰাকীয়ে কৈছিল—প্ৰতিগৰাকী মাতৃৰ এই প্ৰতিজ্ঞা হওক—মোৰ সন্তানক মৰিবলৈ নপঠাওঁ, তাক হত্যাকাৰী হ'বলৈও নিদিওঁ।

এইবোৰ কি মিছা ?

কেতিয়াও নহয়।

সময়ৰ সলনি হয়, মানুহ সলাই যায়, এজনৰ অভিজ্ঞতাৰ ফল আন এজনৰ হাতত তুলি দিব নোৱাৰি।

যি কি নহওক—কছইঁতে তৃতীয় বিশ্বযুদ্ধ লগাব বা এটম বোমা দলিয়াব পাৰে বুলি মোৰ বিশ্বাস হোৱা নাছিল, কিন্তু কাকনো সুধিম ? কছই আলি তেওঁৰ মতত অটল, কছিয়াও যুদ্ধবাজ হৈ উঠিছে। আৰু কোছিগিনে তো মোৰ লৈতে আলোচনাত ভাগ নল'ব। সেয়েহে বিমৰ্ষ মনেৰে কছই আলিয়ে দিয়া ৰাম-ভৰা ফ্ৰেঞ্চ চকোলেটৰ দৰে সোৱাদ চকোলেট মুখত ভৰাই কাষৰ কোঠালৈ গ'লোঁ।

বৎসলাই ক'লে, "তুমি সঁচায়ে অবাক কৰিলা—তোমাৰ মনতো যে ইমানবোৰ প্ৰশ্ন। একেবাৰে দুঘণ্টা ধৰি প্ৰশ্নৰ বম্বাৰ্ডমেণ্ট।"

আমি যেতিয়া ছিজিয়াচুৱা ষ্টেশন পাওঁ পাওঁ হ'লোঁ, তেতিয়া ৰাতি ন বাজিছে। কিণকিণকৈ বৰষুণ দিছে।

ডা. বাসুৱে ক'লে, "নামোতে অলপ অৰগানাইজডভাৱে নামিব লাগিব। তেওঁলোকে হেনো নিউজৰিলৰ বাবে ছিনেমা-ছবি তুলিব। সেয়েহে মই আৰু মোৰ পত্নী প্ৰথমে নামিম। তাৰ পাছত বৎসলা আৰু মুকেশ কোটনিছ। কিয়নো, তেওঁলোকৰ ভায়েকৰ প্ৰাধান্যত তেওঁলোকো বিশিষ্ট। তাৰ পাছত নামিব জ্ঞানসিং ধিংড়া। কিয়নো, তেওঁ ডা. কোটনিছ স্মৃতিৰক্ষা

কমিটিৰ দিল্লী শাখাৰ সভাপতি। তাৰ পাছত আপোনালোকে—যাৰ যেনে ইচ্ছা।”

মই এই কথাত একেবাৰে নিশ্চিন্ত। মোৰ থপজপ ভৰি, বিৰাট হলৌ কোটটো, আৰু আৰ হাতত ধৰি তাৰ কান্ধত ভেজা দি মোৰ অৱতৰণ যে মুঠেই ছিনেমা স্টাৰৰ দৰে দৰ্শনযোগ্য নহ'ব সেই সম্বন্ধে মই সচেতন আছিলোঁ।

ষ্টেশ্যনত নামিলোঁ। তেতিয়া সোঁ সোঁকৈ হাড় কঁপোৱা বতাহ বলিছে, জিৰি জিৰিকৈ বৰফ পৰিছে, জাৰে হাড ছাল ভেদ কৰি গৈছে। ষ্টেশ্যনত খুব ভিৰ, পোহৰ কম। কেৱল ছিনেমা তুলিবলৈ তীব্ৰ পোহৰে একো একোটা সৰু সৰু বৃত্ত পোহৰাই তুলিছে।

হো-পেই প্ৰদেশৰ ৰেভলিউশ্যনাৰি কমিটিৰ চেয়াৰমেন মহোদয়ে আমাক অভ্যৰ্থনা কৰিবলৈ আহিছিল। আমাৰ দেশৰ মুখ্যমন্ত্ৰীৰ উপস্থিতিৰ তুল্য এয়া। এওঁলোকৰ মাজত থকা এগৰাকী বয়সস্থা চুটি চাপৰ কিন্তু শকত আৱত চীনা মহিলাই আগুৱাই আহি বৎসলাৰ সৈতে আলিংগন কৰিলে। এওঁ হ'ল কুও চিন্ লান—ডা কোটনিছৰ পত্নী।

এটা প্ৰকাণ্ড গেষ্ট হাউছত আমাৰ থকা মেলৰে ব্যৱস্থা কৰা হৈছিল। লাউঞ্জ বা জিৰণি কোঠাটো খুব দীঘল। এমূৰত ড্যঙৰ ডাঙৰ ছোফা। তাত বিশিষ্ট ব্যক্তিসকল বহি আছে। আৰু দুয়ো কাষে দুটা শাৰীত এজনীয়া ছোফা। দুখন ছোফাৰ মাজতে এখনকৈ মেজ। মেজৰ ওপৰত যথাৰীতি চাহৰ পিয়লা প্ৰত্যেকৰ বাবে সজাই থোৱা হৈছে। আৰু আছে বিধে বিধে টফি, বাদাম, আখৰোট আৰু বৰ বৰ একোটা ৰঙচুৱা ৰসাল আপেল। গৰম টাৱেল পৰিৱেশন কৰাৰ পাছত চাহ আহিল। চাহৰ কাপত হাত সেঁকিবলৈ ধৰি অভ্যৰ্থনা শুনিবলৈ ধৰিলো।

অভ্যৰ্থনা জ্ঞাপন কৰিলে ছিজিয়াচুৱাঙৰ ৰেভলিউশ্যনাৰি কমিটিৰ ভাইছ চেয়াৰমেনে। চুটি-চাপৰকৈ ছোৱালীজনী„ বেণী থকাত আৰু চাপৰ যেন লাগে। চীনত কম বয়সৰ ছোৱালীহঁতেই দীঘলচুলীয়া আৰু সিহঁতেই বেণী গোঁথে। বয়সিয়ালসকলে চুলি কটাই পেলায়। খোপা বন্ধা চকুত নপৰিল। হাউছত মানুহৰ থদমদম। বুজিলোঁ, এওঁলোক দ্বাৰোদ্ঘাটনৰ বাবে আহিছে।

সৰহভাগ মানুহেই বেলফৈ ৰঙৰ ইউনিফৰ্ম পিন্ধি আহিছে, কানৰ ওচৰত ৰঙা ফিতা। সকলোটিৰেই একে ধৰণৰ চিন। এওঁলোক সকলোৰেই পিপ'লছ

লিবাবেশ্বন আৰ্মিৰ মানুহ। এওঁলোকৰ মাজত কামৰ তাৰতম্য নিশ্চয় আছে, কিন্তু পদৰ তাৰতম্যৰ কোনো বাহিৰা লক্ষণ দেখা নগ'ল। কোন সেনাপতি, আৰু কোনেইবা পদাতিক, সাজ-পাৰ বা আচাৰ-আচৰণত একো বুজা নাযায়। একেলগে খোৱা-বোৱা, একে বিধৰ পোছাক-পাতি, কাৰো অংগতে কোনো ভেক'বেখনৰ চিন-ছাবো নাই। আৰু আটাইতকৈ ভাল লাগিল যে, সৈন্যসকল সমূহ বাইজৰ লগতে কাম-বনত মিলি আছে, সমাজৰ বখুমলাৰ দৰে নহয়। যুদ্ধৰ বাবে এওঁলোকক জীয়াই ৰখা কাৰৈৰ দৰে পুহি ৰখা হোৱা নাই—জোতা পালিছ, বুটাম পালিছ আৰু 'ছোলজাছ' ক্লাব'ত আড্ডা মাৰি জীৱন কটোৱাৰ উপায় নাই। তেওঁলোকে পথাৰত খেতি কৰিছে, ফেক্টৰিত কৰ্ম সমিতিত কাম কৰিছে, বিভিন্ন প্ৰতিষ্ঠানত বিভিন্ন কামত ব্যস্ত হৈ আছে।

আমি ইংৰাজ আমোলৰপৰা আমাৰ দৰমহা-খোৱা বা যাক বোলে 'মাৰ্ছিনেৰি আৰ্মি' দেখাত অভ্যস্ত। সৈন্য দেখিলে আমি অলপ আঁতৰি যাওঁ। পিপ'লছ ৰেভলিউশ্যনাৰি আৰ্মি বা পিপ'লছ বুলিলে কি বুজা গ'ল—সেইটো আমাৰ অভিজ্ঞতাৰ বিষয় নহয়।

এই প্ৰসংগত এটা গল্প মনত পৰিল মোৰ

পূব-জাৰ্মানিৰপৰা পশ্চিম জাৰ্মানিলৈ যাম—অৰ্থাৎ, বাৰ্লিনৰ কাঁইটীয়া তাঁৰৰ বেৰাখন পাৰ হ'ম—১৯৬২ চনত। ডেম'ক্ৰেটিক জাৰ্মানিৰ প্ৰৱেশদ্বাৰত ৰুছ আৰু পশ্চিম জাৰ্মানিৰ দুৱাৰত আমেৰিকান সৈন্য। মোৰ পাছপ'ট দুৱাৰকৈ দেখুৱাব লাগিব। মই দোভাষীক সুধিলোঁ, 'এওলোক কোন?"

দোভাষীয়ে ৰুছ সৈন্যলৈ বুঢ়া আঙুলি ওলোটাই ক'লে, "এওঁলোক হ'ল 'লিবাৰেশ্বন আৰ্মি'।" আৰু তাৰ পাছত আমেৰিকান সৈন্যলৈ আঙুলিয়াই ক'লে, "সিহঁত হ'ল 'অকুপেশ্যন আৰ্মি'। কিবা পাৰ্থক্য দেখা পাইছানে?"

বুজিলোঁ যে, বিভক্ত জাৰ্মানিৰ বুকুৰ ওপৰত এই দুয়ো ফালৰ বিদেশী সৈন্যৰ উপস্থিতিয়েই একে সমান বিৰক্তিদায়ক।

যি কি নহওক, চীনত কম বয়স্ক ল'ৰা-ছোৱালী বা উচ্চপদস্থ সৈন্য, সকলোৱেই ঘৰৰ মানুহৰ দৰে মিলিজুলি আছে। ইয়াৰ দূৰপ্ৰসাৰী সুফল এটা নিশ্চয়েই আছে। এই উৎসৱত যে ইমান মিলিশিয়া আহিছে—তাৰ কাৰণ হ'ল ড্যা. কোটনিছে নিজেও সৈন্যসকলৰ লগতেই কাম কৰিছিল।

এইখিনিতে ভাৰতীয় 'মেডিকেল মিশ্যন'ৰ সম্পৰ্কে দুই-চাৰি আলাপ কৰোঁ।

ভাৰতত যেতিয়া স্বাধীনতাৰ প্ৰয়াস জনসাধাৰণৰ মনত উত্তৰোত্তৰ বৃদ্ধি পাবলৈ ধৰিছিল আৰু বিভিন্ন প্ৰচেষ্টাৰে অভিব্যক্ত হৈছিল, তেতিয়া বিশ্বৰ সকলো দেশৰ স্বাধীনতাকামী মানুহৰ সৈতে তাৰ একাত্মবোধ সৃষ্টি হোৱা স্বাভাৱিক। স্পেইনৰ গৃহ-কন্দলতো বহু দেশৰপৰা অত্যাচাৰীৰ বিৰুদ্ধে অত্যা-চাৰিতক সহায় কৰিবলৈ স্বেচ্ছাবাহিনী যোৱা দেখিছিলোঁ। ইমান বেছি মানুহ গৈছিল যে কেতিয়াবা কেতিয়াবা সি পৰিহাসৰ বিষয় হৈ উঠিছিল। মোৰ মনত পৰিছে, তেতিয়া এগৰাকী ইংৰাজে বাতৰিকাকতৰপৰা পটি শুনাইছিল "স্পেইনৰ গৃহযুদ্ধত পোন্ধৰজন ইংৰাজ, একুৰি ফৰাছী, দহজন ইতালীয়ান ইত্যাদি আৰু এজন স্পেনিয়াৰ্ডৰ মৃত্যু হ'ল। তাৰ পাছত তেওঁৰ সহাস্য মন্তব্য—"আনৰ কথাত হেতা ওপৰা কৰিবলৈ যোৱাৰ উচিত শাস্তি (Serves him right for buttidg in)।"

পিছে ঠাট্টা-মস্কৰা যিয়েই নহওক, সেই কালছোৱাৰেপৰাই পৃথিবীৰ ইতিহাসত এটা নতুন ভাৱৰ উন্মেষ ঘটিছিল। কোনো ৰাষ্ট্ৰই আন ৰাষ্ট্ৰৰ মিত্ৰশক্তিৰূপে যুদ্ধত প্ৰত্যক্ষভাৱে সহায় নকৰিলেও ব্যক্তিগতভাৱে মানুহৰ ন্যায়যুদ্ধ বা ধৰ্মযুদ্ধত ভাগ লোৱাৰ আকাংক্ষাক ৰূপ দিবলৈ চেষ্টা কৰি তাৰ বাবে আনকি জীৱন উছৰ্গিবলৈকো কৃতসংকল্প হোৱা।

চীনৰ ওপৰত জাপানৰ আক্ৰমণেও ভাৰতৰ মানুহক তেনেকৈয়েই বিচলিত কৰি তুলিছিল। চীনৰ সৈতে এনেয়ে আমাৰ দীৰ্ঘদিনীয়া সুসম্পৰ্ক আছিল, তাতে জাপানৰ সাম্ৰাজ্যবাদী ৰূপ—দুয়োটা লগ লগাই ভাৰতৰ নেতৃবৃন্দই চীনৰ প্ৰতি সহানুভূতিৰ এক ৰাস্তৱ ৰূপ দিবলৈ চিন্তা কৰিছিল। তাৰ বাবেই তেওঁলোকে ভাৰতীয় চিকিৎসকৰ পাঁচজনীয়া দল এটিক চীনৰ মুক্তিকামী মানুহৰ সাহায্যাৰ্থে পঠিয়াইছিল।

ইয়াৰ আগতে, বোধকৰোঁ ১৯৬২ চনৰ ওচৰা-উচৰি সময়তে, ইংৰাজে তেওঁলোকৰ দখলৰ স্বাৰ্থ বজায় ৰাখিবলৈ এদল ভাৰতীয় সৈন্যক চীনলৈ পঠিয়াইছিল। তেতিয়া ৰবীন্দ্ৰনাথ আৰু গান্ধীজীয়ে এই ঘটনাৰ তীব্ৰ প্ৰতিবাদ

কৰিছিল। তেওঁলোকৰ বক্তব্য আছিল যে, আমি নিজে পৰাধীন, আৰু আমাৰ মানুহেই আন মানুহক পৰাধীন কৰি ৰখাত সহায় কৰিব। মোৰ যিমানদূৰ মনত পৰিছে, তেওঁলোক আছিল শিখ সৈনিক আৰু শেহলৈ তেওঁলোকক গুভোতাই অনা হৈছিল।

কেৱল জাপানীয়েই নহয়, দীৰ্ঘকাল ধৰি ইঅ'ৰোপৰ সকলো শক্তিশালী লোলুপ জাতিয়েই চীনৰ বিভিন্ন অংশ অধিকাৰ কৰি বেহা বেপাৰৰ নামত লুণ্ঠন আৰু অত্যাচাৰ কৰিছিল।

১৯৩৭ চনত 'সভ্য' হৈয়েই সভ্যতাৰ আহিঁ দাঙি ধৰিবলৈ জাপানে চীনৰ ওপৰত আক্ৰমণ কৰিলে। তেতিয়া ৰবীন্দ্ৰনাথে চিয়াং কাই শেকলৈ লিখিলে "আপোনালোকৰ প্ৰতিবেশী যি জাপান শিক্ষা-সংস্কৃতিৰ বাবে আপোনালোকৰ দেশৰ ওচৰত ঋণী, তাৰ নিজৰ মংগলৰ বাবেই আপোনাৰ দেশৰ সৈতে যাৰ বন্ধুত্ব কৰা উচিত, সেই জাপানে অকস্মাৎ পাশ্চাত্য জগতৰ ইম্পিৰিয়ালিজমৰ ৰোগত আক্ৰান্ত হৈ, পূব দেশৰ মহৎ ভৱিষ্যৎ গঢ়ি তুলিবলৈ যি সুযোগ পাইছিল, সেই সুযোগ নষ্ট কৰি পেলালে।"

যি চিকিৎসক দলটোক ভাৰতীয় নেতৃবৃন্দৰ উৎসাহত ভাৰতীয় কংগ্ৰেছে চীনলৈ পঠিয়াইছিল তেওঁলোকৰ নেতা আছিল ডা অটল। এওঁ স্পেইনৰ যুদ্ধৰ সময়তো গৈছিল। অতিশয় সৎ আৰু মহৎ এই ডাক্তৰ গৰাকীয়ে ১৯৫৮ চনত পুনৰ চীন ভ্ৰমণলৈ গৈছিল। তেওঁৰ চীনৰ প্ৰতি প্ৰীতি ইমানেই গভীৰ আছিল যে, অসুস্থ শৰীৰ লৈও তেওঁ যোৱাৰ সুযোগ পাই নিৰস্ত নহ'ল। আৰু তাতেই তেওঁ ঢুকাল।

শুনিলোঁ, চৌ এন লাই আৰু চু তেহ, যিজন আছিল সৰ্বোচ্চ সেনাপতি, তেওঁলোকে ডা অটলৰ শৰাধাৰ কঢ়িয়াই নিছিল।

তেওঁৰ সমাধি আমি চাই আহিলোঁ।

সেই চিকিৎসক দলত আছিল ডা বাসু, ডা দ্বাৰকানাথ কোটনিছ আৰু আন দুগৰাকী চিকিৎসক। তেতিয়া উত্তৰ চীনৰ যুদ্ধক্ষেত্ৰত প্ৰচণ্ড শীত। শীত ক্ৰমাৎ বাঢ়িবলৈহে ধৰিলে। তেতিয়া সেই প্ৰচণ্ডতম শীত সহিব নোৱাৰি আটাইকেইজন চিকিৎসক গুচি আহিল তাৰপৰা। ডা বাসু কিছুদিনৰ বাবে আছিল, তাৰ পাছত তেওঁ। গুচি আহিল।

কেৱল থাকি গ'ল ডা কোটনিছ।

তেওঁ সৰ্বতোপ্ৰকাৰে মুক্তিযুঁজাৰু সকলৰ সহায় হ'ল। কিন্তু কঠিন পৰিশ্ৰমৰ ফলত, অনিয়ম অত্যাচাৰত তেওঁৰ দেহাই আৰু নটনা হ'ল। তেওঁ বাৰে বাৰে মূৰ্ছিত হৈ পৰিছিল আৰু এদিন সেই মূৰ্ছা ৰোগতে মৃত্যুবৰণ কৰিলে। ইতিমধ্যে তেওঁ এগৰাকী চীনা মহিলাক বিয়া কৰাইছিল। এটি পুত্ৰসন্তানও আছিল তেওঁৰ। সন্তানটিৰ বয়স যেতিয়া মাথোন এমাহ, তেতিয়া ডা কোটনিছ ঢুকাল। ল'ৰাটিৰ নাম আছিল 'ইন্ হুৱা', অৰ্থাৎ ইণ্ডিয়া চায়না।

এই ল'ৰাটিও পঁচিছ বছৰ বয়সত মাত্ৰ দুই দিনৰ অসুখতে ঢুকাল। কোটনিছ-পত্নী কুও চিন লানে বহু কষ্ট ভুগিলে। যদিও তেওঁ আৰু এবাৰ বিবাহ কৰাইছিল, তথাপি কোটনিছ পৰিয়ালৰ প্ৰতি তেওঁৰ মৰম অলপো ক্ষুণ্ণ হোৱা নাছিল। দেখা-সাক্ষাৎ কিমানকণেইবা হৈছিল, কিন্তু যিদৰে তেওঁ বৎসলাক আপোন বুলি বুকুত সাবটি ল'লে তাৰেপৰাই এই পৰিয়ালটিলৈ তেওঁৰ হৃদয়স্থিত অটুট অভগন ঠাই এটুকুৰাৰ চিনাকি ওলাই পৰিল।

চীনৰ জনগণেও ডা কোটনিছক কোনোদিনে পাহৰা নাই। প্ৰতি বছৰতে তেওঁৰ মৃত্যুদিবস পালন কৰা হয়।

আৰু পালন কৰা হয় ডা বেথুনৰ মৃত্যুদিবস। ডা বেথুন এগৰাকী কানাডিয়ান। তেৰো এগৰাকী মহৎপ্ৰাণ স্বাধীনতাকামী ব্যক্তি। তেৰো স্পেইনৰ যুদ্ধৰ সময়ত স্পেইনলৈ গৈছিল। তাৰ পাছত চীনৰ যুদ্ধত যুদ্ধাৰ্তসকলৰ সেৱা কৰিছিল গৈ আৰু ডা কোটনিছ আহি পোৱাৰ আগতে এৰোঁ ক্ষত চিকিৎসা কৰোঁতে আঙুলিত ছেপটিক হৈ ঢুকাল। শুনিলোঁ এওঁ যুদ্ধক্ষেত্ৰত এটা বিশেষ গুৰুত্বপূৰ্ণ কাম কৰিছিল। ব্লাড ট্ৰান্সফিউশ্যন। ইয়াৰ আগত চীনদেশত এই প্ৰক্ৰিয়া কোনেও জনা নাছিল।

চীনৰ মানুহে তেওঁলোকৰ এই দুগৰাকী মহান সুহৃদক পাহৰা নাই। এখন পাৰ্কত ডা বেথুনৰ বিৰাট মৰ্মৰমূৰ্তি স্থাপিত হৈছে আৰু তেওঁৰ স্মৃতিভৱন ইয়াৰ আগতেই উদ্ঘাটিত হৈছে।

এইবেলি ডিছেম্বৰৰ ৯ তাৰিখে ডা কোটনিছৰ মৃত্যুদিবসত তেওঁৰ স্মৃতি-ভৱন উদঘাটিত হ'ব। সেই উদ্দেশ্যতহে আমি এই দেশলৈ আহিছোঁ।

স্মৃতিভৱনৰ দ্বাৰোদ্ঘাটন উৎসৱ অনুষ্ঠিত হ'ব ন বজাত। আমি গাড়ীত উঠি সভাগৃহ পালোঁগৈ। চাৰিওফালে লঠঙা গছ। অ'ত ত'ত বৰফ সিঁচৰতি হৈ আছে। হাড় কঁপোৱা বতাহ মাৰিছে। কিন্তু সন্মুখলৈ চাই চকু জুৰ পৰিল। ৰঙা-সেউজীয়া বৰণৰ কাগজৰ পতাকাৰ মালাৰে ধূসৰ গছবোৰ ৰঙীন হৈ উঠিছে। মাজে মাজে বাট-পথ জুৰি ৰঙা ৰেছমী কাপোৰৰ ওপৰত চীনা আৰু হিন্দী ভাষাত লিখা :

'চীন-ভাৰত মৈত্ৰী জিন্দাবাদ' আৰু 'স্বাগতম ডা. কোটনিছ মে'মৰিয়েল কমিটিৰ অতিথিবৃন্দ'।

পাতসৰা পপলাৰ উইলো বাৰ্ক গছৰ লানিৰ মাজেদি আমি আগ বাঢ়ি গৈ আছো। গছবিলাকে কেৱল ভংগীৰেহে সিহঁতৰ চিনাকি দাঙি ধৰিছে। হঠাতে চকুত পৰিল—মানুহৰ ফুল ফুলিছে। ইমান পৰে যিসকলক দেখি আহিছিলোঁ তেওঁলোকৰ আছিল বেলফৈ ৰঙৰ আৰু ধূসৰ-নীলৰ একঘেঁয়ে চেহাৰা। এইবাৰ দুয়ো কাষতে ৰঙচুৱা গাল, ৰঙীন জলমলীয়া সাজ-পাৰ, হাতত বাৰে বৰণীয়া ফুলৰ থোপা (কাগজৰ ফুল) আৰু টিলিঙা লগোৱা ৰঙা ফিতা বন্ধা নাগেৰাৰ সৈতে এটা বাদ্য বজাই তালে তালে সুৰলা গীত গাই থকা শিশুমুখৰ অভ্যৰ্থনাই চকু আৰু হিয়া মন জুৰ পেলালে। এই শিশুসকল কিণ্ডাৰগাৰ্টেন আৰু প্ৰাইমেৰি স্কুলৰ ল'ৰা-ছোৱালী।

সিহঁতে সুৰলা গীতৰ মাজেদি কৈছিল "স্বাগতম ভাৰতীয় অতিথিবৃন্দ, স্বাগতম।"

চীনৰ শিশুহঁত বৰ ধুনীয়া। নিপোটল ৰঙচুৱা গাল, হাঁহিমুখীয়া। স্বাস্থ্য আৰু সৌন্দৰ্য্য উপচি পৰিছে যেন। আৰু সিহঁত যেন অতি সপ্ৰতিভ।

সভাগৃহলৈ সোমাওঁতে, বাৰাণ্ডাত ক্ৰিছান্থিমামৰ বিৰাট এজোপা গছ। জাৰৰ অত্যাচাৰত অলপ শেঁতা পৰিছে, তথাপি ফুল চাই ভাল পালোঁ। এই সময়ত ক'তো সজীৱ ফুল নাই। যিসকলে এই উৎসৱৰ আয়োজন কৰিছে, সেই স্মৃতিভৱন কমিটিৰ কৰ্মীসকলৰ বাহিৰেও আমি চৰকাৰী অভ্যৰ্থনা পালোঁ। লুই চে হুৱা হ'ল হোপেই প্ৰদেশৰ ৰেভলিউশ্যনাৰি কমিটিৰ চেয়াৰমেন, অৰ্থাৎ এই প্ৰদেশৰ উচ্চতম ব্যক্তি। তেওঁ আৰু মিলিটাৰি প্ৰধানও উপস্থিত আছিল। সভাগৃহৰ ভিতৰত কেইবাহাজাৰো মানুহ নিজা নিজা ঠাইত বহি আছে।

তেওঁলোকৰ মাজত ডাক্তৰ, নাৰ্চ আৰু মিলিশ্বিয়াৰ প্ৰাধান্য দেখা গ'ল। আমি সোমোৱাৰ লগে লগেই সমগ্ৰ জনতাই উঠি থিয় হৈ—হাত চাপৰিৰে আমাক সাদৰ অভ্যৰ্থনা জ্ঞাপন কৰিলে। আমি তাৰ মাজত বহিলোঁ। দেৱালত বিৰাট আকাৰৰ হিন্দী ভাষাত লিখা "দুনিয়াকো জনতাকো মহান একতা জিন্দাবাদ"—চকুৰ আগত জলমলাই উঠিল। ওৱাং পিন্ নান্, লুই চে হুৱা, মহিলা ভাইছ চেয়াৰমেন (তেওঁৰ নাম মনত নাই), মিলিটাৰি জেনাৰেল—সকলোৱেই ভাষণ দিলে।

আমাৰ ফালৰপৰা উত্তৰ দিলে ডা॰ বাসু আৰু শ্ৰীনাৰায়ণনে। প্ৰত্যেকৰ ভাষণেই লিখিত। পিছে যিমানদূৰ মনত পৰিছে নাৰায়ণনে লিখিত ভাষণ দিয়া নাছিল।

বক্তৃতাৰ মাজেদি দুটা কথা পৰিষ্কাৰ হৈ উঠিল। এক ডা কোটনিছ চীনৰ জনগণৰ নিচেই আপোন। তেওঁ আন্তৰ্জাতিকতাৰ প্ৰতীক। দুই এওঁলোক ভাৰতৰ বন্ধুত্বকামী। দ্বাৰোদ্ঘাটন উৎসৱক কেন্দ্ৰ কৰি তেওঁলোকে ভাৰতলৈ সাদৰ আহ্বান জনাইছে। এজনে বক্তৃতাৰ মাজত মাও চে তুঙক উদ্ধৃত কৰি ক'লে 'চেয়াৰমেনে কৈছিল—'আমাৰ দুয়োখন দেশৰ বন্ধুত্ব গংগা আৰু হোৱাং হো-ৰ দৰে চিৰ-প্ৰবহমান, পৰ্বতৰ দৰে চিৰ সেউজ। এই দুখন দেশক কেতিয়াবা ভাৱৰে ছাটি ধৰিলেও সি কেতিয়াও স্থায়ী হ'ব নোৱাৰে'।"

তেওঁলোকৰ চেয়াৰমেনে সদায় কবিতাৰ ভাষাৰে কথা কয়—মই বৰ ভাল পালো। মাও চে তুঙক উদ্ধৃত কৰি আন কোনো কোনোৱেও ক'লে "ডা কোটনিছ গ্ৰীষ্মপ্ৰধান দেশৰপৰা তেওঁৰ বুকুৰ উম লৈ আহিছিল আমাৰ বৰফাবৃত শীতৰ সৈতে যুদ্ধ কৰিবলৈ।"

বক্তাসকলে আৰু ক'লে যে, ডা কোটনিছৰ মৃত্যুৰ পাছত মাও চে তুঙে কৈছিল "আমাৰ ভাৰতীয় বন্ধুজন দূৰদেশৰপৰা চীনদেশলৈ আহিছিল জাপানীসকলৰ আক্ৰমণৰ বিৰুদ্ধে আমাক সহায় কৰিবলৈ। আৰু দীৰ্ঘ পাঁচ বছৰ ধৰি ইয়েনান প্ৰদেশ আৰু পূব চীনত তেওঁ আহত আৰু পীড়িতক সেৱা কৰিছিল। অতিপাত পৰিশ্ৰমৰ ফলত তেওঁৰ মৃত্যু হোৱাত আমাৰ সেনাবাহিনীয়ে এগৰাকী যোগ্য সহকৰ্মী হেৰুৱালে আৰু দেশে হেৰুৱালে এজন প্ৰকৃত বন্ধু। আমি তেওঁৰ আন্তৰ্জাতিকতাৰ কথা কাহানিও নাপাহৰোঁ।"

চীনাসকলে বেছ কবিষয়ে কথা কয়। এজনে ক'লে, "তেওঁ তেওঁৰ জীৱন উছৰ্গা কৰি এটি সংগীত বজাই গ'ল।"

যিসকলে বক্তৃতা দিছিল তেওঁলোকৰ বক্তৃতাৰ কপিবোৰ নথকাত সকলো কথা মই যুকিয়াই ক'ব নোৱাৰিলোঁ। পিছে এই কথা ঠিক যে, এই উৎসৱ অতি তাৎপৰ্য্যপূৰ্ণ। ভাৰত আৰু চীনৰ মাজত যি ভুল বুজাবুজি আছিল সেই ভুল বুজাবুজি দূৰ কৰাৰ এয়া আছিল এটি আন্তৰিক প্ৰয়াস। আমাৰ ৰাষ্ট্ৰদূত শ্ৰীনাৰায়ণনৰ বক্তৃতা ভাল হৈছিল। বন্ধুত্বৰ যি হস্ত এওঁলোকে প্ৰসাৰিত কৰিছিল, আমাৰ ফালৰপৰা সেই হাত আঁকোৱালি লোৱাৰ এওঁ যোগ্য মানুহ। চৰকাৰী প্ৰতিভূসকল সচৰাচৰ তেনেকুৱা নহয়।

সভাৰ অন্তত আমি স্মৃতিভৱন চাবলৈ গ'লোঁ। সঁচায়ে চাবলগীয়া মিউজিয়াম। দুৱাৰমুখতে প্লাষ্টাৰ অব পেৰিছেৰে সজা ডা কোটনিছৰ অশ্বাৰূঢ় মূৰ্তি। তাৰ পাছত তেওঁৰ জীৱনৰ ঘটনাৱলী ছবিৰে প্ৰদৰ্শন কৰা হৈছে। প্ৰথমেই এবাৰ লেখা চকুত পৰে "ডা কোটনিছে তেওঁৰ প্ৰাণ আৰু জীৱন দি আন্তৰ্জাতিক কমিউনিজমৰ এটি সংগীত ৰচিছিল তেওঁৰ নাম ভাৰত চীন মৈত্ৰীৰ এটি উজ্জ্বল স্বাক্ষৰ।"

তাত আমি জানিবলৈ পালোঁ যে তেওঁ যেতিয়া চীনৰ যুদ্ধত আৰ্ত মানুহক চিকিৎসা কৰিবলৈ গৈছিল তেতিয়া মানৱতাৰ কাৰণেই গৈছিল, তেতিয়া তেওঁ ৰাজনীতিৰ বিষয়ত সজাগ নাছিল। কমিউনিষ্ট তো নাছিলেই তেওঁ। তালৈ যোৱাৰ পাছত ইমান কঠিন পৰিশ্ৰমৰ মাজতো তেওঁ মাৰ্কছ, লেলিন আৰু মাও চে তুঙৰ ৰচনাৰ সৈতে পৰিচিত হৈছিল আৰু তাৰ পাছত যোগ দিছিল কমিউনিষ্ট পাৰ্টিত। তেওঁ চীনা ভাষাও শিকিছিল। তেওঁৰ হাতৰ লিখা এখন চীনা পত্ৰও ৰখাই থোৱা হৈছে। এইবোৰৰ বাহিৰেও আছে তেওঁৰ জীৱনৰ ঘটনাৱলীৰ চিত্ৰ। ফটোগ্ৰাফৰ সংখ্যা যথেষ্ট, যদিও তাৰে এটা মিউজিয়াম সজাব নোৱাৰি। সেয়েহে তেওঁৰ চীনত থকা কালছোৱাৰ জীৱনৰ ঘটনাৰ বিভিন্ন কাহিনীৰ ডাঙৰ ডাঙৰ চিত্ৰ আঁকোৱা হৈছে। দূৰ দূৰণিৰ গাঁৱলৈ মানুহ পঠিয়াই, তেওঁৰ চিনাকি লোকৰ সৈতে কথা পাতি সেইবোৰ চিত্ৰৰ সমল বুটলি অনা হৈছে। এজনী ছোৱালীয়ে এডাল ৰঙা সৰু মাৰিৰে প্ৰতিখন চিত্ৰ দেখুৱাই আমাৰ আগত বিশ্লেষণ কৰিবলৈ ধৰিলে। যদিও একো একোখন গ্ৰুপ ফ'টোৰ আগত চকী পাৰি থোৱা

হৈছিলেই, আমি বহি বহিয়েই শুনি আছিলোঁ, তথাপি মাজে মাজে যে খোজ কাঢ়িব লগীয়া হৈছিলোঁ তাতেই মোৰ ভৰি বিষাবলৈ ধৰিলে।

এই বিৰাট আয়োজন চাই মই বিস্মিত। চাই চাই ক্ৰমাত এই কথা ফটফটীয়াকৈ বুজিলোঁ যে, এই আয়োজন দুই-চাৰি দিনীয়া আয়োজন নহয়। ভালেকেইবছৰমান ধৰি বহুতো মানুহে পৰিশ্ৰম কৰিবলগীয়া হৈছিল, বহু ধন ব্যয় কৰা হৈছিল। এই কথা উপলব্ধি কৰিলোঁ যে, ভাৰত আৰু চীনৰ সম্পৰ্ক যেতিয়া বিষাক্ত হৈ উঠিছিল তেতিয়াও এওঁলোকে কিন্তু কোটনিছৰ স্মৃতিলৈ অকৃত্ৰিম শ্ৰদ্ধা প্ৰকাশ কৰিবলৈ এই আয়োজন কৰিছিল। দেশৰ মানুহৰ ৰাজনৈতিক শিক্ষাৰ ই এটি প্ৰমাণ, প্ৰমাণ যুক্তি-নিৰ্ভৰতাৰো।

মোৰ মনত পৰিল চীন-ভাৰত যুদ্ধৰ সময়ৰ কিছুমান বলিয়ালিৰ কথা। চীনাসকলে পইতাচোৰা খায় বুলি ফকৰা-যোজনা লিখা হৈছিল।

এদিনৰ এটা আমোদজনক অভিজ্ঞতাৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰিম। ১৯৬১ চনত মই 'সুদক্ষিণা' নামৰ এখন মহিলা সমবায় দোকান সংগঠিত কৰিছিলোঁ। এদিন দোকানলৈ সোমায়েই দেখিলোঁ যে এজন ভদ্ৰলোক অৰ্থাৎ বাছকবনীয়া কাপোৰকানি পিন্ধা এজন যুৱক আৰু দুগৰাকীমান মহিলাই বৰ লম্ফজম্ফ লগাই দিছে। তেওঁলোকৰ বক্তব্য হ'ল 'আপোনালোকে এতিয়াও দোকানত 'চীনা ছছ' ৰাখিছে। আটাইখিনি পেলাই দিয়ক'। আৰু আমাৰ কৰ্মী ছোৱালীজনীয়ে বিপন্নভাৱে কৈছে যে পেলাই দিলে লোকচান হ'ব, পইচাৰে কিনা হ'ল তো। তেওঁলোকে ঘৃণাৰে সৈতে কৈছে 'টকাকেই ডাঙৰকৈ দেখিবনে? দেশপ্ৰেম বোলা বস্তু এটা নাইনে কি?' মই তেওঁলোকক বুজাবলৈ চেষ্টা কৰিলোঁ যে জড় বস্তুৱে কেতিয়াও জীৱৰদ্বাৰা কোনো কাম কৰাব নোৱাৰে। ছয়াবিনছে চৌ এন লাই বা মাও চে তুঙক যুদ্ধলৈ উদগোৱা নাছিল। সেই বটলবোৰো কমিউনিষ্ট নহয়।

ডা কোটনিছ স্মৃতিভৱনৰপৰা যেতিয়া ওলাই আহিলোঁ তেতিয়া মোৰ ওচৰত এই কথাষাৰ স্পষ্ট হ'ল যে, যেতিয়া ভাৰত-চীন সম্পৰ্ক বিষাক্ত আছিল তেতিয়াও তেওঁলোকে কোটনিছৰ স্মৃতিক এটি উজ্জ্বল তৰাৰ দৰে সমুখত ৰাখি মানুহৰ সৈতে মানুহৰ মৈত্ৰীৰ সম্পৰ্কক ম্লান হ'বলৈ দিয়া নাছিল। এই কথাত সেই দেশৰ নেতৃত্বলৈ মোৰ শ্ৰদ্ধা উপজিল।

ডা. কোটনিছে মানুহৰ যোগ্য কাম কৰিছিল। কিন্তু দীৰ্ঘকাললৈকে সেই কথা স্মৰণ ৰাখিব পৰাটোৱেই উচ্চতৰ মনুষ্যত্বৰ পৰিচয়।

সেইদিনা আবেলিপৰতে ডা. কোটনিছৰ সমাধি চাবলৈ যোৱাৰ কথা। তেওঁ কোনোবা এখন দূৰণিবটীয়া গাঁৱত ঢুকাইছিল, যদিও তেওঁৰ সমাধি আছে ছিজিয়াচুৱাং চহৰৰ এখন পাৰ্কত। ছিজিয়াচুৱাং চহৰত মিলিটাৰি হস্পিতালৰ কেম্পাছৰ ভিতৰতে ডা. বেথুন আৰু ডা কোটনিছৰ স্মৃতিভৱন। কিয়নো, সেই হস্পিতাল ডা. বেথুনে প্ৰতিষ্ঠা কৰিছিল আৰু তেওঁৰ পাছত ডা. কোটনিছ এই হস্পিতালৰ ডিৰেক্টৰ হৈছিল। ডা বেথুনৰ পাছত ডা কোটনিছ ডিৰেক্টৰ হোৱাত ধাৰণা কৰিব পাৰি যে তেতিয়াৰ দিনত ভাৰতীয় চিকিৎসক চীনা চিকিৎসকতকৈ আগবঢ়া আছিল। অন্তত পিছপৰা তো নাছিলেই। আৰু এতিয়া চীন সেই বিদ্যাত কিমান যে আগবাঢ়ি গৈছে! আমাৰ দেশতো বিশ্বৰ সৰ্বশ্ৰেষ্ঠ ডাক্টৰসকলৰ তুল্য ডাক্টৰ নথকা নহয়, কিন্তু চিকিৎসাৰ সা-সুবিধা পোৱা হৈছে, গাঁৱে ভূঞে যে মানুহ এতিয়া আৰু বিনা চিকিৎসাত মৰিবলগা হোৱা ইমান সৰ্বব্যাপী নহয়। প্ৰতিজন মানুহে যে বিনা খৰচত চিকিৎসাৰ সুবিধা পাই, এইটোকে মই চিকিৎসাবিদ্যাৰ সাৰ্থকতা বুলি ভাবোঁ।

আবেলি পৰতে আমাৰ দলত বহুতো মানুহ গোট খাইছিলহি। ডা কোটনিছৰ সহকৰ্মীসকল আহিছিল। আহিছিল তেওঁৰ পুত্ৰৰ ধাইমাক, আৰু আহিছিল দূৰ দূৰণিৰ গাঁৱৰপৰা তেওঁ চিকিৎসা কৰাসকলৰ ভিতৰৰে কোনোবা কোনোবা। এওঁলোক দূৰণিবটীয়া গাঁৱৰপৰা আহি আমাৰ লগতে গেষ্ট হাউছতে আছিল।

কিন্তু চীনাসকল আছিল এফালে, আৰু—আমি আৰু ইঅ'ৰোপীয়সকল আনফালে। কেৱল বেংক'ৱেটতহে একেলগে খোৱাবোৱা কৰা হৈছিল। আৰু এটা কথা ইয়াত শুনিছিলোঁ যে চীনাসকলৰ কোনেও কাৰো মাল বস্তু নকঢিয়ায়, চিৰিঘৰত থৈ দিয়ে। প্ৰত্যেকে নিজৰ নিজৰ মাল-মত, যথাস্থানলৈ লৈ যায়। মই বৰ ভয় খালোঁ।

দীনেশে মোক ভাৰসা দিলে—তেওঁ আছে যদি কোনো চিন্তা নাই।

মই কিতাপ এখনত পঢ়িছিলোঁ যে, চীনাসকলে যেতিয়া কাৰোবাৰ বস্ত্র-বস্তু কঢ়িয়াই নিয়ে, সেয়া হয় চূড়ান্ত বন্ধুত্বৰ নিদৰ্শন। ক্ৰমে এই নিদৰ্শন পাইছিলোঁ। কিন্তু সেই হাউছত চীনেশেই মোক সহায় কৰিছিল। ইয়াতো বৎসলা আৰু মই একেটা কোঠাত আছিলোঁ। মই ভাবিছিলোঁ, বৎসলাই কিজানি কুও চিন লানৰ (কোটনিছ পত্নী) সৈতে থাকিব। তেওঁ—অৰ্থাৎ কুও চিন লান অৱশ্যে প্ৰায়েই আমাৰ কোঠাত আহি বহিছিলহি। ইয়াত আমাৰ কোঠাত ফল, বাদাম এইবোৰ তো থৈ গৈছিলেই, আৰু এটা নতুন বস্তু থালোঁ—আখৰোটৰ মিঠা আখৈ।

ছিজিয়াচুৱাঙৰ সেই হাউছতে থাকোঁতেই আমি দুৱাৰত চিটিকনি লগোৱা বন্ধ কৰিলোঁ। ‘আনন্দবাজাৰ’ৰ ওচৰত প্ৰতিশ্ৰুত থকাত বহু ৰাতিলৈকে কলমটিয়ায়ো •বোৱাৰীলৈ চিঠি লিখিছিলোঁ। চিঠি গৈ পাওঁতে যে দহ্‌দিনমান লাগিব, জানিছিলোঁ। গৈ পাবনে নাই মাজে-সময়ে তাকেহে ভাবিছিলোঁ। আমি যে কোতয়ালৈ চিঠিপত্ৰ পাম তাকো প্ৰতিদিনেই ভাবিছিলোঁ। পঢ়িব পৰা বাতৰি কাকতৰ অভাৱ আৰু ভাষাৰ হেঙাৰে মাজে মাজে এই একাকীত্বক বঢ়াই তুলিছিল, সেয়েহে চিঠি লিখোঁতে দেশৰ সংগ অনুভৱ কৰিছিলোঁ। বহু ৰাতিলৈকে সাৰে থাকিলে ৰাতিপুৱা বিছনা এৰিবলৈ মন নাযায়, এই বিষয়ত বৎসলাও বৰ টোপনিৰহীয়া—যদিও তেওঁ মোক কৈছিল, ‘কিতাপ লিখোঁতে ময়েই প্ৰতিদিন পুৱা তোমাৰ মেজত কফি দিছিলো বুলি লিখিবা’। গতিকে, বন্ধুত্বৰ খাতিৰত সেই কথাটো মানি লৈছোঁ।—যি কি নহওক, এতিয়া যিহেতু খাটাং কৰা হ’ল যে দুৱাৰত চাবি অৰ্থাৎ খিলি বা ড’ৰ লকেৰে ভিতৰৰপৰা আৰু বন্ধ কৰাৰ দৰকাৰ নাই, তেতিয়া খুলি ৰাখিলেই সুবিধা। দুৱাৰত টুকুৰিয়ালে ক’ম ‘কাম ইন্’ আৰু লগে লগেই ধোঁৱা উৰি থকা কফিৰ পিয়লাৰ আবিৰ্ভাৱ হ’ব। পিছে ধোঁৱা হ’লে বৰ বেছি বলা নাছিল। গাখীৰ-চেনিৰে চাহ বা কফি খাবলৈ এওঁলোকে নাজানেই। পিয়লাত ঢালি লৈ আহোঁতেই কফি চেঁচা পৰে—আৰু গিলাচত দুগিলাচ গাখীৰ আৰু চেনি। ৰাতিপুৱা কফি দিয়াৰ নিয়ম নাই। কিন্তু গুপ্তই প্ৰতি নিশাই শুবলৈ যোৱাৰ আগতে কৈছিল, “পুৱা আমাৰ বাবে কফি, মুনাই (গাখীৰ) আৰু শ্‌্গাৰ (চেনি) আনিবা।” যদিও সেই কফিৰে আমাৰ বেড-টি-ৰ হেঁপাহ পলোৱা নাছিল।

৯ তাৰিখে আবেলি পৰতে আমি ডা. কোটনিছ, ডা. অটল আৰু ডা. বেথুনৰ সমাধি চাবলৈ ওলালোঁ। পাৰ্কৰ ভিতৰত এটা লাউঞ্জ আছে, তেওঁলোকে মালাবোৰ সজাই তাতে লৈ আহিল। গোটেইখন চীন দেশতে এই সময়ছোৱাত ফুল একেবাৰে নাই বুলিলেই হয়। আছে কেৱল ক্ৰিছেন্থিমাম। সেইখিনিও ঘৰৰ ভিতৰত বা আঁৰ-বেৰ থকা ঠাইত টবত আছে—তাৰ লাৱণ্যও নিপ্ৰভ। সেয়েহে কাগজৰ ফুলৰ মালা তৈয়াৰ কৰিছে। বৰ ডাঙৰ ডাঙৰ ফুল। মালাধাৰ ৰেকৰ্ডত আঁৰি দিব পৰাকৈ ষ্টেণ্ডত লগাই থৈছে। বিভিন্ন প্ৰতিষ্ঠানৰপৰা মালা দিয়া হ'ব। ওৱাং নান্ পিন্ ৰেভলিউশ্যনাৰি কমিটিৰ চেয়াৰমেন, ভাইছ চেয়াৰমেন, মিলিটাৰি হাস্পতালৰ কৰ্মীবৃন্দ, লিবাৰেশ্যন আৰ্মিৰ বৰমূৰীয়া—এওঁলোকৰ আটায়েই মালা দিব। আৰু ইপিনে আমাৰ দূতাবাসৰ হৈ শ্ৰীনাৰায়ণন্, ভাৰতীয় ডেলিগেশ্যনৰ হৈ ডা বাসু, মংগেশ কোটনিছ আৰু বৎসলা আৰু মই।

দূতাবাসৰ মালাধাৰৰ দাম কোনে দিছিল নাজানো। কিন্তু আমাৰ মালাৰ দাম তেওঁলোকেই দিছিল। কথাটো ঠিক সুবুজিলোঁ। আমাৰ ওচৰত টকা নথকা নহয়—প্ৰায় পাঁচশমান টকা তো তেওঁলোকেই দিলে, তদুপৰি আছে ৫৮টা আমেৰিকান ডলাৰ। খৰচ বোলোঁতে তো এ'কাৰেই নাই—তেনেহ'লেনো আমাৰ মালাৰ দাম আমি নিদিম কিয় ?

দলপতি ডা. বাসুক এবাৰ সাৱধানতাৰে সুধিলোঁ, “মালাৰ ব্যৱস্থা কোনে কৰিব ?”

তেওঁ গম্ভীৰভাৱে ক'লে, “সেইবোৰ কথা নাভাবিলেও হ'ব।”

অতএৱ, মই নাভাবিবলৈ চেষ্টা কৰিলোঁ। কিন্তু মনটো কুটকুটাই থাকিল।

মালা লৈ সকলোৱে সমাধিলৈ খোজ ল'লোঁ। পাৰ্কখন সুন্দৰকৈ সজোৱা। কিন্তু এতিয়াতো চাৰিওফালে শুকান। পিছে পাত নথকা লঠঙা গছৰ শোভা নথকা নহয়। আবেলিৰ ৰ'দ পৰি কিছুমান ‘এভাৰগ্ৰিন'ৰ জোপোহা উজ্জ্বল হৈ উঠিছে। এখন বনৰ সীমাত সেই যুগ্ম সমাধিক্ষেত্ৰ—ডা. কোটনিছ আৰু ডা অটল ওচৰা-উচৰিকৈ আছে। এই বন সেউজীয়া ছাইপ্ৰেছৰ বন। বুজিলোঁ, জাৰকালিও ছাইপ্ৰেছৰ পাত নসৰে। ছাইপ্ৰেছৰ কথা শুনিলেই মোৰ সাগৰৰ কথা মনত পৰে। কিয় ক'ব নোৱাৰোঁ। এই দেশখন সাগৰৰপৰা বহু দূৰৈত। হয়তো মৃত্যুৰ প্ৰাংগণলৈ আহি সাগৰৰ কথা মনত পৰিছে।

এজনৰ পিছত আনজনকৈ সকলোৱে মালা দিলে। ফ'টো তোলা হ'ল। কুও চিন লান আৰু বংসলাৰ দুগাল তিয়াই চকুলোৰ ধাৰ নামিল। তেওঁলোক ওচৰা-উচৰিকৈ থিয় হৈ উচুপি আছিল। কুও চিন লানে পুনৰ বিয়া কৰাইছিল। তেওঁৰ দ্বিতীয় বিবাহৰ সন্তানাদিও আছে। তেওঁৰ নতুন জীৱন নিশ্চয় আন ধৰণৰ। তথাপি তেওঁৰ এই অশ্রুপাতৰ সৌন্দর্যাই যেন সেই পশ্চিমৰ আকাশত মেলানি মাগি হালিপৰা সূৰুযৰ অস্তৰাগৰ দৰে এই মৃত্যু উৎসৱক মোৰ চকুযুৰিত ৰঙীন কৰি তুলিলে।

সকলোৱে ইফালে-সিফালে টহলি আছিল। কিন্তু ইমান ঘূৰি ফুৰিব মই নোৱাৰোঁ। মই সেই সমাধি-প্ৰাংগণৰ দেৱালৰ ওপৰত বহি ছাইপ্ৰেছ বনৰ দৃশ্য চাবলৈ ধৰিলোঁ। কেনে ধুনীয়া পার্ক, কেনে অপৰূপ ছাইপ্ৰেছ পাতৰ ঢৌ! এই নিষ্পত্ৰ বনৰ ৰাজ্যখনো অন্তৰৰ কোন সম্পদত যে সেউজ হৈ আছে—কোনোবাই মোক ক'ব পাৰিবনে? বনৰ তলে তলে ছায়াময় ভূমি বহুদূৰলৈ বিয়পি গৈছে। আবেলিৰ ৰ'দ পৰি ঠাইটুকুৰা অলপ ৰঙচুৱা হৈ উঠিছে। মোৰ মনৰ আগত এগৰাকী বৰ্ষীয়সী মহিলাৰ অশ্ৰুজল যেন চালিধৰা ময়ূৰ হৈ গ'ল। প্ৰেমৰ ডেউকাত অনেক ৰং, বিচিত্ৰ তাৰ বৰ্ণচ্ছটা।

লীএ মোক ক'লেহি, "তুমি নোযোৱা নে কি? সকলো গ'ল দেখোন।"

মই চমকি উঠিলোঁ। সকলোটিৰ লৈতে ওলালেই যদি তেওঁলোকে মোক এৰি থৈ আগুৱাই যায়, আৰু মই যদি পিছ পৰি থাকোঁ, তেনেহ'লে মই কেতিয়া তেওঁলোকৰ কাষ পামগৈ!

বাট বুলি বুলি গৈ থাকোঁতে লীএ ক'লে, "তুমি অকলশৰে বহি বহি কি ভাবি আছিলা?"

"ভাবি আছিলোঁ—ইমান উৎসাহৰে এই দেশলৈ আহিলোঁ কিয়। উভতি গৈ মই যে মোৰ দেশখনক তোমালোকৰ দেশখনৰ দৰে গঢ়ি তুলিম সেই সাধ্য মোৰ নাই।"

"তুলিবাই বা কিয়। তোমাৰ দেশ তোমাৰেই।"

"সেই কথা ঠিকেই। পিছে দেশলৈ উভতি গ'লে বহুতেই মোক বহুতো কিবাকিবি সুধিব। মোৰ এটা দায়িত্ব আছে—কিন্তু মই চাগৈ একোৱেই ক'ব নোৱাৰিম।"

"কিয় ?"

"কাৰণ, মই ভালেমান কথা বুজিবই পৰা নাই। আৰু এনে কেতবোৰ কথা ভাবিছো, যিবোৰ হয়তো সঠিককৈ ভাবিব পৰা নাই। যেনে—অলপ আগতে তোমালোক আটায়ে যেতিয়া আন্তৰ্জাতিকতা, সাম্ৰাজ্যবাদ, বিপ্লব, আৰু কত কি ভাবি আছিলা—মই তেতিয়া একেবাৰে আন কথা লৈ ভবা-গুণা কৰি আছিলোঁ।"

"অসম্ভৱ নহয়, সকলোৰে চিন্তাধাৰা একেটা সুঁতিৰে বৈ নাযায়।"

"জানো—এই কথাষাৰ তুমি মানিবা—Let hundred flowers bloom—শত পুষ্প বিকশিত হওক। বাৰু লী, তুমি জানো intellectual ?"

"অলপ। পিছে তোমাৰ ওচৰে পাজৰেও নহয়।"

"তোমাৰ বয়সনো আৰু কিমান হ'ব—পঁয়ত্ৰিছ কি ছয়ত্ৰিছ—মোৰ ছোৱালীতকৈও সৰু তুমি। তোমাৰ যেতিয়া মোৰ সমান বয়স হ'ব, মই আশীৰ্বাদ কৰিছো, তুমি যেন মোতকৈ বহু ডাঙৰ ইনটেলেকচুৱেল হোৱা।'

আৰু তেতিয়াই লগে লগে মোৰ মনত পৰিল, আৰু আকৌ ক'লোঁ—"অ' নহয় নহয়, ইনটেলেকচুৱেল হোৱাটো তো তোমালোকৰ পক্ষে নিন্দাৰহে কথা। তুমি ভালকৈ হাতুৰী কোবাবা।"

এনেতে দেখিলো মং আহিছে।

মং শকত আৱত হ'লেও অতি থৰকৈ খোজ কাঢ়িব পাৰে আৰু কামিলা।

সি ক'লে, "ইমান পিছ পৰিলা কিয় ? ইয়াতে থাকিবানে কি ?"

মই ক'লোঁ, "ভাল কথা, এটা কৰব খান্দা তেনে।"

ক'লে কি হ'ব—সি তো এটা আখৰো নুবুজিলে। বেছ মজা, তাক যি ইচ্ছা তাকে ক'ব পাৰি, সিতো একোকে নুবুজিব।

"এই লী, অনুবাদ কৰাঁ।'

লীএ ভুৰু কোঁচালে, "নকৰোঁ।"

ইপিনে মঙে মোৰ কিলাকুটিৰ ওচৰত ধৰি মোক প্ৰায় ঠেলি হেঁচি লৈ যাবলৈ ধৰিলে।

তিমানতে সকলোৰে বেথুনৰ সমাধি আৰু পূৰ্ণাবয়ৱ মূৰ্তি পৰিদৰ্শন কৰি শহীদ ভৱনলৈ খোজ ল'লেই।

সেইদিনা নিশালৈ আমাৰ বাবে বিৰাট ভোজৰ আয়োজন কৰা হৈছিল। সেই মিলিটাৰি হস্পিতাল কৰ্তৃপক্ষয়েই আমাৰ নিমন্ত্ৰণকৰ্তা। কিমান মানুহ যে আহিছিল ঠিক ক'ব নোৱাৰিলোঁ। নিশ্চয়েই কমেও ত্ৰিছবপৰা জন হ'ব। নিমন্ত্ৰণলৈ যাবলৈ বৎসলাই লগত ভাল ভাল শাড়ী লৈ আহিছিল। খুব জকমকীয়া আৰু বাছকবনীয়া চাই শাড়ী এখন তেও উলিয়ালে। মই বোলাক বস্তুটো চকু পাৰি চাব নোৱাৰোঁ। বৎসলাই অলপ গহনাপাতিও লৈ আহিছিল।

মই ক'লোঁ, "বৎসলা এইবোৰ নিপিন্ধিবা। তেওঁলোকে এইবোৰ একো নিপিন্ধে নহয়—।"

বৎসলাই ক'লে, 'তেওঁলোকে নিপিন্ধিব পাৰে। সেইবুলি আমাৰ সাজপাৰ আমি নিপিন্ধিম কিয় ?"

বৎসলাৰ যথেষ্ট ব্যক্তিত্ব আছে। মোৰ ব্যক্তিত্ব কম। মই অলপ ভয়েই খাইছিলোঁ কিজানি, সেয়েহে ৰজিতা খুৱাই এখন ছিৰৰ শাড়ীকে পিন্ধিলোঁ। ইয়াত ছোৱালীহঁতে সাজ কাচ নকৰা বাবে ইঅ'ৰোপৰ মানুহে নিন্দা কৰে। কিন্তু এয়া হ'ল আমাৰ অভিজ্ঞতাৰ বিষয়। আমিও এসময়ত এই কাম কৰিছিলোঁ। গান্ধীজীৰ আশ্ৰমলৈ কোনোবাই বেনাৰচী পিন্ধি গৈ স্বস্তি অনুভৱ কৰিছিল জানো ? শান্তিনিকেতনতো সাজকাচ কৰিব নোৱাৰিছিল। গোটেই দেশখন জুৰি তেওঁলোকৰ শিক্ষা বজায় ৰাখিব পৰা হ'লে ভালেই হ'লহেঁতেন।

অৱশেষত বৎসলায়ো মত সলাবলগীয়া হৈছিল। শেষৰ ফালে আমি গোটেই দিনটো পিন্ধি যুৰা ধূলি-ধূসৰিত সাজপাৰেৰেই বেংক'ৱেটত উপস্থিত হৈছিলোঁগৈ। তেতিয়া বৎসলাই কৈছিল "ধেৎ—কোনোৱেই দেখোন কাপোৰ নসলায— মিছামিছি আমিয়েইবা পৰিশ্ৰম কৰি মৰোঁ কিয় ?'

মিলিটাৰি হস্পিতালৰ বিৰাট হলঘৰত মানুহৰ খদমদম। কমেও ত্ৰিছবপৰা চল্লিছ বিধৰ খোৱাবস্তু। ইয়াতেই প্ৰথমবাৰৰ বাবে এপদ বিশেষ ধৰণে ৰন্ধা মাছৰ আঞ্জা খালোঁ। মোৰ টেবুলত যিজনী ইণ্টাৰপ্ৰেটাৰ আছিল তেওঁক সুই এপদ ৰন্ধা-বঢ়া সম্বন্ধে সুধি গম পালো যে এওঁ ৰন্ধন প্ৰকৰণৰ বিন্দু-বিসৰ্গও নাজানে। খোৱাবোৱাৰ মাজে মাজে মদ লৈ ইঅ'ৰোপীয় কায়দাত ট'ষ্ট কৰা চলি থাকিল। বাৰে বাৰে কোটনিছৰ আন্তৰ্জাতিকতাৰ কথা, ভাৰত-চীন মৈত্ৰীৰ কথা, উপস্থিত বন্ধুবৰ্গৰ স্বাস্থ্যকামনা ইত্যাদিৰ বাবে 'গাম্বে' বা 'বটমছ্ আপ'

বা 'গামপেই' বুলি লক গিলাছৰ মদ আনৰ গিলাচত লগাই একে শোহাই শেষ কৰিবলৈ ধৰিলে। বহুদিনৰ পাছত বেছ ভাঙৰ মিছামাছ খাই বৰ ভাল পালোঁ। বুজিলোঁ যে ফৰেইন এক্সচেঞ্জৰ বাবে এওঁলোকে মিছামাছ বিদেশলৈ পঠোৱা নাই। মই সেই দোভাষিনী মহিলাক সুধিলোঁ, "এই যে ট'ষ্ট কৰাৰ প্ৰথা—এয়া ইঅ'ৰোপৰপৰা লোৱা নে চীনৰ নিজা প্ৰথা।"

তেওঁ ক'লে, "এয়া চীনৰেই প্ৰথা।"

'গাম্বে' কথাষাৰ যে চীনা—উচ্চাৰণটো তেনেকুৱাই শুনিছিলোঁ, পিছে কথাষাৰ বোলে 'গমপেই'—মই বুজি পাইছো, কিন্তু 'ট'ষ্ট'? সেইটোও চীনানে? ইঅ'ৰোপৰ এটা প্ৰথাৰ সৈতে ইমান মিল হ'ব নোৱাৰে। চীনৰ বুকুৰ ওপৰত ইঅ'ৰোপৰ তাণ্ডৱনৃত্য বহুদিনলৈকে চলিছিল, গতিকে দুই এটা সামাজিক প্ৰথা শিপোৱাটো অসম্ভৱ একো নহয়। কিন্তু এই মহিলাজনী আৰু এজন আদহীয়া মানুহে ক'লে যে, এয়া হেনো তেওঁলোকৰ তাহানিদিনীয়া নিয়ম। মই অৱশ্যে এতিয়ালৈকে বিশ্বাস কৰিব পৰা নাই।

চীনাসকলে মদ খায়, অৰ্থাৎ আমাৰ দেশৰ দৰে মদ খোৱা নিষিদ্ধ নহয়। মদ খোৱাত আমাৰো অৱশ্যে শাস্ত্ৰীয় নিষেধ নাই। মদ খালে কাৰো জাত নাযায়, যেনেকৈ গোমাংস খালে জাত পাত নিৰ্ঘাত জহন্নামে যায়। কিন্তু আমাৰ শিক্ষিত ভদ্ৰসমাজত মদ খোৱা নিন্দনীয় কথা। আৰু এই নিন্দাৰ নিষেধ এটা সংগত কাৰণৰ ওপৰত প্ৰতিষ্ঠিত। এবাৰ খালে, বা বাধা নোহোৱা হ'লে কোনে কিমানলৈ নামিব—কোনেও ক'ব নোৱাৰে। যিবোৰ বস্তু খালে নিচা হয়, যিবোৰ বস্তুৱে মানুহক দাস কৰি পেলায়, যাৰ বাবে মানুহে মাটি-বাৰী বেচিবলগীয়া হ'ব পাৰে, যি বস্তু খালে বুদ্ধিভ্ৰংশ হয়—আটাইতকৈ ডাঙৰ কথা, যি বস্তু খালে ইন্দ্ৰিয় শিথিল হয়, অসংযত কামৰ প্ৰতি প্ৰবৃত্তি জন্মে—তেনেকুৱা বস্তু খাই লাভ কি। মদ তাছ পাশা, সৰ্বকৰ্ম নাশা। সেই কাৰণেই এই নিষেধ। কিন্তু মই অবাক হৈ লক্ষ্য কৰিছোঁ যে, কোনো কোনোৱে আকৌ মদ নোখোৱা-টোকে কুসংস্কাৰ বুলি ভাবে। গোমাংস নোখোৱাটো এটা কুসংস্কাৰ, কিয়নো, গোমাংস খালে কাৰো স্বাস্থ্য নষ্ট নহয় যে তাৰ যথেষ্ট প্ৰমাণ আছে। গোমাংস নোখোৱাৰ কাৰণ হ'ল—মনুৰ নিষেধ। কিন্তু মদৰ ক্ষতিকাৰক শক্তিৰ কথা মানুহে জানে। মনুৰ আদেশ থকা হ'লেও মদৰ অপকাৰিতা দূৰ নহ'লহেঁতেন।

মোৰ মনত আছে, ১৯৬৬ বা ৬৭ চনত জনসংঘীসকলে যেতিয়া গোহত্যা নিবাৰণৰ অৰ্থে আইন প্ৰণয়ন কৰাবলৈ পাৰ্লিয়ামেণ্টলৈ গৰু সমদল লৈ গৈছিল আৰু বাটৰ ডুকাষত টেৰিক্লিন শাৰ্ট আৰু নাইলন পিন্ধা আধুনিক জনতাই তেওঁলোকলৈ দণ্ডৱৎ জনাইছিল, তাৰ দিন দিয়েকৰ পাছত আমি দিল্লীত Obscurantism বা পশ্চাৎমুখিনতা সম্বন্ধে আলোচনাৰ বাবে এখন সন্মিলন পাতিছিলোঁ।

তেতিয়া বিলাতী আদব কায়দাত অভ্যস্ত একজন উচ্চপদস্থ অফিছাৰে মোক কৈছিল, "আপুনি বৰ ভাল কাম কৰিছে হেৰি—এই দেশৰ মানুহ ইমানেই কুসংস্কাৰাচ্ছন্ন, they do not know how to hold a drink (পিইঁতে মদটোপাও ঠিকমতে খাব নাজানে।"

মই ভাবিলোঁ, কি আপদ! মই মদ্যপান প্ৰচাৰিণী সন্মিলন পাতিছোঁ বুলিহে এওঁ ভাবি লৈছে দেখোন!

কোনটো কুসংস্কাৰ, কোনটো কুসংস্কাৰ নহয়—সেই সম্বন্ধে আমাৰ ধাৰণা বৰ ফটফটীয়া নহয়। যি কথা যুক্তিৰে বুজাব নোৱাৰি, গতানুগতিক বুলিয়েই যি পালনীয়, সেইটোকেই কুসংস্কাৰৰ পৰ্য্যায়ত পেলাব পাৰি। যি কথাত যুক্তি আছে, সেই বস্তু যিমানেই আওপুৰণি নহওক, সি বৰ্জনীয় নহয়, কুসংস্কাৰো নহয়।

মদ মাংসৰ কথা যেতিয়া ওলালেই, ইয়াতেই মোখনি মাৰি লওঁ। চীনা মানুহে মদ খায়—কিন্তু এই এমাহত বহুতো বেংক'ৱেটত প্ৰচুৰ খাদ্য আৰু মদ্য দেখা পালোঁ কিন্তু এজনকো মাত্ৰা চেৰাই যোৱা নেদেখিলোঁ। অলপো মতলীয়া হৈ উঠা নেদেখিলোঁ। মহিলাসকলে নাখায় বুলিয়েই ক'ব পাৰি। খালেও সামান্য ৰেড ওৱাইন। ময়ো ৰেড ওৱাইনৰ জুতি লৈছোঁ, বেছ মিঠা। আমাৰ দলটোৰ যিসকলে খাইছিল, যথেষ্ট খোৱাতো মতলীয়া হোৱা নাছিল। কেৱল মহাকবিয়েহে অদ্ভুত কাণ্ডৰ সৃষ্টি কৰিলে। অতিৰিক্ত ধূম্ৰ আৰু মদ্য পান কৰাত তেওঁৰ অৱস্থা এনেকুৱা হ'ল যে খাদ্যৰ আৰু প্ৰয়োজনেই নহ'ল তেওঁৰ। অৰ্থাৎ খাবকে নোৱৰা হ'ল। তেওঁৰ হাত-ভৰি ইমান কঁপিবলৈ ধৰিলে যে তেওঁ আনকি কাঁটা-চামুচো হাতেৰে ধৰিব নোৱাৰে। হাতেৰে খাব লাগে। অথচ ভোজ-মেলত তেৰেঁ-মনে একেখন টেবুলত বহাটো এটা নিয়মেই হৈ পৰিছিল। আৰু 'টেব্‌ল মেনাছ' সম্বন্ধে মোৰ সৰুকালৰেপৰা শিক্ষা ইমান মজ্জাগত যে টেবুলৰ

ওপৰত অ'ত-ত'ত লালটি পেলাই গিলাছ ওলোটাই থোৱা দেখিলে মোৰ সৰ্বশৰীৰ খঙতে কঁপিছিল।

"মহাকবি, আপুনি কাঁটাবে খোৱা নাই কিয়, হাতেৰে কেনেকৈ আছে কেলেই?'

"থাওঁ—থাওঁ—" বুলি কাঁটা তুলবলৈ গে তেওঁৰ কঁপ থকা হাতৰপৰা কাঁটা আৰু খাদ্য আটাইখিনিয়েই মজিয়াত পাৰল। এনেয়ে ভদ্ৰলোক বৰ ভাল, একেবাৰে হোলাৰ ভাই মোলা। অকপটীয়া। মনটো বৰ সৰল। খং-ৰাগ নায়েই। যিহকে নোকোৱা, যিমানেই নোকোৱা লাগলে, তেওঁ নিৰ্বিকাৰ। বটলটি হ'লেই হ'ল।

অৱশেষত দীনেশে তেওঁৰ দায়িত্ব ল'লে। তেওঁৰ ছিগাৰেট গন্থি কৰি দি, মদৰ মাত্ৰা বান্ধি দি তেওঁক সংযত কৰাৰ চেষ্টা কৰিছিল দীনেশে। আৰু গুপুতই কৈছিল, "হওক তেও, তেও হ'ল বেভল্যুশ্যনাৰ কবি—মদ নাখালে চালব কেনেকৈ?' বেছ দৃঢ়ভাৱেই কথাবোৰ কৈছিল তেওঁ। প্ৰাতদিনেই কৈছিল। এই কথাত তেওঁৰ আন্তৰিক বিশ্বাস থকা যেন বোধ হৈছিল।

এই কথাটো এইখিনিত এই কাৰণে কৈছো যে, নিচা নকৰিলে কবি হ'ব নোৱাৰি বুলি বহুতে ভাবে। যি বস্তু খাই অংগ প্ৰত্যংগ শিথিল হয়, সেই বস্তুৱে মগজুকো শিথিল কৰিব—এই কথাত সন্দেহৰ থল নাই। মদ্যপায়ীয়ে কবিতা লিখিব পাৰে, কিন্তু সুস্থ আৰু সংযমী মানুহে আৰু ভালকৈ পাৰিব। এই ক্ষেত্ৰত আমেৰিকাৰ অৱস্থা চোৱা যাওক।

তাত গধূলি দুগজমান বাট খোজ কাঢ়ি যাব নোৱাৰি। গধূলি ছবজাৰ পাছৰপৰা কোনোৱেই বাটেদি খোজ নাকাঢ়ে—কেতিয়া যে ক'ৰপৰা কোনে জঁপিয়াই পৰিব কি ঠিক। এইবোৰ কাম সিহঁতেই কৰে, যাক নিচা কৰিবলৈ টকা লাগিবই লাগিব। আৰু এইচামৰ সৰহভাগেই স্কুল কলেজত পঢ়া 'ছাত্ৰ'।

সেই কাৰণে কৈয়েই থোৱা হৈছে যে, জেপত পাচটা ডলাৰ সদায় ৰাখি থ'বা। আৰু খোজা মাত্ৰেই দি দিবা। এগৰাকী প্ৰফেছৰৰ লগত কথা হৈছিলোঁ। তেওঁ কৈছিল, 'অমুক বুঢ়া হ'ল, তথাপি শুনে। তেওঁক বাৰে বাৰে কোৱা হৈছিল যে জেপত পাচ ডলাৰ লৈ ফুৰিবা, নাই—নলয়। গুণ্ডাৰ হাতত পৰি এতিয়া কঁকাল ভাগি পৰি আছে। সিহঁতে সেই দিনা পাঁচ ডলাৰ পালেই সিদিনাৰ জোখাৰে সিহঁতৰ হৈ গ'লহেঁতেন।'

মই এই কথা ভাবি আচৰিত হৈছিলোঁ যে—ইমান ডাঙৰ অধ্যাপক এজনৰ ওচৰত ছাত্ৰইতৰ এই চূড়ান্ত বিপদৰ সমস্যাটো হ'ল পাঁচ ডলাৰৰ সমস্যা মাথোন।

বহুতেই সুধিছিল যে চীনত 'ড্ৰেগন'ৰ সমস্যা আছে নে নাই। তেওঁলোকে উত্তৰ দিছিল যে একেবাৰেই নাই।

মই সুধিলোঁ, "আৰু কানি? কানি জানো একেবাৰে নোহোৱা হ'ল?"

তেওঁলোকে কৈছিল, গাঁৱত কোনো কোনো আলৰ বুঢ়া-বুঢ়ীয়ে হয়তো খাবও পাৰে, পিছে তাৰ সংখ্যাও নিচেই নগণ্য। আফিং-বিৰোধী আন্দোলনৰ কথা আমাৰ মনত আছে। সকতে ককাদেউতাৰপৰা 'অ'পিয়াম ওৱাৰ'ৰ গল্প শুনিছিলোঁ। এটা নিচাখোৰ জাতিয়ে এদিনতে নিচা এৰিলে—। এওঁলোক সঁচায়ে দেশপ্ৰেমিক।

চীনাসকলে যথেষ্ট গোমাংস খায়, কিন্তু আমাক এবাৰো দিয়া নাছিল। ইমানবোৰ বিৰাট বিৰাট ভোজত ক'তো সেইপদ বস্তু নাছিল। আমি অৱশ্যে সিমান মাংসাশী নহওঁ। সেইটো হ'ল ৰুচিৰ প্ৰশ্ন। যেনে—দক্ষিণ চীনত হেনো কুকুৰ খায়। আমাৰ দলৰ এজনে ডাক্তৰ এগৰাকীক কৈছিল, "আপুনি দেখোন ডাক্তৰ, আপুনি হাক নিদিয়ে কিয়?'

ডাক্তৰে কৈছিল, "কি যুক্তিৰে হাক দিম? কুকুৰ খালে তো বেমাৰ-আজাৰ নহয়, ছাগলী বা ভেড়া খালেও নহয়। পিছে ছাগলী খাব পাৰিলে কুকুৰ নাখাব কিয়? ভৰশিলভেও জুতি লৈ চাইছিল, আপুনি চায় নেকি সোৱাদ লৈ?"

প্ৰশ্নকাৰীয়ে কৈছিল, 'ভৰশিলভ নালাগে, লেলিনে ক'লেও মই কুকুৰ নাখাওঁ।"

মই ফ্ৰান্সত ভেকুলীৰ ঠেং খোৱা নাছিলোঁ, শামুক খোৱা নাছিলোঁ, অক্টোপাছ খোৱা নাছিলোঁ—কিমাননো আৰু তালিকা দিম।

এই কথা লৈ ভাবিলে—মাংস একেবাৰে নোখোৱাটোৱেই ভাল বুলি বোধ হয়। জীৱহত্যা নিশ্চয়েই নিষ্ঠুৰতা। কিন্তু যদি খাবই লাগে তেনেহ'লে এই জীৱ আৰু সেই জীৱত পাৰ্থক্য মাথোন অভ্যাসৰহে, পাপ পুণ্যৰ নহয়। গৰু সম্পৰ্কে আমাৰ আৰু গাহৰিৰ সম্পৰ্কে মুছলমানসকলৰ এই পাপ পুণ্যৰ প্ৰশ্নটোৱে উক দিয়া বাবেই তাৰ প্ৰতি আমি সচেতন হোৱা উচিত। এইবাৰেই দুটা ঘটনা ঘটিছিল, এইখিনিতে কওঁ

উভতি আহোঁতে কাউন্টনত হোটেলৰ এখন দোকানৰ ওচৰত থিয় হৈ আছোঁ—পিছফালে এজন ভদ্ৰলোক থিয় হ'লহি। দেখাত ভাৰতীয় যেন লাগিল।

হাঁহি মুখেৰে সুধিলোঁ, "ভাৰতীয় ?"

তেওঁ বজ্ৰ-গম্ভীৰ কণ্ঠেৰে ক'লে, "নহয়, পাকিস্তান।"

মই আকৌ হাঁহি হাত বঢ়াই দিলোঁ।

"এতিয়া তো আমি বন্ধু, নহয় জানো ?"

ভদ্ৰলোকৰ মুখত বিজুলীৰ দৰে প্ৰসন্ন পোহৰ জলমলাই উঠিল। তেওঁ হাত বঢ়াই কৰমৰ্দন কৰিলে, "নিশ্চয়, মই তো বুজো। আমাৰ মাজত ইমান অশান্তি কিয়। পৃথিৱীৰ সকলো জাতিয়েই আগ-বাঢ়ি গৈছে, আৰু আমিহে ।"

মই ক'লোঁ, "অশান্তিনো ক'ত ? আমাৰ মাজত তো এতিয়া গভীৰ সম্প্ৰীতি। মই তো এতিয়া দেশলৈ উভতি গৈ ভাৰত-পাকিস্তান মৈত্ৰী সমিতি কৰিম।"

"হয় নেকি ? খুব ভাল কথা।" তেওঁ ক'লে।

দোকানখনৰ মালিকজন এজন চীনা, তেওঁ ওলাই আহি আমাৰ মাজত থিয় দিলে। ইহঁত হংকঙৰ চীনা, ইহঁতে অতি উৎকট ইংৰাজী কয়। সি ক'লে, "ইউ নো ফ্ৰেন্দছ, ইউ ফাইথ।"

মই ক'লোঁ, "নো, নো।"

সি বৰ জোৰেৰে ক'বলৈ ধৰিলে, "ইয়েছ, ইয়েছ। ইউ ফাইফ, হি টেক বিফ, ইউ নো টেক বিফ। ইউ ফাইথ—"

মোৰ মনটো হতাশ হৈ পৰিল। এই সামান্য বিষয়টো দেশ-বিদেশত কেনেকৈ বিয়পি পৰিছে। অথচ তাৰ বাবে আমাৰ যে কোনো লজ্জাবোধ হোৱা নাই।

সেইদিনা ৰাতিয়েই বি অ এ চি প্লে'নত তাৰ প্ৰমাণ পালোঁ।

মোৰ পিছফালে তাৰাচান্দ গুপ্ত বহি আছিল। তেওঁ চীন সম্বন্ধে বহুতো কিতাপ পঢ়িছে। এয়াৰ হ'ষ্টেছে 'মেনু' দি গ'ল। মেনুত বিফ ষ্টেক লিখা আছিল, আৰোহীজনে দেখা নাছিল। যেতিয়া খাদ্য লৈ আহিল, তেওঁৰ সন্দেহ হ'ল।

মোক সুধিলে, "এয়া বিফ নেকি ?"

"ঔ।" মই ক'লোঁ।

তেতিয়া তেওঁ এয়াৰ হ'ষ্টেছক মাতি ক'লে, "মোক বিফ দিলা কিয় ?"

তাই ক'লে, "তুমি তো মোক মানা কৰা নাছিলা ?"

তেতিয়া তেওঁ খঙেৰে ক'লে, "মই ভাবিছিলোঁ, ভাৰতীয়সকলে যে বিফ নাখায় সকলোৱেই জানে।"

হ'ষ্টেছে মিচিক কৰে হাঁহি ক'লে, "তুমি যে ভাৰতীয় মই কেনেকৈ জানিম।"

উভতি অহাৰ পথত মই আৰু মনোমালিন্য হোৱাটো নিবিচাৰিলোঁ। সেয়েহে মনে মনে ভাবিছোঁ যে, উচ্চবৰ্ণৰ হিন্দুসকলে তেওঁলোকহে একমাত্ৰ ভাৰতীয় বুলি ভাবে। পাঁচ কোটি মুছলমানে বিফ খায়—তেনেহ'লে তেওঁলোক ভাৰতীয় নহয়। খ্ৰিষ্টানসকলো নহয়, আদিবাসীসকলো নহয়, আৰুময়ো ভাৰতীয় নহওঁ। কিয়নো মই বিফ খালোঁৱেই।

ভোজৰ অন্তত, ৰাতি দহমান বজাত আমি ঘৰলৈ উভতি আহি গা পা ধুই ল'লোঁ। তাত ৰাতি গা ধুবলৈ ভাল। গা পা ধুই পোনেই বিছনাত বাগৰ। পিছে মোৰ বিছনালৈ যোৱাবো সময় নাই—ৰূপাৰ ওচৰলৈ ডেছপ্যাচ লিখিব লাগিব আনন্দবাজাৰৰ বাবে। এটা কৰ্মব্যস্ত দিন শেষ হ'ল—যি কাৰণে আমি ইয়ালৈ আহিছো। বৎসলা বৰ অভিভূত হৈ পৰিছিল—তেওঁৰ ককায়েকৰ কথা কতবাৰ যে কত ধৰণে সকলোৱে কৈছে। মই বৎসলাক ক'লোঁ, তেওঁলোকে বৰ সুন্দৰকৈ তেওঁৰ কথা কৈছে, তেওঁ তেওঁৰ জীৱন দি এটি সংগীত বজাই গৈছে। সংগীতে শত্ৰুকো মিত্ৰ কৰি তোলে। 'প্ৰায়শ্চিত্ত' নাটকৰ ৰজা বসন্ত ৰায়ৰ কথা মোৰ মনত পৰিছিল। তেওঁ কৈছিল, তৰোৱাল অতি ভয়ংকৰ বস্তু, তাৰে শত্ৰুনাশ কৰিব পাৰি ঠিকেই, কিন্তু শত্ৰুতা নষ্ট কৰিব নোৱাৰি। আৰু সংগীত যে এনেকুৱা মৃদু বস্তু—তাৰে শত্ৰুনাশ নকৰিও শত্ৰুতা নাশ কৰিব পাৰি। তোমাৰ ককায়েৰাৰ দৰে মানুহেই সেই সংগীত, বৎসলা, সেয়েহে এওঁলোকে বোধকৰো আমাক আমাৰেই এগৰাকী সন্তানৰ জীৱনসংগীত শুনাবলৈ মাতি আনিলে শত্ৰুতা নাশ কৰিবলৈ।

ডেছপ্যাচ লিখি, মাজনিশা যেতিয়া শুবলৈ আহিলোঁ, বৎসলা তেতিয়া টোপনিৰ কোলাত। এই শীতৰ দেশত পৰ্দা অঁৰা থাকে, ৰাতিৰ আকাশখন মনিব নোৱাৰি। লাইট নুমাই দিয়াৰ লগে লগেই অন্ধকাৰত ডুব গ'লোঁ।

কিন্তু টোপনি নাহিল। সেই নৈশশব্দৰ মাজত ঘড়ীটোৱে টিক্ টিক্কৈ সময়ৰ নির্দেশ দি থাকিল। মোৰ বিনিদ্ৰ নিশাটোক বিভিন্ন চিন্তাই জুমুৰি দি ধৰিলে। আজি যি দেখিলোঁ, তাতে মই নিঃসন্দেহ যে, এওঁলোকে আমাৰ দুয়োখন দেশৰ মাজত গোটখোৱা বিষবাষ্পখিনি নোহোৱা কৰিবলৈহে বিচাৰে—সেয়েহে এই সংগীতৰ সমাৰোহ।

কিন্তু মই যি কথা বিশ্বাস কৰিলোঁ, দেশলৈ উভতি গৈ মই সেই কথাবোৰ ক'ব পাৰিমনে? যদি ক'ব পাৰোঁও, গ্ৰাহ্য হ'বনে? মই কি পাম? বিশ্বাস, নে সন্দেহ? মই জানো, সন্দেহ নকৰাটোৱেই হ'ল সন্দেহ দূৰ কৰাৰ উপায়। বিশ্বাসেইহে অবিশ্বাসক পৰাজিত কৰে। ৰবীন্দ্ৰনাথ আৰু গান্ধীজী—দুয়োজনেই আমাক এই কথা শিকাবলৈ চেষ্টা কৰিছিল।

কিন্তু কেইজনে শিকিলে?

ওৱাং পিন্ নানে তেওঁৰ ভাষণত কৈছিল "এই ডেলিগেশ্যনলৈ স্বাগত জনাই এওঁলোকৰ যোগেদি আমি ভাৰতৰ জনগণলৈ আমাৰ সাদৰ সম্ভাষণ জনাইছো। ডা কোটনিছে চীন আৰু ভাৰতৰ মানুহৰ মাজত বন্ধুত্বৰ বীজ বপন কৰিবলৈ তেওঁৰ জীৱন আৰু ৰক্তদান কৰিছিল। আমি আশা পালিছোঁ, এই স্মৃতিভৱনৰ উদ্যাপনৰদ্বাৰা সেই মৈত্ৰীৰ সম্প্ৰসাৰণ হ'ব। আমাৰ দৃঢ় বিশ্বাস—আমাৰ দুয়োখন দেশৰ মানুহৰ যুগ্ম চেষ্টাত এই দুই বিৰাট দেশৰ হৃদয়ত কমৰেড কোটনিছ-ৰোপিত বীজ বিচিত্ৰ বৰ্ণচ্ছটাৰে পুষ্পিত হৈ উঠিব। ডা কোটনিছৰ মহৎ চিন্তা দীৰ্ঘজীৱী হওক। দীৰ্ঘজীৱী হওক চীন আৰু ভাৰতৰ মানুহৰ মৈত্ৰী।"

ওৱাং পিন নানৰ এই কথাবোৰ মনত পৰাত মোৰ আৰু সন্দেহ নাথাকিল যে, কোটনিছৰ স্মৃতিক সন্মুখত স্থাপন কৰি এয়া ভাৰতৰ প্ৰতি সম্প্ৰীতিৰ প্ৰসন্ন দৃষ্টিপাত।

চীনত আৰু ভাৰততো—এই দুয়োখন দেশতে নিশ্চয় এনেকুৱা বহুতো মানুহ ওলাব, যিসকলৰ জীৱনসংগীত শুনিবলৈ পালে শত্ৰুতা নাশ হয়। কিন্তু তেওঁলোকক আমি সন্মুখলৈ আনিব নোৱাৰোঁ—তেওঁলোকৰ কথা শুনাৰ কাণেই আমাৰ নাই। সেযেহে ৰাজনীতিৰ ক্ষেত্ৰত সদায় বলদৰ্পী কুকুৰাযুঁজৰ আখৰা চলে—স্কাইলাৰ্ক তেতিয়া অগাধ নীলা শূন্যৰ কোনোবাখিনিত হেৰাই যায়—তাৰ সংগীত কাণতে নপৰে।

১০ তাৰিখে পুৱাৰ ফালে আমি আকুপাংচাৰ এনেষ্থেছিয়া চাবলৈ যোৱাৰ কথা আছে। আকুপাংচাৰ চিকিৎসা সম্পৰ্কে আমাৰ দেশত এতিয়া মোটামুটিভাৱে মানুহে জানে। তথাপি এইখিনিতে এই সম্পৰ্কে দুই-চাৰি আষাৰ কোৱা প্ৰয়োজন, বৰ্তমান চীনৰ ৰূপৰেখাৰ বুজ ল'বলৈ। আকুপাংচাৰ চাবলৈ কেৱল ভাৰতীয় ডেলিগেশ্বনেই যাব, আনসকল পিকিঙলৈ উভতি গ'ল। শ্ৰীনাৰায়ণন আৰু তেওঁৰ লগৰীয়াসকলৰ আন কাম থকাত তেওঁলোকো থাকিব নোৱাৰিলে। যোৱাৰ আগতে ৰুই আলিৰ লৈতে মোৰ সাক্ষাৎ হ'ল আৰু আমি দুয়ো অলপ পৰলৈ কথা পাতিলো।

মই তেওক সুধিলোঁ, 'যোৱাকালিৰ ভোজমেলত ৰিচাৰ্ড ক্ৰাইএ কৈছিল যে যোৱা দহ বছৰতো এনেকুৱা ভোজমেল অনুষ্ঠিত হোৱা নাছিল, ইমান আনন্দ পোৱা নাছিল। এই কথাৰ অৰ্থ কি? মই ভাবিছোঁ—বোধহয় খাদ্যাভাৱ আছিল, নহ'লে ইমান দিন ভোজ খোৱা নাছিল কিয়?"

ৰুই আলিয়ে তেতিয়া মোক বৰ্তমানে নিন্দিত 'গেং অৱ ফোৰ' বা 'চাৰিজনীয়া চক্ৰ'ৰ কথা ক'লে।

তেওঁ ক'লে, "কালচাৰাল ৰেভলিউশ্বনৰ কালৰপৰা এওঁলোকে যেনেদৰে লোৰ টাঙোন ঘূৰাই সকলোকে চিধা কৰাৰ কামত লাগি গৈছিল—তেতিয়া দেশ জুৰি এক ভীতিৰ পৰিবেশ সৃষ্টি হৈছিল। তেতিয়া কোনোৱাই জানো মুকলি মনেৰে হাঁহি গল্প কৰিব পাৰিছিল, নে মাত বোল কৰিব পাৰিছিল? তেতিয়া আছিল এক সন্ত্ৰাসৰ ৰাজত্ব। বৃদ্ধ মা হাইতেৰষাৰা সিহঁতে দস্তৰমতে প্ৰাপ্তিং কৰাইছিল।

মই ৰুই আলিক ক'লোঁ, "ইয়াত যিবোৰ কথা কোৱা হৈছে তাৰ ভালেখিনিয়েই কিন্তু মই বুজা নাই। সেয়েহে এতিয়া তোমাৰপৰা মই বহুতো কিবাকিবি জানিবলৈ বিচাৰোঁ।"

তেওঁ ক'লে, "নোৱাৰিবা তো বুজিব। তাক আমি 'চিংলিছ' বুলি কওঁ।"

তেওঁ কোন্ ভাষাৰ কথা কৈছে মই নুবুজিলোঁ। কিয়নো ভাষা বুজাত মোৰ অসুবিধা হোৱা নাছিল, দোভাষীসকলে ধুনীয়াকৈয়েই অনুবাদ কৰে, তাক 'চিংলিছ' বুলিব নোৱাৰি। মই বুজাত টান পাইছিলোঁ কেতবোৰ তথ্য। কেতিয়াবা তেওঁলোকে কালচাৰাল ৰেভলিউশ্যনৰ প্ৰশংসা কৰিবলৈ ধৰিছে—কালচাৰাল ৰেভলিউশ্যনৰ যহতে বহু উন্নতি হোৱা বুলি কৈছে—আকৌ তেতিয়া যিসকল লোক নেতৃত্বত আছিল তেওঁলোকৰ নিন্দাও কৰিছে। কই আলিবপৰা মই এইবোৰ কথাৰহে আগ-গুৰি জানি ল'বলৈ বিচাৰিছিলোঁ, কিয়নো তেওঁৰ কবিতাৰ ভাষাত বহুতো 'পলিটিকেল জাৰগন' বা 'বাং বি' থাকিলেও তেওঁৰ মুখৰ ভাষা স্বচ্ছ। সাধাৰণভাৱে কথা পাতোঁতে তেওঁ ভালকৈ বুজাই ক'বও পাৰে। মই তেওঁক কাবৌকৈ ক'লোঁ যে, মই অন্তত তিনি চাৰি ঘণ্টা সময়ৰ বাবে তেওক পাবলৈ বিচাৰোঁ।

তেওঁ ক'লে, 'ভাল বাৰু, এইটোনো কি ডাঙৰ কথা। তুমি যিকোনো সময়তে আহিবা। হোটেল পিকিঙৰপৰা মোৰ ঘৰ এক হাউৰ থল।'

কিন্তু সেই সুযোগ যে নহ'ব মই বুজি পাইছিলোঁ। মই যি জানিব খুজিছো সি যে বিশেষ প্ৰয়োজনীয়। মোৰ যে সকলোকে বুজাই ক'ব লাগিব। মই যে লিখিকা, সেই কথাটোলৈ মোৰ লগৰীয়াসকলে গ্ৰাহ্যই কৰা নাছিল। কথাটো তেওঁলোকে অৱশ্যে নাজানিছিলও।

আগবেলা ন বজাত ব্ৰেকফাষ্টৰ পাছত আমি হস্পিতাললৈ ৰাওণা হ'লোঁ। তেতিয়াৰপৰা আমাৰ গাড়ীত নম্বৰ দিয়া হৈছিল। প্ৰত্যেকেই প্ৰত্যেকৰ গাড়ীৰ নম্বৰ চাই উঠিল, গতিকে আৰোহণপৰ্বত আউল লগাৰ আৰু কোনো সম্ভাৱনা নাথাকিল। প্ৰতিখন গাড়ীত দুজনকৈ যাব আৰু লগতে এজনকৈ দোভাষী। এই সময়ত হো পেই প্ৰদেশৰ গণ্যমান্য লোকসকলৰ বাহিৰেও পিকিং ৰেডিঅ'ৰ কেইগৰাকীমান বিশিষ্ট কৰ্মীও আমাৰ লগ হৈছিল বিভিন্ন যন্ত্ৰপাতি লৈ এখন গাড়ি—টেলিভিছন ইউনিট—কেইজনমান কেমেৰামেন। আনকি 'ফাৰ্ষ্ট এইড'ৰ দল এটিও।

দীনেশে মোক ক'লে, 'দেখিছেনে—আমাৰ লগে লগে কিমান মানুহ গৈছে—আমাক বিশেষ মৰ্য্যাদা দিছে এওঁলোকে—এয়া ৰাষ্ট্ৰীয় মৰ্য্যাদা।"

মৰ্য্যাদা সম্বন্ধে আমি খুবেই সচেতন। সেয়েহে মৰ্য্যাদা কাক দিছে যে—সেই

কথাটো সদায় মনত নাথাকে, ব্যক্তি-মানুহক নে তেওঁৰ কাৰ্য্যক, কোনো গোষ্ঠীক নে দেশক। মই এই কথাত নিঃসন্দেহ আছিলোঁ যে, তেতিয়া তেওঁলোকে ভাৰতবৰ্ষক অৰ্থাৎ ভাৰতৰ জনসাধাৰণলৈহে সম্মান প্ৰদৰ্শন কৰিছিল—ভাৰতৰ সৌহাৰ্দ্যকামী বুলিয়েইহে।

আকুপাংচাৰ এনেস্থেশিয়াৰ প্ৰয়োগ চাবলৈ আমি আগবেলা ছিজিয়াচুৱাং মিলিটাৰি হস্পিতাললৈ গ'লোঁ। চীনৰ আকুপাংচাৰ পদ্ধতিয়ে এতিয়া বিশেষ প্ৰসিদ্ধি লাভ কৰিছে। এই পুৰণিকলীয়া চিকিৎসা পদ্ধতি এতিয়া দেশ-বিদেশতো বিয়পি পৰিছে। এই চিকিৎসা পদ্ধতিক এতিয়া নতুনকৈ উজ্জীৱিত কৰি তোলা হৈছে।

মাও চে তুঙৰ এটি বাণীৰ বাহুল প্ৰয়োগ হৈছে—সেই বাণী বৰ্তমান চীনৰ সাংস্কৃতিৰ ক্ষেত্ৰত এটি বীজমন্ত্ৰস্বৰূপ—Weed through the past to bring forth the new, let ancient serve the present

আকুপাংচাৰ পদ্ধতি তথা বহুতো কামৰ মূলতে এই নিৰ্দেশ কাম কৰিছে। যিবোৰ 'weed, অলাগতিয়াল ঘাঁহ বন—সেইবোৰ উঘালি পেলোৱা। বহুতো আওপুৰণি প্ৰথা সংস্কাৰ নিয়ম—এসময়ত যাৰ প্ৰযোজন আছিল—এতিয়া শুকান জাবৰহে মাথোন। বহুতো ভুল—মানুহৰ অজ্ঞতাহেতুকে যিবোৰে এদিন মূল্য লাভ কৰিছিল, বহুতো যুক্তিহীন প্ৰথা, যাৰ মাজত সত্যতা নাই, কোনোবা দল বা গোষ্ঠীৰ সুবিধালৈ চাই সহৰভাগ মানুহৰ ওপৰত জাপি দিয়া হৈছিল, আজি সেইবোৰ জঞ্জালহে মাথোন—তাক উভালি পেলাব লাগিব। চিকিৎসাৰ ক্ষেত্ৰতে দেখা যায় যে জৰা ফুকা, তাবিজ কৱচ, মনসা পূজা আদিৰ নিৰৰ্থক জঞ্জালে আজিৰ দিনতো সমাজখনক আগুৰি ৰাখিছে। এই অন্ধ যুক্তিহীন বিশ্বাসক উভালি পেলোৱা আৱশ্যক—weed through the past—'ব্যৰ্থ প্ৰাণৰ আৱৰ্জনা' —তেতিয়াহ'লেই 'পুৰাতনৰ হৃদয় টুটি নিজেই নতুন উঠিব ফুটি'—to bring forth the new

কিন্তু সেইবুলি পুৰণি হ'ল বুলিয়েই সকলো ব্যৰ্থ নহয়। তাৰ মাজত কিমানখিনি সত্য আছে বিচাৰি চোৱা। মনসাৰ মূৰত সেন্দুৰৰ ফোঁট দি সাষ্টাংগে দীঘল দি পৰিলেই আই বেমাৰে পলাই ফাট নামাৰে। ছিটা দিবই লাগিব। এইখিনিত যেনেকৈ অলাগতিয়াল জঞ্জাল বৰ্জন প্ৰয়োজন, তেনেকৈ 'সৰ্পগন্ধা গুল্ম'টো যে

ৰক্তচাপৰ প্ৰতিবেধক—তাকো আৱৰ্জনা বুলি দলিয়াই নেপেলোৱাটো'হে প্ৰয়োজন।

কিন্তু এই ভাবধাৰাৰ পৰিষ্কাৰ কৰাটো যে একান্ত প্ৰয়োজন সেই বিষয়ে কমিউনিষ্ট চীন দ্বিধাহীন—বহুদিনীয়া ইতিহাসৰ লগত বহুদিনীয়া মৃত প্ৰথা। দ'ম বান্ধি উঠে—সমাজৰ ওপৰৰপৰা সেই পাষাণভাৰ নাভঁৰালে সত্যৰ আলোক প্ৰত্যাশা পূৰ্ণ নহয়।

আজিৰ দিনতো আমাৰ দেশত বলিয়া কুকুৰে কামুৰিলে কল জৰাই খুৱাই গাঁৱলীয়া মানুহে নিশ্চিন্ত থাকে। আওপুৰণি কল জৰাৰ ওপৰত বহুকালৰ বিশ্বাস থকা হেতুকে নিশ্চিত মৃত্যুলৈকো ভয় নাথায় আৰু ভেকছিন ল'বলৈও লৰা-ধপৰা নকৰে। আকৌ আনহাতে কিমান যে অব্যৰ্থ মহৌষধ, আয়ুৰ্বেদৰ কিমান যে চিকিৎসা পদ্ধতিৰ বহু প্ৰয়োজনীয় প্ৰয়োগ অনাদৰ অৱহেলাত নষ্ট হৈ গ'ল—তাৰ লেখজোখ নাই। ইঅ'ৰোপীয় চিকিৎসা-পদ্ধতিত দক্ষ চিকিৎসক-সকলে আয়ুৰ্বেদক একেলগে অবৈজ্ঞানিক আৰু কুসংস্কাৰ বুলি সকলো জাৰি-জোকাৰি পেলাব।

এই বিষয়ত মাও চে তুঙৰ উপদেশ হ'ল—'let ancient serve the present' পুৰণিৰ মাজত থকা যিবোৰ ৰক্ষণীয় তাক ৰক্ষা কৰা, সেইবোৰে নতুনৰ সেৱা কৰক। আকুপাংচাৰ চিকিৎসা-পদ্ধতিৰ এনে ব্যাপক প্ৰয়োগ হ'ল এই বাণীৰ উজ্জ্বল ভাষ্য।

নানকিঙলৈ গৈছিলোঁ এখন মেডিকেল কলেজ চাবলৈ। তাতো বেথুন মিলিটাৰি হস্পিতালত আকুপাংচাৰ সম্বন্ধে আমি বহলভাৱে শুনিলোঁ। কিন্তু মই যিহেতু ডাক্তৰ নহওঁ আৰু এই বিষয়ে যেহেতু মোৰ পূৰ্ব অভিজ্ঞতা নাই, সেই হেতুকে মই ভালকৈ বুজাই ক'ব নোৱাৰিম। তথাপি, যিমানখিনি পাৰোঁ তাৰে আপোনালোকে কিজানি অলপ-অচৰপ ধাৰণা কৰিবলৈ সক্ষম হ'ব।

নানকিঙত আমি বিৰাট মানুহৰ মূৰ্তি এটা দেখিছিলোঁ। মূৰ্তিটো এজন ওখ পাখ মানুহতকৈও ওখ। তাৰ গোটেই শৰীৰত বহুতো লাইন বা চেনেল আছে—ঠিক যেন শিৰা-উপশিৰা। কিন্তু সেইবোৰ কাল্পনিক লাইন—বাস্তৱত তেনেকুৱা শিৰা-উপশিৰা নাই। এটা সুইচ্চ টিপি দিয়াৰ লগে লগেই বিভিন্ন লাইনৰ লগতে বিভিন্ন লাইনৰ সংযোগ হৈ বিজুলীচাকি জ্বলি উঠিল—যিবিলাকে

শৰীৰৰ বিভিন্ন অৱস্থানৰ সৈতে যোগাযোগলৈ আঙুলিয়াইছে। এই যোগাযোগৰ কোনো বাহ্যিক নিদৰ্শন নাই। মোৰ ধাৰণা হ'ল যে আমাৰো যে কল্পিত ইড়া পিঙ্গলা সুষুম্না কুলকুণ্ডলিনী আদিৰ কথা কোৱা হৈছে, ইও তেনেকুৱাহে কথা। কিন্তু এইটো এটা পৰীক্ষিত বৈজ্ঞানিক সত্য যে, সেই চেনেল অনুসাৰে সূক্ষ্ম বেজি সুমুৱাই দি যি আকুপাংচাৰ চিকিৎসা কৰা হয়, তাৰে বহুবিধ ৰোগ আৰোগ্য কৰা হয়। চৌধ্যটা চেনেলত তিনিশ সাতানব্বৈটা পয়েণ্ট আছে, এই পয়েণ্টবিলাকৰ মাজেদি বেজি সুমুউৱা হয় আৰু মাজে সময়ে লৰা ই-চৰাই দিয়া হয়। এই চিকিৎসা-পদ্ধতি প্ৰস্তৰযুগৰেপৰাই চীনদেশত প্ৰচলিত। যিকালত অস্ত্ৰ-শস্ত্ৰ আছিল শিলেৰে নিৰ্মিতই তেতিয়া এই বেজি আছিল তিনিচুকীয়া শিলৰ বেজি, অৱশ্যে তাক বেজি বুলি নকৈ শিলৰ টুকুৰা বোলাটোৱেই সংগত। এই শিলেৰেই তেতিয়াৰ দিনত এই চিকিৎসা কৰা হৈছিল। তেতিয়াৰ দিনৰ সেই শিলৰ বেজি আমি তাত দেখি আহিছোঁ।

এয়া অৱশ্যে একেবাৰে আদিম আকুপাংচাৰৰ নিদৰ্শন—২০৬ খ্ৰিষ্ট পূৰ্বাব্দলৈকে ইয়াৰ লিখিত বুৰঞ্জী আছে। সেই শিলৰ বেজিৰ নাম আছিল 'বায়ান'। যিমানদূৰ সম্ভৱ সেই 'বায়ান'ৰ জোঙা আগভাগেৰে শৰীৰৰ বিশেষ বিশেষ অংশত চাপ দিয়া হৈছিল। অৱশ্যে এই কথা মোৰ অনুমান, কিয়নো পাথৰ তো আৰু শৰীৰৰ ভিতৰত সুমুৱাব নোৱাৰি। তাৰ পাছত, এই চিকিৎসা পদ্ধতি লাহে লাহে উন্নত হ'বলৈ ধৰিলে, শিলৰ সলনি বাঁহৰ বা হাড়ৰ বেজি ব্যৱহৃত হৈছিল, তাৰ পাছত তৈয়াৰ কৰা হ'ল ব্ৰ'ঞ্জৰ বেজি। ধাতু-নিৰ্মিত বেজি প্ৰস্তুত হোৱাত আকুপাংচাৰ চিকিৎসা পদ্ধতিৰ দ্ৰুত উন্নতি সম্ভৱ হৈ উঠিল। চীনাসকলৰ ঐতিহাসিক চেতনা অতি গভীৰ। এই অতীজৰ চিকিৎসা কাহিনী দস্তৰমত লিপিবদ্ধ আছে। আৰু বিভিন্ন সময়ত শৰীৰৰ বিভিন্ন অৱস্থানত আকুপাংচাৰ পয়েণ্টসমূহৰ বিচাৰ, বিৱৰণ আৰু চিকিৎসাৰ বিবৰ্তনৰ লিখিত সংবাদ যুগুতাই থোৱা হৈছে।

আকুপাংচাৰৰ সৈতে আৰু এবিধ চিকিৎসা-পদ্ধতিৰ প্ৰচলন আছে। এই পদ্ধতিৰ নাম 'অগ্নিবাষ্টন'। এক ধৰণৰ পাত পুৰি লৈ তাৰে তাপ দিব লাগে। ক্ৰমাত শাৰীৰবিদ্যাৰ উন্নতি অৰ্থাৎ সেই চেনেলসমূহৰ আৱিষ্কাৰ বৃদ্ধি পোৱাৰ লগে

লগে অন্যান্য বহুতো ৰোগৰ চিকিৎসাত আকুপাংচাৰ আৰু অগ্নিবাষ্টিনৰ প্ৰয়োগ কৰা হৈছিল। পিছে ১৬৪৪ চনৰপৰা ১৯১১ চনলৈকে চীনৰ শাসকবৰ্গই এই দেশীয় চিকিৎসা প্ৰথাৰ ওপৰত আস্থা হেৰুৱাই পেলাইছিল। ইমান কম খৰচতে, ইমান সহজ পদ্ধতি বুলিয়েই এই চিকিৎসা-পদ্ধতি বৰ্জিত হৈছিল আৰু ধনিকচামে এইবোৰ চিকিৎসা নকৰোৱা হৈছিল। কিন্তু গাঁৱে-ভূঞে সাধাৰণ মানুহৰ মাজত এই চিকিৎসাৰ প্ৰচলন থকাত চীনদেশৰ এই প্ৰাচীন বিদ্যাটি সমূলি লুপ্ত নহ'ল।

১৯৮০ চনত আফিং যুদ্ধৰ কালত সাম্ৰাজ্যবাদী শক্তিসমূহে মাথোন লুট পাত আৰু ৰাজনৈতিক ধৰ্ষণ চলায়েই সন্তুষ্ট নাছিল, সিহঁতে সাংস্কৃতিক আক্ৰমণো চলাইছিল। ইঅ'ৰোপৰ আক্ৰমণত চীনৰ প্ৰাচীন বিদ্যাসমূহো নানা ফালৰপৰা আক্ৰান্ত হৈছিল। কুওমিণ্টাং চৰকাৰো আছিল সিহঁতৰ আজ্ঞাবহ আৰু ১৯২৯ চনত এই পৰপদলেহী চৰকাৰে চীনৰ প্ৰাচীন চিকিৎসা-পদ্ধতি সমূলি নিষিদ্ধ কৰিলে।

কিন্তু ইমান বিপত্তি সত্বেও আকুপাংচাৰ চিকিৎসা-পদ্ধতি চীনদেশৰপৰা লুপ্ত নহ'ল—বৰঞ্চ দূৰ দৰণিৰ দেশতো এই পদ্ধতিয়ে লাহে লাহে শিপালেগৈ।

মাও চে তুং যেতিয়া দেশৰ কৰ্ণধাৰ হ'ল, তেতিয়া তেওঁ ক'লে চীনৰ ঔষধ আৰু ভেষজবিদ্যা এক ৰত্নগৃহ। এই সম্বন্ধে সকলো তথ্য সংগ্ৰহ কৰা আৰু তাক উন্নত কৰি তোলাৰ চেষ্টা কৰা উচিত।

আগতে যি কোৱা হৈছে—ই তাৰেই পৰিপূৰক কাৰ্য্য 'পুৰণিক আৱৰ্জনামুক্ত কৰা—পুৰণিয়ে নতুনৰ সেৱা কৰক।'

১৯৪৯ চনত নতুন চীনৰ প্ৰতিষ্ঠাৰ পাছত চীনৰ ভেষজবিদ্যা বিষয়ত ব্যাপক-ভাৱে গৱেষণা আৰম্ভ হ'ল—সকলো চিকিৎসা প্ৰতিষ্ঠানত ইয়াৰ প্ৰয়োগ আৰু গৱেষণা চলি থাকিল। মাও চে তুঙে চীনৰ প্ৰাচীন ভেষজ আৰু চিকিৎসাৰ সৈতে পাশ্চাত্য শিক্ষাৰ সংযোগ ঘটালে।

১৯৫৮ চনটো 'Great leap forward' বা 'দীৰ্ঘ পদক্ষেপেৰে আগ বাঢ়ি যোৱা'ৰ বছৰ। সৰ্বদিশত সৰ্বশক্তি প্ৰয়োগ কৰিবলৈ মাও চে তুঙে দেশবাসীলৈ আহ্বান জনালে। প্ৰতিটো প্ৰতিষ্ঠান, প্ৰতিজন মানুহেই সেই আহ্বানলৈ

সঁহাৰি জনালে। প্ৰত্যেকে নিজৰ নিজৰ কৰ্মক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন সাধিলে—অৰ্থাৎ সম্যক পৰিবৰ্ধন ঘটালে। তাৰেই এটি উজ্জ্বল নিদৰ্শন হ'ল আকুপাংচাৰ এ'নেস্থেশিয়া।

আকুপাংচাৰ চিচিৎসাৰ চৰম উৎকৰ্ষৰ পৰিচয় ইয়াত আছে। এই উৎকৰ্ষৰ ৰেহ-ৰূপ চাবলৈ আমি বেথুন মিলিটাৰি হস্পিতাললৈ গ'লোঁ, যদিও হস্পিতাললৈ যোৱাৰ আগতে সঠিককৈ বুজি পোৱা নাছিলোঁ যে তালৈ গৈ কি দেখা পাম। দুই এটা অপাৰেশ্যন চোৱা হ'ব—ইমানলৈকেহে জানো। আমাক বগা কোটচোলা পিন্ধাই, হস্পিতালৰ টুপি পিন্ধাই, নাক মুখ ঢাকি দিয়া হ'ল, আমাৰ জোতা সোলোকাই থৈ আন জোতা পিন্ধি সাজু হ'লোঁ। আমাৰ সৈতে দুজন ডাক্টৰ—তেওঁলোকে অলপমান শিকি ল'ব, আনসকল বিশুদ্ধ দৰ্শক। মিছিছ বাসু বহি থাকিল কৰিডৰৰ বেঞ্চিৰ ওপৰত।

তেও ক'লে, "মই সেই অপাৰেশ্যন টপাৰেশ্যন চাবলৈ নাযাওঁ, মই ইমান বাহাদুৰি দেখুৱাব নোখোজোঁ।

শুনিলোঁ, আগৰ ডেলিগেশ্যনৰ এজন বিপ্লৱী পুৰুষে লাংছ অপাৰেশ্যনৰ দৃশ্য চাই অজ্ঞান হৈ পৰিছিল। মোৰ অৱশ্যে বাহাদুৰি দেখুউৱাৰ ইচ্ছাটো বৰ প্ৰবল—নহ'লেনো এই খোঁৱা ভৰিৰে খুপি খুপি চীন পৰিভ্ৰমণলৈ ওলাওঁনে? মই স্থাপত্য চাবলৈ কায়িক শ্ৰম নকৰোঁ, কিন্তু মনৰ হেঁচা সহ্য কৰিব পাৰিম। আকুপাংচাৰ এনেস্থেশিয়া অৰ্থাৎ আকুপাংচাৰ কৰি এ'নকুৱা এডোখৰ উপযুক্ত ঠাইত বেজিৰে বিন্ধাই থ'ব যাতে অপাৰেশ্যনৰ নিৰ্দিষ্ট ঠাইটুকুৱা সাৰশূৰ নোহোৱা হৈ যায় আৰু ৰেমাৰীয়ে অপাৰেশ্যনৰ সময়ত সম্পূৰ্ণ সাৰে থাকিও কোনো দুখ নাপায়।

আমি প্ৰথমে যিটো কোঠাত সোমালোঁগৈ তাত ৰেমাৰী হ'ল এজনী আদবয়সী মহিলা। তেওঁ তেতিয়া শুই আছিল। তেওঁৰ ডিঙিৰ ওপৰত কাঁচিজোনৰ দৰে ৰঙা চিন দি থোৱা হৈছে। তেওঁৰ থাইৰয়েড গ্লেণ্ড অপাৰেশ্যন কৰা হ'ব। মুখৰ আগত এখন সৰু পৰ্দা। পৰ্দা থকাত ডাক্টৰসকলে কি কৰে নকৰে তেওঁৰ চকুত নপৰিব। তেওঁৰ ডিঙিত এটা বেজি বিন্ধোৱা হৈছে আৰু সেইটো এটা সৰু বেটাৰি ছে'টৰ সৈতে যুক্ত—বেজিটো মাজে মাজে লৰি চৰি উঠিছে। আগতে এই প্ৰক্ৰিয়াটো হাতেৰে কৰিবলগীয়া হৈছিল, তেতিয়া ডাক্টৰৰ

কৌশলৰ ওপৰত ভালেখিনি নিৰ্ভৰ কৰা হৈছিল। অপৈণত হাতেৰে দিয়াল ভালকৈ লৰচৰ নহ'বও পাৰে—সেয়েহে যান্ত্ৰিক পদ্ধতিটো অতি উন্নত কৰা হৈছে।

আমি বেমাৰীৰ মূৰৰ ফালে গ'লোঁ।

মহিলাজনীয়ে একেথিৰে চাই আছিল।

আমি সুধিলোঁ, "কেনে আছে ?"

তেওঁ সামান্য হঁহাৰ নিচিনা মুখ কৰি ক'লে, "মই কেতিয়াও ভালে থকা নাই।"

"এতিয়া কিবা বিশেষ কষ্ট অনুভৱ কৰিছেনে ?"

তেওঁ উত্তৰ দিলে, 'ওহোঁ।

তেতিয়া এওঁৰ অপাৰেশ্বনৰ যা যোগাৰ চলিছে। আমি তাত আৰু বৈ নাথাকি আন কোঠালৈ গ'লোঁ। তাত তেতিয়া এটি চেমনীয়া ল'ৰাৰ আঁঠুত অপাৰেশ্বন কৰাৰ কাম চলি আছিল। তাৰো বুকুৰ ওচৰত পৰ্দা ওলোমাই দিয়া হৈছিল। ডাক্তৰসকলে তাৰ আঁঠুৰ এটা কাষ কাটি পেলাইছিল। এজনে তেজ মচি আছিল—আৰু ভিতৰভাগৰপৰা কোমল আঁহৰ দৰে পেশীবিলাক উলিয়াই আনিছিল।

ভয়ংকৰ দৃশ্য!

ল'ৰাটোৰ সন্মুখত আমি থিয় দিলোঁগৈ।

সি মিচিকীয়াই হাঁহি আমালৈ অভ্যৰ্থনা জনালে।

"তুমি দুখ পাইছা নেকি ?' সুধিলোঁ।

সি ক'লে, "নাই, কোনো দুখ পোৱা নাই।"

আমাৰ দলটোৰ প্ৰতিজনেই তাৰ সৈতে কথা পাতিলে। আমি বিস্মিত হৈ তাৰপৰা ওলাই আহিলোঁ। ল'ৰাটোৰ কোনখিনিত যে বেজিটোৰে বিন্ধোৱা হৈছিল মোৰ মনত নাই। পিছে সেই একেদৰেই দুই এডাল বেজিৰে বিন্ধোৱা হৈছিল। মোৰ যিমানদূৰ মনত পৰিছে, বেজিটোৰে যি ঠাইত বিন্ধোৱা হৈছিল সেই ঠাইৰ সৈতে আঁঠুৰ সংযোগ সাধাৰণভাৱে অনুমান কৰিব নোৱাৰি। ল'ৰাটো সম্পূৰ্ণ সাৰে আছে, সেই ঠাইটুকুৰা অবশ কৰাও হোৱা নাছিল, অথচ সি ক'তো অলপো দুখ পোৱা নাছিল।

এইবাৰ আন এটি কোঠালৈ গ'লোঁ। ইয়াত অধিক জটিল অপাৰেশ্যন কৰা হৈছে।

ইয়াত এগৰাকী মহিলাৰ ডিঅ'ভ্রানেল আলছাৰ অপাৰেশ্যন কৰা হৈছে। পেটটোৰ ভালেখিনিয়েই ফালি পেলোৱা হৈছে আৰু পেটৰ ভিতৰৰ কল-কজাৰ সৰহভাগেই ডাক্তৰৰ হাতৰ ওপৰত। এজনে হাতেৰে তেজ মচি আছে, আন এজনে অপাৰেশ্যন কৰি আছে। মূৰৰ ফালে যাবলৈ খোজ লৈয়েই এজনী নাৰ্চক মোৰ একেবাৰে পিছফালে থিয় হৈ থকা দেখিলোঁ। মই মূৰ্চ্ছিত হৈ পৰিলে মোক ধৰিব বুলিয়েই তেওঁ তাত থিয় হৈ আছিল চাগে। পিছে মই মূৰ্ছকঁছ যোৱা ভকতনী নহওঁ—নিজৰ দেশত ট্ৰেনৰ ভৰাত গুণ্ডাৰ লাঠিৰ কোব খাই মূৰ ফালি ওলোৱা নিজৰ তেজ দেখিও মূৰ্ছা যোৱা নাছিলোঁ। পিছে আনৰ যন্ত্ৰণা দেখিলে কষ্ট হ'ব। কিন্তু সেই মহিলাজনীৰ কোনো কষ্ট হোৱা নাছিল। মুখখনত অলপ বিমৰিষ ভাব, অলপ আশংকাও আছিল চাগে, কিন্তু কষ্ট মুঠেই পোৱা নাছিল। দোভাষীৰ হতুৱাই তুই চাৰিষাৰ কথা পাতিলে, পৰ্দাৰ সিপাৰে যে কি ঘটিছে সেই বিষয়ে তেও একো জানে বুলি বোধ নহ'ল। মোৰ যিমান মূৰ মনত পৰিছে, এই বিৰাট অপাৰেশ্যনৰ বাবে তেওঁৰ ঊৰ্ধাংগত, সম্ভৱতে কান্ধৰ ওচৰত এটা মাত্ৰ বেজিৰে বিন্ধোৱা হৈছিল।

এই কোঠাটোৰপৰা ওলাই আমি 'থাইৰড' অপাৰেশ্যন চাইলৈ গ'লোঁ— কিন্তু ইতিমধ্যে অপাৰেশ্যন আৰম্ভ হ'লেই। বেমাৰীয়ে আমালৈ চাই মৃদুভাৱে হাঁহিলে।

বেথুন মিলিটাৰি হস্পিতালত আঠশ শয্যা আছে। সকলোৱেই মিলিটাৰি নহয়—আৰু মিলিশ্বিয়াও তো সাধাৰণ মানুহৰ সৈতে মিলি জুলিয়েই আছে। আমি ঘূৰি ঘূৰি বেমাৰীইঁতক চাবলৈ ধৰিলোঁ। সকলো বেমাৰীৰ ক্ষেত্ৰতেই প্ৰয়োজন অনুসাৰে পাশ্চাত্য চিকিৎসাৰ সৈতে প্ৰাচীন চীনা চিকিৎসাৰ প্ৰয়োগ কৰি চিকিৎসা কৰা হৈছে। ভূইকঁপৰ ফলত আহত হোৱা কেইজনমান বেমাৰীক দেখা পালোঁ। আমি চীনলৈ যোৱাৰ অব্যবহিত আগতে সেই দেশখনক প্ৰচণ্ড ভূইকঁপে জোকাৰি থৈ গৈছিল। এজন মানুহৰ কঁকালৰপৰা নিম্নাংগলৈকে অৱশ-অসাড় হৈ পৰিছিল, পিঠিত আঘাতপ্ৰাপ্ত হোৱাৰ ফলত। তেওঁৰ ডাক্তৰী চিকিৎসাৰ সৈতে আকুপাংচাৰো কৰা হৈছে। আন এজন আহতক দেখিলোঁ,

বাজহাড়ভাল ভাগিল। তেওঁৰ চিকিৎসাতো পাশ্চাত্য পদ্ধতিৰ লগতে আকুপাংচাৰ কৰাৰ ফলত অতি দ্ৰুত ভাল ফল পোৱা গৈছিল।

মই সুধিছিলোঁ যে, এনেস্থেশিয়াৰ সলনি আকুপাংচাৰ এনেস্থেশিয়া দিয়াৰ সুবিধাটো কি।

মোৰ প্ৰশ্নৰ উত্তৰত তেওঁলোকে ক'লে যে, বহু ক্ষেত্ৰত এনেস্থেশিয়াৰ ফলত নানা ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। কোনোবাই বমিয়ায়—কাৰোবাৰ হাৰ্টৰ অৱস্থা অলপ বেয়া হ'লে সহ্য কৰিব নোৱাৰে ইত্যাদি।

"আৰু লোকেল এনেস্থেশিয়া?"—মই আকৌ।

তেওঁলোকৰপৰা জানিলোঁ যে সকলোবিধৰ অপাৰেশ্যনত লোকেল এনেস্থেশিয়াৰে সুবিধা নহয়। তদুপৰি, আকুপাংচাৰ এনেস্থেশিয়াৰ ফলত বেমাৰী অতি সোনকালে ভাল হৈ উঠে, আনহাতে এই পদ্ধতিৰ আৰ্থিক ব্যয়ো ভালেখিনি কম।

যিজন ল'ৰাৰ আঁঠুত অপাৰেশ্যন কৰা হৈছিল সি তেতিয়াই কাষৰ কোঠাটোলৈ আহিল আৰু তাত বহি আপেল খাবলৈ ধৰিলে। শুনিলোঁ পেট ফালি অপাৰেশ্যন কৰাজনীও অলপ পাছতেই উঠি বহিব। যি হওক—এজন ৰোগীৰ লগতে আমি একেলগে ফটোও উঠিলো—তেওঁৰ বেণ্ডেজবন্ধা আঁঠুৰে লগতে। ফটো লোৱাত তাৰ দুখ ভাগৰ গুচিল নেকি নাজানো। যি কি নহওক, আৰু এটা কথা তেওঁলোকে ক'লে যে, এই আকুপাংচাৰ বিদ্যা আয়ত্ত কৰা তেনেই উজু। ইয়াৰ বাবে যন্ত্ৰপাতিও লাগে অতি সামান্য। গতিকে 'বেয়াৰ ফুট' ডাক্তৰসকলেও এই বিদ্যা অতি সহজে শিকিছে আৰু তাৰ ফলত গাঁৱে ভূঞে সহজেই চিকিৎসা কৰা সম্ভৱ হৈ উঠিছে। ভাবি চাওক, এনেস্থেশিয়া কৰাত কেইজন মানুহ লাগে। ভালেকেইজন মান। আৰু আকুপাংচাৰত এটা বেজিৰে বিন্ধাই দি নিশ্চিন্ত মনে বুকুখন ফালি এটা অকামিলা লাংছ বাদ দি চিলাই কৰি দিয়ক, সিপিনে বেমাৰীয়ে সুৰ্মথিৰা মুখত ভৰাই মুখখন অলপ চাফা কৰি ৰাখক।

এই বেথুন মিলিটাৰি হস্পিতালত কেৱল চিকিৎসায়েই কৰা নহয়, ই এটা শিক্ষাকেন্দ্ৰও। ইয়াত পুৰণি নিয়মেৰে ভেষজ দৰৱপাতি তৈয়াৰ কৰা হয়। চীনৰ আয়ুৰ্বেদ শাস্ত্ৰৰ ঔষধ প্ৰস্তুত প্ৰণালীৰ লগতে আমাৰ ভালেখিনি মিল আছে বুলি ধাৰণা হ'ল। যোৱা কেই বছৰমানৰ ভিতৰত ইয়াৰপৰা দুই হাজাৰ মান

নয়নপদ ডাক্তৰে শিক্ষাগ্ৰহণ কৰি গাঁৱলৈ গুচি গৈ'ছ। এওঁলোকে অলপ পাশ্চাত্য পদ্ধতিৰ লৈতে আয়ুৰ্বেদীয় আৰু লগতে আকুপাংচাৰ আৰু অগ্নিবাষ্টনো শিকিছে। অগ্নিবাষ্টনে আমাৰ দেশৰ কফুৰৰ চাকিৰ কথা সোঁৱৰাই দিয়ে। ৰোগ আৰোগ্যয়েই হ'ল লক্ষ্য—যাৰ পক্ষে যি পদ্ধতি যিমানখিনি কামত লাগিল—লাগিল, বাকীখিনিৰ বাবে আন পদ্ধতিৰে পৰিপূৰণ কৰি চিকিৎসা চলালে ৰোগ-ব্যাধি যদি সোনকালে ভাল হয়, বা যদি কোনো এটা দৰবেৰে কোনো এটা বিশেষ ৰোগৰ উপকাৰ হয়, তেনেহ'লে সি যি মতৰেই নহওক—নিশ্চয় গ্ৰহণীয়।

কথাষাৰ শুনাত ভালেই, আৰু যুক্তিসংগতো, কিন্তু কামত প্ৰয়োগ কৰিব জানো পাৰি?

ভাবি চাওকচোন—আমাৰ কলিকতাৰ মেডিকেল কলেজখনত এখন আয়ুৰ্বেদ ফাৰ্মেছিও আছে।

এই হস্পিতালত এশ একৰ মাটিত নানা ধৰণৰ ফল আৰু ঔষধিৰ খেতি কৰা হৈছে। সেই দিনা আবেলি পৰতে আমি আকৌ হস্পিতাললৈ গ'লোঁ—সেই বিভিন্ন ঔষধি চাবলৈ আৰু সেই সম্পৰ্কে বিভিন্ন তথ্য পাতি গোটাবলৈ।

এই যে এক আচৰিত চিকিৎসা আকুপাংচাৰ এনেস্থেশিয়া—এই চিকিৎসাৰ কথা কওঁতেও তেওঁলোকে কয়—এই সকলো মাও চে তুঙেই কৰিছে। এই কথা গেছৰ ধোঁৱাৰ দৰে ঘূৰি ঘূৰি আহে। কোনোবাই চাগৈ প্ৰশ্ন কৰিব, মাওৱে নো কেনেকৈ এইবোৰ কৰিলে? তেওঁ ডাক্তৰ আছিল জানো?—তেওঁ ডাক্তৰ নাছিল সঁচা কিন্তু পৰোক্ষভাৱে সৰ্বব্যাপী দূৰদৰ্শিতাৰে পুৰণিক নতুন কৰি তোলাৰ দূৰদৃষ্টি তেওঁৰ আছিল।

আন বহু দেশতে পুৰণিক একেবাৰে বৰ্জন কৰা হৈছে।

অগ্নিবাষ্টন হ'ল এবিধ পাত তপতাই সেঁক দিয়া। আমাৰো তেনেকুৱা আছিল। কফুৰৰ চাকি—বদহজম, পেট কামোৰণিত একেবাৰে অব্যৰ্থ।

আমি শুনিলোঁ যে মাও চে তুঙে হেনো কৈছিল Army should be learning, thinking and teaching unit' যিজনে আমাকে ঘূৰাই-মেলি সকলো দেখুৱাইছিল তেৰোঁ এজন সৈনিক আৰু ডাক্তৰ। তেওঁ দুবাৰ এই বাক্যষাৰ উচ্চাৰণ কৰিলে। আৰু মই আকৌ সাঁথৰত সাঙোৰ খাই পৰিলোঁ। আমাৰ

চিৰকলীয়া ধাৰণা 'আৰ্মি' মানে প্ৰায় এবিধ যন্ত্ৰ, আৰ্মিয়ে একো ভবা-গুণা নকৰিব, কেৱল যন্ত্ৰৰ দৰে কাম কৰি থাকিব—তেনেহ'লেহে শৃংখলা বজায় থাকিব, নহ'লে এক বিশৃংখল জনতাই কেতিয়াও যুদ্ধ জয় কৰিব নোৱাৰিব। সেইদেখিহে "They're not to make reply, they're not to reason why, they're but to do and die'—এই কবিতাটো আমি পঢ়িছিলোঁ, মুখস্থ কৰিছিলোঁ আৰু কবিতাটোৰ ভাৱেৰে উদ্দীপ্ত হৈছিলোঁ। অৱশ্যে আমাৰ পক্ষে যিমানখিনিকৈকে উদ্দীপ্ত হোৱা সম্ভৱ, কিয়নো আমি স্কুল ডেস্কত বহি বহিয়েই সেই উত্তেজনা খৰচ কৰি পেলাইছিলোঁ। আমি তো do and die কৰিবলৈ নাযাওঁ। কিন্তু আমাৰ সৈন্যসকলো নিশ্চয় এইদৰে শিক্ষিত হৈ উঠিছে।

আনকি সৌ সিদিনা জয়প্ৰকাশ নাৰায়ণে যেতিয়া হঠাতে ক'লে, "মই সৈন্য-বাহিনীলৈ অনুৰোধ জানাইছো, অনুৰোধ জনাইছো পুলিছবাহিনীলৈ, তেওঁ-লোকে অন্যায় আদেশ পালন নকৰে যেন—' তেতিয়া আৰ্মিয়েই আপত্তি জনাইছিলোঁ।

ইনো কেনে কথা।

তেওঁ আৰ্মিক বিদ্ৰোহ কৰিবলৈ উচটনিহে দিছে।

আৰু সেই কথাৰ সূত্ৰ ধৰি ইমাৰ্জেন্সি ঘোষণা কৰা হ'ল—কিমান মানুহক যে গ্ৰেপ্তাৰ কৰা হ'ল—সকলোৱে ক'বলৈ ধৰিলে জয়প্ৰকাশৰ কি ঘোৰ অন্যায়।

আৰ্মিক বিবেকৰ বাণী শুনিবলৈ কোৱাৰ কি দৰকাৰ আছিল তেওঁৰ।

আৰ্মিয়ে বিবেক লৈ বেহাবলৈ হ'লে যুদ্ধ কইৰ বো কুনি হ্য।

সেইদিনা হঠাতে ডা মা ওৱেন চেওৰ মুখৰপৰা মাও চে তুঙৰ কথা শুনি মই আচৰিত হ'লোঁ—ইমান ডাঙৰ যোদ্ধাজনেও কৈছে যে সৈন্যসকলেও শিকিব লাগিব, ভাবিব লাগিব, শিকাবও লাগিব।' যদি ভাবিবই লাগে—তেনেহ'লে যুক্তিৰ প্ৰয়োগও তো কৰিব লাগে, আৰু তেতিয়া তাৰ ফলত 'they are not to reason why' এই আপ্তবাক্য আৰু তো নচলিব।

মাও চে তুঙে কোৱা কথাষাৰ অভাৱনীয় একো নহয়। কিন্তু অনভ্যস্ত ভাবনা অভাৱনীয় যেন লাগে। মোৰ চিনাকি বন্ধু বান্ধৱসকলৰ মাজত যিসকল সৈন্য-সামন্ত আছে, তেওঁলোকৰ কথা মনত পৰিল, তেওঁলোকৰ সকলোৱেই ভবা-গুণা কৰিব পাৰে, আৰু কৰেও, মানুহ তো—গতিকে একেবাৰে ভবা গুণা নকৰা নহয়।

কিন্তু সৈনিকৰ কাম কৰিবলৈ গ'লেই যদি তেওঁলোকে চিন্তাশক্তি লুপ্ত হৈ কেৱল অন্ধৰ দৰে ৰাজ-নিৰ্দেশ মানি চলিবলগীয়া হয়, তেন্তেহ'লে মাহুহো যি বৰটোপও সি—মানুহ যে যন্ত্ৰ নহয়, মানুহ আৰু এজন সৈনিক ক্ষেত্ৰতো যে সেই মনুষ্যত্ব একেদৰেই মূল্যবান এই কথাৰাৰ যিজনে দীৰ্ঘকাললৈকে যুদ্ধ কৰি হাজাৰ হাজাৰ মাইল লং মাৰ্চ্চ কৰি যুদ্ধত বিজয়লাভ কৰি এখন বিৰাট দেশ পুনৰ্গঠিত কৰি তাৰ পাছতো ক'ব পাৰিছিল,—সেয়েহে তেওঁৰ এই কথাই প্ৰমাণ কৰিছে যে কমিউনিষ্ট দেশত আনসকলৰ স্বাধীন চিন্তাৰ অধিকাৰ কাঢ়ি লোৱাহৈঁতেন সৈন্যসকলক সেই অধিকাৰ দিয়া হ'লহেঁতেন নে? অন্যান্য কমিউনিষ্ট দেশৰ কথা মই নাজানো, কিয়নো আন কোনো এখন দেশেও মোক ইমানকৈ ভৰাই তোলা নাছিল।

আমাৰ দেশত আৰু অন্যান্য ইঅ'ৰোপীয় দেশতো এনে ধাৰণা যে চীনত কোনোৱেই স্বাধীন চিন্তা কৰিব নোৱাৰে, মতানৈক্য প্ৰকাশ কৰিব নোৱাৰে। এই কথা সঠিক হয়নে নহয় মই ক'ব নোৱাৰো—কিন্তু যিজনে সৈনিক সকলকো চিন্তা-চৰ্চ্চা কৰিবলৈ কৈছিল তেওঁৰ অন্তৰ্দৰ্শন কিমান গভীৰ।

ভাৰাটীয়া সৈন্য আৰু পিপ'লছ আৰ্মিৰ মাজত পাৰ্থক্য তেতিয়াই ফটফটীয়া হৈ পৰিল—বহুতো আধুনিক অস্ত্ৰসজ্জিত অগ্নিবাণৰ মাজত সুড়ংগপথত ধনু-কাঁড় লৈ ভিয়েতনামৰ নৱ নৱ উদ্ভাৱনী শক্তিৰ আধাৰ খীণ-মীন মানুহসকলক যেতিয়া মনত পৰিল।

এৰা, কৈ আছিলোঁ ভেষজৰ কথা, ক'ৰপৰা ক'লৈ আহিলোঁ। কিয়নো মই তো কেৱল বাহিৰতে ভ্ৰমণ কৰা নাই, ভ্ৰমণ কৰিছোঁ অন্তৰতো।

হস্পিতালৰ এশ একৰ মাটি। কম্পাউণ্ডত গাড়িখন সোমোৱাৰ লগে লগে চকুত পৰিল দুকাষত নিষ্পত্ৰ আপেল গছৰ শাৰি। ফল ছিঙি আনি গোটোৱা হৈছে। য'লৈকে গৈছোঁ মেজৰ ওপৰত নানা বিধৰ আপেলৰ দ'ম দেখা পাইছোঁ। হস্পিতালৰ সেই মাটিত আপেল, আঙুৰ আৰু নানাবিধ শাক পাচলি তো উৎপন্ন হয়েই, ডেয়ৰিতো ডাঙৰ ডাঙৰ অষ্ট্ৰেলিয়ান গাই। হস্পিতালৰ প্ৰয়োজনীয় গাখীৰ তাতেই উৎপাদিত হৈছে। উৎপাদিত হৈছে সত্তৰ হাজাৰ লিটাৰ গাখীৰ, ত্ৰিছ-চল্লিছ হাজাৰ কিল' আঙুৰ, তদুপৰি প'ল্ট্ৰিও আছে, কণী আৰু কুকুৰা যথেষ্ট।

এই এশ একৰ মাটিৰ চৌধ্য একৰ পাশুপালনৰ বাবে, বাকীখিনি ফল, শাক-

পাচলি আৰু ঘৰ-দুৱাৰ আৰু ফুলনি। তাৰ ফলত হস্পিতালৰ ব্যয়ভাৰ বহুখিনি লাঘৱ হৈছে। ডাক্টৰ-নাৰ্চ আদিয়েই এইবোৰ খেতি-বাতি আৰু পশু-পালনৰ কাম কৰিছে। আৰু কৰিছে বিভিন্ন ঔষধিবৃক্ষৰ খেতি—চীনা আয়ুৰ্বেদীয় চিকিৎসাৰ বাবে।

আমি এটা 'হট হাউছ' চাবলৈ সোমালোঁগৈ। বাহিৰত তো কোনো এজোপা গছতে এটা পাতও নাই, কিন্তু 'হট হাউছ'ৰ ভিতৰত টবত বিভিন্ন গুল্ম সেউজীয়া হৈ আছে। প্ৰতিজোপা গছ মোৰ চিনাকি, এনে এজোপা গছো তাত নেদেখিলোঁ। যিজোপা আচুতীয়াকৈ চীনদেশৰ, কেৱল এজোপা 'ফাংগাছ' দেখিলো—বটলৰ আধাৰত তাৰ শিপা, বটলৰ মূৰত মুগা আৰু বগা বঙৰ ছত্ৰাক জাতীয় বৰ উদ্ভটদৰ্শন আদিম গুল্ম। শুনিলোঁ সেই ঔষধি ফাংগাছজোপা পানীলগা জ্বৰ কাহৰ দৰবত ব্যৱহৃত হয়। ফুলিয়া ভিনকা জিৰ'নিয়াম এইবোৰ অতি-চিনাকি গছসমূহৰ গুণ কি কি জনাৰ ইচ্ছা আছিল কিন্তু সময় নহ'ল। তেওঁলোকৰ আয়ুৰ্বেদীয় ঔষধ-প্ৰস্তুত প্ৰণালীও নিশ্চয় আমাৰ দৰেই হ'ব—কিয়নো নানাবিধৰ তেল, চূৰ্ণ, পাচন ইত্যাদিৰ কথা শুনিলোঁ। হাস্পিতালৰ চীনা আয়ুৰ্বেদীয় ফাৰ্মাছিখন বেছ ডাঙৰেই।

মই আচৰিত হৈ ভাবি আছিলো যে ডাক্টৰ নাৰ্চসকলে দেখোন নিজা নিজা কাম কৰিয়েই আৰু আজৰি নোপোৱা হয় আৰু হাস্পিতালৰ সেৱক-সেৱিকাসকলে সদায় কামৰ হেঁচাত থকাৰ ফলত তেওঁলোকৰ মন মেজাজো খিটখিটীয়া হৈ থাকে। বেমাৰীয়ে এবাৰ বেডপেনটো খুজিবলৈকো ভয় কৰে। আমি সদায় কওঁ—এহ্, নাৰ্চসকল খাটি খাটি একেবাৰে লেবেজান হৈ পৰে, অলপ খিংখিঙীয়া নো নহ'ব কিয় ?

এওঁলোকে বেমাৰীকো সেৱা কৰে আকৌ হাঁহ কুকুৰাকো সেৱা কৰে, গৰুৰ আলপৈচান ধৰে, খেতি-বাতি কৰে—। কৰেনো কেনেকৈ ? মই ভাবিয়েই নাপালোঁ। অথচ যিবোৰ কথা-কাণ্ড চকুৰে দেখিছো তাক অবিশ্বাসেইবা কৰোঁ কেনেকৈ ?

কৰ্মী চীনাইতৰ কাম কিন্তু বৰ অনায়াস আৰু স্বচ্ছন্দ।

মাও চে তুঙে কৈছিল পুৰণি চীনৰ চিকিৎসাবিদ্যা এটি ৰত্নৰ খনি।—আৰু দেশৰ সমূহ বাইজ লাগি পৰিল সেই ৰত্নবোৰ বুটলিবলৈ।

কি বিস্ময় !

আমাৰ ভাৰতীয় চিকিৎসাও তেনেকুৱা আপুৰুগীয়া নাছিলনে ? কিন্তু বিজ্ঞান সম্মত উপায়ে সেই বিষয়ে গৱেষণাৰ কিমান চেষ্টা কৰা হ'ল ? আমাৰ যোগশাস্ত্র আমেৰিকা ফিৰত হৈ অহাত সম্প্ৰতে অলপ সমাদৃত হৈছে যেন লাগিছে। আমাৰ কবিৰাজসকলৰ বহুশ্ৰুত নাড়ী পৰীক্ষা কৰাৰ বিদ্যা, নিদানৰ কাল নিৰ্ণয়— এইবোৰ নিশ্চয় গছত গৰু উঠাৰ নিচিনা ঘটনা নাছিল। কিন্তু সেই আশ্চৰ্য্য শক্তিক ব্যৱহাৰ নকৰাত ক্ৰমে ক্ৰমে নষ্ট হৈ গ'ল। জৰা-ফুকা কৰাৰ নামত কিমান যে দৰবৰ ব্যৱহাৰ হৈছিল—এতিয়াও একেবাৰে নোহোৱা নহয় - সেইবোৰ লৈ গৱেষণা কৰিলে এতিয়া কিজানি বহুতো মূল্যবান ঔষধ পোৱা গ'লহেঁতেন।

অগ্নিবাণ্টন পদ্ধতিৰ কথা শুনি সৰুতে দেখা এটা দৃশ্য মোৰ মনত পৰিল।

এজনী তিনি বছৰ মান বয়সৰ ছোৱালী হঠাতে এদিন আমবাতত ফুলি ঢোল যেন হৈ পৰিল। তেতিয়া কোৱা হৈছিল আমবাত, এতিয়া 'এলাৰ্জি' বুলি কোৱা হয়। মোৰ আইতা আছিল এগৰাকী কবিৰাজ পৰিয়ালৰ বোৱাৰী—তেওঁৰ শহুৰেকৰ ঠালৰ উৰ্ধতন সাত পুৰুষ আছিল কবিৰাজ - নানাবিধৰ আসুৰিক বিদ্যা জানিছিল। সেই আইতাযেই এই ছোৱালীজনীৰ পেটৰ ওপৰত তামোলৰ ঢকুৱাত এটা শালপাত, মোৰ যিমান দূৰ মনত পৰিছে থানকুনি পাত থৈ, এডাল তপত লোৰ শলাৰে সেই পাতটো লাৰি চাৰি প্ৰায় ভজাৰ নিচিনা কৰি পেলালে। ছোৱালীজনীৰ মাক আৰু অন্যান্য আধুনিক দৰ্শকৰ প্ৰবল আপত্তি সত্বেও একে লেথাৰীয়ে তিনি দিন ধৰি তেওঁ এই চিকিৎসা চলালে। সেই ছোৱালীজনীৰ জীৱনতো আৰু এলাৰ্জি বা আমবাত হোৱা নাছিল। আমবাত বা এলাৰ্জি এবাৰ হ'লে কিন্তু সমূলঞ্চে কেতিয়াও ভাল নহয়। বাৰে বাৰে হৈয়েই থাকে। এনেকুৱা কত যে আসুৰিক দৰব পাতি আছে, আমি বহুতেই জানো, কিন্তু এইবোৰ দৰব পাতি লৈ কোনো বিজ্ঞানসম্মত চিন্তা কৰা নহয়। সেই বস্তুসমূহ অনাদৰে হেৰাই যায়। সিপিনে আকৌ অমুক বাবাৰ হাতৰ ছাইমুঠি -তামুক বাবাকৰ টিকনিত বন্ধা জবাফুল, এইবোৰ ভক্তি মনেৰে ধাৰণ কৰি নিজেকে ধন্য মানো। উপকাৰো একেবাৰে নোপোৱা নহয়, কিয়নো বিশ্বাসে ৰোগ হৰিবও পাৰে, কঢ়িয়াই আনিবও পাৰে। কিন্তু এয়া সেই তিব্বতীহঁতে পাণ্ডুলিপি গুড়ি কৰি খোৱাৰ দৰে কথা।

যিবোৰ ভেষজ, ফাংফুং বেজালি বা জৰা ফুকা বা অন্যান্য ৰোগনাশক প্ৰক্ৰিয়া জনা আছে সেইবোৰক ব্যক্তি বিশেষৰ সুবিধাৰ্থে ব্যৱহাৰ কৰিবলৈ দিলে বা ব্যক্তি-

বিশেষৰ মুঠিত থাকিবলৈ দিলে তাৰ সত্যাসত্য নিৰ্ণয় কৰা সম্ভৱ নহয়। কোনো ঔষধক কাৰোবাৰ ব্যৱসায়ৰ মূলধন কৰি ৰাখিলে তাক কেতিয়াও সমূহ ৰাইজৰ সেৱাৰ্থে কামত লগাব নোৱাৰি। শুনিলোঁ, চীনতো এসময়ত এই বিশ্বাস আছিল যে কোনো ঔষধৰ কথা সদৰি কৰি দিলেই তাৰ গুণ নষ্ট হৈ যাব, আৰু সেইদেখি হে 'গুণী'য়ে তাৰ কথা গোপনে ৰাখিব। ইয়াতো তেনেকুৱাই আছিল, এতিয়াও একেবাৰে নথকা নহয়। এইদৰে এজনৰ মৃত্যুত লগে লগে কিমান যে মূল্যবান ৰত্ন হেৰাই গৈছিল!

কিন্তু আজি আৰু তেনে নহয়। কিয়নো অন্ধবিশ্বাস নষ্ট হ'ল, যুক্তিয়ে এতিয়া অ বুদ্ধিক পৰাজিত কৰিলে, সেয়েহে বহুতো প্ৰাচীন ঔষধ আৰু বিদ্যাই নৱযুগৰ মানুহৰ চিন্তাৰ আলোকত আৰু বহুগুণে ফলপ্ৰদ হৈ উঠিছে।

আকুপাংচাৰৰ কল্পিত চেনেলসমূহৰ কথা যেতিয়া ভাবোঁ, তেতিয়া কেইটিমান দৃষ্টান্ত মোৰ চকুৰ আগত ভাহি উঠে আৰু এইকথা ভাবি বিস্মিত হওঁ যে শৰীৰৰ কোন অংশৰ সৈতে কোন অংশৰ সংযোগ—আমাৰ সুপ্ৰাচীন অভিজ্ঞতাৰ পৰি প্ৰেক্ষিতত তাৰ কোনো পৰীক্ষা নিৰীক্ষাৰ প্ৰচেষ্টা আমাৰ দেশত নহ'ল দেখোন।

কুলকুণ্ডলিনীয়েইবা কি, কি সেই মূলাধাৰ? এইবোৰ কল্পিত বিবৰণৰ মাজত কিবা গুপ্ত তথ্য সুপ্ত হৈ আছে নেকি? মাটিত গাঁত খান্দি এজন মানুহক চাৰিঘণ্টা কবৰস্থ হৈ থকা মই নিজ চকুৰে দেখিছিলোঁ। এয়া কোনো অলৌকিক ঘটনা নহয়, মানুহজনে নিচেই সামান্য অক্সিজেন ব্যৱহাৰ কৰিও দেহক জীৱিত অৱস্থাত ৰখাৰ বিদ্যা আয়ত্ত কৰিছিল—ভেকুলীৰ দৰে, সাপৰ দৰে স্বেচ্ছানিদ্ৰা বা হাইবাৰনেশ্বনৰ যি ক্ষমতা আমাৰ দেশৰ মানুহে আয়ত্ত কৰিছিল, সেই বিস্ময়কৰ ক্ষমতাক বৈজ্ঞানিক উপায়েৰে ভালকৈ চালি জাৰি জানি লৈ কোনো চিকিৎসাৰ কামত খটুৱাব নোৱাৰিলহেঁতেননে?

সৰুৰেপৰাই এটা কথা আমি শুনি আহিছোঁ যে ভৰিৰ বুঢ়া আঙুলিৰ নখৰ সৈতে চকুৰ সংযোগ আছে। মোৰ শহুৰদেউতাই কৈছিল, ভৰিৰ বুঢ়া আঙুলিৰ নখত মিঠা তেল ঘঁহিবা, চকুৰ দৃষ্টি ভাল হ'ব। এবাৰ মোৰ চকু উঠিছিল, তেতিয়া মই ভৰিৰ বুঢ়া আঙুলিত আকনৰ আঠা লগাই উপকাৰ পাইছিলোঁ। তেতিয়াৰেপৰা ভাবি আছোঁ—ভৰিৰ আঙুলিৰপৰা কোন বাটেৰে কি উপায়ে এই আঠাৰ প্ৰভাৱ চকুত পৰিলগৈ?

এই প্ৰসংগতে মোৰ বহুদিনৰ আগৰ এটা ঘটনা মনত পৰিল।

আমাৰ কমিউনিষ্ট নেতা জ্যোতি বসুৰ দেউতাক ডা. কে এন বসু এগৰাকী ভাল চিকিৎসক আছিল। তেওঁ দৰবৰ লগনি বিভিন্ন ধৰণৰ অভ্যাস বা নিয়ম পালনৰ মাজেদি বেমাৰ-আজাৰ ভাল কৰিছিল। মোক তেওঁ কল্যাণম মৰম কৰিছিল।

আমি তেতিয়া কালিম্পঙত। এজন অচিনাকি ভদ্ৰলোক আহিল। অলপ সময় ধৰি ইটো-সিটো কথা-বতৰাৰ পাছত ডা. বসুৱে সেই ভদ্ৰলোকক সুধিলে, "আপোনাৰ পিঠিত কিবা ঘা আছে নেকি ?"

ভদ্ৰলোক বিস্মিত, "কিয় কওকচোন ? নাই দেখোন।"

"নিশ্চয় আছে—।' ডা বসুৱে ক'লে।

আমিও বিস্মিত।

অৱশেষত অনুৰোধত পৰি ভদ্ৰলোকে তেওঁৰ চোলাটো খুলিলে।

নাই, ঘা নাই, পিছে ঘাৰ দাগ এটা আছে।

ডা বসুৱে ক'লে, "সেইটোৰ কথাকে কৈছিলোঁ।"

কেনেকৈ এই বিস্ময়কৰ দৰ্শন ঘটিছিল সোধাত তেওঁ যি উত্তৰ দিছিল, এইখিনিতে সেই উত্তৰ লিপিবদ্ধ কৰি থওঁ।

তেওঁ ক'লে যে সৰুতে তেওঁ বৰ উৎপতীয়া বিধৰ ল'ৰা আছিল। এদিন এটা ফেঁচা কেনেবাকৈ ধৰি তেওঁ ফেঁচাটোৰ ঠেং এটা মুচৰি ভাঙি দিলে। যি মুহূৰ্তক তেওঁ ফেঁচাটোৰ ঠেংত মোচৰ দিলে সেই মুহূৰ্ততে ফেঁচাটোৰ বিস্ফাৰিত চকুৰ মণিত চকুৰ ঘূৰণীয়া বৃত্তৰ এঠাইত কিবা এক ধৰণৰ পৰিবৰ্তন হ'ল। তেওঁ ফেঁচাটোক নামাৰি থৈ দিলে আৰু ভাল কৰি তুলিলে। কিন্তু ঠেংটো ভাল হোৱাৰ পাছতো চকুৰ সেই ঠাইত সেই পৰিবৰ্তিত চিনটো কিন্তু থাকি গ'ল। তাৰ পাছৰপৰা তেওঁ বহুতো সৰুসুৰা জীৱ জন্তু লৈ পৰীক্ষা কৰি চাইছে আৰু মানুহৰ শৰীৰৰ ক্ষতৰ সৈতে মিলাই চকুৰ বৃত্তৰ চিন পৰীক্ষা কৰি তেওঁ এটা তথ্য আৱিষ্কাৰ কৰিছে যে, শৰীৰ কোনো কোনো অংশৰ সৈতে চকুৰ কোনো কোনো অংশৰ এনেকুৱা সম্বন্ধ আছে যে, শৰীৰৰ ক্ষতই চকুৰ সেই অংশকো বিক্ষত কৰে। তেওঁ এটা ডাঙৰ ঘূৰণীয়া বৃত্তৰ চকু আঁকি লৈ ডায়াগ্ৰাম কৰি মোক বুজাই দিছিল। ডা. বসুৱে কৈছিল—এই খেলা দেখুৱাই তেওঁ বহুতকে অবাক কৰি দিছিল। কিন্তু তেওঁৰ

এই আশ্চৰ্য্য অভিজ্ঞতাপ্ৰসূত জ্ঞান আন কোনো কামত নালাগিল। এতিয়া মোৰ ধাৰণা হৈছে যে যথাযথ বৈজ্ঞানিক ভিত্তিত চৰ্চা কৰা হ'লে এই অভিজ্ঞতাৰূপৰা চিকিৎসাবিদ্যাৰ সহায়ক বিশেষ বিশেষ বিদ্যাৰ সমল আহৰণ কৰিব পৰা হ'লহেঁতেন।

প্ৰাচীন চীনৰ চিকিৎসাবিজ্ঞান এটি ৰত্নখনি।

ভাৰতৰো।

কিন্তু ৰত্ন আহৰণ কৰাৰ পদ্ধতিটো কি?

সত্যাদৰ্শন।

অৰ্থাৎ ভুল ধাৰণা গুচাই সত্যপথ গ্ৰহণ।

এজনে যোক কৈছিল—'how to fight wrong ideas'—নাইবা 'where from right ideas come?' সত্যক কি উপায়ে পোৱা যায়?

এইটো আছিল মাও চে তুঙৰ প্ৰশ্ন, আৰু উত্তৰো তেওঁ দিছিল Practice, class struggle for production, scientific experiment অৰ্থাৎ সত্যক কেনেকৈ জানিব পাৰি?—জানিব পাৰি অভিজ্ঞতা, শ্ৰেণী-সংগ্ৰাম, উৎপাদনৰ চেষ্টা আৰু বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাৰে। কমিউনিষ্ট তত্ত্বজ্ঞসকলে ঠিক কি অৰ্থত এই কথাৰ ব্যাখ্যা দাঙি ধৰিব মই একেবাৰে নাজানো।

কিন্তু ধৰা যাওক, এই যে আমাৰ দেশত প্ৰচুৰ দেশীয় চিকিৎসা ৰীতি অ'ত অ'ত সিঁচৰতি হৈ আছে, সেইবিলাকৰ সত্যাসত্য নিৰ্ণয় কেনেকৈ কৰা হ'ব? আশ্চৰ্য্য আৰু অলৌকিকৰ সাঁথৰৰ পম খেদি গৈ আমি সত্যক বিচাৰি উলিয়াব পাৰিমনে? নোৱাৰিম।

যিবোৰ বহু অভিজ্ঞতাৰে পৰীক্ষিত—সেইবোৰক বিচাৰযোগ্য বুলি বাছি ল'ব লাগিব, তাৰ পাছত কোনোবা গুৰু, পীৰ বা বাবাজী সম্প্ৰদায়ৰ এদনীয়া স্বাৰ্থৰ কবলৰূপৰা তাক উদ্ধাৰ কৰিব লাগিব। বাবাজীৰ ভৰিৰ ধুলি বা হাতৰ ছাই সানি যদি ৰোগী আৰোগ্য হয়, তেনেহ'লে সেই ধুলি বা ছাইত নিশ্চয় কিবা ঔষধ থাকিবই লাগিব। কিন্তু সেই কথাও পৰীক্ষা কৰি চাব লাগিব। আৰু তেতিয়াই প্ৰশ্ন উঠিব সম্পূৰ্ণৰূপে পৰীক্ষা কৰি তাৰ গুণাগুণ নিৰ্ণয় কৰাৰ।

এদনীয়া স্বাৰ্থৰ হাতত আৰু কুসংস্কাৰৰ শৃংখলত আমাৰ যে কিমান ৰত্ন নষ্ট হ'ল আৰু এতিয়াও হ'ব ধৰিছে তাৰ সন্ধান কৰিব কোনে? কেতবোৰ

পেটেণ্ট ঔষধৰ লগত লৈ আমি চিকিৎসাক একচেটীয়া, ব্যয়বহুল আৰু সাধাৰণ মানুহে চুকি পাব নোৱাৰাকৈ ৰাখি থৈছোঁ।

চীনদেশত বা ছোভিয়েত ইউনিয়নত, বা যিকোনো কমিউনিষ্ট দেশত, আনকি লণ্ডনতো হঠাৎ বেমাৰ-আজাৰত পৰিলে চিন্তাৰ কোনো কাৰণ নাথাকে। কিন্তু ভাৰতত বা আমেৰিকাত বেমাৰত পৰিলে বেমাৰতকৈ চিকিৎসাৰ ব্যয় আৰু চিন্তাইহে বেমাৰীক সিপুৰীলৈ নিব। আমেৰিকাত চিকিৎসা হ'ল এটা উৎকট যন্ত্ৰণা। চিকিৎসা কৰাবলৈ হ'লে প্ৰতিজনেই মেডিকেল ইন্সিওৰেন্স কৰাব লাগিব, নহ'লে চিকিৎসা কৰোৱাৰ আশা বাদ দিব লাগিব। দুই-চাৰিদিনৰ বাবে ফুৰিবলৈ গৈ যদি কোনোবাই বেমাৰ-আজাৰত পৰে তেনেহ'লে তেওঁৰ যে কিমান সৰ্বনাশ হ'ব পাৰে—সেই কথা ভাবি সদায় আতংকগ্ৰস্ত হৈ থাকিব লাগে।

আমেৰিকাত তো ধন-সম্পদৰ অভাব নাই—হস্পিতালৰো অভাব নাই, বৈজ্ঞানিক পৰীক্ষা নিৰীক্ষাৰো চূড়ান্ত সা-সুবিধা বিদ্যমান। কিন্তু ইমানবোৰ সা-সুবিধা থকা সত্বেও তাত সাধাৰণ মানুহৰ চিকিৎসাৰ সা-সুবিধা কিমানখিনি, আৰু ডাক্টৰসকলৰ, বিশেষকৈ ডেন্টিস্ট আৰু চকুৰ ডাক্টৰসকলৰ উপাৰ্জনৰ ভিত্তিকটা ৰূপটোনো কেনে—সেই কথাৰ আলোচনা ইয়াত অপ্ৰাসংগিক নহ'ব।

চীনদেশত যেতিয়া খেতিয়কসকলৰ ঘৰে ঘৰে চিকিৎসাৰ সা-সুবিধা দিবলৈ চেষ্টা কৰা হৈছে গোটেই দেশখন জুৰি—তেতিয়া অৰ্থ-বিত্তত বহুগুণে উন্নত আমেৰিকাত চিকিৎসা-বিদ্যাৰ আৰু চিকিৎসাশাস্ত্ৰৰ কিমানখিনি ৰোগীৰ স্বাৰ্থত প্ৰযুক্ত আৰু কিমানখিনিয়েইবা ডাক্টৰৰ জেপ গধুৰ কৰাৰ স্বাৰ্থত—এই কথাৰ তুলনা কৰাটো ইয়াত অসংগত নহ'ব।

১৯৭৩ চনত আমেৰিকাৰপৰা উভতি আহি এই সম্বন্ধে যি তথ্য লিখিছিলোঁ তাৰ কিয়দংশ ইয়াত উদ্ধৃত কৰিছোঁ:

বৈজ্ঞানিক উৎকৰ্ষতাৰে সমৃদ্ধ আমেৰিকাত যি দুটা বিষয়ে মোৰ অলপদিনীয়া ভ্ৰমণত বিশেষভাৱে দৃষ্টি আকৰ্ষণ কৰিলে তাৰ এটা হ'ল চিকিৎসা-সংকট আৰু আনটো যুৱ-বিদ্ৰোহ। চিকিৎসা-সংকট আমাৰ দেশতো নতুন নহয়। বহু দিনৰ আগতেই ৰাজশেখৰ বসু ডাঙৰীয়াই তাৰ বহল বিবৰণ লিখি থৈ গ'ল।

"ডাক্তৰৰ কবলত পৰা' কথাষাৰ সদায় ব্যৱহৃত হয়। কিন্তু সেই কথাষাৰ যে কিমানদূৰ পাবগৈ পাৰে, আমেৰিকাত তাৰ প্ৰমাণ পাইছিলোঁ আৰু দস্তুৰমত ভীত হৈ পৰিছিলোঁ। এই দেশত ডাক্তৰীৰ বৃত্তি অন্যান্য বৃত্তিতকৈ অধিক অৰ্থকৰী। স্বামী-স্ত্ৰী দুয়ো যদি ডাক্তৰ হয়, বা এজন ডাক্তৰ আৰু আনজন হয় এনেস্থেছিস্ট, তেনেহ'লে তো সুখৰ অমৰাপুৰী। ভেভিয়া তেওঁলোকৰ থাকিব নিভৃত বনৰ মাজত বিৰাট ঘৰ, তেওঁলোকে মাজে-সময়ে সেইতো ৰাখিব আৰু দুই-তিনিখন গাড়ি নিশ্চয় থাকিবই তেওঁলোকৰ। এনেস্থেছিস্টসকলে ডাক্তৰসকলোতকৈও অধিক উপাৰ্জন কৰে। আৰু এজন যদি হয় ছাইকিয়াট্ৰিস্ট আৰু সিজন এনেস্থেছিস্ট তেনেহ'লে তেওঁৰ চলন-ফুৰণ যিকোনো বৃহৎ শিল্পপতিৰ দৰেই হ'ব।

ছাইকিয়াট্ৰিস্টসকলৰ ব্যৱসায়ৰ ধা-ধৰণটোৱেই মোক বিশেষভাৱে উদ্বিগ্ন কৰি তুলিছিল। কিয়নো, এনে ধৰণৰ ৰোগৰ প্ৰভাৱ আমাৰ দেশতো অচিৰেই বাঢ়িব বুলি মোৰ আশংকা। মানসিক ৰোগৰ তো কোনো ধৰণৰ জীবাণু নাই, ডেটল ঢালিও তাৰ শোধন নহ'ব, গতিকে, পচিমীয়া বতাহৰ বোকোচাত উঠি এবাৰ এই দেশলৈ আহিলে আৰু তাক দূৰ কৰাৰ সাধ্য কাৰ। ৰবীন্দ্ৰনাথে লিখিছিল—'দেশৰ দুৰ্দশা লৈ যাৰ ব্যৱসায়'—, মানুহৰ বিলৈ-বিপত্তি লৈ ডাক্তৰসকলৰ ব্যৱসায়ৰ অধিকাৰ বহুতো উন্নত দেশতো আজিও বাধাহীনভাৱে চলি আছে।

আমেৰিকাত—ডাক্তৰী হ'ল এটি ইণ্ডাষ্ট্ৰি আৰু ডাক্তৰহঁতৰ ৰাজনৈতিক লবি ইমানেই শক্তিশালী যে তাক লৰাবৰ সাধ্য কাৰো নহ'ব। কেনেডিয়ে অলপ চেষ্টা কৰিছিল, কিন্তু সফল নহ'ল (এইখিনিতে মাও চে তুঙৰ কথাষাৰ স্মৰণীয়—Where the right ideas come from আৰু class-struggleৰ প্ৰশ্নটোও আৰু অবাস্তৱ যেন নালাগে)। আমেৰিকাত অৱস্থা এনে এটা স্তৰ পাইছেগৈ যে নিজৰ খৰচত চিকিৎসা কৰোৱাটো কাৰো পক্ষেই সম্ভৱ নহয়। সেয়েহে হেলথ ইন্সিঅ'ৰেন্সৰ মকৰাজাল বিয়পি পৰিছে। ইন্সিঅ'ৰেন্স কৰা আছে যদি, সৰহভাগ খৰচ ইন্সিঅ'ৰেন্স কোম্পানিয়েই দিব। পিছে কিমান-খিনিলৈকে দিব, প্ৰিমিয়ামৰ হাৰ অনুযায়ী তাৰ পৰিমাণ স্থিৰ কৰা হ'ব। কোন চিকিৎসাত কিমান খৰচ পৰিব, আগতীয়াকৈ কোৱা টান। সকলো হস্পিতালৰ মৰ্জি। এবাৰ হস্পিতালত মানুহটো ভৰ্তি কৰিলে অন্ততঃ কিমান টকাৰ জালত

পৰিব লাগিব, কোনোৱেই ক'ব নোৱাৰে। আকৌ নাম কৰ্তন কৰিবৰ উপায় নাই। আমাৰ দেশৰ দৰে দোকানত চাইলাত-ঔপাজল দৰে এটিবাৰ'ঞ্জিচহঁৰ বড়ি কিনিবলৈ পোৱা নাযায়। হোমিঅ'পেথি চিকিৎসা নিষিদ্ধ। আয়ুৰ্বেদো নাই। অকাত্যা উপায়ান্তৰ হৈ সেই একে হস্পিতাল। অতি স্বাভাৱিক আৰু নিৰুপদ্ৰৱ এটি প্ৰসৱৰ ক্ষেত্ৰত খৰচ পৰিব এহেজাৰ ডলাৰ। এনে ক্ষেত্ৰত প্ৰসূতিয়ে পাছদিনাই ঘৰলৈ গুচি যাব লগা হয়। কিন্তু কোনো অপাৰেশ্যন কৰাবলৈ হ'লে এই খৰচ সাত হাজাৰ ডলাৰলৈকে হ'ব পাৰে। টকাৰ সম্পৰ্ক মানেই সন্দেহৰ সম্পৰ্ক। ৰোগী আৰু তেওঁৰ আত্মীয়-স্বজনে কেতিয়াবা সন্দেহ কৰে যে ইচ্ছা কৰিয়েই কে'ছ জটিল কৰি তোলা হৈছে। আমাৰ দেশতো সম্ভৱতে এনে সন্দেহে শিপোৱা আমি ঢেৰ দেখা পাইছোঁ।

প্ৰায়েই কোৱা শুনো, ছিজাৰিয়ানৰ দৰকাৰেই নাছিল, তথাপি অপকৈ কৰি দিলে। সন্দেহৰ প্ৰমাণ-অপ্ৰমাণ নাই। ইন্সিঅ'ৰেন্সৰ খৰচ দুখীয়া আৰু বিত্তশালীৰ পক্ষেও একেই। এতেকে, দৰিদ্ৰৰ মানত চিকিৎসা—ৰোগতকৈও ভয়াবহ।

দাঁত আৰু চকুৰ বেমাৰ আকৌ ইন্সিঅ'ৰেন্সৰ ভিতৰুৱা নহয়। গতিকে দাঁত আৰু চকুৰ চিকিৎসকসকলে ৰোগীক জুকলা কৰিব পাৰে, আৰু কৰেও। এটি চেমনীয়া ল'ৰাই দাঁতৰ যন্ত্ৰপাত বৰ কষ্ট পাই আছিল। কিন্তু তথাপি খৰচৰ ভয়ত দাঁতৰ ডাক্তৰৰ কাষ চাপিব নোৱাৰিলে, কাষ চাপিলগৈ ডেণ্টাল কলেজৰ এজন ছাত্ৰৰ। ডেণ্টাল কলেজৰ ছাত্ৰইতে এইদৰে আৰ্জনত ধৰিছে। অপটু হাতৰ কাৰিকৰীত দাঁতৰ যন্ত্ৰণা বাঢ়িলেও ৰোগীৰ অৰ্থচিন্তাৰ লাঘৱ হয়।

এবাৰ এজন ল'ৰা আমেৰিকাৰপৰা এই দেশলৈ ফুৰিবলৈ আহি, তাত—মানে নিজৰ দেশত খৰচৰ ভয়তে মোটামুটি সুস্থ দাঁত কেইবাটাও তোলালে। চকু দুটাও যে নোতোলালে—সেয়ে ৰক্ষা। এই দেশত বেমাৰ-আজাৰত ভুগি থকা সকলোৱেই আমেৰিকাৰ চিকিৎসা-ব্যৱস্থাৰ সোৱাদ পোৱা হৈছে।

মই জানো, মোৰ এই মন্তব্যত আমাৰ দেশৰ বহুতো ডাক্তৰে বেয়া পাইছে। পোৱাৰ কথায়েই। কিয়নো, তেওঁলোকে সেই আদৰ্শকে অনুসৰণ কৰিব বুলি থিৰাং কৰিছে।

মোৰ মন্তব্য পঢ়ি ক্ষুণ্ণ হোৱা আমাৰ দেশৰ ডাক্তৰসকলৰ ওচৰত মোৰ জিজ্ঞাস্য

এনে যে, মেডিকেল কলেজসমূহত গ্রিক ডাক্তৰ যি শপতবাক্য পিতলৰ ফলিত খোদিত আছে—যিটো শপতবাক্য ইংৰাজ-আমোলত জনমনাই জিলিকিছিল, আৰু এতিয়া নিষ্প্ৰভ, তেওঁলোকে সেই শপতবাক্যটো মাজে মাজে পঢ়েনে ? যদি পঢ়ে, তেন্তে সোধোঁ—সেই শপতবাক্য কোনে কিমানখিনি পালন কৰে ? এই দুখীয়া মানুহৰ দেশত এহাজাৰৰপৰা তিনি হাজাৰতকৈ কমে কোনো অপাৰেচন নহয়। হস্পিতালত ভৰ্তি হোৱাই টান, হ'ব পাৰিলেও সাধাৰণভাৱে (কেইটামান কে'চত ব্যতিক্ৰম হ'লেও) কি দুৰ্গতি হয় কোনে নাজানে ? যি দেশত ডাক্তৰসকলে নিজৰ আৰ্থিক লাভৰ বাবে মানুহৰ পাছত মাহ ধৰি ষ্ট্ৰাইক কৰি জনসাধাৰণক বিপাণ্ডত পেলায়, সেইদেশত তেওঁলোকক সাধাৰণভাৱে দেশহিতৈষী বুলি ভবা বা কোৱা টানেই।

যদিও ব্যতিক্ৰম অৱশ্যেই আছে। যি হওক, পুনৰ আমেৰিকাৰ কথালৈ বাগৰোঁ।

কিন্তু নিচেই কম দিনৰ বাবে ফুৰিবলৈ গ'লে ইন্সিঅ'ৰ কৰাটো তো তেনেই টান। টান হয়তো একোৱেই নহয়, টেলিফোন কৰিলেই সকলো বন্দবস্ত হৈ যায় চাগৈ। কিন্তু টকা তো লাগে। শুনা কথা, এজন ভাৰতীয় যুৱকে আমেৰিকাৰ কাম-বন শেষ কৰি দেশলৈ উভতি আহোঁতে হঠাতে বাটত পিছলখাই পৰিল। তেতিয়া সেই ভগা ভৰিখন হস্পিতালত মেৰামতি কৰাওঁতে ইমান খৰচ পৰিল যে এবছৰ কাম কৰি হস্পিতালৰ ঋণ পৰিশোধ কৰিহে দেশলৈ উভতি আহিবলৈ সক্ষম হৈছিল। এইবোৰ কথা মই সাজি কোৱা নাই, সকলোৰে নাম-ধামো দিব পাৰিলোহেঁতেন, কিন্তু নাম ধাম লিখিলেই তেওঁলোকৰ খং উঠে। সেয়েহে কাৰ ছিজাৰিয়ান হৈছিল, কোনে দাঁত তোলাইছিল, সেইবোৰ আৰু নক'লোঁ।

পিছে আমেৰিকাত এটা সুবিধা আছে যে ৰোগীসকলেও প্ৰতিশোধ ল'ব পাৰে। লয়ো। কথাই কথাই ডাক্তৰৰ বিৰুদ্ধে কে'চ কৰে। ডাক্তৰৰ বিৰুদ্ধে অভিযোগ আছেই। কেতিয়াবা কেতিয়াবা ৰোগীৰ আত্মীয়-স্বজনৰ আৰু ৰোগীৰ প্ৰতিশোধ-স্পৃহাই এই প্ৰৱণতা বঢ়াই তোলে। এই বাবে ডাক্তৰসকলেও শকত অংকৰ ইন্সিঅ'ৰ কৰিবলগীয়া হয়, মোকৰ্দমাৰ খৰচ আৰু ক্ষতিপূৰণৰ ধন যোগাৰ কৰিবলৈ। ইন্সিঅ'ৰেন্সৰ অক্টোপাছে ডাক্তৰ আৰু ৰোগী উভয়কে মেৰিয়াই ধৰিছে। এনে এক অৱস্থাত ডাক্তৰ আৰু ৰোগীসকলৰ মাজত অভিপ্ৰেত মানসিক সৌহাৰ্দ্য থাকিব পাৰেনে ?

আমাৰ চৰকসংহিতাত আছে, যে—যিজন চিকিৎসকে ৰোগীৰ কাষত বহি ৰোগীৰ আত্মাক দেখিবলৈ নাপায়—তেওঁ কেতিয়াও চিকিৎসক হ'ব নোৱাৰে। কিন্তু দিয়া-লোৱাৰ এনেকুৱা নিৰ্দয় ব্যৱস্থা হ'লে আত্মাৰ সলনি প্ৰেতাত্মাক দেখাৰ সম্ভাৱনাহে বেছি।

আমেৰিকাত ডাক্তৰ আৰু ৰোগীৰ মাজত আত্মাৰ এই যে সম্পৰ্কহীন অৱস্থা ততোকৈ মাৰাত্মক হ'ল আত্মীয়ৰ সৈতে আত্মীয়ৰ অস্বস্তিকৰ অবিশ্বাসমূলক অৱস্থা। দ'কৈ ভাবি চালে—এনে আত্মীয় আত্মীয় নামৰে যোগ্য নহয়। আৰু এই সমস্যাৰ ওপৰত নিৰ্ভৰ কৰি ছাইকিয়াট্ৰিস্টসকলৰ কাৰবাৰে ঠন ধৰি উঠিছে। ছাইকিয়াট্ৰিস্ট সকলে তেওঁলোকৰ অক্টোপাছৰ শুঁৰ সাধাৰণ মানুহৰ মন আৰু মগজুত সুমুৱাই দি তেজ শুহি খাইছে বুলিয়েই মোৰ বিশ্বাস। আত্মীয়ৰ ওচৰত আত্মীয়ৰ আশ্ৰয় নাই বাবেই ঘৰুৱা সমস্যা লৈয়ো এওঁলোকে সদায় ডাক্তৰৰ কাষ চাপে।

'মোৰ ডাক্তৰে কৈছে'—এনেবোৰ কথা প্ৰায়েই শুনা যায়। নিজৰ পৰিয়াল আৰু জীৱন সম্বন্ধে ডাক্তৰৰ হিতোপদেশৰ উল্লেখ কৰাত কোনোৱেই সংকোচ কৰা নেদেখিলোঁ। দুই-এটা দৃষ্টান্ত দাঙি ধৰাৰ লোভ সামৰিব নোৱাৰিছোঁ। আৰু চীনৰ প্ৰসংগত যে এই দৃষ্টান্ত অবান্তৰ নহয় সেই কথাও বুজা যাব।

এয়া হ'ব দুটা সম্পূৰ্ণ বিপৰীতধৰ্মী সমাজ-ব্যৱস্থাৰ উজ্জ্বল দৃষ্টান্ত।

মোৰ আমেৰিকান বন্ধু পলি বৰ ভাল ছোৱালী। তাইৰ দেউতাকে তিনিবাৰ বিয়া কৰালে, মাকে দুবাৰ। গতিকে, দেউতাকৰ ঘৰৰ সৈতে সম্পৰ্ক সিমান নায়েই। এদিন শুনিলোঁ, তাইৰ মাকে তেওঁৰ ষুমলীয়া ছোৱালীজনীক ডাক্তৰৰ ওচৰলৈ লৈ আহিছে। ডাক্তৰক দেখুওৱাৰ পাছত ছোৱালীজনী তাইৰ কোঠালৈ আহিল আৰু আহিয়েই শুলে। তাইৰ মাকে ক'লে যে, এইমাত্ৰ তাইৰ গৰ্ভপাত কৰোৱা হ'ল, দুঘণ্টামান জিৰণি লৈ ঘৰলৈ গুচি যাবগৈ। কথাষাৰ ইমান সহজে কোৱা হ'ল যে মই একেবাৰে হতভম্ব হ'লোঁ।

পাছত মই সুধিলোঁ, "পলি, ওঠৰ বছৰীয়া ছোৱালীৰ প্ৰথম সন্তান তোমালোকে নষ্ট কৰিলা কিয়? বিশেষকৈ—ল'ৰাটোৱে যিস্থলত তাইক বিয়া কৰাবলৈ মান্তি হৈছিল—?

পলিয়ে ক'লে, "ফলাফল ভাল নহ'লহেঁতেন। সি তাইৰ দায়িত্বভাৰ লোৱাৰ যোগ্য নহয়।

"হেঃ। তোমালোকৰ দেশত কোনেনো কাৰ ভাৰ লৈছে।"

পলিয়ে চিন্তিতভাবে ক'লে, "ময়ো সেই কথাটোকে ভাবি আছিলোঁ। কিন্তু সিহঁতৰ ছাইকিয়াট্রিষ্টে কৈছে যে সিহঁত প্ৰয়োজনেই হেনো কেঁচেলুৱা, সেয়েহে এই সন্তানৰ ফল ভাল নহ'ব।

"কি সৰ্বনাশ! পলি, তোমালোকে প্ৰেমত পৰাৰ আগতেও ডাক্টৰৰপৰা পৰামৰ্শ লোৱা নে কি?"

বিদেশত থাকিলে আমাৰ ভাৰতীয়সকলো এইবোৰ আসৰিশ-আচৰিত সমস্যাত সাঙোৰ খাই পৰিবলগীয়া হয়।

শ্ৰীযুক্ত মস্নোনে এজনী চকুজোৰোৱা অষ্টাদশী গাভৰুক বিয়া কৰাইছিল। বিয়াৰ আঠ বছৰৰ পাছত তেওঁলোকৰ এটি সন্তান উপজিল। কিন্তু তাৰ পাছতেই ভদ্ৰমহিলা অসুস্থ হৈ পৰিল। তেওঁ অলপ আমন-জিমনকৈ বিষাদ মনেৰে বহি থকা হ'ল—যেন 'এলাগী বাই'। তেওঁ বন্ধু বান্ধৱৰ পৰামৰ্শত ছাইকিয়াট্ৰিস্টক দেখুৱালেগৈ। আৰুনো কি লাগিছে? বহুতো পৰীক্ষা-নিৰীক্ষা কৰি ডাক্টৰে মত দিলে যে, তেওঁৰ স্বামীৰ ব্যক্তিত্ব প্ৰখৰ হোৱাত তেওঁৰ নিজৰ ব্যক্তিত্ব সদায় কমি যাবলৈ ধৰিছে—অৱদমিত হৈ পৰিছে। সেই উপদেশৰ ফলত ভদ্ৰমহিলাই শিশুকন্যাটিক এৰি থৈ স্বামীক এৰি আন দেশলৈ গুচি গ'ল অকলশৰে থাকি তেওঁৰ অৱদমিত ব্যক্তিত্বক উদ্ধাৰ কৰিবলৈ।

এনেকুৱা অসংখ্য দৃষ্টান্ত আছে। চিকিৎসাবিজ্ঞানত ইমান উন্নত দেশতো, সেয়েহে ক'বই লাগিব, চিকিৎসাৰ সমস্যাৰ সমাধান নহ'লেই। আৰু টকাৰ লোভেই হ'ল এই সমস্যাৰ সমাধানৰ বাটৰ ঘাই হেঙাৰ।

সেইদিনা চীনৰ মেডিকেল হস্পিতালত বহি মোৰ ভাব হৈছিল, এই দেশখনৰপৰা আমি আন একো শিকিব নোৱাৰিলেও, অন্তত চিকিৎসাক সহজলভ্য কৰি মানুহৰ বিষম যন্ত্ৰণাৰ মুহূৰ্তবিলাক অলপ আৰামপ্ৰদ কৰি তুলিব তো পাৰোঁ। কিন্তু আমাৰ দেশৰ চিকিৎসা-ব্যৱস্থাও তো আমেৰিকাৰ দৰেই ব্যয়সাধ্য হৈ উঠিছে।

কিয়?

কিয়নো,—চিকিৎসকসকলেও তো ব্যৱসায়হে কৰে।

গতিকে সেই প্ৰশ্নটো আকৌ উঠে—

'Where the right ideas come from ?'

হস্পিতালত থকি ফুৰোঁতে এইবোৰ কথাই মোৰ মনৰ মাজত তোলপাৰ লগাইছিল। 'Right idea' কাক কয়—দেখিছোঁৱেই, কিন্তু দেখুৱাম্লো কাক ? চাৰ্লীৰ ঔষধৰ ওপৰত বিছাৰ্চ হওক, বিছাৰ্চ হওক বহুবিধৰ সকলুৰা দৰৱ-পাতিৰ, ব্যাপক বিছাৰ্চ হওক আয়ুৰ্বেদৰ। গাঁৱে-ভুঞে 'প্ৰতিজন খেতিয়কৰ খেতি-পথাৰৰ একাষত কিছু কিছু ঔষধিবৃক্ষৰ খেতিও কৰা হওক। তেতিয়াহ'লে ঔষধৰ দুৰ্মূল্যতাও নিশ্চয় আৰু নাথাকিব।

সকলো ক্ষেত্ৰৰ দৰে এই ক্ষেত্ৰতো উজ্জল ব্যতিক্ৰম নথকা নহয়। কিন্তু right idea আমাৰ দেশতো নাছিলনে ? মোৰ দেউতাৰ ওচৰত শুনিছিলোঁ যে তেওঁ যেতিয়া অধ্যাপনা কৰিছিল তেতিয়া তেওঁৰ জেঠাদেউৰ ল'ৰা বিখ্যাত কবিৰাজ ললিতমোহন 'কবিসাগৰে' কৈছিল—এয়া ভাল নহ'ল, আমি তো বিদ্যা বেচোঁ। তেৰেঁা বেচা নাছিল। মোৰ দেউতাই দিনৰ পাছত দিন ধৰি ঘৰত ছাত্ৰইঁতক পঢ়োৱাত তেওঁৰ অমূল্য সময় কটাই দিছিল। কিন্তু গৃহশিক্ষকতা বা টিউশ্যন কৰাৰ কথা কেতিয়াও কল্পনাও কৰা নাছিল। তেওঁ যেতিয়া যৎসামান্য মাননী লৈ চট্টগ্ৰাম কলেজত অধ্যাপনা কৰিছিল, তেতিয়া এগৰাকী ধনী মানুহে তেওঁৰ ল'ৰাক পঢ়ুৱাবলৈ গৃহশিক্ষকতাৰ প্ৰস্তাৱ দিছিল। কিন্তু দেউতাই সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি কোনো মামনী নোলোৱাকৈয়েই সেই ল'ৰাজনক সানন্দে পঢ়াইছিল। সেয়া আছিল এক বেলেগ যুগ। কিন্তু এইযুগৰ জোখাৰেও তো right idea লাগিব। সেইটো হ'ল ছাত্ৰৰ মংগল। অধ্যাপকেও জীয়াই থাকিব লাগিব, মাননীও ল'ব লাগিব, সেই বুলি টকাৰ বাবে পঢ়ালে নহ'ব। ন'ট বেচা, ক'শ্চেন পেপাৰ বেচা—এইবোৰ যিকোনো যুগতেই অযোগ্য।

এয়া অন্ধ পথ।

ইয়াৰপৰা ওলাবলৈ বাট নাই।

সেই দিনটো আছিল আমাৰ হস্পিতালৰপৰা বিদায় লোৱাৰ দিন। সেয়েহে আকৌ আমি সকলুৰা সম্মিলন এখনপাতিলোঁ।

সকলোৰে আগত মেজৰ ওপৰত চাহৰ পিয়লাৰ কাষে কাষে আপেলৰ দ'ম। এই হস্পিতালৰে বাগানৰ আপেল।

প্ৰত্যেকেই ডা কোটনিছৰ কথা ক'লে। তেওঁ যে আন্তৰ্জাতিকতাৰ আদৰ্শস্বৰূপ আছিল, সেই কথাও ক'লে। সেইদিনা কুও চিন লানেও অলপ স্মৃতি ৰোমন্থন কৰিলে। ডা কোটনিছে নিজৰ সুখ স্বাচ্ছন্দ্য বিসৰ্জন দি দিনে-নিশাই কেনেকৈ শ্ৰম কৰিছিল, সেই কথা চমুকৈ ক'লে তেওঁ। তেওঁ ডা. কোটনিছক কমৰেড কোটনিছ বুলি উল্লেখ কৰিছিল।

মই বহি বহি ভাবি আছিলোঁ—আমাৰ দেশলৈও বহু বিদেশী আহিছিল আৰু বহুতে বহু ভাৱে সেৱা কৰিছিল। কিন্তু আমি তাৰ কিমানখিনি মনত ৰাখিছোঁ? আমাৰো তো এগৰাকী বেথুন আছিল, যিগৰাকীৰ প্ৰচেষ্টাৰ ফলত মই এই বাঙালী ছোৱালীজনীয়ে কলম হাতত ল'ব পাৰিছোঁ। কিন্তু তেওঁলোকক আমি কিমানখিনি মনত ৰাখিছোঁ? বেথুনৰ দুখন ফটোও কিজানি আমি বিচাৰি উলিয়াব নোৱাৰিম।

সেইদিনা ডা বাসুৱে আমাৰ আটাইকেইজনকে ক'বলৈ অনুমতি দিলে। সকলোৱেই ডা কোটনিছৰ কথা কৈছিল। মই ক'লোঁ চীনা বন্ধুসকলৰ কথা।

মই ক'লোঁ আপোনালোকৰ অন্তৰত আন্তৰ্জাতিকতাৰ ৰূপ ইমান স্পষ্ট হোৱা হেতুকে, বিশ্ব-ভাব আদৰ্শ ইমান সত্য হোৱা বাবেই আপোনালোকে ডা কোটনিছৰ এই স্মৃতিমন্দিৰ নিৰ্মাণ কৰিলে। ইয়াৰ মাজেদি আপোনালোকৰ অন্তৰৰ ঐশ্বৰ্য্যহে প্ৰকাশিত হৈছে।

দেশলৈ উভতি অহাৰ পাছত চীন সম্পৰ্কে কমেও পাঁচিছ ঠাইত বক্তৃতা দিছোঁ। বিভিন্ন মানুহৰ বিভিন্ন প্ৰশ্ন। সকলো প্ৰশ্নৰ সদুত্তৰ দিয়াৰ বিদ্যা মই অৱশ্যে গোটাই পিটাই আনিবও পৰা নাই। আৰু সকলো ধৰণৰ প্ৰশ্নৰ উত্তৰ—দিবপৰা বিধৰো নহয়। যেনে—এদিন এগৰাকী বিশিষ্ট সাহিত্যিক আহিল সাক্ষাৎ কৰিবলৈ। তেওঁৰ বিশেষ প্ৰশ্নটো আছিল 'চীনত প্ৰসাধনী (কছমেটিকছ) পোৱা যায় নে? তাৰ ছোৱালীইঁতে কছমেটিকছ ব্যৱহাৰ কৰে নে?

এই প্ৰশ্নটো পাশ্চাত্য জগতৰ কোনোবাই কৰিলে মই ক্ষমা কৰিব পাৰোঁ, কিন্তু যিখন দেশ দাৰিদ্ৰ্যৰ গধুৰ বোজাত চেপা খাই ককবকাই আছে, যিখন

দেশ অন্ন-বস্ত্ৰহীন, যিখন দেশৰ বাট-পথ চকুৰ পক্ষে পীড়াদায়ক—যিবিলাকৰ এটা মন আছে, তেওঁলোকৰ এইবোৰ প্ৰশ্নই ক্ষত-বিক্ষত কৰে। আমাৰ দেশত লিখা-পঢ়া শিকিও সামান্য এটা চাকৰিৰ বাবে হাবাথুৰি খাই ঘূৰি ঘূৰি জোতাৰ তলি ক্ষয় নিয়াইছে কৰ্মক্ষম যুৱকসকলে, আৰু নব্বৈ কোটি মানুহৰ দেশ চীনত এজনো নিবনুৱা বিচাৰি পাবলৈ নাই—যি চীন সৌ সিদিনালৈকে দৰিদ্ৰ আছিল। সেই চীনদেশ সম্বন্ধে যদি আমাৰ জিজ্ঞাস্য হয় যে তাৰ ছোৱালীইঁতে কছমেটিক্‌ছ ব্যৱহাৰ কৰে নে নকৰে, তেনেহ'লে প্ৰশ্নৰ দীনতাই, জিজ্ঞাসাৰ সংকীৰ্ণতাই মন ব্যথিত কৰি তোলে। এই প্ৰশ্ন আন কিছুমানেও নকৰা নহয়।

কুইলীন ফুলৰ আতৰৰ চিচা কেইটামান লৈ আহিছিলোঁ—বিদেশৰপৰা বন্ধু-সকলৰবাবে উপহাৰস্বৰূপে। অনাত সুবিধা—ওজনত কম, কিন্তু হিয়া-মনক স্পৰ্শ কৰে বেছিকৈ। এই কথা শুনি এগৰাকী শিক্ষিতা মহিলাই প্ৰশ্ন কৰিছিল, "কিনো কৈছে। চীনত পাৰফিউমো পোৱা যায়।"

তেতিয়া এই আশ্চৰ্য্য প্ৰশ্নৰ উত্তৰ মই ভালকৈ দিয়া নাছিলোঁ, এতিয়া দিওঁ।

চীনৰ দোকানবিলাকত বহু বিধৰ কছমেটিকছ মই দেখা পাইছিলোঁ কিন্তু কাকো ব্যৱহাৰ কৰা দেখা নাছিলোঁ। শুনিলোঁ কেৱল অভিনয়ৰ সময়তে ঘঁহে আৰু বাৰুকৈয়েই ঘঁহে। কিন্তু কৰ্মক্ষেত্ৰত দূৰৰে কথা, ভোজমেললৈও বং সানি কোনো নোলায়-নাহে।

মোৰ সাহিত্যিক প্ৰশ্নকৰ্ত্তাই কৈছিল যে হংকঙৰপৰা স্মাগল্‌ড হৈ চীনলৈ কছমেটিকছ চালান হোৱাৰ কথা তেওঁ নিজেই জানে। এতিয়া, যদি কোনোবাই কিবা জানে, তেনেহ'লে যিজনে নাজানে তেওঁনো জনাজনক কি ক'ব? কিন্তু প্ৰশ্ন এয়ে যে, যিসকলে স্মাগল কৰি লৈ যাব, সিহঁতে স্মাগলড বস্তুবোৰ কি উদ্দেশ্যেনো নিব। ঘহিব কোনে? ইয়াতে এষাৰ কথা কৈ থোৱা ভাল যে, আমেৰিকাত তো নহয়েই, আন কি ইংলেণ্ডতো বৰ্তমান প্ৰজন্মৰ ছোৱালীইঁতে বং নঘঁহে—কছমেটিকছ ব্যৱহাৰেই নকৰা হৈছে। বুঢ়াইঁতে ঘঁহে। তেওঁলোকৰ বহুদিনীয়া অভ্যাস তেওঁলোকে এৰিব পৰা নাই। কিন্তু আধুনিক ছোৱালীইঁতে ল'ৰাইঁতৰ দৰে সাজ-কাচ কৰে। 'উইমেনছ লিব্' বা আজিৰ দিনৰ নাৰীমুক্তি আন্দোলনৰ ইও এটা বক্তব্য যে পুৰুষৰ লীলাসংগিনী হ'বলৈ বেশভূষাৰ এই অভিনৱ বৈচিত্ৰ্যৰ কোনো প্ৰয়োজন নাই। এটা কথা মনত

ৰাখিব লাগিব যে, সাজ-পাৰৰ নিতে-নৱ ফেছন উলিয়াই লাভবান হয় কোন। ব্যৱসায়ীসকল। তেওঁলোকেহে আজি মেক্সি, কাইলৈ মিনি, পৰহিলৈ টপলেছ বটমলেছ কৰি কৰি আজলী ছোৱালীহঁতক বলিয়া কৰি তোলে, আৰু নাচনী-পুতলাৰ দৰে নচুৱায়।

ইঅ'ৰোপত বৰ বেছিকৈ শুনিছিলোঁ যে কছ ছোৱালীহঁতে সাজ-কাচ নকৰে। কমিউনিষ্টহঁতে হেনো ছোৱালীহঁতৰ ঘাবা হাতুৰী কোবোৱাই সিহঁতৰ কমনীয়তা নোহোৱা কৰি পেলাইছে। সাজন-কাচন বন্ধ। এইবোৰ শুনি শুনি হয়তো কছহঁতে লাজ পালে। তেওঁলোকৰ দেশত 'ছোভিয়েত উইমেন' নামৰ এখন আলোচনী ওলায়। এই আলোচনীত ফেছনৰ চৰ্চা আৰম্ভ হ'ল। পেৰিছৰ দৰে নহ'লেও নতুন নতুন ফ্ৰকচোলাৰ ডিজাইনে দেখা দিলে।

দহ বাৰ বছৰ মানৰ আগতে সেই আলোচনীৰ মহিলা সম্পাদিকা কলিকতালৈ ফুৰিবলৈ আহিছিল। তেতিয়া তেওঁৰ সম্মানাৰ্থে এখন বিৰাট সভা পতা হৈছিল। 'ছোভিয়েত উমেন'ৰ পাঠিকাসকলৰপৰা তেওঁ সমালোচনা শুনিবলৈ বিচাৰে। তেওঁ ক'লে, "এই আলোচনীৰ ত্ৰুটি-বিচ্যুতিবোৰৰ কথা কওক, যাতে আমি সেই ত্ৰুটি-বিচ্যুতিবোৰ সংশোধন কৰিব পাৰোঁ। পিছে ভদ্ৰতা বোলা কথা এখাৰ তো আছে। সাধাৰণভাৱে এই কথাৰ উত্তৰত ত্ৰুটি-বিচ্যুতিৰ কথা কোনেও মুলিয়ায়। শ্ৰীমতী গীতা মুখাৰ্জিয়ে তো এটি উচ্ছ্বসিত বক্তৃতা দি দিলে। প্ৰায় স্তৱগীতি বুলিব পাৰি। দুৰ্মুখ মই ভাবিলোঁ, জানিব যেতিয়া খুজিছা—তেতিয়া জনাই দিয়াটোৱেই ভাল।

মই ক'লোঁ, "বেয়া নাপাব, মোৰ প্ৰশ্ন এয়ে যে, আপোনালোকেও মহিলা আলোচনীত আমেৰিকা-ইঅ'ৰোপে কৰাদি ফেছন পেৰেড আৰম্ভ কৰি দিলে কিয়? সাজ-পাৰৰ বাহাৰ বা বৈচিত্ৰ্যৰ ওপৰত ইমান গুৰুত্ব আৰোপ কৰাটো তো আপোনালোকৰ নীতি নহয়।"

এইখিনিতে কৈ থোৱা ভাল যে, তেতিয়ালৈকো মই 'বিভিশনিজম' আদি বচনৰ একো এটাও শুনাই নাছিলোঁ। মোৰ প্ৰশ্নটো আছিল প্ৰকৃততেই স্বাভাৱিক আৰু আন্তৰিক।

ফেছন-সলনিৰ কাণ্ডটো ব্যৱসায়ী-জগতৰহে কাৰচাজি। এইবোৰ কথাৰ ওপৰত নাৰীৰ সৌন্দৰ্য আৰু মাধুৰ্য্য একেবাৰেই নিৰ্ভৰশীল নহয়। ঋাজিৰ নাৰীয়ে

পোন্ধ মাৰি শাড়ী পিন্ধি যুদ্ধ কৰিছিল, মহাৰাষ্ট্ৰৰ ছোৱালীসকলে আজিও তেনেকুৱা পোছাকেই পিন্ধে। তাৰ বাবে তেওঁলোকৰ মাধুৰ্য্য লালিত্য ক্ষুণ্ণ হোৱা নাই, অটুট-অভগন আছে। বংগললনাই হাজাৰ বছৰ ধৰি ৰঙাপাৰিৰ শাড়ী পিন্ধি আৰু সেন্দুৰ লৈ জননী আৰু জায়া ৰূপে মংগলে-সুন্দৰে এক হৈ আছে।

মাও চে তুঙে কৈছিল 'আহাঁ নাৰী, তুমিয়েই অৰ্দ্ধেক আকাশ।' তেওঁ কোন নাৰীলৈ আহ্বান জনাইছিল ?—চিত্ৰাঙ্গদা। 'ক'ত সেই ৰমণী বীৰ্য্যৱতী ?' এই বীৰ্য্যৱতী ৰমণীসকলে চীনদেশত পুৰুষৰ কাষতে কঠিন কৰ্মক্ষেত্ৰত সম-মৰ্য্যাদাৰে সম-দক্ষতাৰে স-সন্মানে নিজৰ কামত নিযুক্ত। তাত উইমেন্‌ছ লিবৰ কথাটো হাস্যকৰ যেন লাগিব।

যি কি নহওক, কছমেটিকছৰ কথাটো ওলাল যেতিয়া—তেতিয়া এই সম্বন্ধে মোৰ অভিজ্ঞতাখিনি কৈ এই প্ৰসংগ সামৰিম।

বৰ জাৰৰ দিনত বেছি গৰম চোলা-কাপোৰ পিন্ধি উৰি থাকিলে কাৰো কাৰোবাৰ গোটেই শৰীৰ ছিৰালফটা দিয়ে। তেতিয়া গোটেই দেহাত অসহ্যভাবে খজুৱতি হয়। ১৯৭৫ চনৰ ছেপ্টেম্বৰত লণ্ডনত থাকোঁতে মোৰ তেনেকুৱা হৈছিল। ইমান কষ্টকৰ যে, ক'তো থিৰেৰে বহিবও নোৱাৰি। আমাৰ দেশতো জাৰকালি সামান্য হ'লেও গা নফটা নহয়, কিন্তু অলপ তেল বা গ্লিছাৰিন ঘঁহিলেই ভাল হৈ যায়। কিন্তু তাত নহ'ল, মোৰ বৰ কষ্ট হৈছিল, প্ৰাণান্তকৰ কষ্ট। তেতিয়া এগৰাকী ইংৰাজ মহিলাই মোক এটা লোশ্বন দিলে, লোশ্বনটোৰ নাম 'অয়ল অব উল্লা'। বিলাতী প্ৰসাধন সামগ্ৰী ব্যৱহাৰ কৰাসকলে এই বস্তুটি চিনি পায়। সেই প্ৰসাধন সামগ্ৰীটি ব্যৱহাৰ কৰি মই দুদিনতে আৰাম পালোঁ। যেন জুইতহে চেঁচাপানী পৰিল।

চীনলৈ অহাৰ পাছৰেপৰাই মোৰ তেনেকুৱা কষ্ট আৰম্ভ হ'ল। এনেয়ে তেজ গোটমৰা জাৰ, তাতে হিমচেঁচা বতাহ। গোটেই শৰীৰ ছিৰালফটা দি প্ৰায় ঘঁহিয়ালৰ ছালৰ দৰে হৈ পৰিল। অলপ স্থিৰ হৈ বহি যে কোনো কথা মনপুতি শুনিম তাৰো উপায় নোহোৱা হৈছিল। অগত্যা ছিজিয়াচুৱাঙত মই স্যাক ক'লোঁ, "স্যা, তুমি কিবা হেণ্ডলোছন ব্যৱহাৰ কৰা নেকি।" তাই ক'লে যে তাই কস্মিনকালেও সেইবোৰ বস্তু ব্যৱহাৰ কৰা নাই। পিছে দোকানলৈ গ'লে মই চাই-চিঁতি কিনি ল'ব পাৰিম। গে'ষ্ট হাউছৰ লগতে সককৈ এখন

'ফুলেবিব খণ' আছে, গ'লোঁ তালৈ। ভাবাব হেতোব, সেয়েহে কোন বস্তু কি বুজা টান। জবাকুসুমব চিচা যেন সন্ধ বটল এটাত বগা ক্ষীবব দবে পদার্থ দেখা পাই ভাবিলোঁ যে ইয়াৰে কিবা কাম হ'লেও হ'ব পাৰে। যি হয় হওক বুলি কিনিলোঁ আৰু ব্যৱহাৰ কৰি আচৰিত হ'লোঁ। অম্লৰ অব উল্টাতকৈও কাৰ্য্যকৰী। চাওঁতে চাওঁতে মোৰ জ্বালা-যন্ত্ৰণা জুৰ পৰিল।

এই কাহিনী লিখাৰ উদ্দেশ্য এয়ে যে, তাত যিবোৰ প্ৰসাধনী তৈয়াৰ কৰা হয় গুণগতভাৱে সেইবোৰ যে বিলাতী বস্তুৰ সমতুল সেই কথাত সন্দেহৰ থল নাই আৰু সেয়েহে সেইবোৰ বিদেশলৈ ৰপ্তানি কৰা হয়, চীনত প্ৰস্তুত হোৱা বস্তুৰ মাজত কোনো ফাঁকিফুকা নাই। দেশৰ বস্তু-সামগ্ৰীত ভেজাল দিয়াটো যে নিজক নিজে ফাঁকি দিয়া—এইকণ 'right ideas' সেই দেশৰ নেতৃবৰ্গ ই মানুহক বুজাবলৈ সক্ষম হৈছে।

১১ তাৰিখে আগবেলা ছিজিয়াচুৱাঙৰপৰা অলপ নিলগত আমি এখন কমিউন চাবলৈ ওলালো। যোৱাৰ আগে আগে মই বেছ কায়দা কৰি কেমেৰাটো কান্ধত ওলোমাই ল'লোঁ। আচল কথা হ'ল ফটো তুলিব মই একেবাৰে নাজানো। ফটো তোলা বাদেই, মোৰ হাতত কোনো যন্ত্ৰয়েই নচলে। ছুটকেছৰ তলা খোলা বন্ধ কৰা সিও মোৰ পক্ষে ভয়বহে কথা। যিমান বাৰ মোৰ স্বামীৰ সৈতে ফুৰিবলৈ ওলাইছিলোঁ সিমান বাৰ কোনো চিন্তা নাছিল। তাৰ পাছত যেতিয়াৰপৰা অকলে অকলে ঘূৰি ফুৰিবপৰাকৈ পাখি গজিল, তেতিয়াৰপৰাহে ভয়ে ভয়ে থাকোঁ—ক'ত যে কেতিয়া কোন কোঠালীত বন্ধ হৈ পৰিম, তলা খুলিব নোৱৰা হ'ম, ছুটকেছ বন্ধ হৈয়েই থাকিব—নাজানো। সেইজনী মানুহ ময়েই চীনলৈ বুলি ওলোৱাৰ আগতে পুত্ৰৰ কেমেৰাটো লৈ সকলো কল কজাৰ বুজ লৈ আহিছোঁ —কেনেকৈ কি কৰিব লাগিব ন'টবহীত ভালকৈ লিখিও লৈ আহিছো, যদিও চীনলৈ ওলোৱাৰ আগতে বহুতেই কৈছিল যে সিহঁতে হেনো ফটো তুলিবলৈ নিদিয়ে। চীন সম্বন্ধে বা কমিউনিষ্ট দেশ সম্বন্ধে যিবোৰ প্ৰচলিত ধাৰণা বিদ্যমান এই ধাৰণাটোও তাৰ মাজৰ এটা। অথচ, আমাৰ দেশতেই বোধকৰোঁ, ফটো তুলিবলৈ গৈ বিদেশীৰ প্ৰাণ বিপদাপন্ন হৈ পৰিছিল বহুবাৰ।

মোৰ কেমেৰাটো দেখা পাই দীনেশে বৰ ভাল পালে। তেওঁ ক'লে, "খুব ভাল হ'ব—মোৰো কেমেৰা এটা লৈ আহিছোঁ, পিছে কেমেৰাটো মোৰ নহয়, আনৰ, ঠিকমতে আয়ত্তহে কৰিব পৰা নাই।"

আমাৰ মাজত বহুতৰে এটা ধাৰণা, কমিউন মানে এটা প্ৰকাণ্ড ঘৰ—য'ত বহু মুনিহ-তিৰোতা একেলগ হৈ থাকে, একেলগে খোৱা-বোৱা কৰে, ইজনে সিজনৰ কাপোৰ-কানি পিন্ধি ওলাই যায়, কিন্তু নিজৰ বোলোঁতে একো এটাও নাই। এনেকুৱা ধাৰণা হোৱাৰ গুৰিতে কিবা কাৰণ হয়তো আছিল, এতিয়া অৱশ্যে কথাবাৰৰ অৰ্থ বেলেগ। এইটো এটা প্ৰশাসনিক ব্যৱস্থাৰ অংশ। যিকোনো গাঁৱত সৰ্বনিম্ন বা সৰ্বপ্ৰথম প্ৰশাসনিক স্তৰ হ'ল টিম বা দল। দলৰ এজন নেতা থাকে—তেওঁ নিৰ্বাচিত হয়। তেওঁৰ নিৰ্দেশ মতে দলটোৰ কাৰ্য্যকলাপ নিৰ্ধাৰিত হয়। তাৰ পিছত আছে প্ৰডাকশ্যন ব্ৰিগেড। কেইটিমান টিম লৈ এটি ব্ৰিগেড। তাৰ ওপৰত অৰ্থাৎ তৃতীয় স্তৰত হ'ল কমিউন—কেইটিমান ব্ৰিগেড লৈ এটা কমিউন। তাৰ পিছত কাউন্টি বা ডিষ্ট্ৰিক্ট। তাৰ পিছৰ স্তৰত আছে প্ৰিফেকচাৰ। কেইখন-মান ডিষ্ট্ৰিক্ট লৈ এখন প্ৰিফেক্চাৰ গঠিত হয়। তাৰ ওপৰৰ স্তৰটো হ'ল প্ৰভিন্সিয়াল গৱৰ্ণমেণ্ট আৰু সৰ্বোচ্চ স্তৰত আছে ছেণ্ট্ৰাল কমিটি। এয়ে হ'ল শাসন-ব্যৱস্থাৰ বিভাগ।

আমি যিখন কমিউন চাবলৈ গ'লো সেই কমিউনখনৰ নাম টুংগুতাং প্ৰডাকশ্যন ব্ৰিগেড আৰু পিপ'লছ কমিউন। এই গাঁওখন ছিজিয়াচুৱাঙৰপৰা কেইমাইলমান দূৰৈত। পাতসৰা পপলাৰ গছৰ শাৰীৰ মাজেদি গৈ গৈ আপেল খেতিৰ মাজেদি ধুলিৰ ধুমুহা তুলি মটৰ গৈ থাকিল। একৰৰ পিছত একৰ জোৰা আপেলৰ বাগান। শীতৰ বতাহে কোবোৱা পাত সৰুৱাই লঠঙা ক'লা ক'লা গছবোৰ থিয় হৈ আছে।

এটা দোতলা ঘৰৰ আগত ৰ'লোঁ গৈ। ওপৰৰ মহলাত এটা হলঘৰত সেই একেদৰেই বিৰাট দীঘল মেজৰ দুকাষত বহা ঠাই। প্ৰতিজনৰ চকীৰ আগত আঠ-দহটাকৈ পূৰঠ আপেল আৰু ছুৰি। তিতা টাৱেল আৰু চাহ তো আছেই।

তাৰ পাছত কমিউনৰ ৰেভলিউশ্যনাৰি কমিটিৰ ভাইছ চেয়াৰমেন গৰাকীয়ে (এওঁ মহিলা) খবৰ-বাতৰি দিবলৈ ধৰিলে। তেওঁৰ নাম লি চি চেন। প্ৰডাকশ্যন ব্ৰিগেডৰ ৰেভলিউশ্যনাৰি কমিটিৰ ভাইছ চেয়াৰমেন (এৰোঁ মহিলা)

আমি কৰ্মকৰ্তাসকলে আমাক সেই খলুৱা কমিউন, ব্ৰিগেড আৰু প্ৰডাকচন টিম সম্বন্ধে যথাৰীতি ক'বলৈ ধৰিলে। এনেকৈ কৈ থাকোঁতে আমি সকলোৱেই বহি-পেন্সিল লৈ উবুৰি খাই পৰোঁ। অৱশ্যে সকলোৱেই নহয়। তাৰাচান্দ গুপ্তই, মহেশ কোটনিছে পৃষ্ঠাৰ পিছত পৃষ্ঠা লিখে, ইন্দিৰা বাসুৱে প্ৰায় একোৱেই নিলিখে। তেওঁ হ'ল পতিৰ পুণ্যেৰে সতী। ডা• বাসুৱে অলপ-অচৰপ লিখে। তেওঁ নজনা তো একোৱেই নাই। বেচেৰা খিংভাই লিখিবলৈ চেষ্টা নকৰা নহয়, কিন্তু তেওঁৰ দোভাষীয়েও তেওঁৰ কথা বুজে আৰু তেৰোঁ দোভাষীৰ কথা বৰ বুজি নাপায়। এনে অৱস্থাত সীতা আৰু হনুমানৰ বাক্যালাপৰ দৰে অৱস্থা হয়গৈ। দীনেশে ইটো সিটো লিখে আৰু ইফালে সিফালে চায়। মোৰো সেই অৱস্থা। এটা কথা ভালকৈ বুজি উঠাৰ আগতেই আলোচনাই গতি লয় আন এটা বিষয়লৈ। আটাইতকৈ উদাসীন শ্ৰীশ্ৰী মহাকবি। তেওঁ প্ৰায় কেতিয়াও একো নিলিখে, কিয়নো তেওঁৰ ওচৰত কাগজ-কলম একোৱেই নাথাকে।

সেয়েহে, আজি ডায়েৰিৰ পাত লুটিয়াই বৰ হতাশ যেন লাগিছে—যিমান আলোচনা হৈছিল তাৰ চাৰিভাগৰ এভাগো লিখিব নোৱাৰিলোঁ। সেই কোন কাহানিতে ক্লাছত ন'ট লৈছিলোঁ, এতিয়া আৰু পাৰোঁনে? কিবাকিবি টুকি লোৱাৰ কথা বাদ দি মই ইফালে সিফালে চাবলৈ ধৰিলোঁ। ইয়াত উপস্থিত থকা সকল যে গাঁৱলীয়া মানুহ সেই কথা বুজা যায়। পিকিং চহৰৰ মানুহতকৈ এওঁলোকৰ চেহেৰাত বা পোছাকপাতিতো পাৰ্থক্য আছে। কিন্তু প্ৰতিজনেই বেছ তজবজীয়া, তৎপৰ আৰু আত্মবিশ্বাসসম্পন্ন। ইমানবোৰ বিজাতীয় মানুহক দেখিও অলপো অপ্ৰতিভ হোৱা নাই। তেওঁলোকৰ বক্তব্য ইজনৰ পিছত সিজনকৈ ক'বলৈ ধৰিলে। এই গাঁওখনত পাঁচশ নটা পৰিয়াল বাস কৰে। মুঠ লোকসংখ্যা ছয় হাজাৰ তিনিশ ছয়ত্ৰিছ জন। ছটা প্ৰডাকচন টিম লৈ এই কমিউন গঠিত। ইয়াত আছে ফলৰ বাৰী, বিভিন্ন পশু-পক্ষীৰ পাম। ইয়াৰ উপৰি এহাজাৰ সাতশ বত্ৰিছ ম' মাটিত (ছয় ম'=এক একৰ। তিনি বিঘা=এক একৰ। সহৃদয় পাঠক-পাঠিকাসকলে হিচাপ কৰি লওক। অংকৰ নামত মোৰ তীৰকঁপে জ্বৰ উঠে) খেতি-বাতি কৰা হয়। এহাজাৰ পাচশ আঠষষ্ঠি ম' মাটিত ফসল খেতি। অৰ্থাৎ আপেলৰ খেতি। আমাৰ

যেতিয়াত সেই আপেলেই দ'মাই খোৱা হৈছিল—আমি খাই আছিলোঁ। বাহিৰত লঠঙা আপেলৰ গছ দেখিছিলোঁ। সেই গছবোৰৰ মধ্য ডালত কেতিয়া যে ফুল ফুলিছিল, ফল লাগিছিল কোনে ক'ব। এতিয়া তো তাৰ চিন-মোকামো নাই। মই ভাবিবলৈ ধৰিলোঁ, ইমান আপেল ছিঙি আনিলো থ'লেহি ক'ত? ন'ট লৈ থকাৰ মাজতে অন্যমনস্ক হৈ ভাবিছোঁ—ইমানবোৰ আপেল—নিগনিয়ে শেষ কৰি নিদিয়ে তো? মই শুন-মুন্তনকৈ চোক সুধিলোঁ, আৰু চোৱে প্ৰশ্নটো সভাত উত্থাপন কৰিলে। উত্তৰত কোৱা হ'ল—আমি য'ত বহি আছোঁ ঠিক তাৰ তলতে আপেলৰ ভঁৰাল। এন্দুৰ, নিগনি, শালিকা বা অন্যান্য জীৱৰ উৎপাত নাই। সেইবোৰ একেবাৰে উচ্ছেদ কৰা হৈছে। এবাৰ এইবোৰ 'ফ'ৰ পেষ্টছ'ৰ বিৰুদ্ধে আন্দোলন কৰি লিহঁতক সমূলঞ্চে নিৰ্বংশ কৰা হৈছে।

কথাটো শুনি মই কেনে শান্তি যে অনুভৱ কৰিলোঁ! আমাৰ দেশৰ এক-চতুৰ্থাংশ শস্য হেনো এইবোৰ প্ৰাণীৰ পেটলৈ যায়। হনুমানবোৰে আম কল অমিতা আদি চাহি মুহি ছিঙি লৈ যায়। কিন্তু হনুমান মাৰিব কোনে? সি তো ৰামৰ সেৱক—তাক তো পূজিবহে লাগিব। আৰু এন্দুৰকো পূজা কৰা হয়। কলিকাতাৰ কাৰ্জন পাৰ্কত এন্দুৰ দেৱতাৰ পীঠস্থান আছিল। জৈন সকলে হাজাৰ বিজাৰ এন্দুৰৰ বাবে খোৱা বোৱাৰ দিহা কৰি দিছিল, পুহিছিল। এই কাৰ্য্যৰ ফলত তেওঁলোকৰ পুণ্যলাভ হৈছিল। এই দৃশ্যৰ ফিল্ম তুলি বিদেশত প্ৰদৰ্শন কৰাৰ পাছতেহে হেনো কাৰ্জন পাৰ্ক এন্দুৰমুক্ত কৰা হৈছে।

আকৌ ছবি যিসকলে তুলিছিল তেওঁলোকৰ ওপৰত বৰ খঙো উঠিছিল আমাৰ। নিন্দনীয় কাম কৰাত লাজ নাই, তাৰৈ আঙুলিয়ালেহে জগৰ!

ৰাজস্থানত হেনো এন্দুৰৰ মন্দিৰেই আছে। নাথাকিব কিয়, ইহঁত হ'ল সিদ্ধিদাতা গণেশৰ বাহন! সেয়েহে ৰাজস্থানত ৰীতিমতে এন্দুৰৰ পূজা কৰা হয়, এন্দুৰৰ নামত মাহ প্ৰসাদ বিলোৱা হয়। এম-পি সকলেও এন্দুৰলৈ পূজা-পাটল আগ কৰে, মাহ-প্ৰসাদ পায়নে নেপায় খায়নে নেখায় নাজানো। অৱশ্যে কমেও এন্দুৰভক্তইতৰ ভোটখিনি পায়।

লি চি চেনে কৈ আছিল "ৰেভলিউশ্যনৰ আগতে এই ঠাইডোখৰ আছিল

একেবাৰে অনুৰ্বৰ বিধৰ। দহ বছৰৰ ভিতৰত ন-বছৰেই শস্য প্ৰায় নহৈছিল বুলিয়েই ক'ব পাৰি। উত্তৰৰ ফালে এখন নৈ আছে, সেই নৈৰ পানীয়ে মাটি জেকা আৰু বোকাময় কৰি পেলাইছিল। মাটিখিনি আছিল ওখোৰা-মোখোৰা। পানী নিষ্কাশনৰ কোনো সুচল নাছিল। মাজে মাজে বানপানীও হৈছিল। গতিকে ম'ৰেপ্ৰতি উৎপাদনো হৈছিল নামমাত্ৰ। চৈধ্যজন জমিদাৰ আছিল—সিহঁতৰ অধিকাৰত আছিল আধামান মাটি। সমূহ ৰাইজেই ঋণৰ দায়ত মহাজনহঁতৰ ওচৰত দায়াবদ্ধ আছিল। চৌবিছটা পৰিয়াল ভোকে-লঘোনে জৰ্জৰিত হৈ গাঁও এৰি গুচি গ'ল, ষোল্লটা পৰিয়াল অনাহাৰত মৰিল। সাতত্ৰিছজন বনুৱাই জমিদাৰহঁতৰ মাটিত সদায় গেবাৰি খাটিছিল। আৰু, কাম যেতিয়া বেছি হৈছিল তেতিয়া এশ সাতত্ৰিছজনে কাম পাইছিল। স্বাধীনতাৰ পাছত পাৰ্টিৰ চেয়াৰমেনৰ নেতৃত্বত আমি জমিদাৰী প্ৰথা বিলুপ্ত কৰিবলৈ সক্ষম হৈছোঁ। ১৯৫৪ চনত আমি পৰস্পৰক সহায় কৰিবলৈ 'টিম' বা দল গঠন কৰিছিলোঁ। ১৯৫৫ চনত সৰু সৰু সমবায় সমিতি গঠিত হ'বলৈ ধৰিলে। ১৯৫৮ চনতে পিপ'লছ কমিউন হ'ল। অৰ্থাৎ তেতিয়াৰপৰা আটাইখিনি মাটিয়েই সমূহ ৰাইজৰ সম্পত্তি হৈ পৰিল, কেইজনমান মানুহৰ কো অপাৰেটিভ হৈ নাথাকিল। এইদৰে একেলগ হৈ কাম কৰি কৰি আমি আমাৰ শ্ৰেণীশত্ৰুহতক পৰাজিত কৰিলোঁ। চেয়াৰমেন মাও চে তুঙৰ আদৰ্শ অনুসাৰে কাম কৰা বাবেই আমাৰ এই প্ৰচেষ্টা সফল হৈছিল। তেওঁৰ আদৰ্শক সাৰোগত কৰি আমি একতাবদ্ধ হৈ সমগ্ৰ গাঁওখনৰ উন্নতিৰ অৰ্থে প্ৰাণপণ পৰিশ্ৰম কৰিছোঁ। আমি শই শই গাছপুলি ৰুইছো বতাহক প্ৰতিৰোধ কৰিবলৈ—ঠাণ্ডা বতাহে শস্যৰ হানি কৰে বুলি বহলকৈ গছ গছনিৰ পৰ্দা তৰি দিছোঁ। ওখোৰা মোখোৰা মাটি সমান কৰিছোঁ—যাতে পানী ভোঙা বান্ধি নাথাকে। প্ৰতি বছৰে শস্যৰ উৎপাদন বাঢ়িছে। ১৯৫৮ চনত এক ম' মাটিত দুশ চৌৱন কিল'গ্ৰাম শস্য উৎপাদিত হ'ল। এই উৎপাদন মুক্তিৰ আগৰ তুলনাত দুগুণতকৈও অধিক।"

মই বিস্মিতভাৱে এই খেতিয়ক মহিলাগৰাকীৰ বক্তৃতা শুনি আছিলোঁ। কেনে দৃঢ়তা আৰু আত্মবিশ্বাসেৰে সৈতে যে তেওঁ ইমান ৰাজনৈতিক আলোচনা কৰিছিল! মাথোন তথ্যয়েই নহয়, তত্ত্বও জানে। মই ভাবিলোঁ, ন'ট নিলিখি এতিয়া এওঁৰ ফটো এখনকে লওঁ। পিছে মনৰ এচুকত সেই

অসংকৰ জীৱিটোৱে ভুমুকা-ভুমুকি কৰিবলৈ ধৰিলে—ফটো তোলাৰ চেষ্টা কৰিলে কোনোবাই কিবা নক'ব তো! যি কি নহওক, প্ৰত্যেক নিৰ্দেশবোৰ মনত পেলাই পেলাই তিনি চাৰিখন ফটো তুলিলোঁ। এজন ভদ্ৰলোকে আপেল চোবাই আছিল—তেওঁৰ মেলা মুখখনৰ, মঞ্চে মনোযোগেৰ সৈতে মোক আপেল তুলি দিয়াৰ, আৰু বক্তৃতাকাৰিণীৰ। মহিলাগৰাকীয়ে কেমেৰাৰ পিনে চাই চাই আগৰ দৰেই বক্তৃতা দি থাকিল। তেওঁ কেৱল তেওঁলোকৰ কমিউনত উৎপন্ন বস্তু-সামগ্ৰীৰ সম্পৰ্কেই নহয়, ৰাজনীতি সম্পৰ্কেও সমানে সচেতন। এই কমিউনসমূহত দস্তৰমতে ৰাজনীতিৰ ক্লাছ হয়, আলোচনা হয়। আনৰ, আৰু নিজৰো সমালোচনা কৰা হয়। প্ৰতিখন গাঁৱৰ স্তৰতে উচ্চতম ৰাজনীতিৰ বিশ্লেষণ আৰু আলোচনা প্ৰায় প্ৰাত্যহিক বিষয়। আৰু ছেগ পালেই এওঁলোকে যিদৰে ৰাজনীতি লৈ আলোচনা কৰে, আন কোনো দেশতে মই তেনেকুৱা দেখা নাই।

আমেৰিকাত ৰাজনীতি সম্বন্ধে সৰহ মানুহেই উদাসীন।

আৰু ছোভিয়েত ৰুছিয়াত একেবাৰে নীৰৱ। তাত কোনোৱেই সহজে মুখ নেমেলে।

ভদ্ৰমহিলাই ক'বলৈ ধৰিলে "সাংস্কৃতিক বিপ্লৱৰ কালছোৱাত অৰ্থাৎ ১৯৬৬ চনত লিউ শ্বাও চিএ (এওঁ তেতিয়া চীনৰ দ্বিতীয় নম্বৰ, অতি প্ৰভাৱশালী ব্যক্তি।) যি বাট লৈছিল সি আছিল ৰিভিছনিষ্টৰ পথ—অৰ্থাৎ খ্ৰুশ্চফৰ নীতি। তেওঁ আকৌ ব্যক্তিগত মাটি বাৰী, ব্যক্তিগত বেহা বেপাৰ, ব্যক্তিগত কল কাৰখানা আদিৰ পুন প্ৰচলন কৰিবলৈ উদ্যোগী হৈছিল। খেতিমাটিৰ বাবে বনুৱাৰ নিযুক্তি, সুদত টকা বিনিয়োগ, মাটিৰ কিনা-বেচা—এইবোৰৰ পুন প্ৰচলনৰ চেষ্টা কৰিছিল। আমি তেওঁৰ বাটেদি বাট নুবুলিলোঁ। আমি আলোচনা কৰি চালোঁ যে এই পথ গ্ৰহণ কৰিলে আমি যি দুৰ্গতিৰ মাজত আছিলোঁ সেই দুৰ্গতিলৈহে আকৌ উভতি যাব লাগিব। সকলোৱে মিলি-জুলি কাম কৰি একত্ৰিত শ্ৰমেৰে উৎপাদিত সামগ্ৰীৰ সুষম বণ্টনৰ ফলত আজি আমি সুখী, আমাৰ কোনো অভাৱ নাই। আমি 'ডিক্টেটৰশ্বিপ অব দি প্ৰলিতাৰিয়েত' বৰ্তি থকাটোহে বিচাৰোঁ।" ভদ্ৰমহিলাই হিচাপ দাখিল কৰি থাকিল. "১৯৭৪ চনত আমি শস্য পালোঁ ম'বেপ্ৰতি ছশ আঠানব্বৈ কিল'। ১৯৭৫ চনত

আঠাৰ বাটি কিল'। ১৯৭৬ চনত আঠাৰ বাহাত্তৰ কিল'। আমি এক মিলিয়ন সাত হাজাৰ কাটি (এই জোখটো মই নাজানো) শস্য চৰকাৰক যোৱা দুই বছৰত দিলোঁ, আৰু বছৰেপ্রতি পাঁচ মিলিয়ন কাটি শাক-পাচলি দিওঁ চৰকাৰক। ৰেভলিউচনৰ আগতে দুহাজাৰ তিনিশ কাট্টিতকৈ অধিক উৎপাদনেই নহৈছিল।"
হিচাপবোৰ ভালকৈ বুজাত অলপ উজুটি খাইছিলোঁ, কিয়নো অংকৰ কথা শুনিলেই মোৰ মূৰ ঘূৰাবলৈ ধৰে। পিছে এইখিনি বুজিলোঁ যে এসময়ৰ একেবাৰে অহল্যা ছনপৰা বাকৰি মাটিয়ে এতিয়া প্ৰাণ পাই জীপাল হৈ উঠিছে। আৰু এফালে একত্রিত শ্ৰমদানৰ দৰে আন ফালে মাটিৰ মৰমৰ দানো আঁজলি ভৰাই বুটলিছে।

ভদ্রমহিলাই কৈয়েই আছে "যোৱা বছৰ আমি তেৰ মিলিয়ন কিল' ফল উৎপাদন কৰিছোঁ। প্ৰডাকচন ব্রিগেডে দুই লাখ ত্ৰিশ হাজাৰ গছপুলি ৰুইছে।" ইত্যাদি ইত্যাদি।

বাহিৰলৈ ওলাই আহি আমি প্ৰডাকশন ব্রিগেডৰ কাম চাবলৈ গ'লোঁ। সৰু সৰু কমাৰশালত সেই গাঁৱৰ প্রয়োজনীয় যন্ত্রপাতি নিপুণভাৱে তৈয়াৰ কৰা হৈছে।

তাৰ পাছত গ'লোঁ সূতাকললৈ। তাত সূতা আৰু কাপোৰ তৈয়াৰ কৰা হৈছে। সৰুসুৰা আয়োজন, কিন্তু গাঁৱৰ প্রয়োজনৰ জোখাৰে। ইটাৰ ভটাও দেখিলোঁ— নাৰী-পুৰুষে চাফ-চিকুণ সাজ-পাৰ পিন্ধি কাম কৰি আছে। এটা ছিমেণ্ট ফেক্টৰিও চালোঁ। গাঁৱত ছিমেণ্ট ব্যৱহাৰ কৰা হৈছে প্রয়োজনৰ জোখাৰে আৰু বাদবাকীখিনি চৰকাৰে কিনি লৈছে। গাঁৱৰ বাট-পথ পৰিষ্কাৰ-পৰিচ্ছন্ন, নানান বিধৰ গছ গছনি, বিভিন্ন মানুহ বিভিন্ন কামত ব্যস্ত—সকলো মিলাই গাঁৱৰ পৰিপূৰ্ণ মনোমোহা চিত্র।

চাই চাই হঠাতে মোৰ এদিনৰ কথা মনত পৰিল।

আমাৰ পৰমশ্রদ্ধেয় গান্ধীশিষ্য সতীশচন্দ্ৰ দাশগুপ্ত কমিউনিষ্টসকলৰ ওপৰত তেনেই বিৰূপ আছিল, এতিয়াও আছেনে কি নাজানো। তেওঁ এবাৰ শ্ৰীনিকেতনত আমাক কমিউনিজমৰ বিপদ সম্পৰ্কে বুজাই আছিল। কিছু বছৰমান আগৰ কথা, তাতকৈ বেছি দিনৰ নহয়। তেওঁ কৈ আছিল: "কমিউনিজম আহিলে কি হ'ব জানা? এতিয়া যিসকলে তোমালোকৰ আলপৈচান ধৰিছে,

তেতিয়া তোমালোকেই তেওঁলোকৰ আলপৈচান ধৰিব লাগিব। কহিয়াও কি হৈছিল জানা—চাকৰ-বাকৰহঁতে মিটিং কৰি মাজনিশা ময়লৈ উভতি আহি গৃহাধীশ্বৰীৰ টোপনিৰপৰা জগাই কৈছিল—'জল্দি জল্দি চাহ-তাহ বনোৱাচোন, বৰ ভোক লাগিছে'।"

কথাবাৰ শুনিয়েই কল্পনা কৰিছিলোঁ—মোৰ পুৰণি আৰু প্ৰিয় ভৃত্য জংবাহাদুৰে মাজনিশা মোক টোপনিৰপৰা জগাই কৈছে, 'মেমচাব, লেবুগৰপৰা ঘোঁৰা চেঁকুৰাই আহিছোঁ, মিটিং কৰি ভাগৰি পৰিছোঁ—অলপ চাহ কৰকচোন' —তেনেহ'লে কেনে হয়? তেতিয়াই কথাটোৰ অসম্ভাব্যতাৰ ভীতি গুচি হাঁহি উঠিছিল।

কিন্তু আজি মোৰ ধাৰণা হৈছে,—কথাটো অসম্ভৱেই বা কিয়, কেনেবা কিহত? ভাগ্যক্ৰমে যিসকল আমাতকৈ বহু পৰিমাণে বঞ্চিত, যিসকলে চিৰদিনেই আমাৰ সেৱা কৰি আহিছে, আমি সিসকলক সেৱা কৰিবলৈ পালে ভালেই হ'ব। আৰু সিহঁতৰ বেমাৰ-আজাৰ হ'লে সেৱা আমি নকৰাও নহয়। বিশেষকৈ 'খেলাঘৰ'ৰ (অনাথ আশ্ৰম) কল্যাণতে এনে ধৰণৰ বহুতো কাম-কাজেই আজি আমাৰ মানত বৰ আনন্দজনক কথা, যিবোৰ আনন্দৰ সন্ধেদ ইয়াৰ আগতে আমি পোৱা নাছিলোঁ, যিবোৰ আছিল ধাৰণাৰো অতীত।

এই 'খেলাঘৰ'ৰ খেলাত যিসকল মতলীয়া হৈছে, তেওঁলোকৰ কোনোৱেই আজি আৰু বোকাৰে লুতুৰি-পুতুৰি হোৱা, বা সৰ্বাংগত খহু বা ঘা থকা পৰিত্যক্ত শিশুক কোলাত তুলি ল'বলৈ বিন্দুমাত্ৰ ঘৃণাবোধ নকৰে, বৰঞ্চ গৌৰৱহে বোধ কৰে। আজি যদি মোৰ সেই পুৰণি ভৃত্য জংবাহাদুৰে দিনত, নিশা বা যিকোনো সময়ত আহি কয়, মা, মোক অলপ খাবলৈ দিয়ক, তেনেহ'লে মই পুত্ৰমুখ চোৱাৰ সমান সুখ পাম আৰু মই তাক অনায়াসে বাঢ়ি-বাটি খুৱাম।

এই বৈচিত্ৰ্যময় মানব-সম্বন্ধক আমি কেনেকৈ ল'ম তাৰ ওপৰতেই সকলো নিৰ্ভৰশীল।

শ্ৰদ্ধেয় সতীশচন্দ্ৰই আৰু কৈছিল, মোৰ বিয়াৰ দুৰ মনত পৰে, কোনো এখন কিতাপৰপৰা উদ্ধৃতি দি কৈছিল: "এই যে দেখিছা—গছৰ তলত

জিবজিবকৈ বলি থকা বতাহত বহি তাঁতীয়ে তাঁত বৈছে, কমাৰে কমাৰশালত কাম কৰিছে, বাঢ়ৈ খেতিয়ক সকলোৱে শান্ত মনেৰে নিজা নিজা কামত সন্তুষ্ট হৈ শান্ত চিত্তে কাম-বন কৰিছে—এই সকলোতে আউল লাগি যাব, এক অশান্ত হিংস্রতাই তাণ্ডৱনৃত্য কৰিব।" আকস্মিকভাৱে কথাবোৰ এনে আছিলনে নাই পাহৰিলোঁ, পিছে ভাৱটো এয়ে আছিল। আজি মোৰ মনটো উচপিচাই আছিল— এই স্বয়ংসম্পূৰ্ণ সফল সুফলা গাঁওখন তেওঁ চাবলৈ অহাহেঁতেন মোতকৈও কিজানি সুখী হ'লাহেঁতেন। কিয়নো, সম্প্ৰতে তেওঁ নিজেও এটি বৃহৎ কৰ্মত নিযুক্ত, অহল্যা-মাটিত হলধৰ হৈছেগৈ।

এইবোৰ কথা ভাবি ভাবি চাই চাই গৈ আছোঁ, হঠাতে দেখিলোঁ দীনেশ আৰু লীএ মোৰ দুকাষত থিয় হৈ কিবা যেন কৈছে।

লীএ ক'লে, "মিছিছ দেৱী, তুমি যিবোৰ ফটো তুলিলা তাৰ এখনো মুঠিব।"

মই চমকি উঠিলোঁ, কয় কি ?

"কিয় ?"

"আচল কাৰণ এয় যে, "তুমি লেন্স এডজাষ্ট কৰিলা, দূৰত্ব ঠিক কৰিলা, অনেক জোখ মাখৰ হিচাপে কৰিলা—কিন্তু 'হে হে—কেৱল খাটাৰৰ ঢাকনীখনহে মুগুচালা।"

"অ্যা'! অ্যা!" দীনেশেও মিচিক মাচাককৈ হাঁহিছে আৰু জুইশলা কাঠিৰে দাঁত খৰকিয়াইছে। এয়া দীনেশৰ এটা বদ অভ্যাস। সদায় দাঁত খৰকিয়ায়। দাঁত'কইটা যে কেনেকৈ এতিয়াও ঠিকেঠাকে ৰাখিছে তাকেহে ক'ব নোৱাৰোঁ।

"দীনেশ, তোমাৰ এই দাঁত খৰকিউৱাটো বন্ধ কৰা। তোমালোকে মোক কোৱা নাছিলা কেলেই ? লী, তুমিও হোলাৰ ভাই মোলা নহয়—, তুমি ৰে কেনে বিশ্বাসঘাতক।" মই নিৰুপায়ত পৰি সিহঁতক গালি পাৰিবলৈ ধৰিলোঁ।

সিহঁতৰ বক্তব্য হ'ল যে সিমান দূৰৰপৰা—অৰ্থাৎ টেবুলৰ সিমূৰৰপৰা মোক কথাটো বুজাই কোৱাটো আছিল তেনেই টান।

চীনলৈ ওলাওঁতে মোৰ প্ৰজ্ঞাৱন্ত পুত্ৰই মোক বাৰে বাৰে সোঁৱৰাই দিছিল, "মা, খাটাৰৰ ঢাকনীখন খুলি ল'বলৈ নাপাহৰিবা।"

তথাপি নহ'ল।

কি আৰু কৰিম, হোৱা কথা হৈ গ'ল।

জীৱনত কত কি যে হেৰাই যায়—টুংগু কমিউনৰ সেই আপেলভৰা মেজখনৰ স্মৃতিচিনো ধৰি ৰাখিব নোৱাৰিলোঁ—হেৰাই গ'ল।

ছিমেণ্ট ফেক্টৰি চাই ওলাই আহোঁতে শুনিলোঁ যে এসময়ৰ এই চৈচুক, বাসৰ অযোগ্য গাঁওখনত এতিয়া পাঁচশটা ঘৰ নিৰ্মিত হৈছে। সম্পদৰ পৰিমাণো বৰ পেলনীয়াবিধৰ নহয়। এহাজাৰ সাতসত্তৰ মিলিয়ন ইউৱান সঞ্চিত হৈ আছে। আৰু আছে চৌবিছখন ট্ৰেক্টৰ, চাৰিখন ট্ৰাক, পঁচাশীটা ডিজেল পাম্প আৰু আৰু নানাবিধৰ শতাধিক যন্ত্ৰপাতি। প্ৰতিটো পৰিয়ালৰ উৰ্দ্বৃত্ত শস্য আছে। চীনা ঔষধিবৃক্ষৰ খেতি আৰু তাৰপৰা ঔষধ নিষ্কাশনৰ কাৰখানা আছে।

আমি এখন ক'অপাৰেটিভ মেডিকেল ষ্টেৰ চাবলৈ গ'লোঁ। তিনি-চাৰিটা সাধাৰণ কোঠাত ডিছপেনছাৰি, চাৰিখন বেড আৰু এটা কোঠাত আউটড'ৰ ৰোগীহঁতক চোৱাৰ ব্যৱস্থা। আন এটা প্ৰকাণ্ড কোঠা পূৰাপূৰি আয়ুৰ্বেদীয়-ঔষধেৰে ঠাহ খোৱা।

ইয়াতেই মই প্ৰথম বাৰৰ বাবে বেয়াৰফুট বা নগ্নপদ ডাক্টৰ দেখিলোঁ।

এই তজবজীয়া ডাক্টৰ যুৱকজন এই গাঁৱৰেই ল'ৰা—চহৰলৈ গৈ কেইমাহমান শিকি বুজি আহিছে। সামান্য ডাক্টৰী কৰিব পাৰে, হাৰ্টৰ ৰোগী বা টান নৰিয়া হ'লে ৰোগীক চহৰলৈ লৈ যায়।

মই তাৰ ভৰিৰ ফালে চাই সুধিলোঁ, "তুমি দেখোন বেয়াৰ ফুট ডাক্টৰ, তুমি জোতা পিন্ধিছা কেলেই?"

"বাৰিষাকালিত য'ত বোকা হয় তাত অৱশ্যেই জোতা খুলিবলগীয়া হয়, কিন্তু বেয়াৰ ফুট মানেই নগ্নপদ ডাক্টৰ নহয়।"

ৰুমানিয়াৰ বিখ্যাত লেখক জাহাৰিয়াস্তানকুৱে লিখা এটা বিখ্যাত গল্পৰ নাম 'বেয়াৰ ফুট'। গল্পটো হ'ল এটি নি কিন ল'ৰাৰ কাহিনী। কিন্তু চীনদেশৰ বেয়াৰ ফুট ডাক্টৰসকল বেয়াৰ ফুটো নহয়, নিঃকিনো নহয়। এই বেয়াৰ ফুট ডাক্টৰসকলৰ শিক্ষাকাল তিনিমাহৰপৰা এবছৰ। কেতিয়াবা এওঁলোকে শিকিবলৈ চহৰলৈ

যায়, কেতিয়াবা কেতিয়াবা চহৰবপৰা ডাক্তৰে আহি শিকাই যায়হি। যেতিয়া ডাক্তৰী কাম নাথাকে, তেতিয়া খেতি-বাতিৰ কাম-বন কৰে আৰু অন্যান্য কৰ্মীৰ দৰেই 'work point' পায়।

বেয়াৰফুট ডাক্তৰৰ লৈতে সাক্ষাৎ হোৱাৰ পাছত আমি গাঁৱৰ বিভিন্ন ঘৰলৈ গ'লোঁ। ইমানবোৰ মানুহ এটা ঘৰলৈ একেলগে নগৈ আমি দুই-তিনিজনকৈ সৰু সৰু দলত বিভক্ত হৈ বেলেগ বেলেগ ঘৰলৈ গ'লোঁ। মই যিখন ঘৰলৈ গৈছিলোঁ তাত তেতিয়া কেৱল ঘৰৰ গৃহিণীহে আছিল, পৰিয়ালৰ আন সকলো কামলৈ ওলাই গৈছিল। এখন সৰু চোতালেৰে লৈতে সৰ্বমুঠ আঠটা কোঠা। আমি এটা শোৱাকোঠাত গৈ বহিলোঁ। প্ৰকাণ্ড খাট এখনত বিছনা পাৰি থোৱা আছে। চীনদেশৰ সকলোতে দেখিছোঁ বিছনাৰ একাষত লেপ ভাঁজ কৰি থোৱা হয় আৰু লেপবোৰৰ প্ৰিণ্ট বৰ মনোমোহা। পোছাকতকৈও মনোমোহা। তেওঁলোকৰ সকলো চখেই সেই লেপখনতে উজাৰ কৰি দিয়ে যেন লাগে। আৰু ওৱাৰ নোহোৱা লেপবোৰ যে কেনেকৈ ইমান জকমকীয়া হৈ থাকে—ভাবি নাপাওঁ। সকলোতে এনেকুৱা, আনকি ফাটেকতো। তক্তাপোচ ইটাৰ ওপৰত থাকে। তক্তাপোচৰ তলৰ ফালে উদং। তাত জুই জ্বলোৱা থাকে। গোটেই ৰাতিটো উমি উমি জুই জ্বলি থাকে আৰু তাৰ ফলত বিছনা পাতি গৰম হৈ থাকে।

আমাক কাঁচৰ গিলাচত তপত চাহ বাকি দি ভদ্ৰমহিলাই অতীতৰ সুখ দুখৰ কাহিনী ক'বলৈ ধৰিলে। তেওঁৰ শহুৰেকৰ শোথৰোগ আছিল। কিন্তু তথাপি জমিদাৰৰ অনুচৰইঁতে তেওঁক জোৰ কৰি টানি আঁজুৰি লৈ গৈছিল কাম কৰাবলৈ আৰু কাম কৰিব নোৱাৰিলে প্ৰহাৰ কৰিছিল। তেতিয়া তেওঁলোকৰ সাত-আঠজনীয়া পৰিয়ালটোৰ বাবে আছিল এটা ঘৰ—সিও আছিল জৰাজীৰ্ণ। এতিয়া ইমানবোৰ ঘৰ—প্ৰত্যেকেই কাম কৰি আছে। তেওঁৰ ঘৰত ৰেডিঅ' আছে আৰু আছে সকলো দেশৰ অলপশিক্ষিত মানুহৰ ঘৰত থকাৰদৰে ঘৰৰ দেৱালত প্ৰচুৰ কেলেণ্ডাৰ। মোৰ মনত পৰিল তাছখন্দৰ এটি খেতিয়ক-পৰিয়ালৰ কথা। ইয়াত যেনেকৈ সুন্দৰ লেপৰ বাহাৰ, তাতো তেনেকৈ সুন্দৰ সুন্দৰ দলিচা আৰু জিকমিকীয়া ছামোতাৰৰ সম্ভাৰ।

আমাৰ খেতিয়কৰ ঘৰতো আগতে সুন্দৰ সুন্দৰ কঁথা আছিল বুলি শুনিছিলোঁ, এতিয়া আৰু একেবাৰেই নাই। ভাল ঘৰেইবা আছে কেইজনৰ? মই বছৰৰ

মেছিভাগ দিখন গাঁৱত থাকোঁ, তাত মোৰ ঘৰৰ বিপৰীতফালে চাৰি-পাঁচটি ল'ৰা-ছোৱালী লৈ এটা জুপুৰি পজাত ঘি মুচিয়াৰ পৰিয়ালটো বাস কৰে সিহঁতৰ ফাটি-ছিৰি উৰলি যোৱা কঁথাখনৰ কথা মনত পৰি মোৰ বুকুখনে হুমহুমাবলৈ ধৰিলে। প্ৰচণ্ড শীতৰ নিশা শিশুকেইটা আৰু সিহঁতৰ দেউতাকে কাহিয়েই থাকে। মোৰ টোপনি নধৰা হয়।

মই কওঁ, "হেৰ' হাৰানৰ ঘৰিণী, ল'ৰা ছোৱালীকেইটাৰ বুকুত অলপ মিঠাতেল মালিচ কৰি দে।"

"তেলনো ক'ত পাওঁ মা, তুমি যদি দিয়া তেনে দিওঁ কৰি। আৰু এখন কম্বল দিবাচোন মা।"

"বাৰু, মই জানিবা তোক কম্বল এখন দিলোঁৱেই, পিছে কম্বলখন গাতনো ল'ব কোনে ?"

"তোমাৰ ল'ৰায়েই (হাৰান) ল'ব গাত। তাৰ যে বৰ হাঁপানীৰ কষ্ট মা।"

আমি বাটৰ দুকাষৰ বাসিন্দা। মাজনিশা প্ৰায়েই আমাৰ মাজত এইদৰে কথোপকথন হয়। অথচ আমাৰ স্বাধীনতাৰ বয়সতো ত্ৰিছ বছৰ হ'ল। একো কৰিব নোৱাৰিলোঁ কিয় ?

চীনদেশৰ বান্ধনিঘৰ বেলেগ ধৰণৰ। থিয়ৈ থিয়ৈ বান্ধিব লাগে। চীনৰ গাঁৱৰ ঘৰ প্ৰায় আমাৰ দৰেই। এইবোৰ কথাকে ভাবি ভাবি ওলাই আহিলোঁ।

বিভিন্ন ঘৰবপৰা ওলাই আহি, ভাগে ভাগে গাড়ীত উঠি আমি আৰু অলপমান দূৰৈত থকা পশুপালন ক্ষেত্ৰলৈ গ'লোঁ। প্ৰথমেই গাহৰি পাম চালোঁগৈ—শই শই সৰু সৰু খোৰোং ঘৰত শই শই গাহৰি। ঘৰবোৰ পৰিষ্কাৰ, অকণো দুৰ্গন্ধ নাই। গাহৰিবিলাকৰ বিষ্ঠা শস্যক্ষেত্ৰৰ বাবে লৈ যোৱা হয়।

১৯৭৩ চনত আমেৰিকাত পিট ছিগাৰৰ ইম্প্ৰেছাৰিঅ' ৰ'ছান থলে মোক কৈছিল, "চীনদেশৰ গাঁৱলীয়া ঘৰবোৰ তোমালোকৰবোৰৰ দৰেই—কুটীৰ, কিন্তু কেনে পৰিষ্কাৰ পৰিচ্ছন্ন! You can even eat in a pigsty—আনকি গাহৰিৰ খোৱাৰত বহিও তুমি খাব পাৰা।"

তাৰ পাছত আৰু যিবোৰ কথা কৈছিল সেইবোৰ কথা যদিও সঁচা, তথাপি মোৰ সৈতে তৰ্কই লাগিছিল। অপ্ৰিয় সত্য সদায় সহ্য কৰিব নোৱাৰি। বিশেষকৈ বিদেশীৰ মুখৰপৰা ওলালে তো নোৱাৰিয়েই।

ৰ'ছান খলএ ক'লে, "চীনৰপৰা উভতি আহি মই আৰু মোৰ পৰিয়াল কলিকতাত বিজ হোটেলত আছিলোঁগৈ। প্ৰথম দিনাই হোটেলৰপৰা ওলোৱাৰ লগে লগেই এটা কুষ্ঠৰোগী আৰু তিনিটা মগনিয়াৰ ল'ৰাই মোৰ পৰিয়ালক আগুৰি ধৰিলেহি। মোৰ পৰিয়াল সেই যে আকৌ হোটেলৰ কমত সোমালগৈ আৰু নোলালেই। তেওঁৰ কলিকতা চোৱাৰ হেঁপাহ আৰু নোহোৱা হ'ল। পিছে— why don't you take to Chinese ways (তোমালোকে চীনাসকলৰ ব্যৱস্থাৰ অনুকৰণ নকৰা কিয়) ?"

মোৰ বৰ খং উঠিল। মই ক'লোঁ, "why don't you ? তোমালোকেইবা অনুকৰণ নকৰা কিয় ? তেওঁলোকৰপৰা তোমালোকেও তো শিকিব পাৰা। এয়া তুমিয়েই কৈছিলা দেখোন তাত চুৰি ডাকি নাই, গুণ্ডামি নাই। এটা চোলা এৰি থৈ আহিছিলা হেনো, তোমাৰ পিছে পিনে চোলাটো এয়াৰপ'ৰ্ট পালেহি। বাট পথত পুলিছৰ গাড়ী টহলি ফুৰে তাত, ট্ৰাফিক কণ্ট্ৰ'ল বাদে পুলিছ নাই। আৰু ৰেলিয়ে সাহ দিলেই দেখোন তোমালোকৰ মেনহাটানৰ ৰাজআলিতো এখোজ পেলাব নোৱাৰি। কলিকতাত কিন্তু পাৰি, ৰাতি দহ বজালৈকে গাভৰু ছোৱালীহঁতেও নিৰাপদে খোজকাঢ়ি ঘূৰি আহিব পাৰে। আৰু তোমালোকৰ পুলিছ-কাৰৰ হুঁউউউ চিঞৰত কাণ তাল মাৰি ধৰে। Why don't you take to the Chinese ways ?"

আমাৰ তৰ্ক যেতিয়া মাছৰ বজাৰৰ দৰে জমি উঠিছে—পিট ছিগাৰ মজিয়াত দলিচাৰ ওপৰত ভৰি মেলি বহি আছিল—তেওঁ আমাক নিৰস্ত কৰাৰ চেষ্টা কৰি ক'লে, "আচল কথা হ'ল চীনৰপৰা আমি সকলোৱেই বহুতো কিবাকিবি শিকিব পাৰোঁ।'

মই ক'লোঁ, "তেনেহ'লে আপুনি এটা গান গাওক।"

তেওঁ গান জুৰিছিল 'What did you see my blue-eyed son "

মই ক'লোঁ, "নহয়, এটা আশাৰ সংগীত গাওক।"

তেতিয়া তেওঁ তেওঁৰ উদাত্ত মধুৰ কণ্ঠেৰে মাৰ্টিন লুথাৰ কিঙৰ সেই স্বপ্নৰ গানটো গাবলৈ ধৰিলে—"One day we shall overcome", আৰু সেই নিউইৰ্কৰ সৰু ঘৰটো সমুদ্ৰৰ বায়ুৰে পূৰ্ণ হৈ গ'ল—ওজোনৰ আভাসত আমি অমলিন উশাহ ল'লোঁ।

চীনৰ গাহৰি-পামৰ কাষেদি গৈ থাকোঁতে সিদিনাৰ সেই তৰ্কযুদ্ধখনৰ কথা মোৰ মনত পৰিল। ৰ'ছান থলে ঠিকেই কৈছিল—এই আটাইতকৈ লেতেৰা জীৱবিলাকৰ বাসস্থান কেনে পৰিষ্কাৰ পৰিচ্ছন্ন! কিন্তু এইবিলাকক তো কাটি খোৱাহে হ'ব।

সঁচা, কথাটো ভাবিলে মাংস খোৱা টানেই।

মই কলোঁ, "মং, তোমালোকে যেতিয়া এইবোৰ জন্তু মাৰা তেতিয়া অলপ দয়া-মায়াৰে সৈতে নামাৰা জানো—do you kill them in a humane way?"

মং অবাক হ'ল। ক'লে, "মাৰি পেলোৱা হ'ব—তাৰ আকৌ humane wayটো কি?"

মই ক'লোঁ, "চোৱা, আমাৰ দেশত মুছলমানসকলে আঢৈ ঘাপেৰে পশু কাটে—তাক বোলে জবাই। পশুটোৱে বহুপৰলৈকে কষ্ট পায়। হিন্দুইতে একেঘাপে কাটি পেলায়—পশু'টাৱে কষ্ট অনুভৱ কৰে কম। কিন্তু শুনিছোঁ, আজিকালি ইঅ'ৰোপত এনেকুৱা ব্যৱস্থা হৈছে যে, এক ছেকেণ্ডতে পশুটোক মাৰি পেলোৱা হয়, সি কষ্ট অনুভৱেই নকৰে।—পশুটো তো মৰিবই, মৰাৰ বাবেই তাৰ জন্ম। মৰি আমাৰ পেটলৈ যাব—যাওক, কিন্তু মৰোঁতে ইমান কষ্ট দিয়াটো ভাল নহয়।

মেকুৰীয়ে মাছে হ'ল সখ্য।
মেকুৰীয়ে ক'লে, ভাই ভক্ষ্য
বিধতাই স্বয়ং গৈ সদায় কয় তোক
সোমা গৈ সখিৰ ৰসাল অন্তৰত
তাত তই সযতনে নিজক ৰক্ষ।"

মঙে ক'লে, "হয়, আমাৰ দেশতো এই বিষয়ে কোনো কোনো ঠাইত ব্যৱস্থা লোৱাৰ কথা মই শুনিছোঁ। কিন্তু এই বিষয়টো লৈ মই কেতিয়াও একো ভবাও নাই, নাজানোও।"

তাত গোপালন, কুকুৰা পালনৰ উপৰিও আন এটা জন্তু দেখিলোঁ, 'মিংক'। বৰ আলসুৱা প্ৰাণী। ইয়াৰ ছালেৰে অতি দামী কোটচোলা তৈয়াৰ কৰা হয়। বিদেশলৈ ৰপ্তানি কৰা হয়। একো একোটা কোটচোলা চাৰি হাজাৰ টকা মান দাম। ইন্দিৰা গান্ধীক হেনো কছিয়াই এটা মিংক্ কোট দিছিল। এই কথা

লৈ বহু ধৰণৰ মন্তব্য শুনা গৈছিল। সৰু সৰু মিংকৰ ছাল জোৰা লগাই লঘু-কোমল নিমজ অথচ খুব গৰম কোট তৈয়াৰ কৰা হয়। মোৰ মনত আছে, কছিয়াত ৰবীন্দ্ৰনাথকো তেনেকুৱা কোট এটা উপহাৰ দিয়া হৈছিল। গোটেই কোটচোলাটোত মিংকৰ চুটি চুটি নেজ ওলমি আছিল। যিমানদূৰ মনত পৰিছে, ইয়াক অস্ট্ৰাখান কোট বুলি কোৱা হৈছিল। অস্ট্ৰাখান এটুকুৰা ঠাইৰ নাম। কিন্তু জন্তুটো ঠিক মিংক্ হয়নে নহয়—তাকেহে ক'ব নোৱাৰিলোঁ। সেই কোট মই কালিম্পঙত থাকোঁতে তুবাৰ পিন্ধিছিলোঁ। পাছত সেইটো নষ্ট হৈ গ'ল বুলি শুনিছিলোঁ। অৱশ্যে মই পিন্ধিছিলোঁ বুলি নষ্ট হোৱা নাছিল।

ইয়াত মিংক্ চাবলৈ যাওঁতে আমাক মিংকৰ গৰালৰ ওচৰত হাত নিদিবলৈ বাৰে বাৰে সাৱধান কৰি দিয়া হৈছিল। ছেগ পালেই সিহঁতে বেজি যেন জোঙা জোঙা দাঁতেৰে কামুৰি দিয়ে। আৰু স্যুৰে ঠিক তাকেই কৰিলে—ফলত কামোৰ খালে, তেজ ওলাল, বেণ্ডেজ বান্ধিবলগীয়া হ'ল। আমাৰ লগে লগে ফাৰ্স্ট এইড্ৰ সা-সৰঞ্জাম লৈ ঘুৰি ফুৰাসকলে যা হওক কাম এটি পালে তেওঁ।

কেঁচা ৰাস্তাইদি আমি গৈ আছোঁ। বাটছোৱা ধূলিৰে ভৰা, এতিয়াও পক্কী কৰা হোৱা নাই। সোঁ সিফালেদি নৈ বৈ গৈছিল। নৈখনক আঁতৰাই নিয়া হৈছে। খেতিপথাৰবিলাকত নানা ধৰণৰ শাক পাচলি,—বহু মানুহে কাম কৰি আছে। সকলো মিলাই এক সমৃদ্ধি সুন্দৰ ছবি। ইয়াত কথা-প্ৰসংগত শুনিলোঁ মা চে তুঙৰ In agriculture learn from Ta-chai—'খেতি-বাতিৰ বিষয়ে তা-চাইৰপৰা শিক্ষা গ্ৰহণ কৰা'—এই উপদেশ সাৰোগত কৰিয়েই এওঁলোকে ইমান সমৃদ্ধি লাভ কৰিছে। এই কথাষাৰ সমগ্ৰ চীনদেশত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে। আৰু মানুহৰ মুখে মুখে অবিৰত ধ্বনিত-প্ৰতিধ্বনিত হৈছে মাও চে তুঙৰ দুষাৰ বাণী—এষাৰ হ'ল পূৰ্বোক্ত উপদেশ, আন এষাৰ—'In industry learn from Ta-ching.'

শেষোক্তটিৰ আলোচনা পাছত কৰিম। এতিয়া তা চাইৰ কথা কৈ লওঁ, যিমানখিনি মই শুনিছিলোঁ।

আমি তা-চাই চাবলৈ যোৱা নাছিলোঁ, কিয়নো তাত তেতিয়া প্ৰচণ্ড শীত। এনেই উত্তৰ দিশ, তাতে পাহাৰ। সেয়েহে আমাৰ সকলো প্ৰোগ্ৰাম আমিয়েই সলাই দক্ষিণমুৱা কৰিছিলোঁ। এই একেটা কাৰণতে ৰহস্য ৰাজ্য তা-চিঙলৈ

ঘোৰা নহ'ল। নহ'লে—তেওঁলোকে এই ঠাই দুখন দেখুৱাই বৰ ভালপালেহেঁতেন। এই ঠাই দুখন তেওঁলোকৰ নতুন জীৱনৰ, নতুন মানুহৰ পৰম কীৰ্তি বুলি তেওঁলোকে গণ্য কৰে। কিন্তু শীতৰ বাবে আমাৰ সিদ্ধান্তয়েই ৰজিল। ফলকলে আমাৰ চীন-ভ্ৰমণক সাধক ৰামপ্ৰসাদৰ গানৰ সৈতে মিলাই ভাবিছে: "মা, মোক ঘূৰাবি কিমান, তেলীৰ চকু বন্ধা বলদৰ সমান'—তেওঁলোকৰ অবগতিৰ অৰ্থে কওঁ, তেওঁলোকৰ অৰ্থাৎ চীনাসকলৰ যিবোৰ আটাইতকৈ শ্ৰেষ্ঠ দ্ৰষ্টব্য সেইবোৰ আমাৰ চোৱা নহ'ল।

আমি শুনিছিলোঁ যে, ১৯৫২ চনৰেপৰাই চেয়াৰমেন মাও চে তুঙে কৃষিৰ ক্ষেত্ৰত যৌথ পামৰ ব্যৱস্থাৰ প্ৰচলন কৰিবলৈ বিচাৰিছিল, কিন্তু লিউ শাও চিয়ে এই আঁচনিত বাধাৰ সৃষ্টি কৰিছিল। লিন্ পিয়াও আছিল মাওৰ মতাৱলম্বী। ১৯৫৩ চনত ক'অপাৰেটিভৰ সূচনা কৰা হৈছিল। কিন্তু মতান্তৰ চলিয়েই আছিল। তথাপি—সঠিক পথ কি সেই কথা তা-চাইৰ খেতিয়কসকলে ভাল দৰেই বুজিছিল। তেওঁলোকে ব্যক্তিগত সা-সম্পদ বৃদ্ধিৰ, ব্যক্তিগত লাভালাভৰ বাট এৰি মাও চে তুঙৰ স্বয়ংনিৰ্ভৰতাৰ উপদেশকে শিৰোধাৰ্য্য কৰিছিল।

ছানছি প্ৰদেশৰ এটা পাহাৰৰ ওপৰত তা চাই গাঁওখন অৱস্থিত। তা-চাই ৰুক্ষ আৰু একেবাৰে অসাৰুৱা—বন্ধ্যা, ইয়াতেই লিউ শাও চিৰ মত, যাক তেওঁলোকে খ শচফৰ পথ বুলি কয়, তাৰ সৈতে মাও চে তুঙৰ পথৰ যি দ্বন্দ্ব তাৰ মীমাংসা হৈ গ'ল। ৰায় দিলে খেতিয়কসকলেই। তেওঁলোকে তেওঁলোকৰ কামৰ মাজেদিয়েই প্ৰমাণ কৰিলে যে মাও চে তুঙৰ নীতিয়েই শ্ৰেষ্ঠ। তেওঁলোকে প্ৰাণপাত পৰিশ্ৰম কৰি, পৰস্পৰে পৰস্পৰক সহায় কৰি, ব্যয় সংকোচন কৰি, উৎপাদন বৃদ্ধি কৰি পৃথিৱীৰ আগত প্ৰমাণ দাঙি ধৰিলে—কৃষকৰ একত্ৰিত উদ্যমে কেনে অসাধ্যসাধন কৰিব পাৰে।

উৎপাদনৰ আৰু উন্নতিৰ প্ৰধান শত্ৰু কি?

লোভ। ব্যক্তিগত লোভ। ব্যক্তিগত লোভেই সমষ্টিগত উন্নতিৰ ঘাই শত্ৰু। আৰু তাৰ ফলত আহে ব্যক্তিগত লোকচান। এই কথাষাৰ তেওঁলোকে সদায় কয়। আৰু লগতে কৃষকসকলে বৰ্ণনা কৰে—মাও চে তুঙে গুৰিবঠা ধৰাৰ আগতে তেওঁলোকৰ কি যে অৱস্থা আছিল, কি যে দুৰ্দশাৰ দিন আছিল তেতিয়া। আকাল, বানপানীয়ে কিমান যে মানুহ মাৰিছিল। জাক জাক

কাকতী ফৰিঙৰ আক্ৰমণত, প্ৰাকৃতিক দুৰ্যোগত কিমান যে শস্যহানি হৈছিল। নাছিল চিকিৎসক, নাছিল শিক্ষাৰ সা-সুবিধা।

আৰু আজি?

আজি দেশ স্বয়ংনিৰ্ভৰ।

আজিৰ এই অৱস্থা কেনেকৈ হ'বলৈ পালে? কেনেকৈ পাহাৰৰ বুকু ভেদ কৰা হ'ল, নৈৰ গতিমুখ ঘূৰাই দিয়া হ'ল, ডাঙৰ ডাঙৰ সেতু মাথাউৰি বন্ধোৱা হ'ল? এইবোৰ মেজিকৰ দৰে হ'বলৈ পালে কেনেকৈ? ইমান দিন হোৱা নাছিল কিয়?

—ব্যক্তিগত লোভেই আছিল প্ৰচণ্ড উন্নতিৰ প্ৰতিবন্ধক। তা-চাইৰ কৃষকসকলে তেওঁলোকৰ অনুৰ্বৰ ভূমিক স্বৰ্ণ-প্ৰসৱিনী কৰি তুলি এই কথাৰ উজ্জ্বল প্ৰমাণ দাঙি ধৰিছে। আনকি নিচেই সৰু সৰু শিশুইঁতেও সৰু সৰু পাচিত মাটি ভৰাই বছীয়ে গুলোমাই লৈ আহিছিল।

আজি, এইবোৰ কথা লিখি থাকোঁতে মই থকা গাঁওখনৰ কথা মোৰ মনত পৰিছে। একেবাৰে পিছপৰা ভিতৰুৱা গাঁও নহয়, কলিকতাৰপৰা মুঠেই বাইছ মাইলৰ দূৰ। তাত কোনোবা কোনোবাৰ খেতিমাটি আছে, কোনো কোনোৱে আনৰ খেতিপথাৰতে খেতি বাতি কৰে। কিন্তু প্ৰত্যেকৰে সমস্যা হ'ল পহৰা দিয়াটোহে। ধান হ'লে ধান ৰাখিব নোৱাৰে, ফল হ'লে ফল ছিঙি নিব, এন্দুৰে বাদুলিয়ে তো ভালেখিনি খায়েই। পুখুৰীত মাছ পুহিব নোৱাৰিব। পহৰীয়াক বান্ধি মাছ চাঁচি চুৰুকি লৈ যাব। যদি নিব নোৱাৰে, তেনেহ'লে পুখুৰীত ফলিডল ঢালি দি মাছবোৰ মাৰিহে নিশ্চিন্ত। মই নাপালোঁ নাই, তাৰ তো অনিষ্ট হ'ল। মোৰ নিজৰ অনাথ আশ্ৰম 'খেলাঘৰ'ৰ ল'ৰাইঁতে সিহঁতৰ দুবিঘা মাটিত সৰিয়হ খেতি কৰিছিল। সৰু সৰু ল'ৰাইঁতৰ কাম তো—দুই-চাৰিদিন খেতি-বাতিলৈ লক্ষ্যই নকৰিলে। এদিন দেখা গ'ল দুবিঘা মাটিৰ গোটেইখন সৰিয়হতলি কোনোবাই চাহি-মুহি উঘালি পেলাইছে। লাভৰ মূৰকত সিহঁতৰ একোৱেই নহ'ল, কিন্তু মিঠাতেলৰ এই জুইচাই বজাৰত খেলাঘৰৰ কমেও দুমোণমান মিঠাতেল লোকচান হ'ল। তাত এঘৰ মুচিয়াৰ বাস কৰে—এজন পুৰুষৰ দহটি সন্তান, খুৱাব কি? মাজে-মধ্যে চুৰি-ডকাইতি—মাজে সময়ে চৰণীয়া পথাৰত চৰি ফুৰা গৰুকে বিহ খুৱাব।

ছালখন তো পোৰা গ'ল। আকৌ প্ৰতিশোধ লোৱাৰ কথাও আছে। প্ৰকৃততে তেনে কাম কৰিলে সে নাই কৰা, তাৰ বিচাৰ নকৰি তাক দুহজনমানে ধৰি মাৰধৰ কৰি আধামৰা কৰিলে। দহে মিলি এজনৰ বিচাৰ কৰিব পাৰে, কিন্তু দহে এজনক যে মৰিয়াব নোৱাৰে—এইকণ শিক্ষা চহৰৰ মানুহবেই নহ'ল, গাঁৱৰ মানুহৰ হ'ব কেনেকৈ? নিৰক্ষৰতা গুচাবলৈ আমাৰ যে কি যুৰ-কামোৰণি! নিৰক্ষৰতা গুচিলেই শিক্ষিত হ'ব পৰা যায় নে? যথাৰ্থ শিক্ষা আন বস্তু। এই বিষয়ে মহাভাৰতৰ যুগৰ পাছত এই দেশত বোধকৰোঁ আৰু কোনো চেষ্টায়েই কৰা নহ'ল।

যি কি নহওক, মোৰ বুদ্ধি আৰু অভিজ্ঞতাৰ জোখাৰে সুধিলোঁ, "যি শস্য মোৰ নহয়, তাৰ যত্ন লোৱাৰ উৎসাহ মই পাম ক'ৰপৰা? আমি তো দেখিছোঁ যে নেশ্যানালাইজড ফাৰ্মতে কোনো কামেই নহয়। ব্যক্তিগত লাভৰ আশাহে নিশ্চয় কামৰ প্ৰেৰণা, নহয় জানো?"

বহুতৰেপৰাই মই এই এই উত্তৰ পালোঁ যে, আপাতদৃষ্টিত তেনেকুৱা যেন লাগিলেও সি দৰাচলতে ক্ষুদ্ৰ দৃষ্টি। সামগ্ৰিক লাভেই যে ব্যক্তিৰো লাভ, এই কথা তেওঁক বুজাব পাৰিলে, ব্যক্তিয়ে অধিক প্ৰেৰণা পাব। কিয়নো সেই লাভ হ'ল material আৰু moral অৰ্থাৎ অৰ্থনৈতিক লাভ আৰু নৈতিক লাভ।

মই সুধিছিলো, 'কেনেকৈ বুজাব লাগিব—তৰোৱালেৰে খুচি?'

মোৰ প্ৰশ্নৰ উত্তৰদাতাই হাঁহি মাৰি ক'লে, "তৰোৱালেৰে খুচিলে তেওঁ তো আৰু বুজিবলৈ জীয়ায়েই নাথাকিল। বুজাব লাগিব যুক্তিৰে। ধৰা যাওক, কোনো এখন গাঁৱত প্ৰত্যেকেই নিজা নিজা মাটিত নিজৰ শস্য উৎপাদন কৰিছে, কিন্তু ব্যক্তিগত চেষ্টাৰে তেওঁ উৎপাদনত যুগান্তৰ আনিব নোৱাৰে। আজি যে এই কমিউনত ইমানবোৰ ট্ৰেক্টৰ, ইমান যন্ত্ৰপাতি ব্যৱহৃত হৈছে—এইবোৰৰ বাবে ব্যক্তিগত ব্যয় কিমানকণ, লাভ কিমানখিনি, সেইবোৰ কথা বুজা বা বুজোৱাটো বৰ টান নহয়। অকলে অকলে খেতি-বাতি কৰি খেতিয়কজনে যিমানখিনি পাইছিল, তাতকৈ যে তেওঁৰ বহুখিনি অধিক লাভ হৈছে—তা চাইত এই পৰীক্ষাৰ চূড়ান্ত মীমাংসা হৈ গৈছে। সেই দুৰ্গম বৰফেৰে ঢাকখোৱা পাহাৰৰ ওপৰত, য'ত মানুহ তেতিয়া গুহাত বাস কৰিছিল, ম'ৰেপ্ৰতি উৎপাদন আছিল এশ কাট্টিতকৈও

কম, ১৯৬৪ চনবপৰা তাত শস্য উৎপাদিত হৈছে ম'বেপ্ৰতি এঘাৰশ কাট্টি। একেবাৰে অভাৱনীয় উন্নতি। ১৯৫৬ চনত গ্ৰেট লিপ ফৰ'ৱাৰ্ডৰ কালছোৱাত গাঁৱৰ উৎপাদন-ব্যৱস্থা অলপ আওৱাই গ'ল। আৰু ১৯৬০ চনত কছিয়াই সকলো প্ৰকাৰৰ সহায় বন্ধ কৰি দি যেতিয়া তেওঁলোকে দিয়া ঋণ ঘূৰাই খুজিলে, তেতিয়া আকৌ এবাৰ দীঘল খোজেৰে, ভেও দি আগবাঢ়ি যোৱাৰ পাল পৰিল।"

লিউ শ্বাও চি-ৰ লৈতে মাও চে তুঙৰ মতভেদৰ বিষয়টো যিমানখিনি বুজিলোঁ—সেয়া হ"ল—লিউ শ্বাও চি আছিল বাহ্যিক উন্নতিৰ ওপৰত নিৰ্ভৰশীল, মাও আন্তৰিক। লিউ শ্বাও চিয়ে ভাবিছিল, তেওঁলোকৰ নিচিনা দৰিদ্ৰ দেশ এখনত ব্যক্তিগত লাভৰ প্ৰেৰণা থাকিলেহে উৎপাদন বাঢ়িব। মাও চে তুঙে ভাবিছিল, পৰস্পৰৰ একত্ৰিত হোৱাৰ শক্তি সামগ্ৰিক উন্নতিৰ প্ৰচেষ্টাতো ব্যক্তিগত লাভতকৈ দেশৰ স্বাৰ্থৰ বাবে উদ্বুদ্ধ হ'লে উদ্ভাৱনী শক্তি আৰু কৰ্মশক্তি দুয়োটা শক্তিয়েই হ'ব অসীম।

লং মাৰ্চৰ বৰ্ণনা কৰোঁতে লেখিকা হান সূ্যু য়ানে এঠাইত লিখিছে যে, লং মাৰ্চৰ সময়ত তেওঁ ডাক্তৰসকলৰ লৈ'তে ছাইক'ছ'মাটিক (মানসিক কাৰণত হোৱা ব্যাধি) ৰোগৰ বিষয়ে আলোচনা কৰিছিল। কৰ্মৰ উৎসাহ আৰু আশাৰ উদ্দীপনাই তেওঁৰ মতে মানুহৰ জীৱনীশক্তি বঢ়াই তোলে। কিয়নো, কেতিয়াবা কেতিয়াবা এনেকুৱা অৱস্থা হয় যে মানুহৰ শাৰীৰিক শক্তি দীৰ্ঘস্থায়ী পৰিশ্ৰম কৰাৰ বাবে পৰ্যাপ্ত নহয়, আত্মিক শক্তিৰ উদ্বোধন আৰু আনন্দয়েই শৰীৰক কষ্ট সহ্য কৰিবলৈ শক্তি যোগায়, তেতিয়া তেওঁৰ আত্মায়েই (spirit) বাহুশক্তিৰ ৰূপ লয়।"—এই কথাবোৰ এছিয়াৰহে কথা, কমিউনিষ্টসকল একেবাৰে কঠুৱা বস্তুবাদী বুলি আমাৰ যে ধাৰণা তাৰ লৈতে এইবোৰ কথা নিমিলে দেখোন।

তা-চাইত এই আত্মিক শক্তিৰ প্ৰচণ্ড সফলতা দেখা গৈছে। শস্য উৎপাদনৰ অসাধ্য সাধন তো হৈছেই, মানৱতাৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰতো হৈছে। শুনিলোঁ, কাৰ কি বা কিমান প্ৰাপ্য সেই কথা work pointএৰে স্থিৰ কৰা হয়। এই work point যে কেনেকৈ স্থিৰ কৰা হয় সেই কথা মই ক'ব নোৱাৰিলোঁ। পিছে মোটামুটি বয়সিয়াল সুস্থ মানুহ এগৰাকীয়ে দিনো 'দহ পয়েন্ট' আৰ্জিব পাৰে। এজন কৃষকৰ আয় বছৰি চাৰিশ ইউৱান। তাৰ মাজত খাদ্য, ঔষধ, বস্ত্ৰ, আৰু

সকলো ধৰণৰ খৰচ বাদ দি এই কম্যিউনৰ প্ৰত্যেকেই বছৰেকত ১০০ ইউৱান সঞ্চয় কৰিব পাৰে। আৰু এ'কথন পৰিয়ালত চাৰি পাঁচজন কৰ্মী থাকিলে সঞ্চয়ৰ পৰিমাণ বেয়া বুলি ক'ব নোৱাৰি। যি কি নহওক, আমেৰিকাৰ কৃষকৰ লৈতে কোনো তুলনাৰ প্ৰশ্ন অৱশ্যে নুঠে।

এইখিনিতেই জীৱনদৰ্শনৰ প্ৰশ্নই মূৰ দাঙি উঠে।

মাও চে তুং মানুহক অৰ্থৰ দাস বা অৰ্থলোভী কৰি তুলিবলৈ বিচৰা নাছিল। ব্যক্তিৰ সাংসাৰিক প্ৰয়োজন পৰিপূৰণ কৰি তেওঁৰ মনক উচ্চতৰ ভাৱেৰে উদ্বুদ্ধ কৰি তুলিবলৈ বিচাৰিছিল। ত্যাগ, সমাজগঠন, চৰিত্ৰগঠন, যথাৰ্থ মানুহ হোৱাটোহে উদ্দেশ্য হ'ব। জীৱনৰ সকলো টকাৰ বাবেই নহয়, বিত্তৰ বাবেই জীৱনৰক্ত নহয়, চিত্তও লাগে।

এয়া এ'কা নতুন কথা নহয়, মানুহৰ ইতিহাসত বাৰে বাৰে এই কথা উচ্চাৰিত হৈছে। মোৰ বা'ৰ বাৰে মনত পৰি'ছ মহাভাৰতৰ যুগৰ কথা। গান্ধাৰীয়ে অপৰাধী পুত্ৰক ত্যাগ কৰিবলৈ ক'লে। কৰ্ণই নিজস্ব লাভৰ বাটেৰে বীৰৰ ধৰ্ম পালন কৰি'ল। অৰ্জুনে অভিমন্যুৰ মৃত্যু সম্বাদ পাই যেতিয়া জয়দ্ৰথক বধ কৰিবলৈ সংকল্প কৰি ক'লে যে কালিলৈ গধূলিৰ আগে আগে জয়দ্ৰথক বধ কৰিব নোৱাৰি'ল —যিজনে আশ্ৰিতক কদন্ন খাবলৈ দি নিজে মিষ্টান্ন খায় মোৰ সেই লোকলৈ গতি হয় যেন। —এইবোৰ কথা শুনিলে সেই যুগৰ মূল্যবোধৰ এটা চিত্ৰ মনৰ দাপোণত ভাহি উঠে। এই যুগৰ পাছত ব্যাপকভাৱে চৰিত্ৰ গঠনৰ চেষ্টা চীনৰ বাহিৰে আৰু কোনো দেশত হোৱা বুলি মনত পেলাব নোৱাৰোঁ। উনৈছ শতিকাৰ প্ৰাৰম্ভণিত 'ভদ্ৰলোক'ৰ এটা কল্পনা ইঅ'ৰোপত দেখা গৈছিল। তেওঁলোকৰ আদৰ্শ আছিল কিং আৰ্থাৰৰ নাইটসকল।

মই শুনিলোঁ, তা চাইত কৃষকসকলে নিজৰ নিজৰ 'work point' স্থিৰ কৰি এমাহৰ বাদে বাদে কমিটিৰ ওচৰত দাখিল কৰে। ইয়াৰ মাজত জাল জুৱাচুৰিৰ চেষ্টা এ'কবাৰে নহয়নে বাৰু? মানৱ চৰিত্ৰৰ যিমানকণ জানিছো, তাৰে ধাৰণা কৰিব পাৰোঁ,—হয়। কিন্তু সি নিশ্চয়েই নামমাত্ৰ, নহ'লে এই পৰীক্ষা চলোৱা নহ'লহেঁতেন। সেয়েহে, মোৰ ধাৰণা, ব্যক্তিগত সততা, পৰস্পৰৰ প্ৰতি বিশ্বাস স্থাপনৰ অনুকূল পৰিবেশ প্ৰস্তুত কৰাটোৱেই আছিল মাও চে তুঙৰ বিপ্লৱৰ চৰম লক্ষ্য, তেজৰ নৈ বোওৱা নহয়। তা চাইত যি পৰীক্ষা কৰা হৈছে সেই পৰীক্ষা

মাও চে তুঙৰ ধ্যান-ধাৰণাৰ অনুকূল। তেওঁৰ চিন্তাক গ্ৰহণ কৰি তা-চাইৰ কৃষকসকলে নিজৰ উদ্যোগত যি সফলতা আৰ্জিলে, সেই সফলতা কেৱল বাহ্যিক সফলতা নহয়, কেৱল শস্যৰ উৎপাদন নহয়, উৎপাদনৰ বৃদ্ধি নহয়, তাৰ মূলত যি সত্য আছে, যি সত্যক গ্ৰহণ কৰিব নাজানিলে একোৱেই সফল নহয়—সেয়া হ'ল চৰিত্ৰবল। যিমানেই শস্য উৎপাদন নকৰা, দুটামান চোৰে 'শইচৰ ভঁৰাল' এনুৰডকৈয়ো দ্ৰুতভাৱে বিনষ্ট কৰিব পাৰে। সেয়েহে, মাও চে তুঙে তেওঁৰ দেশৰ লাখ লাখ কৃষকৰ আগত তা-চাইক আহিৰূপে দাঙি ধৰি কৈছে—'In agriculture learn from Ta-chai'। প্ৰতি বছৰ সহস্ৰ সহস্ৰ মানুহ তালৈ তীৰ্থযাত্ৰাৰ বাবে যায়।

আমি যিখন কমিউন পৰিদৰ্শন কৰিলোঁ, তেওঁলোকেও তা-চাইক আহিৰূপে লৈ সাফল্য আৰ্জিছে।

এওঁলোকৰ এইবোৰ কথা শুনি মই বেছ বিপাঙত পৰিছিলোঁ। নেতাসকলে বহুতো উপযুক্ত কথা কয়, কিন্তু শুনে কোনে? জোৰ জুলুম কৰি শুনালে এনেছেন মানবিক সফলতা লাভ হ'ব পাৰেনে? দেখা গ'লহেঁতেননে এনেছেন মুখপোতা? মাও চে তুঙৰ লং মাৰ্চৰ কাহিনী যিমানখিনি শুনিছিলোঁ, মোৰ ধাৰণা, তাৰ মাজতেই এই সফলতাৰ বীজ নিহিত হৈ আছে। তেওঁ গাঁৱেৰে আৰম্ভ কৰিছিল। গাঁৱে গাঁৱে তেওঁ তেওঁৰ আদৰ্শ আৰু মতৰ সত্যতা প্ৰমাণ কৰিছিল আৰু মানুহক ভাল পাইছিল। সেয়েহে আজি ল'ৰা বুঢ়া ডেকা গাভৰু বলিয়া মাওৰ নামত, সকলোৰে মুখত মাও চু শি, মাও চু শি। তেওঁৰ বাবেই সকলো হ'ল। তেৱে ই মৰা সুঁতিত বান আনিলে—শুকান ঠাৰিত ফুল ফুলালে। মানুহৰ জনম লৈ মানুহৰ বাবে ত্যাগ কৰাত আনন্দ লভিছে।

কেঁচা বাস্তাইদি আমি উভতি আহিছিলোঁ, কোনোবা এজনে ক'লে, "এই বাস্তা এদিন নৈ আছিল। নৈৰ গতিমুখ ঘূৰাই দিয়া হ'ল। নহ'লে মাটিখিনি আলতীয়া মাটি হৈ থাকিলহেঁতেন। আপেলৰ বাগিচাৰ মাজেদি গৈ থাকোঁতে দালাই লামাই লিখা কবিতাটো মোৰ মনত পৰিল—"তুমি সময়ৰ বৰষুণ-ধাৰ, যি এই পৃথিৱীৰ গুপাৰত বৰষিল।"

এওঁলোকে কথাইপ্ৰতি কয় 'জীৱনৰ সুৰ'—সেয়েহে চাগৈ মোৰ মনৰ মাজত সেই গানটো গুণগুণকৈ গুঞ্জৰি উঠিল

যিটো শাখাত ফুল ফুলুলে, ফলো ধৰিব একেবাৰে
সেই শাখাটোক নিজক জনাই তোমাৰ এই বাধিবাঁধাৰে—
যিবোৰ আছে জীৰ্ণ মোৰ, শীৰ্ণ মোৰ, জীৱনহাৰা
সেইবোৰৰ স্তৰে স্তৰে পৰক সৰি স্বৰৰ ধাৰা
নিশিদিন এই জীৱনৰ তৃষ্ণা-ক্ষুধাৰ ওপৰে ওপৰে।

যিখন নক গাঁৱত মই বাস কৰোঁ, মই ঘঁৰৈকে নাবাও কিয় সেই নক গাঁওবাসিক মই পাহৰিব নোৱাৰোঁ, মোৰ বাবে বাবে মনত পৰিবলৈ ধৰিলে, সেই গাঁওবাসৰ ক্ষুধা কোনে গুচায়? সেই নৃশংস মুচিয়াৰৰ অভুক্ত দহটি শিশুৰ মুখত আহাৰ যোগায় কোনে? সি নৃশংস হ'ল কিয়? এই কথাবোৰৰ উত্তৰ কি? আমি স্বাধীন হোৱাৰ আজি ত্ৰিছ বছৰ হ'ল।—চীনদেশতকৈ দুবছৰৰ আগতে।

মই ক'লোঁ "সী, মোৰ এটা গান মনত পৰিছে।"

"কি গান?"

"একো নহয়, Why was Mao Tse Tung born in China—is it just a coincidence? মাও চে তুং চীনদেশত জন্মগ্ৰহণ কৰিছিল কিয়? ই এটা আকস্মিক ঘটনানে?"

সীএ ক'লে, "What did you say—কি ক'লা?"

"Nothing, একো নহয়।"

মই তেতিয়া ভাবি আছিলোঁ, অবশিষে মৰিবই লাগিব—মাও চে তুঙৰো তো মৃত্যু হ'ব।

তাৰ পাছত?

যিজনে দেশৰ কথা, নিজৰ সতি-সন্ততিৰ কথা ভাবে, তেওঁ শিক্ষাৰ কথাও ভাবে। আৰু এই কথাও ঠিক যে, এই ভাবনাৰেই শিক্ষাৰ গতিপথ দেশৰ আৰু কালৰ প্ৰয়োজন অনুসাৰে ক্ৰমাত পৰিবৰ্তিত হৈছে, আৰু হোৱাও উচিত। যেনেকৈ জীৱন-দৰ্শনৰ পৰিবৰ্তন হৈছে, জীৱনযাত্ৰাৰ পৰিবৰ্তন হৈছে, তেনেকৈ শিক্ষাৰ ধাৰাও প্ৰবহমান সোঁত নহ'লে সি আবদ্ধ জলাশয়ত পৰিণত হোৱাৰ সম্ভাৱনা।

ৰবীন্দ্ৰনাথ কবি। কিন্তু তেওঁৰ জীৱনৰ দীৰ্ঘকাল জ্ঞান আৰু অৰ্থ-সামৰ্থ্য তেওঁ শিক্ষা-ব্যৱস্থাৰ পৰিবৰ্তনৰ বাবে দান কৰি গৈছে। শান্তিনিকেতন আৰু

শ্ৰীনিকেতন মিলাই সৰ্বাংগীণ শিক্ষাৰ এটা পৰিকল্পনা তেওঁৰ আছিল আৰু সমগ্ৰ ভাৰতবৰ্ষ যে সেই পৰিকল্পনাৰপৰা কিমান উপকৃত হৈছে সেই কথা কিজানি আন প্ৰদেশৰ মানুহে নাজানে। নৃত্য গীত ৰূপ ৰস শিল্পকলাত আজিৰ দিনত ল'ৰা ছোৱালীসকলৰ বিদ্যালয়সমূহত ইমান যে আয়োজন, আগতে তাৰ চিনমাত্ৰও দেখা নগৈছিল। মাথোন সিমানতে নৈয়েই নহয়, দেশৰ বিভিন্ন ঠাইৰপৰা গ্ৰামীণ শিল্প-সম্ভাৰ সংগ্ৰহ কৰা, গাঁৱলীয়া মানুহৰ শিক্ষাৰ ব্যৱস্থা কৰা, খেতি বাতিৰ উন্নতিৰ কল্পনা, পেষ্ট কণ্ট্ৰ'ল আদিৰ কথা তেতিয়াৰ দিনত আন কোনে ভাবিছিল? গছৰ তলত চাৰি পাৰি বহি যি বিদ্যালয়ৰ তেওঁ পাতনি তৰিছিল, সেয়া—তেওঁৰ বেছি কিনিব'ল পইচা নাছিল বুলিয়েইনে?

১৯১৩ চনত ৰেমজে মেকডনাল্ড শান্তিনিকেতনৰ বিদ্যালয়'ল আহিছিল। তেওঁ দেশলৈ উভতি যোৱৰ পাছত এটা প্ৰবন্ধত লিখিছিল "দিল্লীৰপৰা কলিকতালৈ যাওঁতে মই শান্তিনিকতনত এটি দিন কটাইছিলোঁ। এনেহেন প্ৰতিষ্ঠান এখনলৈ সোমালে কেনে ভাব এটাত যে অভিভূত হৈ পৰিবলগীয়া হয় সেই কথা ফটফটীয়াকৈ বুজাব নোৱাৰি। তাত চৰকাৰৰ লৈ'ত তেওঁলোকৰ কোনো সম্পৰ্ক নাই, তেওঁলাকৰ কৰ্মীবৃন্দ কৰ্মচাৰী নহয়, তেওঁলাকৰ ব্যৱস্থাও যান্ত্ৰিক নিয়মৰ বন্ধা নহয়। ইয়াতেই স্ব নিৰ্ভৰ ভাৰতৰ স্বতস্ফূৰণ। বিদেশী কোনো বস্তু জাপি দি জোৰ জুলুম বা উদ্ধাৰ কৰাৰ চেষ্টা নাই কৰিয়ে মোক ক'লে, তেওঁলাক মোৰ ল'ৰাইতক বেছিত বহুৱাব'ল বিচাৰিছে, কিন্তু মই ভাবোঁ যে, চাৰি পাতি বহি লই ভাল। গতিকে মোৰ পিনে ভ্ৰূকুটিৰে চাই পঠিয়ায়, পুলিছৰ বহীত নাম লিপিবদ্ধ হয়। বৰ্তমানে এই বিদ্যালয়ে জনসাধাৰণৰ মাজত শিক্ষা প্ৰচাৰৰ কামত বিশেষ উৎসাহী হৈছে। মোক তেওঁলোকে ল'ৰাইতৰ আগত কিবাকিবি ক'বলৈ অনুৰোধ কৰিছিল। তেওঁলোকে ক'লে, আমাক কওক জনসাধাৰণৰ শিক্ষা-প্ৰণালী কেনেকুৱা হোৱা উচিত।

"দৰাচলতে, তেওঁলোকেই কাৰ্য্যৰদ্বাৰা এই প্ৰশ্নৰ উত্তৰ দিবলৈ ধৰিছিল আৰু এই কাম কেনেকৈ সম্পাদন কৰিব লাগে মোক দেখুৱাইছিল। শান্তিনিকেতনৰ চাৰিওফালৰ গাঁওসমূহত চাঁওতালসকলৰ বাস। বিদ্যালয়ৰ ছাত্ৰসকলে সেইবোৰ গাঁৱলৈ মাজে-সময়ে পাট আৰু মল লৈ যায়, আৰু খেলিবলৈ ধৰে। লাহে লাহে

খেল চাবলৈ গাঁৱৰ মানুহ গোট খায়হি, আৰু তেতিয়া খেলা বন্ধ কৰি ল'ৰাইতে গাঁৱলীয়া বাইজৰ সৈতে বিভিন্ন বিষয়ে কথা পাতে, গল্পৰ যোগেদি শিক্ষা দিবলৈ ধৰে। এইদৰে এখন সান্ধ্য পঢ়াশালিৰ আৰম্ভণি হয় আৰু ছাত্ৰইতেই গাঁৱলীয়া বাইজক শিক্ষাদান কৰে। মই তাত থকা দিনটোত বাৰজনমান ছাত্ৰ আহিছিল আৰু গছৰ তলত বহুৱাই তেওঁলোকক শিক্ষাপ্ৰদান কৰিছিল। মই যেতিয়া গুচি আহিবলৈ ওলালোঁ, তেতিয়া তেওঁলোক ছাতিম গছ এজোপাৰ তলত বিভিন্ন দল অনুসাৰে দল পাতি বহি আছিল মাজতে আছিল শিক্ষক। চাৰিওদিশ শান্তিপূৰ্ণ, বিভোপন, প্ৰফুল্ল। মই তেওঁলোকক এৰি আন এখন জগতলৈ গুচি আহিলোঁ য'ত অক্সফ'ৰ্ড কেম্ব্ৰিজত পঢ়া উপযুক্ত আৰু সুবুদ্ধিসম্পন্ন শিক্ষকসকলে ঘৰ্মাক্ত দেহৰে সৈতে কমাৰৰ দৰে গধুৰ হাতুৰী কোবাই ভাৰতীয় মনক অদ্ভুত ধৰণৰ নিয়াৰৰ ওপৰত লৈ অদ্ভুত আকাৰেৰে বেঁকোৰা বেঁকুৰি কৰিবলৈ সততে সচেষ্ট।

এই অদ্ভুত আকাৰপ্ৰাপ্ত কৰোৱাৰ পৰিণতি এতিয়া এনেকুৱা হৈ উঠিছে যে, যি ইলেকট্ৰিক মিস্ত্ৰীজন গাঁৱত থাকে তেওঁ কয় "মোৰ আপাটোক এটা ইংৰাজি ইচ্‌কুলত নাম লগাই দ'কচুন।"

ইংলিছ মিডিয়াম স্কুলত তাৰ ল ৰাটোৱে যে জীৱনৰ ভাৰসাম্য হেৰুৱাই পেলাব —সেই কথা সি কল্পনাও কৰিব পৰা নাছিল।

শিক্ষা ব্যৱস্থাৰ ব্যাপক পৰিকল্পনা গান্ধীজীৰো আছিল। পৰীক্ষা-ব্যৱস্থাৰ অসাৰতা তেওঁ বুজিছিল। গান্ধীজীৰ শিক্ষাৰে শিক্ষিত ডিগ্ৰিবিহীন বহুতো ব্যক্তি আছে যিসকল ব্যক্তি বিদ্যা-বুদ্ধিত গ্ৰেজুৱেটতকৈ কম নহয়। শ্ৰীঅৰবিন্দয়ো তেওঁৰ আশ্ৰমত পৰীক্ষাৰ প্ৰচলন কৰা নাছিল।

আমাৰ দেশৰ জ্ঞানী লোকসকলে শিক্ষা ব্যৱস্থাৰ বিষয়ে যি ভাবিছিল তাৰ সৰ্বাংগীণ প্ৰয়োগ কৰিবলৈ কোনেও সক্ষম হোৱা নাছিল। এওঁলোকৰ সকলোৰে পদ্ধতিৰ মাজত এটা চিন্তাৰ এটা সামান্য ধৰ্ম আছিল এয়ে যে, এওঁলোকৰ সকলোৱেই শিক্ষাৰ দ্বাৰা জীৱনৰ এক পূৰ্ণ সামঞ্জস্য ঘটাবলৈ বিচাৰিছিল— ব্যক্তি-বিশেষৰ জীৱনৰ সামঞ্জস্য আৰু ব্যক্তি-বিশেষৰ সৈতে সমাজৰ সামঞ্জস্য। যিজন ৰবীন্দ্ৰনাথে তেওঁৰ বিদ্যালয়ৰ এক বিশেষ স্বকীয়তা সৃষ্টি কৰিছিল, দুখৰ কথা, তেওঁৰ বিদ্যালয়ৰ ছাত্ৰসকলেও সেই স্বকীয়তাক মৰ্যাদা দিব নোৱাৰিলে।

সমাজৰ বিদ্যালয়সমূহৰ পৰা শিক্ষাপ্ৰাপ্ত কোনো ব্যক্তিৰ কৰ্তৃত্বাধীনত বৰ্তমানৰ গাঁৱে গাঁৱে থকা স্কুল বিল্ডিংবোৰ নিৰ্মিত হৈছে সেইবোৰ দেখাতো যেনেকৈ কুৎসিত, পৰিবেশৰ লগতে অসমঞ্জস, আৰু তেনেকৈ ব্যয়সাধ্য। বেলেগে বাটতে অ'ত ত'ত থকা বিৰাট বিৰাট দালান দেখা পাব—অযত্ন-পালিত, ফাট মেলা, চাৰিওফালে ফটা কাগজৰ দ'ম, লেতেৰা আৰু শ্ৰীহীন, জানিব—সেইবোৰেই স্কুলগৃহ, গাঁৱৰ পৰিবেশৰ মাজত এক অবাঞ্ছিত উপস্থিতিৰ দৰে থিয় হৈ আছে।

যি কি নহওক, ক্ৰমে ক্ৰমে পাছ কৰাৰ উৎসাহ ইমান বাঢ়ি গ'ল আৰু পৰীক্ষা পাচ্ কৰাটো জীৱনৰ ইমান অপৰিহাৰ্য্য অংগ হৈ উঠিল যে, পঢ়া-শুনা হওক বা নহওক, পাচ্ কৰিব লাগিবই। এই কাৰবাৰত হাত উজান দিলে শিক্ষক অধ্যাপক প্ৰকাশকসকলে। শই শই ন'ট কিতাপেৰে বজাৰ ভৰি পৰিল। ক্ৰমে নপঢ়াকৈয়েই স্থিৰীকৃত হ'ল নকল কৰি পৰীক্ষাৰ উত্তৰ লিখাৰ জন্মগত অধিকাৰ

এবাৰ এঁটা কুৎসিত দৃশ্য দেখা মনত পৰে, যি দৃশ্যটোৰ কথা মই কোনোদিনে পাহৰিব নোৱাৰিম কলিকতাৰ সংস্কৃত কলেজৰ আগেদি গৈ আছোঁ—হঠাতে চকুত পৰিল সেই দৃশ্যটো, কলেজৰ তিনিমহলাৰপৰা দীঘল ৰছী এডাল নামি আহিছে আৰু তলত পৰীক্ষাত 'সহায়কাৰী'ইঁতে উত্তৰ লিখি বান্ধি দিছে, আৰু চাৰিওফালে থিয় হৈ থকা দৰ্শকসকলে খিকখিকাই হাঁহিছে। মই অধ্যাপকৰ কন্যা, মোৰ চতুৰ্দশ উপৰিপুৰুষ অধ্যাপক আছিল—এই দৃশ্য, শিক্ষাৰ এই অপমান মই জীৱনৰ শেষ দিনলৈকে পাহৰিব নোৱাৰিম।

এফালে এই অৱস্থা, আনফালে কিতাপৰ দ'ম। এইবোৰে সক লক ল'ৰা-ছোৱালীইঁতক পিহি মাৰিছে। এই অৱস্থাৰ মাজত কাৰোবাৰ প্ৰতিভা থাকিলেও তাৰ স্ফুৰণ অসম্ভৱ। এফালে যেনেকৈ পঢ়াৰ হেঁচা, আনফালে প্ৰকৃত পঠন-পাঠনৰো অব্যৱস্থা। কেনেবাপ্ৰকাৰে মুখস্থ কৰি বা নকল কৰি লিখি পাছ কৰিলেই হ'ল। আৰু কি লাগিছে। ঘটনাই ইমান দূৰ শিপাইছে যে আনকি ডাক্তৰী পৰীক্ষাতো এই অসদাচৰণৰ প্ৰভাৱ নপৰাকৈ থকা নাই। অথচ তেওঁলোকৰ হাতত অৰ্পণ কৰা হ'ব মানুহৰ জীৱন-মৰণৰ দায়িত্ব।

কিছু দিনৰপৰা আৰু এবিধ সমাজ-সেবাৰ উজান উঠিছে—গাঁৱে গাঁৱে

পঢ়াশালি পঢ়া আৰু লগতে গাখীৰ আৰু কটি বিলোৱা। গাখীৰ-কটি বা অন্যান্য খাদ্যৰ লোভত তুষ্ট মাতৃ-পিতৃয়ে ল'ৰা-ছোৱালীহঁতক পঢ়াশালিলৈ পঠিয়ায় আৰু খোৱাবস্তুখিনি ঘৰলৈ আনি আটায়ে মিলি ভগাই খায়। পঠন-পাঠন কি হয় নাজানো কিন্তু বেছি আৰু ডেৰমত বহি তুই-চাৰি পৃষ্ঠা পঢ়াৰ ফলত খাটি খোৱা তুশ্চজীৱী মাক-দেউতাকৰ লৈতে সিহঁতৰ বিচ্ছিন্নতা মোৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ বস্তু। তেতিয়া ল'ৰাই যে তাৰ পিতৃ মাতৃক সৰু বুলি ভাবে—কথা সিমানেই নহয়—দৈহিক শ্ৰমকো সৰু কাম বুলি ভাবে। তেতিয়া তাৰ একমাত্ৰ লক্ষ্য হয় চাপ্ৰাচীৰ কাম। কিন্তু লাখ লাখ চাপ্ৰাচীৰ তো আৱশ্যকতা নাই, সেয়েহে অৱশেষত সি পায় নিবনুৱাৰ নিস্ফল জীৱন।

চীনলৈ যোৱাৰ এমাহ মানৰ আগতে আমাৰ 'খেলাঘৰ' আশ্ৰমত এখন শিক্ষা বিষয়ক ছেমিনাৰ আহ্বান কৰিছিলোঁ। সুনীলকুমাৰ মুখোপাধ্যায়ে মোক সহায় কৰিছিল। মই এই কথাটো বুজাত টান পাইছিলোঁ যে—মই যে বাটৰপৰা বুটলি বা হস্পিতালৰপৰা খুজি বা নিচেই মাউৰা ল'ৰা ছোৱালীহঁতক লৈ আহিছোঁ, যাৰ মাজত কোনো কোনোৱে চাগৈ দহ বছৰ বয়সলৈকে আখৰেই নিচিনিলে—ইহঁতক মই কি শিক্ষা দিম? পাছ কৰোৱাৰ ওপৰতেই জোৰ দিম নে হাতে-কামে কাম বন শিকোৱাৰ লগে লগে সাধ্যানুসৰি পঢ়া-শুনাৰো ব্যৱস্থা কৰিম? মই ভাবি ভাল পাইছোঁ যে, মই শেষোক্ত বন্দবস্তহে কৰিছিলোঁ আৰু এই আশ্ৰমৰ ল'ৰাইঁতে কৃষি, মৌ পোহা, গো পালন, তাঁত বোৱা, বাটৈৰ কাম আদিৰ বাহিৰেও বিভিন্ন ধৰণৰ কামৰ যোগেদি পঢ়াশলীয়া জীৱনৰেপৰাই খেলাঘৰৰ বাবে অলপ অলপকৈ উপাৰ্জন কৰিছে। তথাপি, মোৰ সন্দেহ আঁতৰবালৈ মই শিক্ষাবিদসকলৰ সন্মিলন এখন পাতিছিলোঁ। শিক্ষাক্ষেত্ৰত অভিজ্ঞতাৰ অভাৱে মোক দ্বিধাগ্ৰস্ত কৰি তুলিছিল। সন্মিলনত অমিয়কুমাৰ মজুমদাৰ, অধ্যক্ষ ৰঞ্জিৎকুমাৰ দে, গৌৰকিশোৰ ঘোষ, নিখিলৰঞ্জন ৰায়, দেবাশীষ দাস, ৰথীন্দ্ৰনাথ ৰায়, ড আৰতি সেন, গৌৰী আইয়ুব, অধ্যক্ষা মৃণালিনী দাশগুপ্তা প্ৰমুখ্যে শিক্ষাবিদ-সকল উপস্থিত আছিল।

মোৰ প্ৰশ্নসমূহ আছিল

১ শিক্ষাৰ প্ৰসাৰৰ লগে লগে দেশৰ সাধাৰণ মানুহৰ আৰু তথাকথিত শিক্ষিত লোকৰ মাজত ব্যৱধান ইমান বাঢ়িছে কিয়?

২ স্কুলৰ, আনকি কলেজৰো, পৰীক্ষাত পাছ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ সৰহ-ভাগৰে বিদ্যা—তেওঁলোকে প্ৰাপ্ত নম্বৰৰ তুলনাত ইমান কম কিয় ?

৩ বিদ্যালয়ৰ ক্ষেত্ৰত বিভিন্ন শ্ৰেণী-বিভাগ—যেনে, চৰকাৰী-বেচৰকাৰী স্কুল, নিম্নমান-উচ্চমান স্কুল, বুনিয়াদী আৰু সাধাৰণ বিদ্যালয়, মাতৃ-ভাষাৰ মাধ্যম আৰু ইংৰাজী-মাধ্যমৰ স্কুল ইত্যাদিয়ে শিক্ষাৰ ক্ষেত্ৰত অনভিপ্ৰেত আৰু অবাঞ্ছিত বৈষম্যৰ সৃষ্টি কৰা নাই নে? এই বৈষম্য বৰ্তি থকালৈকে সংহতিৰ সৃষ্টি হ'ব পাৰে নে ?

৪, ইংৰাজী মাধ্যমৰ স্কুলৰ প্ৰতি এই মাত্ৰাতিৰিক্ত ৰাপ থকাৰ নিশ্চয় কিছুমান বাস্তৱ আৰু অপ্ৰতিৰোধ্য কাৰণ আছে। যদিও সেই কাৰণৰ মাজত কিমানখিনি চখ, আভিজাত্য, প্ৰতিষ্ঠাৰ লোভ বা প্ৰয়োজনেই বা কিমানখিনি তাৰো বিচাৰ কৰা নহ'ল। বৰঞ্চ মাতৃভাষা আৰু দেশৰ সৈতে অপৰিচয়ৰ বাবে অন্তৰৰ দীনতা বাঢ়ি যোৱা পৰিলক্ষিত হৈছে। মহাত্মা গান্ধীৰ তথা আজিৰ দিনৰ সকলো ছ'ছিয়েলিষ্ট দেশত দৈহিক শ্ৰমৰ আদৰ্শ আমাৰ চকুৰ আগত থকা সত্বেও আমাৰ দেশত তাৰ যথাযথ প্ৰয়োগ নহ'ল কিয় ?

এইবোৰ সমস্যাৰ কথা মই দাঙি ধৰিছিলোঁ আৰু আলোচনাত সকলোৱেই স্বীকাৰ কৰিছিল যে, বৰ্তমান শিক্ষাব্যৱস্থা একেবাৰে অচলাৱস্থা পাইছেগৈ। এটা বৃহৎ গোষ্ঠীয়ে ইংৰাজীৰ মাধ্যমত শিক্ষাৰ ফলত দেশৰ শিক্ষা-সংস্কৃতিৰপৰা সমূলি বিচ্ছিন্ন হৈছে আৰু পৰানুকৰণপ্ৰিয়তা নিৰ্লজ্জভাৱে বাঢ়ি গৈছে। তদুপৰি, পঢ়াৰ হেঁচা অতি বেছি হোৱাৰ ফলত—কোনো এটা বিষয়তো যথেষ্ট জ্ঞান নোহোৱা হৈছে, অধিকন্তু ছাত্ৰ ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ পথো ৰুদ্ধ হৈ পৰিছে। তেওঁলোকে সাহিত্য শিল্পৰ চৰ্চা কেতিয়া কৰিব ? আৰু বাংলা মাধ্যমৰ বিদ্যালয় সমূহৰ অৱস্থা আৰু শোচনীয়। শিক্ষকে নিশিকায়, ছাত্ৰে নপঢ়ে। মাত্ৰ ডিগ্ৰি লয়। মোৰ সেই ক্ষুদ্ৰ খেলাঘৰত মই যে দৈহিক শ্ৰমৰ সৈতে শিক্ষাক সাঙুৰিবলৈ সক্ষম হৈছোঁ তাৰ একমাত্ৰ কাৰণ হ'ল—জগতত এই ল'ৰাসকলৰ কোনো-কেও নাই, আমাৰ এই খেলাঘৰৰ শিক্ষাকেন্দ্ৰলৈ নহাহেঁতেন ইহঁতৰ পথে-ঘাটেই বসতি হ'লহেঁতেন। কিন্তু সিহঁতৰ মাক-দেউতাক থকাহেঁতেন মই এই পৰীক্ষা-নিৰীক্ষাৰ সুযোগেই নাপালোহেঁতেন।

আমাৰ দেশতো কৰ্মশিক্ষাৰ কথা কোৱা হৈছে আৰু প্ৰতিখন বিদ্যালয়তে

তাৰ ব্যৱস্থাও কৰা হৈছে। কিন্তু দ কৈ গমি চালে সি নিতান্তই ল'ৰা-ধেমালি। সম্প্ৰতি ভালেকেইখনমান বিদ্যালয়ত পুৰস্কাৰ বিতৰণৰ সুযোগ পোৱাত এই work educationৰ পৰিচয় পালোঁ। আগতো নোপোৱা নহয় কিন্তু চীনদেশলৈ গৈ যি দেখিলোঁ তাৰ সৈতে আমাৰ দেশৰ আজিৰ কৰ্মশিক্ষাৰ কোনো মিল নাই বুলিয়েই ক'ব পাৰি। আমাৰ কৰ্মশিক্ষাৰ ভালেখিনিয়েই ফাক-ফুক। প্ৰথম ফাঁকি হ'ল—এই কৰ্মশিক্ষাৰ মৰ্মকথায়েই ল'ৰা ছোৱালীহঁতক বুজোৱা নহয়।

গান্ধীজীয়ে কৈছিল "আমি কিয় ভাবোঁ যে মূৰটোৱেই সকলো—হাত-ভৰি একেবাৰেই নহয়। যিসকলে তেওঁলোকৰ হাতক শিক্ষা নিদিয়ে, সাধাৰণ শিক্ষাৰ ত্ৰুটিপূৰ্ণ পথেৰে খোজ দি, তেওঁলোকে জীৱনৰ সংগীত শুনিবলৈ নাপায়। তেওঁলোকৰ আটাইবোৰ ইন্দ্ৰিয় শিক্ষিত হৈ উঠা নাই। কেৱল কিতাপ পঢ়ি শিশুৱেও আনন্দ নাপায়। কেৱল বাক্যৰাশিয়ে তাৰ মগজুক ক্লান্ত কৰি তোলে। তাৰ মনোযোগ বিনষ্ট হয়। মই কবি হোৱাহেঁতেন পাঁচোটা আঙুলিৰ সম্ভাৱনাৰ ওপৰত কবিতা লিখিলোহেঁতেন।"—(Building for Peace D P Nayer)

চীনদেশত এই কবিতাৰ কেনে ৰূপ চাই আহিলো সেই কথা ক'ম। প্ৰথমেই ক'ব লাগিব যে গান্ধীজীৰ আৰু ৰবীন্দ্ৰনাথৰ শিক্ষা চিন্তাৰ সৈতে চীনদেশৰ শিক্ষা চিন্তাৰ বৰ অসংগতি নাই। অসংগতি কেৱল এইখিনিতে যে মাও চে তুঙে এই শিক্ষা-চিন্তাৰ ব্যাপক আৰু যথাযথ প্ৰয়োগ কৰিবলৈ সক্ষম হৈছে। আমাৰ দেশত এই শিক্ষা চিন্তাৰ ধাৰণা ব্যুৰ'ক্ৰাটইতৰ দ্বাৰা খেয়ালী মানুহৰ পাগলামি বুলি বৰ্জিত হৈছে আৰু এতিয়ালৈকে ইংৰাজ আমোলৰ প্ৰচলিত শিক্ষা-ব্যৱস্থাৰ প্ৰতি আমাৰ বিশ্বাস অটুট। শিল্পপতিসকলৰ উদ্বৃত্ত ধনেৰে প্ৰতিষ্ঠিত ডাঙৰ ডাঙৰ স্কুলবিলাকেও সেই পুৰণি আভিজাত্যৰ পৰাকাষ্ঠা প্ৰদৰ্শন কৰিছে। সেই স্কুলবিলাকত ল'ৰা ছোৱালীৰ নাম ভৰ্তি কৰাবলৈ মাক দেউতাকহঁতে পৰ দি পৰি থকা দেখা গৈছে। কেতবোৰ অসাৰ মূল্যবোধ থকা হেতুকে তেওঁলোকৰ ল'ৰা ছোৱালীহঁত বৰ উচ্চস্তৰৰ স্কুলত পঢ়া বুলি আৰু তেওঁলোকৰ মান সন্মানো ইয়াৰ ওপৰত নিৰ্ভৰশীল বুলি ভাবিছে। সেই প্ৰচণ্ড ব্যয়ভাৰ বহন কৰিবলৈ, ষ্টেণ্ডাৰ্ড বজায় ৰাখিবলৈ তেওঁলোকে যে কিমান আহুকাল ভুগিবলগীয়া হৈছে নাজানো। কোনো কোনো ক্ষেত্ৰত হয়তো ভ্ৰষ্টাচাৰী হ'বলৈ বাধ্য হৈছে।

ভনিলোঁ। নির্মীত কাবোবাৰ যৰত টেলিভিজন নাথাকিলে সহপাঠীইতে জোকায়—এঁহ, তোৰ দেউতাৰে এটা টেলিভিছনো কিনিব নোৱাৰিলে।

গান্ধীজীয়ে লিখিছিল "যি শিক্ষাই ভাল-বেয়াৰ প্ৰভেদ কৰিবলৈ নিশিকায়, যি শিক্ষাই মনত সত্ বুদ্ধিৰ উদ্রেক নকৰে, অসতক বিনষ্ট কৰিবলৈ শিক্ষা নিদিয়ে, সেই শিক্ষা কোনো শিক্ষায়েই নহয়।"

১১ ডিচেম্বৰৰ তাৰিখে আবেলি ছিজিয়াচুৱাঙত আমি এখন মিডল স্কুল চাবলৈ গ'লোঁ। স্কুলখনৰ নাম নাই, নম্বৰ হ'ল দহ। দহ নম্বৰ মিডল স্কুল। আমি অৱশ্যে নাম থাকিলে ভাল পাওঁ। আইনস্টাইনৰ দৰে মানুহসকলেহে নামবোৰ সৈতে মনৰ সম্পৰ্ক স্থাপন কৰিব পাৰে। যি হওক, তথাপি ইয়াৰো এটা অৰ্থ নথকা নহয়। অৰ্থ বোধকৰোঁ এয়ে যে, সেই ঠাইত এইটো হ'ল দহ নম্বৰৰ স্কুল। আৰু কেইখন স্কুল আছে নাজানো, পিছে এই নম্বৰেৰে চাগৈ বুজোৱা হৈছে যে সকলো মিডল স্কুলতে শিক্ষাৰ অৰ্থ মোটামুটি একেই। তাৰ ফলত চুবুৰিৰ বা নিচেই ওচৰত থকা স্কুললৈ অভিভাৱকসকলে নিশ্চিন্তে ল'ৰা-ছোৱালীক ভৰ্তি কৰিব পাৰে। আমাৰ দেশত কি শিক্ষাদানৰ ক্ষেত্ৰত কি চেহেৰাই-পাতিয়ে—এখন স্কুলৰ সৈতে আন এখন স্কুলৰ পাৰ্থক্য ইমান প্ৰকট যে মনেখোৱা স্কুলত ল'ৰা-ছোৱালীক ভৰ্তি কৰি অনা-নিয়াৰ কামটোত হাৰাশাস্তি হ'বলগা হয়। চীনদেশত গাঁও আৰু চহৰত শিক্ষাৰ মানদণ্ডৰ অলপ পাৰ্থক্য নথকা নহয় কিন্তু চহৰৰ স্কুলবিলাক একেই। আমাৰ দেশত যেনেকৈ কোনো কোনো স্কুল সাজন-কাচনত একেবাৰে ফাইভ স্টাৰ হোটেলৰ তুল্য আৰু উচ্চবিত্তইতৰ বাবে নিৰ্দিষ্ট হ'লেও বহুতো বাওনায়ো থৰ-কাছুটি হেৰুৱাই মৰোঁ জীওঁ সোঁ আধিকৈ সেইফাললৈ প্ৰধাৱিত হয়, ল'ৰা-ছোৱালীক কেৱল বিদ্যাতেই নহয়, কহন-বহণ চাল-চলনতো চকু জলক তবক লগোৱাদি তুলিব বুলি ভাবে, সেই ব্যৱস্থা চীনত নচলিব।

তাত সকলো সমান। আমাৰ দেশত এই ব্যৱস্থাক অৱশ্যেই অত্যাচাৰ বুলি কোৱা হ'ব। কিন্তু অলপ ভাবিলেই বুজিব পাৰি যে এটা প্ৰজন্মৰ মাজতেই ইয়াৰ সুফল দেখা যাব।

আমি আগতেই শুনিছিলোঁ যে, ১৯৬৬ চনত হোৱা সাংস্কৃতিক বিপ্লৱে শিক্ষাক্ষেত্ৰখনবাই পোখা মেলিছিল। ইয়াত, এই ১০ নম্বৰ বিদ্যালয়ত আমি

প্ৰথম বাৰৰ বাবে সেই বিষয়ে অলপ শুনিলোঁ। কালসময়ত ম্যানিজমেন্টে আমি সকলোৱে দীঘল টেবুলত ধোঁৱা ওলাই থকা চাহৰ পিয়লা আগত লৈ বহিলোঁ। সেই বিদ্যালয়ৰ বৰমূৰীয়া, ৰেভলিউশ্যনাৰি কমিটিৰ চেয়াৰমেন আৰু প্ৰ'পাগাণ্ডা কমিটিৰ চেয়াৰমেনে আমাৰ লগতে আলোচনাৰ পাতনি মেলিলে। প্ৰতিখন প্ৰতিষ্ঠানতে কালচাৰাল ৰেভলিউশ্যনৰ পাছত এনেবোৰ কমিটি গঠিত হৈছে। 'প্ৰ'পাগাণ্ডা' শব্দটো আমাৰ ওচৰত বৰ সুৰুলা শব্দ নহয়। আমাৰ মনত 'প্ৰ'পাগাণ্ডা'ৰ অৰ্থ হ'ল 'মিছাকথাৰ প্ৰচাৰ'। চীনত সেই অৰ্থ নহয়, তাত ইয়াৰ অৰ্থ হ'ল—সত্যক উদ্ধাৰ আৰু প্ৰচাৰ। সেয়ে নহ'লে কোনোবাই গৌৰৱেৰে ক'ব নোৱাৰে যে—মই প্ৰ'পাগাণ্ডা কমিটিৰ চেয়াৰমেন। আমাৰ দেশত এই কথাষাৰ ঠাট্টাৰ দৰে বোধ হ'ব। সেয়েহে, পোনতে তেওঁলোকৰ কথা বতৰা বুজিবলৈ মই অলপ টানেই পাইছিলোঁ। এনে বোধ হৈছিল যে মোৰ চিনাকি পৃথিৱীখনক তেওঁলোকে যেন ওলোটাই ধৰিছে।

সাংস্কৃতিক বিপ্লৱৰ অৰ্থ আছিল বৰ্তমান প্ৰজন্ম—যিসকলে আগৰ দিনৰ অৱস্থা নাজানে, যুদ্ধ দেখা নাই, মোটামুটি সমৃদ্ধ জীৱনযাত্ৰাত অভ্যস্ত, তেওঁলোকক এই কথাটো বুজাই কোৱা যে সদায় সজাগ দৃষ্টি নাৰাখিলে আকৌ আগৰ অৱস্থা ঘূৰি অহাৰ সম্ভাৱনা নথকা নহয়। মানুহৰ মাজত কৰ্তৃত্ব প্ৰদৰ্শন কৰাৰ, ভোগ কৰাৰ, সমষ্টিতকৈ কৰাৰ, পৰৰ পালে জৰৰ গাবে খোৱাৰ আৰু পৰশ্ৰমজীৱী হোৱাৰ যি চেষ্টাই সদায় মূৰ দাঙি উঠাৰ চেষ্টা কৰি সমষ্টিতকৈ ব্যক্তিক ডাঙৰ কৰি তুলিবলৈ বিচাৰে, তেওঁলোকৰ সেইটো হ'ল লিউ শাও চিৰ 'লাইন' (অন্ততঃ মই বুজা মতে)। বিদায় লোৱাৰ আগতে মাও চে তুঙে সেই সম্বন্ধে দেশবাসীক সচকিত কৰি থৈ গৈছে।

এই আন্দোলনৰ গুৰি ধৰিছিল বিশ্ববিদ্যালয়ে। তাৰেপৰাই আৰম্ভণি। চীনদেশৰ ৰাষ্ট্ৰ-ব্যৱস্থাৰ নাম হ'ল ডিক্টেটৰশ্বিপ অব দি প্ৰলিটেৰিয়েট। অৰ্থাৎ প্ৰলিটেৰিয়েটৰ প্ৰাধান্য সৰ্বক্ষেত্ৰতে থাকিব, শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰতো। নহ'লে সকলো ক্ষেত্ৰতে অসাম্য বাঢি থাকিব আৰু মূৰৰ ওপৰত কৰ্তৃত্বৰ যি বিৰাট ব্যৱস্থা আছে, সেই ব্যৱস্থাই তলৰ মানুহসকলক, আনকি ছাত্ৰসকলকো, হেঁচা কৰি পিছি পেলাব। কালচাৰাল ৰেভলিউশ্যনৰ আগতে পঢ়া-শুনাৰ ব্যৱস্থা আছিল সাম্ৰাজ্যবাদী ব্যৱস্থাৰ অনুকূল। প্ৰায় মানুহ-মৰা যন্ত্ৰ-সদৃশ! জুনিয়ৰ

আৰু ছিনিয়ৰ মিডল স্কুল আৰু কলেজ। পঢ়াৰ হেঁচাত ল'ৰা ছোৱালীহঁত চেপেটা লাগিছিল। সদায় ছাত্র আৰু শিক্ষকৰ মাজত এটা 'টেনশ্যন' চলিছিল— প্রশ্নবিলাক আছিল ছাত্রসকলক মেৰপাকত পেলোৱা বিধৰ। যেনিবা এখন অবিশ্রান্ত যুদ্ধই ছাত্র আৰু শিক্ষকসকলক পৰস্পৰৰ শত্রু কৰি ৰাখিছিল। এই ভাবটো নষ্ট কৰি শিক্ষাৰ ক্ষেত্রত আমূল পৰিৱর্তন আনিবলৈহে সাংস্কৃতিক বিপ্লৱৰ উদ্ভৱ হৈছিল।

সেয়েহে, এই ১০ নম্বৰ স্কুলত আমি পিপ'লছ লিবাৰেশ্যন আৰ্মিৰ সদস্য, শ্রমজীৱী বা ওৱাৰ্কাৰসকলৰ মাজৰপৰা গঠিত প্ৰ'পাগাণ্ডা দল আৰু স্কুল-কর্তৃপক্ষ— এই তিনিওৰে সমন্বয়ত গঢ়ি উঠা ৰেভ'লিউশ্যনাৰি কমিটি দেখা পালো, এওঁলোকেই স্কুলৰ প্রলিটেৰিয়েট ধর্ম বজায় ৰাখিব। বিষয়টো অসংগতিপূর্ণভাৱে শুনি মই বৰ বিপদত পৰা যেন হৈছিলো। ইমান ডাঙৰ দেশখন—য'ত ইমান অভাৱনীয় উন্নতি, য'ত শুনিছো সদায়েই উৎপাদন আৰু বিভিন্ন পৰিকল্পনাই প্রতি বছৰত লক্ষ্যমাত্রা চেৰাই যায়—তাত শিক্ষাৰ ক্ষেত্রত বনুৱা খেতিয়কইতে সিহঁতৰ চহা চিন্তা চর্চাৰেনো কি উন্নতি ঘটাব? চীনত মোক প্রায়েই এনে ধৰণৰ বিপদে আগুৰি ধৰিছিল। মোৰ লগৰীয়াসকলে কোনো বিস্ময় প্রকাশ নকৰিছিল। ময়ো তেওঁলোকৰ সৈতে বিশেষ একো আলোচনা কৰা নাছিলো। সেয়েহে মোৰ এই বোজাটো বাহিৰৰপৰা নহয়, ভিতৰৰপৰাহে ক্রমে ক্রমে উপজিপুৱাত বেলি গুলোৱাৰ দৰে হৈ পৰিল। পোনতে যি আছিল চকাচন্দাৰ আঁৰত, ক্রমাত সি প্রকাশ্য হৈ পৰিল।

সংবর্ধনাৰ প্রথম স্তৰত আপেল খাই খাই 'চাজিনীয়া চক্র'ৰ নিন্দা কৰা হ'ল। সেইবোৰ কথালৈ মনো নিদিওঁ, কাণো নাপাতো। কিয়নো, এই চক্রৰ আঁৰৰ কাহিনীভাগ জনা নাথাকিলে আৰু উভয় পক্ষৰ বক্তব্য নুশুনিলে কোনো সিদ্ধান্ত ল'ব নোৱাৰি। যি কি নহওক, ইয়াত যি শুনিলোঁ তাৰ মূল কথা হ'ল যে, সাংস্কৃতিক বিপ্লৱৰ কালছোৱাত তেওঁলোকে অতিৰিক্ত উৎসাহ দেখুৱাই, যাক আজিৰ ভাষাত 'ultra leftism' বুলি কোৱা হয়, দেশত গৃহ কন্দল প্রায় লগাইছিলেই আৰু এইদৰেই প্রায় সকলো ক্ষমতা কৰায়ত্ত কৰিছিল। অর্থাৎ আন একধৰণৰ ডিক্টেটৰশ্বিপ চলিছিল। প্রলিটেৰিয়েটৰ নহয়, এটা গ্রুপৰ।

এনে ধৰণৰ প্ৰচেষ্টাৰ সৈতে আমাৰ পৰিচয় অৱশ্যে নথকা নহয়। নকশাল আন্দোলনৰ কালছোৱাত আমাৰ বিদ্ৰোহী তৰুণসকলৰ উৎসাহ আৰু উদ্দীপনাক বিপথে পৰিচালিত কৰি কোনো কোনো নেতাই ক্ষমতা দখলৰ চেষ্টা কৰা নাছিলনে ?

এনেকৈয়েই, সেই বিশৃংখল বিদ্ৰোহ ফিৰিঙতিৰ দৰে জ্বলি উঠি দপকৈ মুমাই গ'ল। কাৰো কোনো কামত নালাগিল।

এই ১০ নম্বৰ মিডল স্কুল ১৯৫৮ চনত অৰ্থাৎ The year of the great leap forward অৰ বছৰত স্থাপিত হৈছিল। প্ৰাইমাৰি স্কুলৰ পাঠ সাং কৰি ল'ৰা-ছোৱালীইত ইয়ালৈ পঢ়িবলৈ আহে। কোৱা বাহুল্য, আজিৰ চীনত সকলোতে কো-এডুকেশ্যন। প্ৰাইমাৰ শিক্ষাৰ অন্তত তিনি বছৰৰ বাবে জুনিয়ৰ স্কুল আৰু পাঁচ বছৰত ছিনিয়ৰ স্কুলৰ পাঠ সাং কৰিলেই স্কুলীয়া জীৱনৰ অন্ত। ইয়াত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দুই হাজাৰতকৈও বেছি। শিক্ষক আৰু অন্যান্য কৰ্মী এশ ষাঠিজন। কৰ্তৃপক্ষই যেতিয়া আমাৰ ওচৰত বিদ্যালয়ৰ পাঠ্যক্ৰম সম্পৰ্কে কৈ আছিল তেতিয়াহে আমি বুজিব পাৰিলো যে, এই বিদ্যালয়ৰ শিক্ষা পদ্ধতি গ্ৰন্থকীট তৈয়াৰ কৰা বা কেতবোৰ ডিগ্ৰিধাৰী হোলোং পণ্ডিত সৃষ্টি কৰা নহয়।

ডিগ্ৰি সম্পৰ্কে মোৰ কিবা আপত্তি আছে বুলি কোনোৱে যেন নাভাবে। কিন্তু এই কথা মানিবই লাগিব যে অকল পুথিগত বিদ্যাই বহুতকে অকৰ্মণ্য কৰি পেলায়। তদুপৰি, আজিকালি আমাৰ দেশত তাৰ চৰ্চাও অত্যন্ত পল্লৱগ্ৰাহী হৈ পৰিছে।

শুনিলোঁ এই বিদ্যালয়ৰ মাজতে ভালেকেইটা কাৰখানা আছে। তাত ল'ৰা ছোৱালীইতে হাতে কলমে কাম কৰিছে আৰু সিইতৰ উৎপন্ন দ্ৰব্য বিক্ৰি কৰি বিদ্যালয়খনক কিছু পৰিমাণে স্বয়ংনিৰ্ভৰ কৰি তুলিছে।

আমি বেথুন হস্পিতালৰ স্বয়ংনিৰ্ভৰতা দেখি আহিছোঁ, এতিয়া বিদ্যালয়তো সেই চেষ্টা দেখিলো।

মাও চে তুঙৰ 'স্বয়ংনিৰ্ভৰ হোৱা'—উপদেশৰ চৰ্চা দেশৰ সকলো ক্ষেত্ৰতে হৈছে।

এইবোৰ আলোচনা হৈ থাকোঁতে তাৰাচান্দ গুপ্তই হঠাতে সুধিলে, "ইয়াত 'পূজা-অৰ্চনা' হয়নে ? দ'ল দেৱালয় আছেনে ?'

তেওঁৰ মনত যে অকস্মাৎ কিয় ধৰ্মভাৱৰ উদয় হ'ল ক'ব নোৱাৰোঁ। সিও

আৰ' চীনৰ ওপৰত দুখনে তিনিখন কিতাপ পঢ়াৰ পাছত। যি কি নহওক, তেওঁলোকে ক'লে—দ'ল-দেৱালয় নকৰা নহয়, ঘৰতো কোনো কোনোৱে উপৰি-পুৰুষৰ পূজা-পাতল নকৰা নহয়। পিছে তাৰ সংখ্যা নিচেই তাকৰ আৰু বুঢ়া-মেথাসকলেহে কৰে। এইবোৰ কৰাত কোনো নিষেধ নাই।

তাৰাচান্দ গুপ্তই আকৌ প্ৰশ্ন কৰিলে, "পিছে তোমালোকে দেখোন নিজক এথিষ্ট (নাস্তিক) বুলি কোৱা, কমিউনিজম তো ধৰ্মত বিশ্বাসী নহয়—তেনেহ'লে নো তোমালোকে কাৰোবাক মন্দিৰলৈ যাবলৈ বা পূজা কৰিবলৈ দিয়া কিয়?"

দোভাষীজনে মিচিকীয়াই হাঁহি মাৰি ক'লে, "ইয়াৰে কোনো অনিষ্ট তো হোৱা নাই। মানুহে কামৰ মাজেদিয়েই আগুৱাই যাব, কুসংস্কাৰৰ আৱৰণ বা অদৃষ্টবাদ আপোনাআপুনিয়েই নোহোৱা হ'ব।"

তাৰাচান্দ গুপ্তই আকৌ কিবা এটা ক'বলৈ মুখ মেলোঁতেই মই সেই নতুন কালাপাহাৰক বাধা দি ক'লোঁ, "কৰকচোন কোনোবাই উপৰিপুৰুষৰ পূজা, তাত আপোনাৰনো কি হানি হ'ল?"

পাছত মই এজনৰপৰা শুনিছিলোঁ, ইয়াক বোলে 'ডগ্‌মা', আৰু 'ৰেড বুক'ত দেখিলোঁ মাও চে তুঙে লিখিছে বৰঞ্চ গোবৰো মানুহৰ কামত আহে কিন্তু 'ডগমা'ৰে কোনো কাম নহয়। গোবৰ কিমান কামত লাগে মাও চে তুঙে জানিছিলনে? সাৰ বা গোবৰ-গেছৰ কথা জানিলেও নন্‌-কণ্ডাক্টৰ অৱ্‌ চুৰা হিচাপে গোবৰৰ অসাধাৰণ মূল্যৰ কথা তেওঁ নিশ্চয় নাজানিছিল। চুৰা নিয়ন্ত্ৰণৰ সাধনাৰপৰা আমি আজিও মুক্ত নহওঁ।

থাওক এইবোৰ কথা। ছাত্ৰ-ছাত্ৰীৰ দৰে বিদ্যালয়ৰ বিষয়ে সকলো তথ্য জানি লোৱাৰ পাছত বিদ্যালয় পৰিদৰ্শনলৈ ওলালোঁ। বিদ্যালয়-গৃহ পৰিষ্কাৰ-পৰিচ্ছন্ন, পিছে অতি সাধাৰণ। টেবুল-ডেস্কো তেনেকুৱা। কিন্তু প্ৰতিটো কোঠাতেই দুই-চাৰিখনকৈ প'ষ্টাৰ আছে, আছে গেং অৱ্‌ ফোৰ বা চাৰিজনীয়া চক্ৰৰ বিৰুদ্ধে বিদ্ৰূপাত্মক কাৰ্টুন। চীনাসকল বোধকৰোঁ জন্ম-আৰ্টিষ্ট। ছাত্ৰইঁতক যেতিয়া এই বিদ্যালয় এৰি গুচি যায় তেতিয়া সিহঁতৰ বয়স হয় সোতৰ বছৰ। ইয়াক বোলে গ্ৰেজুৱেশ্যন। ডিগ্ৰি দিয়া হয়নে নহয় নুবুজিলোঁ। সম্ভৱত-নিদিয়ে। এওঁলোকে শিকে চীনা ভাষা আৰু লগতে আন এটি বিদেশী ভাষা। সাধাৰণতে দুটা বিদেশী ভাষা শিকোৱা হয়—ইংৰাজী আৰু ৰুছ। ৰসায়ন-

বিজ্ঞান, পদাৰ্থবিজ্ঞান, ইতিহাস, ভূগোল বাদেও কৃষি সম্বন্ধেও অলপ বঢ়োৱা হয়। পাঠ্যক্ৰমত অংকণবিদ্যা আৰু সংগীতো আছে। পাঠ্যক্ৰমৰ কথা শুনি মোটামুটিভাৱে আমাৰ দৰেই বোধ হ'ল, পিছে সকলো বিষয় মাতৃভাষাৰ মাধ্যমেৰে শিকোৱা বাবে সেইবোৰ সহজতে অধিগম্য আৰু লগে লগে শিক্ষাক কৰ্মলৈ ৰূপান্তৰিত কৰা হেতুকে সি আৰু পুথিগত বিদ্যা মাথোন হৈ থকা নাই, অভিজ্ঞতাৰ বস্তু হৈ পৰিছে। যেনে—শুনিলোঁ যে ৰসায়নবিজ্ঞানৰ ছাত্ৰসকলে এতিয়া চিয়াহী আৰু এলকোহল তৈয়াৰ কৰিছে। আমি চিয়াহীৰ কাৰখানা চাবলৈ গ'লোঁ। এলকোহল কাৰখানাৰ ফালে যাওঁ যাওঁ বুলিও নগ'লোঁ। কিয়নো, আমাৰ সৈতে যি মহাকবিজনা আছে মদৰ পিপাত ভুৰি তেওঁৰ যদি কিবা এটা হৈ যায় তেনেহ'লে আমাৰ যি হওক-নহওক, চীনৰ বৰ ক্ষতি হ'ব। তেওঁ ইতিমধ্যেই কৈ থৈছে যে, চীন সম্বন্ধে তেওঁ মহাভাৰতৰ দৰে এখন মস্ত ডাঙৰ কাব্য লিখিব।

চিয়াহী মাথোন তৈয়াৰ কৰাই নহয়, বটলত ভৰাই কাগজৰ বাকচত পেক কৰি বিক্ৰিৰ বাবে পঠোৱা হৈছে। চৰকাৰেই কিনি ল'ব। বাৰ-তেৰ বছৰ বয়সৰ চেমনীয়া ল'ৰা-ছোৱালীহঁতে খৰতকীয়াকৈ পেকিং বাকচত বটলবোৰ ভৰাইছে। আন এটা কাৰখানাত সৰুসুৰা কৃষিৰ আহিলাপাতি নিৰ্মাণ কৰা হৈছে। ইয়াত ইলেক্‌ট্ৰিকৰ যন্ত্ৰপাতি সম্বন্ধে হাতে-কলমে কাম শিকিছে। ফিজিক্সৰ লেবৰেটৰি, কেমিষ্ট্ৰিৰ লেবৰেটৰি আৰু অন্যান্য বহুতো বিষয়ত লাইব্ৰেৰি গঢ়ি তোলাৰ কামত ল'ৰা-ছোৱালীহঁতে হাত উজান দিছে। ইয়াত থিঅ'ৰি, তাত হাতে-কলমে কাম। ক'ৰবাত পেকিং বাকচ বনোৱা হৈছে। কোনো দোকানত পেকিং বাকচৰ প্ৰয়োজন, তেওঁলোকেই লাগতিয়াল বস্তুখিনি দি থৈ গ'ল, পেকিং বাকচ বনোৱাৰ পাছত পাৰিশ্ৰমিকখিনি দি কিনি লৈ যাব। এই বিদ্যালয়ত মটৰগাড়ি মেৰামতিৰ কাৰখানাও আছে। তাত দস্তুৰমতে মটৰ মেৰামতি কৰা হৈছে। কেমিষ্ট্ৰিৰ ল'ৰাইতে অয়েল কেমিষ্ট্ৰি শিকিছে, মাটিৰ গুণাগুণ পৰীক্ষা কৰি চাইছে, সেই পৰীক্ষাৰ ফলাফল কৃষকসকলৰ ওচৰলৈ পঠোৱা হয়, তেওঁলোকে পৰীক্ষাৰ ফলাফল কৰ্মক্ষেত্ৰত মিলাই চাব।

এইবোৰ ওৱাৰ্ক এডুকেচন আজিকালি আমাৰ স্কুলত হোৱাদি কামৰ পুতলা খেলাৰ দৰে নহয়। আচল কথা হ'ল, আমাৰ ইয়াত ল'ৰা-ছোৱালীহঁতক

কর্মশিক্ষাৰ মৰ্মটোৰেই বুজোৱা নহয়। এখন বজনজনা নামজলা ছোৱালী স্কুলত সিদিনা পুৰস্কাৰ বিতৰণ কৰিবলৈ গৈ দেখিলোঁ যে ছোৱালীহঁতে ধুনীয়া ধুনীয়া বেজি সূতাৰ কাম কৰিছে। ধৰি ল'লোঁ যে সেই কাম সঁচাসঁচিকৈয়েই ছোৱালী-হঁতেই কৰিছে। ধৰি ল'লোঁ, কিয়নো, বেছিভাগ ক্ষেত্ৰত সেইফেৰা কামো নকৰে—মাহীদেউ, পেহীদেউ আদিয়ে ছুৰেটাৰ গুঠি দিয়ে, ভালেই নম্বৰ পায়। আৰু যিবোৰে ভুলেভালে নিজ হাতেৰ বনায় সিহঁতে নম্বৰ পায় কম। এই 'নম্বৰ'টোৰেই আমাৰ সৰ্বনাশ মাতি আনে। যি হওক, সেই ছোৱালী স্কুলতে মই সুধিলোঁ যে ছোৱালীহঁতে বেজি সূতাৰ কাম চিৰকালেই কৰি আহিছে, ইয়াৰ মাজত কৰ্ম-শিক্ষাৰ বিশেষত্বনো কি? আপোনালোকৰ ছাত্ৰীহঁতে এই বিদ্যালয় সৰা পোচা কৰিব পাৰিবনে আৰু পাৰিলেও অভিভাৱকসকলে কৰিবলৈ দিবনে? স্কুলৰ যুলনিখনৰে চোৰা মেলা কৰিব পাৰিব জানো?

চীনৰ এই কৰ্মশিক্ষা কেৱল হাতৰ কাম শিকাতেই আবদ্ধ হৈ থকা নাই, পেপাৰ মেশ্বৰ বাটি বনোৱা বা কপাহী ফুল বনোৱাই নহয়, ই হ'ল এক আভ্যন্তৰিক পৰিৱৰ্তনৰ শিক্ষা।

মাও চে তুঙে আহ্বান জনাইছিল বুদ্ধিজীৱীসকলে শ্ৰমিক আৰু কৃষকৰ সৈতে পাৰ্থক্য পাহৰি পেলাওক। তেওঁৰ সেই আহ্বানলৈ সঁহাৰি জনায়েই দেশত এক নতুন ভাবৰ উদয় হৈছে। মাও চে তুঙে দেখিলে, এই যে নতুন প্ৰজন্ম, এওঁলোকে একেবাৰেই নাজানে—কেনেকৈ দেশলৈ সুখ সমৃদ্ধি আহিল,শ্ৰমিক কৃষকৰ দানেইবা কি।

বুদ্ধিজীৱী আৰু শ্ৰমজীৱীৰ মাজত এক বিৰাট পাৰ্থক্য বিদ্যমান, সিপিনে এচাম অহংকাৰী আৰু দাম্ভিক বুৰ'ক্ৰাটে মূৰ দাঙি উঠিছে। এই বিষয়ত ৰুছিয়াৰ ব্যুৰক্ৰেছিৰ বুৰ্জুৱা ৰূপ তেওঁৰ চকুৰ আগত আছিল। জমিদাৰ আৰু আঢ্যৱন্তহঁতে সাধাৰণ মানুহক 'নীচ' বুলি ঘিণাইছিল। এওঁলোকেও জানো নিঘিণায়? তেনেহ'লে কি লাভ হ'ল? কেৱল বিত্তয়েই বিভ্ৰমৰ সৃষ্টি নকৰে, বিদ্যায়ো কৰে। অলপ পুথিগত বিদ্যা আয়ত্ত কৰি, দুই চাৰিটা ডিগ্ৰি যোগাৰ কৰি লৈ মানুহ উদ্ধত হৈ পৰে। আৰু শুনি শুনি যি বুজিলোঁ, মাও চে তুঙৰ মতে দাম্ভিকতা সৰ্বকৰ্মপণ্ডকাৰী। দাম্ভিক মানুহে নিজকো বিচাৰ কৰিব নোৱাৰে, আনকো নোৱাৰে। সেই দেশত এটা কথা প্ৰায়েই শুনিছিলোঁ—বিচাৰ আৰু আত্মবিচাৰ Criticism আৰু Self-Criticism। Criticism আমাৰ

দেশতো ভালদৰেই প্ৰচলিত হৈ আছে, কিন্তু Self-Criticism অৰ কথা বৰ শুনা নাযায়। যি হওক, সাংস্কৃতিক বিপ্লৱৰ অন্যতম কাৰণ হ'ল এই দৰ্পহৰণ। আৰু মোৰ ধাৰণা হ'ল যে এইপিনে মন-কাণ দিয়াটোৱেই হ'ল প্ৰ'পাগাণ্ডা টিমবো অন্যতম কাম। আমি শুনিলোঁ যে, এই স্কুলৰপৰা পৰীক্ষাত উত্তীৰ্ণ হৈ ওলোৱা ওঠৰশ ছাত্ৰ-ছাত্ৰীয়ে এতিয়া গাঁৱে গাঁৱে খেতি-বাতিৰ কাম কৰিছে আৰু তা চাইৰ দৰে আদৰ্শ কমিউন গঢ়ি তোলাৰ কামত গাঁওবাসীক সহায় কৰিছে। আৰু, আন কিছুমান ল'ৰা-ছোৱালীয়ে বিভিন্ন ফেক্টৰিত কাম কৰিছে, কিছুমানে মিলিটাৰিত। এই ল'ৰা-ছোৱালীহঁতে দু বছৰ ধৰি এইদৰে শ্ৰমিক-কৃষকৰ সৈতে একেলগে কাম কৰিব লাগিব। তাৰ পাছত প্ৰত্যেকৰ নিজা নিজা কৰ্মপন্থা স্থিৰ হ'ব। গাঁৱৰ কামতো বহুবিধৰ ইনজিনিয়াৰিং বিদ্যাৰ, উদ্ভাৱনী শক্তিৰ প্ৰয়োগৰ সুযোগ সুবিধা আছে। তা চাইৰ বাটেৰে বাট বুলিবলৈ হ'লে অসাৰুৱা ছনপৰা মাটিকো খেতি-বাতিৰ উপযুক্ত কৰি তুলিব লাগিব। সহজে মাটি কঢ়িয়াই আনিব পৰা বছীৰ ক্ৰে'ন নিৰ্মাণ কৰি সেই গাঁৱৰ মানুহে তেওঁলোকৰ উদ্ভাৱনী ক্ষমতাৰ চিনাকি দিছে। ক'ৰবাত নৈৰ গতিমুখ ঘুৰাব লাগিব, ক'ৰবাত আকৌ ভগীৰথো হ'ব লাগিব।

মই ভাবি আছিলোঁ, ইমানবোৰ লৰা ছোৱালী যে গাঁৱলৈ যায়, ইহঁত থাকে ক'ত? ইহঁত গাঁৱলৈ গৈ বলিয়া হাতী সোমোৱাদি সোমায়গৈনে কি? উৎপতীয়া কাণ্ড কৰেনে কি?

মোৰ মনত পৰিল, ড আৰতি সেনে এবাৰ আমাৰ 'খেলাঘৰ'লৈ পঁচিছজন ল'ৰাক কৰ্মশিক্ষা দিবৰ বাবে আৰু ন'বৰ বাবে পঠাবলৈ খুজিছিল। মই এই প্ৰস্তাৱৰ কথা শুনি আতংকিত হৈছিলোঁ। চীনত শুনিলোঁ এই ব্যৱস্থা ভাবি-চিন্তি কৰা হৈছে।

তাত গাঁৱে গাঁৱে 'মে' ছেভেন ডে' স্কুল' নামৰ স্কুল বা ব'ৰ্ডিং স্থাপিত হৈছে—তাতে ছাত্ৰছাত্ৰীহঁত থাকে আৰু গাঁৱত কাম কৰে। কেতিয়াবা কেতিয়াবা কৃষকসকলৰ ঘৰতো থাকে। কৃষকসকলৰ ঘৰ মই চাই আহিছোঁ। তাত আৰামতে থকা মেলা কৰিব পাৰি। অন্তত ৰংচঙীয়া চাফ-চিকুণ লেপৰ কোনো অভাৱ নাই। এই ছাত্ৰৰ দলে কেৱল উন্নত প্ৰণালীৰ পশুপালন, খেতি-বাতিতেই যে সহায় কৰিছে তেনে নহয়, গধূলি গাঁওবাসীৰ সৈতে একেলগে পঢ়াশুনা কৰিছে, ৰাজনীতিৰ আলোচনা কৰিছে, মাৰ্কছ আৰু মাও

চে তুণ্ডৰ মতামত বুজাইছে, কুসংস্কাৰ গুচাইছে, সমাজ-চেতনা জগাই তুলিছে। এইদৰে গাঁৱত কাম কৰাৰ পাছত কমিউন বা ব্রিগেডৰ কমিটিয়ে ছাত্রসকলৰ মাজত কোন কোন ইউনিভার্ছিটিলৈ যাবলৈ বিচাৰে সেই কথা জানি লৈ তেওঁলোকৰ মন্তব্য দিব। ইপিনে—কোনে কি কাম কৰিবলৈ বিচাৰে সেই কথা কামৰ মাধ্যমেৰে স্থিৰ হয়। কর্মক্ষেত্র স্থিৰ হোৱাৰ পাছত কোনোবাই উচ্চ শিক্ষা গ্রহণ কৰিবলৈ বিচাৰিলে কর্মক্ষেত্রৰ কমিটিৰ চুপাৰিছ বিশ্ববিদ্যালয়লৈ পঠাব লাগিব। তাৰ পাছত বিশ্ববিদ্যালয়ে যোগ্যতাৰ বিচাৰ কৰি ভর্তি কৰিব।

গতিকে, বিশ্ববিদ্যালয়ত ভর্তি হোৱাটো বৰ উজু নহয়। কোনো কাম নাই বন নাই, একেবাৰে বহি খোৱাটো, সেয়ে ল' পঢ়ো বা জার্নালিজম, বাংলাত এমেটোকে দিওঁ—সেইবোৰ নহ'ব ইয়াত। যি বিষয় পঢ়িলে যথার্থ কাম হ'ব ৰুচি আৰু দক্ষতাৰে তাৰ প্রমাণ দাঙি ধৰিছে ছাত্রই বিশ্ববিদ্যালয়ত প্রবেশ কৰিব লাগিব। আমাৰ ইয়াত এটি শিশুক কোনো এটা ভাল স্কুলত ক্লাছ ওৱানত ভর্তি কৰিবলৈ হ'লে সি প্রায় 'কম্পিটিটিভ' পৰীক্ষাত বহিবলগীয়া হয—যেনিবা আই এ এছ হ'বলৈহে খোজ লৈছে। শিশুৰ পক্ষে যোগ্যতাৰ কোনো প্রশ্ন নুঠে, কিন্তু বিশ্ববিদ্যালয়ৰ পঢ়া-শুনাটো 'ধোদৰ পচলা কটা' বিধৰ হোৱাটো ঠিক নহয়।

কিন্তু উপায় কি?

বেকাৰ ল'ৰা ছোৱালীইতে সময় কটায কেনেকৈ?

মই এজন লেখক যুৱকক সুধিছিলো যে সি হঠাতে আইন পঢ়িবলৈ ভর্তি হ'ল কিয়।

সি ক'লে

'বহি বহি কি কৰোঁ কওকচোন?'

এনেবোৰ নিৰৰ্থক কাম চীনৰ কর্তৃপক্ষই কৰিবলৈ নিদিয়ে। এবাৰ ইউনিভার্ছিটিত ভর্তি হ'ব পাৰিলে আৰু কোনো খৰচ নাই, সকলো খা খৰচ চৰকাৰে বহন কৰিব। এইখিনিত এই কথা উল্লেখিউৱা ভাল, যে চীনদেশত স্কুলত পঢ়া একেবাৰে অবৈতনিক নহয়। জুনিয়ৰ স্কুলত ছমহীয়া দৰমহা তিনি ইউৱান বাঠি ছে'ণ্ট আৰু ছিনিয়ৰ স্কুলত ছমাহত লাগে চাৰি ইউৱান। কিন্তু কোনো পৰিয়ালৰ আর্থিক সামর্থ্য কম হ'লে চৰকাৰে ছাবছিডি দিয়ে। পৰীক্ষা-ব্যৱস্থা কিছুখিনি মুকলিত, কিছুখিনি ভিতৰত। অর্থাৎ কোনো কোনো বিষয়ৰ

ক্লাছৰবৰ ভিতৰত, কোনো কোনো বিষয়ৰ কৰ্মক্ষেত্ৰত পৰীক্ষা লোৱা হয়। শিক্ষকসকলৰ দৰমহা ১৪০—১৫০ ইউৱানলৈকে।

এই বিদ্যালয়ৰ কৰ্মশিক্ষা প্ৰসংগত শুনিলোঁ, দূৰ্বাণবটীয়া কোনো এটা পৰ্বতৰ ওপৰত এওঁলোকে নিজ হাতে সোতৰশ ম' মাটি খেতিৰ যোগ্য কৰি তুলিছে আৰু এখন বিদ্যালয় নিৰ্মাণ কৰিছে।

শিক্ষাৰ প্ৰসংগ ওলালেই যেতিয়া, ইয়াতেই আমি দেখা এখন মাত্ৰ ইউনিভাৰ্ছিটিৰ কথা কৈ থওঁ। ইয়াত যিখিনি দেখিলোঁ, শুনিলোঁ, সেইখিনিকে লিখিলে এইদেশৰ শিক্ষা ব্যৱস্থাৰ পৰিপূৰ্ণ চিত্ৰ এটি পোৱা যাব। দুখৰ কথা, পিকিং বা আন কোনো চহৰতো আমি ইউনিভাৰ্ছিটিলৈ যোৱা নাছিলোঁ। আমি ইউনিভাৰ্ছিটিলৈ গ'লোঁ আমাৰ ভ্ৰমণৰ একেবাৰে শেষত—কেণ্টনত।

জানুৱাৰিৰ ৭ তাৰিখ। চীনদেশৰপৰা বিদায় ল'বলৈ আৰু মাত্ৰ দুটা দিন বাকী। মোৰ পিকিঙৰ এখন ইউনিভাৰ্ছিটিলৈ যোৱাৰ বৰ ইচ্ছা আছিল। কিন্তু প্ৰথমৰে-পৰাই সেই ব্যৱস্থা কৰা নাছিল। ছিংহুৱা ইউনিভাৰ্ছিটিলৈ যোৱাৰ ইচ্ছাও আছিল —যিখন ইউনিভাৰ্ছিটিৰপৰা কালচাৰাল ৰেভিলিউশ্যন বা সাংস্কৃতিক বিপ্লৱ আৰম্ভ হৈছিল। কিন্তু নজনীয়া দলটোত, বিশেষকৈ দলটোৰ মাজত অজ্ঞতাত সৰ্বশ্ৰেষ্ঠ-জনৰ কথাত তো প্ৰোগ্ৰাম থিৰাং কৰা নহ'ব। যি কি নহওক, মঙৰ সৈতে মোৰ বন্ধুত্বৰ এনাজৰীডাল যেতিয়া কটকটীয়া হ'ল তেতিয়া মই তেওক ক'লো যে, এখন ইউনিভাৰ্ছিটি নিশ্চয়েই চাই যাব লাগিব। ভ্ৰমণকালৰ মাজছোৱাৰে-পৰাই ইউনিভাৰ্ছিটি চাবলৈ যাম বুলি কুটুৰি আছোঁ তেওঁক।

বিজয়বাবুৱে মোক কৈছিল, "গোৱাং চাওত (Gwang Chow) ইউনিভাৰ্ছিটি চাবলৈ যাব বাৰু।"

মই সুধিলোঁ, "গোৱাং চাওলৈ আকৌ যাম কেতিয়া?

তেওঁ ক'লে, "কি মস্কিল—গোৱাং চাও যে কেণ্টন আপুনি নাজানে নেকি?"

বিদেশত এবাৰ ক'ৰবাত যেন কলিকতাক 'কালকুত্তা' বুলি কোৱাত মই হতভম্ব হৈছিলোঁ।

কেণ্টন চহৰবপৰা পোন্ধৰ মাইল দূৰৈত চুং সেন ইউনিভাৰ্ছিটি—অৰ্থাৎ ছান ইয়াৎ সেন বিশ্ববিদ্যালয়। তেওঁলোকে ছান ইয়াৎ সেনক চুং সেন বোলে।

বিশ্ববিদ্যালয়ৰ চৌহদত সোমোৱাৰ লগে লগেই উদ্যানশোভা চকুত পৰিল। কেনে মনোৰম! হিয়া-মন পৰশা। আমাৰ কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰে-বাহিৰে পৰিচ্ছন্নতাৰ অভাৱ তেতিয়াই মোৰ মনত পৰিল। প'ষ্টাৰ লগাই লগাই ভিতৰকাল কুশ্ৰী কৰি তোলা হৈছে। এওঁলোকেও যথেষ্ট প'ষ্টাৰ লগায়, কিন্তু সেইবোৰ চিত্ৰৰ দৰে।

শিক্ষাৰ স্থল—সি পঁজায়েই হওক বা প্ৰাসাদেই হওক—তাত সৌন্দৰ্য্যৰ আৱশ্যকতা আছে।

'তুমি মানসৰ মাজলে' আহি
বোৱাহি মধুৰ মূৰতি প্ৰকাশি
কুন্দবৰণ সুন্দৰ হাঁহি
বীণ হাতত লৈ হে বীণাপাণি।'

বীণাপাঁণিয়ে য'ত তেওঁৰ চৰণকমল থাপিব তাৰ চাৰিওকাষত পদুম ফুলি থাকিব লাগে। তাৰ সলনি জাবৰ জোথৰ আৰু দ'মে দ'মে কাগজ সিঁচৰতি হৈ থাকে। একমাত্ৰ শান্তিনিকেতনৰ বাহিৰে গোটেই বংগ দেশখনেই এই বিষয়ে আটাইতকৈ উদাসীন। বেনাৰছৰ হিন্দু বিশ্ববিদ্যালয়, জামিয়া মিলিয়া, বম্বেৰ বিশ্ববিদ্যালয়—আটাইকেইখনেই উদ্যান পৰিবেষ্টিত।

উত্তৰবংগত জলপাইগুড়ি বিশ্ববিদ্যালয়ৰ চাৰিওফালে শই শই বিঘা মাটি পৰি আছে। এসময়ত এগৰাকী উপাচাৰ্য্যই তাত উদ্যান নিৰ্মাণ কৰিবলৈ যো-জা কৰিছিল, তাৰেই ক্ষতচিনস্বৰূপে শুকান চৌবাচ্চা আদি পৰি আছে। বৰ্তমান উপাচাৰ্য্য স্নেহাস্পদ অম্লান দত্তক কৈছিলোঁ অ'ত ত'ত কেইহাজাৰমান গছপুলি ৰুবলৈ। চৌহদৰ মাজতে সৰু জুৰি এটি আছে। জুৰিটিৰ নাম বৰ ধুনীয়া। কিন্তু এতিয়া মনত পৰা নাই। আন দেশ হোৱাহেঁতেন সেই জুৰিটিৰ দুপাৰতে উইল' গছে তাৰ দীঘল কেশদাম মেলি দিলেহেঁতেন। জুৰিটিৰ মাজে মাজে পানী গভীৰ কৰি তাত পদুম ফুলালেহেঁতেন। মই অম্লানক বহুবাৰ কৈছিলোঁ যে, তেওঁ এই বিশ্ববিদ্যালয়খনক দৰ্শনীয় ঠাই কৰি তোলে যেন। শুনিলোঁ—এই কথা উথাপন কৰিলেই হাজাৰ হাজাৰ টকাৰ প্ৰশ্নও উত্থাপিত

হ'ব আৰু ফিনান্স ডিপাৰ্টমেণ্টে খেদি আহিব। অসম্ভৱ গ্ৰহণ। কিয়নো, লখিমী আৰু সৰস্বতী দুয়োৰে খিতাপিৰ বাবেই যে পদুম ফুলিব বা ফুলাব লাগে ফিনান্স ডিপাৰ্টমেণ্টে সেই কথা নাজানে। তেওঁলোকে কুবেৰৰ চন্দুকটোত তলা লগাই পৰ দি বৈ আছে, অথচ কোন সৰভাই দি যে সম্পদে ওলাই ফাট মাৰিছে সেইপিনেহে মন-কাণ নাই। তেতিয়া মই তেওঁক কৈছিলোঁ—আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে বোৱক। কেইজনমানক কেইজোপামান গছ ৰুবলৈ আৰু চোৱামেলা কৰিবলৈ দায়িত্ব দিয়ক। কিয়নো, যত্ন নল'লে আন যিয়েই নহওক উদ্যান কেতিয়াও নহ'ব। তাত ইমান মাটি আছে যে ভালেখিনি শস্যও উৎপাদিত হ'ব পাৰে। কিন্তু কৰিব কোনে? ছাত্ৰ বা অধ্যাপকসকলে তালৈ মালী বুঢ়া বা হালোৱাৰ কাম কৰিবলৈ তো অহা নাই। তেওঁলোক আহিছে বিদ্যাৰ চৰ্চা কৰিবলৈ।

যা হওক, মই পৰম কল্যাণীয় অম্লান দত্তক কৈছিলোঁ, "আপুনি নিজে কেইজোপামান গছ বোৱক আৰু পানী দুনি দিয়ক। গছকেইজোপা আপোনাৰ ঘৰৰ আগত বা হ'ষ্টেলৰ আগত ৰুব। তেতিয়া চাব—সকলোৱেই কৰিব।"

এই কথাটো ভাবি মই আনন্দিত যে মই প্ৰায় ডেৰ বছৰৰ আগতে তেওঁক এই কথাবোৰ কৈছিলোঁ—চীন চাই অহাৰ পাছত কোৱা নাছিলো।

সম্প্ৰতি তেওঁ মোলৈ খবৰ পঠিয়াইছে যে, কেইবাহাজাৰো গছপুলি ৰোৱা হৈছে। কিন্তু সেই গছবিলাকত পানী কোনে দিছে সেই কথাটোহে নজনালে তেওঁ।

সেই কথাটো জানিবলৈ মই আগ্ৰহী।

কি মুক্ত কি বদ্ধ—পৃথিৱীৰ ক'তো আজিৰ দিনত আৰু হাতৰ কাম কৰাত ইমান অনীহা কাৰো নাই—ভাৰতীয়সকলৰ যিমান আছে। সম্প্ৰতি এগৰাকী ইংৰাজ ভদ্ৰলোক আহিছিল 'খেলাঘৰ' চাবলৈ। তাত ল'ৰাইতে গাধীৰ ধীৰাই থকা চাই আনন্দিত হৈ কৈছিল, "ল'ৰাইতে কাম কৰা দেখি বৰ ভাল পালোঁ—ভাৰতীয়সকলে একো কৰিব নোৱাৰে।"

এজন ইংৰাজৰ মুখৰপৰা এইকথা শুনি স্বাভাৱিকতেই মোৰ চেলাউৰিযুৰি কোঁচ খাই পৰিল, "—অৰ্থাৎ?"

"চোৰাঁ, মোৰ শত্ৰু হ'ল ভাৰতীয় পাৰ্চী। তেওঁ এবছৰমান মোৰ ওচৰত আছিল। তেওঁ হীৰিণ কুটাভাঙো তীৰিণ কৰিব নোৱাৰে।"

"তেওঁ ডাঙৰ ব্যৱসায়ী—নহয় জানো ?—তেন্তু ?"

"কথাটো হয়। কিন্তু তেওঁ এটা ফিউজ মেৰামতি কৰিব নোৱাৰে, স্ক্ৰু ড্ৰাইভাৰেৰে নাট এটা লগাব নোৱাৰে, একাপ চাহ বনাই খাব নোৱাৰে, গেছ ষ্টভ জ্বলাব নোৱাৰে।"

মই সুধিলোঁ, "তেওঁ গিলাছত পানী বাকি খাব পাৰেন ?"

"ওহোঁ, সেইকণ কামো কৰা মই দেখা নাই।"

আমাৰ শিক্ষাৰ ক্ষেত্ৰত বিদ্যা, সৌন্দৰ্য্য আৰু কৰ্মক একলগে মিলাই দিব লাগিব, তেতিয়াহে জ্ঞান হ'ব। নান্য পন্থা।

চীনদেশত কথা ক'বলৈ গ'লেই দেশৰ কথা মনত পৰে। কিয়নো, য'লৈকে নাযাওঁ, যি য়ই নাচাওঁ লাগিল, দেশখনক পাহৰিব তো নোৱাৰোঁ। মই সহজে আন কোনো দেশৰ নেতিবাচক দিশৰ কথা নকওঁ। কিয়নো, সেইকথা তেওঁলোকেই কওক। আমাৰ দেশৰ অপূৰ্ণতা, অকৃতকৰ্মৰ দায়িত্ব যিহেতু মোৰ নিজৰো, সেই হেতুকেই আত্মসমালোচনা—আত্মসমালোচনায়েই একমাত্ৰ পথ নিৰ্দেশক।

ছান ইয়াৎ সেন বিশ্ববিদ্যালয়ৰ সভাগৃহটো বৃহৎ। মাজে মাজে স্তম্ভ—ইঅ'ৰোপীয় স্থাপত্য। ১৯২৪ চনত ছান ইয়াৎ সেনে এই বিশ্ববিদ্যালয় স্থাপন কৰিছিল। তেতিয়া নাম আছিল গোৱাং চৌ ইউনিভাৰ্ছিটি। ১৯২৫ চনৰপৰা স্থাপয়িতাৰ গৌৰৱণিত নাম সলোৱা হয়।

তেওঁলোকে যেতিয়া ছান ইয়াৎ সেনৰ নাম উল্লেখ কৰে তেতিয়া 'বুৰ্জোৱা ডেম'ক্ৰেটিক ৰেভলিউশ্যনাৰি ছান ইয়াৎ সেন' বুলি কয়। মই আৰু বৎসলাই ঠাৰে ঠিয়াৰে হাহোঁ, আমি আমোদ পাওঁ। ইমানবোৰ বিশেষণ। তেওঁলোকে কিন্তু সদায় বিভিন্ন মানুহৰ সম্পৰ্কে এনে ধৰণৰ বিশেষণ ব্যৱহাৰ কৰি ৰাজনীতিৰ ক্ষেত্ৰত ব্যক্তিৰ ঠাই দেখুৱাই দিয়ে। এয়া এটা ফৰ্মূলাৰ নিচিনা। যিসকলে অংক জানে, তেওঁলোকৰ পক্ষে ফৰ্মূলাৰে বুজিবলৈ সুবিধা হয়, কিন্তু মই অংক নাজানো। কি এৰিথমেটিক কি পলিটিক্স—কোনো বিষয়ৰ অংকতেই মোৰ উৎসাহ নাই। মই নিশ্চয়কৈ জানো, মানুহ ফৰ্মূলা নহয়। মানুহক কোনো

বিশেষণৰ গণ্ডীত আৱদ্ধ কৰিব নোৱাৰি। মানুহে ক্ৰমাত তেওঁৰ নিজৰ সীমাৰেখাৰ পৰা নিজেই উত্তীর্ণ হয়। বিশেষকৈ ছান ইয়াং সেনৰ দৰে মানুহ সম্বন্ধে সেইকথা সাঁচে কাটে সঁচা। বৰ্তমান পুৰুষৰ চীনাসকলেও তেওঁক যথেষ্ট শ্ৰদ্ধা কৰে, পিছে তেওঁ যে মাৰ্কছবাদী নহয়, সেই বিশেষণেৰে সেই কথাটো বুজাই দিয়ে চাগৈ।

যথাৰীতি ছোকাত বহি, চাহৰ পিয়লা কাষত লৈ, ন'টবুক মেলি তথ্য লিখিবলৈ সাজু হ'লো। ইয়াতো ১৯৬৬ চনৰ পাছত ৰেভলিউশ্যনাৰি কমিটি গঢ়ি তোলা হৈছে। সেই কমিটিৰ মহিলা ভাইছ চেয়াৰমেনগৰাকীয়ে প্ৰথমে অভ্যৰ্থনা জ্ঞাপন কৰিলে আৰু ডা কোটনিছৰ আন্তৰ্জাতিকতাৰ প্ৰশংসা কৰিলে। এইবোৰ কথাত তেওলোক বৰ নিখুঁত। প্ৰত্যেক ঠাইতেই কৈছিল। তাৰ পাছৰ বক্তা আছিল ফিজিক্সৰ প্ৰফেছৰ লিটিয়েং চিং (উচ্চাৰণটো ভুল হোৱাৰ সম্ভাৱনা নথকা নহয়, বক্তৃতা শুনি থাকোঁতে তো সুধিব নোৱাৰি যে, ডাঙৰীয়া, আপোনাৰ নামৰ বানানটো কেনে ক'বনে?)। তেৰেঁা চৌ এন লাইৰ বাণী উদ্ধৃত কৰি ক'লে, "এই দেশৰ জনগণে প্ৰযাত ডা কোটনিছৰ কথা কাহানিও নাপাহৰে।

পোনতে ইযাত ফাইন আৰ্টছ ইনজিনিযাৰিং, চিকিৎসাবিদ্যা, আইন আৰু শিক্ষক শিক্ষণ শিক্ষা দিয়া হৈছিল। ১৯৫২ চনৰপৰা অলপ পৰিবৰ্তন হ'ল। আৰ্টছ আৰু ছায়েন্সৰ বিষযসমূহক পুনৰ শ্ৰেণীবদ্ধ কৰা হ'ল। এই বিশ্ববিদ্যালয় স্বয়ংসম্পূর্ণ। ইযাৰ এঘাৰটা বিভাগ—সাহিত্য, ফিলছফি, বিদেশীভাষা, ইকনমিক্‌ছ, ফিজিক্স, গণিত, কেমিষ্ট্ৰি, বায়লজি, জিঅ'গ্ৰাফি, খনিজবিদ্যা ইত্যাদি। প্ৰতিটো বিভাগতে কিছুমান ওপৰঞ্চি শিক্ষণীয বিষয থাকে—এনেকুৱা সৰ্বমুঠ বত্ৰিছটা বিষয় আছে। শিক্ষক আছে এহাজাৰতকৈয়ো অধিক। ছাত্ৰ তিনি হাজাৰ। এই তিনি হাজাৰ ছাত্ৰয়েই নিয়মিত ক্লাছ কৰে। তদুপৰি শৰ্ট টাৰ্ম আৰু চিঠি-পত্ৰাদিৰ যোগেদিও শিক্ষা দান কৰা হয। বছৰি সৰ্বমুঠ দহ হাজাৰ ছাত্ৰই এই বিশ্ববিদ্যালয়ৰপৰা শিক্ষা লাভ কৰে।

এই তথ্যসমূহ পৰিবেশন কৰোঁতে মই ফিজিক্সৰ অধ্যাপকগৰাকীলৈ চাই আছিলো। তেওঁৰ সৈতে মিলিশ্যিয়াৰ লোক সকলৰ বিশেষ একো পাৰ্থক্য নেদেখিলোঁ। এই বিশ্ববিদ্যালয়ত, বেলকৈ ৰঙৰ পোছাক পিন্ধা বহুতো ডেকা-

গাভজ্ঞ আছিল। অধ্যাপকে কৈ আছিল "সাংস্কৃতিক বিপ্লৱৰ বহু আগৰেপৰাই চেয়াৰমেন মাও চে তুঙে কৈছিল, শিক্ষা-ব্যৱস্থাৰ আমূল পৰিবৰ্তন প্ৰয়োজন। সেই মান্ধাতাৰ আমোলৰ—ক্ষেমিৰ—ফিউডাল আমোলৰ চিন্তা-ভাৱনাৰ ঘিস্থলত সলনি হ'ল, সেই স্থলত শিক্ষাৰ সুঁতিও বেলেগ হ'ব লাগে। কিন্তু লিউ শাও চিএ সলাবলৈ নিবিচাৰে। তেওঁ সেই আগৰ ধ্যান-ধাৰণালৈ উভতি যাবলৈ বিচাৰে। তেওঁক ব্যক্তিগত সম্পত্তিৰ সংৰক্ষণ লাগে। চীনদেশত তেওঁ কম প্ৰভাৱশালী নহয়।

"গতিকে মাও চে তুঙে ছ'ছিয়েলিষ্ট দেশত ছাত্ৰ-ছাত্ৰীৰ শিক্ষা সম্পৰ্কে ভৱা গুণা কৰিও একো কৰিব পৰা নাছিল। মাও চে তুঙৰ পিছতেই লিউ শাও চি,—এওঁৰো যথেষ্ট প্ৰভাৱ।

"কিন্তু সাংস্কৃতিক বিপ্লৱৰ পাছতহে শিক্ষা ব্যৱস্থাৰ এই আমূল পৰিবৰ্তন সম্ভৱ হৈ উঠিল।

"আগতে বিশ্ববিদ্যালয়ৰ পৰিচালনা সংসদ আছিল প্ৰফেছৰ ভাইছ প্ৰফেছৰ সকলৰ দ্বাৰা গঠিত। মাও চে তুঙে কৈছিল শিক্ষা-ব্যৱস্থা কেৱল বুৰ্জোৱা ইনটেলেকচুৱেলইতৰ মুঠিত থাকিলে নহ'ব। ইয়াক সচল কৰি তুলিবলৈ হ'লে সকলোৰেপৰা সহযোগিতা পাব লাগিব। তাৰ পাছত ১৯৬৮ চনত আমি দুটা কমিটি পাতিলোঁ। এটা হ'ল চি পি চি ৰ (কমিউনিষ্ট পাৰ্টি অব চায়না) পাৰ্টি কমিটি, আনটো ৰেভলিউশ্যনাৰি কমিটি। এই দুয়োটা কমিটিতেই আছে ছাত্ৰ, শিক্ষক, কেডাৰ (কেৰাণী) আৰু শ্ৰমিক। এওলোক বিভিন্ন বয়সৰ মানুহ। আমি সেই কমিটিত থকা এগৰাকী এঞ্জিন ড্ৰাইভাৰৰ সৈতে চিনাকি হ'লোঁ।

ফিজিক্সৰ প্ৰফেছৰগৰাকী—এতিয়া আৰু প্ৰফেছৰ নহয়, শিক্ষক। এতিয়া সকলোৰেই শিক্ষক, ভেদাভেদ নাই—বেছ বয়সিয়াল মানুহ। মই ভাবিলো, ইমান বয়সিয়াল মানুহজনে এনেকুৱা পৰিবৰ্তন কেনেকৈ মানি ল'লে? আমাৰ ছিণ্ডিকেটত এগৰাকী এঞ্জিন ড্ৰাইভাৰ ল'লে কেনে-দেখে? এয়া জানো অত্যাচাৰ নহয়?

মই স্পষ্টভাৱেই সুধিলোঁ, "এই পৰিবৰ্তন মানি লোৱাত আপোনালোকৰ আপত্তি বা অসুবিধা হোৱা নাছিলনে? বিদ্ৰোহ হোৱা নাছিলনে?"

"কোনোবা কোনোবাৰ তে' হৈছিলেই, আনকি মোৰো হৈছিল। বহু তৰ্ক-বিতৰ্ক আলোচনা আদিৰ যোগেদি আমি বুজি পালোঁ যে এই পৰিৱৰ্তনৰ ফল ভালেই হ'ব। বহুতে এতিয়াও সন্দেহ কৰে।"

মই ক'লোঁ, "আপুনি—আপুনি ইমান বয়সত আপোনাৰ চিন্তাধাৰাক ইমানখিনি পৰিৱৰ্তন কৰিব পাৰিলে ?"

"চৌ এন লাইএ কৈছিল,' মানুহে তেওঁৰ মৃত্যুৰ এদিনৰ আগতো শিকিব পাৰে। জীয়াই থাকেমানে শিকিব পাৰে।"

"তেনেহ'লে মোৰো আশা আছে দেখোন।" মই ক'লোঁ।

সকলোৱে গিৰ্জনি মাৰি হাঁহিলে। ইমান হাঁহিউঠা কথা হ'ব বুলি মই ভবাই নাছিলোঁ। কিয়নো, অলপ লঘুভাৱে ক'লেও মোৰ মনৰ মাজত এই প্ৰশ্নটো আছিল যে—মই সহ্য কৰিব পাৰিলোহেঁতেননে, নে কিবা ফল হ'লহেঁতেন ?

মোৰ আকৌ সেই 'খেলাঘৰ' আৰু 'বাদু' নামৰ গাঁওখনৰ কথা মনত পৰিল। তাত মোৰ সৈতে খেতিয়ক এজনক চিনাকি কৰাই দি গাঁৱৰ এগৰাকী সজ্জনে কৈছিল, তেওঁ খেতি বাতি সম্বন্ধে বহু অভিজ্ঞ। কেতিয়া কি শস্যৰ খেতি কৰিব লাগিব কেনেকৈ কি কৰিব লাগিব সেইবোৰ বিষয়ত এওঁ সহায় কৰিব পাৰিব। মই ভাবি আছিলোঁ যে খেতিয়কজনৰ কাষতে বহি কোনো বিষয়ৰ আলোচনা, আনকি শিক্ষাগ্ৰহণ কৰিবলৈকো মোৰ আপত্তি হ'ব নোৱাৰে। কিয়নো, তেওঁৰ নিজৰ বিষয়ত তেওঁ মোক নিশ্চয় শিকাব পাৰে।

কিন্তু তেওঁক মই কমিটিৰ সভ্য পাতি কৰ্তৃত্ব দিয়াহেঁতেন কোনো সুফল নফলিলহেঁতেন। তেতিয়া শস্যৰ সৰহভাগেই তেওৰ ঘৰলৈ গ'লহেঁতেন।

যিকোনো প্ৰতিষ্ঠানত শিক্ষিত অশিক্ষিত সৰহভাগৰেই এই ব্যক্তিগত লোভৰ শিপা গভীৰলৈকে শিপাই গোটেই ভেটিটোকে লৰাই দিয়ে। চীনদেশত এইবোৰ পৰীক্ষা সফল হোৱাৰ কাৰণ হ'ল এয়ে যে, ইয়াৰ প্ৰাথমিক ভেটিবোৰ ঠিকমতে গঢ় দিয়া হৈছিল। আমি যদি হঠাতে মাজভাগৰপৰা কিম্বা এটা আমাৰ মনে খোৱা পথ বাছি লৈ অনুকৰণ কৰিবলৈ চেষ্টা কৰোঁ, সি হ'ব আমাৰ আগৰ বহু আন্দোলনৰ দৰেই নিষ্ফল কথা। এইবোৰ কথা মনতে

গুণা-গঁথা কৰি থাকোঁতেই মই কৈছিলোঁ যে, তেনেহ'লে মোৰো শিক্ষাৰ আশা এতিয়াও আছে।

এই কথাতে হাঁহিৰ জাউৰি উঠিল।

কিন্তু কথাটো আচলতে হাঁহিউঠা কথা নহয়। শিক্ষাক সৰ্বদিশ জোৰা কৰি তুলিবলৈ হ'লে সি জীৱন জোৰাও হ'ব লাগিব। ক্ৰমাত ভাবিব লাগিব, বুজিব লাগিব আৰু সময়োচিত ভাৱে পৰিৱৰ্তন ঘটাব লাগিব। মোৰ ভাব হৈছিল, মাও চে তুঙে যি অবিচ্ছিন্ন বিপ্লৱৰ (continuous revolution) কথা কৈছিল এয়েই চাগৈ সেই অবিচ্ছিন্ন বিপ্লৱ।

ইপিনে ফিজিক্সৰ অধ্যাপকে বিভিন্ন তথ্য পৰিবেশন কৰিয়েই আছিল "আমি ছাত্ৰ ভৰ্তি কৰাৰ ক্ষেত্ৰত শ্ৰমিকসকলৰ ল'ৰা ছোৱালীহঁতক আৰু যিসকলৰ কামৰ অভিজ্ঞতা আছে তেওঁলোকক প্ৰাধান্য দিওঁ। ছিনিয়ৰ মিডল স্কুলৰপৰা ওলাই আহি প্ৰতিজন ছাত্ৰ ছাত্ৰীয়ে এই কৰ্ম অভিজ্ঞতা আহৰণ কৰিবলৈ গাঁৱলৈ, বা ফেক্টৰিলৈ যাব লাগিব, বা সৈন্যসকলৰ ওচৰলৈ গৈ শিক্ষা ল'ব লাগিব। সম্ভৱতে হুৱা কুৱা ফেঙৰ একমাত্ৰ কন্যাই গাঁৱলৈ গৈ ন শিকাৰু হিচাপে কাম বন শিকি আছে।"

আমাৰ ইয়াত যেনেকৈ পিছপৰা শ্ৰেণীসমূহ—ছিডিউল কাস্ট বা সংখ্যালঘু সম্প্ৰদায়ৰ বাবে বিশেষ সুযোগ সুবিধাদি আছে, তাতো তেনেকৈ ধনী লোকৰ ল'ৰা ছোৱালীতকৈ শ্ৰমিকৰ ল'ৰা ছোৱালীৰ ভৰ্তিৰ ক্ষেত্ৰত বিশেষ সুযোগ আছে। কেপিটালিস্ট আৰু জমিদাৰসকলৰ ল'ৰা-ছোৱালীহঁত যদি ৰাজনৈতিক মতামতত উদাৰ হয় তেনেহ'লে সিহঁতেও তেনেকুৱা সুবিধা পায়।

মই অধ্যাপক গৰাকীক সুধিলোঁ, "জমিদাৰ বা কেপিটালিস্ট এতিয়া আৰু ক'ত আছে ?"

উত্তৰৰপৰা বুজিলোঁ যে জমিদাৰ কেপিটালিস্টহঁত সমূলঞ্চে উছন হোৱা নাই আৰু তেওঁলোকৰ উত্তৰাধিকাৰীসকলৰ মাজত কোনো কোনোৱা এতিয়াও যথেষ্ট আঢ্যৱন্ত।

অধ্যাপক গৰাকীয়ে আৰু ক'লে "আমি কালচাৰাল ৰেভলিউশ্বনৰ পাছত প্ৰধানকৈ যি পৰিৱৰ্তন কৰিব পাৰিছোঁ সি হ'ল এয়ে যে, আগতে বিদ্যালয়ত শিক্ষাৰ লৈতে সমাজৰ বিভিন্ন কৰ্মৰ যোগ নাছিল, এতিয়া যিখিনি শিকিছে

তৎক্ষণাৎ তাৰ ব্যৱহাৰো কৰিব পাৰিছে। মোৰ মনত পৰিল মিডল্স স্কুলৰ কেমিষ্ট্ৰিৰ ল'ৰাহঁতে মাটি আৰু সাৰ লৈ পৰীক্ষা চলাইছিল। সেই পৰীক্ষাৰ ফলাফল হেনো তেতিয়াই কৃষকসকললৈ পঠোৱা হ'ব আৰু তেওঁলোকেও সেই অনুসাৰে কাম কৰি তেওঁলোকৰ মন্তব্য দিব। ইয়েই 'অ'পেন ডোৰ' শিক্ষা। কেতিয়াবা কেতিয়াবা কৃষকসকলকো বিদ্যালয়ত বক্তৃতা দিবলৈ আমন্ত্ৰণ জনোৱা হয়। তাৰ ফলত ছাত্ৰ ছাত্ৰীয়ে সাধাৰণ মানুহক চিনিব জানিবলৈ সুযোগ পায়।'

এটা দৃষ্টান্ত উল্লেখ কৰিয়াই তেওঁ ক'লে "আমাৰ ছাত্ৰ ছাত্ৰীসকল কমিউনলৈ গৈ এনটিম'লজি অৰ্থাৎ কীটতত্ত্ব সম্পৰ্কে উৎসাহী হৈ উভতি আহিল আৰু এই বিষয়ত বিছাৰ্চত লাগি গ'ল। সিহঁতে চাই আহিছিল যে কৃষকসকলে যিবোৰ কীটনাশক ব্যৱহাৰ কৰে সেইবোৰ কীটনাশকেৰে নানাবিধ অনিষ্ট হয় আৰু আবহাৱা দূষিত হয়। এতিয়া সিহঁতে ৰিছাৰ্চ কৰি উপযুক্ত কীটনাশক তৈয়াৰ কৰিছে আৰু সেই কীটনাশক খেতি বাতিৰ কামত ব্যৱহাৰ কৰা হৈছে। বায়'লজিৰ শিক্ষক ফু চি লু-এ এই কামৰ দ্বাৰা বিশেষ খ্যাতি আৰ্জিলে।'

আমাৰ দেশৰ কৃষিৰ ক্ষেত্ৰত পোক পৰুৱাৰ উপদ্ৰৱ এক বিশেষ সৰ্বনশীয়া কাণ্ড। সোধাত তেওঁ কলে যে, ১৯৭৫ চনত ওলোৱা 'চায়না ৰিকনষ্ট্ৰাক্ট'ৰ ষষ্ঠ সংখ্যাত এই প্ৰবন্ধটো পোৱা যাব।

এইবোৰ কথা শুনি থাকোঁতে মনত পৰিল—কিমান যুগৰ আগতে ৰবীন্দ্ৰনাথে তেওঁৰ পুত্ৰ আৰু জোঁৱাইক কৃষিবিদ্যা শিকি আহিবলৈ আমেৰিকালৈ পঠিয়াইছিল। জোঁৱাই নগেন্দ্ৰনাথলৈ লিখা এখন চিঠি 'দেশ' পত্ৰিকাত ওলাইছিল। চিঠিখনৰ থূলমূল ভাবাৰ্থ হ'ল যিসকল নিৰন্ন কৃষকে আধাপেটীকৈ খাই তোমালোকক এই বিদ্যা শিকি আহিবলৈ পঠিয়ালে, তাৰ পৰা উভতি আহি যদি তেওঁলোকৰ মুখত এমুঠি অন্ন আগ বঢ়াই দিব পাৰা তেনেহ'লেহে তোমালোকৰ এই কাৰ্য্য সাৰ্থক হ'ব। আৰু তাকে কৰিব নোৱাৰিলে সি হ'ব অপৰাধ।—ক'টেশ্যনটো এতিয়া বিচাৰি পোৱা নাই, কিন্তু বক্তব্যটো মনত আছে। সম্ভৱত ৰবীন্দ্ৰনাথেও ভিতৰি ভিতৰি বুজি পাইছিল যে এওঁলোকে সেই আশা সফল নকৰিব। কৰা নাছিলো। চীনদেশে

এতিয়া যি কৈছে সেই কথা আমাৰ দেশে বহু আগতেই চিন্তা কৰা নাছিলনে ?

অধ্যাপক গৰাকীয়ে কৈ আছিল "শিক্ষা, বিজ্ঞান চৰ্চা আৰু উৎপাদন—এই তিনিওটা কামে হাত ধৰাধৰিকৈ আগ বাঢে। শিক্ষা মাথোন কিতাপৰ পাততে মুখ গুজি পৰি নাথাকে।"

মই তেতিয়া ভাবি আছিলোঁ কোন সেই তাহানিতে—পৌৰাণিক কালত কোৱা হৈছিল

পুস্তকস্থা যা বিদ্যা পৰহস্ত গতং ধনম্।
কাৰ্য্যকালে সমুৎপন্নে ন সা বিদ্যা ন তদ্ধনম॥

এসময়ত বিদ্যাই মানুহক প্ৰকৃতিৰপৰা, আন মানুহৰপৰা আঁতৰাই লব পৰা নাছিল—যিমান বিজ্ঞানৰ উন্নতিৰ লগে লগে আৰু শিল্পৰ প্ৰসাৰৰ লগে লগে ঘটিছে। মোৰ বি এ পাচ দেদাইদেৱে হেলাৰঙে এজোপা বিৰাট গছ ফালিব পাৰিছিল—এতিয়াৰ বিলাতী স্কুলত পঢ়ি থকা ল'ৰা এজনৰ মানত যি কল্পনাতীত।

ইইতৰ 'মাছ ল' নষ্ট হৈ গ'ল।

তৰে পাছত ক'বলৈ থিয় হ'ল অধ্যাপক ওৱাং চি শ্বিএ। তেওঁ চীনা ভাষাৰ শিক্ষক।

তেওঁ ক'লে "আমি শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্তন ঘটালোঁ। তাৰ বাহিৰা আৰু আভ্যন্তৰিক পৰিবৰ্তন ঘটিল।"

মই ভাবিলোঁ, আকৌ সেই খেতি-বাতি কৃষক শ্ৰমিক উৎপাদন—এইবোৰহে ক'ব। সেয়েহে ততাতৈয়াকৈ সুধিলোঁ, "কায়িক শ্ৰম আৰু মানসিক শ্ৰম—এই দুটাৰ সংযোগ ঘটোৱাৰ বাহিৰে আৰু কি কৰা হৈছে ?"

কিয়নো, ক্ৰমাগতভাৱে 'three ın one'অৰ তত্ত্ব শুনি শুনি মই অলপ ভাগৰি পৰিছিলোঁ। 'Three ın one' হ'ল শিকা, তাৰ প্ৰয়োগ আৰু উৎপাদন—এই তিনিওটাৰ সমন্বয়।

ওৱাং চি শ্বিএ আমাক বিস্মিত কৰি ক'লে, "আমি এতিয়া আৰু আমাৰ ছাত্ৰ-ছাত্ৰীসকলক শত্ৰু বুলি নাভাবোঁ।"

এইবাৰ আমাৰ হাঁহাৰ পাল।

যি কি নহওক, ভাবি চালোঁ—আমাৰ ইয়াত আজিকালি ছাত্ৰ-শিক্ষকৰ সম্পৰ্কক দুটা যুদ্ধ শিবিৰত অৱস্থিত সন্মুখসমৰত অৱতীৰ্ণ দুটা শত্ৰুদলৰ বাহিৰে আৰুনো কি বুলি ভাবিব পৰা যায় ? পৌৰাণিক কালত গুৰু-শিষ্যৰ মধুৰ সম্পৰ্কৰ কথা আমি অনেক শুনিলোঁ, , কিন্তু মহাভাৰতৰ আৰুণি আৰু উদ্দালকৰ কথা মনত আছিলে সেই কথা ভাবিব পাৰিনে ? কত ধৰণৰ পৰীক্ষাত অৱশেষত শিষ্যক অন্ধ কৰি পেলাই তাৰ পাছতহে শান্তি হ'ল। আৰু গুৰুপত্নীৰ কুণ্ডল আনিবলৈ গৈ কি যে বিপত্তি!

এই চীনদেশতো অৱস্থা তেনেকুৱাই আছিল। এতিয়া ব্যৱস্থাৰ পৰিবৰ্তন ঘটাওঁতে অনেক বাধা-বিপত্তি সহ্য কৰিবলগীয়া হৈছে।

অধ্যাপক গৰাকীয়ে কৈছিল "বিষয় নিৰ্বাচনতো আমি ছাত্ৰসকলৰ লৈতে পৰামৰ্শ কৰোঁ। এতিয়া সকলো বিদ্যালয়ত দৈহিক শাস্তি বন্ধ। আৰু প্ৰশ্নপত্ৰৰ যোগেদি অবিবেচনা প্ৰকাশ কৰি বা আন কোনো উপায়েৰেই আমি ছাত্ৰ-ছাত্ৰীসকলক বিমোৰত পেলাবলৈ চেষ্টা নকৰোঁ।

আমি সুধিলোঁ, "এইবোৰ পৰিবৰ্তনৰ ফলত শিক্ষকসকল উৎসাহী হৈছেনে ?"

তেওঁ ক'লে, "আগৰ দিনৰ শিক্ষকসকল সকলোৱেই আছে। আলাপ আলোচনা কৰি তেওঁলোকেও বুজিছে, বৰ্তমান নীতিয়েই সৰ্বাংগীণ মংগল সাধিব। এওঁলোকৰ উপৰিও সৈনিক, শ্ৰমিক আৰু কৃষকসকলৰ মাজৰপৰা নতুন শিক্ষক আহিছে। বায়'লজি ডিপাৰ্টমেণ্টত আমাৰ এগৰাকী কৃষক শিক্ষক আছে, তেওঁ বীজৰ বাছনিত অতি দক্ষ। এই ইউনিভাৰ্ছিটিয়ে শিক্ষা বিষয়টোক বিভিন্ন উপায়েৰে আগ বঢাই লৈ যাবলৈ ধৰিছে। নিয়মিত ক্লাছ আৰু চিঠিপত্ৰৰ যোগেদি ক্লাছ আৰু সংক্ষিপ্ত (short term) ক'ছ্ৰ বাহিৰেও আমাৰ অধ্যাপকসকলে প্ৰায় চলিছথন শ্ৰমিক আৰু কৃষকসকলৰ বিদ্যালয়ত শিক্ষাদান কৰে। বহুতো কম বয়স্ক কৃষক আৰু শ্ৰমিকে বিশ্ববিদ্যালয়ত পঢ়িবলৈ বিচাৰে আৰু উচ্চশিক্ষাত আগ্ৰহী হয়। তাৰবাবে তেওঁলোকৰ নিজা নিজা কাৰখানা আৰু কমিউনতে শিকাৰ বন্দবস্ত আছে—আমি তালৈ গৈ পঢাওঁ। তেওঁলোকৰ জ্ঞানস্পৃহা একমাত্ৰ এই উপায়েৰেহে পূৰ্ণ কৰিব পাৰি। ইয়াকেই চেয়াৰমেন মাও চে তুঙে 'দুয়োখন

ভৰিবে' কাম কৰা বুলি কৈছে। এটা হ'ল কাম কৰি থাকোঁতে পঢ়া আৰু এটা হ'ল ওপৰঞ্চি ক্লাছ লোৱা।"

ভদ্ৰলোকে কৈ থাকিল "শিক্ষাক্ষেত্ৰত বৈপ্লৱিক পৰিবৰ্তন ঘটোৱা হৈছে, যদিও এতিয়াও বহু কাম কৰিবলগীয়া আছে। বহুতো ভঙা-গঢ়া চলি আছে, বহুতো প্ৰশ্নৰ সমাধান আজিও নহ'ল। ইউনিভাৰ্ছিটিত তিনিৰপৰা চাৰে তিনি বছৰলৈ পঢ়িব লাগে, তাৰ পাছত কিছুদিনৰ বাবে বাহিৰত কাম কৰিব লাগে। ১৯৫৫ চনলৈকে ডিগ্ৰি দিয়াৰ ব্যৱস্থা আছিল। কোনোৱে বি এ, কোনো কোনোৱে এম এ, থেনোৱে ডক্টৰেটো পাইছিল। ১৯৫৮ চনৰপৰা ডিগ্ৰি উঠাই দিয়া হ'ল, এতিয়া সেইবোৰ একো নাই। যেনেকৈ সৈন্যসকলৰ rank নাই— কোন কেপ্টেইন, কোন কৰ্নেল বুজা টান। বিদ্যাৰ ক্ষেত্ৰতো এম এ কোন ডক্টৰ কোন বুজাৰ উপায় নাই।

আমি সুধিলো, 'ডিগ্ৰি কিয় উঠাই দিয়া হ'ল বুজিলো বাৰু—কিন্তু পাছ ফেইলো নাইনে ?'

"বিশেষ একো নাই। এটা বিশেষ সময়ত পৰীক্ষা লোৱা হয়—সিদিনা কাৰোবাৰ হয়তো শৰীৰ অসুস্থ, কাৰোবাৰ মানসিক অৱস্থা ভাল নহয়, ঘৰত হয়তো কিবা বিপদ হৈছে, অথচ এই পাছ কৰালৈ ইমানেই আকৰ্ষণ যে ফেইল কৰিলে কোনো কোনোৱে আত্মহত্যাও কৰিছিল। অথচ এই পাছ-ফেইলত গুৰুত্ব দিবলগীয়া কি আছে ?

মোৰ দৃঢ়বিশ্বাস হ'ল, এওঁলোকে ছাত্ৰ ছাত্ৰীক সঁচাযে শত্ৰু বুলি নাভাৱে। ছাত্ৰজীৱনত পৰীক্ষা যে কি এক ভয়ংকৰ কাল! দিনে-নিশাই পঢ়া পঢ়া আৰু পঢ়া—ভয়, আতংক—তাৰ পাছত আজিকালি আকৌ আগতীয়াকৈ প্ৰশ্নপত্ৰ বিচাৰি ঘূৰি ফুৰিব লাগে। শিক্ষা তো হোৱা নায়েই, নৈতিক ভ্ৰষ্টতাৰো চূড়ান্ত পৰিণতি হৈছে। দোষ জাপিম কাৰ ওপৰত ? য'ত পৰীক্ষা পাছ কৰাৰ ওপৰত সকলো কথা নিৰ্ভৰশীল—জীৱিকা, মান সন্মান, আনকি বিয়া-বাৰুও, সেইথন দেশত পাছ কৰিবলৈ 'যেন তেন প্ৰকাৰেণ' কাৰ্য্যসিদ্ধিৰ বাট ল'ৱাইতে আৰু অভিভাৱকসকলে বিচাৰি উলিয়ালে আচৰিত হ'বলগীয়া কি আছে ?

মই সবিস্ময়ে সুধিলোঁ, "এই বিশ্ববিদ্যালয়ৰ পাঠ সাং কৰি যাওঁতে আপোনালোকে ছাত্র-ছাত্রীক কিবা প্রমাণপত্র টত্র কিবা নিদিয়ে জানো ?"

উত্তৰত কোৱা হ'ল যে ডিপ্ল'মা বা ছাৰ্টিফিকেট জাতীয় কিবা-এটা ছাত্র-ছাত্রী সকলক দিয়া হয়।

"সেইখননো তেওঁলোকৰ কি কামত লাগে ?"

'ছাত্র-ছাত্রীসকলে স্মৃতি-চিন হিচাপে (Souvenir) থৈ দিয়ে। চাকৰি পোৱাৰ ক্ষেত্রত সেইবিলাকৰ কোনো দৰকাৰেই নাই। সঁচাকৈয়ে কোনে কিমান লিখা পঢ়া শিকিলে কামৰ মাধ্যমেৰেই সেই কথাৰ বুজ ল'ব পাৰি। কিয়নো, হাতে কলমে কাম কৰাৰ পাছত তেওঁলোকে থিছিছ দাখিল কৰিবলগীয়া হয়। সেই থিছিছৰ মাজেদিয়েই বিদ্যা-বুদ্ধিৰ প্রকৃত পৰিচয় ওলাই পৰে।'

সঁচা কথা, পৰীক্ষা লৈ আমি জীৱনৰ এছোৱা কালত বলিয়া হোৱাৰ দৰে হওঁ, কিন্তু তাৰে পৰৱৰ্তী জীৱনত কিবা যোগ্যতাৰ পৰিচয় দাঙি ধৰিব পাৰোঁনে ?

মোৰ দেউতা বিশ্ববিখ্যাত দাৰ্শনিক সুৰেন্দ্রনাথ দাশগুপ্ত স্কুল কলেজত কেতিয়াও ভাল ছাত্র নাছিল। কোনো দিনে স্টেণ্ডো কৰা নাছিল। তেওঁ প্রায়েই কৈছিল, 'মোৰে সৈতে পঢ়া ফাৰ্স্ট হোৱা, গ ল্ড মেডেল পোৱা ল'ৰাইত আজি ক'ত আছে ?"

মই লীক ক'লো, "কিছুদিনৰ আগতে মোৰ স্বামীয়ে তেওৰ আলমাৰিৰ বয় বস্তু থানথিত লগাওঁতে, কেতবোৰ অলাগতিয়াল কাগজপাতি পেলাই দিছিল। সেই অলাগতিয়াল কাগজপত্রৰ মাজত এমুৱা পাৰ্চমেণ্ট কাগজ দেখা পাই কাগজখিনা খুলি চালোঁ। সেইখন আছিল তেওঁৰ ডক্টৰেট ডিগ্রিৰ মানপত্র।

মই আচৰিত হৈ ক'লোঁ, 'এইখন পেলাই দিছা যে।'

তেওঁ হাঁহি মাৰি ক'লে 'সেইখননো মোৰ আৰু কি কামত লাগিব ?'

ডিগ্রি সঁচায়েই পদ গৌৰৱ, জাকজমকীয়া উপাধি—এইবোৰ বৰ কম দিনৰ বাবেহে মানুহৰ কামত লাগে, স্থায়ী বস্তু হ'ল মানুহৰ কৰ্ম আৰু চৰিত্ৰ।"

যি কি নহওক, লীএ অনুযোগ কৰি ক'লে যে—এই গল্পটো মই সভাস্থলীতে নক'লোঁ কিয়।

চৌৱে ক'লে, "আগৰ দিনত যেনেকৈ শিক্ষা দান কৰা হৈছিল তাত শিক্ষাৰ

আনন্দ প্ৰায় নাছিলেই। চোৰা, মই ফিজিক্স-কেমিষ্ট্ৰি সকলো পঢ়িছিলোঁ। কিন্তু সেয়া আছিল গিলি আহি বঁতিয়াই দিয়াৰ দৰে। সেইবোৰ সকলো পাহৰিলোঁ। সেই বিদ্যা অতি কমেইহে মোৰ কামত আহিছে।"

চীনদেশৰ পঢ়াশালিত চেকনিৰূপ ঔষধিৰ বন্দৱস্ত বোধ হয় বাৰুকৈয়ে আছিল। কালচাৰাল ৰেভলিউশ্যনৰ ছেগতে ল'ৰাইতেও তাৰ অলপ হোৰ নোতোলা নহয়। কালচাৰাল ৰেভলিউশ্যনৰ প্ৰসংগত সেই কথাৰ বিস্তাৰিত আলোচনা কৰিবলৈ চেষ্টা কৰিম।

হল ঘৰৰপৰা ওলাই আহি আমি ঘূৰি ফুৰি লাইব্ৰেৰি চাবলৈ গ'লোঁ আৰু গৈ থাকোঁতে অলপ ব্যক্তিগত আলোচনা কৰাৰ সুবিধা ওলাল। এওঁ দৰ্শনৰ অধ্যাপক। এওঁক সুধি জানিলোঁ, এওঁ ভাৰতীয় দৰ্শন সম্বন্ধে ৰাধাকৃষ্ণণৰ গ্ৰন্থ পঢ়িছে, দাশগুপ্তৰ গ্ৰন্থ পঢ়া নাই। লাইব্ৰেৰি চোৱাৰ পাছত আমি এটা ক্লাছত সোমালোঁগৈ। ছাত্ৰ-ছাত্ৰীসকলে বেঞ্চি এৰি দিলে। আমিয়েই ছাত্ৰ-ছাত্ৰী হৈ বহিলোঁ।

ক্লাছত তেতিয়া চীনৰ প্ৰাচীন সাহিত্য পঢ়োৱা হৈছিল। এগৰাকী কবিৰ কবিতা আৰু জীৱন—নাম সম্ভৱতে চ্যু ৱান (নহ'বও পাৰে)। এওঁ খ্ৰিষ্টপূৰ্ব ৩৪০ চনত জন্মগ্ৰহণ কৰিছিল। এই কালছোৱাত তেওঁ দাসত্ব-প্ৰথাৰ বিৰুদ্ধে লিখিছিল। মোৰ মনত পৰিল স্পাৰ্টাকাছৰ কথা। ইয়াত অন্যান্য লিখকসকলৰ সৈতে এই কবিজনাৰ চিন্তাৰ সাৰবত্তাৰ তুলনা কৰা বুলি বোধ হ'ল মোৰ। এওঁৰ চিন্তা ইমান আগ বঢ়া আছিল বুলিয়েই এওঁ কালজয়ী। কোনো এগৰাকী ৰুছ লেখকেও এওঁৰ বিষয়ে কিবা লিখিছিল বুলি কৈছিল। আমি আগ শাৰীতে বহি আছিলো, কিন্তু শিক্ষক এগৰাকীয়ে পোনতে এবাৰ আদৰণি জনায়েই আমাৰ পিনে আৰু মন-কাণ নিদিয়াকৈয়েই যেন পঢ়ুৱাবলৈ ধৰিলে। 'যেন' বুলিছোঁ এই কাৰণে যে এনেকুৱা কেতবোৰ আচহুৱা প্ৰাণী চকুৰ আগত বহি থাকিলে কোনোবাই পাহৰি যাব পাৰে বুলি মই ভাবিব নোৱাৰোঁ।

তেওঁ কৈ আছিল আমি প্ৰথমেই তেওঁৰ প্ৰগতিশীল চিন্তাৰ কথা ভাবিছোঁ, তাৰ পাছত তেওঁৰ সাহিত্যিক উৎকৰ্ষতাৰ কথা। তেওঁৰ কবিত্বশক্তি আৰু কল্পনাশক্তি দুয়োটাই আছিল মনোমোহা। তেওঁ আৰু এটি

আচৰিত কাম কৰিছিল। ৱাছিকেল ভাষাৰ দুৰ্বোধ্য বেহু ভেদ কৰি—তেওঁ লোক-ভাষাৰ ধাৰাক প্ৰবহমান কৰি তুলিছিল। তেওঁ তেওঁৰ চাৰিওকাষৰ সামাজিক চিত্ৰ এক ঐশ্বৰ্য্যময় কল্পনা আৰু সৌন্দৰ্য্যেৰে ভৰাই তুলিছিল।”

এইখিনিত এটা কথা বিস্ময়ৰে সৈতে মোৰ মনত পৰিল। পৃথিৱীত যিসকলে প্ৰথা-সংস্কাৰৰ হেঙাৰ ভাঙি, সমাজৰ নিয়মৰ অচলায়তন ভাঙি আগ বঢ়ি যায়—তেওঁলোকৰ দেশ-কাল যিয়েই নহওক, তেওঁলোকৰ মাজত চিন্তাধাৰাৰ ঐক্য দেখা যায়। পৃথিৱীৰ প্ৰথমজন বিপ্লৱী শাক্যসিংহ গৌতম বুদ্ধই লোক-ভাষাকে বাছি লৈছিল। তেওঁ নাস্তিক। তেওঁ জাতিভেদৰ প্ৰাচীৰ ভাঙি দিলে। নতুন দাৰ্শনিক মত প্ৰচাৰ কৰিলে। তেৰেঁই লোক-ভাষাক তেওঁৰ ভাৱ-স্ৰোতৰ যোগ্য ধাৰক বুলি ভাবিছিল।

তাৰ পাছত, এই যুগত কথ্যভাষাৰ প্ৰচলন কৰিবলৈ আগ বাঢ়ি আহিল বীৰবল আৰু ৰবীন্দ্ৰনাথ। 'সবুজপত্ৰ'ত তেওঁলোকে আৰম্ভ কৰিলে তেওঁলোকৰ অভিযান। এই বিষয়ে বীৰবলেই আছিল বাটকটীয়া। ৰবীন্দ্ৰনাথ সহজেই এই অভিযানৰ মূল্যায়ন কৰিবলৈ সক্ষম হ'ল। সেইবাবে তেওঁৰ নিন্দাও বাঢ়িল। কোনো কোনোৱে ক'লে, ছে, শহুৰলা জোৱাইৰ জপাত সোমাব পায়নে? জোঁৱাইক অনুকৰণ কৰিব লাগেনে?

লাইব্ৰেৰি চাই থাকোঁতেই মই প্ৰশ্নপত্ৰ আৰু পৰীক্ষা সম্বন্ধে বহু কথা সুধিবলৈ ধৰিলোঁ 'মুকলি প্ৰশ্ন' বুলিলে কি বুজা যায়? শিক্ষকসকলে প্ৰশ্নপত্ৰ লিখি দিয়ে—ছাত্ৰ-ছাত্ৰীসকলে কিতাপ চাই মেলি উত্তৰ লিখিব পাৰে। সেই কিতাপ অৱশ্যেই পাঠ্যপুথি, ন'ট বা সাৰথি নহয়। সাহিত্য আৰু কলা-বিষয়ক ছাত্ৰইতে প্ৰবন্ধ লিখে—সেই প্ৰবন্ধ লৈ সকলোৱে মিলি আলোচনা কৰে। ছাত্ৰসকলৰ মাজত আলোচনা চলিয়েই থাকে। নম্বৰ দিয়াৰ ৰীতি আৰু নাই, মাথোন মন্তব্যহে লিখা হয়। বিদ্যালয় এৰি গুচি যোৱাৰ আগতে প্ৰতিবেদন দাখিল কৰিব লাগে।

আমাৰ দেশত এই ব্যৱস্থাৰ প্ৰচলন কৰিবলৈ হলে খোজেপতি উজুটি খাব লাগিব। কিয়নো, এই ব্যৱস্থা সমগ্ৰ সমাজ-ব্যৱস্থাৰ সৈতে জড়িত। য'ত ব্যক্তিগত ব্যৱসায়, যেনে—সহায়িকা সাৰথি, মেডইজি আদি ইচ্ছামতে ছপাব পাৰি, তাত এই ব্যৱস্থা চলিব কেনেকৈ? কেনেকৈ প্ৰচলিত হ'ব?

এইবোৰ কথা শুনি ফটো তুলিবলৈ খেল-পথাৰৰ ফালে আগ বাঢ়িলোঁ। তাত 'বুৰ্জোৱা ডেমক্ৰেটিক ৰেভলিউশ্যনাৰি' ছান ইয়াৎ সেনৰ প্ৰস্তৰমূৰ্তিৰ আগত থিয় হৈ ফটো তোলা হ'ল। আমি-আটাইকেইজনেই আছিলোঁ, কেৱল লী নাছিল। সি কোনোপধ্যে ফটোত উঠিব নোখোজে। এই কথাত তাৰ লৈতে মোৰ মনোমালিন্য হ'ল। আমি নিজৰ ফটো তোলাবলৈ ইয়ালৈ আহিছোঁ, নে ইয়াৰ ফটো লৈ যাবলৈ আহিছোঁ? আমাৰ মাজত এজনো ফটো তুলিবপৰা মানুহ নথকাত মস্কিলত পৰিছো, মনে খোৱা ফটো তুলিব নোৱাৰিলোঁ। মোৰ ফটো তোলা সংক্ৰান্তত বিপৰ্য্যয়ৰ কথা আগতে উনুকিয়াই অহা হৈছে। আৰু বিখ্যাত লিখিকা হানস্যুৱানৰ লৈতে মোক হান স্যুৱানৰ চকীৰ বাহুত বহুৱাই বহু কায়দা কৰি দীনেশে তুলিছিল। তাৰো সদ্গতি নহ'ল। যিবোৰ বস্তু আৰু কাহানিও পোৱা নাযাব, সেইবোৰ সামান্য হ'লেও তাৰ বাবে মনটো উৰুঙা উৰুঙ যেন লাগে।

শিক্ষাৰ্থী বিষয়ে কৈ থাকোঁতে ছিজিয়াচুৱাঙৰ মিডল স্কুলৰপৰা একেজাপে কেণ্টন শেষ দিনটোলৈ আহিলো, গতিকে আমি আকৌ ১০ নম্বৰৰ মিডল স্কুলথনলৈ উভতি যাম—তাৰ কথাও আৰু অলপ ক'বলৈ থাকি গ'ল।

স্কুল আৰু ওৱাৰ্কশ্বপসমূহ চোৱাৰ পাছত বিৰাট খেল পথাৰ পাৰ হৈ আমি জিমনেছিয়ামলৈ গ'লোঁ। বিৰাট ফুটবল খেলাৰ পথাৰ। ঘূৰি ঘূৰি স্কুল পৰিদৰ্শন, খেল পথাৰ পাৰ হোৱা—এই আটাইবোৰ কামেই মোৰ পক্ষে ক'বলৈ গ'লে কষ্টকৰ হৈ উঠিছিল। চেঁচা বতাহ, ভৰিৰ বিষ—সকলো মিলাই তেতিয়া অলপ জিৰণি ল'বলৈহে মন। জিমনেছিয়ামত বহিলোঁ। স্কুলৰ বেঞ্চ আৰু মেজ আনি বহাৰ বন্দবস্ত কৰা হৈছে। প্ৰকাণ্ড টিনৰ আঠচুকীয়া ঘৰ। সৰু ডাঙৰ ল'ৰা ছোৱালীহঁতৰ জিমনাষ্টিক চাই ভালেই লাগিল। সকলো স্কুলতে জিমনাষ্টিক শিকাৰ সুবিধা আছে নে নাই নাজানো।

তাৰ পাছত আৰম্ভ হ'ল কালচাৰাল ফাংশ্যন। ভালোমান নৃত্য আৰু যন্ত্ৰ-সংগীতৰ অনুষ্ঠান হ'ল। যন্ত্ৰ সংগীতৰ বিশ্বভাষা বুজাত অসুবিধা তো একো নাই। উপভোগ্য কনছাৰ্টৰ মাজে মাজে বেলে। নৃত্যত ইঅ'ৰোপীয় ভংগীৰ লৈতে চীনা ভংগীৰ সংমিশ্ৰণ যে অতি সুন্দৰভাবে ঘটোৱা হৈছে সেই কথা

মরো বুজি পাওঁ। ইমান কণ কণ ল'ৰা-ছোৱালীহঁতৰ নাচ ৰব পাৰকেই বুলি বোধ হ'ল—ছন্দ লয় মান আৰু সৌন্দৰ্য্যত। জিমনাষ্টিকৰ এটি নৃত্য Chinese giant'অৰ নিদ্ৰাভংগ। এই জাগৰণৰ নৃত্য বেছ শক্তিশালী। এওঁলোকে ল'ৰা-ছোৱালীহঁতক বাছি বাছি আনিছে। কিয়নো, সাধাৰণতে স্কুলীয়া ছোৱালীহঁতৰ পুৰস্কাৰ-বিতৰণীৰ নাচ ইমান নিখুঁত নহয়। অংগ ভংগিমা আমাৰ লগত নিমিলে। একেবাৰে স্বকীয়া। আমাৰ মণিপুৰী নৃত্যৰ অংগ লালিত্যও নাই, আছে বেলেৰ উদ্দামতা।

এয়া গ'ল আংগিকৰ কথা। এতিয়া ফাংশ্বনৰ বিষয়বস্তুৰ কথালৈ অহা যাওক।

বিষয়বস্তু আটাইবোৰেই কৰ্ম সংক্ৰান্ত। আৰু মোৰ আটাইতকৈ বেয়া লাগিল যেতিয়া মাও চে তুঙৰ গীত জুৰিলে। গানৰ মাজত মাও চুশি—ই নো আৰু কি! কামু বিনে গীত নাই, ঠিক তেনেকৈয়েই মাও চে তুঙৰ গীত। মই আৰু বৎসলাই ঠাৰে-ঠিঁয়াৰে ক'লোঁ—নাচতো পলিটিক্স। কিয়নো, চীনদেশত তেতিয়ালৈকে আমাৰ এসপ্তাহো পাৰ হোৱা নাছিল—গতিকে, চীনদেশত মাও চে তুং যে এজন পলিটিশ্বয়ান মাত্ৰ নহয়, তেওঁ যে সেই দেশৰ ল'ৰা-বুঢ়া ডেকা গাভৰুৰ হিয়া-মন জুৰি আছে সেই কথাটো আমি বুজিব পৰা নাছিলো। চীনদেশত তেওঁ কামুৱেই। যি কি নহওক, তেতিয়া মাও চে তুঙৰ নামত ৰচা গীত মোৰ মনত অলপ উপহাস্য বোধ হৈছিল, যদিও কামুৰ তুলনাটো মনলৈ আহিছিল বোধকৰোঁ তাৰ আগতে অনুষ্ঠিত হোৱা নাচটো চাই—গুৱালনীহঁতৰ গাই খীৰোৱা নাচ। বাল্‌টি হতেত লৈ নাচি নাচি গাই খীৰোৱাৰ দৃশ্য চায়েই বোধকৰোঁ ঘোষৰ নন্দনৰ কথা মনলৈ আহিছিল।

যি হওক, মই সম্ভৱত লীক কৈছিলোঁ, "তোমালোকৰ সকলো কথাত কাম। নাচৰ মাজতো গাখীৰ খীৰণ।"

তেতিয়া লীএ ক'লে, "সকলো কামতে সৌন্দৰ্য্য আছে। গাই খীৰোৱাৰ মাজত জানো সৌন্দৰ্য্য নাই?"

কথাবাৰ কোৱা মাত্ৰেই 'ডাকঘৰ'ৰ সেই আশ্চৰ্য্য কথাফাকি মনত পৰিল। দৈৱলাই অমলক কৈছে যে, দৈ বেচাত যে কিমান আনন্দ সেই কথা অমলেই তাক বুজালে। সাধাৰণ দৈনন্দিন কাম, তাৰ মাজতো চলিছে ৰূপৰ লীলা।

সেই লীলা চাব পৰা দৃষ্টি লাভ কৰোঁ যেতিয়া—তেতিয়াইহে আমি বাস্তৱৰ মাজত থাকিও তাৰ বাস্তৱতাৰ গণ্ডি চেৰাই যাব পাৰোঁ। তেতিয়াই 'মাথোঁ দিন যাপনৰ প্ৰাণ ধাৰণৰ গ্লানি' দূৰ হয়, আৰু তেতিয়াইহে 'সীমাৰ মাজত অসীম তুমি বজোৱা আপোন সুৰ, মোৰ মাজতে তোমাৰ প্ৰকাশ সেয়েহে ইমান মধুৰ'—এই গানৰ অৰ্থ বুজিব পাৰি।

১২ ডিচেম্বৰৰ আগবেলা আমি ছিজিয়াচুৱাঙৰ উপকণ্ঠত এটা সূতাকল চাবলৈ ওলালোঁ। মই দেশ-বিদেশত বহুতো কল কাৰখানা দেখিছোঁ, সৰহভাগেই লৰৰপাতিৰ। আৰু কুইনাইন কাৰখানাৰ মাজতে তো প্ৰায় বাইছ বছৰ উকলিল।

যিমানদূৰ মনত পৰে, কলিকতাৰ কাষৰে কোনোবা ঠাইত এটা কাপোৰ আৰু সূতাৰ কল চাবলৈ গৈছিলোঁ। সেয়া বহুদিনৰ আগৰ কথা। সেই 'চাবলৈ' যাওঁতে দৃশ্যগোচৰ বস্তুৰ মাজত কাৰখানাৰ মালিকৰ ঘৰৰ আহাৰ্য্য বস্তুৰ কথাহে মনত আছে, আৰু একো মনত নাই। পাঠকে এই কথাৰপৰাই বুজ ল'ব পাৰিব যে মোৰ কল কাৰখানা পৰিদৰ্শনৰ উৎসাহ কিমান। আৰু দেশত যেতিয়া আহমেদাবাদৰ এটা কাপোৰৰ কলও নেদেখিলোঁ তেতিয়া ইয়াত তুলনা কৰোঁ কিহৰ সৈতে?

এই প্ৰসংগত এটা কথাৰ স্পষ্টীকৰণ ভাল হ'ব যেন পাওঁ।

আমাৰ দেশৰ সৈতে চীনৰ সমাজ-ব্যৱস্থাৰ তুলনা কৰাটো দৰাচলতে উচিত হয় নে নহয়। বহুতেই মোক কৈছে যে, তুলনা কৰাটো উচিত নহ'ব। কিয়নো, চীন এখন পৰিপূৰ্ণভাবে ছ'ছিয়েলিষ্ট দেশ। শ্ৰেণী-সংগ্ৰামৰ মাধ্যমেৰে তেওঁলোকে যি উন্নতি সাধিলে সেই উন্নতি ইয়াত কেনেকৈ সম্ভৱ? মই এই যুক্তি মানি ল'ব নোৱাৰোঁ। কিয়নো যিহেতু মোৰ দেশ মোৰেই নিজৰ দেহ-মন আৰু অংগ, যিহেতু মোৰ দেশ মোৰেই সত্তাৰ এটি অংশ, সেইহেতু যিবোৰক মই ভাল বুলি ভাবোঁ, গ্ৰহণযোগ্য বুলি ভাবোঁ তাৰ সৈতে তুলনা নকৰি পাৰোঁনে? ছোভিয়েত দেশ আৰু চীনৰ মাজত তুলনা কৰিলো মোৰ কি লাভ হ'ব? তেওঁলোকৰ উন্নতি-অৱনতিত মানুহ হিচাপে মোৰো হৰ্ষ-বিষাদ হ'ব পাৰে, কিন্তু নিজৰ দেশৰ সৈতে আমাৰ ব্যক্তিগত সুখ-দুখ যে জড়িত সেই কথা কেনেকৈনো পাহৰোঁ?

সেয়েহে, য'লৈকে নাযাওঁ কিয়, যদি কোনো উন্নতি বা সার্থকতা চকুত পৰে তেতিয়া দেহ-মন জুৰি এটি ধ্বনি বাজে, সেই ধ্বনিয়ে সোঁৱৰায় নিজৰেই অকৃতার্থতাক। আৰু এই কথাও মই নামানো যে, সকলোৰেই ঠিক একেটা পদ্ধতিৰেই সামাজিক সমন্বয় সাধিব লাগিব, নাইবা একেটা লক্ষ্যলৈ যোৱাৰ বেলেগ বেলেগ বাট নোলাব। লক্ষ্য যদি সুস্পষ্ট আৰু নির্দিষ্ট হয় তেন্তে নিজা নিজা দেশ আৰু জাতিৰ জীৱন আৰু মননৰ লৈতে সামঞ্জস্য বজায় ৰাখি আমি জানো পথ-নির্মাণ কৰিব নোৱাৰোঁ ?

লক্ষ্যটো নো কি ? বৰ বেছি জটিলতাৰে ভাৰাক্রান্ত নকৰি সহজভাবে যাও চে তুভৰ ভাষাৰে ক'ব পৰা যায় 'Give as much as you can, take as much as you need' নাইবা, উপনিষদৰ ভাষাত 'তেন ত্যক্তেন ভুঞ্জীথা মা গৃধ কস্য স্বিদ্ধনম্—' ত্যাগেৰেই ভোগ কৰা, লোভ নকৰিবা। কিয় লোভ নকৰিম ? ত্যাগেই বা কৰিম কিয় ? কিয় সাধ্যমতে শ্রমদান কৰিম আৰু প্রয়োজনৰ জোখাৰেহে মাথোন ল'ম ? কিয়নো, সেইজনেহে শেষ পুৰস্কাৰ পাব, যিজনে সমষ্টিৰ বাবে ত্যাগ কৰিব। এজন মানুহে যেতিয়া সমাজৰ বাবে শ্রম উৎসর্গ কৰিব—লুভীয়া পশুৰ দৰে নহয়, মানুহৰ দৰে আচৰণ কৰিব,—তেতিয়াইহে তেওঁ মনুষ্যত্বৰ শ্রেষ্ঠ পুৰস্কাৰ পাব। মানুহ সমাজবদ্ধ জীৱ, আন মানুহৰ সহায় নোহোৱাকৈ মানুহ মুহূর্তৰ বাবেও জীয়াই থাকিব নোৱাৰে, আন মানুহৰ ভাল বেয়াৰ লৈতে তেওঁৰ ভাল বেয়াখিনি অবিচ্ছিন্নভাবে জড়িত, গতিকে সমগ্র মানৱসমাজৰ মংগল-চেষ্টা তেওঁৰ পক্ষে অসম্ভৱ কর্ম নহয়।

থেনোৱে কয়, জোৰ কৰি নিনিলে মানুহে এধানমান বস্তুও এৰি নিদিয়ে—তাৰ বাবে লাগিব ৰক্তক্ষয়ী সংগ্রাম। কিন্তু সংগ্রামৰ বাহিৰে আন উপায়েৰে কোনোবাই সঁচা সঁচা কেতিয়াবা চেষ্টা কৰিছিল নে ? আৰু যিজনে সংগ্রাম কৰে, সুবিধা পালে তেৱেঁা দেখোন সংগ্রামৰ সুফল বোটলে। মানুহৰ মাজত মংগলৰ শ্রেয়ৰ আদর্শ নাই—এই কথা বিশ্বাস কৰিব নোৱাৰি। সংগ্রামতকৈ সদ্ভাবৰ ইচ্ছাটো ৰেই সত্যতৰ। সেয়েহে সকলোৱে মিলি দেশ গঠনৰ কামত দেহে-কেহে লাগি গ'লে সকলোৱেই তাৰ বাবে ত্যাগ কৰিব পাৰোঁ, যি ত্যাগ অন্ততঃ ফলবাহী।

সেই সকলোকে একেলগ কৰাৰ কামটোৱেই হ'ল নেতাৰ কাম।

'কটন' মিল চাবলৈ যোৱাৰ আগ মুহূৰ্ত্তত এইবোৰ কথা মনত পৰিছিল। কিয়নো, ইণ্ডাষ্ট্ৰিৰ ক্ষেত্ৰবোৰবাই আমি শ্ৰেণী সংগ্ৰামৰ সংগ্ৰামমুখিনতা আৰু উৎপাদনৰ সফলতা-বিফলতা দেখা পাওঁ। এখন দেশৰ উন্নতি উৎপাদনৰ সফলতাৰ ওপৰতহে নিৰ্ভৰশীল। আকৌ শ্ৰেণী-সংগ্ৰামৰ যুদ্ধক্ষেত্ৰও সেই একেটাই।

মই মোৰ মনৰ ভিতৰত এই বৈপৰীত্যক মিলাই চাবলৈ চেষ্টা কৰি আছিলোঁ। চৰকাৰী কাৰখানা মোৰ অধিক পৰিচিত তাত মালিক আৰু শ্ৰমিকৰ মাজত পাৰ্থক্য মাথোন পাৰিশ্ৰমিকৰ ক্ষেত্ৰত—শোষক আৰু শোষিত তাত নাই। কিন্তু তাতো বিৰুদ্ধতাই মূৰ দাঙি উঠে। সম্ভৱত পৰস্পৰৰ মাজত বুজাপৰাৰ অভাৱেই তাৰ কাৰণ। পূৰ্ণ সহযোগিতা হ'লে অসম্ভৱো সম্ভৱ হয়। সেই পূৰ্ণ সহযোগিতাৰ ৰসায়ন—দেশপ্ৰেম।

এই প্ৰসংগত এটা টেলিফোনত 'ক্ৰছ কানেকশ্যন'ৰ সংলাপ শুনক। দুজন উচ্চপদস্থ কৰ্মচাৰীৰ মাকইঁতৰ বিয়নী মেল

" তুমি দে থান আমাৰ ফালে একেবাৰে নহাই হ'লা।"

"গাড়িয়েই নাপাওঁ নহয়, পেট্ৰলৰ যিহে দাম!"

"কিনো কোৱা হে! তোমাৰ ল'ৰা ইমান ডাঙৰ একজিকিউটিভ—কেমিলিৰ বাবে গাড়ি নাপায় জানো?"

"নাপাব কিয়, পায়, পিছে পেট্ৰল তো কেৱল কামৰ বাবেহে।"

"হয়নে কি! মোৰ ল'ৰাই আকৌ টেক একেবাৰে ফুল কৰি ভৰাই লয়, তাৰ পাছত ইচ্ছামতে উঠি ফুৰা। পিছে মণ্ডা আজিকালি ওলাব নোৱৰা হৈছোঁ, তেওঁ প্ৰত্যেকদিনেই বৰ লেট কৰি ঘূৰি ল ওভতে। ফেক্টৰিত গণ্ডগোল চলিয়েই আছে—ইউনিয়নৰ কাণ্ড যে—। এতিয়া সিহঁতৰেই ৰাজত্ব বুইছা—খালী ইটো লাগে সিটো লাগে সিটো আৰু ইটো " ইত্যাদি।

যেন দুফালে দুখন যুদ্ধক্ষেত্ৰ। আৰু এই যুদ্ধক্ষেত্ৰ শোষক আৰু শোষিতৰ নহয় —দুখন লুব্ধ বাহুৰ।

আমি যি সূতাৰ কলটোত সোমালোঁগৈ তাৰো নাম নাই—নম্বৰ ছিজিয়াচুৰাওৰ এক নম্বৰ কল। তাতো এ কথবেই আদৰা হ'ল। 'চাৰিজনীয়া চক্ৰ'ৰ নিন্দা আৰু ডা কোটনিছৰ আন্তৰ্জাতিকতাৰ কথা কোৱা হ'ল। চীনৰ

এই অকৃত্রিম বন্ধুক কোনেও পাহৰি নাযায় সেই কথা, ড। বাসুৰ কথা ইত্যাদিও কোৱা হ'ল। তাৰ পাছত চাহ খোৱাৰ পৰ্ব আৰু লগে লগে কাৰখানাৰ তথ্য পৰিবেশন।

এই কাৰখানা ১৯৫৪ চনত প্ৰথম পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ কালত স্থাপিত হৈছিল। ক্ৰমে ক্ৰমে এওঁলোকে কাৰখানাৰ সকলো যন্ত্ৰপাতি নিজে নিজেই নিৰ্মাণ কৰিলে। এতিয়া এইটো এটা বিৰাট কাৰখানা। এতিয়া ইয়াৰ শতকৰা আঠাৰন গৰাকী কৰ্মীয়েই মহিলা। ইয়াত ৫৩ হাজাৰ টাকুৰী, এহাজাৰ তিনিশ পঞ্চাছখন তাঁত চলি আছে। কাৰখানাৰ সকলো যন্ত্ৰপাতি কৰ্মীসকলেই নিৰ্মাণ কৰি লৈছে। অৰ্থাৎ এই সূতাকলৰ কৰ্মীসকলে কেৱল সূতা তৈয়াৰ নকৰে, সূতাকলো নিৰ্মাণ কৰে। স্বয়ং নিৰ্ভৰতাৰ বিষয়টো প্ৰতিটো ক্ষেত্ৰত ব্যাপকভাৱে প্ৰয়োগ কৰা হৈছে।

কাৰখানাৰ বিবৰণ দিওঁতেই অভ্যৰ্থনাকাৰীবৃন্দই ৰাজনীতিৰো বকলা মেলিলে "লিউ শ্বাও চিএ ভাবিছিল, ব্যক্তিগত লাভৰ সুযোগ বঢ়ালে উৎপাদনৰো দ্ৰুত বৃদ্ধি হ'ব আৰু সুফল পোৱা যাব। আমি এই মত প্ৰত্যাখ্যান কৰিলোঁ। আমি মাও চে তুঙৰ পথকে সাৰোগত কৰিলো। শ্ৰেণী সংগ্ৰামৰ চেতনা লাগে, লাগে বৈপ্লৱিক চেতনা আৰু প্ৰলিটাৰিয়েটৰ ডিক্টেটৰশ্বিপ। সেয়েহে কৰ্মীবৃন্দই দায়িত্ব ল'লে আৰু মাও চে তুঙৰ আহ্বানত 'তা চিনৰপৰা শিক্ষা গ্ৰহণ কৰাঁ'লৈ সঁহাৰি জনালে।"

আগতে আমি তা-চাইৰ কথা উন্নুকিয়াই আহিছো। অনুৰ্বৰ অসাৰুৱা মাটি জনগণে কেনে অক্লান্ত শ্ৰমেৰে শস্যশ্যামলা কৰি তুলিছে—সেই কথা আগতেই কোৱা হ'ল। শিক্ষিত অশিক্ষিতসকলোৱে সকলো কামত হাত উজান দি, পৰস্পৰৰ সৈতে সহযোগিতা কৰি যি অপূৰ্ব সফলতাৰে অ ফলা তা চাইক সুজলা সুফলা কৰি তুলিছিল, সেই ঘটনা মাথোন শস্যলাভৰ ঘটনা নাছিল, আছিল এটা বৃহৎ আদৰ্শৰো সিদ্ধিলাভ। আদৰ্শটো আছিল এয়ে—

যিসকলে হাতে-কামে শ্ৰম কৰে তেওঁলোকক প্ৰাধান্য দিয়াঁ, স্বাধীনতা দিয়াঁ —তেওঁলোকে কোনো ফালৰেপৰাই নিকৃষ্ট নহয়।

কৃষি কৰ্মত জেনেকৈ তা চাই, বৃহৎ শিল্পতো তেনেকৈ তা-চিন হ'ল আহি। সেয়েহে মাও চে ভুৰ আহ্বান 'In industry learn from Ta-Chin'

তা-চিন হ'ল এখন তেল-পথাৰ। ইয়াত শ্ৰমিকসকলে যি অসাধাৰণ দক্ষতাৰে, বিশেষকৈ এজন শ্ৰমিকৰ নেতৃত্বত নাভূত-নাশ্ৰুত কৰ্মযজ্ঞ নিষ্পন্ন কৰিছিল, সেই বিষয় লৈ তোলা চলচ্চিত্ৰ আমি চালোঁ। এই সম্বন্ধে অলপ বহলাই ক'ব লাগিব।

কিন্তু তাৰ আগতে সূতাকলৰ ভ্ৰমণ-কাহিনী কৈ লওঁ।

এওঁলোকে আৰু ক'লে যে, সাংস্কৃতিক বিপ্লৱৰ আগতে এইটো এটা নগণ্য কাৰখানা আছিল। এতিয়া ইয়াত ছিনথেটিক সূতা তৈয়াৰ কৰা হৈছে আৰু উৎপাদন বাঢ়িছে আটে গুণ—উৎকৰ্ষতো বহু উন্নত হৈছে। প্ৰতিদিনেই এই কাৰখানাই উন্নতিৰ পথেদি আগবাঢ়ি গৈছে।

"যোৱা বছৰত আমি ছয়ত্ৰিছ দিনৰ আগতেই নিৰ্দিষ্ট্য লক্ষ্য পাইছিলোঁগৈ। এই বছৰত ছয়ষষ্ঠি দিনৰ আগতেই আমাৰ বছৰেকীয়া উৎপাদনৰ নিৰ্দিষ্ট কাম শেষ হ'ল। আমি কনফিউছিয়াছৰ সেই বচনফাকি নামানো—নিম্নশ্ৰেণীৰ মানুহসকল অজলা আৰু উচ্চশ্ৰেণীৰ লোকসকল জ্ঞানী। আমি শ্ৰমিকসকলকে নেতৃত্বভাৰ দিছোঁ। তেওঁলোকেও প্ৰাণপণে কাম কৰি আছে। কেডাৰসকলে অৰ্থাৎ কেৰাণীসকলে সময় বচাবলৈ ইলেকট্ৰনিক কম্পিউটাৰেৰে কাম কৰিছে। আমি 'সাধ্যানুসৰি দিয়াঁ, প্ৰয়োজনৰ জোখাৰে লোৱা' নীতিকে সাৰোগত কৰিছোঁ। টকাৰ বাবে কাম নহয়। এই প্ৰতিষ্ঠানৰ গৰাকী হোৱা, দাস নহ'বা। শ্ৰমিকসকলে ৰাতিৰ পৰতে পঢ়া শুনা কৰে—বিশেষকৈ মাৰ্কছ, লেনিন আৰু মাও চে তুং। সেয়েহে তেওঁলোকৰ চিন্তাশক্তি সুসংবদ্ধ, যুক্তি-নিৰ্ভৰ।

দৰমহা ইত্যাদিৰ বিষয়ত আগতে উল্লুকিয়াই অহাৰ দৰে। যিকোনো কাৰখানাত কাম কৰিবলৈ হ'লে বয়স কমেও সোতৰ বছৰ হব লাগিব। অৰ্থাৎ মিডল স্কুলৰ ডেওনা পাৰ হোৱাৰ বয়স।

সকলো সংবাদ সংগ্ৰহ আৰু আলোচনাৰ অন্তত আমি ফেক্টৰি চাবলৈ সোমালোঁ। ভালেই হ'ল। কিয়নো, ফেক্টৰিৰ ভিতৰত কোনো আলোচনা কৰা সম্ভৱ নহ'লহেঁতেন—ইমান প্ৰচণ্ড শব্দ। সোমাওঁতে আমাৰ মুখত বগা কাপোৰৰ মুখা পিন্ধাই দিয়া হ'ল। নহ'লে ধুনা তুলাৰ আঁহবোৰ নাকে-মুখে সোমাব

পাৰে। কোনো কোনোৱে কাণতো তুলা গুজি ল'লে। মই নল'লোঁ। ভাগ্যে কাণত তুলাৰ সোপা নিদিলোঁ মই। কিয়নো, মাও-পত্নী চিয়াং চিঙে হেনো এটা ফেক্টৰি পৰিদৰ্শন কৰিবলৈ গৈ কাণত তুলাৰ সোপা লোৱাত তেওঁক বৰ নিন্দা কৰা হৈছিল "ইচ্‌। ছ'ছিয়েলিস্ট দেশৰ জীয়ৰী—ফেক্টৰিৰ শব্দত কাণত দুখ পায়। বজাৰ জী আইদেউ আছিল।'

বিৰাট কাৰখানাৰ সকলো ঘূৰি ঘূৰি চোৱাটো মোৰ পক্ষে বৰ ক্লান্তিজনক। আন সকলোৱেই আগবাঢ়ি গৈছে, কেৱল আমাৰ দোভাষীসকলৰ কোনোবা নহয় কোনোবা এজনে মোক সহায় কৰিছে। এনেবোৰ সময়ত সেই গানটো মোৰ বৰকৈ মনত পৰে—'ক্লান্তি মোৰ ক্ষমা কৰা প্ৰভু, বাট বুলি বুলি পিছুৱাই পৰোঁ যদি ' পিছ পৰিলে বৰ আত্মগ্লানি হয়। শাৰীৰিক আৰু মানসিকভাৱেও।

এঠাইত দেখিলোঁ বগা কাগজ ওলমি আছে—কাগজত বহুতো কিবাকিবি লিখা আছে।

মই সুধিলোঁ, "এয়ানো কি, লী? কি লিখা আছে?'

লীএ ক'লে, "সমালোচনা।"

"কাৰ সমালোচনা?"

"তেওঁলোকৰ বৰমূৰীয়াজনৰ। ডিৰেক্টৰৰ সমালেচেনা কৰিছে।"

"অৰ্থাৎ সমালোচনা লিখি ওলোমাই থৈ নিশ্চিন্তে কাম কৰি আছে?"

মই শুনিলোঁ ই অতি স্বাভাৱিক কথা, সকলো'ত হয়। হেমাংগবাবুৰে লিখা চীনৰ অভিজ্ঞতাতো পঢ়িছিলো—তেওঁ তেতিয়া হস্পিতালত আছে। এদিন তেওঁৰ নাৰ্ছজনীৰ আঙুলিত বঙা চিয়াহীৰ দাগ দেখি, সুধি জানিলে যে নাৰ্ছজনীয়ে অলপ আগতেই এগৰাকী ডাঙৰ ডাক্তৰৰ বিষয়ে সমালোচনা লিখি আঁৰি থৈ আহিল। ডাঙৰ ডাক্তৰজন অতি ভদ্ৰ আৰু ভাল মানুহ। তেওঁ এই নাৰ্ছসকলৰ বৰমূৰীয়া।

হেমাংগবাবুৱে ডাক্তৰ ভদ্ৰলোকক সুধিলে, "আপোনাৰ নামত যে নিন্দাবাদ লিখা হৈছে, আপুনি জানেনে?"

তেওঁ ক'লে, "ওঁ, জানো।"

আৰু মোটামুটিকৈ স্বীকাৰ কৰিলে যে, অভিযোগসমূহ সঁচা। যিবোৰ বিষয়ত

সকলোৰে লৈতে পৰামৰ্শ কৰি কাম কৰা উচিত আছিল, সেইবোৰ বিষয়ত তেওঁ 'অট'ক্রেটিক'ভাৱে সিদ্ধান্ত লৈছিল।

মই দোভাষীজনক সুধিলোঁ, "সকলোতেই এইদৰে সমালোচনা লিখা হয়নে? ফেক্টৰি, কলেজত, ইউনিভাৰ্ছিটিত,আৰু অন্যান্য প্রতিষ্ঠানত?"

এই প্রশ্নৰ উত্তৰত কোৱা হ'ল যে, এওঁলোকে পৰস্পৰৰ কাৰ্য্যৰ সমালোচনা সকলোতে এইদৰে প'ষ্টাৰৰ যোগে ওলোমাই দিয়াৰ পাচত সেই কাম লৈ ব্যাপক আলোচনা আৰু আত্মসমালোচনা কৰা হয়। এওলোকে self-criticism অৰ কথা বৰকৈ কয়।

প'ষ্টাৰ কেইখনমান ওলোমাই দিয়াত বুজা গ'ল যে অভিযোগ আছে। কিন্তু গোটেই ফেক্টৰিটোৰ ক'তো অলপো বিশৃংখলা নাই। প্রত্যেকেই নিজা নিজা টুলৰ ওপৰত বহি বা যথাস্থানত থিয় হৈ সেই যন্ত্ৰৰ লৈতে একাত্ম হৈ কাম কৰি আছে। মাজে মাজে আমাৰ পিনে চাই মিচিকীয়াই হাঁহিছে কিন্তু আঁত হেৰুৱাই পেলোৱা নাই।

কিছু দিনৰ আগতে আমাৰ দেশত হোৱা 'ঘেৰাও উছৱ'ৰ কথা মনত পৰিল। আমাৰ দেশত অভিযোগ থকাৰ মানেই হ'ল তাণ্ডৱ। উৎপাদন বন্ধ কৰাটোৱেই প্রগতি। কিন্তু চীনত তেনেকুৱা নহয়। তাত বিপ্লৱৰ অৰ্থ হ'ল উৎপাদন বৃদ্ধি। উৎপাদন বাঢ়িলেহে অৱস্থাৰ সলনি হ'ব, নহ'লে একে নহ'ব। ইয়াত প্রশ্ন উঠিব পাৰে—অৱস্থাৰ সলনি হ'ব কাৰ? লাখপতি কোটিপতি হ'বগৈ—এয়া অৱস্থাৰ সলনি হোৱা হল'নে? এয়া ব্যক্তি বিশেষৰ অৱস্থাৰ সলনি হ'লেও সামগ্রিকভাৱে দেশৰ নহয়। সেয়েহে এই দুয়োখন লুব্ধ হাতৰ টনা আঁজোৰা। কোনোবাই দহ টকা বঢ়াবলৈ প্রাণপাত কৰিছে, কোনোৱে বা দহ হাজাৰ। কিন্তু দেশৰ বা উমৈহতীয়া সম্পদ বঢ়াবলৈ কাৰো মন কাণ নাই। আমাৰ দেশত যিবোৰ প্রতিষ্ঠান নেশ্যনালাইজ্‌ড হ'ল তাৰো অৱস্থা তথৈবচ। সেই কামত অনিচ্ছা। আৰু এই অনিচ্ছা প্রায় সৰ্বব্যাপ্ত। মই এই কথাটো ভাবি বৰ বিস্মিত হৈছিলোঁ যে চীনদেশে কোন ৰসায়নেৰে এনেকৈ সকলোকে সাঙুৰি পেলাব পাৰিলে? কৰ্মীসকলৰ অভিযোগ আছে, তেওঁলোকে সেই অভিযোগ ব্যক্ত কৰাতো কোনো বাধা নাই, আৰু বৰমূৰীয়ায়ো সেই অভিযোগসমূহ শান্তভাৱে মূৰ পাতি ল'ব পাৰিছে—কাম-বনো নিৰ্বিঘ্নে

চলিছে। বৰ আচৰিত কথা। আমাৰ দেশতো যদি আটাইবোৰ ব্যক্তিগত মালিকী কাৰখানা চৰকাৰে অধিগ্ৰহণ কৰে তেনেহ'লে সমস্যাৰ সমাধান হ'বনে বাৰু ?

১৯৫৫ চনত ৰুছিয়াৰ এটা ছিগাৰেট ফেক্টৰি চাবলৈ গৈছিলোঁ। ফেক্টৰিৰ প্ৰতিটো কোঠাত সেই বিভাগৰ শ্ৰেষ্ঠ কৰ্মীজনৰ ছবি আঁৰি থোৱা হৈছে। সেই মাহৰ উৎপাদনত যিজনৰ বৰঙনি আটাইতকৈ বেছি তেওঁক এইদৰে উৎসাহিত কৰা হৈছে, কামত প্ৰেৰণা যোগাইছে। তেতিয়াই তেওঁলোকে মোক কৈছিল, এই পদ্ধতিও আদৰ্শ নহয়। আদৰ্শ হ'ব তেতিয়া, যেতিয়া প্ৰতিজনে কামৰ বাবে কাম আৰু সমূহ জনগণৰ মংগলাৰ্থে কাম কৰি আনন্দ লাভ কৰিব। সেই কাম অৰ্থলোভত নহয়, কৰ্তব্যবোধতহে কৰিব। কিছুখিনি বয়-বস্তু নিজৰ কৰি ল'বলৈ নহয়, আৰু জুখি মাখি ধৰা-বন্ধা নিয়মতো নহয়, সেই কাম কৰিব সম্পূৰ্ণ স্বেচ্ছাপ্ৰণোদিত হৈ। কিয়নো, তেতিয়া সমূহ ৰাইজৰ মংগলৰ বাবে কাম কৰাৰ অভ্যাস আৰু অনুৰাগ সৃষ্টি হৈছেই।

এনেকুৱাও হ'ব পাৰেনে বাৰু ?

ৰুছিয়াত শুনিলোঁ পথ সন্ধানি কৰিছে। কিয়নো, পুৰণি মনোবৃত্তিয়ে মূৰ দাঙি উঠিছে। তেওঁলোকে ভাবিলে, ব্যক্তিগত লাভৰ আশাত কামৰ প্ৰেৰণা বেছি হ'ব।

কিন্তু মাও যে তুঙে সেই পথ বাছি নল'লে—তেওঁৰ বিপ্লৱ আভ্যন্তৰিক। তেওঁ মানুহৰ অন্তৰ সন্ধাৰ। মানুহে লোভৰ বশৱৰ্তী হৈ কাম নকৰিব, তাতকৈ উচ্চতৰ ভাব চিন্তাৰপৰা প্ৰেৰণা পাব।

এই কথাও বিশ্বাস কৰিব পাৰিনে ?

এয়া বাৰু অসাৰ কল্পনা মাথোন নহয়নে ?

লেলিনগ্ৰাদ ষ্টেশ্যনত ভেৰা নভিকভাই মোক লৈ দৌৰ মাৰি প্লেটফৰ্মত সোমালগৈ—গাড়ি তেতিয়া এৰোঁ এৰোঁ হৈছে। মই ক'লোঁ, "টিকেট নল'লা যে—?"

নভিকভাই হাঁহি মাৰি ক'লে, "কমিউনিষ্ট দেশত টিকেট নল'লেও কথা নাই—পাছতো দিব পাৰি।"

"হয় নেকি ? কেনে আচৰিত কথা।"

তেতিয়া নভিকভাই টিকেট উলিয়ালে। আগতীয়াকৈয়েই লৈছিল। তাই খেমালিহে কৰিছিল। ক'লে, "এতিয়ালৈকে আমি কমিউনিষ্ট হোৱা তো নাই, যেতিয়াই প্ৰকৃত কমিউনিজম আহিব, তেতিয়াই মানুহে নিজেই সজ বাটেৰে বাট বুলিব।"

চীনদেশত কোনো কোনো ঠাইত কৰ্মীসকলে নিজেই নিজৰ work point ঠিক কৰে বুলি শুনিলোঁ, অৰ্থাৎ নিজৰ পাওনাৰ হিচাপ নিজেই কৰে। মই যেনেকুৱা পৰিৱেশত বাস কৰোঁ তাত এই কথাৰ অৰ্থ ভাবি উলিউৱাটোৱেই টান, য'ত টাইমত কাম নহয়, ওভাৰটাইমতহে হয়। আকৌ উচ্চতম প্ৰতিষ্ঠাৰ মূধত বহিও চৌৰ্য্যবৃত্তিৰ বশৱৰ্ত্তী হ'বলৈ আমাৰ দেশৰ ধনী আৰু মানীইঁতেও লজ্জাবোধ নকৰে।

শুনিছিলোঁ—ক'লা টকাৰ সন্ধানত যেতিয়া পুলিছে পিয়াপি দি ফুৰিছিল তেতিয়া সেইটোও এটা 'Status Symbol' হৈ উঠিছিল। ইজনে সিজনক কৈছিল, "হেৰা— মোৰ ঘৰতো এটা ৰেইড হৈ গ'ল নহয়—।"

কিন্তু এইখনেই জানো আমাৰ সমাজ ? আমাৰ সমাজত মাৰুতি কাৰখানায়েই একমাত্ৰ সত্য নে ? ফলৰ লোভ ত্যাগ কৰি কৰ্ম কৰিবলৈ কোনখন দেশত কোৱা হৈছিল ? ফলৰ আকাংক্ষা ত্যাগ কৰাৰ অৰ্থ কি ?—ব্যক্তিগত আকাংক্ষা ত্যাগ কৰি সকলো কৰ্ম সংসাৰলৈ উছৰ্গা কৰা

যৎকৰোষি যদশ্নাসি যজ্জুহোসি দদাসি যৎ
যৎতপস্যসি কৌন্তেয় তৎকুৰুস্ব মৎদৰ্পণম ॥

এই যৎ হ'ল শ্ৰীকৃষ্ণ। সকলো তেওঁলৈ অৰ্পণ কৰা। কিন্তু তেওঁক তো আমি দেখা নাপাওঁ। আমি দেখা পাওঁ মানুহক, মানুহৰ সমাজখনক। এয়া আৰু ওচৰৰ, আৰু বাস্তৱ।

তাৰ বাবে সকলো কৰ্ম অৰ্পিব নোৱাৰিনে ?

ফেক্টৰিৰপৰা ওলাই আহি আমি শ্ৰমিকসকলৰ ঘৰ-দুৱাৰ চাবলৈ ওলালোঁ। অসংখ্য তিনি মহলা-চাৰি-মহলা ধুনীয়া ধুনীয়া ফ্লেট। আমাৰ ইয়াত থকা চৰকাৰী কোৱাৰ্টাছ'ৰ দৰে। আমি যিটো 'ফ্লেট'ত সোমালোঁগৈ (অৰ্থাৎ আমি দুই-তিনিজনীয়াকৈ বেলেগ বেলেগ দল কৰি বিভিন্ন ফ্লেটলৈ গৈছিলোঁ) সেই ফ্লেটটোত অটেটা কোঠা আৰু সৰু এটা ৰান্ধনিশালৰে সৈতে তিনিজনীয়া

পৰিয়াল। মাক, দেউতাক আৰু জীয়েক। ল'ৰাটোৱে আন ক'ৰবাত কাম কৰে। আমি যিটো কোঠাত বহিলোঁ, সেই কোঠাটোৰ আধামান জুৰি বিছনাৰ বাবে খাট পাৰি থৈছে, খাটৰ ওপৰত ৰংচঙীয়া ধুনীয়া ধুনীয়া কেইবাখনো লেপ। ওয়াৰ নোহোৱাকৈ লেপবোৰ কেনেকৈ ইমান চাফা হৈ থাকে তাৰ সহুত্তৰ বিচাৰি মই সকলো কথা নুবুজিলোঁ।

জীয়েক, মাক, দেউতাক—তিনিও এই সূতাকলত কাম কৰে। ছোৱালী-জনীয়ে চাহ দিলে। নিচেই কোমল বয়সৰ। তাইৰ হেনো অহা সপ্তাহত বিয়া হ'ব। দৰাও এই কাৰখানাতে কাম কৰে। শুনিছিলোঁ যে পঁচিছ বছৰ পূৰ নহ'লে ছোৱালীৰ বিয়া পাতিব নোৱাৰি। কিন্তু এওঁৰ বয়স যোল্ল বছৰতকৈ বেছি যেন নালাগে। নিচেই কোমল লাজুকী মুখখন—দুফালে দুডাল বেণী ওলমি পৰিছে। এই শ্ৰমিক পৰিয়ালটোৰ গিৰিয়েক ঘৈণীয়েক দুয়ো আদহীয়া। তেওঁলোকৰ সাজ পাৰৰ সৈতে আমাক ইয়ালৈ লৈ অহা লোকসকলৰ সাজ পাৰৰ বিশেষ একো পাৰ্থক্য নাছিল। এটা সৰু বান্ধনি শাল আৰু দুটা শোৱা কোঠাৰে সৈতে তেওঁলোকৰ ঘৰটো আমাৰ সকলোৰে পক্ষেই বাসযোগ্য। এওঁলোকে শাক-পাচলিখিনি বাৰাণ্ডাত দ'মাই থয়। চেঁচা বতাহ আৰু বৰফ পৰি সজীৱ হৈ থাকিব বুলি। যেতিয়া আমি তাৰপৰা ওলাই আহিছিলোঁ, সকলো এপাৰ্টমেণ্টৰ-পৰা দলে দলে মানুহ ওলাই আহিল—সৰু সৰু ল'ৰা ছোৱালীহঁতে মিলি 'চীন-ভাৰত মৈত্ৰী জিন্দাবাদ' বুলি ধ্বনি দিলে। অৱশ্যে আমাৰ ভাষাত নহয়—তেওঁলোকৰ ভাষাত।

হোটেললৈ উভতি আহি শুনিলোঁ, মহাকবিয়ে এটি কবিতা লিখিছে। কবিতাটো শুনি সকলোৱেই ভাল পাইছে। তাৰাচান্দ গুপ্ত মহাকবিৰ কবিতাৰ বৰ ভক্ত। খোৱাৰ সময় বিজয় বসুৱে ক'লে, "মহাকবি, তোমাৰ কবিতা শুনোৱাচোন।"

গেং অব্ ফোৰৰ নিন্দা শুনি মহাকবি খুব উৎসাহিত হৈ উঠিছিল। তেওঁলোকৰ নাম দিছিল 'দুষ্ট চতুষ্টয়'। মহাভাৰতৰ অনুসৰণত। তেওঁৰ মতে, মহাভাৰততো কুকৰ্মকাৰী দুষ্ট চতুষ্টয় আছিল—দুৰ্যোধন, দুঃশাসন, শকুনি আৰু কৰ্ণ। যি কি নহওক—কৰ্ণক মই কুকৰ্মকাৰী বা দুষ্ট বুলি আখ্যাত কৰিবলৈ নিবিচাৰোঁ। মোৰ মতে, কৰ্ণ যথাৰ্থতেই বীৰ আৰু ভদ্ৰলোক। সম্ভৱতঃ

ৰবীন্দ্ৰনাথৰ মতো সেয়ে। সেয়েহে ৰবীন্দ্ৰনাথে 'কৰ্ণ-কুন্তী-সংবাদ' লিখিছিল ঃ যি কি মহগুৰু—মহাকবিয়ে ৰচা কবিতাটি আছিল এনে ধৰণৰ :

"জন চায়না।
কষ্টজীৱীজনৰঞ্জন চায়না।
তুষ্ট চতুষ্টয়ভঞ্জন চায়না।

কষ্ট, তুষ্ট, ৰঞ্জন, ভঞ্জন আদি শব্দৰ ওপৰত মহাকবিয়ে খুব জোৰ দি পঢ়িলে। সকলোৰেই ভাল পালে। বিশেষকৈ তাৰাচান্দ গুপ্তই বৰ গৰ্ব অনুভৱ কৰিলে,—সেই কৃতিত্ব যেন তেওঁৰেই। ময়ো ভাল পালোঁ। মই ক'লোঁ, "আপোনাৰ ছন্দ খুব ভাল।"

মহাকবিয়ে ক'লে, "অনুপ্ৰাস।"

তেতিয়া মোৰ ভাব হ'ল সমগ্ৰ ভাৰতবৰ্ষক যদিহে কিহবাই একেডাল এনাজৰীৰে তোলোৰে বান্ধিব পাৰিছে—সি হ'ল সংস্কৃত ভাষা।

মই সুধিলোঁ, "মহাকবি, আপুনি ৰেভলিউশ্যনাৰি কৰি হৈ এই ভাষাত লিখিলে কিয় ?'

মহাবুদ্ধিমান মহাকবিয়ে ক'লে, "সমগ্ৰ ভাৰতবৰ্ষই বুজি পাওক বুলি।'

আমাৰ জীৱনৰ সঁচাৰকাঠি যে প্ৰাদেশিক ভাষা সেই কথা ঠিকেই, পিছে যি সংস্কৃত ভাষাৰ প্ৰতি আমি অতি অৱহেলা প্ৰদৰ্শন কৰিছোঁ—আসমুদ্ৰ হিমাচল সেই ভাষাৰ বন্ধনেৰে আজিকোপতি এক হৈ আছে।

১২ ডিচেম্বৰৰ তাৰিখে আবেলি আমি এটা বৌদ্ধ মন্দিৰ চাবলৈ ওলালোঁ। মন্দিৰটো ছিজিয়াচুৱাঙৰ উপকণ্ঠত এখন কাউন্টিত অৱস্থিত। কেইবা কিল'মিটাৰ বাট আমাৰ গাড়ি গাঁৱৰ মাজেদি গৈ থাকিল। দুয়োকাষতে শাক পাচলিৰ খেতি—কিল'মিটাৰৰ পিছত কিল'মিটাৰ ধৰি সমান ৰেখাৰে সজোৱা মাজে মাজে টিপৰ ওপৰত পপলাৰ গছৰ দীঘল লানি। এইবোৰ উইণ্ডব্ৰেকাৰ, অৰ্থাৎ এইবোৰে উত্তৰফালৰ হিমচেঁচা বতাহ প্ৰতিৰোধ কৰে। চীনদেশত চহৰ এৰি যেতিয়াই গাঁৱলৈ ওলাইছোঁ, তেতিয়াই চকু জুৰোৱা বিস্তীৰ্ণ সজ্জিত সেউজীয়া সুফলা শস্যক্ষেত্ৰ চকুত পৰিছে। খেতি-বাতিৰ অৱস্থা, উৎপাদনৰ অৱস্থাৰ বুজবাজ ল'বলৈ বক্তৃতা শুনাৰ আৱশ্যকতা নাই, যদিও তেওঁলোকে যে প্ৰতি বছৰতে

নিৰ্দিষ্ট লক্ষ্যমাত্ৰা চেৰাই গৈছে সেই কথা তেওঁলোকৰ এনেবোৰ বক্তৃতা শুনিলেহে জানিব পাৰি।

আমি যেতিয়া বৌদ্ধ মন্দিৰ আহি পালোঁহি, তেতিয়া বেলিয়ে লহিয়াইছে। এই মন্দিৰ এতিয়া প্ৰত্নতত্ব বিভাগৰ হাতত—ধৰ্মস্থান নহয়। ইয়াৰ এটি সংৰক্ষণ কমিটি আছে—তাৰ নামো ৰেভলিউশ্যনাৰি কমিটি।

যথা নিয়মে চাহ খোৱাৰ লগতে গেং অব ফোৰাৰৰ নিন্দা শুনিলোঁ। এওঁলোকক এতিয়াৰপৰা আমি 'দুষ্ট চতুষ্টয়' বুলি অভিহিত কৰিম। এবাৰ যেতিয়া সুশ্ৰী সংস্কৃতত কবিতা লিখা হ'লেই আৰুনো বিশ্ৰী ইংৰাজী শব্দ ব্যৱহাৰ কৰাৰ কিবা প্ৰয়োজন? যি কি নহওক, 'গেং অব ফোৰ'ৰ কথাষাৰ বোলে কবি লু শ্যুনৰ কোনোবা এটা ৰচনাৰপৰা লোৱা হৈছে। আৰু সেইদেখিহে বোধহয় মহাকবিয়েও মহাভাৰতৰ 'দুষ্ট চতুষ্টয়'ৰ কথা ভাবিছিল— আৰু তৰ্জমাটোও ঠিকেই হৈছে। পিছে কৰ্ণ দুষ্ট নহয়, বৰঞ্চ ভীষ্মকহে দুষ্ট বুলি কোৱাৰ থল আছে। দ্ৰৌপদীৰ যেতিয়া বস্ত্ৰহৰণ কৰা হৈছিল তেতিয়া এই বুঢাই চকু মুদি জপ কৰি আছিল। দুষ্ট নহয়নো কি? যি কি নহওক, মই শুনিলোঁ যে এই গেং অব ফোৰৰ কথাষাৰ হেনো মাও চে তুঙৰ মুখৰপৰা ওলোৱা কথা। তেওঁ যেতিয়া বৃদ্ধ আৰু অসুস্থ তেতিয়া তেওঁৰ পত্নী চিয়াং চিঙে সদায় তেওঁৰ ওচৰত চৌ এন লাইৰ নামত নিন্দা কৰিছিল। অকল তেৱেঁই নহয়, তেওঁৰ আন তিনিওজন বন্ধুৱেও লগতে ৰাগ টানিছিল। এই চাৰিওজন একেলগ হৈ যিটো দল গঠিত হৈছিল, আজিকালি যে 'ককাছ' বোলা কথাষাৰ শুনিছোঁ, তাৰ সৈতে সেই দলটোক বিজাব পাৰি। তেতিয়া মাও চে তুঙে তেওঁৰ পত্নীক কৈছিল "Be open, do not conspire, do not behave like a gang of four ' এই কথাৰপৰা এওঁলোকে 'gang of four কথাষাৰ বুটলি আনিছিল।

যিকোনো প্ৰতিষ্ঠানলৈ গ'লেই একেবাৰে আনুষ্ঠানিকভাৱে এওঁলোকে 'দুষ্ট চতুষ্টয়'ৰ নিন্দা কৰে আৰু হুৱা কুৱা ফেঙৰ আগমনলৈ আদৰণি জনায়। তেওঁলোকে কয়, "অতি সুসময়ত তোমালোকে আহিলা, যি সময়ত দুষ্ট চতুষ্টয়ৰ অত্যাচাৰৰ অন্ত পৰিছে, হুৱা কুৱা ফেঙে দৃঢ়তাৰে গুৰিবঠা ধৰিছে, দেশত পৰ্য্যাপ্ত পৰিমাণে উৎপাদন হৈছে, চীনদেশৰ সকলোতে শান্তিৰ বা বলিছে।"

হুৱা কুৱা এবং যে মাও চেতুঙৰ নিৰ্বাচিত অনুমোদিত সেই কথাবাৰ গৌৰৱাই দিবলৈ তেওঁলোকে কেতিয়াও নাপাহৰে।

আদৰণি আৰু চাহ-পৰ্বৰ পাছত আমি মন্দিৰ চাবলৈ ওলালোঁ। আহল-বহল মুকলি ঠাইত কেইবাটাও মন্দিৰ। আটাইতকৈ ডাঙৰটো পাঁচ-ছয় মহলাৰ সমান ওখ তো হ'বই, তাতোকৈয়ো ওখ হ'ব পাৰে। আটাইবোৰ মন্দিৰ কাঠেৰে সজা—লা-ৰ ৰঙীন কাৰুকাৰ্য্য। লা-ৰ আবৰণ থকাত কাঠখিনি ৰক্ষা পৰে। একো একোটা কাঠৰ গুৰি অতি ডাঙৰ। প্ৰায় এহাজাৰ বছৰৰ আগেয়ে নিৰ্মিত মূৰ্তিবোৰ এতিয়াও ভালেই আছে। ডাঙৰ মন্দিৰটোত সোমোৱা নহ'ল, মেৰামতিৰ কাম চলি আছে। শুনিলোঁ এই মন্দিৰটোৰ নাম 'Hiding Dragon'। এই নাম যে কিয় দিছিল বুজিলোঁ। চীনদেশৰ স্থাপত্যত ড্ৰেগন থাকিবই। এটা প্ৰায় পাঁচ ছজন মানুহৰ সমান ওখ দেৱমূৰ্তি, 'কৰুণা' দেৱীৰ—goddess of mercy। আন এটি চাৰিমুখীয়া মূৰ্তিক তেওঁলোকে ক'লে চতুৰ্মুখ বুদ্ধ। বুদ্ধৰ'না চতুৰ্মুখ হ'ব কেনেকৈ? এয়া নিশ্চয় ব্ৰহ্মা বা ভাৰতীয় কোনোবা দেৱতা।

যি কি নহওক, চীনা স্থাপত্য যদিও ভাৰতৰ স্থাপত্যতকৈ স্বকীয়া, সাজ-সজ্জা নক্সা অদি সকলো বেলেগ, তথাপি তালৈ যে ভাৰতীয় ধৰ্ম প্ৰসাৰিত হৈছিল, মূৰ্তিবিলাকলৈ, চালেই সেই কথাটো ওলাই পৰে। আকৌ তিব্বতত যেনেকৈ চকৰি ঘূৰাই ঘূৰাই মন্ত্ৰপাঠ কৰে, তেনেকৈও কৰা হয়। তিব্বতলৈ বৌদ্ধধৰ্ম, যিমানদূৰ জানো, চীন আৰু নেপালৰ পৰা গৈছিল। তিব্বতী ৰজা স্ৰংছেনগাম্বোৰ চীনা আৰু নেপালী পত্নীদ্বয়ে তেওঁক এই ধৰ্মৰ প্ৰতি উৎসাহিত কৰি তুলিছিল। এয়া বোধহয় সপ্তম শতিকাৰ কথা। কিন্তু বৌদ্ধধৰ্মৰ চক্ৰ ভাৰতৰপৰা চীনলৈ, চীনৰপৰা তিব্বতলৈ, আৰু তাৰ পাছত ক্ৰমাত ভাৰত-তিব্বত চীন আৰু চীন তিব্বতত বিয়পি পৰি বৌদ্ধ ধৰ্মপিপাসুসকলক তৃপ্তি দান কৰিছে।

সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ কোনো এখন ৰচনাত পঢ়া মনত পৰে যে, তেওঁ চীনদেশত ভাৰতীয় পণ্ডিতসকলৰ মূৰ্তি চাই আহিছিল। সেই প্ৰশ্নটো কৰি মই কোনো সদুত্তৰ নাপালোঁ। অৱশ্যে দোভাষীসকল তো সৰ্বজ্ঞান নহয়, পিছে তেওঁলোকে মোক ক'লে যে, হিউৱেন ছাঙৰ সমাধিমন্দিৰ আছে। সেই মন্দিৰ

উত্তৰৰ কালে। সেই দেশ এতিয়া বৰফময়। যি কি নহওক, হিউৱেন ছাঙৰ সমাধিক্ষেত্র চোৱাৰ বিশেষ আগ্রহো মোৰ নাই। কাবো সমাধিক্ষেত্র চোৱাৰ উৎসাহ মোৰ নায়েই। তেওঁ যে ভাৰতবৰ্ষ আৰু চীনদেশক এক অখণ্ড বন্ধুত্বৰ ডোলেৰে আবদ্ধ কৰিছিল সেইবাবেই তেওঁৰ নাম স্মৰণীয়। ভাৰতলৈ আহিবলৈ তেওঁৰ শ্ৰম, আগ্ৰহ আৰু তেওঁৰ চৰিত্ৰৰ যি অসীম দঢ়তা তেওঁৰ ডায়েৰিৰ পাতে পাতে প্ৰকাশিত, সেই ডায়েৰিয়েই তেওঁ। ভাৰতবৰ্ষৰ ৰাজন্যবৰ্গয়ো তেওঁক যথেষ্ট সমাদৰ কৰিছিল। দৰাচলতে, এই দেশ এৰি গুচি যোৱাটোৱেই তেওঁৰ পক্ষে টান হৈ পৰিছিল।

ভাৰতবৰ্ষৰপৰা চীনদেশলৈ যোৱা লোকসকলৰ সম্পৰ্কে আমি প্ৰায় একোৱেই নাজানো। ৺দীনেশ সেন ডাঙৰীয়াই তেওঁৰ 'বৃহৎ বঙ্গ' গ্ৰন্থত লিখিছে "৩৫৭ৰপৰা ৩৭১ খ্ৰিষ্টাব্দৰ মাজত বাণিজ্যাদি বিষয়ত কমেও দহ বাৰ চীনৰ ৰাজদূত সকলে ভাৰতবৰ্ষলৈ অহাযোৱা কৰিছিল। ফা হিয়েনৰপৰা আৰম্ভ কৰি বহুতো চীন পৰিব্ৰাজকে তীৰ্থ দৰ্শন আৰু বৌদ্ধশাস্ত্ৰ চৰ্চাৰ বাবে এই দেশলৈ আহিছিল আৰু আৰ্য্যাবৰ্ত্তবাসী বহুতো বৌদ্ধপণ্ডিত চীনদেশলৈ গৈছিল। ৩৮৩ খ্ৰিষ্টাব্দত কুমাৰজীৱৰ চীনলৈ গমন আছিল এই সম্বন্ধে হিন্দুস্থানৰ বৌদ্ধসকলৰ প্ৰথম প্ৰচেষ্টা।"

যক্ষ নামৰ অশোকৰ এগৰাকী মন্ত্ৰী নিৰ্বাসিত হৈ চীনদেশলৈ গৈছিল। তেওঁ সাতশ অনুচৰৰে নৈতে চীনদেশলৈ গৈছিল আৰু চীনদেশৰ এক প্ৰান্তত উপনিবেশ স্থাপন কৰিছিল। বহুতো বৌদ্ধ পণ্ডিত তিব্বতলৈকো গৈছিল। তেওঁলোকৰ মাজত শান্ত ৰক্ষিত আৰু অতীশ দীপঙ্কৰৰ কথা সকলোৱেই জানে। তিব্বতৰ ৰজা চেংচুবৰ নেৰানেপেৰা চেষ্টাৰ ফলত দীপঙ্কৰ তিব্বতলৈ গৈছিল। তাত তেওঁৰ জ্ঞান আৰু প্ৰতিভাৰ বলত তেওঁ তিব্বতৰ প্ৰায় সৰ্বেসৰ্বা হৈ পৰিছিল। তেওঁৰ বিদ্যাৰ খ্যাতি সকলো বৌদ্ধ ৰাজ্যলৈ বিয়পি পৰিছিল।

দীনেশচন্দ্ৰ সেন ডাঙৰীয়াই লিখিছে "কোৱা হয় যে, চীনদেশৰ অমিতবিক্ৰম সম্ৰাটসকলে দীপঙ্কৰৰ নাম শুনামাত্ৰকে সিংহাসনৰপৰা নামি থিয় হৈ শ্ৰদ্ধাজ্ঞাপন কৰিছিল।"

হাইডিং ড্ৰেগন মন্দিৰৰ আহল বহল প্ৰাংগণত আৰু কেইবাটাও মন্দিৰ আছে। মন্দিৰসমূহ বিৰাট ওখ। একেবাৰে ওপৰ মূৰে চালেহে—বহু ওপৰত তাৰ চূড়াটো দেখা যায়। গোটেইটো কাঠেৰে নিৰ্মিত। একো একোটা স্তম্ভ

ইমান দীঘল যে আদিম অৰণ্যৰ প্ৰাচীনতম গছ কাটি আনিছে বুলি ধৰিব পাৰি। কাৰুকাৰ্য্য কৰা সকলো স্তম্ভ ৰঙীন লাৰে বোলোৱা। মই ভাবি আছিলোঁ, তিব্বত, চীন আৰু ভাৰতৰ মাজত যাতায়াত কিমান হৈছিল তাৰ স্পষ্ট চিন এই মন্দিৰ আৰু মূৰ্তিসমূহৰ মাজত পৰিদৃশ্যমান, যদিও মন্দিৰৰ স্থাপত্য আৰু স্থাপত্যৰ উপকৰণসমূহ একেবাৰে বেলেগ। বুদ্ধদেৱে তেওঁৰ মূৰ্তি নিৰ্মাণ কৰিবলৈ নিষেধ কৰিছিল। তেওঁৰ মৃত্যুৰ বহু বছৰৰ পাছত তেওঁৰ প্ৰথম মূৰ্তি নিৰ্মিত হৈছিল। সেই মূৰ্তি নিশ্চয়েই তেওঁৰ অবিকৃত প্ৰতিমূৰ্তি হোৱা নাছিল। আৰু আজি বিশ্বৰ পূৰ্বাঞ্চল জুৰি তেওঁৰ মূৰ্তি সিঁচৰতি হৈ আছে। এটা সহস্ৰ বুদ্ধৰ শতদল দেখিছিলোঁ। সৰু সৰু মূৰ্তিৰে সজা এটা পদুম ফুলৰ দৰে।

মই সৰুৰেপৰাই শুনি আহিছো যে চীনাসকল ধাৰ্মিক নহয়। অৰ্থাৎ যি অৰ্থত ভাৰতীয়সকল ধাৰ্মিক সেই অৰ্থত নহয়। ভাৰতীয়সকল ধাৰ্মিক হ'লেও তেওঁলোকৰ মাজত মাজে মাজে ধৰ্মৰ ৰূপ পৰিবৰ্তিত হৈছিল। ধাৰ্মিক তিব্বতত তো ধৰ্মৰ নামত যেতিয়া ব্যভিচাৰে প্ৰচণ্ড ৰূপ লৈ দেখা দিলে তেতিয়া অতীশ দীপঙ্কৰ গৈছিল পুনৰ সদ্ধৰ্মৰ সংস্থাপনৰ বাবে। তাৰ পাছতো বহুতো গৈছিল। তেওঁলোকৰ মাজৰে বিশেষ এজনৰ বক্তব্য ইয়াত উল্লেখ কৰিছো। এওঁৰ বক্তব্যৰ যৌক্তিকতা, এওঁৰ মুক্ত বুদ্ধি, আজিৰ দিনতো দুৰ্লভ। সেয়েহে, এই প্ৰসংগত ইয়াত সেই বক্তব্য উদ্ধৃত কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ।

এই ভাৰতীয় পণ্ডিতগৰাকীৰ নাম বোধিধৰ্ম। এও চীনলৈকো গৈছিল। এও ঘৰত কোনো দেৱতাৰ মূৰ্তি নাছিল, আছিল একেটি মাত্ৰ বুদ্ধমূৰ্তি। যেনেকৈ থাকে আমাৰ প্ৰিয়জনৰ ছবি। তেওঁৰ এগৰাকী শিষ্যৰ নাম লো স্যু। এইটো তিব্বতী নাম নহয়, সম্ভৱতে চীনা নাম। তেওঁ যি মত প্ৰচাৰ কৰিছিল সেই মত হ'ল এনে ধৰণৰ 'ধৰ্ম মানুহৰ স্বভাৱ, সি শূন্যতাৰ আন এটা নাম। ধৰ্মগ্ৰন্থ কোনো শাস্ত্ৰত লিখিত হোৱা নাই। সেই অলিখিত গ্ৰন্থ মানুহৰ স্বভাৱৰ অনুৱৰ্তী হৈ নিৰন্তৰ ক্ৰমবিৱৰ্তনৰ পথেদি গৈ আছে। প্ৰকৃত ধৰ্ম মানুহৰ অন্তৰৰ বস্তু, ই বাহিৰা একো নহয়। অজ্ঞ লোকে তত্ব নুবুজাকৈয়েই যিকোনো পুথি হাতত লৈ শ্লোক আওৰাবলৈ ধৰে। পানীৰ প্ৰবাহ, বায়ুৰ সুৰ সেই মহাশাস্ত্ৰৰ বাণী, সেই সুৰ শুনিলেই ধৰ্মৰ স্বৰূপ বুজিবা, অবাবতে কেতবোৰ

পৃথিবিপৰা লোক প্ৰাৰ্থনা কিয় কৰিছা? সৌ যে আকাশলঙ্ঘা পৰ্বত, সৌ দ্রুগামিনী নদী, আৰু এনেহেন অদ্ভুত-আচৰিত জগত—এই আটাইবোৰেই কি তেওঁৰ বিগ্ৰহ নহয়? কিয় তুলি গাঁচ আৰু ধূপ লৈ বৃথা চেষ্টা কৰিছা? মন্দিৰত ধূপ-ধুনা জ্বলাবৰ প্ৰস্তুত তেওঁ কৈছে "অজ্ঞলোকসকলে নাজানে যে ধূপ-ধুনা নিজৰ অন্তৰত আছে। প্ৰকৃত ধূপ-ধুনা হ'ল আত্মসংযম, জ্ঞান ধৈৰ্য্য দয়া দ্বিধা-শূন্যতা ভক্তি আৰু অভিজ্ঞতা। মানুহৰ প্ৰকৃতি যদি উজ্জ্বল হয় তেনেহ'লে তেওঁৰ ওচৰত স্বৰ্গ এন্ধাৰ হৈ নাথাকিব। নিজৰ ভিতৰত পোহৰ থাকিলে স্বৰ্গ আৰু পৃথিবী আপোনা-আপুনিয়েই সাধকৰ ওচৰত আলোকিত হ'ব। এই পোহৰ লাভ কৰিলে মানুহে দেখা পাব যে বিধাতাৰ বিধান অনন্ত, তাৰ প্ৰতিটোকে স্পষ্টভাবে দেখা পাব।' (শৰৎচন্দ্ৰ দাসৰ Indian Pundits in the Land of Snow)

ইমান স্বচ্ছ সত্য বিজ্ঞানধৰ্মী ধৰ্মব্যাখ্যা আজিৰ যুগতো দুৰ্লভ। তথাপি এনেহেন মানুহ বাৰে বাৰে আহিছে, যিসকলে ধৰ্মৰ জঞ্জাল বা আবৰ্জনা গুচাই প্ৰকৃত ধৰ্ম কি তাৰ সন্ধান দিছে। কিন্তু আকৌ আবৰ্জনা দ'ম খাইছেহি। সেই বাবেইহে মাও চে তুঙৰ ভাষাত Continuous Revolutionৰ প্ৰয়োজন। ঢিলাই দিলে নহ'ব, বৈ দিলে নহ'ব। ধৰ্মৰ আবৰ্জনাই দ'ম বান্ধিলে কি অৱস্থা হয়? আজিৰ ভাৰতবৰ্ষৰ পিনে চালেই সেই কথা ওলাই পৰে। বংগদেশৰ দৰে নিবনুৱাৰ দেশত উৎসাহী যুৱকসকলৰ সমস্ত অৰ্থ বং বহুইচতে শেষ হৈছে। গোটেই বছৰ জুৰি বিভিন্ন পূজাত যি বিপুল খৰচ হয় তাৰে ডাঙৰ ডাঙৰ প্ৰ'জেক্ট যুগুত কৰিব পৰা যায়।

তিব্বতত লো-স্যুৰ মত কিমানখিনি কাৰ্য্যকৰী আছিল সেই কথা বুজাবলৈ শৰৎচন্দ্ৰ দাসৰ তিব্বত-ভ্ৰমণৰ পৰৱৰ্তী এটা ঘটনাৰ উল্লেখ কৰি মোৰ হাইড্ৰিং ড্ৰেগন মন্দিৰত থিয় হৈ মানসভ্ৰমণ সামৰিম।

১৮৯৭ চনত জাপানী শ্ৰমণ একাই কাবাগুচিয়ে ভাৰতৰ মাজেদি দক্ষিণ চীনদেশীয় লোকৰ ভেশছন ধৰি তিব্বতলৈ প্ৰবেশ কৰিছিল। ইংৰাজ আমোলত ভাৰতীয় মানুহৰ পক্ষে তিব্বতত প্ৰবেশ কৰা সম্পূৰ্ণ নিষিদ্ধ আছিল। কিন্তু দক্ষিণ প্ৰদেশৰ চীনাসকলে তিব্বতলৈ অহা-যোৱা কৰিছিল। চীনদেশত বহু সংখ্যক তিব্বতী মানুহ বসবাস কৰিছিল। কিন্তু শ্ৰমণ একাই কাবাগুচিৰ তিব্বত-

যাত্ৰাৰ অব্যবহিত আগতে শৰৎচন্দ্ৰ দাস ভাওৰীয়াই তিব্বতলৈ গৈছিল। তেওঁ বেশছন ধৰিয়েই যাবলগীয়া হৈছিল। এই যুগত তিব্বতৰ নিষিদ্ধ অঞ্চললৈ যোৱা তেৱেঁই বোধ হয় প্ৰথমজন ভাৰতীয়। পাছত ৰাহুল সাংকৃত্যায়ন গৈছিল। তেওঁ (শৰৎচন্দ্ৰ দাস) তিব্বতত এগৰাকী বিদ্বান পুণ্যাত্মা লামাৰ ওচৰত থাকি পঢ়া শুনা কৰিছিল। এই লামাগৰাকীৰ নাম সেনগেচেন দোৰজেচেন (মহাসিংহ হীৰাৰ খনি)। এওঁ সৰল বিশ্বাসত শৰৎচন্দ্ৰক শিক্ষাদান কৰিছিল। শৰৎচন্দ্ৰই তিব্বতৰপৰা বৌদ্ধধৰ্ম 'চুৰ' কৰি লৈ যাবলৈ আহিছে, বা তেওঁ ইংৰাজৰ চোৰংচোৱা—এইবোৰ কথা তেওঁ চিন্তাও কৰা নাছিল। তেওঁ সক্ৰিয়ভাৱে বৌদ্ধধৰ্মৰ প্ৰচাৰ কৰিছিল। সেয়েহে, যিকোনো মানুহ বিদ্যাৰ্থী হিচাপে তেওঁৰ কাষ চাপিলেই তেওঁ সেই মানুহজনক সহায় কৰিব—এয়ে আছিল তেওঁৰ ব্ৰত। তাৰ কাৰণে যদি জীৱন বিসৰ্জন দিব লগাও হয়—হওক, তেওঁ পিছ নোহোঁহকে। বিশেষকৈ ভাৰতবৰ্ষত বৌদ্ধধৰ্মৰ পুনৰুজ্জীৱনৰ বাবে তেওঁ অতি আগ্ৰহী আছিল। একাই কাৱাগুচিয়ে লিখিছে "সেই লামাৰ দেশ তিব্বতত এনেহেন ব্যক্তি অতি দুৰ্লভ। তেওঁ সকলোবিধৰ সাম্প্ৰদায়িক ভেদবুদ্ধিৰ, জাতি সংস্কাৰৰ উৰ্দ্ধত অৱস্থান কৰিছিল। তেওঁ এনেহেন মহদাশয় আছিল বাবেই চৰকাৰী কৰ্মচাৰীসকলৰ মাজত তেওঁৰ বহুতো শত্ৰু আছিল। শৰৎচন্দ্ৰৰ সম্পৰ্কে উৰা-বাতৰি টাৱেই সিহঁতক সহায় কৰিলে। শৰৎচন্দ্ৰৰ সংস্পৰ্শলৈ অহা প্ৰত্যেকজন মানুহৰ ওপৰত অমানুষিক অত্যাচাৰ কৰা হ'ল। আৰু সেনগেচেন দোৰজেচেনলৈ বিহা হ'ল মৃত্যুদণ্ড। ১৮৮৭ চনৰ জুন মাহত এই মৃত্যুদণ্ডাজ্ঞা পালন কৰা হৈছিল। মৃত্যুদণ্ড কাৰ্যকৰী কৰাৰ পদ্ধতি আছিল—প্ৰাণবায়ু বহিৰ্গত নোহোৱালৈকে কন্‌বো নৈৰ পানীত বাৰে বাৰে ডুবোৱা। কন্‌বো হ'ল মহাবাহু ব্ৰহ্মপুত্ৰৰ থলুৱা নাম।

ভ্ৰমণ কাৱাগুচিয়ে তেওঁৰ বন্ধুসকলৰপৰা সেই মৃত্যুদৃশ্যৰ বৰ্ণনা যেনেভাৱে শুনিছিল, তেনেভাৱেই দিছিল। সেই বৰ্ণনাকে মই ইয়াত উদ্ধৃত কৰিছোঁ এইবাবে যে, ইয়াৰদ্বাৰা তেতিয়াৰ তিব্বতৰ অৱস্থাৰ বুজ ল'ব পৰা যাব।

"মৃত্যুৰ সময় যেতিয়া আগবাঢ়ি আহি আছে, মহৎহৃদয় লামাগৰাকীয়ে নৈৰ পাৰত এচটা বহল পাথৰৰ ওপৰত বহি একান্তচিত্তে ধৰ্মগ্ৰন্থ পাঠ কৰি আছে। তেওঁৰ চাৰিওকাষত তেতিয়া শোকসন্তপ্ত মানুহে হুৰাওৰাৱে কান্দি আছে।

তেওঁ শুভ্ৰ বস্ত্ৰ পিন্ধি শান্ত সমাহিত হৈ বহি আছে। সেইদৰে বহি থাকিয়েই তেওঁ চাওডাংহঁতক ক'লে, 'মই অলপ পাছত যেতিয়া মোৰ এই আঙুলিটো তিনিবাৰ লৰাম, তেতিয়াই মোক নৈৰ পানীত ডুবোৱাৰ সময় হৈছে বুলি বুজিবা।'

"ইতিমধ্যে চাৰিওফালে হুৱাদুৱা লাগিছে। জনতাই আন সকলো যেন পাহৰি গৈছে। কেৱল তেওঁলোকৰ কান্দোনৰ বোল, চাওডাংহঁতৰ উপস্থিতি, আৰু মহাবাহু ব্ৰহ্মপুত্ৰৰ নিষ্ঠুৰ জলকল্লোলহে প্ৰকট হৈ আছে। এই যে সাধাৰণ মানুহৰ সমদল—এওঁলোকে জানে, এতিয়া যি ঘটিব সি মহাপাপ, অন্যায়। কিন্তু কেনেকৈ ইয়াৰ প্ৰতিকাৰ কৰিব লাগে সেই কথা নাজানে। সেয়েহে চকুপানীয়েই হৈছে তেওঁলোকৰ একমাত্ৰ সম্বল।

লামাগৰাকীয়ে যেতিয়া হাতখন ওপৰলৈ দাঙিলে তেতিয়া বৰমুখ পৰিবলৈ ধৰিলে, হাত দঙাৰ অৰ্থ তেনেই স্পষ্ট—সেই দৃশ্য চাই জনতাই আকৌ হুৰাওৰাৰে কান্দি উঠিল। এবাৰ, দুবাৰ, তিনিবাৰ—সেই মহাপ্ৰাণ বন্দীয়ে আঙুলি লৰালে। কিন্তু চাওডাংহঁত আগবাঢ়ি আহিবলৈ সাহস নকৰিলে, সিহঁতৰ চকুও চকুপানীৰে উপচি পৰিছে। তেতিয়া মহালামা গৰাকীয়ে ক'লে, 'তোমালোকে কি কৰিছা, মোক পানীত ডুবোৱা।' চাওডাংহঁতে ভাৱাক্ৰান্ত মনেৰে তেওঁৰ কঁকালত গধুৰ শিল এচটা বান্ধি তেওঁক ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতত এৰি দিলে। অলপ পাছত তেওঁৰ যেতিয়া পানীৰপৰা উঠাই অনা হ'ল তেতিয়াও তেওঁৰ দেহত প্ৰাণ আছে। সেয়ে আকৌ দ্বিতীয়বাৰৰ বাবে পানীত ডুবোৱা হ'ল। দ্বিতীয়বাৰ উঠাই অনাৰ পাছতো দেহত প্ৰাণ থকাৰ প্ৰমাণ পোৱা গ'ল। তাত যি বিপুল জনতা থিয় হৈ আছিল তেওঁলোকে তেতিয়া চিঞৰি দাবী জনালে যে এতিয়া এওঁক মুক্তি দিব লাগিব। চাওডাংহঁতো বিবুদ্ধিত পৰিল এই দোধোৰ মোধোৰৰ মুহূৰ্তত এটা অত্যাশ্চৰ্য্য ঘটনা ঘটিল। সময় পাৰ হৈ যাবলৈ ধৰিছিল । সাধু লামাগৰাকীয়ে অলপ শক্তি ঘূৰাই পাই ক'লে, 'মোৰ বাবে শোক নকৰিবা। মোৰ এই অৱস্থাৰ যি কৰ্ম অছিল, সি শেষ হ'ল। এতিয়া মই তৃপ্তিৰে সৈতে বিদায় লৈছোঁ। মোৰ মাত্ৰ একেটি কামনা আছে—মোৰ মৃত্যুৰ পাছত তিব্বতত উত্তৰোত্তৰ বৌদ্ধধৰ্মৰ প্ৰসাৰ ঘটে যেন।' বেদনাহত চাওডাংহঁতে তেওঁৰ আদেশ পালন কৰিলে তাৰ পাছত তিব্বতৰ ৰীতি

অনুসাৰে তেওঁৰ দেহ টুকুৰাটুকুৰকৈ কৰ্‌তো তথা ব্ৰহ্মপুত্ৰৰ পানীলৈ নিক্ষেপ কৰা হ'ল।

বৌদ্ধ মন্দিৰবোৰৰ উভতি আহি গধূলি ছিজিয়াচুৱাঙৰ ৰেভলিউশ্যনাৰি কমিটিৰ অৰ্থাৎ সেই প্ৰাদেশিক চৰকাৰৰ ফালৰপৰা বিৰাট ভোজৰ আয়োজন কৰা হ'ল। সেই ভোজন-পৰ্বৰ বৰ্ণনা কৰাৰ সাধ্য মোৰ নাই। সেইদিনা বিভিন্ন শলাগণিৰে সৈতে আমালৈ একো একোখন বস্ত্ৰ উপহাৰ আগবঢ়োৱা হ'ল। ছিজিয়াচুৱাঙৰ সূতাকলত বোৱা হয়নে নহয় নাজানো—পিছে কাপোৰখিনি কপাহী সূতা আৰু ছিনথেটিক সূতা মিহলাই বোৱা।

সেইদিনাই সৈন্যসকল দলে-বলে গুচি গৈছিল। অকল কুও চিন লান আমাৰ সৈতে পিকিঙলৈ যাব। সৈনিক ল'ৰা-ছোৱালীহঁত ইমান ঘৰুৱা—ইমান নম্ৰ, সাজ সজ্জাবিহীন যে, সিহঁতক সৈন্য বুলিবলৈকে মন যায়। অৰ্থাৎ আমাৰ মনৰ সৈতে সৈন্য কথাষাৰৰ যি ভাব-চিন্তা জড়িত, তাৰ লগত এওঁলোকৰ একো মিল নাই। চীনাসকলে বহু শব্দৰ অৰ্থয়েই সলনি কৰি দিলে। সৈন্যসকলৰ মাজত বহুতকে আৰ্টিষ্ট যেন লাগিল। সাধাৰণ বগা কাগজৰ পেডৰ ওপৰত কলমেৰে খচখচকৈ স্কেচ আঁকি দিলে। এজনে মঙ্গেশ কোটনিছৰ প'ট্ৰেট দহ পোন্ধৰ মিনিটতে আঁকি পেলালে।

১৩ ডিছেম্বাৰ ৰাতিপুৱা আমি পিকিঙলৈ বুলি যাত্ৰা কৰিলো। ৮ তাৰিখে ৰাতি চীনদেশ পাইছিলোঁহি। এই চাৰি পাঁচ দিনৰ ভিতৰতে বহুতৰে সৈতে চা-চিনাকি হ'লোঁ, বহুতকে বেছ ভালেই পাইছোঁ। কাৰোবাক অলপ বেছি, কাৰোবাক কম। কি আচৰিত মানুহৰ এই মন!

স্টেশ্যনত দেখিলোঁ, ভালেকেইজন মান মানুহে একো একো পাচি আপেল কঢ়িয়াই লৈ আহিছে। পাচিবিলাক ওলামাই ল'ৰ পৰাকৈ সজা আৰু সূক্ষ্ম বাঁহৰ কাৰুকাৰ্য্য কৰা—দেখাত ইমান যে ধুনীয়া! বাটত খাবলৈ আমাৰ প্ৰত্যেকৰ বাবে একো একো পাচি আপেল গাড়িত উঠাই দিলে। চল্লিছ-পঞ্চাছটাকৈ আপেল আমাৰ কোনো এজনেও খাব পাৰিব বুলি নাভাবোঁ। তথাপি, তেতিয়াই এটা কথা

খাটাং কৰিলোঁ যে এই পাচিটো যেনেকৈয়েই নহওক দেশলৈ লৈ যাব লাগিব। ছিজিয়াচুৰাঙৰ কৰ্মযজ্ঞ শেষ হ'ল। এইবাৰ আমাৰ আমাৰ অন্ত ভ্ৰমণৰ পাল।

ৰেলত নিজৰ নিজৰ ভৰাত থানথিত লগাই বহি ল'লোঁ। এই সময়ছোৱাক উপযুক্ত কামত লগাব লাগিব। এই কেইদিন ইমান ব্যস্ততা আৰু লৰা-ধপৰাৰ মাজত আছোঁ যে আলোচনাৰ বাবে সময়েই নোপায়।

কৰিডৰেদি মং গৈ আছিল।

মই মাত লগালোঁ, "কমৰেড মং, কাম ইন।"

'কাম ইন্'টো নুবুজিলেও মোৰ ইচ্ছাটো বুজি পালে।

চৌ-ক লগত লৈ মং সোমালহি আৰু ক'লে, "অ'—তুমি আমাৰ so-called friendsইতৰ বিষয়ে জানিবলৈ বিচাৰিছা তেন্তে?'

মই আগতেই মঙক সুধিছিলোঁ, "তোমালোক ৰাছিয়ানসকলৰ ওপৰত ইমান ক্ৰুদ্ধ কিয়? তেওঁলোক দেখোন তোমালোকৰ বন্ধুয়েই।"

মঙে কৈছিল, 'ক্ৰুদ্ধ কিয়? বন্ধু? ওঁ, বন্ধু ঠিকেই—our so-called friends! এদিন সকলো বুজাই ক'ম।

এতিয়া মঙে ভাবিলে, মই বোধকৰোঁ সিহঁতৰ সৈতে কন্দলৰ কাহিনী শুনিবলৈ বিচাৰিছো। তেওঁ তাৰ বাবে সাজু হৈ ক'লে, "হয়, তোমালোকে জনা ভাল—ৰাছিয়ানইতৰ চৰিত্ৰ কি—আমাৰ ছ'কলড ফ্ৰেণ্ডছ।"

মই ক'লোঁ, "নহয়, আজি এই প্ৰসংগ নহয়। মই ফেমিলি প্লেনিং সম্বন্ধে আৰু অলপ জানিবলৈ বিচাৰিছোঁ।'

মোৰ মনত দুটা প্ৰশ্ন আছিল। এক, ফেমিলি প্লেনিং আনকি গাঁওবিলাকতো যেনেকৈ সফল হোৱাৰ কথা শুনিছোঁ—সেই ক্ষেত্ৰত কিমানদূৰ জোৰ জুলুম প্ৰয়োগ কৰিবলগীয়া হৈছিল। দ্বিতীয়, বিবাহৰ বয়স যিমানখিনি বঢ়াই দিয়া হৈছে, অৰ্থাৎ ছোৱালীসকলৰ পঁচিছ আৰু ল'ৰাইতৰ ত্ৰিছ,—তাৰ ফলত ডেকা-গাভৰুইতৰ মাজত উচ্ছৃংখলতা বঢ়া নাই কিয়? বঢ়া যে নাই, সেই সম্বন্ধে মই ইতিমধ্যে দেখা ডেকা গাভৰুহতৰ ৰেহ ৰূপ চাই নিসন্দেহ হৈছো। ধীৰ নম্ৰ স্বভাব—পৰিষ্কাৰ-পৰিচ্ছন্ন সাজ পাৰ—নাৰী-পুৰুষ সদায় সকলোতে একেলগ হৈ আছে, অথচ আশ্চৰ্য্য নিৰ্বিকাৰ। অন্তত ইমানবাৰ ইঅ'ৰোপত ঘূৰি ফুৰি যিবোৰ দৃশ্য প্ৰত্যক্ষ কৰিছোঁ আৰ ফলত কেতিয়াবা কেতিয়াবা মনত

তাৰ হৈছে যে, পাশ্চাত্য জগতে এটা বিশেষ বিষয়ত মানুহ আৰু কুকুৰৰ প্ৰভেদ হেৰুৱালে।

মোৰ এগৰাকী আত্মীয় লণ্ডনলৈ গৈ হাইড পাৰ্কৰ দৃশ্য দেখি বিহ্বল হৈ পৰিছিল। তাৰ পাছত মানুহৰ সকলো কথা যেনেকৈ অভ্যাসত পৰিণত হৈ যায় তেওঁৰো তেনে হৈ গ'ল। এনেতে তেওঁৰ সৰু ভায়েকজন লণ্ডনলৈ যোৱাত তেওঁ বিবুধিত পৰিল আৰু তেওঁৰ পত্নীলৈ লিখি পঠিয়ালে যে, এই দেশত ভায়েকৰ সৈতে একেলগে বাটত ওলাব নোৱাৰি। নিজম নিশা মানুহৰ নিভৃততম অভিজ্ঞতাক প্ৰকাশ্য দিবালোকত অপৰিচিত কৌতূহলী সহস্ৰ চকুৰ আগত এইদৰে উদ্‌ঘাটিত কৰাৰ মাজত যে আদিম অৰণ্যবাসী মনৰ পৰিচয় দাঙি ধৰে, সি অৰণ্যতেহে শোভা পায়, সভ্য মানুহৰ লোকালয়ত নহয়।

এই বিষয়ত চীন, জাপান আৰু ভাৰতৰ মনোভাব প্ৰায় একেই। পিছে জাপানীসকলেই বোধহয় অতি আৰু স্বাভাবিক সংযমী। তেওঁলোকে কোনো মানোভাৱেই উগ্ৰভাৱে প্ৰকাশ নকৰে। কোনো এগৰাকী জাপানী লেখিকাই লিখা এখন কিতাপ 'Daughter of a Samurai'ত লেখিকাৰ আমেৰিকা ভ্ৰমণৰ অভিজ্ঞতা পঢ়িছিলো। প্ৰথম যিদিনা ছিনেমা বা থিয়াটাৰ চাবলৈ গৈছিল, মঞ্চৰ ওপৰত আলিংগন আৰু চুম্বনৰ দৃশ্য দেখি আতংকিত হৈ উঠিছিল এইগৰাকী ছামুৰাই-কন্যাই। তেও তেওঁৰ আমেৰিকান বান্ধবীক শংকিতভাৱে প্ৰশ্ন কৰিছিল—'এয়ানো কি। এইবোৰ জানো প্ৰকাশ্য ভাব?'

আমেৰিকান বান্ধবীজনীয়ে ক'লে, 'তোমালোকৰ দেশত যেতিয়া প্ৰেমিক প্ৰেমিকাই ফৰিংফুটা জোনাক নিশা প্ৰেম আকলুৱা হৈ উঠে তেতিয়া তেওঁলোকে কি কৰে, এনেকুৱাই নকৰেনে?'

ছামুৰাই-জীয়ৰীয়ে বিস্ময়াভিভূত হৈ ক'লে, "এনেকুৱা কৰিব?—তেতিয়া প্ৰণয়ী যুগলে আত্মসংযম কৰিবলৈ পৰস্পৰৰ পিনে পিঠি দিহে বহিব।"

চীনদেশত ইমানখিনি নহ'লেও ছিনেমাত, বেলেত, চলন-ফুৰণত ক'তো যৌনভংগিমা আমাৰ চকুত পৰা নাছিল। পিছে বৎসলাই এদিন মোক কৈছিল যে তেওঁ পিকিং হোটেলত এহাল ডেকা-গাভৰুক চকুৰে চকুৰে কথা পাতি থকা দেখিছিল।

যি কি নহওক, মই মণ্ডক ক'লো, "আমাৰ দেশত ফেমিলি প্লেনিঙৰ বিষয়টো

'অনন্ত' প্ৰশ্ন,—অথচ তোমালোকে এই প্ৰশ্নৰ সম্পূৰ্ণ সমাধান কৰিলা—এইটো বৰ আচৰিত কথা। সেয়েহে মই আৰু বিস্তাৰিত জানিবলৈ বিচাৰিছোঁ। আমাৰ ধাৰণা, জোৰ-জুলুম নকৰিলে উপায়েই নাই।"

মঙে ক'লে, "মানুহক ঠিকমতে বুজাব আৰু সহায় কৰিব পাৰিল জোৰজুলুমৰ কোনো প্ৰয়োজনেই নহয়। আমি আন সকলো উপায়তকৈ ঔষধকে শ্ৰেয় বুলি ভাবোঁ। এই ঔষধ গাঁৱৰ চুকে কোণে তিৰোতাসকলৰ হাতত পৰেগৈ আৰু ঔষধৰ চাহিদাই উৎপাদনক চেৰাই গৈছে।"

মই সুধিলোঁ, "কই আলিয়ে মোক কৈছে যে, তেওঁ এটা এবৰশ্যন কেছ দেখিছিল—ছোৱালীজনীয়ে পোন্ধৰ মিনিটৰ বাবে চকী এখনত বহি তাৰ পাছত খোজকাঢি ওলাই গুচি গ'ল। এয়ানো কেনেকৈ সম্ভৱ?"

এই প্ৰশ্নৰ উত্তৰত জানিলোঁ যে আকুপাংচাৰ এনেস্থেশ্বিয়াৰে অতি সহজেই এই বিষয়টো এক বিশেষ চৈনিক পদ্ধতিৰ যোগে সম্পাদন কৰা হয়। তেজ একেবাৰে নোলায়, অলপো কষ্ট অনুভৱ নহয়। ৰোগিণীয়ে এঘণ্টামান জিৰণি লৈ কাম-বন কৰিব পাৰে। সেই পদ্ধাতৰ বিশেষত্ব কি, সেই কথাও শুনিছিলো মই। কিন্তু মই ডাক্তৰ নহওঁ, গতিকে সকলো কথা বুজাই ক'ব নোৱাৰিম। পিছে শীঘ্ৰেই এই বিদ্যাৰ আদান প্ৰদান হ'ব আৰু মানুহৰ আবিষ্কৃত বিদ্যা মানুহৰ কামতে লাগিব বুলি আশা পালি আছো। আকুপাংচাৰ এনেস্থেশ্বিয়াৰ যহতে দুৰণিবটীয়া গাঁৱতো প্ৰায় বিনা খৰচত এইবোৰ কাম সম্পন্ন হ'ব। পিছে এতিয়ালৈকো চানৰ কৃষকসকলে ছোৱালীতকৈ ল'ৰা জন্মিলেহে ভাল পায় আৰু ছোৱালী হ'লে পিছৰ বাৰ এটা ল'ৰাৰ বাবে কামনা কৰে।

মঙক মই যিমানেই প্ৰশ্ন নকৰোঁ কিয়, তেওঁ তাৰ যথাসাধ্য উত্তৰ দিয়ে। অৱশ্যে সকলো উত্তৰ সঠিক হয় নে নহয় নুবুজোঁ। ৰেলৰ সৰু ডবাটোত চোৰ ছিগাৰেটৰ ধোঁৱাই গুলুম বান্ধিছে। ম, আৰু লীএ ছিগাৰেট একদম নাখায়। যা হওক, ছিগাৰেটৰ এই ধোঁৱাৰ বাবেই প্ৰশ্নোত্তৰৰ আধ্যা পেলাম বুলি যেতিয়া ভাবিছো, ঠিক তেতিয়াই আন এটা কথা মনত পৰিল। মোক এগৰাকী পাদুৰীয়ে কৈছিল, চীনাসকলে জবৰদস্তি কৰি ত্ৰিছ বছৰ বয়সলৈকে ল'ৰাইতক স্ত্ৰী-সংসৰ্গ কৰিবলৈ নিদিয়ে। সেয়েহে মই সুধিলোঁ, এইকথা সঁচা হয়নে নহয়।

মঙে ক'লে, "এনেকুৱাও হ'ব পাৰেনে? কালচাৰাল ৰেভলিউচনৰ সময়ত, মং মাৰ্ক্সৰ কাগত কিমান যে অসংগত মিলন হৈছিল—। পিছে জানা, কাম-বনত খুব ব্যস্ত হৈ থাকিলে এইবোৰলৈ সিমান মন-কাণ নাযায়। পাশ্চাত্য দেশত প্ৰাচুৰ্য্য আৰু লাহ-বিলাহৰ মাজত আন একো কৰিবলৈ নথকাৰ ফলত আৰু উচ্চ আদৰ্শ নথকাৰ বাবে চেমনীয়াইঁতো সহজেই উচ্ছৃংখল হৈ পৰে।"

মোৰ ধাৰণা হ'ল, কথাষাৰ ঠিকেই। আমাৰ দেশতো অগ্নিযুগৰ ল'ৰাইঁতে ব্ৰহ্মচৰ্য্যৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছিল। বিবেকানন্দ আৰু তেওঁৰ শিষ্যসকলে কামিনী নহ'লেও কাম পৰিত্যাগৰ কথা বাৰে বাৰে কৈছিল।

মং যোৱাৰ পাছত বৎসলা আৰু মই বহি এই বিষয়ে আলোচনা কৰি আছিলোঁ।

আমেৰিকা ফিৰৎ বৎসলাই ক'লে, "নীক মানহাটানৰ নাইটক্লাবত এৰি দিলে কেনে কথা হ'ব?"

মই ক'লোঁ, "আৰু ফলি বাৰ্জাৰত?"

মই মনতে ভাবিছোঁ, ঋষ্যশৃঙ্গ মুনিৰ দৰে অৱস্থা হ'ব চাগৈ—

'কোন দেৱ আজি আনিলা দিবা,
তোমাৰ পৰশ অমৃত সৰল
তোমাৰ নয়নত দিব্য বিভা।"

মই ক'লোঁ, "বৎসলা, মঙে কিজানি তেতিয়া মাও চে তুঙৰ পাঠ সুঁৱৰিব। সদায় ৰাতি যি পাঠ মুখস্থ কৰে—'কোনো কষ্টলৈ ভয় নাথাবা, বিপদত দিশহাৰা নহ'বা, দণ্ড বা মৃত্যু যিয়েই নাহক ভয় ত্যাগ কৰা'।"

বৎসলাই ক'লে, "হৈছে হৈছে, থোৱা হে থোৱা। মুখেৰে যিয়েই বেলবেলাই নাথাকক এই শক্তিকাৰ ল'ৰা—সেই কথা নাপাহৰিবা—যথেষ্ট 'চালু' সি।"

বিদায় লোৱাৰ আগতে মং উঠি থিয় হ'ল। ডুবাৰথন অলপ ঠেলি দিয়াৰ লগে লগেই ধোঁৱা ওলাই গ'ল।

আৰু কিবা প্ৰশ্ন আছে?"

'আপাতত নাই।"

মঙে ক'লে, "যদি উপযুক্ত আদৰ্শ আগত থাকে, যদি যথেষ্ট কাম থাকে, কামত ৰাপ থাকে, তেনেহ'লে মানুহক সহজে কোনো বিভ্ৰান্তিয়ে জুমুৰি দি ধৰিব নোৱাৰে।"

মং গুচি যোৱাৰ পাছত মই ভাবি থাকিলোঁ বিভিন্ন দেশৰ বিভিন্ন কথা। বিশেষকৈ ৰব-অৰ কথা হঠাতে মোৰ মনত পৰিল। ঠিক হঠাতে নহয়, মই প্ৰায়েই তাৰ কথা ভাবোঁ। আমাৰ চহৰৰ বাটে পথে গৈ থাকোঁতে অধলা সাজ-পাৰ, লেতেৰা মলিন বেশৰ শ্বেতবৰ্ণ যুৱক-যুৱতীহঁতক দেখিলেই মোৰ ৰবৰ কথা মনত পৰে। আনকি, সাজি কাচি কাৰ্তিক হেন হৈ ঘূৰি ফুৰা ডেকাহঁতক দেখিলেও তাৰ কথা মনত পৰে।

ৰবৰ মাকে কৈছিল, ৰবৰ কোনো motivation নাই। কিন্তু ইমান ধনী ঘৰত সুখৰ মাজত ডাঙৰ দীঘল হৈ উঠিও কিয় তাৰ কোনো motivation নাথাকিব সেইটো আমাৰ দেশতো চাৰিআলিৰ মূৰে মূৰে, অ'ত ত'ত উঠি অহা ডেকাল'ৰাহঁতৰ আড্ডাত দেখা যায়। দিনৰ ভাগৰ কৰ্ম-ব্যস্ততাৰ সময়ত সিহঁতৰ এই বসপম নথকা আড্ডাৰ দৃশ্য দেখি কোনোবা বিদেশীয়ে ভাবিব পাৰে যে, ইহঁতৰ কোনো ম'টিভেশ্যন নাই। কিন্তু কথাটো ঠিক তেনে তো নহয়। ইহঁতৰ ম'টিভেশ্যন আছে—নাই কেৱল কাম, আৰু অন্ন, পেটত ভোকৰ কলমলনি লৈ এওঁলোকে দুৱাৰে দুৱাৰে চাকৰি বিচাৰি ফুৰিছে। এওঁলোকৰ যথেষ্ট কৰ্মস্পৃহা থকা বাবেইহে তথাকথিত নেতাসকলে তেওঁলোকৰ সুযোগ-সুবিধামতে এওঁলোকক ব্যৱহাৰ কৰিছে। এওঁলোকে ইলেকচনৰ সময়ত ভূতৰ দৰে খাটিছে, চান্দা তুলিছে, শ্ল'গান দিছে দেৱালত লিখিছে, আৰু কিছুদিনৰ পাছত দেখা পাইছে— যিসকলৰ বাবে ইমান শ্ৰম কৰিলে, তাৰ বিনিময়ত আন কিবা বস্তু বাদেই, মৰম এধানিও নিদিলে তেওঁলোকে। আমাৰ এই সকলো দিশতে লাঞ্চিত ল'ৰাহঁতৰ দুখৰ ইতিহাস লিখিবলৈ ল'লে আৰু এখন মহাভাৰত হ'বগৈ। তথাপি এই ল'ৰাহঁতে শ্ৰদ্ধা হেৰুউৱা নাই, আৰু হেৰুউৱা নাই মানুহৰ প্ৰতি বিশ্বাস। ঔৎসুক্য, উৎসাহ আৰু কৌতূহল—জীৱনক বিস্তৃত আৰু পূৰ্ণ কৰি তোলাৰ এই প্ৰাথমিক গুণবোৰ এতিয়ালৈকো হেৰুউৱা নাই।

কিন্তু কৰ্মময় বৈজ্ঞানিক জগতক নব নব আবিষ্কাৰ কৰ্মেৰে সমৃদ্ধ সমৃদ্ধিশালী দেশৰ ল'ৰাহঁতক দেখি সঁচায়ে আচৰিত হওঁ। এওঁলোকে নো কিহৰ দুখত

এইদৰে খানখিত নোহোৱা হৈ লেতেৰা পোছাক-পাতি পিন্ধি অ'ত ত'ত ঘূৰি ফুৰিছে? নাইবা ভাৰতে এৰি পেলোৱা কেতবোৰ পুৰণি অভ্যাসত ধৰাৰ হৰি সংকীৰ্তন কৰি উৰ্ধবাহু হৈ কি স্বৰ্গলাভ কৰিছে নাজানো। পাশ্চাত্য জগতৰ যুৱকইতৰ উদ্‌ভ্ৰান্ততাৰ এই প্ৰভাৱ গোটেই জগতক কিমানখিনি পৰিৱ কোনে ক'ব।

আমেৰিকাৰ এটা পৰিয়ালত পাঁচ ছদিনমান আলহী হৈ আছিলো। বেছ আঢ্যৱন্ত পৰিয়াল। গিৰিয়েক-ঘৈণীয়েক দুয়ো উপাৰ্জনশীল। আবেলি আবেলি এজনী বান্ধনীয়ে আহি বান্ধি-বাঢ়ি দি থৈ যায়—তেওঁলোক ইমানেই আঢ্যৱন্ত পৰিয়াল। ভদ্ৰমহিলা খুব সৰল। কথাই কথাই এদিন ক'লে যে ভাৰতবৰ্ষলৈ যাবলৈ তেওঁৰ বৰ ইচ্ছা। কলিকতা বা দিল্লীৰ ৰাজআলিত কোনোবাই হাতীৰ পিঠিত উঠি ফুৰেনে কি সেই কথাও সুধিলে। কিন্তু দুখেৰে ক'লে যে ভাৰতলৈ তেওঁ কেতিয়াও যাব নোৱাৰিব, কিয়নো তেওঁৰ স্বামীয়ে কয় যে ভাৰত বৰ দৰিদ্ৰ দেশ। আৰু দাৰিদ্ৰ্যক তেওঁৰে স্বামীয়ে ঘৃণা কৰে। এওঁলোকৰ দুটি ল'ৰা। এটিৰ নাম পেট্ৰিক—ওঠৰ বছৰ বয়স, আনটিৰ নাম বব—বয়স বিছ। প্ৰথম দিনা বব খোৱামেজলৈ আহিল সকলোৰে খাই-বৈ অঁতোৱাৰ পাছত। দীঘল জপৰা চুলি আৰু দাঢ়ি। কদাকাৰ লেতেৰা চোলা পেণ্ট। কলে, "ভোক লাগিছে।

মাকে ততাতুৰুতাকৈ খোৱাবস্তুবোৰ তপতাই দিলে।

কাঁটাৰে অলপমান তুলি লৈ মুৰ দাঢ়ি মুখ বিকটাই ক'লে, "নাহ্, ভোক নাই।"

মাকে খোচামতি কৰিবলৈ ধৰিলে, 'ক'—কি খাবি ক'চোন? দুটা কণীৰে কটিকে ভাজি দিওঁনে?"

"দিয়া।"

মাকে কটি ভাজি দিলে। এখুটুৰা মুখত ভৰায়েই প্লেটখন ঠেলা মাৰি থৈ দিলে 'I am not hungry"

মাকে বিমৰ্ষভাৱে খোৱাবস্তুবোৰ পেলাই দিলে, বাচন-বৰ্তন ধুলে, চকুলো ওলাল। ক'লে, 'তাৰ কোনো বিষয়ত কোনো ম'টিভেশ্যন নাই। কলেজলৈ পঠাওঁ—যাব লাগে যায়। এতিয়া তিনি মাহৰ বন্ধ চলিছে। কিবা এটা কৰিব বুলি বিশ্বাস নাই।"

ববে তেতিয়াই চোলা এটা পিন্ধি ওলাই গ'ল। মাজনিশা ঘৰলৈ ঘূৰিব। ল'ৰা-ছোৱালী ক'লৈ যায় কি কৰে সেই কথা সোধাৰ সাহস কোনো মাক-দেউতাকৰেই নাই। কেতিয়া ঘূৰিব সেই কথাও নোসোধে।

সেইদিনা ৰাতি বাৰমান বজাত বব উভতি আহিল। আহি বহুতোপৰলৈকে টেলিভিজন চালে। ৰাতি দুই বজালৈকে গ্ৰামোফোন বজালে আৰু পাছ দিনা ভৰ দুপৰলৈকে টোপনিয়াই থাকিল। ববৰ মাকক ক'লোঁ, "ল'ৰাক জগাই দিয়ানা— ইমান পৰলৈকে শুই আছে—।"

মাক আতংকিত ক'লে, "নাই নাই—। তুমি তোমাৰ ল'ৰাক জগাই দিয়া নেকি ?"

"চাৰে ছ বজাৰ ভিতৰত টোপনিৰপৰা ঠেলি জগোৱাটোৱেই মোৰ অভ্যাস। যিমান দিন জীয়াই আছোঁ কৰিম।"

"কোনো হাই কাজিয়া নহয় ?"

"মাজে সময়ে কেতিয়াবা অলপ খেচ খেচ কৰে হয়তো, আৰুনো কি কৰিব ?"

যিকেইদিন তাত আছিলোঁ, দেখিলোঁ, সিহঁতৰ মাক এমিলিৰ ল'ৰা দুটাক লৈ চিন্তাৰ অন্ত নাই। দুয়োটি ল'ৰায়েই এ'ক। পিছে ববহে বেছি উদন্ত উংপতীয়া। কোনো দিনেই সি সময় মতে ঘৰলৈ নোভতে, ঠিকমতে নাখায়। তদুপৰি কাজিয়া পেচাল কৰি তাৰ গাৰ্ল ফ্ৰে'ণ্ডজনী গুচি যোৱা প্ৰায় তিনি মাহ মান হ'ল, এতিয়ালৈকে আন এজনী সাঙুৰি ল'ব পৰা নাই। এই কথাতো ববৰ মাক চিন্তিত।

তেওঁ ক'লে, "ছোৱালীজনী বেছ ভালেই আছিল, মোৰ বৰ পচন্দ হৈছিল। কি যে হ'ল।"

"কি হ'ল ল'ৰাক নোসোধা কেলেই ?

"সুধিছিলোঁ। সি কয়, তাই বৰ heartless Perhaps she didn't want to sleep with him "

এই ববক লগত লৈ মই এটা পুৰা দিনৰ বাবে ভয়ংকৰী নিউয়ৰ্ক নগৰীলৈ ওলোৱাৰ আঁচনি পাতিলোঁ।

"বব, মই অকলশৰে মানহাটানলৈ যাব নোৱাৰিম, বাট হেৰুৱাম কিজানি। তুমি মোৰ লৈতে ব'লা।" বহু কষ্টেৰে বুজাই-বঢ়াই লগত লৈ ৰাওনা হ'লোঁ।

বিঅ'বছাইড ৰ'ডৰপৰা মানহাটানলৈ বাছেৰে বোধহয় পঞ্চলিছ মিনিটমান লাগিল। ধুনীয়া বাছ, ভিৰ নাই, তথাপি সি নামিয়েই ক'লে, "মৈত্ৰেয়ী, মই ভাগৰি পৰিছোঁ—I am tired, are you tired ?"

মই অবাক।

"এইমাত্ৰে ওলালোঁ দেখোন, ভাগৰি পৰিম কেনেই ?"

কোনোমতেহে তাক লৈ গন্তব্যস্থল পালোঁগৈ। নিউয়ৰ্ক টাইমছৰ অফিছত এগৰাকী সম্পাদকৰ সৈতে সাক্ষাৎ কৰিব লাগিব। দুৱাৰমুখলৈকে গৈয়েই ৰবে ক'লে যে সি ভিতৰলৈ নোসোমায়, বাহিৰ'ত বহি ক্ৰছৱাৰ্ড কৰি থাকিব। কিয়নো সি ক্লান্ত, অতি ক্লান্ত। আমাৰ দেশত বিছ বছৰীয়া কলেজীয়া ল'ৰা এজনে আনন্দবাজাৰ পত্ৰিকাৰ সম্পাদকৰ সৈতে সাক্ষাৎ কৰিবলৈ পালে ভালেই পালেহেঁতেন, জেপৰপৰা কিজানি দুই-এটা কবিতাও উলিয়ালেহেঁতেন। কিন্তু ৰব ক্লান্ত। জোৰ কৰিয়েই তাক লগত গৈ সোমালোঁ গৈ। সম্পাদক ভাঙৰীয়াই এটি দীঘলচুলীয়া বিদ্ৰোহী বালকক দেখি ৰব আলহ-উদহ কৰিবলৈ ধৰিলে।

যৌৱনৰ অখণ্ড প্ৰতাপ।

সকলোৱেই সন্ত্ৰস্ত।

পিতৃ মাতৃৰপৰা আৰম্ভ কৰি সম্পাদকলৈকে।

ওলাই অহাৰ পাছত ৰবে ক'লে "তোমালোকেনো ইমান কথা চোবোৱা কেনেকৈ ? তোমালোকে দেখিছোঁ খুব ভবা-গুণাও কৰিব পাৰা। ৰব ইণ্টাৰেষ্টিং।"

সিদিনা তিনি ঠাইলৈ যোৱাৰ তথা সাক্ষাৎ কৰাৰ কথা আছিল। প্ৰতি ঠাইত প্ৰতিবাৰেই সোমাওঁতে ৰব ক্লান্ত আৰু অনিচ্ছুক হৈ পৰে। শেষৰ বাৰ আৰু সি নোসোমালেই। দুৱাৰমুখৰ ওচৰতে বহি ক্ৰছৱাৰ্ড কৰি থাকিল। ঘৰলৈ উভতি আহি অৱশ্যে ফটা চোলাটোৰ ওপৰত আৰু এটা চোলা পিন্ধি (ফটা চোলা টকাৰ অভাৱত নহয়, ভাল চোলাকে ফালি লৈছে চাগৈ।) ওলাই গ'ল। ৰাতি এক বজাতহে ঘূৰিব। 'হয়তো'।

গোটেই দিনটোৰ বিৱৰণ শুনি ৰবৰ মাকে ক'বলৈ ধৰিলে, "সি যদি ইয়ানেই

ক্লান্ত—ওলাইছিল কিয় ?"—অথচ ল'ৰাক কিবা এটা কোৱাৰ সাহস এই ভদ্রমহিলা বা তেওঁৰ স্বামীৰও নাই। এমিলিয়ে ক'বলৈ ধৰিলে, "বৰ কিন্তু আগতে এনেকুৱা নাছিল। ডুবছৰমানপৰাহে একেবাৰে ৰসাতললৈ গ'ল। পেট্রিকক ববৰপৰা আঁতৰাই ৰখাতহে এনে কাণ্ড ঘটিল। সিহঁত ভাই-ককাই হালৰ মাজত খুব মিলাপ্রীতি আছিল। ককায়েক বুলিলে মৰিব পাৰে পেট্রিকে ! ককায়েকৰ বন্ধু-বান্ধৱেই তাৰো বন্ধু বান্ধব। আমি ভাবিলোঁ, পেট্রিক ডাঙৰ হৈ আহিছে—এইদৰে ববৰ ছাঁটো যেন হৈ থাকিলে তাৰ ব্যক্তিত্বৰ বিকাশ নহ'ব। তেতিয়া ডাক্টৰৰ কাষ চাপিলোঁ।"

মই চমকি উঠিলোঁ—"ছাইকিয়াট্রিস্টৰ কাষ চাপিলানে কি ?"

"ওঁ, খুব ভাল ডাক্টৰজন। তেওঁ পৰামৰ্শ দিলে যে কলেজৰ বন্ধৰ দিনত ববক কোনোবা দূৰ দেশলৈ পঠিয়াই দিয়ক। আৰু পেট্রিকে যাতে নিজৰ বন্ধুবান্ধৱ নিজে গোটাই পিটাই লয় সেইফালে চকু দিয়ক। তেওঁৰ সুপৰামৰ্শৰ ফল ভালেই হৈছে। পেট্রিকৰ ব্যক্তিত্বৰ বিকাশ হৈছে, তাৰ নতুন বন্ধু বান্ধৱ হৈছে—এতিয়া আৰু সি ককায়েকক কেৰেপেই নকৰা হ'ল।

'ইপিনে বব টেক্সাছৰপৰা উভতি আহি খঙতে অগ্নিশৰ্মা। সি গুজৰিবলৈ ধৰিলে, কিয় মোৰ ভাইক মোৰপৰা আঁতৰাই নিলা ? আমি দুয়ো বন্ধু আছিলোঁ, তোমালোকৰনো কোন লোকচান হৈছিল ? সেই যে সি আমাৰ ওপৰত বিৰূপ বিতুষ্ট হ'ল মৈত্রেয়ী, তাক আৰু আগৰ অৱস্থালৈ ঘূৰাই আনিব নোৱাৰিলোঁ।"

মই স্তম্ভিত।

সেই ছাইকিয়াট্রিস্ট।

'খাল কাটি কুম্ভীৰ অনা' ইংৰাজী বথাষাৰ মনত পৰা নাছিল তেতিয়া। নহ'লে ক'লোহেঁতেন যে তুমিয়েই খাল কাটি ছাইকিয়াট্রিস্ট আনিছিলা লেখোন।

মই তেওঁক লক্ষ্মণ আৰু ভৰতৰ কাহিনীটো ক'লোঁ। ৰামায়ণ অলপ আওৰাই এধানি পুণ্য সঞ্চয় কৰিলোঁ। আমাৰ দেশত প্রেম আৰু ভক্তিৰ আদৰ্শৰ কথা বুজাই ক'বলৈ চেষ্টা কৰিলোঁ। স্বামী-স্ত্রী, পিতৃ-মাতৃ, জ্যেষ্ঠ-কনিষ্ঠ ভ্রাতা ইত্যাদি সকলো সম্পৰ্কৰ মাজত এক চূড়ান্ত মৰম চেনেহ আদৰ্শ আছে—যাৰ বাবে মানুহে সকলো

পৰিত্যাগ কৰিব পাৰে। তাৰ ফলত ব্যক্তিৰ ব্যক্তিত্ব, মনুষ্যত্ব—একেবাৰেই নষ্ট নহয়। ভৰতৰ ব্যক্তিত্ব নাছিলনে? তেওঁ মাকৰ পৰামৰ্শ অনুসাৰে ছেগ বুজি ৰামচন্দ্ৰক আঁতৰাই ৰাজ্য অধিকাৰ কৰাহেঁতেন তেওঁৰ ব্যক্তিত্বৰ বিকাশ অধিক হ'লহেঁতেননে? ক'ব পাৰা—এইবোৰ হ'ল পৌৰাণিক কাহিনী। কিন্তু আধুনিক দৃষ্টান্তও নথকা নহয়। যেনে—ভেন গগ আৰু তেওঁৰ সৰু ভায়েক। পেট্ৰিকে নিজতকৈ তাৰ ককায়েকক অলপ বেছি ভাল পোৱাহেঁতেন তাৰ কোন ক্ষতিয়েই নহ'লহেঁতেন। বৰঞ্চ তাৰ ফলত তাৰ স্বাভাবিক চিত্তবৃত্তিৰ বিকাশ হ'লহেঁতেন, তাৰ চৰিত্ৰ অধিক সুন্দৰ হ'লহেঁতেন।

ভদ্ৰমহিলাই মোৰ কথা শুনি যেন অঠাই সাগৰত পৰি ল—"মই—মই তো খুব ভাল ডাক্তৰৰ পৰামৰ্শ লৈছিলোঁ।"

মই সুধিলোঁ, "সেই ডাক্তৰজনে কেতিয়াবা ভাবিছিলনে, যে তেওঁলোকৰ জীৱনত কোনো আদৰ্শ নথকা বাবেই এই প্ৰজন্মৰ ল'ৰা ছোৱালীহঁত ইমান উদ্‌ভ্ৰান্ত দিশহাৰা হৈ পৰিছে?"

এই মন্তব্য শুনি এমিলি আৰু আচৰিত হ'ল, "কি আদৰ্শৰ কথা কৈছা? কি আদৰ্শ নাই?'

"তুমিয়েই মোক কৈছিলা—তোমালোকৰ আগৰ ঘৰৰ ওচৰত এটা নিগ্ৰো পৰিয়ালে ঘৰ লোৱাত তোমালোক তাৰপৰা গুচি আহিছা।'

ওঁ। কিন্তু আমি তো সিহঁতক একো কোৱা নাছিলোঁ।'

"ঠিকেই। কিন্তু এই কথাও ঠিক যে, কোনোবা চুবুৰিলৈ নিগ্ৰো পৰিয়াল আহিলে তোমালোকে বগাহঁত তাৰপৰা ইজনৰ পিছত সিজনকৈ আঁতৰি যোৱাগৈ, আৰু তেওঁলোকেও এজনৰ পিছত আনজনকৈ আহি গোট খায়হি। হয়নে নহয়? কিয়, নিগ্ৰোসকল মানুহ নহয়নেকি?"

'কিন্তু এই কথাৰ লৈতে ববৰ আঁকোৰগোঁজালিৰ কি সম্পৰ্ক?

"ময়ো তাকে ভাবিছোঁ। কিন্তু আছে, সম্পৰ্ক আছে। যিসকলে এই দেশখনক আদৰ্শ মানুহৰ দেশ হিচাপে গঢ়ি তুলিব খুজিছিল, তেওঁলোকে তোমালোকক এনেবোৰ কাম কৰিবলৈ হাক দিছিল।"

কোনেনো?"

'এগৰাকীৰ নাম কওঁনে? এব্ৰাহাম লিন্‌কনৰ নাম নিশ্চয় শুনিছা?"

"নিশ্চয়, বাহ্! তেওঁ আমাৰ প্ৰেছিডেণ্ট আছিল। তেওঁৰ কালতে ছিক্কিম ওবাৰ হ'ল।"

ইত্যাদি ইত্যাদি।

১৩ ডিছেম্বাৰৰ দুপৰীয়া ১ বজাত পিকিং পালোহি।

ছিজিয়াচুৱাঙত থাকোঁতে ডা বাহুৱে মোক কৈছিল যে পণ্ডিত বিশ্বম্ভৰনাথ পাণ্ডেও পিকিঙলৈ আহিছে। মই বৰ আচৰিত হ'লোঁ। এওঁ ইন্দিৰা গান্ধীৰ বিশ্বাসী মানুহ আৰু এগৰাকী নমিনেটেড এমপি। আমি চীনলৈ ৰাওনা কৰাৰ দিনদিযেকৰ আগতে এওঁ মোৰ সৈতে সাক্ষাৎ কৰিবলৈ আহিছিল আৰু কৈছিল, যে, বিজয়বাবুৱে তেওঁক সাদৰ নিমন্ত্ৰণ জনাইছিল, তথাপি তেওঁ এইবাৰলৈ নাযায় আৰু জানিবলৈ বিচাৰিলে মই যাম নে নাযাওঁ। মই ক'লো, 'অনাদৰ নিমন্ত্ৰণ পালেও মই যামেই। আনকি বিনা নিমন্ত্ৰণতো যাবলৈ সাজু। সুযোগ পালে চীনলৈ নগৈ পাৰোঁনে?"

বিশ্বম্ভৰনাথে ক'লে, "এতিয়া প্ৰচণ্ড শীত। তদুপৰি মোৰ দেহায়ো নটনা হ'ল।"

মই কলো, 'মোৰো অৱস্থা তথৈবচ। কিন্তু শীতৰ ভয়ত চানলৈ নাযাম—সেয়া হ'বই নোৱাৰে।'

তেতিয়া শ্ৰীযুত পাণ্ডেই কলে, আৰু ইন্দিৰা গান্ধায়ে মোক ক'লে, ইমান খৰখেদা কিহৰ—লাহে ধাৰে আগবঢ়াই ভাল।

মই ক'লো, 'মোৰ মতে বন্ধুত্বৰ খোজ খৰতকীয়া হোৱাই বাঞ্ছনীয়।"

বিশ্বম্ভৰনাথ একমত নহ'ল। বিশেষকৈ 'কৰ্ত্ৰী'পক্ষৰ অমতৰ সম্ভাৱনাত তেও চিন্তিত আছিল। এতিয়া হঠাতে উৎসৱ শেষ হৈ যোৱাৰ পাছত অৰ্থাৎ নিমন্ত্ৰণৰ আচল কাৰণ শেষ হোৱাৰ পাছত তেওঁ কিয় আহিল তাকে নুবুজিলোঁ।

বিজয়বাবুৱে ক'লে, ময়ো নুবুজিলোঁ। পিছে কৰ্ত্ৰীগৰাকীয়ে খুব সম্ভৱ এতিয়া অনুমতি দিলে।"

চীনাসকল কিন্তু অতিশয় আনন্দিত। তেওঁলোকে বিজয়বাবুক কৈছে,

যেয়েই নাহক, যেতিয়াই নাহক, যাৰে মানুহ হয় হওক—আমি আনন্দিত॥ আমি ভাৰতৰ লৈতে বন্ধুত্ব হোৱাটো বিচাৰোঁ।

হোটেললৈ ঘূৰি অহাৰ পাছত সিদিনাৰ একমাত্ৰ চমকপ্ৰদ ঘটনা হ'ল বিশ্বস্তৰ পাণ্ডে মহাশয়ৰ লৈতে সাক্ষাৎকাৰ। নিৰামিশাৰী শ্ৰীযুত পাণ্ডেই খোৱা-বোৱাৰ পাছত ওপৰলৈ আহিছিল, কৰিডৰতে ভেটাভেটি।

মই সুধিলোঁ, "কি, ঠাণ্ডা কমিল ?"

তেওঁ ঢেকঢেককৈ হাঁহিলে মাথোন।

সিদিনা ৰাতি শ্ৰীনাৰায়ণনে আমাৰ বাবে বেংক'ৱেটৰ আয়োজন কৰিলে। তেওঁ ভাৰতীয় এখাছিলৈকে আমাক নিমন্ত্ৰণ কৰিব বুলি আশা কৰিছিলোঁ। কিন্তু তেওঁৰ পত্নী অনুপস্থিত থকাত সেই পিকিং হোটলতে খোৱা বোৱাৰ ব্যবস্থা হ'ল, বন্ধা-বঢ়াও চীনা। তেনেহ'লেনো আৰু এখাছাড়ৰৰ নিমন্ত্ৰণত লাভ কি হ'ল ? যিমানেই 'পিকিং ডাক' নাখাওঁ কিয়, বা ৰহৰহীয়া হাম, বা ৰংচঙীয়া ছী-ফুড যিমানেই দেখা পাওঁ (এই বস্তুটো নাখাওঁ), বা মেণ্ডেৰিন মাছ যিমানেই টঁটঁ কৈ চাই নাথাকক—মই ডাইল চচ্চড়ি খাবলৈহে উচপিচাই আছোঁ। ইন্দিৰা বাসু আৰু দীনেশৰ যেনেকৈয়েই নওহক অলপ তৰকাৰী হ'লেই হ'ল। বন্ধাকবি আৰু বাঁহৰ গাঁজ চকুত পৰিলেই আমি জঁাপ মাৰি উঠে।।

বেংক'ৱেটত কেইজনমান ডেকা ভাৰতীয় বন্ধুৰ লৈতে আলাপ হ'ল। এওঁলোকে ভাৰত চীন মৈত্ৰীৰ সাৰ্বিক বিপৰ্য্যয়ৰ মাজতো, অৰ্থাৎ দস্তুৰমত অমিত্ৰতাৰ মাজতো, ইয়াতেই আছিল।

১৩ তাৰিখ শেষ হ'ল।

১৪ তাৰিখৰ ৰাতিপুৱা আমি চীনৰ প্ৰাচীৰ, পৃথিবীৰ সপ্তম আশ্চৰ্য্যৰ এটি আশ্চৰ্য্য, চাবলৈ যাম। চীনসকলে সদায়েই দেখিছোঁ আচৰিত কাণ্ড কৰে।

চীনৰ প্ৰাচীৰৰ কথা শুনিলেই মোৰ পাৰ্ল বাকৰ কথা মনত পৰে। তেওঁৰ লিখনীৰ জৰিয়তেই আমি চীনদেশৰ বেহ ৰূপ অলপ জানিবলৈ পাইছিলোঁ। তেওঁৰ কিতাপতহে পঢ়িছিলোঁ যে, চীনৰ প্ৰাচীৰৰ কাষতে প্ৰতি বছৰ আকালৰ কালত শই শই মানুহে আশ্ৰয় লৈছিলহি। ল'ৰা ছোৱালীহঁতক তাতে এৰি পেলাই থৈ গৈছিল। সিহঁতৰ সংখ্যা শ নে সহস্ৰ—ঠিক মনত পৰা নাই। মনত নপৰিলেও কথা নাই। বুভুক্ষাৰ ভয়াবহতাৰ চিত্ৰই তেওঁৰ লিখনীৰ যহতে

আমাৰ মনত দ সাঁচ বহুবাই খেছে। আমি জানো, প্ৰত্তি বছৰ মাউৰ আৰু বানপানী আদিৰে জনসংখ্যা হ্ৰাস কৰা কামটো প্ৰকৃতিয়েই কৰিছিল ।

কিন্তু ইয়াত পাৰ্ল বাকৰ নাম মুখত লোৱাবো উপায় নাই। এওঁলোকৰ খং উঠিব। সিদিনা লেখিকা হান্ স্যুৱানক কৈছিলোঁ, "পাৰ্ল বাকৰ লিখা আপুনি কেনে পায় ?"

তেওঁ ক'লে, "ডিজগাষ্টিং।"

মই জানো, চীনাসকলে ভাল নাপায়। কিয়নো, তেওঁ পুৰণি সমাজ-ব্যৱস্থা আৰু পুৰণি জগতৰ সেইবোৰ মানুহৰ কথা অলপ সহানুভূতিৰে লিখিছিল, যিসকল এওঁলোকৰ শাস্ত্ৰমতে 'শোষক' বুলি অভিহিত। কিন্তু মই জানো, এজন লেখকে পাপিষ্ঠকো এনে ধৰণে উথস্থাপিত কৰিব পাৰে, যিজনে মানুহৰ মনত সাহিত্য-ৰসবোধ সৃষ্টি কৰিব পাৰে। সেই পাপিষ্ঠ যে আদৰ্শ চৰিত্ৰ নহয়, তাৰবাবে সাহিত্য ৰসাস্বাদনত কোনো ক্ষতি নহয়। মই হান স্যুৱানক কৈছিলোঁ, "কিন্তু তেতিয়া তো তেও সাধাৰণ মানুহৰ বিলৈ বিপত্তিৰ কথা বিস্তৰ লিখিছিল। ৰেভলিউশ্বন তো হোৱা নাছিল তেতিয়া, কেনেকৈ লিখিব ?"

হান স্যুৱানে অসহিষ্ণুভাৱে মুৰ জোকাৰিলে, "হৈছিল। সেইটোহে কথা। যিসকলে অত্যাচাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল তেওঁলোকৰ কথা নিলিখিলে।"

মই তেওঁক কওঁ বুলি ভাবিলোঁ যে, তেওঁ কোনবোৰ মানুহৰ কথা লিখিব সেই কথা স্থিৰ কৰাৰ স্বাধীনতা এজন লেখকৰ নিশ্চয় থাকিব লাগে। তেওঁ কিজানি সেই মূক আৰু সহিষ্ণু জনগণকে ভালকৈ চিনি পাইছিল। কিন্তু তাৰ ওপৰত সাহিত্যৰ গুণাগুণ নিৰ্ভৰ নকৰে।

পাছত মোক ইয়াৰ এজন বাঙালী যুৱকে এই কথাৰ সুন্দৰ উত্তৰ দিছিল। তেওঁ কৈছিল পাৰ্ল বাকৰ উপন্যাসৰ সাৰতত্ব—প্ৰায় Gone With The Wind'অৰ নিচিনা। সেই গ্ৰন্থখন সুখপাঠ্য সুসাহিত্য, পঢ়ি প্ৰত্যেকেই ভাল পাব, কিন্তু তেওঁৰ বক্তব্যনো কি ? তেওঁৰ বক্তব্য—দাসহঁত বৰ সুখতে আছিল, প্ৰভুহঁতৰ লৈতে দাসহঁতৰ বৰ মিলাপ্ৰীতি আছিল, সিহঁতৰ হেনো যথেষ্ট স্বাধীনতাও আছিল। সেই কিতাপখনে কপাহ-খেতিৰ মালিকসকলৰ সজ্জিত সুন্দৰ জীৱনলৈ এটা নষ্টালজিয়া ঘুৰাই আনিবলৈ সমৰ্থ হয়। এয়া স্বাস্থ্যকৰ জানো ? যিসকলে সেই পুৰণি আৰু অপমানজনক জগতখনক

বহু কষ্টৰে নতুন জগতলৈ পৰিৱৰ্তিত কৰিছে—তেওঁলোকে ভাল পাব পাৰে'ন? Uncle Tom's Cabin পঢ়িলেও মানুহ অভিভূত হয়, Gone With The Wind পঢ়িলেও হয়। দুয়োটাই সাহিত্য হৈছে—কিন্তু মানৱজীৱন আৰু জগতৰ ওপৰত দুয়োখন গ্ৰন্থৰ বক্তব্যৰ প্ৰভাৱ বহুখিনি বেলেগ।

যি কি নহওক, ভোজন পৰ্ব শেষ কৰি আমি গ্ৰেট বাল চাব'লৈ ওলালোঁ। ডা বাসু আৰু ইন্দিৰা বাসু নগলে, তেওঁলোকে বহু বাৰ চাইছে। পিকিঙৰ প্ৰাচীৰ পাৰ হৈ ভালেখিনি বাট যাব লাগে। পিকিঙৰ City Wall খুব ওখ। মাজে মাজে ঘাই দুৱাৰ। সুন্দৰ পৌৰাণিক স্থাপত্য।

পিকিং বোধকৰোঁ নগ' বছৰৰ পুৰণি নগৰ। পাৰ্বত্য পথেদি গৈ গৈ আমি প্ৰাচীৰৰ দুৱাৰমুখ পালোঁগৈ। মটৰত থকা সময়ছোৱা আৰামত গৈ থাকোঁ। কিন্তু দৰ্শনীয় বস্তুৰ ওচৰ চাপি নই খোজকঢ়া-নৰা-ধপৰাৰ চিন্তাত বিব্ৰত হওঁ। যি কি নহওক, মটৰৰপৰা নামিয়েই সকলো জ্ঞাতব্য তথ্য পঢ়ি ল'লোঁ। আৰু পঢ়িয়েই পাহৰি পেলালোঁ। ইতিহাসৰ এই পাঠ সকলোতে পোৱা যাব বুলিয়েই সেইপিনে মন কাণ দিয়া নাছিলো।

মই ক'লো, "মই তলত বহি থাকিম। তোমালোক চাই আহা গৈ।"

মঙে ক'লে, "কিয় নাযাবা,—ব'লা ব'লা। নিক্সন দেৱালত উঠি ছবি তোলালে, আৰু তুমি নোতোলাবানে? তোমাক তেন্তু কান্ধত তুলিয়েই লৈ যাম।"

গতিকে ভয়ে ভয়ে অলপ বাট আগুৱালোঁ। প্ৰাচীৰ ক্ৰমাত ওপৰলৈ উঠিছে। চেঁচা কোবাল বতাহে মুৰত মেৰিউৱা শাল-কাপোৰ ভেদ কৰি বেজিৰ দৰে বিন্ধিবলৈ ধৰিছে। বতাহৰ কোবত আগবাঢ়িব নোৱৰা হৈছোঁ। নই নুবুজিলোঁ, ইমান পৰিশ্ৰম কৰি দেৱাল বগাবাৰ দৰকাৰটো কি। মোৰ ভাব হ'ল, ও'হো, ইমান বাহাদুৰি নেদেখুৱালেও হ'ব।

মই ক'লোঁ, "কমৰেড মং, নিক্সনৰ লৈ'ত মোৰ অলপো মিল নাই। মাথোন এই প্ৰাচীৰ বগাবাৰ কম্পিটিচন কৰি ল কি হব? মই ইয়াতে ৰ'লোঁ, তোমালোক গৈ থাকা।"

মই এচুকত ভেজা দি থিয় হ'লোঁ।

এনেনে সাহসৰে নৈতে দুৰ্বলতা প্ৰকাশ কৰাত বিশ্বম্ভৰনাথ পাণ্ডেয়ো সাহস পালে।

তেওঁ ক'লে, "আৰু নৈনো কি হ'ব ?"

দুয়োজনে থিয় হৈ বতাহৰ নৈতে যুঁজি থাকিলোঁ। আন সকলোটি আগ বাঢ়ি গ'ল। দীঘল দীঘল খোজ দি দি বৎসলা আৰু জ্ঞানসিং সকলোতকৈ আগে আগে গৈ থাকিল, আৰু তেওঁলোকৰ পিছে তাৰাচান্দ গুপ্ত, মহাকবি আৰু দীনেশ পাণ্ডে।

কেতিয়ানো তেওঁলোক উত্তত আহিব—বিষণ্ণ মনেৰে সেই কথা ভাবি আছিলোঁ, হঠাতে বিশ্বম্ভৰনাথে ক'লে, "আপোনাৰ উপন্যাসখনে তো আকাদেমি এৱাৰ্ড পালে।"

"এ্যা'—" মোৰ শাল কাপোৰেৰে মেৰিবাই থোৱা কাণৰ মাজেদি কথাষাৰ সোমাই বিভ্ৰান্তিৰ সৃষ্টি কৰিলে।

"কিয়, আপুনি নাজানে ?"

"কেনেকৈ জানিম মই ? সঁচাই মোৰেই কিতাপ তো ? নামটো কি কওকচোন ?"

ভদ্ৰলোকে জেবাব মুখত পৰিশুদ্ধ সংস্কৃততে সম্পূৰ্ণ শ্লোকটো উচ্চাৰণ কৰিলে, তাৰ পাছত ক'লে, "ইমান আচৰিত হৈছে কিয় ? কোনো নহয় কোনোৱে তো পুৰস্কাৰ পাবই।"

"সেই বুলি—মই ?"

মনতে ভাবিছো—ৰামানন্দবাবু স্বৰ্গী হোৱাৰ পাছত বংগদেশৰ পত্ৰ পত্ৰিকাই মোক লেখিকা বুলি গ্ৰহণ নকৰিলে। মই যে লিখিব পাৰোঁ—এই স্বীকৃতি কোনো দিনে নাপালোঁ। পত্ৰিকা অফিছত লিখাবোৰ নিহত হৈছে, সেয়েহে সিহঁত লিটল জানালৰ পাতত আশ্ৰয় লৈ সৰাপাতৰ দৰে উৰি গ'ল। কিমান যে লিখিবলগীয়া আছিল, লিখা নহ'ল। আজিনো তেন্তে বৈতৰণীৰ ঘাট পোৱাৰ পাছত এই স্বীকৃতি কিয় ? হৰ্ষতকৈ বিষাদেহে যে মোৰ মনটোক আচ্ছন্ন কৰিলে, ছাইবেৰিয়াৰ হিমস্পৰ্শ কোবাল বতাহেও সেই বিষাদৰ ভাৱৰ উৰুৱাই নিব নোৱাৰিলে।

বতাহ মাৰি আছিল, কিন্তু ৰ'দো ওলাল। দূৰৈত দেখা পালোঁ এদল

জাহাজৰ আহি আছে। ইংৰাজনে আমেৰিকাৰ হুবুজিলোঁ। এওঁলোক টুৰিষ্ট। দীঘল দীঘল খোজেৰে খৰকৈ আমাৰ পিনে আগুৱাই আহিল।

'হেল্ল'।"

"হাই!"

"আমেৰিকাৰপৰা আহিছা?"

"নহয়, কেনাডা। আৰু তোমালোক—?"

"অনুমান কৰাচোন।"

"অনুমান তো কৰিছোঁৱেই, পিছে ক'বলৈহে ভৰসা পোৱা নাই।"

"কৈ পেলোৱা।"

"ইণ্ডিয়া।"

তাৰ পাছত হাঁহি হাঁহি ক'লে, "আচৰিত দৃশ্য, চীনদেশৰ গ্ৰেট ৱালৰ ওপৰত দুজন ভাৰতীয়ৰ সৈতে ভেটাভেটি। এই দৃশ্য যুগমীয়া কৰি ৰাখিব লাগিব।"

এই বুলি কৈ তেওঁলোকৰ চীনা গাইডজনক আমাৰ সৈতে থিয় কৰাই ফটো তুলিবলৈ ধৰিলে। ক'লে, "চীনা মানুহ এজন থাকিব লাগিব। নহ'লে কোনেও বিশ্বাসেই নকৰিব। সকলোৱে দিল্লীৰ লালকিল্লাত ফটো উঠালোঁ বুলি ভাবিব।"

ইতিমধ্যে তাৰাচান্দ গুপ্ত, মহাকবি আৰু দানেশ—আটাইকেইজনেই উভতি আহিল। বংসসা আৰু জ্ঞানসিঙৰ বীৰত্ব অসীম। তেওঁ সাক আৰু দূৰৈ'ল গ'ল।

কেনেডিয়ানসকলে আমাক কেতবাৰ সৰু সৰু বৰ্ডা ব্ৰচ লগাই দিলে। তাৰ পাছত ক'লে, "কথাটো কি, তোমা সাকৰ বন্ধুত্ব হৈছেনে কি?"

আমি ক'লোঁ, "হৈছে মানে, হৈ গ'লেই। কি ভাবিছা?'

মনতে ভাবিছোঁ, কন্দসথ ন বেছ জগত জুৰি ৰাষ্ট্ৰ হৈ পৰিছে দেখোন! তেওঁলোকে দেখিলোঁ মাও চে তুঙৰ ব্যাজ লগাই হৈছে।

মই ক'লোঁ, "তোমালোকেও দেখোন বেছ বন্ধুত্ব কৰিছা।"

হো হো কৈ হাঁহি মাৰি আটাইতকৈ ওখ কানাডিয়ানজনে ক'লে, "ঠিকেই, ঠিক। মই তো তেওঁলোকক কমনওৱেলথলৈ যোগ দিবলৈ কৈছোঁ।"

এই বুলি কৈ সাদৰেৰে কৰমৰ্দন কৰি হাঁহি হাঁহি দীঘল দীঘল খোজ পেলাই তেওঁলোক গুচি গ'ল।

এইবাবে আমেৰিকানসকলক মই ভাল পাওঁ। তেওঁলোক প্ৰাণখোলা, পোনপটীয়া, অলপ সৰল, আমোদপ্ৰিয়, আৰু খিতাতে বন্ধুত্ব পাতিব পাৰে। আমি এছীয়সকল ইমান খোলা মনৰ নহয়। আৰু চীনাসকল তো জেনেই 'ছ'ফেস্টিকেটেড'। শ্ৰমিক-কৃষকৰ লগতে মিলা-জুলা কৰিলে কি হ'ব—ই আন এবিধ 'ছ'ফেস্টিকেশ্বন। এগ্ৰিকালচাৰ হাৰ্টিকালচাৰৰ লগতে বুদ্ধিৰ কালচাৰ আৰু ব্যৱহাৰৰ কালচাৰ মিহলি হৈ গ'ল। এওঁলোক বৰ বেছি সভ্য।

১৪ ডিচেম্বৰৰ দিনটো পিকিঙত আমাৰ কেৱল স্থাপত্য দৰ্শনৰ দিন। গ্ৰেট ৱালৰপৰা লৈ যোৱা হ'ল 'মিং টুম্ব' চাবলৈ! মিং ৰাজবংশৰ কোনোবা ৰজা-ৰাণীৰ সমাধি। ডাঙৰ ডাঙৰ কেতবোৰ টিলা আছিল—ঠিক মোহেন-জো-দড়োৰ নিচিনা। টিলাবোৰ খান্দি এই সমাধি আৱিষ্কৃত হৈছে আৰু এখন দৰ্শনীয় ঠাইত পৰিণত হৈছে।

মিং টুম্বলৈ আহি প্ৰথমেই আমি লাঞ্চ খালোঁ। আমাৰ বাবে ডাঙৰ ডাঙৰ বাকচত ভৰাই খাদ্য অনা হৈছিল। কণী যেতিয়া এওঁলোকে খায়—তিনিটাকৈ খায়। খোৱাবস্তু যিমান দিছিল তাৰ আধাও খাব নোৱাৰিলোঁ। তাৰ পাছত সমাধি চাবলৈ ওলালোঁ। হিন্দুসকলে যে মানুহ মৰিলে দাহ কৰে সেই প্ৰথা বেয়া নহয়—ইমানবোৰ সমাধি চাই ফুৰিবলগীয়া নহয়। নহ'লে পৃথিৱীৰ আৰু য'লৈকে নাযাওঁ কিয়, সমাধি চাই চায়েই অতিষ্ঠ হওঁ।

মিং টুম্বৰ প্ৰবেশপথৰ দুকাষত শাৰী পাতি প্ৰহৰী থিয় হৈ আছে। হাতী, উট, সিংহ আদিৰ বিৰাট বিৰাট শিলৰ মূৰ্তি। ক'বলৈ পাহৰি গৈছিলোঁ —চীনত বহুতো দুটা কুঁজ থকা উট দেখা পাইছিলোঁ—কিন্তু হাতী দেখা নাছিলোঁ। তাত উটেৰে কঢ়িওৱা কাঠৰ গাড়িত উঠি মালপত্ৰ লৈ মানুহে যাতায়াত কৰে।

যি কি নহওক, হাতী উট সিংহ আদি প্ৰহৰীহঁতক পাৰ হৈ আমি এখন চোতাল পালোঁগৈ। প্ৰকাণ্ড উদ্যানৰ মাজত মিউজিয়াম। মিউজিয়ামত সেই ৰজাসকলৰ ব্যৱহৃত বয়-বস্তু মুদ্ৰা আদি সজাই থোৱা হৈছে আৰু সকলোতে থকাৰ দৰে সেইবোৰৰ বিৱৰণ লিপিবদ্ধ আছে। পিছে আটাইতকৈ আমোদ পালোঁ দেৱালত লগোৱা কাঁচৰ কে'ছত আমাৰ কৃষ্ণনগৰৰ মাটিৰ পুতলাৰদৰে ছবিৰ

দৃশ্য চাই। এটা কাহিনী সজোৱা হৈছে। কাহিনীটো হ'ল . জমিদাৰৰ নিষ্ঠুৰ টেকেলাইতে ল'ৰা-বুঢ়া সকলোকে মৰিয়াইছে খাজনা আদায় কৰিবলৈ, আৰু জমিদাৰ দূৰত বহি আছে। গাঁৱৰ দৃশ্য বিলিকত চিত্ৰিত—মানুহবিলাক জীৱন্ত, সেই খট আৰু ওলোমা গোঁফৰে সৈতে চীনা মানুহ। এই সাজ আৰু ক'তো দেখা নাযায়। শেষ দৃশ্য—প্ৰজাসকলৰ বিদ্ৰোহ। তেওঁলোকেও লাঠিৰে অত্যাচাৰী টেকেলাইতক মৰিয়াবলৈ উদ্যত হৈছে।

মই সুধিলোঁ, "এই ছবিবিলাকৰ ইয়াত তাৎপৰ্য্য কি ?"

তেওঁলোকে ক'লে "যেতিয়া এই কৰৰ তৈয়াৰ কৰা হৈছিল তেতিয়া দেশৰ অৱস্থা এনেকুৱা আছিল। তেতিয়াৰ সাধাৰণ মানুহ আছিল এনেভাৱেই অত্যাচাৰিত। এই ছবিবিলাকে তেতিয়াৰ গোটেই সামাজিক পৰিৱেশটো বুজাত সহায় কৰিব।"

তাৰ পাছত আমি সমাধিৰ ফালে আগবাঢ়িলোঁ। অলপমান দূৰ আগুৱাই যোৱাৰ পাছত সেই কেনাডিয়ান দলটোক আগবাঢ়ি অহা দেখিলোঁ। এইখিনতে কৈ থওঁ, চীনৰ দুৱাৰ এতিয়া খোলা। ট্যুৰিষ্ট আহিবলৈ ধৰিছে—ছেমিনাৰ, কনফাৰেন্স অনুষ্ঠিত হৈছে। হোটেল পিকিঙতে বিভিন্ন দেশৰ লোকৰ সৈতে দেখাদেখি হয়। জাপানী বহুতকে দেখা পালোঁ—দলনেত্ৰী তেনেই চুটি-চাপৰ মহিলা এগৰাকী। মই লীক সুধিছিলোঁ, 'ইমান যে জাপানীৰ আগমন—তোমালোকে দেখোন কথাই কথাই জাপানীহতৰ আক্ৰমণৰ কথা, চীনৰ ওপৰত তেওঁলোকৰ আক্ৰমণ লুটপাত নৃশংসতাৰ কথা কোৱা। তেওলোকে এইবোৰ কথাত বেয়া নাপায়নে ?

লীএ উত্তৰত ক'লে, "তেওলোকক এইবোৰ কথা কওতে আমি লগতে এই কথাষাৰো কও যে জাপানৰ জনগণৰ সৈতে আমাৰ কোনো বিৰোধ নাই। এইবোৰ কথা কাওৰ বাবে তেওঁলোকৰ তেতিয়াৰ চৰকাৰহে জগৰীয়া। আৰু সঁচা কথা, সাধাৰণ মানুহে কেতিয়াও যুদ্ধ হোৱাটো নিবিচাৰে।

মই সুধিলো, জাপানী কবি নগুচিৰ নাম শুনিছা ? তেও তো সাধাৰণ মানুহ নাছিল, ডাঙৰ কবি। তেওকো আম যথেষ্ট যুদ্ধপ্ৰেমী বুলি ভাবিছিলো।"

যি কি নহওক দেশৰ মানুহ আৰু তাৰ চৰকাৰক পৃথকভাৱে গণ্য কৰাটো

এওঁলোকৰ শিক্ষাৰ অন্তৰ্গত। অৰ্থাৎ, সেই অমোঘ সত্যত সন্দেহ নকৰিবা, যিকথা আমাৰ কবিয়ে কৈ গৈছে—'মানুহৰ প্ৰতি বিশ্বাস হেৰুউৱা পাপ'। হিৰ'শিমাৰ নৃশংস কীৰ্তিৰ বাবে জাপানীসকলেও নিশ্চয় আমেৰিকাৰ জনসাধাৰণক ঘৃণা নকৰে। এনে হৈ থকা হ'লে এই জগত ঈৰ্ষা-বিদ্বেষৰ বিষবাষ্পেৰে পুৰি ছাই হৈ গ'লহেঁতেন।

মই ক'লো, "লী, তুমি যি কৈছা সেয়ে ঠিক। আচলতে মোৰ প্ৰশ্নটোৱেই আছিল ভুল।"

মিং টুম্বৰ অলপ ওপৰৰ ফালে উঠিয়েই পোৱা যায় এখন গে'ট। মোগল স্থাপত্যতো গে'ট আছে। আমাৰো গোপুৰম্ আছে, এওঁলোকৰো তেনেকুৱা আছে। অথচ এই গে'টবোৰ তো সঁচাসঁচিকৈ কাৰোবাক আটক কৰিবলৈ বা বাধা দিবলৈ সজা নাছিল—শোভাৰ বাবেহে। স্থাপত্যৰ আকাশ-পাতাল পাৰ্থক্য থাকিলেও নানা বিষয়ত পৰিকল্পনাৰ কেতবোৰ ঐক্য সকলোতে লক্ষ্য কৰিছোঁ। গে'টৰ সমুখেদি তললৈ ৰাস্তা নামি গৈছে—ভূগৰ্ভলৈ। কিমান খান্দিবলগীয়া হৈছিল সেই কথা দুয়োকাষৰ দেৱালে চালেই গম ধৰিব পাৰি। বিছ-ত্ৰিছ ফুট তো হ'বই। তাৰ পাছত খটখটীৰে নামিব লাগিব—সিও কমেও পাঁচমহলাৰ সমান গভীৰ নিশ্চয়।

খটখটীত চকু পৰিয়েই মোৰ ধাতু উৰিল।

মঙে ক'লে 'কি ভাবিছা, নামিব তো লাগিবই।'

"নামিম—কিন্তু আকৌ উঠিমনো কেনেকৈ?

'হ'ব কিবা এটা।'

চাবা, মোক আক বজা বাণীৰ লগতে থৈ নাহা যেন।"

তললৈ নামি এটা বহল গালৰিয়েদি গৈ সেই ওখ মঞ্চৰ সমুখত ৰ'লোগৈ। তাতে দুটা শিলৰ বাকচ ৰাখি থোৱা আছে। এই বাকচ দুটাত দুটা বন্দী মৃতদেহ আছে। এসময়ত যিসকলে দোৰ্দণ্ড প্ৰতাপৰে সৈতে ৰাজত্ব কৰিছিল, তেওঁলোকৰ কংকালো তাত গুড়ি হৈ আছে।

চীনাসকলে যেতিয়া কোনো আচৰিত বস্তু দেখুৱায় তেতিয়া বাৰে বাৰে কয়, এইবোৰ দেশৰ মেহনতী মানুহৰ কাম। তেওঁলোকৰ শ্ৰমৰ ওপৰত নিৰ্ভৰ কৰি এমুঠি মানুহৰ ইমান সুখ ইমান ঐশ্বৰ্য্য। দেশৰ এই সম্পদ, এই

সৌন্দৰ্য সৃষ্টি—সকলো সেই অগণিত মানুহৰ দান, যিসকলৰ নাম ক'তো লিখা নহ'ল—

'ইতিহাসে যাক অনায়াসে পাহৰি যায়,
সভাগৃহতো তেওঁলোকৰ ঠাই নাই।'

কাষতেই এটা বিৰাট ঘৰত বিমানকোঠত বয়-বস্তু থোৱা দীঘলীয়া মেজৰ দৰে খাঁজ কটা পাথৰৰ বিৰাট দীঘলীয়া এখন মেজ,—মেজখন সুড়ংগলৈকে বিয়পা।

তেওঁলোকে ক'লে "সেইটো হ'ল মৃতদেহৰ বাকচ কঢ়িয়াই অনা গোপন পথ। প্ৰকাণ্ড বাটেদি আনিবলৈ হ'লে অত্যাচাৰিত প্ৰজাবৰ্গই সেই বাকচ নষ্ট কৰি প্ৰতিশোধ ল'লেহেঁতেন।"

এইবোৰ কথা অনুমান, নে সঁচা—নাজানো। যেতিয়াই কোনো বিছাৰ্চ কৰা হয় বা ঐতিহাসিক সত্যৰ ৰহন চৰোৱা হয়, বা ব্যক্তিবিশেষৰ বিতচকুৰে চোৱা হয়। সেয়েহে এইবোৰ বিছাৰ্চ সম্বন্ধে মই বৰ সন্দিহান।

শৰাধাৰ দুটা চোৱাৰ পাছত আমি এজন এজনকৈ ওলাই আহিলোঁ। তাত বহুতো ট্যুৰিস্ট আছিল। খটখটীয়েদি উঠিবলৈ 'ছিডান চেয়াৰ' লাগিবনেকি মঙে সুধিলে। সুধিলে, ৰজাৰাণীৰ কফিনৰ সংস্পৰ্শলৈ আহি তোমাৰো কিজানি ছিডান চেয়াৰত উঠাৰ চখ হৈছে।"

মনে মনে ভাবিছো, তেতিয়াই আধ্যা।

চিয়াং চিঙে বোলে ছিডান চেয়াৰত উঠিছিল। পিছে মাও চে তুঙৰ পত্নী তেওঁ—নিজেও বিখ্যাত ফিল্ম একট্ৰেছ—অলপ ছিডান চেয়াৰত উঠিলেই বা! কিন্তু সেই কথাতো চীনাসকলে তেওঁৰ বৰ নিন্দা কৰে। এওঁলোকে নিন্দা কৰাত ওস্তাদ। প্ৰায় আমাৰ দৰেই। চিয়াং চিঙে হেনো ছিডান চেয়াৰত উঠি সাগৰৰ মাজলৈ গৈছিল, আৰু তাৰ পাছত তাত গা ধুইছিল। দুয়ো কাষত সৈন্যসকলে বৃত্তৰ দৰে চাৰিওফালে আগুৰি ধৰি পহৰা দিছিল, যাতে কোনো ফালৰপৰা হাংগৰ নাহে।

যা হওক, খটখটী-আৰোহণ পৰ্ব ছিডান চেয়াৰ নোহোৱাকৈয়েই সম্পন্ন হ'ল। মং, লী, চৌৱে দুয়ো ফালৰপৰা ঠেলি তুলিলে। বৎসলালৈ মোৰ হিংসা হৈছিল। তেওঁ যে কেনে সহজতে উঠা-নমা কৰিব পাৰে!

~ ওপৰলৈ উঠি সেইটৰ ওচৰত বৈ আছোঁ—অনতিদূৰত সুবিস্তৃত সৰোবৰ চকুত পৰিল। শুনিলোঁ, আগতে এই কাউণ্টিত পানীৰ বৰ নাটনি হৈছিল। দেশৰ স্বাধীনতাৰ পাছত (তাৰিখটো মনত নপৰা হ'ল) সকলোৱে মিলি এই জলাশয় খান্দি উলিয়ালে। দলে দলে ৰেড গাৰ্ডছ, বিভিন্ন স্কুল-কলেজৰপৰা অহা ল'ৰা-ছোৱালী,—সকলোৱেই হাত উজান দিছিল। স্বয়ং চৌ এন লাই-এ মাটি খান্দিছিল। বোধকৰোঁ মাও চে তুঙেও কেইচাবমান খান্দিছিল। চাৰিওফাল পতাকাৰে সুশোভিত কৰি তোলা হৈছে, গান আৰু শ্ল'গানেৰে ঝংকৃত হৈ উঠিছে। জলাশয় খন্দাটো এটা আমনিলগা ঘৰ্মাক্ত শ্ৰম মাথোন নহয়, সেয়া আছিল এটা উৎসৱ। উৎসৱত যেনেকৈ আমি সকলোৱে মিলিজুলি কাম কৰোঁ, তেতিয়া শ্ৰমক আৰু শ্ৰম বুলি বোধ নহয়, ইও আছিল তেনেকুৱা। পিছে সৰহভাগ উৎসৱৰ আনন্দৰেই পাছদিনা উৎস্পৃষ্টলৈ অৰ্থাৎ এৰেহালৈ পৰিৱৰ্তিত হৈ পৰে—

'যি ললিত সুখত হৃদয় অধীৰ
বোধ হ'ল যেন বিগত ৰাতিৰ
খলিত দলিত শুষ্ক কামিনীৰ মালিকা'—

এয়া কিন্তু তেনেকুৱা উৎসৱ নাছিল, ই হ'ল সকলোৱে মিলি শ্ৰম কৰি আনন্দ, আৰু আনন্দৰে সৈতে শ্ৰম। সেই আনন্দধাৰা ভৱিষ্যলৈ প্ৰৱাহিত কৰি দিয়া।

জলাশয় খন্দাৰ বৰ্ণনা শুনি সমাধি চোৱাৰ ভাগৰ মুহূৰ্ত্ততে কেনিবা পলাল। মই এইদেশৰ দূৰদৰ্শী, কুশলী আৰু কবি নেতাগৰাকীলৈ মনে মনে সশ্ৰদ্ধ নমস্কাৰ জনালোঁ।

মিং টুম্বৰপৰা উভতি আহি বৰ ক্লান্ত বোধ কৰিলোঁ। কোনোমতেহে এমুঠিমান খাই বিছনাত বাগৰ দিবলৈ মন। বৎসলাই মোক সুধিলে, "তুমি বহু ৰাতিলৈকে সাৰে থাকি লিখিবানে কি?"

বৎসলা বৰ ভাল লগৰীয়া। বহু ৰাতিলৈকে লাইট জ্বলাই লিখি থাকিলেও একো নকয়। কিন্তু আজি মোৰ লিখিবলৈ একো নাই। মই চিন্তিত। কেৱল ভাবিছোঁ—সেই যে মহিলা লেখিকা মি পিন, যিগৰাকী লিখিকাই চীনা ভাষাত ৰবীন্দ্ৰনাথ অনুবাদ কৰিছিল, তেওঁৰ সৈতে সাক্ষাৎ হ'বনে নহ'ব। মই বহুবাৰ

অনুৰোধ জনাইছো—এতিয়ালৈকে৷ একো উত্তৰ পোৱা নাই। তেওঁৰ লগতে সাক্ষাৎ হোৱা মোৰ বৰ প্ৰয়োজন। তেওঁৰ লগতে কথা পাতিলেহে মই বুজি পাম এইদেশত ৰবীন্দ্ৰনাথ কিমানখিনি পাহৰণিৰ গৰ্ভত লীন হৈছেগৈ আৰু কিয় হৈছে।

পাশ্চাত্য দেশত ৰবীন্দ্ৰনাথ ভালেখিনি বিস্মৃত। তাৰ কাৰণো আছে। ৰুছদেশত ৰবীন্দ্ৰনাথ উজ্জীৱিত—তাৰো কাৰণ আছে। তেতিয়া পৃথিৱীৰ ডাঙৰ ডাঙৰ দেশসমূহ ৰুছদেশৰ ওপৰত কেৱল বিৰূপেই নহয়, নতুন ব্যৱস্থাৰ বিৰুদ্ধে আক্ৰোশত ভিতৰি ভিতৰি জ্বলি-পুৰি মৰিছে। ৰুছিয়াই তাৰ কমিউনিজমৰে সৈতে ৰসাতললৈ গ'লেহে ভাল পায়। নিন্দাবাক্য আৰু ধিক্কাৰেৰে যেতিয়া পৃথিৱী মুখৰিত, তেতিয়া বিশ্ববন্দিত ৰবীন্দ্ৰনাথ প্ৰায় সত্তৰ বছৰ বয়সত দুৰ্বল দেহাটি লৈ নিদাৰুণ শীতৰ মাজতো সেই দেশৰ নিমন্ত্ৰণ গ্ৰহণ কৰিছিল আৰু তালৈ গৈছিল। প্ৰসংগক্ৰমে কৈ থোৱা ভাল যে, তেতিয়া মোৰ পিতৃদেৱ সুৰেন্দ্ৰনাথ দাশগুপ্ত ৰুছদেশলৈ নিমন্ত্ৰিত হৈছিল। কিন্তু তেওঁ চৰকাৰী চাকৰিয়াল হোৱা বাবে বহু চেষ্টা কৰিও চৰকাৰী অনুমোদন নোপোৱাত যাব পৰা নাছিল।

যি হওক,—ইঅ'ৰোপৰ বন্ধু বান্ধৱ সকলোৱেই ৰবীন্দ্ৰনাথক তালৈ নাযাবলৈ দঢ়াই দঢ়াই কৈছিল। আৰু তেওঁলোকৰ মাজত এগুৰাকী জো আছিল এজন।

কবিয়ে কৈছিল, ৰমাঁ ৰলাঁই তেওঁৰ পত্নীৰ প্ৰভাৱত পৰি কমিউনিষ্ট হৈছিল। কথাষাৰ ধেমালিতে কৈছিলনে সঁচা—মই নাজানো। মোৰ বিশ্বাস নহয়। কিয়নো যিগৰাকী মানুহ ৰামকৃষ্ণৰ ভক্ত তেওঁনো কমিউনিষ্ট হ'বগৈ কেনেকৈ? এইবোৰ প্ৰশ্ন কবিক সুধিব পৰাকৈ বুদ্ধি তেতিয়া মোৰ নাছিল। কিন্তু সেই ৰমাঁ ৰলাঁও যিমানদূৰ জানো ৰুছিয়ালৈ যোৱা নাছিল। তেওঁ ভাৰতক ভাল পাইছিল, কিন্তু তথাপি কেতিয়াও ভাৰতলৈ অহা নাছিল—গৰমৰ ভয়ত।

মানুহে শাৰীৰিক কষ্টলৈ ভয় কৰে। মই তো বৰ ভয় কৰোঁ। নহ'লে ১৯৭৪ চনত ৰোমানিয়াৰপৰা ছোভিয়েত ইউনিয়নৰ নিমন্ত্ৰণ প্ৰত্যাখ্যান নকৰিলোহেঁতেন। ডাঙৰ ভুল কৰিছিলোঁ। তেতিয়া আছিল ডিচেম্বৰৰ মাহ—ৰোমানিয়াখনেই বৰফেৰে ঢাক খোৱা। তেতিয়া মস্কোলৈ যাবলৈ ভয় কৰিলোঁ। যি ৰতৰত নাপলেয় ব'নাপাৰ্টেও পলাই ফাট মাৰিছিল সেই

বতৰত মই কি কৰিম্বা কৰণে ? কিন্তু এতিয়া পিকিছো দেখিছো তেনেকুৱাই। নাপলেম ইয়ালৈ অহা নাছিল—সেয়েহে তেওঁৰ বিলৈ-বিপত্তিয়ে মোক ভয় খুউৱা নাছিল। কিন্তু আহি গম পালোঁ—নহয়, অসনীয় নহয়, সহিব পাৰি। মনৰ বল থাকিলে, ইচ্ছা থাকিলে, যিকোনো ভীতিকৰ ঘটনাৰেই সন্মুখীন হ'ব পাৰি।

ৰবীন্দ্ৰনাথে কোনোদিনেই শাৰীৰিক কষ্টক গ্ৰাহ্য কৰা নাছিল। এই কথাৰ যে তেওঁ কিমান পৰীক্ষা দিছিল তাক কে অন্ত পেলাব নোৱাৰি। তেওঁ মোক কৈছিল 'তেতিয়া তেওঁলোকৰ দুৰ্দশাৰ দিন, খোৱা পিন্ধা থকা মেলা সকলো ব্যৱস্থায়েই অতি সাধাৰণ। মোক বহুতেই ভয় দেখুৱালে—খোৱা-বোৱাৰ ব্যৱস্থা বৰ বেয়া প্ৰচণ্ড জাৰতো কষ্ট পাব লাগিব ইত্যাদি—যেনিবা মই সুখত থাকিম বুলি তেওঁলোকক চাবলৈ যাম। মই যাম তেওঁলোকে যি আচৰিত কাণ্ডটো কৰিলে তাক চাবলৈ।"

ৰবীন্দ্ৰনাথৰ চেহাৰাপাতি মহাৰাজৰ দৰে, ৰজাৰ দৰে উন্নত তেওৰ ধ্বনি, কিন্তু তেও যে অতি সহজ সৰল জীৱন যাপনত অভ্যস্ত আছিল, এইকথা বহুতেই বিশ্বাস নকৰে। থাকক বাৰু এইবোৰ কথা। ৰাছয়াৰপৰা তেও 'ৰুছিয়াৰ চিঠি'ত সেই দেশ সম্বন্ধে যে বিশ্লেষণ আৰু প্ৰশংসাবাক্য উচ্চাৰণ কৰিছিল তাৰ মাজত ইমান গভীৰ সত্য নিহিত যে বাৰে বাৰে 'ৰেৰ্ঝামৰ সলনি' হোৱা সত্বেও ছোভিয়েত ৰাছিয়াত তেওৰ আসন অটুট আছে, তথা ক্ৰমাত গৌৰৱান্বিতহে হৈ উঠিছে।

এসময়ত এই সসাগৰা পৃথিবীৰ দূৰতম প্ৰান্তৰ নগণ্যতম গাঁৱতো তেওঁৰ নাম সকলোৱে জানিছিল। কিন্তু আজি আৰু সেই দিন নাই। আজি, আনকি আমেৰিকাত উচ্চশিক্ষিত অৰ্থাৎ কলেজৰ প্ৰফেছৰসকলেও তেওৰ নামটোকে শুনা নাই। অৱশ্যে তেওঁলোক সাহিত্যৰ মানুহ নহয়। চীনদেশতো ৰবীন্দ্ৰনাথৰ নাম ইমান প্ৰচাৰিত হৈছিল যে ভূপৰ্যটক ৰামনাথ বিশ্বাসে যেতিয়া ১৯৪১ চনত ছাইকেল যোগে চীন পৰ্য্যটন কৰি ফুৰিছিল তেতিয়া তেও গাঁৱতো 'গেণ্ডি' আৰু 'তাঅ'ৰে'ৰ নাম শুনিছিল। মনোজ বসুৱেও তেওঁৰ কিতাপত ৰবীন্দ্ৰ-প্ৰীতিৰ কথা লিখিছিল। ১৯৬১ চনতো ৰবীন্দ্ৰ শতবাৰ্ষিকী উৎসৱ পালিত হৈছিল।

পিছে—এতিয়া কিয় কোনোৱেই তেওঁৰ কথা শোধা নাই ?

আমাৰ দলটোত সাহিত্যিক এজনো নাই, আৰু এই বিষয়ে আন কাৰো মাজত উৎসাহো লক্ষ্য কৰা নাই। কিন্তু মোৰ তো আছে। যদিও মোৰ এই উৎসাহত কোনেও গুৰুত্ব আৰোপ কৰা নাই। যি কি নহওক, মই কমৰেড মণ্ডক কৈ থৈছো পিকিঙৰ তলত পিকিং চোৱাৰ সিমান ব্যস্ততা মোৰ নাই, যিমান ব্যস্ততা শ্ৰীমতী মি পিন ছিনৰ সৈতে সাক্ষাৎ কৰাৰ।

অৱশেষত মোৰ আশংকায়েই সঁচা হ'ল। তেওঁৰ সৈতে সাক্ষাতৰ ব্যৱস্থা নহ'ল। কিয়নো, তেওঁ বৰ অসুস্থ।

কমৰেড মণ্ডে মোক ক'লে, "আমি খবৰ পঠিয়াইছিলোঁ, কিন্তু বৃদ্ধাৰ ভীষণ ইনফ্লুয়েঞ্জা হৈছে, জ্বৰ, এশ চাৰি ডিগ্ৰি জ্বৰ। এই অৱস্থাত তো সাক্ষাৎকাৰ হ'ব নোৱাৰে।"

মোৰ যে কিমান বেয়া লাগিছিল কোনেও নাজানিলে। তেতিয়া কুও চিন লান মোৰ কোঠাত বহি আছিল।

তেওঁ আৰু ক'লে, "আমি সৰুতে এই লেখিকাগৰাকীৰ লিখা-মেলা খুব পঢ়িছিলোঁ। বেছ ভাল লিখিছিল তেওঁ। কিন্তু এতিয়া আৰু এওঁৰ লেখা মেলা চকুত নপৰে।"

বুজিলোঁ যে এই দেশতো সেই একেই বেমাৰ—পুৰণি লেখকসকল পুৰণি হ'লেই আৰু কোনেও মোল নুবুজা হয়। কুও চিন লান কিমানখিনি ৰসবেত্তা নাজানো। মোৰ সৈতে সাহিত্য সম্পৰ্কত তেওঁৰ মত নিমিলিল। পিকিঙত ডা. জৰ্জ হাতেমে তেওঁৰ ৰচিত চুটি গল্পৰ সংকলন এটি মোক দিছিল। অকল মোকেই নহয়, সকলোকে। কুও চীন লানক অৱশ্যে দিয়া নাছিল। তেওঁ তো ইয়াৰেই ছোৱালী। মোৰ এই বৃত্তান্ত জৰ্জ হাতেমে তো কদাপিও পঢ়ি নাচায়—সেই ভৰসাতহে লিখিছোঁ—গল্পবিলাক বৰ প্ৰচাৰধৰ্মী আৰু সাহিত্যৰসত অনুত্তীৰ্ণ। জৰ্জ হাতেম এজন খ্যাতিমান ডাক্তৰ। এডগাৰ স্নু'এ তেওঁৰ কথা বহুতো লিখিছে। তেওঁ এখন মহাদেশৰ উপদংশ বেমাৰ নিৰ্মূল কৰিব পাৰে কিন্তু সেইবুলি তেওঁৰ লিখা গল্প আমাৰ ভাল লাগিব—এই কথা ক'ব নোৱাৰি। আমাৰ বুলিছোঁ এই কাৰণে যে বৎসলাৰ মতো এয়ে। কিন্তু তেওঁৰ বোৱাৰীয়ে আমাৰ কোঠালৈ আহিয়েই সেই গল্পৰ কিতাপখন লৈ বহিছিল।

তেওঁ ইংৰাজী মোটামুটিভাৱে জানে। মই সুধিলোঁ, এই গল্পবোৰ তেওঁ পঢ়ি ভাল পাইছেনে ?

উত্তৰত তেওঁ ক'লে, "খুবেই। তোমাৰ ?"

মই সেই কথাৰ উত্তৰ নিদি সুধিলোঁ, "তোমাকে সকতে পঢ়া গল্পবোৰৰ সৈতে এইবোৰৰ মিল আছেনে ? আগৰবোৰ ভাল আছিল, নে এইবোৰ ?"

তেওঁ আচৰিত হৈ উত্তৰ দিলে, "মিল থাকিবনো কেনেকৈ ? জীৱনৰ মিলেই নাই দেখোন। তেতিয়াৰ দিনত দুষ্ট জমিদাৰইতে দুখীয়া লোকসকলক কষ্ট দিছিল। তেতিয়া এনেকুৱা দল নিৰ্মিত হৈছিলনে ? শস্য উৎপাদনৰ বাবে কোনোবাই ইমান স্বাৰ্থত্যাগ কৰিছিলনে ? সকলোৱেই তো স্বাৰ্থৰ বাবে ঘূৰি ফুৰে। ইয়াত যি লিখা হৈছে তেনেকুৱা ঘটনা নঘটা নহয়। মই তো জানো, সেই বাবেই মোৰ ভাল লাগে।'

কুও চীন লানৰ কথাবোৰ মই হুবহু দাঙি ধৰিব পাৰিলোঁনে নাই নাজানো, পিছে তেওঁৰ বক্তব্য মূঠতে এনেকুৱাই আছিল।

সিদিনা বহু ৰাতিলৈকে মোৰ মোৰ টোপনি নাহিল। কি গুণেৰে সাহিত্য সাহিত্য হৈ উঠে ? মৌমাখিয়ে যি মিঠা বস্তু ফুলৰপৰা শুহি লয় সি তো মৌ নহয়। তাৰ নিজৰ ৰসৰ ৰসায়নেৰে মৌ তৈয়াৰী হয়। জীৱনৰ অভিজ্ঞতাৰ অনুভূতিৰ কোন সুৰগাৰে গলাই ল'লে সি কাব্যত পোহৰ ছটিয়ায়, মোক কোনে ক'ব ?

মি পিন ছিনৰ সৈতে সাক্ষাৎ নোহোৱাৰ হতাশা পাছদিনাই মই মনৰপৰা আঁতৰালোঁ। যি চাবলৈ আহিছোঁ, চাই লওঁ। আমাৰ কবিজনাই আমাৰ চকুত যি দৃষ্টি দি থৈ গ'ল তাৰে চকুত পৰাখিনি, হাততে ঢুকি পোৱাখিনি ভালকৈ চাই ল'ম।

নগৰৰ এডোখৰ জনাকীৰ্ণ ঠাইলৈ আমি গ'লোঁ। এই ঠাইটুকুৰা বজাৰ— যাক 'শ্বপিং ছেণ্টাৰ' বুলি কোৱা হয়। ছাইকেলৰ ইমান ভিৰ যে মটৰ লৈ যোৱাই টান হৈ পৰিল। ঠাইটুকুৰাৰ নাম 'তাহ ছি লান।' ১৯৬১ চনত ইয়াত এই 'এয়াৰ ৰেইড শ্বেলটাৰ' নিৰ্মিত হৈছিল। এটম বোমাৰ আক্ৰমণৰপৰা দেশবাসীক ৰক্ষা কৰাৰ ই এটা সৰ্বাত্মক প্ৰচেষ্টা। ইয়াৰ আটাইবোৰ ঘৰেই

দোকানঘৰ। সৰ্বমুঠ এহাজাৰ আঠৰ্শ কৰ্মীয়ে কাম কৰে। তেওঁলোকেই এই ভূগৰ্ভ নগৰী নিৰ্মাণ কৰিলে। এই জনবহুল ৰাজআলিত তেওঁলোকে জিৰণি পৰতহে এই খননকাৰ্য্য কৰিছিল অৰ্থাৎ spare time অত খান্দি উলিয়াইছিল, over timeঅত নহয়। প্ৰতিদিন এই 'তাহ ছি লান' পথেৰে আশী হাজাৰ মানুহ অহা যোৱা কৰে। যি'কানো এটা সময়ত মানুহৰ চলাচল বন্ধ কৰি দি লোক পিয়ল কৰিলে আঠ হাজাৰ মানুহৰ জুম এটা দেখা যাব।"

গাড়ী ৰ'ল। আমি এখন টুকুৰা কাপোৰৰ দোকানত সোমালোঁ গৈ। বহু মানুহে কাপোৰ কিনি আছে। মই ভাবিলো ইয়াত কিনা-কটা কৰিব পৰা হ'ব। অলপ আঁতৰত মোৰ নাতিনীটোৰ জোখাৰে এটা চোলা দেখি বিৰ দি বাট উলিয়াই আগুৱাই যাবলৈ ধৰিলো, কমৰেড মঙে মোৰ কিলাকুটিত ধৰি মোৰ গতিপথ সলাই দিলে। কথাটো কি মই তেতিয়ালৈকো ঠাৱৰাব পৰা নাছিলোঁ। আমি ঘৰটোৰ একাষত থিয় হ'লোগৈ। ভিৰ অলপ পাতলিল আৰু চোঁ কৈ এটা শব্দ হ'ল আৰু মজিয়াৰ এফাল আঁতৰি গ'ল। আচলতে সেইখন মজিয়া মজিয়া নাছিল, আছিল লোৰে তৈয়াৰী তলমূৰা দুৱাৰ। দুৱাৰখন আঁতৰি যোৱাৰ লগে লগে খটখটী ওলাই পৰিল। সেই ভূগৰ্ভলৈ নামি যোৱা দীঘল খটখটীটো দেখা পাই মোৰ 'আত্মাৰামে' ত্ৰাহি মধুসূদন বুলি ডাক ছাৰিলে। ইমান তললৈ নামি আকৌ ওপৰলৈ উঠি আহিব লাগিব। তদুপৰি মৰাৰ আগতে মাটিৰ তললৈ যোৱাৰ আঁচৰিও মোৰ ইয়াৰ আগতে নাছিল।

যি কি নহওক, সকলোৱে মিলি নামিবলৈ ধৰিলো। খটখটী য'ত শেষ হৈছে তাৰপৰা দীঘল ঠেক গলি আৰম্ভ হৈছে। সেই গলিৰ পৰাও আকৌ দুফালে শাখাগলি ওলাইছে। প্ৰথমেই আছে বায়ু বিশুদ্ধকৰণ যন্ত্ৰ। তাত ইলেকট্ৰিক মিস্ত্ৰীসকলে কাম কৰি আছিল। ওপৰত এটম বোমা ফাটিলে তাহ দূষিত হ'ব, সেই দূষিত বতাহ পৰিশোধিত হৈ এই ভূগৰ্ভলৈ সোমাব। সেই যন্ত্ৰেৰে শোধিত হ'ব কেনেকে, শোধন কৰা হ'ব কেনেকৈ সেই কথাটোও আমাক বুজাই কৈছিল, কিন্তু সেইবোৰ কথা ভালকৈ বুজা নাছিলোঁ গতিকে এতিয়া বুজাই ক'বও নোৱাৰিম। পানী পৰিশোধিত কৰাৰ ব্যৱস্থাও আছে। বিশুদ্ধ পানী পাইপৰ যোগেদি বিভিন্ন ফাললৈ পানী পঠিওৱা হ'ব।

আমি গলিৰ পিছত গলি পাৰ হৈ গৈ আছোঁ। দুকাষে সৰু সৰু খালী কোঠা। এইবোৰত দোকান পতা হ'ব। লাগিলে ওপৰত থকা দোকানবোৰেই তললৈ নামি আহিব। গলিবিলাক চাই মোৰ ভেনিছৰ কথা মনত পৰিল। ভেনিছত এনেকৈ সৰু সৰু গলি। কোনটো গলিৰে কোনখিনি যে পামগৈ সেই কথা বুজা টান। পিছে দুয়ো কাষৰ পানীৰ খল খল শব্দই মনতো আনন্দৰ ধ্বনি তোলে।

ইয়াত মনটোক আনন্দই জোকাৰি যোৱা নাই, 'এটম বোমা'ৰ ক'লীয়া ভাৱৰে মনৰ প্ৰসন্নতাক গোমা কৰি ৰাখিছে।

কেইবাটাও গলি অকাই পকাই পাৰ হৈ আমি এটা বৃহৎ হলঘৰত উপস্থিত হ'লোঁহি। তাত আমাক আদৰিবলৈ মেজৰ ওপৰত চাহ আদি সজাই থোৱা আছিল। যেতিয়া ওপৰৰ চহৰস্থ দোকানবোৰ তললৈ নামি আহিব, তেতিয়া এই হলঘৰটোৱেই হ'ব ৰেস্তৰাঁ বা চাহৰ দোকান। আমি বহাৰ পাছত ভূগৰ্ভ নগৰীৰ কৰ্তৃপক্ষই আমাৰ আগত এই সুড়ংগনগৰীৰ সম্পৰ্কে বক্তৃতা দিবলৈ ধৰিলে

"মাও চে তুঙে আমাক আক্ৰমণৰ বাবে প্ৰস্তুত থাকিবলৈ কৈছিল, কৈছিল স্বয়ংসম্পূৰ্ণ হ'বলৈ। অন্যান্য বৃহৎ ৰাষ্ট্ৰসমূহৰ কৰ্তৃত্বৰ প্ৰতি আকাঙ্ক্ষা কৰিবলৈ নিষেধ কৰিছিল (do not seek hegemony) আৰু সকলো ঠাইত সুড়ংগ খান্দিবলৈ কৈছিল। তেওঁৰ ইচ্ছা আৰু উপদেশ শুনি এই 'তাহ ছি লান' এলেকাৰ দোকানকৰ্মীবৃন্দই ওপৰস্থ এলেকাৰ তলত এই ভূগৰ্ভ এলেকাটো নিৰ্মাণ কৰিলে, অৰ্থাৎ খান্দি উলিয়ালে। আৰু বায়ু শোধক, বিজুলী উৎপাদক, এটম বোমা প্ৰতিষেধকৰ ব্যৱস্থা কৰিলে। এই ঠাইডোখৰ পূবৰপৰা পশ্চিমলৈ বিস্তৃত। প্ৰতিখন দোকানৰ তলতে সোমোৱাৰ ব্যৱস্থা আছে আৰু ভূগৰ্ভৰ দোকানলৈ সোমাই অহাজনৰ তাৰপৰা ওলোৱাৰো দুৱাৰ আছে। গতিকে, পাঁচৰপৰা দহ মিনিটৰ ভিতৰত দহ হাজাৰ মানুহ চকুৰ পচাৰতে মাটিৰ তললৈ নামি আহিব পাৰিব। ইয়াত সৰ্বমুঠ তিনি হাজাৰ মিটাৰ দীঘল সুড়ংগ আছে। এই সুড়ংগ-বিলাকৰ লৈতে আছে বাসগৃহৰ সংযোগ। এইদৰে প্ৰতি এলেকাত, অৰ্থাৎ হস্পিতালৰ তলত হস্পিতাল, স্কুলৰ তলতে স্কুল, বসতিৰ তলতে বসতিৰ অঞ্চল, ইণ্ডাষ্ট্ৰিয়েল এলেকাৰ তলতে ইণ্ডাষ্ট্ৰিয়েল এলেকা। পৰস্পৰৰ যোগাযোগ তো

আছেই, আকৌ পিকিঙৰ ভূগৰ্ভৰপৰা গাঁৱলৈ ওলাই যোৱাৰো ব্যৱস্থা আছে। অৰ্থাৎ, প্ৰথমে গোটেই চহৰখনেই তললৈ নামি আহিব, তাৰ পাছত মানুহ-তুনুহ গাঁৱলৈ গুচি যাব গৈ। সৈন্যসকল ইয়াতে থাকিব আৰু ইয়াৰেপৰাই যুদ্ধ কৰিব। প্ৰতিখন ডাঙৰ চহৰতে এনেকুৱা ব্যৱস্থা কৰা হৈছে।"

আমাৰ প্ৰশ্নৰ উত্তৰত বক্তাজনে ক'লে, "আমি ভূগৰ্ভৰ নৰ্দ্দমা মিটাৰ তললৈ নামি আহিছোঁ।"

মই এই কথা ভাবি তবধ মানিলো, ইয়াত পানী সুঠিল কিয়? নাদ নহ'ল কিয়? মই সোধাত কোৱা হ'ল যে ইয়াত খান্দোতে পানী ওলোৱা নাছিল, কিয়নো এই এলেকাৰ পানীৰ স্তৰ বহু তলত। পানীৰ পাম্প বহুউৱা হৈছে। কেনেকৈ সুশৃংখলভাৱে তললৈ নামিব লাগিব জনসাধাৰণক সেই শিক্ষা দিয়া হৈছে। সেয়েহে তেওঁলোকে নিচেই কম সময়ৰ ভিতৰত তললৈ নামি আহিব পাৰে। কোনো কোনো ঠাইত মটৰৰে সৈতে সোমোৱাৰ ব্যৱস্থাও আছে। আমি সোধাত কোৱা হ'ল যে, যোৱা ভূইকঁপে এই ঠাইৰ কোনো ক্ষতি সাধন নাই। এই যে বিৰাট কৰ্মযজ্ঞ ইয়াৰ সৰহভাগেই শ্ৰমদানৰ দ্বাৰা নিষ্পন্ন হৈছে। গোটেই বিষয়টোৱেই সাঁথৰ সাঁথৰ যেন লাগে, শ্ৰমৰ মূল্য পাবলৈ নাপালে সেইটো কোনো ডাঙৰ কথা নহয়, কিয়নো, টকাৰ মূল্যতকৈও মূল্যৱান বস্তু আছে—সেই আপুৰুগীয়া বস্তুলৈ মানুহৰ মন গ'লে মানুহে অৱশ্যেই ত্যাগ স্বীকাৰ কৰিব পাৰে। যুগে যুগে দেশে দেশে মানুহে কৰিছেও।

কিন্তু ইমান শ্ৰম, ইমান কৰ্মশক্তি আহে ক'ৰপৰা? ১৯৬৯ চনত কাম আৰম্ভ কৰা হৈছিল। এই কেইবছৰমানৰ ভিতৰত ইমান ডাঙৰ কামটো কৰা সম্ভৱ হ'ল কেনেকৈ?

আৰু আমাৰ কলিকতাৰ পাতাল ৰেলৰ সূচনাতে লাখ লাখ টকা খৰচ কৰিও লেধাই শামুকটোৰ দৰে তাৰ গতি। এইবোৰ কথা মনত পৰে—বহুতে বেয়া পাব নিজৰ দেশৰ সমালোচনাৰ বাবে। কিন্তু কিবা এটা বুজিবলৈ বা বুজাবলৈ হ'লে উপমা নোহোৱাকৈ বুজোৱা সম্ভৱ নহয়। সাত আঠ বছৰৰ ভিতৰত এখন নগৰৰ তলত আন এখন নগৰ নিৰ্মাণ কৰাটো যে কি—সেই কথা বুজাৰ একমাত্ৰ উপায় হ'ল আনৰ কামলৈ লক্ষ্য কৰা।

আমি সুধিলোঁ, "কেনেকৈ ইমান দ্ৰুততাৰে এই অসাধ্য সাধন কৰা হ'ল?"

তেওঁলোকে এই কথাৰ উত্তৰত ক'লে, "জনগণৰ কৰ্মশক্তিৰ ওপৰত আস্থা স্থাপন কৰাত তেওঁলোকে স্বেচ্ছাই তেওঁলোকৰ কৰ্মঠ বাহু দুখনেৰে এই কৰ্মোদ্যোগ সফল কৰি তুলিছে।"

তেওঁলোকে মাও চে তুঙৰ বাণী শুনিছে—'Grasp revolution, promote production, prepare against the war'

মই আৰু বৎসলাই চকুৰে চকুৰে চালোঁ। এই কথা সদায় শুনি আছোঁ। মন্ত্র পাঠ কৰা যেন লাগে। কিন্তু চকুৰ আগত যি দেখিছোঁ? সেইবোৰ তো 'বুদ্ধং শৰণং গচ্ছামি'ৰ দৰে চকৰি ঘূৰোৱা মন্ত্র নহয়। এয়া যে কপালৰ ঘাম ভৰিত পেলোৱা অসাধ্যসাধনৰ মন্ত্র। মোৰ আকৌ ভাব হ'ল—আমাৰ চাবপৰা চকু দুটাক আৰু বুজিব পৰা মনটোক ইয়াত নতুন অৰ্থেৰে সক্রিয় কৰি তুলিব লাগিব।

মই কি কথা শুনি আহিছিলো, আৰু কি দেখিলোঁ।

মই শুনিছিলো যে চীনাসকলে কোনো বস্তুৰ ফটো তুলিবলৈ নিদিয়ে। কিন্তু সকলোতেই ফটো তোলা হৈছে।

শুনিছিলোঁ—এওলোকে ফেমিলি প্লেনিং নকৰে, কিয়নো, মাও চে তুঙে কৈছে যে মানুহে কেৱল নাখায়, তেওঁ দিয়েও। মানুহ মাথোন consumer নহয়, producerও। যিমানেই নাখাওক, মানুহে আৰু উৎপাদন কৰিব।

কিন্তু কামৰ বেলিকা যেতিয়া দেখা গ'ল যে এই মত সলাব লাগিব, সলাই পেলালে। মেওাৰিনভাষীসকলৰ মাজত পৰিয়াল পৰিকল্পনা ব্যাপকভাৱে প্রচলিত হৈছে।

কোনো মত চিৰস্থায়ী নহয়। বিশেষকৈ চীন দেশত। চীনদেশ সদায়েই যেন এটা গতিৰ মাজত আছে। চৰৈবেতি চৰৈবেতি। চীনদেশ ক্রমাত নানা ধৰণৰ পৰিবৰ্তনৰ মাজেদি আগবাঢ়ি গৈছে। আৰু আচৰিত হৈ ভাবি আছোঁ—তেওঁলোকৰ গুপ্ত বাসস্থানো আমাক দেখুৱালে দেখোন।

মই সুধিয়েই পেলালোঁ, "তোমালোকে এই ঠাই আমাক দেখুৱালা কিয়?"

ভদ্রলোক হাঁহিবলৈ ধৰিলে, "কোনো ক্ষতি নাই। তোমালোক আমাৰ বন্ধু। যদিও আমি সকলোকে নেদেখুৱাওঁ।"

মনত তেতিয়া চিন্তাৰ খোঁকিবাখোঁ।

মই আকৌ সুধিলোঁ, "তোমালোকে এটাৰ বোমাবপৰা বক্ষা পাবলৈ ইমান ডাঙৰ এটা কাণ্ড কৰিলা—তোমালোকৰ ওপৰত বোমানো পেলাবকোনে ?"

উত্তৰত কোৱা হ'ল যে দুটা ছুপাৰ পাওৱাৰলৈ তেওঁলোকৰ ভয়—ৰুছিয়া আৰু আমেৰিকাৰ সম্পৰ্কেই তেওঁলোকৰ মনত আশংকা।

মই আচৰিত হৈ সুধিলোঁ, "আমেৰিকাই অৱশ্যে হিৰ'শিমাত বোমা পেলাই জঘন্য মনোবৃত্তিৰ পৰিচয় দিলেই। কিন্তু ৰুছিয়া ? ৰুছিয়ায়ো এই কাম কৰিব পাৰে বুলি ভাবানে কি তোমালোকে ?"

"কিয় নোৱাৰিব ? তেনেহ'লেনো ইমান মিছাইল তৈয়াৰ কৰি'ছে কিয় ?"

১৫ ডিছেম্বৰ। আজি আমি পিকিঙ'ত বিভিন্ন দ্ৰষ্টব্য চালোঁ। ভূগৰ্ভ নগৰীৰ পাছত আৰ্টছ এণ্ড ক্ৰাফট চালোঁ। ১৯৬০ চনত সেই কুটীৰশিল্প সম্বাটো খোলা হৈছিল। তাত এহেজাৰ তিনিশ কৰ্মী কৰ্মৰত। ইয়াত চীনৰ বিচিত্ৰ শিল্পদ্ৰব্য তৈয়াৰ কৰা হৈছে। এহাজাৰ তিনিশ কৰ্মীৰ মাজত সাতশয়েই মহিলাকৰ্মী। জেড্ পাথৰৰ বিভিন্ন বস্তু, মূৰ্তি, অলংকাৰ ইত্যাদি হ'ল চীনৰ বিখ্যাত শিল্প। হাতৰ কামৰ লগতে এওঁলোকে যন্ত্ৰকো সাঙুৰি লৈছে। সূক্ষ্ম খোদাই হাতেৰে কৰিছে। ডাঙৰ ডাঙৰ পাথৰবোৰ জোখে জোখাৰে য'ন্ত্ৰৰ কাটি লৈ যন্ত্ৰেৰেই নিমজ কৰা হৈছে। প্ৰত্যেকেই সৰু যন্ত্ৰ একোটা লৈ কামত লাগিছে। যন্ত্ৰবোৰ বিজুলীশক্তিয়ে চলাইছে, পি'ছ কোনো ডাঙৰ যন্ত্ৰ নহয়। হেণ্ডিক্ৰাফটৰ লগতে সামঞ্জস্যপূৰ্ণ। 'ক্লয়ছন' নামৰ এবিধ কাৰুকাৰ্য্য দেখি'লোঁ। তামৰ পাতৰ ওপৰত সোণৰ তাঁৰেৰে এই কাম কৰা হয়। তদুপৰি, চীনৰ পুৰণি পদ্ধতিৰে অঁকা চিত্ৰ, মিনাৰ ৰহণ চৰোৱা কাম, লাৰ কাম। প্ৰতিটো শিল্পসামগ্ৰী আটকধুনীয়া। প্ৰতিটো ঘৰত ত্ৰিছ চল্লিছজন মানুহে মনপুতি কাম কৰি'ছে। কোনোৱে সূক্ষ্ম তুলিৰে কাম কৰিছে, কোনোৱেবা ঘঁহি-পিহি ৰহণ বোলাইছে। ইমানবোৰ আচহুৱা বেশ-ভূষা পৰিহিত মানুহ ঘৰত সোমাই ঘূৰা-ফুৰা কৰি আছে অথচ কোনোৱেই কামৰপৰা মূৰ দাঙি চোৱা নাই। কৰ্মৰ এই একাগ্ৰতা আৰু বহুতো ঠাইত দেখিছোঁ। আমাক হাতীৰ দাঁতৰ এটা 'বেলৰে'ৰ খোদাইকাৰ্য্য দেখুউৱা হ'ল। বিৰাট বস্তু এটি। এইটো নিৰ্মাণ কৰিবলৈ পাঁচ হাজাৰ দিন

লাগিল। অৰ্থাৎ এজন মানুহে পাঁচ হাজাৰ কৰ্ম-দিবসত সেইটো নিৰ্মাণ কৰিব পাৰিব। এই বস্তুটো ইউনাইটেড নেশ্যনছলৈ উপহাৰস্বৰূপে পঠোৱা হৈছে। ইয়াত তাৰ নকলটোহে আছে।

এওঁলোকেও সেই মন্ত্ৰ আওৰালে—চেয়াৰমেন মাওৰ নিৰ্দেশ. পুৰণিয়ে নতুন সেৱা কৰক, শতপুষ্প বিকশিত হওক। সেই অনুসাৰে কাম কৰি আমাৰ বছৰেকীয়া কাম নিৰ্দিষ্ট সময়ৰ বিছ দিনৰ আগতেই সম্পাদন কৰিলোঁ। ইয়াত বছৰেকত ছয় মিলিয়ন ডলাৰ মূল্য দ্ৰব্যসামগ্ৰী উৎপাদিত হয় আৰু এইবোৰ উৎপাদিত দ্ৰব্যৰ সৰহভাগেই ইঅ'ৰোপ-আমেৰিকাত বিক্ৰি হয়। এইবোৰ শিল্পদ্ৰব্য বিক্ৰি কৰি বহু ধন আৰ্জে। সামগ্ৰীবোৰৰ আটাইখিনিয়েই পুৰণি শিল্পৰ অনুকৰণ বা পুৰণিক নতুন ৰূপ দান। আশ্চৰ্য্য সুন্দৰ। চালে চাই থাকিবৰ মন যায়। এটা সোণৰ বিলিফৰ ওপৰত এখন চিত্ৰ দেখিলোঁ—এজন খেতিয়কক জমিদাৰৰ টেকেলাই শাস্তি বিহিছে।

মই ক'লোঁ, "কমৰেড ম, এইটোনো কেনে কথা। জমিদাৰৰ টেকেলা সোণৰ হ'ল, বুজিলোঁ বাৰু, সেই বুলি খেতিয়কো সোণৰ, সোঁকাডালো সোণৰ—কথা কি? বিষয়বস্তুৰ সৈতে ৰজিতা খোৱা নাই।"

মঙে হাঁহি হাঁহি যি ক'লে তাৰ মৰ্মাৰ্থ হ'ল "খোৱাহে খোৱা, আৰ্টৰ নামত কিমান যে কি হৈছে।"

মই ক'লোঁ, "তোমালোকৰ কথা শুনি গোটেই পৃথিৱীখনেই যদি ডিকটেটৰশিপ অৱ প্ৰলিতেৰিয়েত হৈ পৰিলহেঁতেন, তেতিয়াহ'লে তোমালোকে এইবোৰ বস্তু ক'ত বেচিলাহেঁতেন। কোনে কিনিলেহেঁতেন? ভাগ্যে কেপিটালিস্টইঁত আছে, সেয়েহে এইবোৰ শিল্প এতিয়াও তৈয়াৰ কৰা হৈছে।"

১৫ ডিচেম্বাৰৰ ৰাতিপুৱা। এই দ্ৰষ্টব্য ঠাই ভুখনৰপৰা কোনোমতে লাঞ্চ খাই সেই দিনা ৰাতিয়েই আমি ছামাৰ পেলেছ চাবলৈ গ'লোঁ। আমাৰ বাবে এয়া বৰ সন্মানজনক নিমন্ত্ৰণ। চীনৰ কৰ্তৃত্বত যিগৰাকী মানুহৰ স্থান দ্বিতীয়, সেই ইয়ে ছিয়েন ইঙে আমাক নিমন্ত্ৰণ জ্ঞাপন কৰিছে। তেওঁৰ সৈতে সাক্ষাৎ কৰিবলৈ আমাক 'গ্ৰেট হল অৱ দি পিপ'ল'লৈ যাব লাগিব। আৰু এই ছেগতে ছামাৰ পেলেছো চাই আহিব লাগিব। এনেভাৱে হুৰমূৰকৈ চোৱা-

নোলাত মই একেবাৰে আনন্দ নাপাওঁ। তথাপি সেই বিশ্ববিশ্রুত ছামাৰ পেলেছ চাবলৈ ওলালোঁ 'আইৰো বাৰ্তা গংগাৰো যাত্রা' হওক বুলিয়েই। তেনেকুৱাই হ'ল কথাটো।

ইমান ডাঙৰ প্ৰাসাদ ঘূৰি ঘূৰি চোৱাটো বৰ উজু কাম নহয়। মনতো নাথাকে। মই বৰ্ণাব পৰা কেতবোৰ বিশেষ বিচিত্ৰ জাউগছ দেখা পাইছিলোঁ। এইবোৰ ইমান পুৰণি যে এইবোৰে সেই দোৰ্দণ্ডপ্ৰতাপ সম্ৰাজ্ঞীৰ ভ্ৰমণপথৰ ওপৰত নিশ্চয় ছা পেলাইছিল। এই প্ৰাসাদ বাৰে বাৰে লুণ্ঠিত হৈছিল। ইয়াৰ বহুতো সম্পদ, শিল্পদ্ৰব্য, অতুলনীয় ৰত্ন-সম্ভাৰ বিদেশীইঁতে চুৰ কৰি লৈ গ'ল।

প্ৰাসাদৰ গাতে লগা পাহাৰৰ ওপৰত বুদ্ধমন্দিৰ। ইমান ওপৰলৈ যাবলৈ কাৰো সাহস নহ'ল। তথাপি দীঘলীয়া লা-ৰ কাৰুকৰ্মৰে সজ্জিত বিভিন্ন শিল্পীয়ে অঁকা আশ্চৰ্য্য চিত্ৰ আচ্ছাদিত পথ ওপৰলৈ গৈছে। তাৰ দুকাষৰ জলাশয়সমূহ এতিয়া বৰফেৰে গোটমাৰি আছে। আমাৰ দলটোৰ আটাইকেইজনেই খৰখুজীয়া। দীঘল দীঘল খোজেৰে ক্ষিপ্ৰতাৰে আগবাঢ়ি গৈছে। মই চিত্ৰবো চোৱাৰ চেষ্টাত পিছ পৰি গৈছো।

লী মোৰ কাষ চাপি আহিল—"মিছেছ দেৱী, তুমি লাহে-ধীৰে গৈ থাকা, মই তোমাৰ লগতে আছোঁ।'

মই লীৰ হাতত ধৰি লেহেৰাই লেহেৰাই চিত্ৰ চাই চাই আগবাঢ়িবলৈ ধৰিলোঁ।

কেনে অদ্ভুত সুন্দৰ এওঁলোকৰ প্ৰাচীন চিত্ৰকলা। আধুনিক চিত্ৰসমূহত ইঅ'ৰোপীয় প্ৰভাৱ। সেই দীৰ্ঘ বেলকনিত কাঠৰ ওপৰত থকা চিত্ৰবোৰ কোন 'যুগৰ বিশেষ শিল্প' লীএ মোক কৈছিল। কিন্তু সেইবোৰ কথা মনত ৰখা অসম্ভৱ। আমাৰ যেনেকৈ অজন্তাৰ শিল্প আংগিক এই দেশৰপৰা লুপ্ত হৈ গৈছিল, এই শতিকাৰ প্ৰথমভাগৰপৰা তাৰ পুনৰুজ্জীৱন হৈছিল, নহ'লে ৰবি বৰ্মাৰ আংগিকেই প্ৰাধান্য বিস্তাৰ কৰি লৈছেতেন, চীনত সেই শিল্প-আংগিক বিচ্ছেদ হোৱা যাছিল যেন লাগিল। মই বৰ ক্লান্ত বোধ কৰিছোঁ। বিশেষ মতামত দিব পৰাকৈ ভালদৰে চোৱা নহ'ল। এই প্ৰাসাদ বাৰে বাৰে কেনেকৈ

স্তম্ভিত হৈছিল নীএ মোক সেইবোৰ কথা ক'বলৈ ধৰিলে। তাৰপাছত তেওঁ হঠাতে সুধিলে, "তোমাৰ যিখন কিতাপ পুৰস্কৃত হ'ল সেইখনৰ নাম কি ?"

"যি নমৰে।"

"কাহিনীটো কোৱা।"

"মহাকবিয়েচোন তোমাক ক'লেই।"

"মহাকবিৰ কথা মই বুজি নাপালোঁ। আৰু তেওঁ তো কিতাপখন পঢ়া নাছিল, ৰিভিউহে পঢ়িছিল মাথোন।"

"কোনো কিতাপৰ সংক্ষিপ্ত কাহিনী শুনিয়েই সেই কিতাপখনৰ সম্বন্ধে পৰিপূৰ্ণ ধাৰণা কৰিব নোৱাৰি। গতিকে কাহিনীটো মই নকওঁ।"

"তেনেহ'লে কি নমৰে ? নমৰাকৈ কিবা বস্তু থাকিব পাৰেনে ?"

"পাৰে। আছে। কিন্তু এজনে তাৰ সন্ধান আন এজনক দিব নোৱাৰে।"

'তেনেহ'লে কোৱা—সেয়া কি বস্তু।—Feelings—অনুভূতি ?"

"ক'ব পাৰা, পিছে ইমান সৰলীকৰণ কৰিলে নহ'ব। কৰুণা হ'লেহে মানুহে বুজিব পাৰে।"

"কাৰ কৰুণা ? তুমি ঈশ্বৰ মানা ?"

"নাজানো। মই কি মানো—নামানো মই কিবা জানোনে ? মানুহে নিজকেইবা কিমানখিনি জানে ? পিছে তোমালোকে বুজি পাব লাগে। তোমালোকৰ প্ৰিয় নেতা বা গুৰুৰ আহ্বান পাই কিমান মানুহে যে হেলাৰঙে প্ৰাণ বিসৰ্জিলে—তেওঁলোকে অমৰত্বৰ আস্বাদ লভিলে—।"

"নিশ্চয়, শহীদসকল অমৰ।"

"কিয় ? মাৰ্টাৰছ হলত তেওঁলোকৰ ছবি আঁৰি থৈছা বাবে ? সেই ছবি পোক পৰুৱাই কুটি নষ্ট কৰিব —দুই তিনি প্ৰজন্মৰ পাছত অৰ্থহীন হ'ব। অমৰত্ব আছিল সেইজনাৰ বোধশক্তিত। সময়ৰ ব্যাপ্তিত অমৰত্ব নাই, আছে কালৰ বিশেষ বোধৰ মাজত। সেয়া Quantitive নহয়, Qualititive "

আমি দীঘলীয়া বেলকনিয়েদি গৈ আছো। দুকাষত কৃত্ৰিম নৈৰ ধাৰা বৰফ হৈ গোট মাৰি আছে। তাৰ মাজে মাজে পাটৰ ঠাৰিৰ দৰে অসংখ্য শুকান ঠাৰি থিয় হৈ আছে।

মই সুধিলোঁ, "সেইবোৰ কি ?"

লীএ ক'লে, "পদুমৰ ঠাৰি। ইমানবোৰ শুকান পদুম পাত দেখা নাই নে?"

মই বুজি পালোঁ,—

"সৌৰভ নৌ বিলাওঁতেই শীতৰ ৰাতিত
নিষ্ঠুৰ কুঁৱলীৰ আঘাতত
পদুমৰ পাহি গ'ল মৰহি।"

মই ভাবি আছোঁ—ইমান পদুম ফুলেনে ইয়াত? শুনিলো বসন্তকালি হাজাৰ-বিজাৰ পদুম ফুলি থাকে। মই সুধিলোঁ, "লী, সেই সহস্র কমল দেখিছানে?"

"নিশ্চয়। মই কতবাৰ আলহীসকলক লৈ আহিছোঁ।"

"এতিয়া কোৱাচোন লী, এই শুকান ঠাৰিবোৰ সঁচা, নে সেই বসন্তৰ শোভা?"

ইতিমধ্যে আমি চোতাললৈ নামি আহিছোঁ। অদ্ভুত অদ্ভুত বিচিত্র তৰুশ্রেণী পাৰ হৈ আহিলোঁ। অলপ আঁতৰত গাড়ীবোৰ বৈ থকা দেখা পাই স্বস্তি অনুভৱ কৰিলোঁ। এতিয়া ভৰি মেলি বহিব পাৰিম।

সন্ধিয়া পৰতে সেই বিশেষ সন্মানাৰ্হ ভোজমেল। ইয়ে ছিয়েন ইং (Yeh Chein Yung) হ'ল কমিউনিষ্ট পাৰ্টিৰ ছেণ্ট্ৰাল কমিটিৰ ভাইছ চেয়াৰমেন। এওঁ আমাৰ নিমন্ত্রণকৰ্তা, আমি ক্লান্ত দেহাৰেই নিমন্ত্রণলৈ সাজু হ'লো। সেই দিনা আমাৰ ৰাষ্ট্ৰদূত শ্ৰীনাৰায়ণনৰ কেণ্টনলৈ যোৱাৰ কথা আছিল তেওঁৰ পত্নী আৰু পুত্ৰসকলক লৈ আহিবলৈ। তেও পত্নী পুত্ৰক অসুবিধাত পেলোৱা এই নিমন্ত্রণলৈ আহিল। কিয়নো, ইয়াৰ আগতে ইমান উচ্চপদস্থ কোনো লোকৰপৰা নিমন্ত্রণ তেওঁ পোৱা নাছিল আৰু ভাইছ চেয়াৰমেন ইয়েৰ সৈতে সাক্ষাৎকাৰ তেওঁ অতীব প্ৰয়োজনীয় আৰু সন্মানজনক বুলি বিবেচনা কৰিলে।

এই বিশেষ নিমন্ত্রণৰ বাবে যথোপযুক্ত সাজ সজ্জা কৰাৰ শাৰীৰিক শক্তি কোনো এজনৰেই নাছিল বোধকৰোঁ। গোটেই দিনটো ইমান ঘূৰা ফুৰাৰ মাজেদি পাৰ হৈছে, তথাপি মই বৎসলাক ক'লোঁ, "বৎসলা, এয়ে তোমাৰ সুযোগ, ভালকৈ সাজ পাৰ কৰি লোৱা—যাতে চীনৰ দ্বিতীয় নাৰী হ'ব পাৰা তাৰ চেষ্টা দিয়া। মাৰ্শাল ইয়েক আজি 'বিন্ধিবা কটাক্ষেৰে।"

বৎসলাই ক'লে, "মৈত্রেয়ী—মোৰ মংগল-চিন্তা তোমাৰ মনৰ কোনোবা এচুকতো যদিহে অক'মানো আছে—তেন্তে এই প্ৰস্তাৱ কেতিয়াও নিদিবা।

"কিয় ?"

"দেখিলেহে দেখিব পাৰিবা।"

গ্ৰেট হল্ অব দি পিপ'ল—মহালোকসভাগৃহ থিয়েনান মেন স্কোৱেয়াৰৰ কাষত, স্বৰ্গীয় শান্তি দ্বাৰৰ বিপৰীতে, নিষিদ্ধ নগৰীৰৰ মুখামুখিকৈ অবস্থিত। অসংখ্য চিৰিৰ ধাপ বগাই সেই বৃহত অট্টালিকাত সোমালোঁ। আমাক এটা কোঠালৈ লৈ যোৱা হ'ল। কোঠাটো গৰম, সেয়েহে আমাৰ কোট টুপি শাল কাপোৰ আদি বাহিৰত ওলোমাই থৈ ভিতৰলৈ সোমালোঁ। নিমন্ত্ৰণকৰ্ত্তা দুৱাৰৰ কাষতে থিয় হৈ আছিল। তেওঁৰ পিনে চোৱা মাত্ৰেই বৎসলাৰ সেই মন্তব্যৰ অৰ্থ ফটফটীয়া হ'ল—এওঁ বৃদ্ধ, অতিশয় বৃদ্ধ। স্থবিৰ বুলিয়েই ক'ব পাৰি। পাছত বিজয়বাবুৰপৰা শুনিছিলো যে, এৱেঁই চেয়াৰমেন হোৱাৰ কথা আছিল। অৰ্থাৎ, মাও চে তুঙৰ পিছতেই এওঁৰ স্থান। কিন্তু এওঁ নিজেই কৈছিল যে, তেওঁৰ বয়স অতি বেছি হ'ল। চেয়াৰমেনৰ পদত হুৱা কুৱা ফেঙক প্ৰতিষ্ঠিত কৰাৰ প্ৰস্তাৱ এৱেঁই দিছিল। কিয়নো, বাৰে বাৰে চেয়াৰমেনৰ সলনি হৈ থকাটো ভাল কথা নহয়। এই কথা শুনি এই বৃদ্ধ মানুহগৰাকীলৈ মোৰ ভক্তি উপজিল। চিৰকাল ৰাজনীতি কৰিও, বস্তুবাদী দৰ্শনত বিশ্বাসী হৈও তেও যি নিৰ্মোহ মনৰ পৰিচয় দাঙি ধৰিলে, চোধ্যবাৰ জপতপ কৰি গীতা আওৰায়ো দেখোন আলৰ বুঢ়াসকলেও গাদী থালী হৈ থকা দেখিলেই থৰ কাছুটি হেৰুৱাই লৰবে। ভদ্ৰলোক ধীৰ স্থিৰ শান্ত। তেওঁৰ মুখমণ্ডলৰপৰা এক শান্তিৰ ভাব ফুটি ওলাইছিল। আগতীয়াকৈয়েই সকলোৰে পৰিচয় দিয়া হৈছিল।

তেওঁ হেণ্ডেশ্বেক কৰোঁতে ক'লে, "তুমিয়েই লেখিকা ? চীনৰ বিষয়ে কি লিখিবা ? এটা কবিতা লিখিবা তো ?"

এওঁৰ লগতে আৰু এগৰাকী বিশিষ্ট ব্যক্তি আছিল। তেওঁ হ'ল মিলিটাৰি কামেশ্যনৰ ভাইছ চেয়াৰমেন। ভাইছ চেয়াৰমেনজনে বিজয়বাবুক ভালকৈ চিনি পায়। মেডিকেল মিশ্যন লৈ অহাৰ দিনৰেপৰাই চা-চিনাকি। এওঁ মঙ্গেশ

কোটনিছকো চিনি পায়। ১৯৫৮ চনত তেওঁ যেতিয়া ভাৰতলৈ আছিছিল তেতিয়া কোটনিছ পৰিয়ালৰ সৈতে দেখা কৰিবৰ বাবে তেওঁলোকৰ ঘৰে ঘৰলৈ গৈছিল। গতিকে তেওঁ পৰিয়ালটোৰ সকলোৰে কথা সুধিলে। তাৰ পাছত আমাৰ সকলোৰে সৈতে অলপ অলপকৈ কথা পাতিলে। মোক শান্তিনিকেতনৰ চীনা ভৱনৰ কথা আৰু প্ৰফেছৰ তানঅৰ কুশল-বাতৰি সুধিলে। তাৰ পাছত তেওঁ তেওঁৰ ভাৰত ভ্ৰমণৰ কথা সুঁৱৰিবলৈ ধৰিলে। তেওঁ 'ঝান্সী কা ৰাণী' বোলছবিখন চাইছিল—খুব ভাল পাইছিল। ভাৰতৰ বান্দৰবিলাকৰ নিৰ্ভীক বেপৰোৱা আওভাও আৰু দক্ষিণভাৰতীয় ছোৱালীসকলৰ অভ্যৰ্থনা—এইবোৰ গল্প শুনালে আমাক।

তাৰ পাছত ভাৰত আৰু চীনদেশৰ দীৰ্ঘদিনৰ মিত্ৰতা আৰু সাংস্কৃতিক ঐক্যৰ বিষয়ে লাহে লাহে বহু কথা ক'লে। ক'লে যে, থিয়েনান মেন স্কোয়েৰাৰত ভাৰতীয় এটাখনৈলৈ হাত বঢ়াই মাও চে তুঙে কৈছিল—'ভাৰতৰ প্ৰতি আমাৰ বন্ধুত্বৰ হাত প্ৰসাৰিত হৈয়েই আছে'।

এই কথাষাৰ কোৱামাত্ৰেই আমাৰ ৰাষ্ট্ৰদূত শ্ৰীনাৰায়ণনে জানিবা আমাৰ সকলোৰে হৈ ক'লে, That hand of friendship has been grasped, Your Excellency!' ইমান আন্তৰিকতাৰে, ইমান সপ্ৰতিভভাৱে তৎক্ষণাৎ উত্তৰটো দিয়া হ'ল যে, আমি আটায়েই মুগ্ধ হ'লোঁ।

কথা বতৰা গল্প গুজৱৰ পাছত সকলোৱে মিলি এখন পৰ্দাৰ আগত থিয় হৈ ফটো তোলোৱা হ'ল। এই পৰ্দাখন ফটো তোলাৰ বাবে ৰখা হৈছে বুলি মোৰ ধাৰণা হ'ল। দেশ বিদেশৰপৰা অহা বিভিন্ন ব্যক্তিক এই হলতে আদৰ অভ্যৰ্থনা কৰা হয়। ২৪ ডিচেম্বৰৰ পিকিং ৰিভিউত এই ফটো ওলাইছিল।

তাৰ পাছত এই কোঠাটোৰপৰা ওলাই আমি আন এটা ডাঙৰ কোঠাত সোমালোঁগে। তাত তিনিখন মেজৰ ওপৰত বিভিন্ন খাদ্যসম্ভাৰ সজাই থোৱা হৈছিল। ইমান দিন ধৰি যিমান ভোজ খালোঁ, সেইবোৰতকৈ আজিৰ এই ভোজ প্ৰচুৰ, প্ৰভূত আৰু উৎকৃষ্ট। খোৱামেজৰ সিপাৰে বনস্থলীৰ দৃশ্যত সৰু সৰু চাকি জ্বলি উঠিল আৰু প্ৰায় পোন্ধৰ-বিছ বিধৰ 'ক'ল্ড ডিশ্ব', আৰু পাছত 'তপত ডিশ্ব' আহিল।

মই ভাবিছিলোঁ লী মোৰ কাষতে বহিব আৰু মোক প্ৰত্যেকবিধ খাদ্যৰ কথা কৈ যাব। কিন্তু আমাৰ দুয়োৰে মাজত আকৌ মহাকবি বহিব। মহাকবি সম্বন্ধে কেইটামান কথা লিখিছিলোঁ, কিন্তু আজিহে সাৰ কথা লিখিম। এই কথাৰপৰা আমাৰ দেশৰ মদপীইঁতে অলপ শিক্ষা ল'লে ভাল হ'ব। মহাকবি মানুহজন খুবেই ভাল, নিৰভিমান, খং ৰাগ অসূয়া ঈৰ্ষাহীন আৰু সহিষ্ণু। তেওঁৰ ক্ৰটি বহিৰংগত। কিন্তু মই আকৌ সেইখিনিৰ বাবেই জেওা লগাই দিওঁ।

কাৰণবোৰ নিচেই নগণ্য। ধৰক—কুকুৰাৰ ঠেং এটা উফৰি আহি শাড়ীত পৰিলহি। আঙ্গাৰ বাটিটো জোলৰে সৈতে মেজৰ ওপৰত উবুৰিখাই পৰিল ইত্যাদি।

কিন্তু সিদিনা কাষৰ মানুহজনৰ সৈতে এষাৰ কথা পাতি ঘূৰি চালোঁ—মহাকবি নাই।

ক'লৈ গ'ল ?

সম্ভৱ-অসম্ভৱ কল্পনাবোৰ মগজুত পাক খাবলৈ ধৰিলে।

মই সভয়ে লীক সুধিলোঁ, "মহাকবি ক'ত ?"

লীএ উদাসীন ভাৱে ক'লে, "আছে ক'ৰবাত।"

মনে মনে শপত খালোঁ যে আৰু কেতিয়াও মহাকবিৰ প্ৰতি অসহিষ্ণুতা প্ৰদৰ্শন নকৰোঁ।

বহু সময়ৰ পাছত মহাকবি উভতি আহিল। মই আগৰ শপত পাহৰি গৰম হৈ ক'লোঁ, 'গৈছিল ক'লৈ ?"

তেওঁ হাঁহি মাৰি ক'লে, "টয়লেটলৈ।"

ভোজনৰ অন্তত দক্ষিণাও পালোঁ। অতি চমৎকাৰ। এখনকৈ চীনা ছিল্কৰ শাড়ী, আৰু দুখনকৈ ড্ৰেগন অঁকা টেপেষ্ট্ৰি কাপোৰৰ কুশ্বন। মোৰ বৰ মন গৈছিল—আমাৰ ফালৰপৰা এই বৃদ্ধক কিবা এটা উপহাৰ আগ বঢ়োৱাৰ, মই কিন্তু তো একো লগত লৈ যোৱা নাছিলোঁ। আৰু কিয়েইবা দিব পৰা গ'লহেঁতেন ? বয়সৰ এটা স্তৰ পোৱাৰ পাছত মানুহক আৰু বিশেষ একোৱেই নালাগে।

পাছদিনা, ১৬ ডিচেম্বৰৰ তাৰিখে আমি পিকিং এৰি গুচি যাম। মোৰ কোটচোলা লৈ এটা সমস্যাৰ সৃষ্টি হৈছে। এটাতকৈ বেছি কোটচোলা লৈ ফুৰাৰ পৰা নাযাব। দক্ষিণ চীনত বোলে গৰম, সেয়েহে তেওঁলোকে দিয়া ডাঙৰ কোটটো ইয়াত থুৰাই দিম। লগত লৈ যাম চীনা কোট। আৰু বিলাতী কোটটোক লৈ কি যে কৰোঁ।

স্যুক ক'লোঁ, "স্যু, তুমি এই কোটটো লোৱা—তুমি যেতিয়া পিন্ধিছিলা বেছ ভৱাই পৰিছিল।"

স্যুৰ মুখত যেন আকাশী সৰগ ভাগি পৰিল, "ইয়াৰে মই কি কৰিম। এইটো মই পিন্ধিব নোৱাৰিম।"

"কেলেই ?"

"কেনেও নিপিন্ধে আৰু'।"

"চীনদেশত তোমালোকে এনেকুৱা বহু কাম কৰিছা—যিবোৰ কাম আনে কৰা নাই, আৰু এইকণ কৰিব নোৱাৰিবনে ?'

বাঙালীসকলক পোছাক-পাতিৰ ফালৰপৰা উন্নত কৰি তোলাৰ প্ৰচেষ্টাত জ্যোতিৰিন্দ্ৰনাথে পাইজামাত কোঁচ দি এটা পোছাক তৈয়াৰ কৰিছিল। কবিয়ে কৈছিল, দেশৰ বাবে প্ৰাণ উছৰ্গা কৰাটো বৰ টান নহয়, কিন্তু উদ্ভট পোছাক পিন্ধাটো বৰ টান—সেই জৈ দাদাইহে পাৰিছিল।

মই স্যুক ক'লোঁ, "তুমি নল'লে মই discarded বুলি লিখি waste basketঅৰ কাষত থৈ দিম।"

স্যুৱে হৈচৈ লগাই দিলে। চীনৰ মানুহে কোনো বস্তু নষ্ট কৰি পেলাবলৈ নিবিচাৰে। তেওলোক সাশ্ৰয়ী, মিতব্যয়ী। এই বিষয়ত আমেৰিকাৰ একেবাৰে বিপৰীত। আমেৰিকাৰ গেৰেকনিত ভাল ভাল বয়-বস্তু পৰি থাকে। অৱশ্যে গেৰেকনি বুলিলে আমাৰবোৰৰ দৰে চোকাৰ ছাই, কঠালৰ ছাল-বাকলি আৰু ভতুৱা কুকুৰৰ ভোজখোৱা ঠাই নহয়। এডোখৰ নিৰ্দিষ্ট ঠাইত ডাঙৰ ডাঙৰ পলিথিনৰ বেগত আৱৰ্জনা ভৰাই মুখ বন্ধ কৰি থৈ যায়। প্ৰত্যেক ঘৰতে তিতা জাবৰ জোথৰ আৰু শুকান জাবৰ জোথৰ বেলেগ বেলেগ বেগত ভৰাব লাগে। পেলনি যোৱা খোৱাবস্তু আদি তিতা জাবৰ জোথৰ আৰু কাগজপত্ৰ শুকান জাবৰ জোথৰ। এইবোৰ কথাত তেওঁলোক বৰ সতৰ্ক। আমেৰিকাত

সেই পলিথিনৰ বেগবিলাকৰ লগতে পৰি থাকে জকমকীয়া পাইৰেক্সৰ বাচন-বৰ্তন, স্প্ৰিঙৰ খাট ইত্যাদি। মটৰগাড়িৰ গেৰেকনিত বিস্তীৰ্ণ অঞ্চল জুৰি গাড়ীবোৰ দ'ম বান্ধি থাকে। মেৰামতি কৰা ব্যয়বহুল আৰু অসুবিধাজনকো।

কিন্তু চীনত এইবোৰ কথা ভাবিবই নোৱাৰি। যি কি নহওক, পেলাই দিয়াৰ ভাবুকিৰে বহু কষ্ট কৰি কোটটো স্যাক গটাব পাৰিলোঁ।

১৬ ডিছেম্বৰ। আবেলি পিকিং ৰেডিঅ'ৰপৰা অলপ উপহাৰ লৈ আমাৰ লৈতে সাক্ষাৎকাৰ বিচাৰি আহিল। তেওঁলোকে যে মোৰ বাবে অপেক্ষা কৰিছিল, মই জনা নাছিলোঁ—আৰু সেই বাবেই যোৱা নাছিলোঁ, যিসকলে জানিছিল, তেওঁলোক গৈছিল। মোৰ অলপ ৰেকৰ্ডিং কৰি ল'ব বুলি ভাবিছিল তেওঁলোকে, যন্ত্ৰৰ বেমেজালিৰ বাবে হোৱা নাছিল। তেওঁলোকে ধুনীয়া বাংলা আখৰেৰে নিজৰ নিজৰ নাম লিখি থৈ গ'ল। যিকেইজন আহিছিল তেওঁলোকৰ মাজত পাঁচজনে বেছ ভালকৈ বাংলাত মাত'ৰাল কৰিব পাৰে, আৰু লিখিব পাৰে।

সেইদিনাই আবেলি চাৰি বজাত ৰুই আলিৰ ঘৰত চাহৰ নিমন্ত্ৰণ। সকলোৰেই ওলাই গ'ল, সেইদেখি পিকিং ৰেডিঅ'ৰপৰা অহা মানুহকেইজনৰ লৈতে ভালদৰে কথা নপতাকৈয়েই অনিচ্ছাসত্ত্বেও ওলাই যাবলগীয়া হ'লোঁ।

ৰুই আলিৰ ঘৰটোক এটি সৰুসুৰা এন্টিক হাউছ বুলি ক'ব পাৰি। পুৰণি ঘৰ, আওপুৰণি ফাৰ্নিচাৰেৰে সজোৱা। তেওঁৰ লৈতে বিশেষ কিছুমান কথা পাতিবলগীয়া আছিল মোৰ। মোৰ মন আছিল কৰি মাও চে তুঙৰ ৰোমাণ্টিক জীৱনৰ খবৰ ল'বলৈ। আমাৰ লৈতে যি শুষ্ক, কাষ্ঠ, মানুহবিলাক ঘূৰি ফুৰিছে তেওঁলোকে নাজানেও, নকয়ো। কিন্তু তাৰ সুযোগেই নোলাল।

ৰেলগাড়িত মই ৰুই আলিক সুধিছিলো, "এটা কথা কওকচোন—মাও চে তুঙে চিয়াং চিঙক বিয়া কৰাইছিল কিয়—তেও যদি ইমানেই ভয়ংকৰী আছিল ?"

ৰুই আলিয়ে কৈছিল, "তেতিয়া তো তেওঁ ভয়ংকৰী নাছিল। তেতিয়া তেওঁ আছিল এগৰাকীপৰাসুন্দৰী সাংহাই জীয়ৰী,—যেনে দেখিছা এতিয় জৰ্জ হাতেমৰ পত্নীক।"

থাকক এইবোৰ কথা। সেইদিনাই অলপ পাছতেই আমি পিকিং এৰিলোঁ।

ৰাতিপুৱা নানকিং পাম গৈ। 'ভূগৰ্ভস্থ পিকিং' চাই অহাৰ পাছৰেপৰাই ভাবি আছোঁ, মঙক অকলশৰীয়াকৈ পাম কেতিয়া। কছসকলৰ লৈতে চীনৰ কন্দলৰ কথাবোৰ খৰচি মাৰি জানি ল'ব লাগিব। কছসকলে চীনৰ ওপৰত এটম বোমাবৰ্ষণ কৰিব পাৰে—এনে এষাৰ কথাই মোক উদ্বিগ্ন আৰু অসুখী কৰি তুলিছিল। কিয়নো, শান্তিৰ বাবে তেওঁলোকৰ প্ৰচেষ্টা মই চাই আহিছোঁ। লুছানত কছিয়াৰ উৎসাহতে ১৯৫৫ চনত চাৰি হাজাৰ নাৰী বিভিন্ন দেশৰপৰা আহি গোট খাইছিলহি। তেওঁলোকে যুদ্ধৰ অভিজ্ঞতাৰ কথা কৈছিল। তেওঁলোকৰ মাজত চীনৰ নাৰীও আছিল। কছিয়াৰ ভয়াবহ যুদ্ধৰ অভিজ্ঞতাৰ কিমান যে কাহিনী শুনিছোঁ, কিমান যে ছবি দেখিছো। এতিয়া তেওঁলোকেই আন কাৰোবাৰ ওপৰত সেই মাৰণ অস্ত্ৰ প্ৰয়োগ কৰিবনে?

ট্ৰেইনত লী, মং আৰু মই একেটা ডবাত বহিলোঁ বহু ৰাতিলৈকে আলোচনাৰ বাবে সাজু হৈ।

বৎসলায়ো যোগ দিলেহি।

মঙে ক'বলৈ ধৰিলে "মই—যেনেদৰে মোৰ মনত আছে তেনেদৰেই ক'ম —চন-তাৰিখৰ অলপ ইফাল-সিফাল হ'ব পাৰে। নেবুলাৰপৰা পৃথিৱীখন একে নিশাই সৃষ্টি হোৱা নাছিল। ইয়াৰ এটা 'প্ৰছেছ' আছে—ই হঠাতে নঘটে।"

এইদৰে মঙে পাতনিৰ বৃন্দাবনত অলপ ঘূৰা ফুৰা কৰাৰ পাছত আচল কথাৰ মথুৰালৈ আহিল

"মাও চে তুঙে দুবাৰ ছোভিয়েত ইউনিয়নলৈ গৈছিল। প্ৰথমবাৰ স্তালিনৰ আমোলত—১৯৫০ চনত। তেতিয়া ত্ৰিছ বছৰৰ বাবে এটা শান্তি চুক্তি হৈছিল। সেয়েহে আইনমতে আমি তেওঁলোকৰ লৈতে 'এলাইনড আছিলোঁ, কিন্তু কাৰ্য্যত নহয়। ১৯৫৩ চনলৈকে আমি তেওলোকৰপৰা বহুতো কিবাকিবি শিকিছিলোঁ—সেই কথা অস্বীকাৰ নকৰোঁ। স্তালিনে আমাক বহুভাৱে সহায় কৰিছিল—এইবাবে আমি ছোভিয়েত দেশৰ জনগণৰপৰা পোৱা উপকাৰৰ কথা কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰোঁ। কছিয়াৰ জনগণৰ প্ৰতি আমি কৃতজ্ঞ। অৱশ্যে স্তালিনেও আমাৰ ক্ষেত্ৰত ভুল নকৰা নাছিল। আমাৰ দেশত তেতিয়া যুদ্ধ চলিছিল। স্তালিনে ভাবিলে, কম্যুনিষ্ট পাৰ্টি অব চায়না যুদ্ধত বিজয়ী হ'ব নোৱাৰিব। সেয়েহে তেওঁ উপদেশ দিলে, চিয়াং কাই শেকৰ বিৰুদ্ধে মাত নামাতিবা।

"কিন্তু মাওএ সেই পৰামৰ্শ মানি নল'লে। পাছত ষ্টালিনে ম্যাও চে তুঙৰ ওচৰত নিজৰ ভুল স্বীকাৰ কৰিছিল। সেই বাবেহে আমি তেওঁক মহান বিপ্লবী বুলি কওঁ। মহত্ব থাকিলেহে ভুল স্বীকাৰ কৰিব পাৰি।"

কথাৰ মাজতে বাধা দি মই ক'লো, "কমৰেড ম, তুমি এতিয়া আৰু ষ্টালিনৰ প্ৰশংসা নকৰিবা, এই এই প্ৰশংসা সহ্য কৰা টান। তেওঁ ঢুকাল, পৃথিৱী জুৰ পৰিল—হিটলাৰৰ যঁজা ভাই।"

"ঠিকেই—ছোভিয়েত ইউনিয়নত তেওঁ বহু মানুহৰ ওপৰত অত্যাচাৰ কৰিছিল। তেওঁৰ নীতি মাও চে তুঙৰ নীতি নহয়। কিন্তু তেওঁ যি কৰিছিল আৰু তোমালোকে যি শুনিছিলা—তাৰ মাজত পাৰ্থক্য আছে। কেপিটালিস্ট প্ৰেছে তিলকে তাল কৰিলে। মনত ৰাখিবা—তেতিয়া চৌধ্যটা বিদেশী শক্তিয়ে ৰুছিয়াক আক্ৰমণ কৰিছিল। ৰুছিয়া তেতিয়া অকলশৰীয়া। যি কি নহওক, আমাৰ মতে, ষ্টালিনৰ মৃত্যুৰ পাছত মালেনকভেই আছিল তেওঁৰ ন্যায্য উত্তৰাধিকাৰী। কিন্তু খুশ্চভে চক্ৰান্ত কৰি গাদী দখল কৰিলে।" মঙৰ চকু মুখ ৰঙা পৰিল। তীব্ৰ ঘৃণাৰে সৈতে তেওঁ ক'লে, খুশ্চফ conspirator, খুশ্চফ userper।"

মই খুশ্চফক অলপ প্ৰশংসা কৰিম বুলিয়েই ভাবিলোঁ, কিন্তু মঙৰ খং দেখি সেই আশা মনতে সামৰি হলোঁ। মই পিছে সেই গায়ে গাৰিয়ে নিপোটল ধেমেলীয়া মানুহজনক ভালেই পাইছিলো।

"১৯৬ চনৰ অলপ আগৰপৰা আমাৰ আদৰ্শগত বিৰোধে মূৰ দাঙিবলৈ ধৰিলে।' মঙে নিজক অলপ চম্ভালি লৈ কৈ থাকিল, "খুশ্চফে ক'লে, তেৱেঁই হেনো সকলো দেশৰ প্ৰতিনিধি। তেওৰ মত হ'ল—এক শান্তিপূৰ্ণ প্ৰতিযোগিতা, দুই শান্তিপূৰ্ণ পৰিৱৰ্তন, তিনি কেপিটালিস্টইতৰ সৈতে শান্তি পূৰ্ণ সহাৱস্থান। এয়ে হ'ল ৰিভিশ্যনিজমৰ মূলনীতি। ১৯৫৪ চনত মস্কোত ইণ্টাৰনেশ্যনেল মিটিং পতা হ'ল। মাও চে তুঙেও যোগ দিলে। তেওঁ খুশ্চফৰ মতৰ বিৰোধিতা কৰিলে। কিন্তু খুশ্চফৰ মত 'পাছ' হৈ গ'ল। খুশ্চফে নিজৰ মতানুসাৰে ক'বলৈ ধৰিলে, মাও চে তুঙৰ কোনো কথালৈ কাণসাৰেই নকৰিলে তেওঁ।

"তাৰ পাছত খুশ্চফৰ মগজুত এক আচৰিত আঁচনিয়ে ভূমুকি মাৰিলে। তেওঁ

ক'লে, চীনৰ পোতাশ্ৰয়ত চীন আৰু ৰুছিয়াৰ মিলিত নৌবহৰ থাকক। চীনৰ তেতিয়া কোনো নৌবহৰেই নাই। সেয়েহে চেয়াৰমেনে ক'লে, 'যদি তোমালোকে আমাক সহায় কৰিবলৈ বিচৰা, আগতে আমাক আমাৰ নৌবহৰ গঢ়ি তুলিবলৈ সহায় কৰা।' খ্ৰুশ্চফে সেই কথালৈও কাণসাৰ নকৰিলে। তেওঁ হাত এৰি হেতালি খেলিব খুজিলে—। তেওঁৰ উদ্দেশ্য—নিজৰ নৌবাহিনীক চীনৰ সাগৰত নিগাজীকৈ বহুৱাই আমাৰ ওপৰত কৰ্তৃত্ব খটুউৱা। এই কথাত সন্মত হোৱাৰ অৰ্থ স্বাধীনতা বিসৰ্জন। গতিকে আমি সন্মত নহ'লোঁ।

'তাৰ পাছত গুপ্তচৰবৃত্তি চলোৱাৰ উদ্দেশ্যে খ্ৰুশ্চফ ইয়াত লং ওৱেভ ৰেডিঅ ষ্টেশ্যন স্থাপন কৰিবলৈ বিচাৰিছিল। আমি মান্তি নহ'লোঁ। তেওঁ অতি ক্ৰুদ্ধ হ'ল। চুৱেজ কেনেলৰ ক্ষেত্ৰত আমি যেতিয়া মিছৰক সমৰ্থন কৰিলোঁ তেতিয়াও তেওঁ খণ্ডত অতিশয় ক্ৰোধান্বিত হ'ল। তেওঁ তেতিয়া আমেৰিকাত। চীনে তাইৱান আৰু অন্যান্য ঠাইতো নিজৰ স্বাধীন মতেৰে কাম কৰি থাকি। খ্ৰুশ্চফে গমি চালে যে, আমি তেওঁৰ মততে হয় দিয়া ভকত নহওঁ।

"১৯৫৯ চনত খ্ৰুশ্চফ চীনলৈ আহিল। ভোজমেলত তেও খোলাখুলিভাৱেই আমাৰ কামৰ সমালোচনা কৰিলে। কিন্তু আমি মৰ নোদোৱালোঁ। ইমানকৈ টাঙোন জোকাৰিবলৈ অধিকাৰ আমি কাকো দিয়া নাই। ১৯৬০ চনত আমাৰ এই কন্দল সকলোতে সদৰি হৈ পৰিল। ১৯৬০ চনত ৰোমানিয়াত এখন কনফাৰেন্সত খ্ৰুশ্চফে হঠাতে চীন আৰু আলবেনিয়াক আক্ৰমণ কৰিলে। খ্ৰুশ্চফৰ এই মইমতালিত আমি মুঠেই সন্তুষ্ট নহ'লোঁ।

"তাৰ পাছত, সেই বছৰৰ শেষৰ ফালে তেও এটি নিষ্ঠুৰ প্ৰতিশোধমূলক ব্যৱস্থা গ্ৰহণ কৰিলে। তেওঁ চীনৰপৰা সকলো ছোভিয়ত এক্সপাৰ্ট অৰ্থাৎ সুদক্ষ কুশলী কৰ্মীসকলক ওভোতাই লৈ গ'ল।

"আমাৰ তো এগ্ৰিকালচাৰাল দেশ—এই এগ্ৰিকালচাৰাল দেশক আধুনিক দেশ হিচাপে গঢ়ি তোলাত তেওঁলোকে আমাক সহায় কৰিছিল। য'ত দলং নিৰ্মাণ কৰা হৈছিল তাৰপৰা ইনজিনিয়াৰইতে তেওঁলোকৰ ব্লুপ্ৰিন্ট জেপত ভৰাই লৈ গুচি গ'ল। য'ত হাইড্ৰ'লিক প্লেন্ট নিৰ্মিত হৈছিল, য'ত তেলৰ গুণ্ডত তেল তোলাৰ চেষ্টা কৰা হৈছিল, সকলো কৰ্মক্ষেত্ৰৰপৰা ৰুছ 'কুশলী'সকল (expert) ৰাতি নৌপুৱাওঁতেই নোহোৱা হ'ল। আমি নিজেই কাম চলাব পৰাকৈ

কোনো চিন মোকাম এৰি থৈ নগ'ল। অৰ্থাৎ আমাৰ সৈতে চূড়ান্ত শত্ৰুতা কৰি আমাৰ মুখ দোওৱাৰ, আমাৰ নৈতিক শক্তি বিনষ্ট কৰাৰ চেষ্টা কৰিলে। মাথোন সিমানেই নহয়, আমাক যিবোৰ আৰ্থিক সহায়ৰ প্ৰতিশ্ৰুতি দিছিল—যি অৰ্থিক সহায়তাৰ ওপৰত নিৰ্ভৰ কৰি আমি নানা বিধৰ আঁচনি লৈছিলো—সেই অৰ্থ সাহায্যও বন্ধ কৰি দিলে। যিবোৰ ওৱাৰ্কশ্বপৰ নিৰ্মাণকাৰ্য্য আৰম্ভ কৰা হৈছিল, যন্ত্ৰপাতি তৈয়াৰ কৰা হৈছিল তাৰ ব্লু প্ৰিণ্ট লৈ যোৱাৰ ফলত কাম বন্ধ হৈ গ'ল।

কিন্তু মাথোন সিমানতে ৰুছী আত্মাহৰ আধ্যা নপৰিল, তেওঁলোকে দিয়া ঋণৰ টকা পৰিশোধ কৰিবলৈ ক'লে। তেতিয়া দুবছৰ ধৰি চীনত থৰৰ তাণ্ডৱ, আকাল—কিন্তু ৰুছিয়াই ক'লে—আমি যিবোৰ কন্সট্ৰাকশ্যন কৰিছিলোঁ তাৰ দাম ঘৰাই দিয়া। কোৰিয়ান যুদ্ধৰ সময়ত যিবোৰ অস্ত্ৰশস্ত্ৰ ধাৰলৈ দিছিলোঁ তাৰ দামো এতিয়াই পৰিশোধ কৰিব লাগিব। তেওঁলোকে আমাৰপৰা এহেজাৰ মিলিয়ন ডলাৰ ওভোতাই বিচাৰিলে। মাত্ৰ এবাৰ দুবাৰ খুজিয়েই ক্ষান্ত নহ'ল, অত্যন্ত কমে ধাৰ পৰিশোধ কৰিবলৈ ভাবুকিয়ালে। আৰু তেওঁলোকৰ টকা তৎক্ষণাৎ দিব নোৱাৰিলে আমাৰ বস্তুবাহানি উঠাই লৈ যাবলৈ আমাৰ বন্দৰ সমূহলৈ জাহাজ পঠিয়ালে।

তেতিয়া আমাৰ প্ৰধানমন্ত্ৰী চৌ এন লাই এ ক'লে, কঁকাল বান্ধি লাগা—কমকৈ খোৱা—আমি ধাৰ পৰিশোধ কৰিম। তেতিয়া আমি পেট্ৰ'লিয়ামৰ বাবে ৰুছিয়াৰ ওপৰতে নিভৰশীল। আমাৰ তেলপথাৰবোৰত বিদেশীইতে কেনেবাকৈ গাঁত এটা খান্দিয়েই কয়, নাই—তেল নাই। এনেহেন অৱস্থাত ৰুছিয়াই পেট্ৰলৰ ৰপ্তানি বন্ধ কৰিলে। তেতিয়া আমাৰ কি যে শোচনীয় অৱস্থা! আমাৰ এফালে দুৰ্ভিক্ষ প্ৰাকৃতিক দুৰ্যোগ—আনফালে এনেবুৰা বঞ্চনা। খুশ্চফে চীনৰ মানুহৰ দুখলৈ কেৰেপকে নকৰিলে। যি কি নহওক আমিও দৃঢ়প্ৰতিজ্ঞ হ'লোঁ—ঋণ পৰিশোধ কৰিমেই, তেওঁলোকৰপৰা কোনো সহায় নলও, প্ৰাণ যায় যাওক।

গেছ দিন নাই, সেয়েহে আমি গেছৰেই মটৰ চলাইছিলো। প্ৰতিখন ট্ৰাক বা বাছৰ মূৰত প্ৰকাণ্ড প্ৰকাণ্ড বেলুনভৰ্তি গেছ। তাৰ পাছত—তোমালোকে তা চিঙৰ কথা নিশ্চয় শুনিছা—সেই তা চিঙৰ তেলপথাৰ খন্দা হ'ল। মন্ত্ৰী ইউ চেন লীএ কৰ্মীবৃন্দ আৰু পি এল এ সকলক লৈ পূব পচিমৰ ফালে এক বিস্তীৰ্ণ

ছনপৰা মাটিত তেলৰ অনুসন্ধান কৰিবলৈ ধৰিলে। এই ঠাই ৰুছসকলে ইয়াৰ আগতে পৰীক্ষা কৰি কৈছিল ইয়াত তেল নাই—চীনদেশত তেল নাই।

"কিন্তু আমাৰ বিজ্ঞানীসকলে সদায় কৈ আহিছে যে চীনদেশত বিৰাট তেলৰ ভাণ্ডাৰ আছে। তোমালোকে প্ৰায়েই মাও চে তুঙৰ এই কথাষাৰ শুনিছা— 'In agriculture learn from Ta Chai and in Industry learn from Ta Ching'

"নিচেই কম সময়ৰ ভিতৰতে সেই বিৰাট তেলপথাৰৰ কাম শেষ কৰাৰ ফলত এক আশাতীত কল্পনাতীত ঘটনা ঘটিল। এতিয়া আমাৰ বহু মিলিয়ন টন তেল পৰিশোধিত হৈছে। আমাৰ তা চিঙৰ উপৰিও আৰু তেলপথাৰ আছে।"

মই এইবোৰ কথা শুনি থাকোঁতে ভাবি আছিলোঁ আমাৰ দেশতো তেল উলিয়াবলৈ বিদেশীহঁতে পৰীক্ষা চলায় আৰু পাছত তেল নাই বুলি কয়। শ্ৰীনিকেতনপৰা অলপ নিলগত কোপাই নৈৰ পাৰত পোন্ধৰ বছৰমানৰ আগতে কোনোবা এটা দলে তেলৰ সা সন্ধান কৰিছিল। পাছত তেল পোৱা নগ'ল বুলি শুনিছিলোঁ।

সিও এনেকুৱা নহয় তো?

যি কি নহওক, মঙে পুনৰ কবলৈ ধৰিলে "ৰুছহঁতে আকস্মিকভাবে এই বিশ্বাসঘাতকতা কৰাত আমাৰ একো ক্ষতি নহ'ল। আমাৰ শিক্ষা সম্পূৰ্ণ হ'ল। আমি কঠিন শ্ৰম কৰিবলৈ শিকিলো, শিকিলোঁ আত্ম নিৰ্ভৰতা কাক কয়।

"১৯৬৪ চনত ছোভিয়েত ইউনিয়নত দ্বাবিংশতম পাৰ্টি কংগ্ৰেছ অনুষ্ঠিত হ'ল। তেতিয়া ব্ৰেজনেফ ক্ষমতাত অধিষ্ঠিত। অনেক আশা বুকুত বান্ধি লৈ আমাৰ প্ৰিমিয়েৰ চৌ এন লাই তালৈ গৈছিল। কিন্তু আমাৰ ডেলিগেশ্বন নিৰাশ হৈ উভতি আহিল।"

মই ক'লোঁ, "কিন্তু কমৰেড মং, তোমালোকৰ দুয়োখন দেশেই ছ'ছিয়েলিষ্ট দেশ —তোমালোকৰ মাজত ইমান মতানৈক্য ঘটাটো সঁচায়ে বৰ আচৰিত কথা। আটাইখিনি জগৰেই নিশ্চয় খ্ৰুশ্চফৰ নাছিল?"

"ওঁ, তেৱেঁই, তেৱেঁই সম্পূৰ্ণ জগৰীয়া। তেওঁ ক'লে, তেৱেঁই সমগ্ৰ ৰুছিয়াৰ

প্ৰতিনিধি। তেওঁলোক তো আৰু ছ'ছিয়েলিষ্ট হৈ থকা নাই—যিকণ আছে, সেইকণ হ'ল ছাইনব'র্ডহে—বুইছা? বাহিৰে বং চং, ভিতৰে কোৰাভাতুৰা। বাহিৰত ডাঙৰ ডাঙৰ আখৰেৰে লিখা ছাইনব'ৰ্ড ওলমি আছে, ভিতৰত আন কথা। দেখিলাই নহয়, জেক'শ্লাভাকিয়াত টেংক নমাই দিছিল—"

"কিন্তু কমৰেড মং, গুলীউৰা তো নাছিল।"

"গুলীয়াইছিল। আৰু গুলী মৰা বা নমৰা বেলেগ কথা, কিন্তু ভীতি প্ৰদৰ্শন কৰিছিল। সিহঁত 'এগ্ৰেছৰ'।" মং অতি উত্তেজিত, "সিহঁত ইম্পিৰিয়েলিষ্ট, সেইদেখিহে আমাৰ সীমান্তত সৈন্য গোট খুৱাই আমাক ভীতি প্ৰদৰ্শন কৰিছে। চেন পাও দ্বীপত উৰছু নৈৰ পাৰলৈ আহিছিল সিহঁত, আমাক আক্ৰমণ কৰিবলৈ। সিহঁতৰ উদ্দেশ্য সফল হোৱাহেঁতেন, আমাৰ চীনভূমিৰ ভালেখিনিয়েই অধিকাৰ কৰিব পাৰিলেহেঁতেন। সিহঁতে ইমান যুদ্ধৰ কুচকাৱাজ কৰিছে কিয়? ইউ এছ এ-ই বছৰি যোল্ল শ মিছাইল নিৰ্মাণ কৰে, আৰু সিহঁতে নিৰ্মাণ কৰে বছৰি দুহাজাৰকৈ। ৰুছ নৌবাহিনীও অতি শক্তিশালী।"

মোৰ মনত পৰিল—বাংলাদেশৰ যুদ্ধৰ কালছোৱাত আমেৰিকাই যেতিয়া সপ্তম নৌবাহিনী প্ৰেৰণ কৰিছিল, ৰুছ নৌবাহিনীয়েও তাৰ পিছ লৈছিল। মই ক'লোঁ, 'কমৰেড মং, এসময়ত খ্ৰুশ্চফক মই বৰ শ্ৰদ্ধা কৰিছিলো।"

"কিয়?'

"প্ৰথম কাৰণ হ'ল—তেওঁ স্তালিনৰ লৌহ কাৰাগাৰৰ কপাট খুলি দেশৰ মানুহক মুক্ত বায়ুত উশাহ ল'বলৈ দিয়া বাবে। মুক্তবায়ু নহলে মানুহৰ উশাহ বন্ধ হয়। তাৰ পাছত কিউবাৰ ঘটনাত মই তেওঁক সম্ৰাট অশোকৰ সৈতে তুলনা কৰিছিলোঁ—যিজনে কৈছিল 'ধৰ্মবিজয়েই বিজয়, অস্ত্ৰবিজয় বিজয়েই নহয়'।

"খ্ৰুশ্চফে আকৌ এই কথা ক'লে কেতিয়া?"

"খ্ৰুশ্চফে কোৱা নাছিল, পিছে—তেওঁ যে বিশ্বযুদ্ধ এখন বন্ধ কৰিবলৈ নিজে অলপ অপমান সহিও কিউবাৰপৰা যুদ্ধজাহাজ ঘূৰাই আনিছিল, এয়া কম কথা আছিলনে?"

"মিছিছ দেৱী, তুমি প্ৰেমাইজটো ফালৰি কাটি গৈছা। কিউবালৈ যুদ্ধজাহাজ পঠাবলৈ খ্ৰুশ্চফক কোনে কৈছিল? আৰু এখন দেশৰ অধিকাৰৰ

মাজলৈ যুদ্ধৰ ডকা হকা ৰপ্তানি কৰাটোৰেই তেওঁৰ কাম। সেয়েহে, যুদ্ধজাহাজ পঠোৱাটোৱেই আমেৰিকাৰ ওপৰত এগ্রেশ্বন। তাৰ পাছত ধৰা—কেনেডি তো পিয়াহখোৱা কেঁচুৱা নাছিল। তেওঁ যেতিয়া হুংকাৰ দি ঘূৰি থিয় দিলে তেতিয়াহে খ্রুশ্চফে নেগুৰ কোঁচাই লৰ দি পলাই সাৰিলে। এয়া হ'ল কেপিচুলেশ্বন—নিৰুপায় আত্মসমর্পণ। এইবোৰৰ কোনটোনো তোমাৰ মানত শ্ৰদ্ধনায় বুলি বোধ হৈছে? মাও চে তুঙে কৈছে, আমাক আক্রমণ নকৰালৈকে আমি আক্রমণ নকৰোঁ—আমি কেতিয়াও প্রথমটো গুলী নেৰোঁ।"

মঙে কৈয়েই আছে আৰু মই ভাবি আছোঁ -আমাৰ দেশৰ বহুতেই গে অব গোৰ বা দুষ্ট চতুষ্টয়ক ৰেডিকেল বুলি ভাবে। এওঁলোক আঁতৰ হ'লেই ৰুছসকলৰ সৈতে বজা পৰা হৈ যাব। কিন্তু সেইটো কোনোপধ্যেই নহয়। কেৱল মঙৰপৰাই নহয়, আন বহুতৰপৰাও শুনিছোঁ। গোটেই দেশখনেই ৰুছসকলৰ প্রতি বিৰূপ। সহজে নহ'ব। পিছে ৰাজনীতিৰ গতি সূক্ষ্ম।

এইবোৰ কথাকে যেতিয়া ভাবি আছিলোঁ, তেতিয়া মঙে ক'লে, "মিছিজ দেৱা, তেওঁলোক যে তোমালোকৰ বন্ধু, সেই কথা জানো। ভেটো দি দি তোমালোকক ভালেখিনি সহায় যে কৰিছে সেই কথাও ঠিক। কিন্তু এই বন্ধুত্বৰ আচল জুতি অচিৰেই পাবা। ৰুবলৰ দাম বঢাই বঢাই এতিয়াৰেপৰাই সিহঁতে তাৰ আভাস দিয়া নাইনে?'

মঙে বিদায় ল'লে। ঘড়িত চাই দেখোঁ ৰাতি ডেৰ বাজিল।

ট্রেনতেই কমৰেড মঙৰ সৈতে যিবোৰ কথা-বতৰা হৈছিল, তাৰেই নিদর্শন দেখা পালো আৰু শুনিলোঁ পাছদিনা নানকিঙত।

১৭ ডিচেম্বৰৰ তাৰিখে ৰাতিপুৱাই নানকিং পালোঁগৈ। খোৱা বোৱাৰ পাছত ইয়াং ছী নৈৰ বুকুত নৌবিহাৰ উপভোগ কৰিলো। ইমানদিন আপোন থাই আছিলো, ইয়াত সুমথিৰা পালোঁ। নানকিঙৰ সোমোৱাৰ আগতেই এখন প্রকাণ্ড দলং পাৰ হ'ব লাগে। এই দলংখন তেওঁলোকৰ গর্ব। তেওঁলোকৰ সম্পদ।

ইয়াং ছিকিয়াং নামটো শুনি মোৰ মনটোৱে ইতিহাসৰ ৰাজহুৱাল উৰা মাৰিলে। মেপ চাই যিবেৰ পাহাৰ চিনি পাওঁ—চিনি পাওঁ যিবোৰ মৰাসুতি, ইয়াংনুন মিছিছিপি ইয়াং ছিকিয়াং। বহলে আমাৰ হুগলী গঙ্গাৰ

তিনিগুণ। এই জলকল্লোলিত দূৰগামিনী নৈৰ বুকুত বহি চীনদেশখনক বৰ আপোন বুলি বোধ হ'ল। লঞ্চে আমাক সেই বিৰাট দলংখনৰ তলৰপৰা ঘূৰাই আনিলে। দলংখন দুমহলা। তল মহলাত আমি ট্ৰেইনত উঠি সোমাইছিলোঁ। আৰু ওপৰমহলাত মানুহ আৰু মটৰৰ আহ যাহ। নৌ বিহাৰৰ অন্তত আমি দলঙৰ ওপৰলে উঠি আহিলোঁ। নানযিং যদিও চীনদেশৰ ভালেখিনি দক্ষিণ দিশত অৱস্থিত, তথাপি যথেষ্ট ঠাণ্ডা। সেমেকা বতাহ বলি থকা সত্ত্বেও দলঙৰ ওপৰত ফুৰিবলৈ ভালেই লাগিছিল। দলংখন দীঘলে চাৰি হাজাৰ পাঁচশ উনানব্বৈ মিটাৰ আৰু বহলে উনৈছ পইণ্ট পাঁচ মিটাৰ। তলৰ পানীৰ পৰা সত্তৰ মিটাৰ ওখ আৰু তলত পানীৰ গভীৰতা ত্ৰিছ মিটাৰ। অলপ সময় ধৰি ঘূৰি ফুৰাৰ পাছত আমি 'ব্ৰিজটাৱাৰ'ত উঠিলোঁগৈ। লিফটেৰে সাতমহলালৈ উঠিলোঁ। তাৰপৰা গোটেইখন দৃষ্টিগোচৰ হ'ল। মিটাৰৰ কথা যেনেকৈ টুকি লৈছিলো, তেনেকৈয়েই লিখিলোঁ। কিন্তু তাত মোক কোনোবাই কৈছিল যে দলংখন দীঘলে ছয় মাইল। কিয়নো, নৈ পাৰ হৈও ভালেখিনি বাটলৈকে দলংখন আগবাঢ়ি গৈছে।

টাৱাৰঘৰত দলংখনৰ এটা আৰ্হি আছে। টাৱাৰঘৰৰ প্ৰধান কৰ্মী এগৰাকী মহিলা। তথ্যপাতি দি থাকোঁতে তেওঁৰ ছোভিয়েটৰ কথালৈ বাগৰিল।

তেওঁ ক'লে, "১৯৬০ চনত এই ব্ৰিজ নিৰ্মাণৰ কাম হাতত লোৱা হয়। আৰম্ভ হোৱাৰ কিছুদিনৰ পাছতেই ৰুছইতে তেওঁলোকৰ কাগজপাতি সামৰি সুতৰি লৈ গুচি গ'ল। এই ব্ৰিজ নিৰ্মাণ কৰিবলে যি ধৰণৰ তাঁথাৰ প্ৰয়োজন সেই তীখা তেতিয়া চীনদেশত তৈয়াৰী হোৱা নাছিল। সেয়েহে, তেনে ধৰণৰ তীখা ৰুছিয়াৰপৰা অহাৰ কথা আছিল। তেওঁলোকৰ সৈতে কণ্ট্ৰাক্ট কৰা হৈছিল। কিন্তু ৰাজনৈতিক মত বিৰোধৰ ফলত তেওঁলোকে একপক্ষীয়ভাৱে সেই কণ্ট্ৰাক্ট বাতিল কৰি দিলে। ব্ৰিজৰ কাম তেনেকৈয়ে পৰি ৰ'ল।

'কিন্তু চেয়াৰমেন মাও চে তুঙে উৎসাহ যোগালে। তেও আনছান ষ্টিল কোম্পেনিক ক'লে, 'তোমালোকে তেনে ধৰণৰ ভাল তীখা তৈয়াৰ কৰা। চেষ্টা কৰিলেই পাৰিবা'।

"তেওঁলোকে পৰীক্ষা-নিৰীক্ষা চলাই থাকিল। আৰু এদিন কঠোৰ পৰিশ্ৰম

আৰু চেষ্টাৰ ফলত তেওঁলোকে অতি উৎকৃষ্ট তাঁথা তৈয়াৰ কৰিবলৈ সমৰ্থ হ'ল। এতিয়া চীনত দেশ বিদেশৰ উচ্চ মানদণ্ডৰ তাঁথা তৈয়াৰ কৰা হৈছে।"

ভদ্ৰমহিলাই উত্তেজিতভাৱে ৰুছইঁতৰ বিশ্বাসঘাতকতাৰ কথা কৈ আছিল, এতিয়া তেওঁৰ মুখখন অলপ কোমল হ'ল। তেওঁ ক'লে, "এটা বেয়া কামে এটি ভাল কামৰ জন্ম দিলে।"

১৯৬০ চনত ব্ৰিজ নিৰ্মাণৰ কাম আৰম্ভ হৈছিল, ১৯৬৮ চনত শেষ হ'ল। এই সময়ছোৱাৰ ভিতৰতে এওঁলোকে ভাল তাঁথা তৈয়াৰ কৰিবলৈকো সক্ষম হ'ল। নাভূত নাশ্ৰুত কাণ্ড। গাড়ীত বহি মই আৰু দীনেশ আলোচনা কৰি আছিলোঁ—সেই কানিখোৱা জাতটোৱে ইমান কৰ্মশক্তি পালে ক'ৰপৰা? ক'ৰপৰা পালে ইমান উদ্যম, ইমান আশা, আৰু প্ৰেৰণা? যি প্ৰেৰণা জীৱনৰপৰা জীৱনলৈ প্ৰবাহিত হয়—সেই প্ৰেৰণাই সঁচায়ে বোবাৰ মুখেদি মাত উলিয়ায়—পংগুকো গিৰি লংঘিবলৈ কৰেনে সহায়?

নানকিঙত আমাক এটা ধুনীয়া গেষ্ট হাউছলৈ লৈ অহা হ'ল। আৰু গেষ্ট হাউছত সোমায়েই বিপত্তিত পৰিলোঁ। মোৰ ছুট কছৰ তলাটো কোনোপধ্যেই নোখোলা হ'ল। মই লীক ক'লোঁ, "ভাঙি পেলোৱা, তাৰ পাছত ৰছীৰে বান্ধি লৈ ফুৰাম।"

লী ৰাজী নহ'ল। এওঁলোকে কোনো এটা বস্তুও নষ্ট কৰিবলৈ নিবিচাৰে। মোৰ ছুটকেছটো কাপোৰ কানিৰে সৈতে কোনোবা এখন দোকানলৈ পঠালে। মনটো উচপিচাই থাকিল। ইমান মালপত্ৰৰে সৈতে দোকানত ছুট'কছটো খুলিব—জানো কি হয়। ঘূৰি ফুৰি আহি দেখা পালোঁ, ছুটকেছটোও অক্ষতভাৱে উভতি আহিছে। খোলা আৰু অটুট।

সিদিনা ৰাতি চৰকাৰী বেংক'ৱেট। কাংছু প্ৰভিন্সৰ ৰেভলিউশ্যনাৰি কমিটিয়ে এই নিমন্ত্ৰণ জনাইছে। ইয়াং ছিকিয়াং নৈৰ বুকুতে লাগি থকা দুহাজাৰ চাৰিশ বছৰীয়া গাভৰু নানকিং, হ'ল কাংছু প্ৰদেশৰ ৰাজধানী।

কাংছু বা চাংছু প্ৰদেশৰ ৰন্ধা-বঢ়া উত্তৰ দিশতকৈ বহু ভাল। আমাক অসমীয়াৰে ৰন্ধা কুকুৰাৰ জোল খুৱালে। খাদ্যৰ সমাৰোহ চাই তবধ মানিব

লাগে। নজনৰ বাবে নটা কুকুৰা ৰাখিলে। তদুপৰি আনুষংগিক আনবহুতো কিবাকিবি তো আছেই।

১৮ ডিছেম্বৰৰ আগবেলাতে আমি নান্‌কিঙৰ এখন বিৰাট মেডিকেল কলেজ চাবলৈ গ'লোঁ। যদিও ইয়াৰ আগতে মই আন এখন হস্পিতালৰ বৰ্ণনা লিখিছোঁ, তথাপি 'চাংছু কলেজ অব নিউ মেডিছিন'ত যিবোৰ কথা শুনিছোঁ তাৰ উল্লেখ কৰা ভাল হ'ব। কিয়নো খেতি আৰু চিকিৎসা—এই দুটা বিষয়ত আৰু লগতে শিক্ষাৰ বিষয়তো বহুতো নতুন পৰীক্ষা নিৰীক্ষা কৰি চীনে সুফল পাইছে। সাংস্কৃতিক বিপ্লৱৰ কালছোৱাত মাও চে তুঙৰ নিৰ্দেশ অনুসাৰে পুৰণি চীনা চিকিৎসা-বিদ্যালয়ৰ সৈতে আধুনিক চিকিৎসা-বিদ্যালয় আৰু দাতৰ চিকিৎসালয়—এই তিনিওটা লগ লাগি এই শিক্ষায়তন গঢ়ি উঠিছে। মাও চে তুঙে চীনা ফাৰ্মাকোলজিৰ এক অভিনৱ সংস্কৰণ কৰিলে। এই হস্পিতাল আৰু মেডিকেল কলেজত শিক্ষালাভ কৰিবলৈ দেশ-বিদেশৰপৰা ছাত্ৰ ছাত্ৰী আহে। সম্প্ৰতি আশীজন তিব্বতী ছাত্ৰ আছে। টানজানিয়া আৰু অন্যান্য আফ্ৰিকীয় দেশৰপৰা তো আহিছেই, আনকি আমেৰিকাৰপৰা এদল ছাত্ৰছাত্ৰী আহিছিল আৰু তিনি মাহৰ বাবে আকুপাংচাৰকেছি কৰি উভতি গ'ল। কমিউনৰপৰা বেয়াৰফুট ডাক্টৰসকল আহে, আৰু শৰ্ট টাৰ্ম শিক্ষা লৈ যায়। এই হস্পিতালত তিনি হাজাৰ নশ বে'ড আৰু এহাজাৰ ছশ ছাত্ৰ ছাত্ৰী। এই ছাত্ৰ ছাত্ৰীসকলৰ মাজত আছে কৃষক, শ্ৰমিক আৰু সৈন্য। আৰু এওঁলোকৰ শতকৰা উনপঞ্চাছ ভাগেই ছোৱালী। হস্পিতাল-কৰ্মীৰ সংখ্যা দুই হাজাৰ তিনিশ। মুঠৰ ওপৰত এখন ডাঙৰ হস্পিতাল আৰু শিক্ষা-প্ৰতিষ্ঠান। এই প্ৰতিষ্ঠানত ১৯৭০ চনত ৰেভলিউশ্যনাৰী কমিটি গঠিত হৈয়ে। তেতিয়াই সৈন্য, কৃষক আৰু শ্ৰমিকসকলে শিক্ষা ল'বলৈ আহিছে—যাতে প্ৰতিখন গাঁৱতে চিকিৎসাৰ সা-সুবিধা সুলভ কৰি তুলিব পাৰে তাৰ বাবে। ইয়াত ডাক্টৰী পঢ়িবলৈ অহা সকলৰ প্ৰত্যেকৰেই কৰ্মৈও দুবছৰ কামৰ অভিজ্ঞতা আছে। এইদৰে যিসকল ভৰ্তি হৈছিল তেওঁলোকৰ মাজত পাঁচশ ছাত্ৰই ইয়াত এবছৰৰ বাবে শিক্ষা লৈ দেশৰ বিভিন্ন ঠাইলৈ গৈছিল। দ্বিতীয় দলটো আহিছিল ১৯৭২ চনত। তেওঁলোকে মিডল্ স্কুলৰ শিক্ষা সাং কৰি দুবছৰীয়া কৰ্মশিক্ষা সমাপ্ত কৰি আহিছিল।

দ্বিতীয় দলটোৱে ১৯৭২ ১৯৭৫ এই তিনি বছৰ ধৰি ডাক্তৰি পঢ়িছিল। এতিয়া এওঁলোকে তিনি বছৰতে ডাক্তৰী বিদ্যা 'পাচ কৰে। ছাত্র ছাত্রীইঁতে কেৱল কলেজত নপঢ়ে, গাঁও আৰু ফেক্টৰিলৈকো কাম কৰিবলৈ যায়। ছমাহ কলেজেতে ডাক্তৰী বিদ্যাৰ কিছুমান মূলতত্ত্ব শিকি চীনা চিকিৎসা, আকুপাংচাৰ ইত্যাদিৰ লগতে ৰোগ প্রতিষেধক ব্যৱস্থাও শিকে। তাৰ পাছত ছমাহতে শিকা সেই বিদ্যাৰ সমল লৈ প্রেক্টিকেল কর্মশিক্ষাৰ বাবে ওলাই যায়। এই কালছোৱাত পাঁচৰপৰা ছয় সপ্তাহ বাহিৰতে থাকে। তাৰ পাছত ঘূৰি আহি ক্লিনিকেল কামৰ কেতবোৰ মূল শিক্ষা লাভ কৰে। আৰু কেইমাহমানৰ পাছত আকৌ ওলাই যায়।

এইদৰে এওঁলোকে কলেজত ছমাহ শিকে আৰু ছমাহ বাহিৰতে প্রেকটিছ কৰে। তৃতীয় বাৰলৈ গৈ তেওঁলোকে মাথোন চিকিৎসাযেই নকৰে, বেযাৰফুট ডাক্তৰসকলকো শিক্ষা দিয়ে। অর্থাৎ বেযাৰফুট ডাক্তৰ তৈয়াৰ কৰে। ১৯৭১ চনৰপৰা এই ছাত্রসকলে কলেজৰ বাহিৰতো লাখ লাখ মানুহক চিকিৎসা কৰিছে —আৰু দহ হাজাৰ 'বেয়াৰ ফুট' ডাক্তৰ গঢ় তুলিছে। প্রথম ছমাহত ছাত্রইঁতে এনাটমিৰ কেতবোৰ মূল বক্তব্য আৰু প্রাথমিক কিছুমান ঔষধৰ ব্যৱহাৰ আৰু আকুপাংচাৰ শিকে আৰু বিভিন্ন দফাত এই 'মুক্তদ্বাৰ শিক্ষা' অর্থাৎ ক্লাছৰ বাহিৰৰ শিক্ষাৰে জনসংযোগ ঘটে—মানুহক সেৱা কৰিবলৈ শিকে। ইযাৰ আগতে গাঁৱলৈ কোনো ডাক্তৰেই যাব খোজা নাছিল,—এতিয়া সেই সমস্যাৰ সমাধান হৈ গ'ল।

চীনলৈ ওলোৱাৰ আগে আগে বহুতেই কৈছিল, 'বেয়াৰ ফুট ডাক্তৰৰ কথাটো কি—তাৰ খবৰ লৈ আহিব। আমি আমাৰ ইযাত ছবছৰ ধৰি মেডিকেল কলেজত পঢ়াই তাৰ পাছত এদিন অকস্মাতে ছাত্ৰৰ গাঁৱলৈ যাবলৈ কও। কোনো যে নধৰে। কেনেকে হ'ব? মেডিকেল কলেজত পাঢ়বলৈ গৈ যে প্রচুৰ ব্যয় হৈছে সেই টকা ক'ৰপৰা আদায় হ'ব? আৰু চহৰৰ ল'ৰাই গাঁৱলৈ গৈ কোনো সুবিধা নাপায। সেয়েহে, গাঁৱলৈ যাবলৈ জোৰ জুলুম কৰাটো অত্যাচাৰ যেন বোধ হ'ব পাৰে। কিন্তু চীনত কথাটো বেলেগ। তাত মেডিকেল পঢ়িবলৈ ভৰ্তি হোৱা ছাত্র ছাত্রীয়ে আগতেই দুবছৰৰ বাবে যিকোনো এঠাইত কাম কৰি আহিছে। তেওঁলোকৰ সকলো খা খৰচ চৰকাৰেই বহন কৰে। মিলিটাৰিৰপৰা

অহাসকলে দৰমহা পায়। তাৰেই খৰচ চলে। গতিকে, চৰকাৰী ধনেৰে অৰ্জা শিক্ষা তেওঁলোকে স্বল্পমূলত বা বিনামূলীয়াকৈও কিছুদিনলৈ দিব পাৰে। শিক্ষাৰ সময় ছোৱাত তেওঁলোকে মাজে মাজেই গাঁৱলৈ যায় আৰু তাতেই থাকে গৈ আৰু এইদৰে গাঁৱৰ লৈতে যোযোগৰ সাঁকো গঢ়ি উঠে। তদুপৰি, বেয়াৰফুট ডাক্টৰসকল চহৰৰ ন'ৰা নহয়, তেওঁলোক গাঁৱৰেই অধিবাসী। সেই গাঁৱলৈ গৈয়েইহে ছাত্ৰইতে তেওঁলোকক শিকাইছে, কেতিয়াবা চহৰৰ কলেজলৈ আহি শিকি বুজি আকৌ গাঁৱলৈকে উভতি গৈছে। এনে অৱস্থাত 'বেয়াৰ ফুট' ডাক্টৰসকলৰ সমস্যা থাকিব কিয়?

এই মেডিকেল স্কুলত ডাক্টৰীৰ উপৰিও বিদেশী ছাত্ৰসকলৰ বাবে ভাষা শিক্ষাৰ ব্যৱস্থা আছে। মেডিকেল কলেজ আৰু হস্পিতাল পৰিচালনাৰ বাবে সাংস্কৃতিক বিপ্লৱৰ পাছত ৰেভলিউশ্যনাৰি কমিটি গঠন কৰা হৈছে। এই কমিটিত এঘাৰজন সভ্য আছে। এওঁলোকক আলোচনা কৰি (by democratic constitution) নিযুক্ত কৰা হৈছে।

মি গুপ্তই সুধিলে, 'এই কমিটিৰ চেয়াৰমেন পলিটিক্সৰ বাবেই এই পদত আছে নে ডাক্টৰী বিদ্যাৰ বহুতে?

উত্তৰত কোৱা হ'ল, "মাও চে তুঙে কৈছে যে ৰেভলিউশ্যনাৰি কমিটিৰ চেয়াৰমেন ৰাজনীতিত দক্ষ, শাৰীৰিকভাৱে সুস্থ আৰু নিজ নিজ বিদ্যাত পাৰংগম হোৱাটোৱেই বাঞ্ছনীয়। এওঁলোকে তেওঁৰ বাবে সদায় জনসাধাৰণৰ মতামত গ্ৰহণ কৰিব, মাৰ্কছ লেনিন আৰু মাও চে তুঙৰ ৰচনাৱলীৰ শিক্ষা লাভ কৰিব।

আমি আৰু বিশদভাৱে সোধাত কোৱা হ'ল যে, সমগ্ৰ ডাক্টৰী শিক্ষা চীনা ভাষাৰ যোগেদি দিয়া হয়। আগতে ইউৰোপীয় কিতাপবোৰ চীনা ভাষাত অনুবাদ কৰা হৈছিল। এতিয়া তেওঁলোকৰে জ্ঞান, বুদ্ধি আৰু অভিজ্ঞতা অনুসাৰে পাঠ্যপুথি লিখা হৈছে। সকলো ধৰণৰ বিদ্যাশিক্ষা উচ্চস্তৰলৈকেই মাতৃভাষাৰ মাধ্যমেৰে হয়। এইবোৰ কথা কৈ থাকোঁতে তেও আকৌ ৰাজনীতিৰ কথা উলিয়ালে আৰু কলে মাও চে তুঙে কৈছে—Do not conspire, be overboard। এইবাবেই আমাৰ ৰাজনীতিত সকলো খোলাখুলি।

এই প্ৰসংগতে, কমিউনিষ্ট দেশৰ ৰাজনীতি সম্বন্ধে আমাৰ যি বদ্ধমূল ধাৰণা আছে, সেই সম্পৰ্কে এইখিনিত কেইটামান কথা কোৱা আৱশ্যক। 'কমিউনিষ্ট দেশ' অৰ্থত ৰুছিয়া আৰু চীনৰ কথা কৈছোঁ। কিন্তু ৰুছিয়া চীনক একেটা শাঁচত পেলাব নোৱাৰি বুলিয়েই মোৰ ধাৰণা হ'ল। আচল কথা, একেটা মতৰে পোষকতা কৰা সত্ত্বেও প্ৰতিখন দেশৰেই নিজস্ব চাৰিত্ৰিক বৈশিষ্ট্য আছে। সেই বিশেষত্ব-সমূহলৈ উপেক্ষা প্ৰদৰ্শন কৰি কোনো নেতায়েই সাৰ্থকতাৰ বাটেৰে আগবাঢ়ি যাব নোৱাৰে।

বিভিন্ন প্ৰসংগত মই ইয়াত যি বিপুল কৰ্মোদ্যোগৰ বৰ্ণনা দিছো, তাৰ ফলত এটা প্ৰশ্ন উত্থাপিত হ'ব পাৰে—এই কৰ্মোদ্যোগ স্বেচ্ছামূলক নে জোৰ জুলুমৰ ফল?

এইবোৰ বিতৰ্কৰ সম্পূৰ্ণ উত্তৰ মই দিব নোৱাৰিম, কিয়নো, মোৰ অভিজ্ঞতা বৰ কম। কিন্তু এটা কথা মই ভাবিবলগা হৈছোঁ—

জোৰ জুলুমেৰে মানুহবোৰ কিমান কাম আদায় কৰি ল'ব পাৰি? আৰু ই কিমান দিনলৈ চলে? অত্যাচাৰে কেতিয়াও প্ৰেৰণাৰ সৃষ্টি কৰিব পাৰেনে? আৰু, প্ৰেৰণা নাথাকিলে এই বিৰাট কৰ্মযজ্ঞসমূহ সফল হয় কেনেকৈ?

নশ মিলিয়ন মানুহৰ মাজত এজনো নিবনুৱা হৈ থকা নাই, অনাহাৰত নিকাৰ ভুগি থকা নাই, দ্ৰব্যমূল্য আজি চৌধ্য পোন্ধৰ বছৰ ধৰি একেই আছে, ইনফ্লেশ্যন নাই, কোনো দেশৰ ওচৰত ঋণাবদ্ধ নহয়, কোনো দেশৰ কৃপাপ্ৰাৰ্থী নহয়। ৰুছিয়াৰ ঋণৰ গধুৰ বোজাবোৰ মুক্ত হৈ এই দেশৰ মানুহে বুকু ফিন্দাই থিয় হ'ব পাৰিছে। জোৰ জুলুমে অতি কম সময়ৰ বাবে বাহ্যিক ফল প্ৰদৰ্শন কৰিব পাৰে, কিন্তু তাৰ ফলত কোনো আভ্যন্তৰিক পৰিবৰ্তন নঘটে।

মোৰ ধাৰণা, ষ্টালিনৰ নীতিয়েই কমিউনিষ্ট দেশ সম্পৰ্কে এবিধ ভীতিকৰ অৱস্থাৰ সৃষ্টি কৰিছিল।

১৯৬১ চনত মস্কোত এখন পাৰ্কত বহি মোৰ লগৰীয়া এগৰাকীক সুধিছিলোঁ, "ষ্টালিনৰ সম্পৰ্কে যিবোৰ কথা শুনিছিলোঁ—সঁচানে?"

তেওঁ মনে মনে আছিল। কেইবাবাৰো সোধাৰ পাছত তেওঁ উত্তৰ দিলে, "তুমি নাজানা নেকি, এতিয়া গোটেইখন পৃথিৱীয়েই জানে দেখোন।"

"তোমালোকে আগে জনা নাছিলা কিয় ?"

উত্তৰ দিলে, "আমাক জানিবলৈ দিয়া হোৱা নাছিল। হিটলাৰৰ অনুচৰে যেতিয়া ইহুদীইঁতক ধৰি নিছিল, তেতিয়া কাষৰীয়া ঘৰটোৰো কোনো মানুহে গম পোৱা নাছিল, তেওঁলোকে দেখিছিল মাথোন—ইহুদীইঁত নাই। সিইঁতৰ কি হ'ল, ক'লৈ গ'ল একো জনা নাছিল।"

এনেকুৱা অৱস্থা চীনদেশত হ'ব পাৰে বুলি মোৰ ধাৰণা নহয়। এওঁলোক ইমান মুকলি মনৰ, ইমান তাৰ্কিক। মাজে মাজে এওঁলোকৰ মাজত পলিটিকেল দ্বন্দ্ব হয়—যিসকল পৰাজিত হয়, তেওঁলোকো বৰ্তি থাকে। এতিয়াও ইয়াত সাত-আঠটা পলিটিকেল পাৰ্টি আছে। তেওঁলোকৰ তেনেকৈ বিশেষ একো শক্তি নাই, নাথাকিলেও অস্তিত্ব আছে। আনকি 'প্ৰগ্ৰেছিভ কুওমিনটাং পাৰ্টি' নামৰো এটা দল আছে।

মই তেওঁলোকক সুধিছিলোঁ, "তোমালোকে বোলে লিন পিআওক মাৰি পেলালা ? কথাটো সঁচানে ?'

তেওঁলোকে কয়, "আমি কেনেকৈ মাৰি পেলালো ? হয়, কেপিটালিস্ট অপপ্ৰচাৰ এনেকুৱাই হয়। তেও থিতাদহে তেওঁৰ পৰম বন্ধু ছোভিয়েত দেশলৈ পলাই যাবলৈ প্লে'নত তেল নোলোৱাকৈয়েই উৰা মাৰিলে। প্লে'নত তেল নাথাকিলে শেহলৈ সি তো মাটিত থেকেচা খাই পৰিবই।"

মাও চে তুঙৰ সৈতে বহুতৰেই মতৰ দ্বন্দ্ব হৈছিল, কিন্তু শেহান্তৰত তেওঁেই জয়ী হৈছিল। কিয়নো, জনসাধাৰণক তেওঁ তেওঁৰ অনুবৰ্তী কৰিব পাৰিছিল।

তথাপি আমাৰ সমালোচনা এয়ে যে, 'শতপুষ্প বিকশিত হওক' বুলি কৈ তেওঁ নিজেই শতপুষ্পৰ বিকাশ বন্ধ কৰিলে। এই কথা সোধাত তেওঁলোকৰ কোনো কোনোবাই মোক কৈছিল যে, শত পুষ্প বিকাশৰ নামত শিয়ালকটাহিৰ আধিপত্যও সহ্য কৰিব লাগিব—তাৰ কোনো অৰ্থ নাই। ইমান শ্ৰম কৰি যি সমাজ ব্যৱস্থাৰ পাতনি তৰা হ'ল, যি সমাজ ব্যৱস্থাৰ ফল আমাৰ জনগণে উপভোগ কৰিবলৈ পাইছে, তাক আকৌ পিছ হোঁহকাই নিয়াৰ প্ৰচেষ্টা সহ্য কৰিব নোৱাৰি।

যি কি নহওক, ডেম'ক্ৰেটিক দেশত, ধৰা যাওক আমাৰ দেশত—মতৰ স্বাধীনতা যথেষ্ট আছে আৰু আমি এই স্বাধীনতা থকাটোও বিচাৰোঁ। কিন্তু

সৰ্বমতৰ ফুলনিত যে কেনে ফুল ফুলে তাকো আমি বহুতেই নিশ্চয় দেখিছো। কোনোবাই যদি কয়, হয়, হৰিজনইতক ঘৃণা কৰাৰ অধিকাৰ মোৰ আছে, কমিউনেল হোৱাৰ অধিকাৰ মোৰ আছে, কুসংস্কাৰত বিশ্বাস কৰাৰ অধিকাৰ মোৰ আছে, মুখৰপৰা শিৱলিংগ উলিযাই আনি ভেলেকীবাজীৰে মানুহৰ বুদ্ধিভ্ৰংশ কৰাৰ অধিকাৰ মোৰ আছে—আমি সহ্য কৰোঁ এইবোৰ। তাৰ ফলত দেশে, এখোজ আগুৱালে দহখোজ পিছ হঁহকে। ডেমক্রেছিৰ চৰ্চা কৰিবলৈকো মানুহক শিক্ষিত কৰি তুলিব লাগিব। বিক্ষিপ্ত চিন্তাৰ উদ্দামতাই কোনো সফলতা কঢ়িয়াই আনিব নোৱাৰে। যিকোনো এটা মত হ'লেই হ'ল—সেই মত আকাশ জুৰি উঠি যুবক আৰু চাৰিওফালে শিয়ালকটাহিৰ সঁচ সিঁচক—এই অৱস্থা চীনদেশৰ নতুন ব্যৱস্থাত হ'ব নোৱাৰে। হোৱা হ'লে চীন আজি সুন্দৰৰ যি দিগন্তত উপস্থিত হৈছেহি—হ'ব নোৱাৰিলেহেঁতেন। শস্যৰ পথাৰত শিয়ালকটাহিয়ে বিঘিনি ঘটায়।

স্তালিনৰ মতৰ সৈতে মাও চে তুঙৰ মতৰ যে এই বিষয়ত মিল নাই মোক তেওঁলোকৰ লিখনাৰ পৰা দেখুৱাইছিল। ১৯৫৬ চনৰ ২৫ এপ্ৰিল তাৰিখে তেও এটি প্ৰবন্ধত (On the Major Relationship) যি কৈছিল তাৰ যৎসামান্য ইয়াত আলোচনা কৰিম। এই ঘোষণাটি পঢ়ি নল'লে মাও চে তুঙৰ যথাৰ্থ ৰূপৰ সা সন্ধান পোৱা নাযাব। তেও কৈছে

> কেনেকৈ ছ ছিয়োলিষ্ট দেশ নিৰ্মাণ কৰিব পাৰি? প্ৰথমতে, ভিতৰ আৰু বাহিৰৰ সকলো অনুকূল শক্তিক একেলগ কৰিব লাগিব। ছোভিয়েত ইউনিয়নত বহু ভুল কৰা হৈছে। তাৰ পুনৰাবৃত্তি নকৰিবা। দ্বিতীয়তে, যিসকল অনুকূল নহয়, আনকি বিৰোধী, তেওঁলোককো অনুকূল কৰি তুলিবলৈ চেষ্টা কৰা।
>
> 'আমি যে ছোভিয়েত ইউনিয়ন আৰু পূৰ্ব ইঅ'ৰোপৰ বহুতো দেশতকৈ আগবাঢ়ি যাবলৈ সক্ষম হৈছো তাৰ কাৰণ হ'ল—বৃহৎ শিল্প, ক্ষুদ্ৰশিল্প আৰু কৃষিকাৰ্য্যৰ সৈতে আমি সামঞ্জস্য ৰাখিবলৈ সমৰ্থ হৈছো।
>
> "ছোভিয়েত ইউনিয়নে কৃষকসকলক জুৰুলা কৰিলে—তেও লোকে কম দামত বহু বেছি শস্য কৃষকসকলৰপৰা চাচি চুৰুকি নিলে। শস্য বাধ্যতামূলকভাৱে চৰকাৰৰ ওচৰত বিক্ৰি কৰাৰ দিহা দিয়াত

কৃষকৰ উৎসাহ জয় পৰি আহিছে। কুকুৰাজনীয়ে কণী দিয়াটোকে যদি বিচাৰা আৰু তাইক যদি খাবলৈ নিদিয়া, বা ঘোৰাটোৱে চেকুৰিব কিন্তু চৰণীয়া পথাৰত চৰিবলৈ নিদিবা—ইনো কেনে বিচাৰ ?

(এইবোৰ কথা ১৯৫৬ চনত কোৱা হৈছিল। গতিকে খ্রুশ্চফ মহোদয়ে খণ্ডতে পেট কাটি শুকনিত ছমাহ নিওৱাৰ কাৰণ ঘটিছিল— লিঃ কা)

‘ আমি ছোভিয়েত নীতি অনুসৰণ কৰি কেন্দ্ৰৰ হাতত সকলো ক্ষমতা এদনীয়া হ’বলৈ নিদিওঁ। আমি স্থানীয় কৰ্তৃপক্ষৰ খত সোপা দি তেওঁলোকৰ স্বাধীনভাৱে কাম কৰাৰ অধিকাৰ কাটি নলওঁ। আমাৰ দৰে বৃহৎ দেশ এখনত কেন্দ্ৰৰ সৈতে স্থানীয় কৰ্তৃপক্ষৰ সম্পৰ্ক নিমজ হোৱা আৱশ্যক।

‘ এটা পাৰ্টি থকা ভাল নে বহু পাৰ্টি থকা আৱশ্যক ? বোধহয় বহু পাৰ্টি থকাটোৱেই ভাল। তাৰ দলত দীৰ্ঘদিন সহাৱস্থানৰ শিক্ষা আৰু পৰস্পৰৰ ওপৰত লক্ষ্য ৰখাৰ ব্যৱস্থা থাকে। আমাৰ দেশত বহুতো ডেমক্ৰেটিক পাৰ্টি আছে -যি পাৰ্টিসমূহৰ মাজত আছে জাতীয়তাবাদী, ব্যৱসায়ী, আৰু ইনটেলেকচুৱেলসকল—যিসকলে জাপানৰ সৈতে যুদ্ধত আৰু চিয়াং কাই শ্বেকৰ বিৰুদ্ধে যুজিছিল। তেওঁলোকৰ অস্তিত্ব এতিয়াও আছে। এই দলবিলাকৰ চীন ছোভিয়েত ইউনিয়নতকৈ সুকীয়া। আমি এওঁলোকক থাকিবলৈ দিছা—তেওঁলোকক মত প্ৰকাশৰ স্বাধীনতা দিছো—আমি তেওঁলোকৰ সৈতে মিলিতও হৈছো, সংগ্ৰামো কৰিছো। যিসকলে শুভ উদ্দেশ্য লৈ সমালোচনা কৰে, সেই সমালোচনা শুনিব লাগে। তেওঁলোকৰ সমালোচনাৰে উপকাৰ হয়। যিসকলে দেশক ভাল পায়, কওমিনটাং সৈন্যসকলৰ মাজত থকা তেনেকুৱা লোকসকল, যেনে—উইলি হুছাং অৰু ওয়ং, ওয়েন হাও আদি, তেওঁলোকৰ উৎসাহক আমি বঢ়াই তুলিবলৈ চেষ্টা কৰিম। আনকি, যিসকলে আমাক গুৱালগালি পাৰে, যেনে—লিযাং ছুমিং, লুং ইয়ুন আদি, তেওঁলোকক গালি পৰাত বাধা নিদিও, যদিও আমি যুক্তিৰে তেওঁলোকৰ বক্তব্যৰ

প্ৰতিবাদ কৰি থাকিম। যিবোৰ নিন্দা অৰ্থহীন, তাৰ প্ৰত্যুত্তৰ দিয়া, যিবোৰ নিন্দাত সত্য আছে সেইবোৰ মূৰ পাতি লোৱা—এয়ে হ'ল নীতি আৰু এই নীতি পাৰ্টিৰ তথা জনসাধাৰণৰ পক্ষে ভাল।

" কমিউনিষ্ট পাৰ্টি আৰু ডেম'ক্ৰেটিক পাৰ্টিসমূহ সকলো ইতিহাসৰ ফল। ইতিহাসৰ ফল কলে আকৌ নোহোৱা হয়। সেয়েহে, কমিউনিষ্ট পাৰ্টিও এদিন নোহোৱা হ'ব। সেই বুলি বেয়া লাগিবনে? বেয়া লগাৰ কাৰণ নাই। মোৰ মতে, এয়া বেছ ভালেই। এদিন যে ডিক্টেটৰশ্বিপ অব দি প্ৰলিতেৰিয়েত আৰু নাথাকিব মোৰ মানত এয়া এক শুভসম্বাদ। আমাৰ কাম হ'ল সেই শুভ দিনটোক সোনকালে আহ্বান কৰি অনাৰ চেষ্টা কৰা। এই কথা বহু বাৰ মই কৈছোঁ। কিন্তু এতিয়া আমি আৰু শক্তি সঞ্চয় কৰিব লাগিব। আমি সেই স্তৰ এতিয়াও আহি পোৱা নাই। কাউণ্টাৰ ৰেভোলউশ্যনাৰ আৰু ইম্পিৰিয়েলিষ্টইতৰ বিৰুদ্ধে সংগ্ৰামত আমাৰ পাৰ্টিৰ কাম শেষ হোৱা নাই অথোন। ডিকটেটৰশ্বিপ অব্ দি প্ৰলিতেৰিয়েতৰ মাজত এটা জোৰ জুলুম আছে। সেয়েহে আমি ব্যুৰ'ক্ৰেছিৰ অত্যাচাৰ আৰু জবৰজং শাসনযন্ত্ৰৰ বিৰুদ্ধতা কৰা উচিত।

এতিয়া ৰেভলিউশ্যন আৰু কাউণ্টাৰ ৰেভলিউশ্যনৰ সম্পৰ্কে মই মাও চে তুঙৰ মতামত কওঁ। বহুতৰে ধাৰণা, সকলো কমিউনিষ্ট দেশতে ঘাতকইঁতৰ অবাধ ৰাজত্ব। ঘাতকইঁতেৰে এখন দেশ গঢ়ি তুলিব নোৱাৰি—এই কথাটো বহুতকে বুজাব নোৱাৰি। সেইদেখিহে মাও চে তুঙৰ লিখা বহুল প্ৰচাৰিত মতসমূহ সোঁৱৰাই দিছো। তেওঁ কৈছে

"প্ৰতি বিপ্লৱীইঁত—নেগেটিভ আৰু ডেস্ট্ৰাকটিভ। সিহঁতে সৃষ্টি নকৰে, কৰে ধ্বংস। সিহঁতৰ মাজতো পৰিবৰ্তন আনিব পাৰি, যদিও একেবাৰে অবৈয়ালইঁত কেতিয়াও পৰিবৰ্তিত নহ'ব। ১৯৫১-৫২ চনত সিহঁতৰ বিৰুদ্ধে যি অভিযান চলোৱা হৈছিল, তাৰ প্ৰয়োজন আছিল। যিবিলাকক যুক্তিৰে সংশোধন কৰিব নোৱাৰি, সিহঁতৰ বিৰুদ্ধে কি ব্যৱস্থা ল'ম? মৃত্যুদণ্ড, জেল, নজৰবন্দী, বা যথেচ্ছভাৱে

থাকিবলৈ দিয়া ? জেললৈ পঠোৱাৰ অৰ্থ মাথোন বন্ধ কৰি ৰখা নহয়, কৰ্মৰ মাধ্যমেৰে সিহঁতৰ মত পৰিবৰ্তিত কৰা। নজৰবন্দী কৰি ৰখাটোও সামাজিক শাসন। আৰু মৃত্যুদণ্ডৰ অৰ্থ পৰিষ্কাৰ। এই কথা সঁচা যে, উপৰ্যুক্ত সংঘৰ্ষত (১৯৫১ ৫২) কেইজনমানক প্ৰাণদণ্ডেৰে দণ্ডিত কৰা হৈছে। সিহঁত কেনেকুৱা মানুহ আছিল ? সিহঁতে বহুতো মানুহক হত্যা কৰিছিল। আমি জনগণৰ দ্বাৰা তীব্ৰ ভাৱে ঘৃণিত তেনেকুৱা কিছুমানক প্ৰাণদণ্ডেৰে দণ্ডিত নকৰাহেঁতেন আজিৰ এই কোমল মনোভাৱ প্ৰদৰ্শন কৰিব নোৱাৰিলোহেঁতেন। আমি এতিয়া জানো, ষ্টালিনে বহু মানুহক হত্যা কৰিছিল। সেয়েহে আমিও তেনেকুৱা কৰিছোঁ বুলি মানুহে ভাবিছে। কিন্তু আমি তেনেকুৱা কৰা নাই। এতিয়াও আমাৰ অসংখ্য শত্ৰু আছে। সিহঁতে শস্য জ্বলাই দিয়ে, চোৰাংচোৱাৰ কাম কৰে, গাই দামুৰি মাৰি পেলায়, নিন্দাজনক প'ষ্টাৰ মাৰে। সেয়েহে আমি সতৰ্ক হৈ থাকিব লাগিব। কিন্তু এতিয়াৰ পৰা ক্ৰমে ক্ৰমে আমি প্ৰাণদণ্ড বন্ধ কৰিম আৰু গ্ৰেপ্তাৰো কমকৈ কৰিম। আমি ইয়েনানত (Yenan) গৃহীত নীতি মানি চলিম—যিমান কমকৈ সম্ভৱ গ্ৰেপ্তাৰ কৰা, কোনো মানুহক মাৰি নেপেলাবা। আনকি সম্ৰাট হুই বা কা ংছিৰ দৰে ধৃত দুষ্কৃতিকাৰীহঁতকো প্ৰাণদণ্ড নিদিওঁ। সিহঁতে প্ৰাণদণ্ড পোৱাৰ দৰে অপৰাধ কৰিলেও প্ৰাণদণ্ড বিহা নহ'ব। কিয়নো, এজনক মাৰিলে আন কেইবাজনকো তেনেকৈ হয়তো মাৰিব লাগিব। এইদৰে বহুতো মূৰ কটা যাব। আৰু এইবোৰৰ মাজত পৰি এজন নিৰ্দোষীয়েও হয়তো দণ্ড লাভ কৰিব। তাতকৈ অন্যায় আৰু নাই। কিয়নো, আমি জানো—মূৰ এবাৰ কাটি পেলালে সি আৰু নোলায়। আৰু লাভেই বা কি ? শত্ৰুহঁতক মাৰি পেলালে দেশৰ উৎপাদন বৃদ্ধি নহ'ব, বিজ্ঞানৰ উন্নতি নহ'ব, দেশৰ প্ৰতিৰক্ষা শক্তিশালী নহ'ব, তাইৱান ঘূৰাই পোৱা বা চাৰি শত্ৰুক (এন্দুৰ, মহ, মাখি আৰু ঘন-চিৰিকা) নিশ্চিহ্ন কৰাও সহজ নহ'ব। মাথোন আমি বন্দীহঁতক মাৰি পেলাওঁ বুলি জগতত দুৰ্নামহে ৰটনি হ'ব। বন্দী মানুহক মাৰি পোলোৱাত কোনো গৌৰৱ নাই, বৰঞ্চ সিহঁতৰ ভ্ৰম-সংশোধনতহে

আমি সহায় কৰিম। প্ৰতিজনকে সহায়ৰ প্ৰয়োজন। যিসকল মানুহ সঠিক বাটেৰে যাব পাৰিছে সিহঁতকো যদি সহায় কৰিব লাগে, তেনেহ'লে আওবটীয়া হোৱাইতক আৰু অধিককৈ সহায় কৰা প্ৰয়োজন। এই জগতত দোষ নকৰা মানুহ পাবলৈ নাই—কোনোৱে কম কৰে, কোনোৱেবা বেছি। বেছি দোষ কৰাইতক বেছিকৈ সহায় কৰিব লাগিব—সিহঁতে যাতে ক্ৰমে ক্ৰমে এই দেশৰ কামত যোগ্য ভূমিকা লব পাৰে। আৰু সহায় নকৰি সিহতৰ দোষ-ত্ৰুটিলৈ আঙুলিয়াই উল্লাসত হোৱাটো এক প্ৰকাৰ সাম্প্ৰদায়িকতা।"

মাও চে তুং লিখিত এই সহজ সৰল বক্তব্য পঢ়ি মুগ্ধ হৈছিলো। এই বক্তব্যৰ মাজত কোনো তত্ত্বৰ কচ্ছৰৎ নাই, মতৰ আস্ফালন নাই। একেবাৰে সৰল সত্য স্পষ্ট উচ্চাৰণ। আশা কৰো, এই নির্দেশ পালন কৰা হৈছে।

নানকিঙত আমি ছান ইয়াৎ সেনৰ সমাধি চাবলৈ গৈছিলো। সেয়া আছিল এক প্ৰত্নাত্মক কথা। চাৰিশ নৱৈটা চিৰি বগাইহে সেই সমাধিস্থললৈ যাব পাৰি। এই চিৰি বগাই উঠাটোৱেই এক তীৰ্থযাত্ৰা। মোৰ মনত ভাব হ'ল—মিং সমাধি সম্ৰাটসকলৰ বাবে দাসহঁতে নিৰ্মাণ কৰিছিল, এই স্মৃতিসৌধ আৰু সোপানশ্ৰেণী সাধাৰণ মানুহৰ বুকুৰ উমেৰে গঢ়া, কিন্তু দুয়োটাৰ মৰ্মকথা একেই, অনিত্যক নিত্য কৰাৰ চেষ্টা।

নানকিঙত আমি আৰু এটা দৰ্শনীয় ঠাইলৈ গৈছিলো। পাহাৰৰ ওপৰত যন্ত্ৰমণ্ডৰ—দুই আঢৈ হাজাৰ বছৰৰ আগেয়ে নিৰ্মিত বৈজ্ঞানিক নিদৰ্শন। এইবোৰৰ মাজত এটা মণ্ডল চাই আটাইতকৈ ভাল পালোঁ। দেখাত এইটো এটা গ্ৰহৰ নিচিনা—পাথৰৰ ভূমণ্ডল। আচলতে সেইটো আকাশমণ্ডল। মণ্ডলটোক ঘৰাব পাৰি। আমি পৃথিৱীৰপৰা সমগ্ৰ আকাশখনক যেনেকৈ দেখা পাও তেনেকৈ দেখুউৱা হৈছে। সৰ্বোচ্চ চূড়াত এটা টেলিস্ক'প বহুউৱা হৈছে। তালৈ যোৱাটো আছিল বৰ শ্ৰমসাপেক্ষ—দৰকাৰো নাছিল। তথাপি গ'লো। আৰু সেইদিনাৰেপৰাই মই অসুস্থ হৈ পৰিলোঁ।

ছান ইয়াৎ সেনৰ সমাধি চাই আহি, ৰাতি খোৱা বোৱাৰ পাছত শুনিলো যে হাববিৰ সেই বহু প্ৰত্যাশিত টেলিগ্ৰাফ আহিল আৰু তেও ইয়াৰেপৰাই দেশলৈ উভতি যাব। মই আৰু বংসলাই আপত্তি দৰ্শালো। আমাৰ মতে, নিমন্ত্ৰিত হৈ,

আনৰ ইমানখিনি ধন ব্যয় কৰাই এইদৰে মাজবাটৰপৰা উভতি যোৱাটো অভদ্ৰতা।

কিন্তু তাৰাচান্দ গুপ্তই ক'বলৈ ধৰিলে যে, তেওঁ তো সাধাৰণ ফিল্ম এখনৰ বাবে যাবলৈ বিচৰা নাই, তেওঁ ৰেভলিউশ্যনাৰি ফিল্মহে কৰিবগৈ। আমাৰ দেশত ৰেভলিউশ্যন কথাবাৰ যাদুমন্ত্ৰ যেন।

শেহান্তৰত দলপতি বিজয়বাবুৱে স্থিৰ কৰিলে কুন্‌মিনলৈকে গৈ, হংকং হৈ দেশলৈ উভতি গ'লে খৰচ কম হ'ব। কিন্তু বিজয়বাবুৱেও খবৰ কৰা নাছিল আৰু মহাকবিয়েও মন কৰা নাছিল যে হংকঙলৈ যোৱাৰ endorsement বা ভাৰত চৰকাৰৰ অনুমতিপত্ৰ তেওঁৰ নাই। ফলত খৰচ দুগুণে বাঢ়িল।

নানকিঙৰপৰা উভতি আহোঁতে আমি এটা ফিল্ম ফেক্টৰি চাবলৈ গ'লোঁ আৰু তাত সুখী আৰু বিৰল জায়েণ্ট পাণ্ডাৰ জীৱনৰ ছবি চালোঁ। অতি ধুনীয়া কুশলী ডকুমেণ্টাৰি।

চীনলৈ অহাৰ পাছৰেপৰাই মই আৰু বংসলাই আলোচনা কৰি আছিলোঁ যে, ইয়াত বাটকৰাসকলৰ মাজতো ছিঙা ফটা লেতেৰা পোছাক পিন্ধা এজন মানুহো চকুত নপৰিল। সেই কথা শুনাৰেপৰাই পণ্ডিত বিশ্বম্ভৰনাথ পাণ্ডে মহোদয়ে সদায় ছিঙা ফটা লেতেৰা পোছাক পাতিৰ পম খেদি ফুৰিছিল। ছান ইয়াৎ সেন এভেনিউৰেদি গৈ থাকোঁতে তেও ক'লে 'সৌ—সৌৱা চোৱাঁ, তাপলি মৰা চোলা পিন্ধা মানুহ এজন গৈছে—

কোৱা মতে চাই পঠিয়ালোঁ। সঁচাই এজন মানুহে তেওঁৰ চোলাত এটা দুটা নহয়, কেইবাটাও জোৰা তাপলি মাৰিছে অতি নিপুণতাৰে।

বিশ্বম্ভৰে ক'লে, "বিচাৰিলে বহুতো পোৱা যাব। পৃথিৱীৰ সকলো দেশতেই দুখ-কষ্ট আছে।'

মই অৱশ্যে চোলাৰ জোৰা তাপলি বিচাৰি ফুৰাত বা খুচৰি ফুৰাত নাই। মই বৰঞ্চ চাই আছিলোঁ বাটৰ দুয়োকাষৰ চেনাৰ গছৰ শাৰিলৈ। চেনাৰ গছ কাশ্মীৰৰ বিখ্যাত গছ। প্ৰায় বৰগছৰ দৰে ঠাল-ঠেঙুলি মেলি দিয়ে। ইয়াত দেখিছোঁ সৰু দীঘলীয়া গছজোপা ওপৰলৈ উঠি গৈ মূৰৰ ওপৰত ছাতিৰ দৰে ঠাল ঠেঙুলি মেলি ধৰিছে—অথচ পাতবোৰ যে চেনাৰৰ তাত সন্দেহ নাই।

চোলাৰ ভাপলিতকৈ এই দৃশ্য আছিল আৰু আকৰ্ষক। পাছত শুনিছোঁ— বাৰিষাকালি, যেতিয়া ঠাল ঠেঙুলি মেলাৰ সময় তেতিয়া ঠালবোৰ মোটা বছীৰে মেৰিয়াই বন্ধা হয়। তাৰ ফলত ঠালবোৰে বিয়পি পৰিব নোৱাৰে, আৰু ওপৰৰ ফালে পাত ওলাই জোপোহা হৈ পৰে। মাইলৰ পিছত মাইল জুৰি এই গছৰ লানি এইদৰে সজোৱাটো কম শ্ৰমসাধ্য বিষয় নহয়। এয়া সৌন্দৰ্য্যৰ বাবেই কৰা হৈছে।

নানকিং এৰি অহাৰ আগদিনা আমি এখন বোলছবি চালোঁ। বোলছবিখন আছিল তা চিং তেলপথাৰৰ প্ৰায় ডকুমেণ্টাৰি। এটা গল্প কোৱা হৈছে ঠিকেই, কিন্তু সেই গল্পটো সঁচা গল্প। সেই বিৰাট কৰ্মযজ্ঞৰ নায়ক এজন সাধাৰণ মানুহ।

আমাক তেওঁলোকে ক'লে যে, এই ছবিখন 'দুষ্ট চতুষ্টয়ে' ইমান দিন ধৰি প্ৰদৰ্শন কৰিবলৈ দিয়া নাছিল। এনে ধৰণৰ আৰু বহুতো বোলছবি দুষ্ট চতুষ্টয়ে বন্ধ কৰি থৈছিল। এতিয়া সিহঁত নিজেই বন্ধ হোৱাতহে এই ছবি দেখুউৱা হৈছে। চীনৰ বন্ধুসকলেও আমাৰ সৈতে বহি প্ৰথমবাৰৰ বাবে চালে। এই ছবিখনত ইমান বিপুল কৰ্মোদ্যম দেখুৱা হৈছে যে, এই বোলছবিৰ প্ৰদৰ্শন বন্ধ কৰাৰ কি উদ্দেশ্য, মই নুবুজিলো। মোক বুজোৱাৰ চেষ্টা কৰা হৈছিল, কিন্তু আন দেশ এখনৰ ৰাজনীতিৰ মেৰপাক, টেকনিকেল পৰিভাষা নজনাত মই ভালকৈ বুজি নাপালো। গতিকে সেই সম্বন্ধে লিখিবলৈ চেষ্টা নকৰাই ভাল।

এই তেলপথাৰৰ খননকাৰ্য আৰম্ভ কৰি ৰুছইতে 'ইয়াত তেল নাই' বুলি কৈ গুচি গৈছিল। বিস্তীৰ্ণ বৰফৰ মৰুৰ মাজত সেই দুৰূহ খননকাৰ্য্য চাই থাকোঁতে শুনি আছিলো—মাও চে তুঙৰ বাবেই এই কাৰ্য সফল হৈছে। কিয়? ক'তা— তেও তো এই তেল পথাৰত উপস্থিত নাই? —তেওঁ দিলে চিন্তা—দেখুৱালে সঠিক পথ। তেওঁ ক'লে দহোটা কাম নকৰিবা। যেনে—কঠিন শ্ৰম বা মৃত্যুলৈ ভয় নাথাবা, যহ বা ধন নিবিচাৰিবা, কাম কৰাৰ সা সুবিধা কিমান আছে তাৰ বিচাৰ নকৰিবা, কামৰ ঘণ্টাৰ হিচাপ নকৰিবা, দৰমহা বা পদ ওখ নে তল থাপৰ তাৰ বিচাৰ নকৰিবা, আৰু নিৰ্দেশ অনুসাৰে কাম কৰিছা বা স্বেচ্ছানিৰ্দিষ্ট কাম কৰিছা বুলিও নাভাবিবা। এই কথাও নাভাবিবা যে আগতে কাম বা পাছত বিশ্ৰাম। তিনিটা সততা প্ৰয়োজন—চিন্তাত, বাক্যত আৰু কৰ্মত। কামৰ মানদণ্ড

ঠিক ৰখা, সংগঠন, মনৰ ভাব স্থিৰ ৰখা আৰু শৃংখলা—এইবোৰ কঠোৰভাৱে পালন কৰিব লাগিব। প্ৰধান চাবিটো একভাব—অৰ্থাৎ দিনৰ শিফ্‌ট আৰু ৰাতিৰ শিফ্‌টতো কামৰ মান গুণগতভাৱে যেন একেই থাকে, বেয়া বতৰ আৰু ভাল বতৰতো যেন একেই থাকে, পৰিদৰ্শক উপস্থিত থাকক বা নাথাকক, কামৰ হিচাপ দিব লাগিলে বা নালাগিলেও—যেন একেদৰেই কৰা হয়। তা-চিঙৰ ছবিখন চাই—মাও চে তুঙৰ এই নিৰ্দেশসমূহ পালন কৰা বাবেই ইমান দ্ৰুতভাৱে তেল পোৱা সম্ভৱ হৈছিল বুলি মোৰ ধাৰণা হ'ল। নিৰ্দেশসমূহ সহজ, সৰল আৰু স্পষ্ট।

সেই ছবিত অৰ্ধনাৰীশ্বৰৰ মূৰ্তিও দেখা গ'ল। পুৰুষসকলে যেতিয়া দিনে-নিশাই পৰিশ্ৰম কৰিছে, তেতিয়া নাৰীসকলে ছনপৰা কটুৰ মাটিতো, শস্য উৎপাদনৰ কাম কৰিছে। অনাবাদী মাটিক সেউজীয়া শস্যৰ সমাৰোহেৰে নদন-বদন কৰি তুলিছে। ছবিখন আতি ধুনীয়া, কিন্তু এটাও প্ৰণয়দৃশ্য নাই। মোৰ এই ধাৰণা প্ৰায় বদ্ধমূল হৈ পৰিছে যে, চীনাহঁত প্ৰেমত নপৰে। স্যুক কথাটো সোধো বুলি ভাবিলো। কিন্তু সেই কথা ঘুৰুৱাই ক'লো, "স্যু, তোমালোকৰ দেশত মই তাপলি মৰা চোলা পিন্ধা মানুহ এজন দেখা পাইছো।"

স্যুৱে অবাক হৈ ক'লে, "এজন—? চোলাত তাপলি দেখোন বহুতেই মাৰে—আমি কাপোৰ কানি সহজে পেলাই নিদিওঁ।"

২০ তাৰিখে আমি সাংহাই পালোগৈ। আমি ক্ৰমাত দক্ষিণলৈ গৈ আছো। সাংহাই ইণ্ডাষ্ট্ৰিয়েল নগৰ। এই নগৰৰ ৰৱমূৰীয়াসকলৰ মাজত দ্বিতীয়জনে অৰ্থাৎ ৰেভোলউশ্যনাৰী কমিটিৰ ভাইছ চেয়াৰমেনে আমাৰ ওচৰত 'দুষ্ট চতুষ্টয়'ৰ বিষয়ে দীঘল বক্তৃতা এটি দিলে। তেওঁৰ বক্তৃতাৰ সামান্য দুই চাৰি আষাৰ ইয়াত লিপিবদ্ধ কৰো।

দেশলৈ উভতি অহাৰ পাছত মোক বহুতেই এই বিষয়ে প্ৰশ্ন কৰিছিল। বহুতৰে ধাৰণা, তেওঁলোকক (দুষ্ট চতুষ্টয়ক) মাৰি পেলোৱা হৈছে। কিন্তু এই কথা সত্য নহয়। তেওঁলোক বন্দী অৱস্থাত যথাস্থানতে আছে। আগতেও উল্লেখ কৰি আহিছো, আকৌ কওঁ, এওঁলোকে সচৰাচৰ মাৰি নেপেলায়। লিউ শাও চিৰ বিৰুদ্ধে ইমানবোৰ ঘটনা ঘটিল—তেওঁকো কোনেও হত্যা কৰা নাই। লিউ

জেন চিং (?) প্ৰথম যুগৰ মাও চে তুঙৰ সহকৰ্মী। তেওঁ ট্ৰটস্কি ভক্ত। তেওঁ এতিয়াও সুস্থ শৰীৰেৰে পিকিঙতে আছে। এইবোৰ কথা শুনি মই ভাবিছোঁ— আমাৰ দেশৰ স'ৰাইতে চীনৰ নাম লৈ ইমান কটা-মৰাখন কৰিছিল কিয়, আৰু এওঁলোকেইবা সেই হত্যা-পৰ্বক ইমান শলাগিছিল কিয় ? এই প্ৰশ্ন মই এওঁলোকক সুধিছিলোঁ—যথাস্থানত লিখিম। এতিয়া চিয়াং চিঙৰ কথা মই যিদৰে শুনিছিলোঁ কওঁ।

এওঁলোকে যেতিয়া দুষ্ট চতুষ্টয়ৰ নিন্দা কৰে তেতিয়া মাদাম মাও চে তুঙৰ কথাই বেছিকৈ কয়। তাৰপৰা মোৰ ধাৰণা হৈছে যে, কেৱল মতবাদৰ পাৰ্থক্য নহয়, তেওঁৰ সম্বন্ধে জনসাধাৰণৰ আৰু কিবা আক্ৰোহ আছে। ৰেভলিউশ্যনাৰি কমিটিৰ ভাইছ চেয়াৰমেনে কৈ আছে

"তেওঁ ক'লে, ডাইনেস্টি বদলি কৰা। নিজে তেওঁ সম্ৰাজ্ঞী হ'বলৈ বিচাৰে— নিষিদ্ধ নগৰীৰ পেলেছত সাজ কাচ কৰি চটাই-পাখৰীটি হৈ সিংহাসনত বহি চাইছিল তেওঁ নিজক—দেখাত কেনে লাগে। তেওঁক ছিডান চেয়াৰত (দোলা) উঠাই কঢ়িয়াই লৈ যাবলগীয়া হৈছিল। তেওঁ সাগৰলৈ গা ধুবলৈ যাব, সৈন্যসকলে সাগৰৰ এডাখৰ বেটি ধৰি পহৰা দিব লাগিব—যাতে হাংগৰ নাহে। স্বামী মৃত্যুশয্যাত , কিন্তু তেওঁৰ সাজন-কাচনৰ শেষেই নহয় ।"

আমি সুধিলোঁ, "এই চাৰিও সংগীৰ কোনটো কাম ক্ষতিকৰ হৈছিল ?"

উত্তৰত তেওঁ ক'লে, "এওঁলোকে দেশখনক বিভক্ত কৰিবলৈ চেষ্টা কৰিছিল। আৰ্মিত, কেডাৰত—সকলোতে বিচ্ছেদৰ সৃষ্টি কৰিছিল। এওঁলোকে কৈছিল, অতীতৰ ভুলৰপৰা ভৱিষ্যতৰ শিক্ষা ল'ব লাগিব। কথাষাৰ শুনাত ভালেই , কিন্তু ইয়াৰ যোগেদিয়েই বিদ্বেষৰ বীজ বপন কৰিব পাৰি। এওঁলোকে কন্দলৰ সৃষ্টি কৰিছিল। মাও চে তুঙে কৈছিল, শ্ৰমজীবি শ্ৰেণীৰ তেনে কোনো contradiction নাই , গতিকে আলোচনা আৰু বিতৰ্কৰ মাধ্যমেৰে সকলো ধৰণৰ মতবিৰোধৰ অন্ত পেলাব লাগিব। কেতিয়াও মাৰ পিট নকৰিবা। কিন্তু এওঁলোকে ধূৰ্ততাৰে ক'লে, ঠিক, আক্ৰমণ কৰোঁতে নামাৰিব, কিন্তু আত্মৰক্ষাৰ সময়ত সশস্ত্ৰ যুদ্ধ দিব লাগিব। এইদৰে এওঁলোকে গৃহ-কন্দলৰ সৃষ্টি কৰিছিল। এওঁলোকে কেৱল শ্ৰেণী-সংগ্ৰামৰ কথা কৈছিল, উৎপাদন বৃদ্ধি বা বিজ্ঞানৰ উন্নতিৰ কথা এ'কবাৰেই কোৱা নাছিল। এখন মিটিঙত এই মানুহজনীয়ে

কৈছিল যে, এটা কথা শত্তও যদি নাথাকে তাত ক্ষতি নাই, সংগ্ৰাম থাকিলেই হ'ল। এওঁলোকে শাসনৰ সুব্যবস্থা বিনষ্ট কৰিবলৈ বিচাৰিছিল। সেয়েহে কেৰানীসকলৰ কাম কৰা নাছিল, কোনো কামেই সময়ত হোৱা নাছিল, আনকি ৰেলগাড়ীও সময়মতে চলা নাছিল। তেতিয়া এওঁলোকে এটা শ্ল'গান দিলে—'বিভিশ্বনিজম'ৰ ৰেলগাড়ী ঠিক সময়ত অহাতকৈ 'ৰেভিলিউশ্বনাৰি' ৰেল পলমকৈ অহাও ভাল। দলত সাঙোৰ খুৱাবলৈ ভাঙৰ ভাঙৰ চাকৰি দিছিল। এওঁলোকৰ প্ৰধান অৱলম্বন আছিল লুটি-বাগৰ মৰা ল'ৰাৰ দল। ফাছিস্ত ডিক্টেটৰ হোৱাৰ লক্ষণ প্ৰকাশ পাইছিল। এওঁলোকৰ জন-সমৰ্থন নাছিল। মাও চে তুঙে কৈছিল, এওঁলোকৰ দুটা ফেক্টৰি আছে,—এটা ষ্টিলৰ, আনটো টুপীৰ। ষ্টিল হ'ল জোৰ জুলুম, টুপী বা কেপ বুলিলে ছাপ, বিশেষকৈ কোনোবা এটা দলৰ ছাপ বা চিন।"

যেনে—আমাৰ গান্ধীটুপী। চীনা লোকসকলে উপমাৰে কথা কয়, সেয়েহে চমুতে আৰু ব্যঞ্জনাৰে বহু কথা কোৱা হয়।

এইবোৰ শুনি মই লী-ক ক'লোঁ, "যি কি নহওক, মাদাম মাও চে তুং-ৰৰ ৰূপহী।

লী উচপ খাই উঠিল যেন, "তুমি দেখিছা নেকি ?

"ক'ত আৰু দেখুৱালা তোমালোকে। ছবিত দেখিছোঁ।'

"ক'ত ?"

"আমাৰ দেশৰ খবৰৰ কাগজত।"

"এঁ—। তোমালোকৰ কাগজত ছবিও ওলাল।"

লীৰ মুখৰ ভাবটো হ'ল—হায় কেপিটালিস্ট প্ৰেছ।

সাংহাই ইণ্ডাষ্ট্ৰিয়েল নগৰ। এই নগৰৰ পুৰণি এলেকাসমূহ বৰ থেপাথেপিকৈ সজোৱা। বিভিন্ন ইঅ'ৰোপীয় জাতিয়ে ইয়াত থলি পুতি লুটপাট কৰিছিল। মটৰেৰে যাওঁতে তেওঁলোকে আমাক দেখুৱাইছিল—এইটো বৃটিছ কনছেছন, সেইটো ফ্ৰেঞ্চ কনছেছন ইত্যাদি।

প্ৰথম দিনাই আমি নগৰৰপৰা পাঁচিছ কিল'মিটাৰ দূৰৈত হোৱাং ছু নামৰ

এখন কমিউন চাবপৈ গ'লোঁ। আমি ছিজিয়াচুৱাঙত যিখন কমিউন চাই আহিছোঁ, এইখন তাতকৈ বহু ডাঙৰ। ইয়াত বিভিন্ন বয়বস্তু উৎপাদিত হৈছে। ইয়াত পাঁচ হাজাৰ পৰিয়ালৰ বসবাস—সৰ্বমুঠ তেইছ হাজাৰ মানুহ আছে। আৰু আছে এশ তেত্ৰিছটা প্ৰ'ডাকশ্যন টিম, আৰু ষোলটা প্ৰ'ডাকশ্যন ব্ৰিগেড। খেতিৰ উপযোগী মাটিৰ পৰিমাণ দুহেজাৰ এশ হেক্টৰ। বিভিন্ন শস্য, শাক-পাচলি আৰু কপাহৰ খেতি হয়। বাৰটা ফেক্টৰিত কাম চলিছে। হেক্টৰপ্ৰতি চৌধ্য হাজাৰ কিল'গ্ৰাম শস্য উৎপাদিত হয়। ১৯৫৭ চনত কমিউন প্ৰতিষ্ঠিত হোৱাৰ আগতে যি পৰিমাণ শস্য উৎপাদিত হৈছিল, এতিয়া তাতকৈ ২৮ ভাগ অধিক শস্য উৎপাদিত হৈছে। খেতি বাতিৰ ক্ষেত্ৰত যন্ত্ৰ ব্যৱহৃত হৈছে। কঠীয়া সিঁচা, ঘেঁহু চপোৱা, পানী দিয়া ইত্যাদি সকলো কাম যন্ত্ৰৰে কৰা হৈছে। এই কমিউনত ষোলটা পাম্প ষ্টেশ্যন আছে আৰু সাতত্ৰিছটা খাল খন্দা হৈছে। যোৱা পোন্ধৰ বছৰ ধৰি 'বাম্পাৰ হাৰভেষ্ট' হৈছে। তাৰ ফলত জীৱন যাত্ৰাৰ মানদণ্ড ভালেখিনি উন্নত হৈছে। এই কমিউনত পাঁচিছখন মিডল স্কুল আৰু ওঠৰখন প্ৰাইমেৰি স্কুল আছে। মিডল স্কুলৰ পঁয়সত্তৰ ভাগ ছাত্ৰ ছাত্ৰীয়ে উচ্চশিক্ষা লাভ কৰে। এই কমিউনখনত একত্ৰিছগৰাকী ডাক্টৰ আছে। প্ৰতিখন ক্লিনিকতে তিনি চাৰিজনকৈ বেয়াৰ ফুট ডাক্টৰো আছে। তেওঁলোকে চিকিৎসা আৰু চহ তুয়াটাই কৰে। টান বেমাৰ আজাৰ হলে অৱশ্যে কাউণ্টি মিউনিছিপালিটি হস্পিতাললৈ যায়। চিকিৎসাৰ বাবে প্ৰতিজন মানুহে বছৰি দুই ইউৱানকৈ দিয়ে। পাঁচজনীয়া পৰিয়ালত বছৰেকত গড় আয় বাৰশ ইউৱান। বছৰেকত ব্যয় হয় সাত শ ইউৱান। গতিকে, বছৰি পাঁচশ ইউৱান সহজেই সাঁচিব পাৰে। এই টকা সাঁচি তেওঁলোকে ঘৰ দুৱাৰ সাজে, বা ল'ৰ ছোৱালীইতৰ বিয়াৰ খৰচ উলিয়ায়।

ইমানবোৰ তথ্য শুনি শুনি ভাগৰি পৰিলোঁ। কিন্তু তেওঁলোকেও সহজে এৰি দিব নোখোজে। আৰু তথ্য শুনিবলগীয়া হ'লোঁ। স্থায়ী ছিনেমা হাউছৰ উপৰিও তিনিটা ভ্ৰাম্যমান ছিনেমা ইউনিট আছে। তদুপৰি আছে সাংস্কৃতিক অনুষ্ঠান, লাইব্ৰেৰি—ভ্ৰাম্যমান আৰু স্থায়ী।

কামৰ সময়ৰ স্থিৰতা নাই। খেতিৰ সময় প্ৰয়োজন অনুসাৰে স্থিৰ কৰা হয়। কেতিয়াবা হয়তো দিনে দহ ঘণ্টা কাম কৰিবলগীয়া হয়, আকৌ

কেতিয়াবা চাৰি ঘণ্টাৰ বেছি কাম নাথাকে। তেতিয়া তেওঁলোকে নিজা ঘৰ-দুৱাৰ সাজে, কাঠ আৰু বাঁহৰ কাম কৰে আৰু সেইবোৰ বস্তু-বাহানি বেচে।

বৰ ধুনীয়া ধুনীয়া ফাৰ্ণিচাৰ তৈয়াৰ কৰা হৈছে। আমি কেতবোৰ খেতি-বাতিৰ যন্ত্ৰপাতি তৈয়াৰ কৰা আৰু মেৰামতি কৰা কাৰখানা চালোঁ। আটাইতকৈ ভাল পালোঁ বাঁহৰ বাস্কেট আৰু বিধেবিধ কুটীৰ শিল্পৰ বয়-বস্তু চাই। কুটীৰ অৱশ্যে নহয়—বিৰাট বিৰাট পকী ঘৰতে বহু মানুহে কাম কৰি আছে—যন্ত্ৰেৰে বাহ ফলা হৈছে। অতি সূক্ষ্মভাৱে ফলা হৈছে। হাতেৰে ইমান সূক্ষ্ম কাম কৰিব পাৰিলেও সি হ'ব সময়সাপেক্ষ। এওঁলোকে কটেজ ইণ্ডাষ্ট্ৰিৰে সৈতে সকলোতে সৰু সৰু মেছিনৰো সমন্বয় সাধিছে। কিন্তু বাঁহৰ কাম ইমান অপূৰ্ব যে মোৰ আটাইবোৰ লৈ অহাৰ লোভ হৈছিল। তেওঁলোকে ডা বাসুৰুক এটা বাস্কেট দিছিল। তেওঁ সেইটো বিশ্বম্ভৰনাথ পাণ্ডেক দিলে। কিয়নো, তেওঁ পৰমকৈ অহাত ছিজিয়াচুৰাঙৰ উপহাৰদ্ৰব্যসমূহ পোৱা নাছিল।

ইয়াৰপৰা আমি কমিউনৰ ঘৰ দুৱাৰবোৰ চাবলৈ গ'লোঁ। আমাক চাবলৈ গাঁৱৰপৰা ল'ৰা ছোৱালী, ডেকা গাভৰু, বুঢ়া বুঢ়ীসকল দলে বলে আহিল। মই যিথন ঘৰত গৈ সোমালোঁগৈ তাত তেতিয়া কেৱল আইতাকহে আছিল, বাকী সকলো কামলৈ ওলাই গৈছিল। আইতাকৰ লগত আছিল তেওঁৰ ধুনীয়া নাতিনীয়েক এটি। ঘৰটো দোতলা। ইটাৰ দেৱাল, মজিয়াও পকী। নটা খোটালী—সৰু ডাঙৰ পাকঘৰ আদিৰে সৈতে। পো বোৱাৰী নাতিনী ছোৱালী আৰু আইতাক তো আছেই, আৰু কোনোবা এজন থকা লাগিল যেন। তলৰ তলাত খেতি বাতিৰ সা সৰঞ্জাম, ওপৰৰ তলাত থকা-মেলাৰ বন্দবস্ত। ৰেডিঅ' আছে। পৰিষ্কাৰ পৰিচ্ছন্ন। মধ্যবিত্ত গৃহস্থ ঘৰৰ নিচিনা। পাকঘৰত সোমাই দেখিলোঁ—ভাত আৰু মালন্দো বন্ধা হৈছেই, সুপ উতলিছে। বোৱাৰীয়ে ইতিমধ্যে কামৰপৰা আহিয়েই শাক পাচলি কুটিবলৈ বহিল। এওঁলোকৰ চৌকা ওখ ঠাইত থাকে—থিয়ৈ থিয়ৈ বন্ধা বঢ়াৰ ব্যৱস্থা। ইয়াৰেপৰাই মই গাঁৱৰ পায়খানাৰ ব্যৱস্থা কেনে তাৰ অনুসন্ধানত লাগিলো।

আমি য'লৈকে গৈছো, ধিংড়াজী আৰু মহাকবি হঠাতে নোহোৱা হয়। দীনেশে কৈছিল যে তেওঁলোকে দেশলৈ উভতি গৈ চীনৰ 'টয়লেট' সম্পৰ্কে বিছাৰ্চৰ ফলাফল লিখিব। তেওঁলোকে নিলিখিলেও মই লিখিলোঁ। আশা

কৰোঁ, মোৰ সহৃদয় পঢ়ুৱৈসকলে এই বিষয়ৰ অৱতাৰণাৰ বাবে মোৰ ওপৰত ক্ষুণ্ণ নহ'ব। বহুতেই মোক শিল্প-সাহিত্য সম্বন্ধে লিখিবলৈ কৈছে। তাৰ আগতে মই এই লেতেৰা বিষয়টোৰ কথা অলপ লিখি লওঁ।

বহুকালৰ আগৰেপৰা চীনৰ কৃষকসকলৰ ওচৰত 'নৰবৰ' অৰ্থাৎ মনুষ্য-বিষ্ঠা বা নাইটছয়েল এটা সম্পদ হিচাপে বিবেচিত হৈ আহিছে। সাৰ হিচাপে চিৰদিনেই ইয়াৰ ব্যৱহাৰ কৰা হৈছে। মই সাংহাইৰ এগৰাকী বিশিষ্ট লোকৰপৰা শুনিলোঁ যে গাঁৱত এতিয়া কি কৰা হয়। প্ৰতিটো ঘৰৰ সৈতে যি পায়খানা আছে তাৰ পাত্ৰটো প্ৰতিদিনেই ঘৰৰ এজনেই ময়লা কঢ়িওৱা গাড়ীত নিজেই ঢালি দিয়ে, নাইবা ওচৰতে থকা এটা ডাঙৰ চৌবাচ্চাৰ ঢাকনি দাঙি ঢালি দিয়ে। তাৰপৰা খেতি পথাৰলৈ লৈ যোৱা হয়।

মই সুধিলোঁ, 'এই কাম কৰোঁতে ঘিণ নালাগেনে বাৰু?

উত্তৰত ভদ্ৰলোকে ক'লে, 'মুঠেই ঘিণ নালাগে। এই কামৰ বাবে আমাৰ দেশত আছুতীয়াকৈ কোনো মেতৰ জাতি নাই। প্ৰত্যেকেই নিজৰ ময়লা নিজেই পৰিষ্কাৰ কৰে।"

গোটেই গাঁওবিলাকেই পৰিষ্কাৰ পৰিচ্ছন্ন। কোনো দুৰ্গন্ধ নাই। দূৰণিবটীয়া গাঁৱলৈ মটৰেৰে যাওঁতে আমি যেতিয়াই য'তেই নামিছো, বাটৰ কাষ'ত জন-সাধাৰণৰ ব্যৱহাৰৰ বাবে বন্দবস্ত থকা দেখিছো। অৱশ্যে সেইবোৰ কেঁচা মাটিৰ। পিছে ব্যৱহাৰ কৰিবলৈ শিক্ষা দিয়াৰ ফলত মুঠেই লেতেৰা নহয়। দুৰ্গন্ধ আমাৰ নাকত অলপ লাগিবই। আৰু এটা কথা। সকলো শীতপ্ৰধান দেশৰ মানুহৰ দৰেই এওঁলোকেও পানীৰ ব্যৱহাৰ নকৰে। টয়লেট কাগজ ব্যৱহাৰ কৰে। এই টয়লেট কাগজ কৰ্মস্থলৰপৰা বিনামূলীয়াকৈ পায়। পানীৰ পৰিষ্কাৰ কৰাৰ ক্ষমতা যিমান, লেতেৰা কৰাৰ ক্ষমতাও সিমানেই। পানীয়ে বোকাই, পানীয়ে-মলে আৰু শেলুৱৈয়ে মিলি যে ৰূপ লয়, তাত তেনেকুৱা নহয়। এইবোৰ সাধাৰণ 'টয়লেট'ৰ ময়লাও খেতি পথাৰলৈ লৈ যোৱা হয়। যি কি নহওক, কেঁচা মাটিৰ পায়খানা থকা সত্ত্বেও ক'তো মাখি নেদেখিলোঁ।

২০ তাৰিখে আমি পায়োনিয়াৰ্ছলৈ গ'লো—শিশুভৱন। মস্কোৰ পায়োনিয়াৰ্ছ পেলেছ চাই মুগ্ধ হৈছিলোঁ। ল'ৰা ছোৱালীহঁতৰ নাচ-গান, জিমনাষ্টিক, চিত্ৰাংকন, কাঠৰ কাম ইত্যাদি চাই বৰ ভাল পাইছিলোঁ। কিছু

দিনৰ আগতে ৰোমানিয়াতো পায়োনিয়াৰ পেলেছলৈ গৈছিলোঁ। বৰফেৰে ঢকা বিস্তীৰ্ণ উদ্যানৰ মাজত এটা প্ৰাসাদত চিত্ৰাংকন, মডেলিং আদি কৰা হৈছে। কিন্তু চীনৰ পায়োনিয়াছ্‌ৰ্ ওচৰত সেইবোৰ ল'ৰা-ধেমালি যুলি বোধ হ'ল। সৰু এখন উদ্যানৰ মাজত পাঁচমহলা ঘৰ। সাংহাই চহৰৰ দহোটা অঞ্চলত এনেকুৱা দহোটা শিশুভৱন আছে।

প্ৰথমে, সোমায়েই চকুত পৰিল—বাৰ তেৰ বছৰীয়া দুটি চেমনীয়া ল'ৰাই এটা পাঁচ ছয় ফুট দীঘল এৰোপ্লেন ৰেডিঅ' যোগে উৰুৱাবলৈ চেষ্টা কৰিছে। এইবোৰ কাম আমাৰ ইয়াতো ল'ৰাইতে কৰে, কিন্তু অতি ব্যয়সাপেক্ষ হোৱা হেতুকে মুষ্টিমেয় ধনীৰ ল'ৰাইঁতেইহে এই হবি বা চখৰ চৰ্চা কৰিব পাৰে। স্কুলৰ সুবিধা আৰু মাক দেউতাকৰ সুবিধা অনুসাৰে ল'ৰা ছোৱালীইঁত আহে। নানাবিধৰ হাতৰ কাম, নাচ গান আৰু পঢ়াশুনা হয়। পঢ়া শুনাৰ বিষয় হ'ল—মাৰ্কছ ৰ লেনিনে কি কৈছে, মাও চে তুঙে কি কৈছে আৰু ইণ্টাৰনেশ্যনেল চিন্তায়েইবা কি। মই অৱশ্যে ইমান সৰুৰেপৰাই ৰাজনীতি শিক্ষাৰ পক্ষপাতী নহওঁ, যেনে—মোৰ মতে, নিচেই সৰু বয়সৰপৰা ধৰ্মশিক্ষাও ভাল নহয়।

মোক এগৰাকী পাতুৰীয়ে সুধিছিল "আপোনাৰ স্কুলত ধৰ্মশিক্ষা দিয়েনে ?"

মই কৈছিলো "মই সিহঁতক নিউক্লিয়েৰ ফিজিক্সো নপঢ়াওঁ, ধৰ্মশিক্ষাও নিদিওঁ।'

'নিউক্লিয়েৰ ফিজিক্স আৰু ধৰ্ম একেই হ'লনে ?'

তেওঁ ভুৰু কোঁচাইছিল।

"এক নহয়—ধৰ্ম আৰু কঠিন। ধৰ্মস্য তত্বং নিহিতং গুহায়া—এই কণ কণ ল'ৰা ছোৱালীইঁতে তাৰ কিটো বুজিব ?"

ইমান সৰুৰেপৰাই মনটোক এটা ধৰা বন্ধা সাঁচত পেলালে তাৰ স্বাধীনতাৰ ক্ষেত্ৰখনেই ঠেক হৈ যাব। মানুহৰ জীৱনত সময়ৰ লৈতে যুক্ত হৈয়েই অভিজ্ঞতাৰ জন্ম হয়—অসময়ৰ পকা ফল খাবলৈ সোৱাদ নহয়। পিছে এতিয়া দেখিছোঁ—যিসকলৰ যিপিনে ৰাপ সিসকলে শিশুকালৰেপৰাই তাৰ চৰ্চা আৰম্ভ কৰি দিয়ে। চীনাসকলে পলিটিক্স ভাল পায়, তেওঁলোকে পলিটিক্স শিকাইছে। চেমনীয়াইঁতৰ আৰু অকণিহঁতৰ গানতো দুষ্ট চতুষ্টয়লৈ ধিক্কাৰ জনোৱা হৈছে।

আৰু পাশ্চাত্য দেশত তেওঁলোকে যৌন চৰ্চাত উন্মত্ত যেন হৈ উঠিছে। তেওঁলোকে পাহৰি গৈছে—যৌনতা হ'ল জীৱনৰ এছোৱা নিৰ্দিষ্ট সময়ৰ বিষয়

সেয়া সমগ্র জীৱন-বিয়পা নহয়। স্কুলত নিচেই শিশুইতকো যৌনশিক্ষা দিবলৈ ধৰিছে—এয়া বোলে বৰ লাগতিয়াল। সুফল যে কিমানলৈ ফলিছে, সেয়া দেখা কথা। আৰু ক'ব লাগিছেনে ?

কিন্তু শিশুমনৰ ওপৰত এই জঘন্য জোৰ-জুলুমৰ প্ৰয়োজন তো নায়েই—ই অন্যায়ো।

শুনা কথা—এটি ল'ৰাই স্কুলৰপৰা শিকি আহি তাৰ মাকক সুধিছিল "Ma, do you have sex relations ?"

মাকৰ তেতিয়া ততত পৰি নোম সৰিছে, ইপিনে শিশুইতৰ ওচৰত মিছা কোৱা অনুচিত বুলি মাকেও শিক্ষা পাইছে—সেয়েহে থতমত খাই সেপ ঢুকি ক'লে, "eh eh, perhaps we have !'

ল'ৰাটি উৎসাহিত হৈ উঠিল—'But where are those relations—I do not see them !'

এইবোৰতকৈ অৱশ্যে পলিটিক্স ভাল। পায়োনিয়াৰ প্ৰাসাদৰ ল'ৰা ছোৱালীইতৰ হাতৰ কাম অভাৱনীয়। তাৰ বহল বৰ্ণনা দিবলৈ হ'লে তাৰেই এখালিচামান লিখিব লাগিব। যিমান বিধৰ শিল্পবিদ্যা আছে—সকলো যেন শিকোৱা হৈছে। পেপাৰ কাটিং, কাঠৰ এৰ'প্লেন, ৰাইছ ডল, চিত্ৰাংকন, চিলাই, এমব্ৰয়ডাৰি—আনকি পুতলা মানুহৰ শৰীৰত আকুপাংচাৰ। তাতে বহি সৰু সৰু ল'ৰা ছোৱালীইতে মোৰ ব্লাড প্ৰেশ্বাৰ জুখিলে। ধুনীয়া বেলেও চালো। এওলোকৰ শিশুইতে বৰ ভাল বেলে নাচিব পাৰে। এই বেলেত ইঅ'ৰোপীয় ভাব ভংগী আছে। নিভাজ চীনা নৃত্য বুলি মোৰ ধাৰণা নহ'ল। পিছে—মোৰ ভুল হ'ব পাৰে। সৰু ল'ৰাইতে ডাঙৰসকলৰ দৰেই একাগ্ৰতাৰে কাম কৰি আছে। ক'তো কণমাত্ৰ বিশৃংখলা নাই। এওলোকে তৈয়াৰ কৰা বস্তুসমূহ নিখুঁত, ধুনীয়া। কিন্তু শিক্ষাৰ আন এটি দিশৰ কথা তেওঁলোকে মোক কৈছিল। সেই দিশটোক মই আটাইতকৈ ভাল পালোঁ।

তেওঁলোকে আমাক ক'লে, 'আমি সিইঁতক নিচেই সৰুৰেপৰাই দেশৰ মানুহক সেৱা কৰিবলৈ শিকাইছোঁ। আমাৰ মহান বিপ্লৱৰ উত্তৰাধিকাৰীসকলে মানুহক কেনেকৈ সেৱা কৰিব লাগে, কেনেকৈ মানুহক সহায় কৰিব লাগে, সেই কথা জানিব লাগিব।"

আমাক মূকাভিনয়ৰ এটি অনুষ্ঠান দেখুৱা হ'ল। মূকাভিনয়ৰ বিষয়বস্তু আছিল এনেকুৱা চাহৰ দোকানত এজন ল'ৰা আৰু এজনী ছোৱালীয়ে চাহ বেচিছে। সন্মুখত বাস্তা। সেই ৰাস্তাইদি ছাইকেলত উঠি এজন মানুহ গৈ আছে। ছাইকেলৰ পিছফালত এটা বাস্কেটত শাক পাচলি। হঠাতে এটা খুন্দা খাই মানুহজন ছাইকেলৰপৰা বাগৰি পৰিল আৰু তেওঁৰ শাক-পাচলিখিনিও বাটৰ ওপৰত সিঁচৰতি হৈ পৰিল। চাহৰ দোকানৰ ল'ৰা আৰু ছোৱালী দুটা দৌৰি আহিল। মানুহজনক দাঙি ধৰি থিয় কৰাই দিলে। সিহঁতে দেখিলে—মানুহজনৰ ভৰি ভাগিছে। ধৰাধৰিকৈ তাৰপৰা আঁতৰাই নিলে (এই আটাইবোৰ কথাই নাচৰ যোগেদি দেখুউৱা হৈছে)। তাৰ পাছত হস্পিতাললৈ ফোন কৰিলে। এম্বুলেন্স আহিল। এম্বুলেন্সত মানুহজনক তুলি দিলে। তাৰ পাছত তেওঁৰ ঘৰৰ ঠিকনা ল'লে। শাক পাচলিখিনি বাস্কেটত ভৰাই লৈ তেওঁৰ ঘৰত দি থৈ আহিবলৈ ৰাওনা হ'ল।—গোটেই নাটখন সু অভিনীত। মোৰ ধাৰণা —এনে ধৰণৰ নাট আমাৰ বিদ্যালয়সমূহতো অনুষ্ঠিত হোৱা উচিত।

বিপদগ্ৰস্ত মানুহক সহায় কৰাৰ নীতি সাম্প্ৰতিক কালত আমাৰ দেশত বিস্মৃত। আক্ৰান্তৰ আৰ্ত চিঞৰ শুনিলে আজিৰ মানুহৰ সৰহভাগেই দুৱাৰ বন্ধ কৰে। দুৱাৰ বন্ধ কৰা জন নিজেও যে কেতিয়াবা এই অৱস্থাত পৰিব পাৰে সেই কথা নাভাবেই। অকে বাটে পথে বাটৰুৱা এজন মটৰৰ খুন্দা খাই উফৰি পৰিলে সেই বাটৰুৱাজনলৈ ঘূৰি চোৱাৰ আগতে ড্ৰাইভাৰৰ বিচাৰ আৰু 'এক্সিকিউশ্যন'লৈহে মন কাণ দিয়ে। আৰু, আনকি কলেজত পঢ়া ল'ৰা ছোৱালীহঁতৰ মাজতো এই প্ৰৱণতা কম নহয়।

এই প্ৰসংগত, ৰুই আলিৰপৰা এটা আশ্চৰ্য্য সুন্দৰ গল্প শুনিছিলোঁ। যিমান দূৰত মন পৰিছে—ৰুই আলিয়েই কৈছিল গল্পটো।

এটি চীনা ইঅ'ৰোপীয়ান ল'ৰাই কমিউনৰ মাজেদি ছাইকেলত উঠি গৈ থাকোঁতে এজন বুঢ়া মানুহক খুন্দিয়ালে। বুঢ়া মানুহজনে ভৰিত বৰ আঘাত পালে। ইপিনে এটা মস্কিল হ'ল এয়ে যে—বুঢ়াৰ ঘৰত তেওঁক চোৱা মেলা কৰিবলৈ কোনো নাই, বুঢ়া অকলশৰীয়া। ল'ৰাটিও অকলশৰীয়া। সেইদেখি কমিউনৰ সভাত সিদ্ধান্ত লোৱা হ'ল যে বুঢ়া মানুহজন ভাল হৈ উঠালৈকে ল'ৰাটি তেওঁৰ লগত থাকিব আৰু তেওঁৰ আলপৈচান ধৰিব।

ল'ৰাটি ঘূৰাহয়ান আছিল তাত। তাৰ পাছত, ল'ৰা আৰু বুঢ়াৰ মাজত ৰবয়ে ইমানকৈ শিপালে যে ল'ৰাটি তাতে থাকি গ'ল। তাৰ পাছত ল'ৰাটিয়ে এদিন বিয়া-বাৰু কৰালে আৰু সেই বুঢ়ায়ো এজন পুত্ৰ আৰু বোৱাৰী পালে।

মানৱ সম্বন্ধৰ ভেটি তৈয়াৰ কৰাটোৱেই হৈছে দেশৰ বুনিয়াদ তৈয়াৰ কৰা। এই বিষয়ে এসময়ত আমাৰ দেশ ভালেখিনি আগবঢ়া হৈ আছিল। এয়া পুৰণি জগতখনৰ পুৰণি মত। নতুন জগতত মানৱ-সম্বন্ধক মসৃণ কৰাৰ প্ৰৱণতা খুব কমেইছে দেখা যায়। এই প্ৰসংগতে কোৱা ভাল হ'ব যে, চীনদেশত পিতৃ-মাতৃ আজিও সন্মানিত। বিয়া—ডেকা-গাভৰুৱে আলাপ আলোচনা কৰিয়েই স্থিৰ কৰে কিন্তু মাক দেউতাকৰপৰা মত লয়।

এই সাংহাইতেই এজন শ্ৰমিকৰ ঘৰলৈ গৈছিলোঁ। পৰিবাৰে স্কুলত শিক্ষাদান কৰিছিল, এতিয়া অৱসৰ লৈছে। এইবোৰ ব্লক ঘৰ। তিনিটা কোঠালী। গেছ আৰু বিজুলীৰে সৈতে সাত ইউৱান, অৰ্থাৎ আঠাইছ টকা ভাৰা। দেখিলো—নতুন ফাৰ্নিচাৰ আৰু ৰেডিঅ' কিনি তেওঁ ঘৰ সজাইছে। ল'ৰাই বিয়া বাৰু কৰাই তেওঁলোকৰ সৈতে থাকিব। ইয়াত ইঅ'ৰোপীয় ষ্টাইলৰ বাথৰুমো দেখা পালোঁ। কিন্তু তেওঁলোকৰ পুৰণিদিনীয়া প্ৰথা, স্কোৱেটিং আমাৰ দৰেই।

এখন কিণ্ডাৰগাৰ্টেন চাই ওলাই আহোঁতে শিশুসকলে আমাক 'চাই চিয়েন —নানা—চাই চিয়েন' বুলি ক'বলৈ ধৰিলে। সিহঁতে ককাদেউতাকক 'নানা বোলে। আইতাক কি বুলি কয় মনত নাই। চীনৰ শিশুসকল আতি সপ্ৰতিভ। সাউতকৈ কোলালৈ আহে, ঠাৰে ঠিয়াৰে আলাপ কৰে, অলপো ভয় নকৰে বা লাজো নাপায়। ডাঙৰসকলতকৈ সিহঁত এক্ট্ৰ'ভাৰ্ট'। দেখাতো সিহঁত যেন একোটা ৰঙা গোলাপ ফুল, বা আপেল। বিশ্বস্তৰ পাওঁ প্ৰায় সকলো বিষয় সম্পৰ্কেই—কেতিয়াও বৰ বেছি উৎসাহিত নহয়। কমিউনিজম সম্বন্ধে তো নহয়েই। কিন্তু শিশুসকলৰ কথাত তেওঁ উচ্ছ্বসিত হৈ উঠিছিল। এনে সুন্দৰ স্বাস্থ্য, ইমান যে ৰঙিয়াল, চিনাকি অচিনাকিৰ চিনমাত্ৰও নাই—আমাৰ মন ওপোচাই পেলাইছিল।

সাংহাইত আমাৰ প্ৰধান দ্ৰষ্টব্যস্থল আছিল সাংহাই জেইল। সাংহাইত দহ

মিলিয়ন মানুহ—জেইল কিন্তু এখনেই। এই জেইল বৃটিছইঁতে নিৰ্মাণ কৰা। ১৯১৮ চনত আৰম্ভ কৰি ১৯২৫ চনত শেষ হৈছিল। জাপান আৰু কুওমিনটাঙৰ আধিপত্যৰ কালছোৱাত বহুতো কমিউনিষ্টক ইয়াত বন্দী কৰি ৰখা হৈছিল। আমি জেইলৰ ভিতৰলৈ গ'লোঁ। নীলা পোছাক পিন্ধা দুই-চাৰিজনমান পুলিছ আছিল। আমি সোমোৱাৰ পাছত দুৱাৰ বন্ধ হৈ গ'ল। দোতলাত উঠি আমি পোনতে কয়দীসকলৰ থকা ঠাই—মানে ছে'লবোৰ চালোঁ। মজিয়াত তুলিৰ ওপৰত চাৰি পাৰি দিয়া হৈছে, তিনিখনকৈ লেপ পৰিপাটিকৈ ভাঁজ কৰি থোৱা হৈছে, তিনিখন পৰিষ্কাৰ টাবেল ওলমি আছে। কোঠাবোৰ খালী—বাসিন্দাইঁত কামলৈ ওলাইছে। এটা কোঠাত এজন কয়দীয়ে বহি বহি কিতাপ পঢ়ি আছিল।

মই লাহেকৈ ক'লোঁ, "কোঠাবোৰ বৰ সৰু সৰু।"

তেওঁলোকে ক'লে, "এই ঠাই তো সিমান আৰামপ্ৰদ নহয়েই।'

আমি কয়দীসকলে কাম কৰা ঠাইলৈ গ'লোঁ। তাত ঘড়িৰ পাৰ্টছ তৈয়াৰ কৰা হৈছে। কয়দীসকলে শৃংখলাপূৰ্ণভাৱে পৰিষ্কাৰ পৰিচ্ছন্ন পোছাক-পাতি পিন্ধি নিজা নিজা কাম কৰি আছে। কম ঠাইত কেইবাশ মানুহে কাম কৰি আছে। সকলো ব্যৱস্থা সুনিপুণ। ঘড়িৰ যন্ত্ৰাংশ তৈয়াৰ কৰাৰ কাৰখানা চোৱাৰ পাছত আমি এটা প্ৰেছ চাবলৈ গ'লোঁ। বিৰাট প্ৰেছ। অসংখ্য মানুহে কাম কৰি আছে। তেওঁলোক যে বন্দী—সেই কথা বুজাৰ উপায় নাই। সকলোটিৰ কাষতে একোটাকৈ চাহৰ জগ আছে। তলমূৰ ওপৰ নকৰি সকলোৱে একাণপতীয়াভাৱে কাম কৰিবলৈ ধৰিছে। তাৰ পাছত চালোঁ গৈ টুকুৰা কাপোৰৰ ফেক্টৰি। কেইবাশ নাৰী-পুৰুষে তাত কাম কৰি আছে। কোনোবাই চিলাইকল লৈ বহিছে, কোনোবাই কাপোৰ কাটিছে, কোনোৱেবা পেকিং কৰিছে।

জেইলাৰে ক'লে, "এই জেইল যেতিয়া বৃটিছ কাৰাগাৰ আছিল, তেতিয়াৰ লৈতে এতিয়াৰ বহু পাৰ্থক্য। এই কাৰাগাৰ সাধাৰণৰ আপদ নিবাৰণ আৰু দুষ্টৰ দমনৰ বাবে হ'লেও আমি বাধ্যতামূলক কৰ্মৰ মাধ্যমেৰে এওঁলোকৰ চৰিত্ৰক সলনি কৰিবলৈহে সদায় চেষ্টা কৰোঁ। আমাৰ কাৰাগাৰত সৰ্বমুঠ দুই হাজাৰ আঠশ বন্দী আছে। এওঁলোকৰ মাজত দুশ নাৰীবন্দী। নানা ধৰণৰ অপৰাধত

এওঁলোকক শাস্তি দিয়া হৈছে—চুৰি, দুৰ্নীতি, মাৰপিট ইত্যাদি। পিছে বেছিভাগেই প্ৰতি-বিপ্লৱী। ইয়াত দস্তুৰমতে মাও চে তুঙৰ ৰচনাৱলী পঢ়োৱা হয়—যাতে এওঁলোক ইয়াৰপৰা সুশিক্ষিত হৈ ওলাই পৰৱৰ্তী জীৱনত সজভাৱে জীৱন কটাব পাৰে। আমি নানা ধৰণৰ আলোচনাৰ মাধ্যমেৰে সদায় তেওঁলোকৰ আগত সৎ আদৰ্শ দাঙি ধৰোঁ, তেওঁলোকৰ মত পৰিৱৰ্তিত কৰিবলৈ নিৰন্তৰ চেষ্টা কৰোঁ, বাতৰি কাকত পঢ়িবলৈ দিওঁ, দেশ বিদেশৰ খবৰ লৈ আলোচনা কৰোঁ। তেওঁলোকৰ আত্মীয় স্বজনক আমি নিমন্ত্ৰণ কৰি আনো, তেওঁলোকৰ সৈতে আলোচনা কৰি বন্দী স্বজনসকলৰ মত পৰিৱৰ্তন কৰিবলৈ অনুৰোধ কৰোঁ। এইদৰে চৰিত্ৰ পৰিৱৰ্তন কৰাৰ চেষ্টা কৰি থাকোঁতে আমি বন্দীসকলক প্ৰশংসা কৰোঁ, সুযোগ সুবিধা দিওঁ। জেইলত যিহঁতে অভদ্ৰোচিত আচৰণ কৰে সিহঁতৰ ম্যাদ বাঢ়ি যায়, আৰু অলপ সজ আচৰণ কৰিলেই যথেষ্ট প্ৰশংসা কৰা হয়। মাও চে তুঙে কৈছে—বন্দীসকলৰ সৈতে মনুষ্যোচিত ব্যৱহাৰ কৰিবা। কোনো বন্দীক কেতিয়াও নামাৰিবা, গালি নাপাৰিবা, অপমানো নকৰিবা। ধৰা পৰা অসহায় বন্দী মানুহৰ সৈতে দুৰ্ব্যৱহাৰ কৰি কোনো সুফল পোৱা নাযায়। এওঁলোকক ভাল খাদ্য দিয়া হয়, অলপ হাত খৰচো দিয়া হয়। ইন্স্যুৰেন্স কৰোৱা হয়। আঠঘণ্টা কাম, দু'ঘণ্টা পঢ়া, তাৰ পাছত জিৰণি আৰু মাজতে খেলা-ধূলা বা আমোদ-প্ৰমোদ। আগবেলাতেই বাস্কেটবল খেলি থকা দেখিলোঁ। তেওঁলোক হেনো বেমাৰী। কিন্তু দেখাত বেমাৰী যেন নালাগিছিল। ছিনেমা প্ৰায়েই দেখুৱা হয়। জেইলৰপৰা ওলাই অহাৰ লগে লগেই চাকৰিৰ ব্যৱস্থা কৰা হয়। সৎ ব্যৱহাৰ আৰু শিক্ষাৰ ফলত সৰহভাগ অপৰাধীয়েই পৰিৱৰ্তিত হয়। তেওঁলোক নতুন জীৱনত অভ্যস্ত হৈ উঠে। কিন্তু কিছুমান কেতিয়াও পৰিৱৰ্তিত নহয়।'

এই জেইলৰ পৰিণত বয়সৰ অভিজ্ঞ ডিৰেক্টৰে কলে আৰু আইনজ্ঞ দীনেশে তেওঁৰ সৈতে একমত হ'ল যে দহ মিলিয়ন মানুহৰ নগৰত মাথোন দুই হাজাৰ আঠশ বন্দী—ইয়াৰেপৰাই বুজা যায় যে অপৰাধীৰ সংখ্যা বেছি নহয়। শুনিলো যে যোৱা ছমাহত তিনিশ জনক এৰেস্ট কৰা হৈছে। বেছিভাগেই বিভিন্ন ধৰণৰ অপৰাধী। কিছু সংখ্যক পলিটিকেল। তেওঁলোক বেলেগ ছে'লত থাকে। সাধাৰণ অপৰাধীসকলৰ সৈতে তেওঁলোক নাথাকে।

দীনেশে বিচাৰৰ পদ্ধতি সম্বন্ধে প্ৰশ্ন কৰিলে। অহাৰেপৰাই তেওঁ আইন আৰু আইন সংক্ৰান্ত কথা জানিবলৈ আগ্ৰহী আৰু ব্যস্ত হৈ উঠিছিল।

দীনেশে সুধিলে, "অপৰাধ প্ৰমাণ অপ্ৰমাণৰ ব্যৱস্থা কি ?'

এই কথা লৈ বহু আলোচনা হৈছিল। মই যিমানদূৰ বুজিছোঁ--সেই দেশত উকিল-বেৰিষ্টাৰ লগাই দিনক ৰাতি কৰিব নোৱাৰি, টকা খাই বা খুৱাই সচাক মিছা বা মিছাক সঁচা প্ৰমাণ কৰাৰ উপায় নাই। সেই উপায় ভাল নহয়। এই উপায়েৰে যাৰ টকা আছে তাৰ সৈতে, যাৰ টকা নাই তেওঁ ফেৰ মাৰিব নোৱাৰে, সুবিচাৰ নহয়। ইয়াত আছে ল' ওৱাৰ্কাছ। তেওলোকে আইনৰ শিক্ষা গ্ৰহণ কৰিছে, আইন জানে। তেওঁলোকেই বাদী বা বিবাদীক নিজ নিজ অৱস্থা বুজি পোৱাত সহায় কৰে।

কিমান দিন জেইল খাটিব লাগিব পিপ'লছ ক'ৰ্টে তাৰ সিদ্ধান্ত লোৱাৰ পাছত আচামীয়ে আপিল কৰিব পাৰে। আমি সুধিলো, 'ইয়াত বন্দী হৈ থকা কাউণ্টাৰ ৰেভলিউশ্যনাৰিসকলে কি কৰিছিল ?

এই কথাৰ উত্তৰত কোৱা হ'ল যে—তেওলোকৰ মাজত আছে আমেৰিকাৰ গুপ্তচৰ—যিসকলে তাইৱানৰ হৈ কাম কৰিছিল। আৰু আছে সোপন্থী ধনী কৃষক—যিসকলে বিৰুদ্ধ মত প্ৰচাৰ কৰিছে আৰু ব্যক্তিগত সম্পত্তি বঢাবলৈ উৎসাহ দিছে বৰ্তমান ব্যৱস্থাৰ বিৰুদ্ধে। এইবোৰৰ উপৰিও আছে ছোভিয়েত ৰুছিয়াৰ স্পাই। ১৯৭৫ চনত ছোভিয়েত ৰুছিয়াই প্ৰশিক্ষণ দিয়া লি, হু, স্থা গুপ্তচৰবৃত্তিৰ অপৰাধত পিকিঙত ধৰা পৰি বন্দী হৈ আছে।

এই জেইলত সকলোবিধৰ যন্ত্ৰপাতিৰে সজ্জিত উচ্চশ্ৰেণীৰ হস্পিতাল আছে। হস্পিতালত কৰ্মী সংখ্যা ৬৩জন। মহিলা থকা ছে'ললৈ সোমালোঁ। তিনিজনী মহিলাই বাতৰিকাকত পঢ়ি আছে। মহিলাকেইজনীক দেখি বৰ বেয়া লাগিল। আটাইকেইজনীৰ চেহাৰাৰ মাজত এটা বেয়া ভাব ফুটি উঠিছিল—যি ভাব অন্য বন্দীৰ মাজত দেখা নাছিলোঁ। মহিলাকেইজনীৰ কি অপৰাধ—সুসুধিলো।

জেইলৰপৰা ওলাই অহাৰ পাছত—এটা ডাঙৰ ইণ্ডাষ্ট্ৰিয়েল কমপ্লেক্সৰপৰা ওলাই অহা যেন লাগিল।

চাংহাইত আন এগৰাকী ভদ্ৰলোকৰ লৈতে চিনাকি হৈছিলোঁ, তেওঁ নগৰ পালিকাত উচ্চ পদত কাম কৰে। তেওঁ ভাল ইংৰাজী জানে—কিতাপো লিখিছে। তেওঁৰ কিতাপ আমেৰিকাত ছপা হৈছে। দোভাষী নোলোৱাকৈয়ে এজন মানুহৰ লৈতে কথা বতৰা পতাৰ সুবিধা ওলাবাত নথৈ আনন্দ পালোঁ। তেওঁৰপৰা চাংহাই নগৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সম্বন্ধে বহু খা-খবৰ পালো।

মই আগতেই উলুকিয়াই আহিছো যে, নতুন চীনৰ যিটো কথাই মোক আটাইতকৈ বেছি আকৰ্ষণ কৰিছিল সেইটো হ'ল এওঁলোকৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা। আমাৰ দেশত একমাত্ৰ গান্ধীজীৰ বাহিৰে আন কোনো ৰাজনৈতিক নেতায়েই পৰিচ্ছন্নতা বা চাফাইৰ কথা চিন্তা কৰা নাছিল। কিন্তু মোৰ মতে, পৰিচ্ছন্নতা হ'ল এখন দেশৰ সভ্যতাৰ আৰু লগতে দেশপ্ৰেমৰো মাপকাঠি। চহৰ নগৰৰ পৰিচ্ছন্নতালৈ চালেই বুজিব পৰা যায় যে আমি আমাৰ দেশখনক ভাল পাওনে নাপাওঁ, বা দেশৰ মংগলা মংগল সম্বন্ধে আমি উদাসীন নে কি।

কলিকতাৰ বাটে পথে আৱৰ্জনাৰ দ'ম দেখি দেখি আমি অভ্যস্ত। বাটত মগনিয়াৰ দেখাতো অভ্যস্ত। অথচ এই দুটা কথাত বিদেশীসকলে আমাৰ সম্বন্ধে হীন ধাৰণা পোষণ কৰে। সেই বাবে তেওঁলোকক দোষ দিবও নোৱাৰি।

চাংহাই বৰ ঘন বসতিৰ নগৰ। অলিয়ে গলিয়ে আওপুৰণি ভাগি ছিগি উৰ লিপৰা ঘৰো নেদেখা নহয়। গৈ থাকোঁতে য'তে গলি দেখা পাইছো, বহুদূৰলৈকে চাই পঠিয়াইছো—কিন্তু ক'তো জাবৰ জোথৰ চকুত পৰা নাই। অথচ এই নগৰত এক কোটি মানুহ বসবাস কৰে, আৰু আগতে জঘন্য লেতেৰা আছিল এই নগৰ।

ইংৰাজীভাষী এই ভদ্ৰলোকৰ নামটো মই পাহৰিলো। ধৰা যাওক, তেওঁৰ নাম মি চিয়াও। তেওঁ ক'লে চনপুৱাতে চহৰৰ সমস্ত জাবৰ-জোথৰ বহু দূৰ'ল লৈ যোৱা হয়। চহৰৰ নাইট ছয়েল (মল) নলাৰে গাঁৱলৈ পঠিয়াই দিয়া হয় আৰু তাৰে সাৰ প্ৰস্তুত হয়। বাটৰ ওপৰত কোনেও অলপো জাবৰ জোথৰ নেপেলায়। এই বিষয়ে প্ৰথমে আন্দোলন কৰা হৈছিল, এতিয়া অভ্যাস হৈ গ'ল। পিছে কোনোবা এজনে হয়তো কাচিৎ-

কেতিয়াবা থু নেপেলোৱা নহয়, যদিও প্ৰতিখন বাজহুৱা ঠাইত চেম্বাৰ পটৰ দৰে চুকে-কোণে পাত্ৰ ৰাখি থোৱা হৈছে। পাত্ৰৰ ওপৰত দীঘল লাঠিৰে সৈতে ঢাকনি লগোৱা আছে। লাঠিৰে ঢাকনিখন দাভি থু পেলাই আকৌ ঢাকনি দি দিব লাগে। আমাৰ ইয়াত যি ব্যৱস্থা আছে সেই ব্যৱস্থা যেনে কুশ্ৰী তেনেকৈয়েই নিৰৰ্থক। বিশেষকৈ তামোল-পাণ খাই পেলোৱা পিকৰ বাবে। মই যদি কেতিয়াবা এই দেশৰ ডিক্টেটৰ হওঁ, মোৰ প্ৰথম কাম হ'ব তামোল-পাণ খোৱা বন্ধ কৰা। একমাত্ৰ হিটলাৰৰ বাহিৰে আন কোনেও আমাৰ দেশত তামোল-পাণ খাই ঘৃণনীয় পিক পেলাই বাজহুৱা ঠাই লেতেৰা কৰাটো বন্ধ কৰিব নোৱাৰিব। তেতিয়াও জানোচা, লাগিলে গেছ চেম্বাৰলৈকো যাব, তথাপি পিকাব।

মি চিয়াওৱে ক'লে, "পৰিচ্ছন্নতাৰ ব্যৱস্থাক সচল ৰাখিবলৈ প্ৰতিটো চুবুৰিত কমিটি আছে। এই কমিটিসমূহক প্ৰতিবেশী কমিটি বুলি কোৱা হয়। অৱসৰপ্ৰাপ্ত অথচ কৰ্মক্ষম বৃদ্ধ বৃদ্ধাসকলে এই কাম কৰে। এই কামত তেওঁলোকৰো উপকাৰ, উপকাৰ আন সকলৰো। নিজক নিৰৰ্থক বোজা বুলি বোধ নহয়। এটা প্ৰকৃততেই ভাল কাম। এওঁলোকৰ তদাৰকিৰ ফলত বাট পথত জাবৰ জোথৰ পেলোৱা, আনকি নিজৰ ঘৰটোকো লেতেৰা কৰি মহ-মাখিৰ উৎপাদনৰ কেন্দ্ৰ কৰি তোলাৰো উপায় নাই। এটা ৰাস্তাত, ৰাস্তাৰ দৈৰ্ঘ্য অনুসাৰে কেইবাটাও প্ৰতিবেশী কমিটি থাকিব পাৰে। প্ৰতিবেশী কমিটি কেইটামানক লৈ গঠিত হয় ষ্ট্ৰিট কমিটি। চীনৰ সকলো ক্ষেত্ৰতে পৰিচালন ব্যৱস্থা এনেকৈ তলৰপৰা গঢ় লৈ উঠে। প্ৰতিবেশী কমিটি গাঁৱতো আছে। এওঁলোকৰ নানাবিধৰ কাম, যেনে—ওচৰ চুবুৰীয়াৰ সকলো ধৰণৰ সমস্যাৰ চোৱা চিতা কৰা, আলোচনা কৰা আৰু সমালোচনাও কৰা। বাট পথ লেতেৰা কৰিলে শিকাই-বুজাই, আলোচনা কৰি, আত্ম-সমালোচনা কৰোৱাই জব্দ কৰিব।

চীনদেশত অনাথ আশ্ৰম বোলা একো নাই। এই বিষয়ে মোৰ উৎসাহ থকা বাবে বহুতকে সুধিছিলোঁ। তাত এইবোৰৰ প্ৰয়োজনেই নহয়। কোনো ল'ৰা-ছোৱালী মাউৰা হ'লে চুবুৰীয়াসকলেই ব্যৱস্থা গ্ৰহণ কৰে।

মি চিয়াওৰ তেওঁৰ পৰিষ্কাৰ ইংৰাজীৰে বহু বিষয়তে অতি যুক্তিপূৰ্ণ আলোচনা কৰি আছিল।

মই তেওঁক সুধিলোঁ, "কালচাৰাল ৰেভলিউচনৰ পাছত আপুনিও কায়িক শ্ৰম কৰিছিলনে ? ক'লৈ গৈছিল ?"

তেওঁ ক'লে, "মই এটা ফেক্টৰিত প্ৰতিদিনে অলপ সময়ৰ বাবে শ্ৰমিকৰ কাম কৰোঁ। এতিয়াও কৰোঁ।"

"কৰিব পাৰিছেনে ?"

"কামটো বৰ ডাঙৰ কথা নহয়—শ্ৰমিকসকলে সেই কথা জানে। মোক কোনো টান কাম কৰিবলৈ নিদিয়ে। পোনতে এটা স্ক্ৰু ড্ৰাইভ কৰোঁতেই ঘামি-জামি গৈছিলোঁ। শ্ৰমিকসকলে হাঁহিৰ কোবত ৰ'ব নোৱৰা হৈছিল। এতিয়া অলপ কাম কৰিব পাৰোঁ।"

তেতিয়া মই ভাবিলোঁ—দোভাষী নাই, ভালেই হৈছে। এওঁক অলপ স্পষ্ট কথা সুধি চাওঁ।

"এই ব্যৰ্থ শ্ৰম কৰি আপোনাৰ কি লাভ হৈছে ?"

তেওঁ ক'লে, "মই কথাটো বুজি পাইছোঁ, মই অতি বিদ্বান হ'লেও আমি অৱজ্ঞা কৰা সকলেও বহু ভাল কাম কৰিব পাৰে। বহু ক্ষেত্ৰত মই কুশলী, কিন্তু বহু দিশত বহুতো মানুহ আৰু বেছি পাৰ্গত। এই কথাবোৰ যিদিনা অভিজ্ঞতাৰ মাজেদি বুজি পালোঁ, সিদিনাই জীৱনৰ শ্ৰেষ্ঠ শিক্ষালাভ হ'ল—, 'হিউমিলিটি', 'বিনয়'।"

চীন সম্বন্ধে লিখিবলৈ আৰম্ভ কৰাৰ পাছত বহুতৰে ওচৰত তিৰস্কৃত হৈছোঁ, যদিও পুৰস্কৃত নোহোৱাকৈয়ো থকা নাই। বহুতেই সাহিত্য শিল্প ইত্যাদিৰ বিষয়ে লিখিবলৈ কৈছে। সাহিত্যৰ প্ৰতি থকা বাঙালীৰ আগ্ৰহে বিশ্বৰ আন সকলো জাতিকে চেৰাই যায়। গতিকে এওঁলোকৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি মোৰ সীমাবদ্ধ জ্ঞানেৰেই এই প্ৰসংগত ছেগা চোৰাকাকৈ অলপ ক'ম।

পোনতেই কৈ থওঁ, সীমাবদ্ধ জ্ঞান লৈ বৰ বেছি কথাৰ বকলা নেমেলাটোৱেই ভাল হ'ব কিজানি। নহ'লে 'অল্পবিদ্যা ভয়ংকৰী'—এই শাশ্বত বাণীটি প্ৰমাণিত হোৱাৰ সম্ভাৱনা। গতিকে অলপতে কলপ কাটিম।

মই আগেতেই উমুকিয়াই আহিছোঁ যে মই যিসকলৰ সৈতে চীনলৈ গৈছিলোঁ তেওঁলোকৰ কোনোৱেই সাহিত্যকৰ্মী বা সাহিত্য-মৰ্মী নহয়। সেয়েহে আমি সেই বাটেৰে তেনেকৈ খোজ দিয়া নাছিলোঁ। যি কি নহওক, মোৰ নেৰা-

লেপেৰা অছুৰোধত সাংহাইত ২২ ডিচেম্বৰৰ দুপৰীয়া এবুকাৰবাৰ বাবে মোৰ লৈতে সাক্ষাৎ কৰিবলৈ এগৰাকী বহিলা লেখিকা আহিছিল। এওঁৰ নাম হানৎছে। এওঁ ৰবীন্দ্ৰনাথৰ কাব্য-সংগ্ৰহ এখন লৈ আহিছিল—বেটুপাতত চীনা চিত্ৰশিল্পীয়ে আঁকা ৰবীন্দ্ৰনাথৰ প'ট্ৰে ট। এওঁ নিজে বৰ বিখ্যাত লেখিকা নহয়।

হানৎছেই মোক মাও চে তুঙৰ সূৰ্য্যাস্তৰ বৰ্ণনাৰ এটি কবিতা পঢ়ি শুনালে। আৰু নিজৰ কবিতাৰ কথা নকৈ যুদ্ধৰ সময়ত তেওঁ কি কি কৰিছিল সেইবোৰ কথাহে ক'বলৈ ধৰিলে। ১৯৫৯ চনত তেওঁ যুদ্ধক্ষেত্ৰৰ এটা গান লিখিছিল, তাৰপৰাও অলপ শুনালে। এইবিলাকৰ এটাও আধুনিক চীনা কবিতা নহয়। এতিয়াৰ কবিতাত যেনেকৈ ৰেভলিউশ্যন, প্ৰডাকশ্যন আৰু কেপিটালিস্ট ৰ'ভাৰহঁতৰ কথা থাকে—তেনেকুৱা নহয়।

চীনা সাহিত্যত পাৰদৰ্শী অমিতেন্দ্ৰনাথ ঠাকুৰে কৈছিল যে, মাও চে তুং ডাঙৰ কবি নহয়। তেওঁ নিজেও কৈছিল, মোক তোমালোকে অনুকৰণ নকৰিবা। মই ডাঙৰ কবি নহওঁ। মোৰ মতে, মাও চে তুং ডাঙৰ কবি। কিয়নো তেওঁৰ জীৱনৰ কঠিনতম প্ৰচেষ্টাসমূহো কবিতাত ঝংকৃত। তেওঁৰ বাণীত মন্ত্ৰশক্তি উদ্বোধিত। অসংখ্য মানুহৰ মুখে মুখে মনে মনে সেই মন্ত্ৰ উচ্চাৰিত। ল'ৰা বুঢ়া ডেকা—সকলোকে উদ্দীপিত কৰিব পৰা আলোকশিখা আছে তাত। এয়া যদি মহৎ কবিতা নহয়, তেনেহ'লে কবিতা জানো কেতবোৰ অসাৰ উক্তি? মাও চে তুঙৰ কবিতাত ৰেভলিউশ্যনৰ কথা অতি কমেইহে চকুত পৰিল।

তেওঁৰ বীৰ পত্নী শহীদ ইয়াং কাই হুই ক কুওমিনটাং সৈন্যইঁতে অশেষ যন্ত্ৰণাৰে থকা সৰকা কৰি পাছত ফায়াৰিং স্কোয়াডত ১৯৩০ চনৰ নভেম্বৰ মাহত মাৰি পেলাইছিল। শেষ মুহূৰ্ত্তলৈকে তেওঁ 'চিয়াং কাইশেক নিপাত হওক, কমিউনিস্ট পাৰ্টিৰ জয় হওক'—এই ধ্বনি দি মহান মৃত্যুৰ মুখোমুখি হৈছিল। মৃত্যুৰ পাছত তেওঁৰ কটা মূৰটো লৈ কুওমিনটাংইঁতে নগৰ পৰিক্ৰমা কৰিছিল। এই পত্নীগৰাকীৰ মৃত্যুৰ পাছত লিখা মাও চে তুঙৰ কবিতাটি এই দেশত বৰ জনপ্ৰিয়। কবিতাটি আছিল তেওঁৰ বন্ধু লি চু ইয়ে তেওঁলৈ লিখা পত্ৰৰ উত্তৰ ·

'মই হেৰুৱালোঁ মোৰ তেজস্বিনী পপলাৰক,
তুমি হেৰুৱালা তোমাৰ উইল'ক।'

' মাও চে তুঙৰ পত্নীৰ নামৰ অৰ্থ পপলাৰ, লি চু ইৰ পতীৰ নামৰ অৰ্থ উইল'। এই কবিতাটিৰ ইংৰাজী ভাঙনিৰ পাদটীকাত মাও চে তুঙে লিখিছিল— Proud Poplar, অৰ্থ হ'ল—গৰ্বীত ইয়াং কাই হুই। কিন্তু পৰবৰ্তী ভাঙৰণত চিয়াং চিঙে মাও চে তুঙৰ এই মন্তব্য তুলি দিছিল। কবিতাটো কাক উদ্দেশ্য কৰি লিখা হৈছে, সেই কথা যাতে বুজিব পৰা নাযায়, তাৰ বাবে। বৰ দোষ ধৰিবও নোৱাৰি। 'সতিনীৰ নাক-কাটি যাত্ৰা ভংগ কৰা' এই মনোভাব সকলো দেশৰ ছোৱালীৰেই আছে। যি কি নহওক, মাও চে তুঙৰ এই মাজু পত্নীগৰাকী চীনৰ জনসাধাৰণৰ ওচৰত অতিকৈ মৰমৰ। মাও চে তুঙৰ কবিতাৰ ইংৰাজ অনুবাদ আছে আৰু কবিতাসমূহ বহুপঠিত। তথাপি তেওঁৰ চাংছাৰ 'অৰেঞ্জ আইলেণ্ড' সম্বন্ধে লিখা কবিতাটোৰ ভাঙনি এই বাবে আগবঢ়াইছোঁ যে কৰ্মক্ষেত্ৰতকৈও কবিতাৰে মানুহৰ অন্তৰ্জীৱনক বেছিকৈ বুজিব পাৰি।

চাংছা

শৰৎ শীতত মই অকলে আছোঁ থিয় হৈ
'সুমথিৰা' দ্বীপৰ চূড়াত।
উত্তৰমুৱা হৈ প্ৰবাহিত চিয়াং নৈ
সকলোতে পৰ্বতচূড়া ৰঙীৰ
অৰণ্য শ্ৰেণীৰ গভীৰ ৰঙেৰে।
শত নাও পৰস্পৰ স্পৰ্ধিত হৈ
স্ফটিকস্বচ্ছ নীল পানীত ভাহিছে
ঈগলে বতাহ ফালি ফালি উৰি যায়
গভীৰ স্বচ্ছতাত মাছৰ পিছল সাঁতোৰ
বৰফ গোটমৰা আকাশৰ তলত অযুত প্ৰাণীৰ
স্বাধীন লীলা
এই বিপুলতাৰ চিন্তাৰে আচ্ছন্ন হৈ মই ভাবোঁ
সীমাহীন পৃথিৱীত
মানুহৰ ভাগ্যনিয়ন্তা কোন ?

মাও চে তুং নিশ্চয় অদৃষ্টবাদী নহয়। তেওঁ দুয়োখন হাতেৰে নিজৰ আৰু দেশৰো ভাগ্য গঢ়ি তুলিছিল—তেওঁৰ মনত আছিল বীৰ্য্য, বাহুত শকতি। কিন্তু কবিতাত এই প্ৰশ্নটো সুন্দৰ কৰুণ আৰু অতি সত্য। জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ মাজেদি যিজনে গৈছে, তেওঁ জানে যে মানুহে বহুতো কিবাকিবি পাৰিলেও বহুতো কাম আছে—যিবোৰ কৰিব নোৱাৰে। সেই নোৱাৰাৰ বেদনা, সেই অপ্ৰাপ্য ধন তেওঁৰ কবিতাৰ প্ৰেৰণা। অলব্ধ আকাংক্ষা, অগীত সংগীত, অজ্ঞাত ভাগ্য—এই আটাইবোৰেই তেওঁৰ মাজত এটা প্ৰশ্নৰ উদ্রেক কৰে যিটো প্ৰশ্নৰ তেওঁ উত্তৰ নাপায়। কিন্তু প্ৰশ্নৰ মাজেদিয়েই বাজি উঠে কবিতাৰ ছন্দ। যিটো প্ৰশ্ন সম্বন্ধে ৰবীন্দ্ৰনাথে কৈছে

'চিৰপ্ৰশ্নৰ বেদী-সম্মুখতে থাকে চিৰনিৰ্বাক বিৰাট নিৰুত্তৰ।'

মানুহৰ ভাগ্য নিয়ন্তা কি?

এই প্ৰশ্নৰ জানো কিবা উত্তৰ পোৱা যায়?

মোৰ মনত এটা আশংকা—কেৱল কমিউনিষ্ট দেশতে নহয়, বোধকৰোঁ সকলো দেশতেই আজি সাহিত্য মাথোন জনাৰ জগতখনৰ সীমাৰ মাজতেই ঘূৰি-পাকি থকা বাবে তাৰ গভীৰ দিশটো শূন্য হৈ যাবলৈ ধৰিছে। সেয়েহে তাৰ ব্যাপ্তিও সীমাবদ্ধ। কিয়নো অজান জগতখনেও প্ৰতি মুহূৰ্ত্ততে আমাক স্পৰ্শ কৰিছে। কেৱল জনাৰ জগতখনত সাহিত্যৰ প্ৰবাহ সমুদ্ৰ নহৈ নলা হৈ পৰিছে। পাশ্চাত্য জগতত যৌনতাই প্ৰাধান্য লাভ কৰিছে, যি যৌনতা ব্যৱসায়ভিত্তিক। নাইবা ক্ৰাইম বা দুষ্কৰ্ম—সিও ব্যৱসায়ৰ বাবেহে।

আৰু কমিউনিষ্ট দেশত কাম বা চৰিত্ৰ-গঠন—এয়ে হ'ল সাহিত্যৰ প্ৰেৰণা। সেয়েহে কোনো কমিউনিষ্ট দেশৰ সাহিত্যয়েই আমাক সেই ৰস বিলাব নোৱাৰে, জীৱনৰ সেই আস্বাদ তাত অনুপস্থিত, যি ৰস আমি কালজয়ী সাহিত্যৰপৰা প্ৰত্যাশা কৰোঁ। ছোভিয়েত দেশত ৎজাৰইতৰ অত্যাচাৰৰ মাজতে, যিসকল সাহিত্যিক জন্মগ্ৰহণ কৰিছিল, যিসকল সাম্যবাদৰ অগ্ৰদূত, তেওঁলোকৰ পাছত তেওঁলোকৰ তুল্য আন এজনকো পাবলৈ নোহোৱা হ'ল। আন এগৰাকী তলষ্টয়, গ'ৰ্কি চেকফ জন্ম নল'লে।

কিয় নল'লে?

তেনেহ'লে সাহিত্যৰ লৈতে সুখ, সুব্যৱস্থা এইবিলাকৰ কিবা সম্পৰ্ক নাইনে ? জীৱনৰ বাণী দুখৰ মাজেদিয়েই ওলায়নে ? আমাৰ দেশতো পৰাধীনতাৰ যুগত যিকেইগৰাকী মহা মহা সাহিত্যিক জন্মগ্ৰহণ কৰিছিল, স্বাধীনতাৰ যুগত তেওঁলোকৰ তুল্য আন এজনো নোলাল দেখোন। অৱশ্যে দুখৰো স্তৰভেদ আছে। কেনেকুৱা দুখে প্ৰাণসঞ্চাৰ কৰে ? মহৎ দুখ, মহৎ ভাব, মহৎ প্ৰেৰণা—এইবোৰ কোনো অভাব-অনাটনৰ দুখ নহয়।

থাওক বাক। চীন সম্বন্ধে কৈ আছিলোঁ, তাকে কওঁ।

চীনৰ বেলে, কনছাৰ্ট আৰু চিত্ৰৰ উৎকৰ্ষ সম্বন্ধে মই নিসন্দেহ। এওঁলোকে আৰু' কৃষক-শ্ৰমিক-সকলৰ মাজতো শিল্পৰুচি বিকাশৰ অৰ্থে প্ৰচেষ্টা চলাইছে। আজৰি পৰতে তেওঁলোকে আঁকা চিত্ৰসমূহ অতি সুন্দৰ। সেইসমূহত লোকশিল্পৰ চৰিত্ৰ প্ৰকাশিত। লোকশিল্প সদায়েই আকৰ্ষণীয়। কিয়নো, সেইটোৱেই উৎস। প্ৰাকৃতজনৰ মনতহে প্ৰকৃতিৰ স্বাভাবিক স্বচ্ছন্দ লীলা।

আমি এখন সাংস্কৃতিক অনুষ্ঠান চাইছিলোঁ। অনুষ্ঠানখন বৰ্ণে-ছন্দে উদ্দীপ্ত আৰু উজ্জ্বল হ'লতো, বিষয়বস্তুসমূহৰ কথা শুনিলে আমাৰ দেশৰ ৰসিকসকলে মুগ্ধ নহ'ব যেন পাওঁ। যেনে

১ ভাৰতীয় বন্ধুসকললৈ স্বাগতম্ নৃত্য।

২ ছ'ল' অৰ্থাৎ একক বাদন—গেং অব ফোৰৰ নিপাত আৰু হুৱা কুৱা ফেঙলৈ অভিনন্দন।

৩ ছ'ল' ফিডল—কমিউনলৈ বসন্ত আহিল।

৪ ছুটীৰ দিনত আপেল বাগিচাত।

৫ গান—বে'ল ব'জেৰে অসংখ্য জনগণৰ পিকিঙলৈ আগমন।

৬ টেব্‌ল্ টেনিছ (এই অনুষ্ঠানটি বৰ উপভোগ্য)।

৭ ছ'ল'— গান—এশ চৰাইৰ গীতত প্ৰতিদ্বন্দ্বিতা।

৮ ডুয়েট—তা-চাইক অনুসৰণ কৰা।

৯ আমাৰ নতুন তিব্বতৰ জয়গান।

১০ দুৰ্গম পৰ্বতলৈ ডাক্টৰসকলৰ আগমন।

১১ · তা-চাইৰ সেমেকা ফুল সকলোতে বিকশিত।

১২. ল'ৰা-ছোৱালীহঁত স্কুলৰপৰা ঘৰলৈ উভতিছে (নৃত্য)।

১৩ · সৰু সৰু ৰেডগাৰ্ডহঁত টেক্সটাইল মিললৈ আহিছে।

১৪ ঘে ৱা-চোৱাৰীৰ গান—প্ৰচুৰ শস্য উৎপাদিত হৈছে।

নাচবোৰ ভালেই, কিন্তু সাংস্কৃতিক অনুষ্ঠানতো এনেকুৱা উদ্দেশ্যমূলক বিষয় চাবলৈ সচৰাচৰ আমি ভাল নাপাওঁ।

ৰবীন্দ্ৰনাথে কৈছিল প্ৰয়োজনৰ বাহিৰত যি ভূমি, যি ওপৰঞ্চি (surplus), তাতেই শিল্প সাহিত্য সংগীত আৰু ধৰ্মৰ ক্ষেত্ৰ। এই কথাষাৰৰ আমি কেতিয়াবা এইদৰে ব্যাখ্যা কৰোঁ যে, শিল্পৰ একো বক্তব্য নাথাকিব, শিল্প জীৱনৰ কোনো কামত নালাগিব, সি হ'ব কিছুমান অৰ্থহীন চিন্তাৰ নিৰ্বাধ ফচল মাথোন।

কিন্তু তাৰ অৰ্থ এয়েনে? ৰবীন্দ্ৰনাথে নিজে এই বিষয়ে কি কৰিছিল? অচলায়তনৰ মূল কথা কি? আমি যদি কওঁ, অচলায়তন হ'ল পুৰোহিত-শাসিত সমাজৰ বিৰুদ্ধে বিদ্ৰোহ, কুসংস্কাৰৰ বিৰুদ্ধে সংগ্ৰাম, তেনেহ'লে কথাষাৰ বৰ বেছি চীনগন্ধী হৈ পৰে। 'ৰক্তকৰবী' 'চাৰ অধ্যায়', সুবৃহৎ 'গোৰা'—কোনখননো বক্তব্যপ্ৰধান নহয়? বক্তব্য নাথাকিলে সমাজৰপৰা বিচ্ছিন্ন আকাশকুসুম বা কথাৰ ফুলজাৰিৰে কেতিয়াও মহৎ সাহিত্য সৃষ্টি নহয়। লেখকে কামৰ কথাহে ক'ব লাগিব, ক'ব লাগিব মানুহৰ কথা। কিন্তু কেনেকৈ কোৱা হ'ব তাৰ ওপৰতহে সকলো নিৰ্ভৰশীল। মাও চে তুঙে হেনো কৈছিল, ভোটেৰে আন সকলো কথাৰ চয় নিচয় কৰিব পাৰি, কিন্তু সাহিত্যৰ ভাল-বেয়া বিচাৰ কৰিব নোৱাৰি।

চীন দেশত এতিয়া সকলোতে সকলো প্ৰসংগত যিটো কথা শুনা যায়—সেইটো হ'ল গেং অব ফোৰ বা দুষ্ট চতুষ্টয়ৰ অত্যাচাৰ। এওঁলোকে ৰেভলিউশ্বনৰ নামত বৰ বেছি অতিচাৰ আৰম্ভ কৰিছিল। সেই অতিচাৰে সাহিত্যৰ ক্ষেত্ৰত ভয়ংকৰ ৰূপ ধাৰণ কৰিছিল। শিক্ষাক্ষেত্ৰৰ এই ভয়ংকৰ ৰূপক মাও চে তুঙে নিপুণতাৰে সুপথলৈ পৰিচালিত কৰিছিল। বেয়াক ভাললৈ পৰিবৰ্তিত কৰিছিল তেওঁ। মোৰ ধাৰণা, শিল্প-সাহিত্যৰ ক্ষেত্ৰত তেনেকুৱা হোৱা নাছিল। বা তেওঁ সময়েই পোৱা নাছিল। যেতিয়া এওঁলোকে তা চিং তেল পথাৰৰ

ওপৰত প্ৰায় ডকুমেণ্টাৰি হিচাপে তোলা পায়'নিয়াৰ বোলছবিৰ প্ৰদৰ্শন নিষিদ্ধ কৰিলে, তেতিয়া মাও চে তুঙে হেনো কৈছিল . তোমালোকে overcritical হৈ পৰিছা—বৰ বেছিকৈ খুঁত ধৰিছা। এই কথাৰ সঁচা-মিছা ক'ব নোৱাৰোঁ, পিছে মোৰ যিমান দূৰ মনত পৰে, জীৱনৰ শেষ কালছোৱাত মাও চে তুঙে তেওঁৰ পত্নীৰ সৈতে সদ্ভাৱেৰে থাকিব পৰা নাছিল। আত্মীয়-স্বজন বৰ সাংঘাতিক বস্তু। তাতেই ভালপোৱাৰ উৎস, আকৌ তাতেই বন্ধনদশা। যিসকল লোক মহৎ, যিসকলে বহুতো কাম কৰিব বুলি আহিছে, তেওঁলোকৰ আত্মীয় স্বজনইত ক্ষমতালোভী বা আওবটীয়া হ'লে বৰ মস্কিল হয়। ইতিহাসত এই কথাৰ দৃষ্টান্ত ঢেৰ ওলাব। সাম্প্ৰতিক কালতো আমাৰ দেশতো আমি এই কথাৰ প্ৰমাণ পোৱা হৈছোঁ।

শাস্ত্ৰত আছে—মহাপুৰুষসকল নিৰ্বংশ হয়। কিন্তু সেইটো তো পাছৰ কথা, তাৰ আগতেই যিবোৰ ঠাল-ঠেঙুলি ওলায় সেইবোৰ তো কোনোৱেই কাটি পেলাব নোৱাৰে। এই বিষয়ে অদ্বিতীয় আছিল গান্ধীজী। কোনো পুত্ৰৰ বৰ কথা, বা কোনো বা আত্মীয়ৰ উচ্চাকাংক্ষা, সমালোচনা, বা পত্নীৰ অনুনয়—একোৱেই তেওঁক তেওঁৰ অভীষ্ট পথৰপৰা অলপো বিচলিত কৰিবপৰা নাছিল। কিন্তু মনত ৰাখিব লাগিব যে, তেওঁ কবি নাছিল। মানুহৰ মনক গলাব পৰা ভালপোৱাৰ যি ক্ষমতা আছে, সম্ভৱত তাৰ অত্যাচাৰেৰে তেওঁ কেতিয়াও পীড়িত হোৱা নাছিল।

মই আগতেই উনুকিয়াই আহিছোঁ যে, চীনাসকল হ'ল জন্মশিল্পী। আমি শুনিবলৈ পাইছিলোঁ যে বহুতো ডাঙৰ ডাঙৰ শিল্পীও হেনো নিৰ্য্যাতিত হৈছিল। হান স্যুৱানে লিখিছিল "কিয়নো—কেনেকৈ যে ৰেভলিউশ্যনাৰি ফুল বা প্ৰগ্ৰেছিভ চৰাই আঁকিব লাগে তেওঁলোকে নাজানিছিল।' লেখিকা হানৎছেই মোক ক'লে যে, কালচাৰাল ৰেভলিউশ্যনৰ আগতে তোলা, অৰ্থাৎ যিবোৰ চলচ্চিত্ৰত চিয়াং চিঙে নিজৰ ক্ষমতা জাহিৰ কৰিব পৰা নাছিল, তাৰ সৰহভাগৰে প্ৰদৰ্শন তেওঁ বন্ধ কৰি দিছিল। বিখ্যাত গীতিকাব্য 'দি ইষ্ট ইজ ৰে'ড', 'হোৱাইট হেয়াৰ্ড গাৰ্ল', 'ৰে'ড গাৰ্ডছ অব লেক হুংহু'—এই আটাইকেইখনৰে প্ৰদৰ্শন বন্ধ কৰি দিছিল।

সেই ছবিকেইখন আমি চালোঁ। তাত বিপ্লৱ আৰু যুদ্ধ ইত্যাদি সকলো

আছিল দেখোন। তথাপি যে কিয় সেই ছবিখনৰ প্ৰদৰ্শন বন্ধ কৰি দিয়া হৈছিল—বুজিলোঁ। আনকি চৌ এন লাইৰ অন্ত্যেষ্টিৰ ডকুমেণ্টাৰিৰ প্ৰদৰ্শনো এওঁলোকে বন্ধ কৰিছিল। এইবোৰ কথা শুনি ধাৰণা হ'ল যে, চিয়াং চিং আৰু তেওঁৰ দলে সকলোতে নিজৰ ক্ষমতাক সৰ্বময় কৰিবলৈ দেহে-কেহে লাগিছিল। প্ৰধানমন্ত্ৰী সৰ্বজনমান্য চৌ এন লাইৰ কেন্সাৰ হোৱাত এওঁলোকৰ চাৰিওফালে সুবিধা ওলাইছিল।

সাহিত্যৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ হ'ল বৰ মাৰাত্মক কথা। চীনা সাহিত্য—আনকি অনুবাদতো—একো নপঢ়া বাবে সেই সম্বন্ধে মতামত প্ৰকাশ কৰাটো—উচিত নহ'ব। কিন্তু সকলোতে দেখিছোঁ বিপ্লৱৰ আগৰ ৰচনাসমূহ হয় অনবদ্য। তাৰ মাজত দৃঢ়তা থাকে, বাণী থাকে, থাকে সত্য আৰু সি কালজয়ী বিশ্বসাহিত্য হৈ উঠে। কিন্তু তাৰ পাছত সি হয়গৈ গতানুগতিক - বৈচিত্ৰ্যহীন—সেই ৰচনাই আৰু মানুহক আকৰ্ষণ নকৰা হয়। ৰুছিয়া আৰু তাৰ চাৰিওকাষৰ দেশসমূহৰ সাহিত্যৰ অনুবাদ পঢ়ি মোৰ এই ধাৰণা হৈছে।

মোৰ অনুমান, চীনদেশ সম্বন্ধেও এই কথা সঁচা।

আচল কথা, সাহিত্যই মুক্তি বিচাৰে। তেনেহ'লে ৰাৰু জাৰৰ ৰাজত্বতহে মুক্তি বেছি আছিল নে কি? হয়, আছিল। অত্যাচাৰৰ ফলত কিছুমান মানুহৰ মন মুক্ত হৈ পৰিছিল, সেয়েহে বিপ্লৱ হ'ল। দুখ-দুৰ্দশা, সংগ্ৰাম আৰু বিদ্ৰোহ—এইবোৰেই হ'ল সাহিত্যৰ জন্মভূমি। সাহিত্যই বাহিৰৰ বন্ধন সহ্য কৰিব পাৰে, অন্তৰৰ বন্ধন সহ্য কৰিব নোৱাৰে। এজন মানুহ কাৰাগাৰতো মুক্ত থাকিব পাৰে। কিন্তু বহু সমাদৃত হৈও যদি কোনো এটা মতৰ গণ্ডীত বন্দী হয়, তেতিয়াহ'লে তাৰদ্বাৰা অন্য অন্য ডাঙৰ ডাঙৰ প্ৰজেক্ট হ'লেও সাহিত্যৰ সৃষ্টি নহ'ব।

এইখন অন্য জগত—ইয়াৰ আয়োজন স্বতন্ত্ৰ।

লগতে এই কথাষাৰো ক'ব লাগিব যে, জগতজোৰা নানান ধৰণৰ বন্ধন থকা হেতুকে এতিয়া আৰু সাহিত্যৰ গতিপথ স্বচ্ছন্দ হৈ থকা নাই। সাহিত্যৰ বাটত বিভিন্ন বাধা। ৰাজনৈতিক, সামাজিক মতামতৰ বন্ধন য'ত নাই, তাতো বেলেগ ধৰণৰ বন্ধন আছে। ঠিক কিমান ডাঙৰ বা সৰু কিতাপ হ'লে প্ৰকাশক পোৱা যাব, ঠিক কেনে ধৰণৰ লেখা-মেলা সম্পাদকে ল'ব, সাপ্তাহিক

বাৰ্তালোচনীৰ এক পৃষ্ঠাত চাৰিটা কবিতা ছপা হয়, গতিকে কবিতাটোক সেই সীমাৰ মাজত ৰাখিব লাগিব—এই আটাইবোৰেই বন্ধন। এইবোৰ বন্ধনে সাহিত্যৰ সুফলা ভূমিৰলৰা ৰস শুহি লয়—অমৃতখিনি চেপি উলিয়াই দিয়ে। সকলো দেশতেই কিবা নহয় কিবা ধৰণে লেখকৰ এই দুৰ্ভোগ আছেই।

আজিনো আৰু কোন দেশত তলষ্টয়, গ'ৰ্কি, বাৰ্নাৰ্ড শ বা ৰবীন্দ্ৰনাথ আছে? কোন কবিতাই মানুহৰ মনক ৰসবৈচিত্ৰ্যেৰে উল্লসিত, সত্যবাণীৰে উদ্বুদ্ধ, সৌন্দৰ্য্যৰ বেদনাৰে বিগলিত কৰি তুলিছে?

আজি কিছুদিনৰ আগতে মই এগৰাকী ইংৰাজ মহিলাক সুধিছিলোঁ, এতিয়া তেওঁলোকৰ দেশৰ শ্ৰেষ্ঠ কবি কোন?

তেওঁ ক'লে যে, কবি বহুতো আছে। পিছে—শ্ৰেষ্ঠ কোন কোনেও ক'ব নোৱাৰে।

বিভিন্ন কাৰণত বিভিন্ন দেশত সাহিত্য আজি খণ্ডিত। চীনতো তাৰ ব্যতিক্ৰম হ'বনে? সম্প্ৰতে 'চাইনিজ লিটাৰেচাৰ'ত যিবোৰ ইংৰাজী কবিতা পঢ়িলোঁ সেই আটাইবোৰেই ৰাজনৈতিক কবিতা। মন্তব্য নিষ্প্ৰয়োজন। কিন্তু বিভিন্ন কালত বিভিন্ন দেশত সাহিত্যৰ সভাত বিভিন্ন দেৱতাই থলিপুতি বহে। পাশ্চাত্য জগতত যৌনতা, এইফালে ৰাজনীতি। কিন্তু মানুহৰ মনৰ সৌন্দৰ্য্য কোনো দিনেই নিঃশেষ নহয়। মোৰ এই কথাৰ প্ৰমাণস্বৰূপে ইংৰাজীত লিখা ব্যক্তিগত চিঠি এখনৰ ভাঙনি আগ বঢ়াইছোঁ।

চীনৰপৰা দেশলৈ উভতি আহি আমাৰ চীনা বন্ধুসকললৈ লিখি জনাইছিলোঁ যে আমাৰ দেশৰ জনসাধাৰণ চীন সম্বন্ধে জানিবলৈ কিমান ব্যগ্ৰ আৰু ময়ো যে কিমান ঠাইলৈ গৈ ক'বলগীয়া হৈছোঁ। এই চিঠিৰ উত্তৰত তেওঁলোকৰপৰা এখন চিঠি পাইছিলোঁ। ইয়াত তাৰপৰা কেইশাৰীমান তুলি দিওঁ। যিসকল বন্ধুৰপৰা চৌবিছ ঘণ্টা ধৰি ৰাজনীতিৰ কুচকাৱাজৰ কথা শুনিছিলোঁ, তেওঁলোকৰপৰা এই চিঠি পাই আনন্দমিশ্ৰিত বিস্ময় অনুভৱ কৰিছিলোঁ। ইয়াৰ মাজতো অলপ ৰাজনীতি নথকা নহয়—কিন্তু ৰসো আছে। মোৰ ধাৰণা, আজিৰ চীনা সাহিত্যও চাগে এনেকুৱাই হ'ব। তেওঁলোকে লিখিছিল

প্ৰিয় মিছিজ দেৱী,

১৩ জানুৱাৰি তাৰিখে লিখা আপোনাৰ চিঠি যথা সময়তে আমি পাইছোঁ। ঠিক যি সময়ত আপোনালৈ এমন চিঠি লিখোঁ লিখোঁ বুলি ভাবি আছিলোঁ, তেতিয়াই আপোনাৰপৰা দ্বিতীয়খন চিঠি আৰু বাতৰিকাকতৰ ক্লিপিং পালোঁ। আপোনাৰ আৰু অন্যান্য বন্ধুসকলৰ নিৰাপদ প্ৰত্যাবৰ্তনৰ খবৰ পাই আমি যে কিমান আনন্দিত।

আপোনাৰ প্ৰীতিপূৰ্ণ চিঠি পাই আৰু চীন সম্বন্ধে আপোনাৰ লেখা-সমূহ পঢ়ি আমি অভিভূত হৈছোঁ। আপোনাৰ চিঠি পঢ়ি থাকোঁতে আমি কলিকতা এয়াৰপ'ৰ্টত আপোনাৰ কাষত থিয় হৈ ভাৰত-চীন মৈত্ৰীৰ প্ৰশংসাধ্বনি প্ৰতিধ্বনিত হোৱা শুনি থকা যেন লাগিছিল। আপোনাৰ চিঠি পঢ়ি থাকোঁতে, আমি কলিকতাৰ স্কুল এখনত বহি আপোনাৰ আত্মপ্ৰতিষ্ঠ বলিষ্ঠ কণ্ঠেৰে ভাৰত-চীন মৈত্ৰীৰ মূল নীতিসমূহ উচ্চাৰিত হোৱা শুনিবলৈ পাইছোঁ যেন লাগিছিল। আপোনাৰ চিঠিত আপোনাকো যেন দেখা পাইছোঁ। গভীৰ ৰাতিলৈকে আপুনি মেজৰ ওচৰত তন্ময় হৈ অক্লান্তভাৱে চীনৰ মানুহৰ মনত ভাৰতৰ মানুহলৈ প্ৰগাঢ় মৈত্ৰীৰ কথা লিখি থকা দেখা পাইছোঁ। আপোনাৰ চিঠি পঢ়ি সেই সুখকৰ দিনবোৰৰ কথা আমি সুঁৱৰিছোঁ, যেতিয়া আপোনাৰ সৈতে আৰু অন্যান্য বন্ধুসকলৰ সৈতে আমি দিনে-নিশাই ঘূৰি ফুৰিছিলোঁ। কিমান প্ৰশ্নৰ উত্তৰ দিয়া হ'ল, কত যে প্ৰশ্নৰ উত্তৰ অকথিত থাকি গ'ল । পাঁচটা সপ্তাহ একেবাৰেই নহয়। কিন্তু এবাৰ মৰম উপজিলে সি হয় যুগমীয়া, ইত্যাদি ।

এই প্ৰসংগতে কওঁ, সাংহাইৰপৰা আমাৰ উভতি অহাৰ দিনা ভাৰবীয়া বতৰৰ বাবে আমি ৰাওনা হ'ব নোৱাৰিলোঁ। ভাগ্যে ভাৰবীয়া বতৰ হৈছিল, কিয়নো সেইদিনা তাত নথকাহেঁতেন ৰাতি আমি চেয়াৰমেন মাও চে তুঙৰ অন্তিম যাত্ৰা আৰু তেওঁৰ অন্ত্যেষ্টিৰ বোলছবিখন চোৱাৰপৰা বঞ্চিত হ'লোহেঁতেন। এই ছবিখন সন্থহতেহে প্ৰদৰ্শিত হৈছে। আমাক আমাৰ হোটেলতে দেখুউৱা হৈছিল। তাত উপস্থিত থকা সকলোৰেই সেই ছবিখন প্ৰথম বাৰৰ বাবে চাইছিল। সেই ছবিখনৰ করুণ সৌন্দৰ্য্য বৰ্ণোৱাৰ ক্ষমতা মোৰ নাই।

চৌৱে অনুবাদ কৰিছিল, যদিও তাৰ প্ৰয়োজন নাছিল। ছবিখন নিজৰ খা নিজেই কৈছিল।

অন্তিমশয্যাত মাও চে তুং শুই আছিল ফুলৰ মাজত এটি কাঁচৰ আধাৰত—'গ্ৰেট হল্ অৱ দি পিপ'ল'ত। মাজে মাজে সেই ঘৰটোৰ আৰু বাহিৰৰ দৃশ্য দেখুউৱা হৈছিল। দেশ-বিদেশৰপৰা মানুহৰ সমাগম হৈছিল শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ। দীঘলীয়া চিৰি বগাই হাজাৰ-বিজাৰ মানুহ উঠি গৈ আছে—তলমুৰ হৈ, শোকভাৰাক্ৰান্ত হৈ। সিপিনে দেখুউৱা হৈছে—চীনদেশৰ বিভিন্ন প্ৰান্তত চহৰত গাঁৱত কাৰখানাত কমিউনত শিশু বৃদ্ধ চেমনীয়া ডেকা গাভৰুৱে যিয়ে য'তেই খবৰটো শুনিছে তাতেই অশ্ৰুলো ওলাই দুগাল তিয়াই চকুলোৰ ধাৰ বৈ গৈছে। ছবিখনত দেখুউৱা হ'ল—নৈত জাহাজত নাৱত বনত জংগলত খনিত য'তেই যি মানুহ যি কামতে নিযুক্ত নাথাকক, খবৰটো শুনাৰ লগে লগে কি যে ব্যাকুলতা।

কিন্তু তেওঁলোকে লৰা-ধপৰা কৰা নাই, স্থিৰভাৱে থিয় হৈ থাকিয়েই শোকাশ্ৰু বিসৰ্জন কৰিছে। এই ছবিখনত আমি চীনৰ উপজাতি বা জনজাতিসকলৰ ছবি দেখা পালোঁ। বিভিন্ন সাজ-পাৰ পিন্ধা বিভিন্ন ঠাইত বিভিন্ন ভাৱাত তেওঁলোকৰ অশ্ৰুপাতৰ দৃশ্য। এনেহেন কান্দোনৰ দৃশ্য মই কাহানিও দেখা নাছিলোঁ। চৌৰ কণ্ঠ ৰুদ্ধ হৈ আহিছিল—সকলোৱেই ৰুমাল উলিয়াইছিল।

তাৰ পাছত দেখুৱালে শেষ শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ সেই অপূৰ্ব থিয়েন আন মেন স্কোৱেয়াৰত মানুহৰ সমদল। কেনে আচৰিত শৃংখলাৰে সৈতে লাখ-বিলাখ মানুহ গোট খাইছেহি। ক'ৰবাত কেৱল অলিভ ৰঙৰ পোছাক—তেওঁলোক সৈনিক। ক'ৰবাত কেৱল বগা—তেওঁলোক ডাক্তৰ। কোনোবা ঠাইত কেৱল ৰঙা ৰঙা ৰং। কিমান যে পতাকা, কিমান যে ফুল আৰু ৰঙীন ছবি। সকলো জলমলাই উঠিছে। কেৱল সকলোৰে হাতত ক'লা ব্যাজ বন্ধা। কেনে করুণ শোকবাদ্য বাজিছে।

সকলো মিলাই এনেকৈ অভিভূত কৰিব পৰা শক্তি ইয়াৰ আগতে মই কোনো ছবিত দেখা নাছিলোঁ। প্ৰায় দুঘণ্টামান আমি এক অতি উজ্জ্বল অথচ শোকৰ সাগৰত উটি গৈ থাকিলোঁ। সেই ছবিখনে এক আশ্চৰ্য্য করুণ ৰসৰ সৃষ্টি কৰিছিল। সন্দেহ নাই, অসাধাৰণ শিল্প।

কোঠাটোখপৰা ওলাই অহাৰ পাছত বৎসলাই মোক ক'লে, "তুমি—তুমিও কান্দিলা ?"

মই ক'লোঁ, "কিয় নাকান্দিম ? মাও চে তুং কিবা মোৰ কোনো নহয় নে কি ?"

এই কথাবাৰৰ অৰ্থ বৎসলাক বুজাবলৈ হ'লে যিটো কবিতা অনুবাদ কৰিবলগীয়া হ'লোহেঁতেন সেইটো কৰাৰ ইচ্ছা মোৰ তেতিয়া নাছিল। ৰবীন্দ্ৰনাথৰ সেই আশ্চৰ্য্য কবিতাশাৰী মোৰ মনলৈ বাৰে বাৰে আহিছিল

'য'তেই যি তপস্বীয়ে কৰিলে দুষ্কৰ যজ্ঞ-যাগ
মই তাৰ লভিছোঁ যে ভাগ
য'তেই নিঃশংক বীৰে মৃত্যুক লংঘে অনায়াসে
স্থান দিব মোক সেই ইতিহাসে।

সাংহাই হোটেলৰ খিৰিকীৰ পৰ্দা আঁতৰাই ডাৱৰীয়া গোমা আকাশলৈ চাই চাই মোৰ মনটো সেই নিশা ভাবাক্ৰান্ত হৈ থাকিল। মই আকৌ তুলনা কৰিছোঁ। জানো মোৰ দেশপ্ৰেমিক পাঠকসকল অলপ ক্ষুণ্ণ হ'ব। তথাপি সোধোঁ। তেওঁলোকক ৰবীনাথৰ অন্ত্যেষ্টি কেনেকৈ সম্পন্ন কৰা হৈছিল ? মোৰ সৌভাগ্য, সেই দৃশ্য মই দেখা পোৱা নাছিলোঁ। কিন্তু বিশৃংখলাৰ যি বৰ্ণনা শুনিছিলোঁ সেই কথাত জানো ধিক্কাৰ নোপজে ?

ৰবীন্দ্ৰনাথ আমাৰ কম মৰমৰ আছিলনে ?

পুত্ৰৰ মুৰ-কামোৰণি উঠিল—তেওঁ আক মুখাগ্নিও কৰিব নোৱাৰিলে। দৰ্শনাৰ্থী সকলোৱে বলিয়াৰ দৰে আচৰণ কৰিছিল। কিন্তু কোনো সুব্যৱস্থা হোৱা নাছিল, দেশৰ মানুহে যাতে তেওঁক শেষবাৰৰ বাবে চাই ল'ব পাৰে। আনকি ভালকৈ এখন ফটো তোলাও নহ'ল। কেনে দুখজনক পৰিস্থিতি। এইবোৰ কেনে পৰিতাপৰ কথা।

গান্ধীজীৰ শেষযাত্ৰাতনো কি হৈছিল ? যিগৰাকীয়ে সমগ্ৰ জীৱনকাল অহিংসাৰ কথা কৈ গ'ল, তেওঁক লৈ যোৱা হ'ল সৈন্যবাহিনীৰ গাড়ীত উঠাই।

নেহৰুৱে চিৰকাল কুসংস্কাৰৰ বিৰুদ্ধে কৈ গ'ল। সেই তেওঁৰ চিতাৰ ওপৰত বাসুপাইতে ঘিউ ঢালি কোন সৰগৰ জখলা নির্মাণ কৰিছিল? সকলোতে ভিৰ ঠেলা-হেঁচা, সকলোতে বিশৃংখলা। ইজনে সিজনক বগৰাই ঠেলি আগুৱাই গ'লেই যেন পৰম লাভ।

ৰবীন্দ্ৰনাথৰ মৃতদেহ কটিউৰা খাটখন বোলে ভাগিয়েই গৈছিল।

কেনে শোচনীয় কথা!

আৰু এয়া চীনে কি অপূৰ্ব দৃশ্য দেখুৱালে। কাঁচি-হাতুৰীৰ পতাকাৰে আবৃত মাও চে তুঙৰ দেহ ফুলৰ দেৱালয়ৰ মাজত শুই আছে, আৰু সসম্মান ব্যৱধানেৰে ধীৰ স্থিৰ চলমান জনতাই বেদনাৰ ৰঙেৰে ৰঙীন অশ্ৰুবৰ্ষণ কৰিছে। সিদিনাৰ সেই অন্ত্যেষ্টিক্ৰিয়াৰ, সেই জনসমাগমৰ দৃশ্য আজিও চকুৰ আগত ভাহি উঠিছে। কেতবোৰ ৰঙীন দবাখেলৰ ঘৰৰ দৰে প্ৰত্যেকে প্ৰত্যেকৰ নিজ ঠাইত জ্যামিতিক ৰেখাৰে সংবদ্ধ। ৰঙীন পতাকাসমূহ আন্দোলিত।

এওঁলোক মৰণতো শিল্পী।

এখন সমাজৰ উন্নতিৰ বাবে শৃংখলাৰ প্ৰয়োজনীয়তা সিদিনা ভালকৈ বুজিছিলোঁ। বুজিছিলোঁ—শৃংখলা আৰু মানৱিকতা পৰস্পৰ বিৰোধী নহয়।

সাংহাইৰপৰা এতিয়া আমি আমাৰ গন্তব্যস্থান শিশোৱাপান্নালৈ গৈ আছোঁ। উচ্চাৰণটো এনেকুৱাই যেন লাগিছিল। ঠাইডোখৰ বহু দূৰণিবটীয়া—মানদেশ আৰু লাওছৰ সীমান্তত। তেওঁলোকে কৈছিল, এই ঠাইডোখৰ বিশেষভাৱে চাবলগীয়া। কিয়নো, ই 'মাইনৰিটি' এৰিয়া। পাছত অৱশ্যে আমাৰ যাত্ৰাপথত আৰু দুই-এখন মাইনৰিটি এৰিয়া দূৰৈৰপৰা দেখা পাইছোঁ।

'মাইনৰিটি' শব্দটি শ্ৰুতিগোচৰ হোৱামাত্ৰেই বিশ্বম্ভৰনাথে টপৰাই ক'লে, "এয়া চাওক, এওঁলোকৰো হিন্দু-মুছলমান আছে। ধৰ্মৰ ভেদ নাথাকি পাৰেনে?"

এই সম্পূৰ্ণ অচিনাকি দেশখনত এটা পৰিচিত বিষয়ে তেওঁক যেন কিয়ৎ-পৰিমাণে আশ্বস্ত কৰি তুলিলে। কিন্তু আমি আগতেই শুনিছিলোঁ যে ইয়াত উপজাতি বা জনজাতিকহে মাইনৰিটি বুলি কোৱা হয়। হিন্দু-মুছলমানৰ কাজিয়া

আমাৰ এই উপমহাদেশত এনে স্বাভাবিক যে কোনো ঠাইত হিন্দু-মুছলমান বাস কৰিব অথচ মাৰপিট নহ'ব—এই কথাটো ভাবিবই নোৱাৰি।

আমাৰ গন্তব্যঠাই বহু দূৰ। প্ৰথমে আমি কুন্‌মিন নামৰ এঠাইলৈ গ'লোঁ। কুনমিনো দক্ষিণৰফালে অৱস্থিত। পিকিঙত শুনিছিলোঁ, যিমান দক্ষিণৰফাললৈ যাম সিমানেই গৰম হ'ব। কিন্তু গৰমৰ নাম-গোন্ধেই নাই, সদা-সৰ্বক্ষণ ঠাণ্ডালগা ভাৱ।

এই চহৰৰ জনসংখ্যা আঠলাখ। আগৰ দিনত কুন্‌মিনৰপৰা মানদেশ হৈ ভাৰতলৈকে বাজআলি আছিল। যাতায়াত চলিছিল। আৰু এতিয়াও হেনয়লৈ, ৰেলেৰে যাব পাৰি। কুনমিনৰপৰা ৰেলযোগে পিকিঙলৈ যাওঁতে দুইদিন-তিনিনিশা সময় লাগে। দূৰত্ব তিনি হাজাৰ কিলোমিটাৰ। এই ফালৰপৰা চালে চীনদেশো আমাৰ দৰেই। ইঅ'ৰোপৰ দেশবিলাক 'ইমান সৰু সৰু যে ৰেলত উঠি কেইঘণ্টামান গৈ থাকিলেই আন এখন দেশৰ সীমা পাবগৈ পাৰি।

২৫ ডিছেম্বাৰ। আমি এখন সৰু প্লে'নত উঠি কুনিমনৰপৰা ছিমোভ নামৰ ঠাই এখন পালোঁগৈ। তাৰপৰা চৌষষ্ঠি কিল'মিটাৰ দূৰত খিশোৱাপান্না।

ছিমোভৰ এয়াৰপ'ৰ্টত বহি আছোঁ। গাড়িৰ বন্দবস্ত কৰা হৈছে বুলি শুনিলোঁ। ইয়াত বেছি গাড়ি যোগাৰ কৰা হোৱা নাছিল। এখন বাছ আৰু খনদিয়েক সৰু মটৰ গাড়ি। গাটো বৰ বেয়া লাগিছে। ইয়াত গৰমো অলপ পাইছোঁ।

যি কি নহওক, মনে মনে বহি থাকি চাহত শোহা মাৰিছোঁ, এনেতে লগত এজন মানুহ লৈ মং সোমালহি।

মঙে ক'লে, "আপোনালোকৰ যথেষ্ট বয়স হৈছে, প্লেনথন প্ৰেশ্বাৰাইজড নাছিল ব্লাড প্ৰেশ্বাৰ লোৱা আৱশ্যক।"

আটাইৰে ব্লাড প্ৰেশ্বাৰৰ জোখ-মাখ লোৱা হ'ল। দীনেশ আৰু তাৰাচান্দ গুপ্তই ঘৃণাৰে সৈতে প্ৰত্যাখ্যান কৰিলে। কিয়নো তেওঁলোকৰ শৰীৰ বোলে শিলৰ। কেৱল বিশ্বম্ভৰনাথৰ ১৭০, আৰু মোৰ একেবাৰে ২০০। গাটো ইমান পৰে এনেয়ে বেয়া লাগি আছিল—কিন্তু প্ৰেশ্বাৰ ২০০ এই কথা শুনাৰ পাছত

আৰু বেয়া লাগিবলৈ ধৰিলে—মূৰৰ যন্ত্ৰণা আৰম্ভ হ'ল। এতিয়া যে ছয় ঘণ্টীয়া পৰ্বতীয়া অকোৰা-পকোৰা বাটেৰে কেনেকৈ যাম সেই কথাতহে ভয় খালোঁ। আগৰ অভিজ্ঞতাজনিত এটা ভয় মোৰ আছিলেই—বমিহে বাহুত যাব লাগিব। আৰু তেতিয়াহ'লেই আমাৰ পূৰ্ববংগীয় ভাষাত 'চিত্তিৰ',—মানে 'হ'ল আৰু'।

কিন্তু নহ'ল।

মণ্ডে ক'লে, "গাড়িৰ সংখ্যা কম, অসুস্থসকলে গাড়িত উঠিব, সুস্থসকল খোজ কাঢ়িব।"

শুনি স্বস্তিৰ উশাহ ল'লোঁ। এতিয়াৰ দিন থাই বিপত্তাৰিণী আই দুৰ্গাৰ নাম সুঁৱৰি বাওঁ হ'লোঁ।

পৰ্বতীয়া বাট অকাই-পকাই উঠি গৈছে। দুয়োকাষৰ গছ-গছনিবোৰ যেন চিৰ-চিনাকি। মংপু-কালিম্পঙৰ অকোৰা-পকোৰা বাট-পথৰ কথা মনত পেলাই গাড়ি অকাই-পকাই গৈ আছে। এৰা একোজোপা ক্ৰ'ট'নৃছ বা পাতাবাহাৰৰ দৰে সেউজীয়া আৰু ৰঙা পাতৰ জোপোহা গছ। দেখাত সাইলাখ ছিনকোনা গছৰ দৰে, টুন তেলৰ গছ। কেতবোৰ গছ ৰবৰপুলি যেন লাগিল। কিন্তু ছিনকোনা গছ দেখা পাই আচৰিত হৈছিলোঁ। পাছত শুনিলোঁ, মোৰ অনুমান ঠিকেই। এই ঠাইত মেলেৰিয়াৰ উৎপাত আছিল আৰু ছিনকোনাৰ খেতি কৰা হৈছিল। খুব সম্ভৱ বৰ্মাৰপৰা আনিছিল। বৰ্মা আৰু যবদ্বীপত ছিনকোনাৰ আৰু ৰবৰৰ খেতি কৰা হয়।

চাৰে ছয়ঘণ্টীয়া পৰ্বতীয়া বাট পাৰ হৈ ক্লান্ত দেহেৰে আমি 'থাই' উপজাতি বা জনজাতিসকলৰ দেশ পালোঁহি। ধুনীয়া বাগিচা এখনত বহুতো সৰু সৰু ঘৰ—ফুলেৰে সজোৱা। ফুলবোৰৰ আটাইবিলাকেই আমাৰ একান্ত পৰিচিত—বেগনিয়া বেগ্‌নলিয়া, ফুছিয়া জিৰেনিয়াম জেকৰাণ্ডা ইত্যাদি। এটি জেকৰাণ্ডাৰ এভিনিউ নীলা। ইয়াত বঙলাৰ মুকলি বাৰাণ্ডাতে চ'ৰা ঘৰ। শীত সিমান নাই, তথাপি জাৰ জাৰ লাগিছে। পকা অমিতা আৰু সিংগাপুৰী কল খাই সকলোৰেই ভাল পালে।

মণ্ডে ক'লে, "এই কথাটি আপোনালোকে মনত ৰাখিব যে, এই ঠাইটুকুৰা হ'ল গাঁও বা মফচল। ইয়াত সম্প্ৰতিহে পানীকল আৰু ছেনিটাৰি হৈছে,

এতিয়াও অৱশ্যে নিখুঁত হৈ উঠা নাই। আপোনালোকৰ কষ্ট হ'ব।' কথাষাৰত বিনয়ৰ ভাব নাছিল।

এজনী হাঁহিমুখীয়া থাই ছোৱালীয়ে এক বাল্টি চেঁচা আৰু এক বাল্টি গৰম পানী আৰু এটা টৌ মোৰ কোঠাত দি থৈ গ'ল হাত মুখ ধুবলৈ। মই বিছনাত বাগৰ দিলো। সিদিনা আৰু ৰেস্ক'ৰেন্টলৈ যাবলৈ চিন্তাও কৰিব নোৱাৰিলো। সুখাদ্যৰ সৈতে দুষ্ট চতুষ্টয়ৰ নিন্দাবাদ শুনাৰ প্ৰলোভন পৰিত্যাগ কৰিলো।

ডা বাসুৱে ক'লে, "আপোনাক চিকেন স্যুপ দিবলৈ ক'ম।"

আৰু মঙে কঁকালত হাত দি থিয় হৈ ক'লে, "তুমি ইয়াতে থাকিবা। এই থাই ৰাজ্যত তোমাক এৰি থৈ সকলো গুচি যাবগৈ।"

মই ক'লোঁ, 'ভাল বাৰু, তুমিও থাকিবা।'

"ও, মই থাকিব পাৰোঁ, কিন্তু সু্য তো নাথাকিব। গতিকে, মোৰ সৈতে কথা বতৰা বন্ধ।'

মং ওলাই যোৱাৰ পাছত মই ভাবিবলৈ ধৰিলোঁ বাৰু, সঁচাকৈয়ে যদি এনেকুৱা হয় যে—এই দেশত মই অকলশৰে থাকি যাওঁ, তেনেহ'লে মোৰ অৱস্থা ৰবিনছন ক্ৰুছোৰ দৰে হ'বনে কি? সম্পূৰ্ণ অজ্ঞাত দেশ এখনত, অচিনাকি মানুহৰ মাজত যদি কোনোবা আবদ্ধ হৈ পৰে, তেনেহ'লে সেই মানুহজনে কি কৰে? জীয়াই থাকিব পাৰিবনে? জীয়াই যদি থাকেও—স্বাভাৱিকভাৱে থাকিবনে?

লগে লগেই মোৰ প্ৰশ্নৰ উত্তৰ পালো।

ৰেস্ক'ৰেন্টৰ পাছত লী মোৰ কোঠালৈ সোমাই আহিল। আৰু পিছে পিছে আহিল সেই ডাক্তৰজন।

কোঠাত সোমায়েই লীএ মধুৰ অথচ নিস্তেজ হাঁহি এটা মাৰি ক'লে, "Mrs Devi, I missed you this whole evening"

ডাক্তৰ আগুৱাই আহিল। ব্লাড প্ৰেশ্বাৰৰ যন্ত্ৰ উলিয়ালে। লীৰ কথা শুনি মোৰ মনৰ ভিতৰখন অসুখৰ এন্ধাৰ আকাশত অৰুণোদয়ৰ দৰে সুখেৰে ভৰি পৰিল।

এয়েনে চীনদেশৰ মানুহ?

এওঁলোকৰ ওপৰত আমাৰ ইমান খং, আৰু তেওঁলোকো আমাৰ প্ৰতি ইমান সন্দিহান ? মানুহৰ সৈতে মানুহৰ প্ৰীতিৰ বন্ধন কিমান সহজ, কিমান অনায়াসে যে মানুহক মৰমৰ ডোলেৰে বান্ধিব পাৰি ! কিন্তু যেতিয়াই মানুহ দলবদ্ধ হয়, 'নেশ্যন' হয়, তেতিয়া কাজিয়া কন্দলৰ আৰু ও'ৰই পৰিৰ নেথোজা হয়।

আচৰিত কাণ্ড !

আমি যিটো গেস্ট হাউছত আছো তাৰপৰা এখন নৈ চকুত পৰে। সেই নৈখনেই 'মেকং' নৈৰ উৎস। আচৰিত কথা এয়ে যে বাগিচাত থিয় হৈ শিলত ঠেকা খাই খাই প্ৰৱাহিত হোৱা এই নৈখনলৈ চাই মোৰ হঠাতে এটা ভাব হ'ল —এয়েনে মেকং ?

পাছত শুনিলো—মোৰ অনুমান সম্পূৰ্ণ সত্য। অৰ্থাৎ ইয়াত নাম বেলেগ। থাইলেণ্ড বা শ্যামদেশলৈ গৈ মেকং নাম লৈছে, যি হেনো গংগাৰ অপভ্ৰংশ। আকৌ কোনো কোনো আধুনিক উৎসাহী বুৰঞ্জীবিদে চাগৈ ক'ব, মা গংগায়েই মেকঙৰ অপভ্ৰংশ। বিছাৰ্চৰ নামত পুৰণি দিনৰ জ্ঞানবিত্তাক ওফৰাই পেলোৱাৰ প্ৰৱণতা এতিয়া বৰ বেছিকৈ দেখা গৈছে। যি কি নহওক, চীনদেশৰ দক্ষিণ পূৰ্ব পাৰ্বত্য বনাঞ্চলৰপৰা থাই জাতিৰ একাংশ থাইলেণ্ডলৈ গুচি গৈছে।

বাতিপুৱা এই ঠাইডোখৰ সম্বন্ধে বহুতো খা-খবৰ দিয়া হ'ল। বাৰটা এডমিনিষ্ট্ৰেটিভ ইউনিট লৈ শ্বিশ্বাৱাপান্না প্ৰদেশ গঠিত। এই প্ৰদেশ ইউনান প্ৰদেশৰ দক্ষিণাঞ্চলত অৱস্থিত। আয়তন -পঁচিছ হাজাৰ স্কোৱেয়াৰ কিল'মিটাৰ। বৰ্তমান জনসংখ্যা ছয় লাখ। আমাৰ নিমন্ত্ৰণকৰ্তাই ক'বলৈ ধৰিলে "ইমান দিন ধৰি ইম্পিৰিয়ালিজম, ফিউডালিজম আৰু কেপিটালিজম—এই তিনিও অপদেৱতা আমাৰ ওপৰত লম্ভি আছিল। আৰু লগতে আছিল মেলেৰিয়া, প্লেগ, কলেৰা আৰু যক্ষ্মা। কোনো ডাক্তৰ নাছিল, বেমাৰ আজাৰত পৰিলে বুদ্ধ আৰু অন্যান্য দেৱতাৰ মন্দিৰত চাকি জ্বলোৱাটোৱেই আছিল একমাত্ৰ ভৰসা।"

কিন্তু এই কথাষাৰ সঁচে কাটে সঁচা নহয়। চিকিৎসক যে আছিল, তাৰ প্ৰমাণ পাছদিনাই পালোঁ।

স্বাধীনতাৰ কালছোৱাত লোকসংখ্যা আছিল মুঠেই দুইলাখ। লাহে লাহে এওঁলোক স্বয়ংসম্পূর্ণ হৈ উঠিল। পিকিঙৰপৰা নিয়মিত চিকিৎসকৰ দল ইয়ালৈ আহে। তেওঁলোকৰ সহায়ত চিকিৎসাৰ উন্নতিও হৈছে। জনসংখ্যাও বাঢ়িছে। এতিয়া ফেমিলি প্লেনিঙৰ প্রচাৰ আৰম্ভ কৰা হৈছে। বিভিন্ন কামৰ উপলক্ষ্যত, বিশেষকৈ বাট পথ, মথাউৰি, দলং, ঘৰ-দুৱাৰ ইত্যাদি তৈয়াৰ কৰিবলৈ হান জাতিৰ মানুহো আহিছে কিছুমান। সেয়েহে, জনসংখ্যা এতিয়া বহু বাঢ়িছে। প্রতিবেশী বর্মা আৰু লাওছৰ সৈতে সম্পর্ক ভালেই।

ইয়াত দুটাই মাথোন ঋতু—বাৰিষা আৰু জহ। বৰষুণৰ পৰিমাণ প্রচুৰ, সেয়েহে আমাৰ বসবাস কাঠৰ দোতালাত। এই ঘৰবিলাক কাঠৰ থামৰ ওপৰত তৈয়াৰ কৰা হয়, ঠিক শিলিগুড়ি-জলপাইগুড়ি অঞ্চলৰ ঘৰবিলাকৰ দৰে। থাইৰাজ্যৰ আধাথিনিয়েই অৰণ্যভূমি। ইয়াত আছে বিভিন্ন জাতৰ সাপ, পাইথন, বাঘ, ভালুক, নাহৰফুটুকী বাঘ, বাইছন বা বনৰীয়া মেঠোন, আৰু হর্নবিল চৰাই, গঁড়, ম'ৰা চৰাই, কুম্ভীৰ-ঘঁৰিয়াল ইত্যাদি। শস্যৰ ভিতৰত চীনাবাদাম, চাউল, গোমধান, ছয়াবীনেই প্রধান। তদুপৰি উৎপন্ন হয় পুয়েৰৰ চাহ, টুনতেল, ছিনকোনা, কফুৰ, ৰবৰ, তামোল, মাটিকঠাল, লিচু ইত্যাদি।

ইয়াত দহোটা জনজাতীয় থেলৰ বসবাস। থাইসকলেই প্রধান, সংখ্যাত তেওঁলোকেই এক তৃতীয়াংশ। অন্যান্যৰ মাজত হুইসকল মুছলমান। এনে কিছুমান জনজাতিও আছে যিসকলে এতিয়ালৈকে এই ব্যৱস্থাৰ সৈতে নিজক থাপ খুৱাই ল'ব পৰা নাই। তেওঁলোকে ক'লে, তেওঁলোকে যেতিয়া জমিদাৰৰ তলতীয়া আছিল, অর্থাৎ ১৯৪৯ চনলৈকে, তেতিয়া আটাইবোৰ মাটি বাৰীয়েই আছিল জমিদাৰৰ, ইয়াত খেতিয়কসকলে মাথোন কাম কৰিছিল। দেশৰ মাটি নৈ-বিল খাল-দোং হাবি-জংগল সকলোৰে গৰাকী আছিল জমিদাৰ। আনকি তেওঁলোকৰ প্রাণৰো গৰাকী আছিল জমিদাৰেই। তেওঁলোক আছিল দাস। প্রভুৱে যেনেকৈ যি কৈছিল তাকে কৰিবলগীয়া হৈছিল—খেতি-বাতিয়েই বোলক বা যুদ্ধ-বিগ্রহয়েই বোলক—সকলো। বুঢ়া হোৱাৰ পাছত খেতি বাতি আৰু ক'ৰিব নোৱাৰিছিল, নিজা মাটিও নাছিল, তেতিয়া জীয়াই থকাৰ মাথোন এটাহে উপায় আছিল—ভিক্ষা।

এই থাই বক্তাগৰাকী দেখিলোঁ খ্রিষ্টান মিছনাৰিসকলৰ বৰ বিৰোধী।

মিশ্যনাৰিসকলে হেনো অজস্র টকা খৰচ কৰি হস্পিতাল সাজি কেৱল কুষ্ঠৰোগী-ইতৰ ওপৰত পৰীক্ষা নিৰীক্ষা চলাইছিল। আৰু কুওমিনটাংইতৰ ৰাজত্বত আছি। কেৱল শোষণ। কেঁচুৱা এটি উপজিলেই টেক্স দিব লাগিব, ককায়েক ভায়েক বেলেগ হৈ গ'লে টেক্স, ঘৰ সাজিলে টেক্স, ধঁপাতৰ খেতি কৰিলে টেক্স, শইচ চপাবলৈ হ'লেও টেক্স। সেয়েহে আমি কৈছিলোঁ যে ম'হৰ গাত যিমান নোম সিমানেই টেক্সৰ দ'ম।

ইয়াত এওঁলোকৰ ধৰ্ম আছিল হীনযান। এতিয়াও বয়সিয়ালসকল নানা ধৰণৰ কুসংস্কাৰত বিশ্বাসী। ধৰ্মবিশ্বাসৰ ওপৰত কোনো জোৰ জুলুম নাই—এই বিষয়ত ইচ্ছানুসাৰে আচৰণ কৰিব পাৰে।

এই থাই ভদ্ৰলোকে নিজৰ ইতিহাস, সমস্যা আৰু উন্নতি সম্বন্ধে বহল বিবৰণ দিয়াত নিৰলসভাৱে উৎসাহী। কেনেকৈ ইয়াত মাও চে তুঙৰ প্ৰভাৱ পৰিল, মাও চে তুঙে কেনেকৈ সকলো জনজাতিৰ বন্ধুত্ব আৰ্জিলে, সুখ স্বাচ্ছন্দ্য আৰু স্বাধিকাৰ প্ৰতিষ্ঠিত হ'ল, কেন্দ্ৰৰ সৈতে তেওঁলোকৰ সম্পৰ্ক কি, এই বিষয়ে পৃষ্ঠাৰ পিছত পৃষ্ঠা ন'ট দিছে তেওঁ। মই আৰু নোৰৱা হৈছো, পেন্সিল কাতি কাৰ থৈ মোৰ আগত বহি থকা মহিলাগৰাকীক চাই আছো। চুলি ওভোতাই খোপা বন্ধা, খোপাত এখন ফণি গুজি থৈছে, দাঘলহতীয়া ভেলভেটৰ চোলা পিন্ধিছে, ভৰিলৈকে ৰঙীন ছিটৰ মেখেলা। সাইলাথ বৰ্মী সাজ পাৰ। কঁকালত ৰূপৰ কৰ্দনি, কাণত সোণৰ কাণফুল। স্বকীয়া সাজ-পাৰৰ স্বাতন্ত্ৰ্যৰে সমুজ্জ্বল। তেওঁ যে এজনী ডোমৰ জায়ৰী—তেতিয়াও নাজানো।

দুপৰীয়া এখন গাঁৱত নিমন্ত্ৰণ কৰিছে। গাঁওখনৰ নাম মালচিলাং। এই গাঁৱৰ অধিবাসীসকলে ধনী লোকসকলৰ কবৰ চোৰা মেলা কৰিছিল। অৰ্থাৎ ডোমসকলৰ গাঁও। আমি তিন চাৰিজনকৈ ভাগ ভাগ হৈ একোটা সৰু সৰু দল হৈ গাঁৱৰ বিভিন্ন ঘৰলৈ গ'লো। কাঠৰ খটখটী বগাই ওপৰলৈ উঠিলোঁগৈ। ঘৰৰ তলডোখৰ খালী, তাত আছে গাহৰিৰ গৰাল। ওপৰত কাঠৰ মজিয়াত চাপৰ মেজৰ ওপৰত মোটা মোটা কুঁহিয়াৰৰ টুকুৰা, টুকুৰাটুকুৰ অমিতা, মিছৰি, কল, চীনাবাদাম আদিৰে জলপানৰ ব্যৱস্থা কৰা হৈছে। গৃহস্থই ক'বলৈ ধৰিলে

আগতে গাঁৱত আছিল সাতষষ্ঠিটা পৰিয়াল, জনসংখ্যা আছিল তিনিশ। সা তাটা পৰিয়ালৰ অৱস্থা আছিল অলপ ভাল, আন পৰিয়ালসমূহ আছিল নিচেই

নিছলা। খেতি-বাতিৰ অৱস্থা আছিল অতি শোচনীয় বিধৰ। আমি আছিলো ডেভিদ এণ্ড দি ডিপ ছী'ৰ মাজত। বছৰে আধামান দিন লঘোনে কটাইছিলোঁ। শস্যৰ উৎপাদন হৈছিল নিচেই কম। প্ৰতি বছৰতে খাবলৈ নাপাই বহুতৰে মৃত্যু হৈছিল। প্ৰতি পাঁচ দিনৰ মূৰে মূৰে হাট বহিছিল। সেই হাটত পাণ বেচি এওঁলোকে 'লোণ' কিনিছিল। টেক্স দিব নোৱৰাত বাৰটা পৰিয়ালক ইয়াৰপৰা খেদি পঠোৱা হৈছিল। মুখীয়ালহঁতে কৈছিল, সিহঁত ভূত। তেওঁলোক পশুৰ দৰে হাবিত আছিল গৈ। এতিয়া আমি তেওঁলোকক তাৰপৰা লৈ আহিলোঁ। এতিয়া তেওঁলোকে খেতি বাতি কৰি, গৰু-ম'হ পুহি বংমনে আৰু সন্মানেৰে সৈতে ইয়াত বসবাস কৰিছে।

শিশোৱাপান্নাৰ অতীতৰ ইতিহাস দাৰিদ্ৰ্য আৰু শোষণৰ ইতিহাস। সেয়েহে নতুন জীৱনলৈ তেওঁলোকে ধীৰ গতিৰেহে খোজ লৈছে। উছাহ-উদ্দীপনাৰ পৰিপূৰ্ণ সেই কাহিনীৰ দীঘলীয়া বৰ্ণনা নিদিলোঁৱেইবা। আমি যিথন পৰিয়ালত আলহী হিচাপে আছিলো তাৰ দুপৰীয়াৰ আহাৰৰ কথা কোৱা আৱশ্যক। তলৰ একতলাত অলপ আঁতৰত ৰান্ধনীশাল। ওপৰত, দোতলাত কাঠৰ মজিয়াত বহিবলৈ ঢাৰি পাৰি দি চালপীৰাৰ ওপৰত খাবলৈ দিলে। সৰু সৰু চীনামাটিৰ বাচন বৰ্তনত নানা বিধৰ মাছ-মঙহ। মোৰ ওচৰত আটাইবোৰ খোৱাবস্তুৰেই ভজা পোৱা যেন লাগিল। চীনা ৰন্ধনপ্ৰকৰণৰ সুসংস্কৃত কৌশলৰ সৈতে বিশেষ মিল নথকা যেন লাগিল। ৰন্ধনেই সভ্যতা আৰু সংস্কৃতিৰ দিকদৰ্শন। মোৰ মানত আৰু এটা বস্তু আছে—সেইটো হ'ল শৌচাগাৰ আৰু গা ধোৱা ঘৰ। ইয়াত আৰু সেই কথাৰ পৰীক্ষা লোৱাৰ সাহস নহ'ল। অৱশ্যে আমাৰ বহু হাজাৰ বছৰীয়া সভ্যতাৰ চিন এই দুটা বস্তুত বৰ কমেইহে পোৱা যায়।

ইয়াত আগেয়ে নেদেখা নোখোৱা খাদ্য এটা খালোঁ আৰু সেই খাদ্যটিহে বৰ ভাল লাগিল। এটা বাঁহৰ চুঙাত চাউল ভৰাই চুঙাটো জুইত পোৰা হয়। বাঁহৰ ৰসৰে সৈতে চাউল সিজি যিটো খাদ্য তৈয়াৰ হয় তাক তেওঁলোকে 'লুটনাম ৰাইছ' বোলে। এঠালতীয়া ৰঙা চাউলৰ ভাত। বাঁহৰ চুঙাবোৰ ফালি ফালি ভাত উলিয়াই দীঘল দীঘলকৈ লদা পকাই থয়, তাৰ পাছত শুকান ভজা মাছৰে সৈতে খায়।

খোৱা-বোৱাৰ পাছত অলপ সময়ৰ বাবে জিৰণি। সেই চাফ-চিকুণ

জকমকীয়া লেপৰ বিছনাত ডোমৰ ঘৰত শুই আৰু ডুমুনীৰ সেৱা-শুশ্ৰূষা দেখা পাই এওঁলোকৰ জীৱনযাত্ৰাৰ উন্নতিৰ কথা ভালকৈয়েই বুজি পাইছিলোঁ। ভদ্ৰমহিলাৰ কঁকালত এডাল ৰূপৰ কৰ্দনি। কৰ্দনিৰ প্ৰশংসা কৰাৰ লগে লগেই সেইডাল মোক উপহাৰ দিবলৈ বিচাৰিলে। বহু কৌশলেৰে তেওঁক নিৰস্ত কৰিলোঁ। মোৰ কঁকাল যে তেওঁৰ দৰে লাহী নহয়—আৰু সেইডাল যে মোৰ কোনো কামত নাহিব তেওঁক বুজাই ক'লোঁ।

চীনদেশতো ভাষা-সমস্যা প্ৰায় ভাৰতৰ দৰেই। এখন স্কুল চাবলৈ গ'লোঁ। থাই ভাষা, চীনা ভাষা—দুয়োটাই শিকিছে। আখৰবিলাক ঘূৰণীয়া বিধৰ, আমাৰ তামিল ভাষাৰ আখৰৰ দৰে। তেওঁলোকে ক'লে যে, বৰ্মা অৰ্থাৎ মানদেশৰ ভাষাৰ আখৰৰ দৰে। মানদেশৰ সৈতে ভালেখিনি মিল—সাজপাৰত তো হয়েই। পিছে গহনাৰ ডিজাইনত নেপালী ধাৰা। দেশবোৰ ওচৰা-উচৰি হ'লে বহু কথাত একাকাৰ হৈ যায়। স্কুলৰ ফুলনিত এটি পৰমাত্মীয়ৰ সৈতে ভেটাভেটি। সেইটি হ'ল আমাৰ হালধীয়া বৰণৰ নাৰ্জী ফুল।

ইয়াত ৰীতি হ'ল—বিয়া কৰাৰ পাছত লৰাইহে শহুৰেকৰ ঘৰলৈ যায়। মাইনৰিটি অৰ্থাৎ জনজাতিসকলে তেওঁলোকৰ নিজা প্ৰথা, সংস্কাৰ, সাজ পাৰ ইত্যাদি বজায় ৰাখিছে। কেৱল ৰাজনৈতিক শাসন ব্যৱস্থাৰহে সলনি হ'ল। এই দুখীয়া লোকসকলৰ ক্ষেত্ৰত সেই সলনিয়ে ইমান উপকাৰ কৰিছে যে তাৰ বিৰুদ্ধতাৰ কথা কোনোৱে ভাবিবই নোৱাৰে। তিব্বতৰ ক্ষেত্ৰতো কথা একেই। যদি ঘৰে ঘৰে বিজুলী চাকি জ্বলে, দোকানত ভাগে ভাগে খাদ্যবস্তু সজোৱা থাকে, যদি পুৰণি বিশ্বাৰে নতুনকৈ পেট ভৰাব পাৰি, তেনেহ'লে চকৰি ঘূৰাই 'মণিপদ্মে হুং' কৰি মৰিবলৈ কোনেনো বিয়াকুল হ'ব ?

শিখোৱাপান্নাত বহুতো দ্ৰষ্টব্য চাইছিলোঁ। পিছে আটাইতকৈ ভাল লাগিছিল বিভিন্ন জনজাতীয় বেলে চাই। বিধে বিধে সাজন-কাচনেৰে বিচিত্ৰ মনোহাৰী নৃত্য। সাজ পাৰ, বৰ্ণাঢ্য ভংগিমা, গীত-মাত, হাঁহি-ধেমালিৰে অপৰূপ। সকলো জনজাতীয় লোকেই শস্য চপোৱাৰ নাচ নাচে। ৰবীন্দ্ৰনাথেও এই নৃত্যৰ প্ৰচলৰ কৰিছিল—'আহাঁ হেৰা আমি শইচ চপাওঁ—।' এওঁলোকৰ 'হাৰ্ভেষ্ট' বা 'শইচ চপোৱা' নৃত্যৰ সময়ত পিছফালে বিজুলীৰ আখৰেৰে ৰঙীন লিখা ফুটি ওলাল—'সকলোতে শস্য সঞ্চয় কৰাঁ। আনৰপৰা ওচৰত একো মুখুজিবা।'

আন এটি নৃত্য—'গাঁৱলৈ নগ্নপদ (বেয়াৰফুট) ডাক্টৰ আহিল' । এই নাচৰ উথল-মাথলৰ সময়ত পিছফালৰ কেনভাছত বিজুলী আখৰে জিলিকি উঠিল—'বাইজৰ সেৱা কৰা' ।

এই খিখোৱাপাম্নাতেই মই সেই আচৰিত চিকিৎসকজনক লগ পাইছিলোঁ। খোৱা-বোৱাৰ পাছত সকলোৱেই ক্লিনিক চাবলৈ ওলাল। আগতে ঘ'ত কুকুৰা বলি দি চিকিৎসা কৰা হৈছিল, এতিয়া তাত 'three in one' পদ্ধতিৰে চিকিৎসা কৰা হৈছে—চীনা আয়ুৰ্বেদ, পাশ্চাত্য বৈজ্ঞানিক, আৰু আকুপাংচাৰেৰে। দৰাচলতে ইয়াত 'Four in one' হে হৈছে। কিয়নো পূৰ্বোক্ত তিনিবিধৰ সৈতে পুৰণি দিনৰ থাই চিকিৎসাবিষ্যাকো সাঙুৰি লোৱা হৈছে। গাটো বৰ বেয়া লাগি থকা বাবে যাওঁনে নাযাওঁ খাটাং কৰিব পৰা নাছিলো।

নগ'লে জীৱনৰ এক দুৰ্মূল্য অভিজ্ঞতাৰ পৰা বঞ্চিত হ'লোহেঁতেন।

পলিক্লিনিকৰ প্ৰথম কোঠাটোত ডাক্টৰে এটি শিশুক ইনজেকশ্যন দি আছিল আৰু শিশুটিয়ে জগতৰ আন শিশুবিলাকৰ দৰেই চিঞৰত গগন ফালি তাৰ প্ৰতিবাদ জনাইছিল। আন এটা কোঠাত আছিল আকুপাংচাৰৰ সা-সৰঞ্জাম আৰু তৃতীয় কোঠাটোত আছিল চীনা আয়ুৰ্বেদীয় ব্যৱস্থা। কোঠাবিলাক সৰু সৰু। ওলাই আহোঁতে এটা প্ৰায় খালী কোঠাত এখন টেবলটুল আৰু চকীত এগৰাকী থাই মহিলাক ডাক্টৰে পৰীক্ষা কৰি থকা দেখা পালোঁ। শুনিলোঁ—এই ডাক্টৰজনে থাইজাতিৰ মাজত প্ৰচলিত পুৰণি থাই পদ্ধতিৰে চিকিৎসা কৰে। এই পাৰ্বত্য জাতিয়ে ব্যৱহাৰ কৰা ঔষধৰ গুণাগুণ পৰীক্ষা কৰি চোৱা হৈছে। এটা দস্তুৰমত আধুনিক চিকিৎসাকেন্দ্ৰত এই প্ৰাগৈতিহাসিক চিকিৎসা বৰ্তি থকা দেখি মই আচৰিত নহৈ নোৱাৰিলোঁ। মোক দেখা পাই ডাক্টৰজন উঠি থিয় হ'ল, ৰোগিণীও তেতিয়া ঘৰলৈ যাবলৈ ওলাইছে।

মই সেই ৰোগিণীৰ টুলখনতে বহি ডাক্টৰক ক'লোঁ, "মোক পৰীক্ষা কৰি কওক মই কেনে আছোঁ। মোৰ নাডী চাওক।"

ডাক্টৰজনে তেওঁৰ দুয়োখন হাতেৰে মোৰ নাডী পৰীক্ষা কৰি চালে আৰু কিলাকুটিত ধৰিও কিবা পৰীক্ষা কৰিলে। তাৰপাছত থাই ভাষাৰে

যি ক'লে সেয়া প্ৰথমে চীনা ভাষাত আৰু তাৰ পাছত ইংৰাজীত অনূদিত হ'ল।

কথাখিনিৰ সাৰমৰ্ম আছিল এয়ে "তোমাৰ এতিয়া ব্লাডপ্ৰেশাৰ খুব বেছি। তোমাৰ বাঁওহাতখন বিষাইছে, তোমাৰ পিঠিও বিষাইছে, ঘূৰি ফুৰিলে আৰু বেছিকৈ বিষাব।"

মই স্তম্ভিত। মোৰ ঊৰ্ধতন বহু পুৰুষ কবিৰাজ। নিদানৰ বহুতো গল্প মই শুনিছোঁ। তেওঁলোকে হেনো নাড়ী পৰীক্ষা কৰি মৃত্যুৰ দিন খেপো কৈ দিব পাৰিছিল কেইমাহমানৰ আগতেই। সেই আশ্চৰ্য্য বিদ্যা ক'ত যে হেৰাই গ'ল। আমি কুসংস্কাৰবোৰ আঁকোৱালি ধৰি আছোঁ, কিন্তু মণি মুকুতাবোৰ সময়ৰ সোঁতত উটুৱাই দিছোঁ।

মই ভাবিবলৈ ধৰিলোঁ—এই নাড়ীজ্ঞান ভাৰতবৰ্ষৰপৰা ইয়ালৈ বিয়পি পৰিছিলনে ইয়াৰপৰা ভাৰতলৈ গৈছিল। কপাহৰ গুটি ফাটি তুলাৰ ডেউকাত উঠি কপাহৰ বীজ যেনেকৈ দেশ দেশান্তৰলৈ যায়—তেনেকৈয়ে কোনোবা অদৃশ্য ডেউকাত উঠি মানুহৰ জ্ঞান অভিজ্ঞতাৰ সমলেৰে সমৃদ্ধ তথ্যপাতিও কোন কাহানিৰেপৰা অ'লৈ ত'লৈ অহা যোৱা কৰি আছে—সেই কথা কোনে ক'ব।

২৮ ডিছেম্বৰৰ আমি শিখোৱাপান্নাৰপৰা পুনৰ ছিমোভলৈ উভতি আহিলোঁ। উভতি অহাৰ বাটত ছিমোভত আমি এখন অনামেণ্টাল বা বনকৰা বাঁহনি দেখা পালো। অৱশ্যে এখনেই নহয়—অ'ত ত'ত আৰু বহুতো আছে। বাঁহবিলাক ডাঠ হালধীয়া, এনামেল কৰা ৰঙৰ দৰে, বাঁহৰ গাত অ'ত ত'ত সেউজীয়া ৰং। পোনতে মই এইবোৰ ৰংকৰা বা চিত্ৰিত কৰা হৈছে বুলিয়েই ভাবিছিলোঁ, কিন্তু পাছত দেখিলোঁ—এইবোৰ বাঁহৰ প্ৰাকৃতিক ৰূপ এনেকুৱাই।

কুনমিনলৈ উভতি আহি আমি মহাকবিৰ কবি কাহিনী শুনিলোঁ। নানকিঙলৈ তেওঁৰ ফিল্ম প্ৰডিউছাৰে টেলিফোন কৰিছিল। মহাকবিয়ে তাৰেপৰাই দেশলৈ উভতি যাবলৈ বিচাৰিছিল।

বিজয়বাবু দোধোৰ-মোধোৰত পৰিল, মই আৰু বংসলা উগ্ৰ ধৰণে বিৰূপ। দীনেশ হ'ল মধ্যপন্থী। তাৰাচান্দ গুপ্ত মহাকবিৰ ফলীয়া।

তেওঁ ক'লে, "এয়া কিবা উলা মূলা ফিলিম নেকি, ৰেভলিউশ্যনাৰি ফিলিমহে। নগ'লে নহ'ব তেওঁৰ।"

যি কি নহওক, আমাৰ উৎপাতত পৰি, বিজয়বাবুৱে মহাকবিক কুনমিনলৈকে চোঁচোৰাই লৈ আহিছিল। কথা আছিল—তেওঁ হংকং হৈ দেশলৈ উলটিব। কুনমিনলৈ আহি শুনিলোঁ যে মহাকবি আকৌ পিকিঙলৈ উভতি যাবলগীয়া হৈছে, কিয়নো, হংকং হৈ উভতিবলৈ তেওঁৰ endorsement নাই। আগতে পাছপ'ৰ্ট চাবলৈ তেওঁ হেনো পাহৰি গৈছিল। গতিকে খৰচ হ'ল দুগুণ। যি কি নহওক, মহাকবিক মাজবাটতে বিদায় দিবলগীয়া হোৱাত আমি মনোকষ্ট পাইছিলোঁ।

কুনমিনত দুটা প্ৰধান দ্ৰষ্টব্য উল্লেখযোগ্য। তাৰে এটি হ'ল 'মাইনৰিটি ইনষ্টিটিউট। ইয়াত বিভিন্ন জনজাতীয় ল'ৰা ছোৱালীইঁতে নানা বিষয়ে শিক্ষালাভ কৰিবলৈ আহে। জনজাতীয় লোকসকলৰ বাবে এনে ধৰণৰ পৃথক বিৰাট বিদ্যালয়ৰ প্ৰয়োজনীয়তা আছে। কিয়নো, যুগ যুগ ধৰি তেওঁলোকে 'অশিক্ষিত পাৰ্গতালি'ৰেই জীৱন কটাই আহিছে, এতিয়াহে কিতাপ-বহী হাতত লোৱা হৈছে। এই ইনচটিটিউটত যিসকলক দেখিলোঁ তেওঁলোকেই প্ৰথম শিক্ষিত প্ৰজন্ম।

ইয়াত বত্ৰিছটা খেলৰ জনজাতি আছে—ই থাই, পাই, হুই (মুছলমান), তিব্বতী, বাং, মিয়াও, ইয়াছ, নু, হানি, লাহু, পুনি (মংগোলীয়) ইত্যাদি ইত্যাদি। সৰ্বমুঠ আঠ মিলিয়ন মাইনৰিটি। এওঁলোকৰ সৰহভাগেই পৰ্বতীয় ঠাইত থাকে আৰু শতকৰা আশীভাগ ঠাইত পিপ'লছ কমিউন প্ৰতিষ্ঠিত। এওঁলোকৰ প্ৰতি খেলৰ 'ডায়্যালেক্ট' বা দোৱান বা কথ্যভাষা স্বকীয়া, ধৰ্ম, আচাৰ আচৰণ, সমাজ-ব্যৱস্থা বেলেগ বেলেগ, কোনো কোনো খেলৰ মাজত এতিয়াও কেপিটালিস্ট প্ৰথা আছে, দাস প্ৰথা আছে ফিউডালিজমো নথকা নহয়। এইবোৰ উন্নতিৰ বাটৰ হেঙাৰ। লাহে লাহে পৰিৱৰ্তন হ'ব ধৰিছে। এওঁলোকৰ মাজত ডেম'ক্ৰেটিক ৰিফৰ্ম কৰা হৈছে। ইণ্ডাষ্ট্ৰি হৈছে। পাওৱাৰ ষ্টেশ্যন এওঁলোকে নিজেই নিৰ্মাণ কৰিছে। যিসকলে গণ্তি কৰিবলৈ হ'লে আগতে কাঠৰ সৰু সৰু টুকুৰাত ৰছী বান্ধি ওলোমাই থৈছিল, বেমাৰ আজাৰ হ'লে কুকুৰা বলি দিছিল, তেওঁলোক বিজ্ঞান শিক্ষাত বহুদূৰলৈকে আগবাঢ়ি গৈছে। এওঁলোকৰ

মাজত কথাই কথাই যুদ্ধ লাগিছিল। জলকীয়া পঠাই দিলেই যুদ্ধৰ আৰম্ভণি আৰু কুঁহিয়াৰ বা চেনি পঠিয়ালেই সন্ধি।

বিভিন্ন জনজাতীয় মানুহ নিজা নিজা সাজ-পাৰেৰে সজ্জিত হৈ আহিছিল। তেওঁলোকৰ সাজ-সজ্জা, প্ৰথা, সংস্কাৰ—সকলো বেলেগ বেলেগ। ১৯৫১ চনৰ পাছত এওঁলোকৰ আৰণ্যক জীৱনলৈ নতুন সভ্যতাৰ ধাৰা আহিল। চিকিৎসাৰ উন্নতি ঘটিছে, বিদ্যালয় খোলা হৈছে, মাৰ্কছ লেনিন মাও চে তুঙৰ চিন্তাধাৰাৰ পঠন-পাঠন হৈছে। তাৰ ফলত, জনসংখ্যা ক্ৰমবৰ্ধমান। কিন্তু ফেমিলি প্লেনিঙে এতিয়াও বৰকৈ শিপোৱা নাই। মই এওঁলোকক ক'লোঁ যে, হান্ চীনাসকলৰ অনুকৰণ কৰি এওঁলোকে যেন এওঁলোকৰ সুন্দৰ সাজ পাৰ আৰু আ-অলংকাৰ পৰিত্যাগ নকৰে। তেওঁলোকৰ সৈতে ফটো তোলা হ'ল।

কুনমিনত আমি যিবোৰ আচৰিত বস্তু দেখিলোঁ, তাৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য হ'ল স্টন ফৰেস্ট। কুনমিনৰপৰা এশ ত্ৰিছ মাইল দূৰৈত সেউজীয় শস্যক্ষেত্ৰৰ মাজেদি আমি গৈ আছিলো। এই পাৰ্বত্য প্ৰদেশত 'ই' উপজাতিৰ বাস। আমি শুনিলোঁ, সাতাইছ লাখ মিলিয়ন বছৰৰ আগতে ইয়াত সাগৰ আছিল। সেই সাগৰৰ বুকুৰপৰা স্যুৱান পৰ্বতমালাই মূৰ দাঙি উঠিছে, সামুদ্ৰিক জীৱাশ্মও পোৱা গৈছে। আৰু থিয় হৈ আছে পাথৰৰ অদ্ভুতদৰ্শন স্তম্ভ। মাইলৰ পিছত মাইল জুৰি এই আচৰিত দৃশ্যৰ এক উদ্ভট শোভা। ইয়াক স্টন ফৰেস্ট বোলে।

কুনমিনত দুদিন থাকি আমি আকৌ সেই সৰু প্লে'নখনত উঠি চাংছা পালোঁগৈ। এইবাৰ চাংছাত দুই এদিন থাকিব লাগিব। ওচৰতেই মাও চে তুঙৰ জন্মভূমি। চীনদেশৰ লোকসকলৰ তীৰ্থক্ষেত্ৰ।

প্ৰত্যেক বিমানকোঁঠ, বিদ্যালয়, পুথিভঁৰাল আৰু কমিউনত—অৰ্থাৎ প্ৰত্যেক ৰাজহুৱা ঠাইতে—মাও চে তুঙৰ ছবি, স্টেটিউ—অৰ্থাৎ মূৰ্তি স্থাপিত হৈছে। কোনো কোনো ঠাইত মাৰ্কছ এংগেলছৰ কাষত। এতিয়া তাৰ কাষতে হুৱা কুৱা ফেঙৰ চিত্ৰয়ো ঠাই অধিকাৰ কৰিছে। ইয়াং ছিকিয়াং নৈৰ দলঙৰ টাওৱাৰৰ ঘৰটোত আটাইতকৈ ডাঙৰ স্টেটিউ দেখা পালো। প্ৰায় দোতালাৰ সমান ওখ।

শুনিছিলোঁ, মাও চে তুং ব্যক্তিপূজাৰ বিৰোধী আছিল। কোনো বিৰাট সভাত যেতিয়া শই শই তেওঁৰ ছবি দাঙি ধৰা হৈছিল তেতিয়া তেওঁ বিৰক্ত হৈছিল। এই বিষয়ে এবাৰ এডগাৰ স্ন'ৰ ওচৰত তেওঁ ক্ষোভ প্ৰকাশো কৰিছিল।

কিন্তু তেৰোঁ ব্যক্তিপূজা বন্ধ কৰিব নোৱাৰিলে। হয়তো তেনেকৈ চেষ্টাও কথা নাছিল। জগতৰ সকলো মহাপুৰুষেই ব্যক্তিপূজা কৰিবলৈ নিষেধ কৰিছিল —কিন্তু এজনো সফল হোৱা নাছিল। কেবল মহম্মদহে কিয়ৎপৰিমাণে সফল হৈছিল। তেওঁৰ শিষ্যবৰ্গ ই তেওৰ চিত্ৰ ৰখা নাই।

চীনাসকলে পূৰ্বপুৰুষৰ পূজা বন্ধ কৰিছে, যদিও নতুন এবিধ পূজাৰ যে প্ৰৱৰ্তন কৰিছে তাতো সন্দেহৰ থল নাই। যুগ যুগ ধৰি চীনৰ মানুহে সম্ৰাটৰ সিংহাসনৰ আগত মূৰ দোঁৱাই আহিছে। ডাঙৰৰ আগত অৱনত হোৱাৰ অভ্যাস এছিয়াৰ চৰিত্ৰ—ইঅ'ৰোপৰ নহয়। এতিয়া চীনদেশৰ সকলোৱেই হেণ্ডশ্বেক কৰে, আন কোনো ধৰণৰ অভিবাদন ৰীতি চকুত পৰা নাই।

পাশ্চাত্য দেশৰ এগৰাকী থিয়'লজীৰ অধ্যাপকে মোক কৈছিল ধৰ্মচিন্তা, আনকি পূজাৰ ভাব, মানুহৰ সত্তাৰ এনে এক অভিন্ন অংগ যে, তাৰ ৰূপৰ পৰিৱৰ্তন হ'লেও উৎপাটন সম্ভৱ নহয়। যুগে যুগে আচাৰ অনুষ্ঠানৰ ধা ধৰণৰহে পৰিৱৰ্তন হয় মাথোন।

শ্ৰীকৃষ্ণৰ মূৰ্তিৰ আগত ফুলৰ মালা অৰ্পণ আৰু মাও চে তুঙৰ মূৰ্তিৰ সন্মুখত স্তৱগীতি—কথা একেই। পিছে অলপ পাৰ্থক্য নথকা নহয়। আপাতত শ্ৰীকৃষ্ণ আমাৰপৰা বহু দূৰৈত, কিন্তু মাও চে তুং নিচেই ওচৰত। মানুহ হিচাপেই তেওঁৰ মূল্য—দেৱত্ব আৰোপ কৰিলে তেওঁৰ মূল্য কমিব। সেইবাবেই, এগৰাকী গান্ধী-ভক্তই যেতিয়া গান্ধীজীৰ জীৱদ্দশাতেই মন্দিৰত তেওঁৰ মৰ্মৰমূৰ্তি স্থাপন কৰিছিল তেতিয়া গান্ধীজীয়ে কৈছিল 'Worst caricature of myself'

তথাপি এই কেৰিকেশ্বাৰৰ অন্ত পৰা নাই। গান্ধী-টুপি মূৰত পিন্ধি গান্ধীভক্তৰ দলে তেওঁৰ মতৰ সম্পূৰ্ণ বিপৰীত কাম কৰি আছে। মানুহ যদি দেৱতা হৈ যায়, তেতিয়া সেই দেৱতাজনৰ প্ৰতি মানুহৰ আৰু কোনো দায়িত্ব নাথাকে, তেতিয়া সকলোৱেই তেওঁৰ দোহাই দিয়ে।

যুদ্ধত দুয়ো পক্ষয়েই যেনেকৈ 'হে আল্লাহ বচোৱা, শত্ৰু নিপাত কৰা'

বুলি কয়—গেং অব ফোৰ বা দুই চতুষ্টয়েও কৈছে 'আমিয়েই মাও চে তুঙৰ বাণীৰ যথাৰ্থ ধাৰক'। এওঁলোকৰ শত্ৰুসকলেও তাকে কৈছে। মই যুক্তিৰে বুজি পাওঁ, ব্যক্তিপূজা উচিত কাম নহয়। আকৌ সেই অধ্যাপকগৰাকীৰ কথাও তুই কৰিব নোৱাৰোঁ। যে মানুহৰ মনৰ মাজত এখন সিংহাসন পাৰি থোৱা আছে, তাত যুগে যুগে মূৰ্তিৰ সাল সলনি হ'ব—কিন্তু সেই আসন কাহানিও শূন্য হৈ নাথাকিব।

৩০ ডিচেম্বাৰৰ পিছবেলা ৩ বজাত চাংছা পালোঁগৈ। হুনান প্ৰদেশৰ এই ৰাজ্যত ছাওছান নামৰ এখন গাঁৱত মাও চে তুঙৰ জন্ম। সেই দিনাই গাড়িৰে ১০৪ কিল'মিটাৰ গৈ ছাওছান গাঁও পালোঁগৈ। ছিয়াং চিয়াং নামৰ নৈৰ ওপৰেদি যাওঁতে সেই ফেনে ফোটোকাৰে বৈ যোৱা নৈলৈ আঙুলিয়াই তেওঁলোকে ক'লে, "সৰুতে মাও চে তুঙে এই নৈত সাঁতুৰি-নাদুৰি গা ধুইছিল। মাও চে তুং আছিল সুদক্ষ সন্তৰণবিদ—বুঢ়া বয়সতো এবাৰ সেই কথাৰ প্ৰমাণ দিছিল তেওঁ।"

আমি প্ৰথমে মাও চে তুঙৰ পিতৃৰ বাসগৃহ চালো। পাঁচ ছটা খোটালী, পাকঘৰ, চোতাল আৰু গাহৰিৰ গৰাল। আমাৰ যেনেকৈ গৰু, তেওঁলোকৰো তেনেকৈ এই পশুটি অৱশ্য পালনীয়। ঘৰ-দুৱাৰ চাই এওঁলোক বৰ নি কিন নাছিল যেন লাগিল। মধ্যবিত। পাকঘৰটো ভাগি উৰ লি গৈছিল। নতুনকৈ সজোৱা হৈছে। এবাৰ এই ঘৰটো চাবলৈ মাও চে তুং আহিছিল। তেতিয়া তেওঁক বোলে সোধা হৈছিল যে সকলো ঠিকেঠাকে কৰা হ'লনে নাই। তেও হেনো কৈছিল, পাকঘৰটো অলপ বেছি মডাৰ্নাইজ কৰা হ'ল।

পাছদিনা আমি আমি আকৌ ছাওছানলৈ গ'লোঁ আৰু ওৰে দিনটো তাতেই কটালোঁ। তাতে মাও চে তুঙৰ স্মৃতিভৱন নিৰ্মাণ কৰা হৈছে। তেওঁৰ সৰুকালৰেপৰাই সুদীৰ্ঘ জীৱনৰ ঘটনাৱলী চিত্ৰযোগে দাঙি ধৰা হ'ব। এতিয়ালৈ মাথোন কেইটিমান ঘৰহে নিৰ্মাণ কৰা হৈছে। ইয়াতেই তেওঁৰ শৰাধাৰ স্থাপত হ'ব।

আমি শুনিছিলোঁ, মাও চে তুঙে চাৰিবাৰ বিবাহ কৰাইছিল। প্ৰথম বিবাহ তেওঁৰ মাক দেউতাকে তেওঁলোকৰ পচন্দমতে কৰাই দিছিল আৰু তেতিয়া

তেওঁ আছিল নিচেই সৰু। কিমান বয়সত সেইটো কথা জনা নাযায়। কিয়নো, এই বিষয়ে লিখিতভাৱে একো পাবলৈ নাই। অন্তত মই পঢ়া নাই। শুনিলোঁ, সেই বিবাহ প্ৰায় অসমাপ্ত আছিল। সেইগৰাকী পত্নীৰ লগতে তেওঁৰ মিলন হোৱা নাছিল হেনো। এইবোৰ কথা অৱশ্যে চীনা বন্ধুসকলে কোৱা নাছিল, আৰু স্মৃতিভৱনত তেওঁৰ প্ৰথম বিবাহৰ উল্লেখো নাই। দ্বিতীয়া পত্নী হ'ল ইয়াং কাই হুই—যি গৰাকীৰ লগত তেওঁৰ নৰ্মাল স্কুলত ছাত্ৰাৱস্থাত চা চিনাকি হৈছিল, সেই ইয়াং কাই হুইৰ জীৱনী বিশেষভাৱে চিত্ৰিত হৈছে। মাও চে তুং যেতিয়া গৰিলা যুদ্ধত নিয়োজিত তেতিয়া কুওমিনটাংইতে মাও চে তুঙৰ এই বীৰ পত্নী-গৰাকীক হত্যা কৰিছিল। মাও চে তুঙৰ বিখ্যাত কবিতা এইগৰাকী পত্নীৰ উদ্দেশ্যে লিখিত হৈছিল, সেই কথা আগতেই উনুকিয়াই অহা হৈছে। এওঁৰ মৃত্যুৰ পাছত, সম্ভৱতে লং মাৰ্চৰ কালছোৱাত, তেওঁ আন এগৰাকী মহিলাক বিবাহ কৰাইছিল। তেও যক্ষ্মা ৰোগাক্ৰান্ত হৈ চিকিৎসাৰ বাবে ছোভিয়েত ইউনিয়নলৈ গৈছিল আৰু তাতেই ঢুকাইছিল। তাৰ পাছত তেওঁ চিয়াং চিঙক বিয়া কৰাইছিল।

মাও চে তুঙৰ দুগৰাকী পত্নী যে ৰাজনীতি সচেতন আৰু ব্যক্তিত্বসম্পন্না আছিল সেই কথাত সন্দেহ নাই। এই কথাত মই আচৰিত হ'লো যে, ইমান ডাঙৰ মানুহ এজনৰ জীৱন সম্বন্ধে লিখিবলৈ, কবলৈ বা জনাবলৈ হ'লেনো তাত সংশোধনৰ আৱশ্যকতা কি? প্ৰথমগৰাকী পত্নীৰ উল্লেখ কৰিলে কি জগৰ লাগিলহেতেন? আৰু শুনিলো, চিযাং চিঙৰ কোনো উল্লেখ তাত নাথাকিব। এই কথাত মই ভাল নাপালোঁ। কিয়নো, মাও চে তু যেনে প্ৰকৃতিৰ আছিল তাতকৈ তেওঁক ভাল কৰাৰ দায়িত্ব কাৰো নাই।

এই বিষযত অৱশ্যে আমাৰ দেশৰ জীৱনীকাৰসকলৰ অৱস্থাও একেই। আমি তেজ মঙহৰ মানুহক দেৱতাৰ শাৰীলৈ তুলিবলৈ বিচাৰোঁ। তেতিয়া মানুহৰ অনিষ্ট সধা হয়। সত্য খণ্ডিত হয়। সত্যযেই ধ্ৰুৱতৰা। এটা কল্পিত আদৰ্শ কোৱা ভাতুৰী স্বৰূপ।

ডি ছুমবাৰ মাহৰ শেষছোৱা ছাওছানতে কটালোঁ। প্ৰচণ্ড জাৰ। আমি কলোঁ, 'ক'ত তোমালোকৰ গৰম? দক্ষিণ আৰু উত্তৰ দেখোন একেই। চাংছাতো হাড়কঁপোৱা জাৰ।"

আমি আৰু সুধিলোঁ, "কোৱাচোন বাৰু, ইয়াৰ পিছৰ গন্তব্যস্থল কুইলীনত এতিয়া গৰম নে ?"

লীএ ক'লে, "মই আৰু একো নকওঁ। বতৰে বিশ্বাসঘাতকতা কৰিলে।"

মাও চে তুঙৰ স্মৃতিসৌধ দেশৰ সকলোতে সিঁচৰিত হৈ আছে। সাংহাইত দেখিছিলোঁ ফ্রেঞ্চ কনছেশ্যনৰ মাজত ক'ত তেওঁলোকৰ গোপন মিটিং পতা হৈছিল, সেই ঘৰ সেই মেজ চকী সকলো তেনেকৈ ৰাখি থোৱা হৈছে। তেওঁলোকৰে মাজৰে এজনে বিশ্বাসঘাতকতা কৰি ধৰাই দিয়াৰ উপক্রম কৰিছিল কিন্তু ফৰাছী সৈন্য আহি পোৱাৰ আগতেই এখন নাৱেৰে তেওঁলোক পলাই গৈছিল আৰু স্থায়ীভাৱে ক'তো আৰু সভা নাপাতি নাৱতে নতুন নতুন ঠাইত তেওঁলোকৰ গুপুত সভা পাতিছিল।

১৯২১ চনত যি কামৰ সূচনা হৈছিল ১৯৪৯ চনত সি সফল হ'ল—'পিপ'লছ ৰিপাবলিক অৱ চায়না' প্রতিষ্ঠিত হ'ল।

এই দীর্ঘ সংগ্রামৰ ইতিহাস লিখিত আছে, আৰু থাকিব। কিন্তু মাও চে তুঙৰ প্ৰথমা পত্নীৰ বেদনা, যিগৰাকী মহিলাই দিগ্বিজয়ী স্বামীক হেৰুৱায়ো চাগৈ তেওঁৰ শ্ৰদ্ধা বজায় ৰাখিছিল—তেওঁৰ বেদনা ক'তো লিপিবদ্ধ নাথাকিব। কিন্তু অধুনা নিন্দিত চিয়াং চিঙৰ কোনো বিশেষ আকর্ষণৰ কথা—কি গুণেৰে তেওঁ ইমান ডাঙৰ মানুহজনক প্রভাবিত কৰিছিল—সেই কথাবো চাগৈই একো সন্ধান পোৱা নাযাব।

আন কাৰো এইবোৰ কথাৰ আৱশ্যকতা নাথাকিলেও সাহিত্যিকসকলৰ আছে। এইবোৰ প্ৰশ্নৰ সৈতে সাহিত্যৰ নাড়ীচক্ৰৰ যোগ আছে। সেই যোগ ছিঙি পেলালে আৰু সদায় অনুমোদিত বিষয় লিখিবলগীয়া হ'লে কাব্যৰ প্ৰাণৰস শুকাই যায়, মৰহি যায়।

জানুৱাৰিৰ ১ তাৰিখে আমি নৰ্মাল স্কুল চাবলৈ গ'লোঁ। সিদিনা কিনকিনাই বৰষুণ দি আছিল। আমি তিতি বুৰিয়েই ঘূৰি ফুৰিবলৈ ধৰিলোঁ। এই বিদ্যালয় গৃহ একেবাৰে বিলাতী ধৰণৰ, ইংৰাজসকলে নির্মাণ কৰা।

ৰবীন্দ্ৰনাথৰ সৈতে মাও চে তুঙৰ মিলসমূহ মনত পৰিল। অমিল ইমান যে তাৰ তালিকা বৰ দীঘলেই হ'ব। দুয়োগৰাকীয়েই কবি, দুয়োগৰাকীয়েই নৰ্মাল স্কুলত পঢ়িছিল, দুয়োগৰাকীয়েই ধলপুৱাতে চেঁচাপানীৰে গা ধুইছিল, দুয়োজনেই ভালকৈ সাঁতুৰিব পাৰিছিল—আৰুনো কিমান মিল লাগে ?

এই নৰ্মাল স্কুল আৱাসিক। যিটো কোঠাত মাও ছাত্ৰাৱস্থাত আছিল সেই কোঠালৈ সোমাই গাইডে ক'লে, ইয়াত তেও ছাত্ৰসকলৰ সৈতে দিনে-নিশাই আলোচনা কৰিছিল—ৰাজনীতি, সমাজ ব্যৱস্থা, শিক্ষা ইত্যাদি বিভিন্ন বিষয়ত। কিন্তু কেইটিমান বিষয়ত আলোচনা নিষিদ্ধ আছিল। তেওঁ কৈছিল অৰ্থ-সম্পদ, ব্যক্তিগত বিষয় আৰু প্ৰেম-পীৰিতিৰ কথা আলোচনা নকৰিবা।

নৰ্মাল স্কুলত তেওঁ চাৰে পাঁচ বছৰ পঢ়াশুনা কৰিছিল আৰু ডেৰ বছৰকাল পঢ়াইছিল। ওচৰে পাঁজৰে যিবোৰ ফেক্টৰি আছিল তাৰ শ্ৰমিকসকলৰ বাবে স্বেওঁ নৈশ বিদ্যালয়ো চলাইছিল। তেও কৈছিল জনগণৰ শিক্ষক হ'বলৈ হ'লে আগতে তেওলোকৰ শিষ্য হ'ব লাগিব। ১৯২০ চনৰপৰা ১৯২২ চনলৈকে তেও এই বিদ্যালয়ৰ অধ্যক্ষ আছিল। তেতিয়া তেওঁ গোপনে গোপনে কমিউনিষ্ট পাৰ্টিৰ কাম কৰিছিল।

এই বিদ্যালয়তে তেও তেওঁৰ অধ্যাপকৰ জীয়েকৰ সৈতে চিনাকি হৈছিল। তেওঁলোক পৰস্পৰৰ কৰ্মৰ সহযোগী হৈ উঠিছিল। বাছত তেওঁ অধ্যাপকৰ জীয়েকক বিবাহ কৰে। এৱেঁই আছিল মাও চে তুঙৰ দ্বিতীয়া পত্নী আৰু আজিৰ চীনদেশত এৱেঁই সৰ্বাধিক স্বীকৃত শ্বহীদ ইয়াং কাই হুই।

মই লীক ক'লোঁ, "বাহ, বেছ কথা। মাও চে তুঙে 'লভ এফেয়াছ´' অৰ আলোচনা কৰিবলৈ বাৰণ কৰি নিজে বেছ প্ৰেমত পৰিলে তো।"

লীএ ক'লে, "তেওঁ প্ৰেমত নপৰিব বুলি তো কোৱা নাছিল।"

মাও চে তুং এগৰাকী পূৰ্ণ মানুহ—মনতো যেনেকৈ সম্পূৰ্ণ দেহতো বলীয়ান। এটা কুঁৱালৈ আঙুলিয়াই তেওঁলোকে ক'লে, তেওঁ কলেজত থাকোঁতে ধলপুৱাতে এই কুঁৱাৰপৰা পানী তুলি সেই চেঁচাপানীৰে গা ধুইছিল। ৰ'দ ওলালে প্ৰচণ্ড গৰমত ৰৌদ্ৰস্নান, কোৱাল বতাহ মাৰিলে বতাহৰ মুখামুখি থিয় হৈ বায়ুস্নান, তাৰ পাছত দৌৰ, পৰ্বতাৰোহণ, আৰু বৰফগলা পানীত সাঁতোৰ।"

বৰ্ণনা শুনি বুজিলোঁ যে, তেওঁ তেওঁৰ শৰীৰটোক গঢ়ি-পিটি একেবাৰে মজবুত কৰি তুলিছিল আসন্ন সংগ্ৰামৰ বাবে। সেয়েহে অবিশ্বাস্য লং মাৰ্চ্চ সম্ভৱ হৈ উঠিছিল। সুস্থ শৰীৰ আৰু সুস্থ মনৰ আদৰ্শস্বৰূপ এই মানুহজনৰ কথা যিমানেই শুনিছোঁ সিমানেই মুগ্ধ হৈছোঁ মই। আৰু সেয়েহে তেওঁৰ অন্তৰ্জীৱনৰ কথা জানিবলৈ মোৰ ইমান আগ্ৰহ। তেওঁ অন্তৰত আমাৰ দৰেই সুখ-দুখকাতৰ এজন মানুহ আছিলনে? তৰুণী ভাৰ্য্যাৰ উচ্চাকাংক্ষাই তেওঁক পীড়িত কৰি তুলিছিলনে?

আমাৰ লৈতে পিকিং ৰেডিয়ৰ এজন ভদ্ৰলোকো আছিল। তেওঁ হিন্দীত মাত বোল কৰিব পাৰে।

মই তেওঁক সুধিলো, 'মোক কওক, চিয়াং চিঙৰ কি গুণ আছিল। দোষৰ কথা তো শুনিলো। কিন্তু ইমান ডাঙৰ মানুহজনক সেইগৰাকী মানুহে কি গুণেৰে আকৰ্ষণ কৰিছিল—? তেওঁলোকৰ মাজত 'মুহব্বত' তো হৈছিল?"

সেই হিন্দীভাষী চীনাই হো হোকৈ হাঁহিবলৈ ধৰিলে। তেওঁ প্ৰতি কথাতেই হাঁহে। হাঁহি হাঁহি ক'লে, মুহব্বত! তাই একেবাৰে যাক বোলে এক নম্বৰ চয়তান!'

বুজক এতিয়া!

গাড়িত উঠি মই লীক সুধিলো, 'এতিয়া তোমাৰ কথা কোৱা। তোমালোকে আপোন ইচ্ছাৰেই বিয়া কৰাইছিলানে?'

লীএ ক'লে, 'ও। আমি যেতিয়া গাঁৱলৈ গৈছিলো তেতিয়া তেওঁৰ সৈতে দেখাদেখি হৈছিল। পিছে মোৰ মা দেউতাৰপৰা সন্মতি লৈছিলোঁ। তেওঁলোকক একো নকৈ বিবা এটা কৰাৰ কথা মই ভাবিবই নোৱাৰোঁ। পচিমীয়া দেশবিলাকত ল'ৰা ছোৱালীহঁতে সিহঁতৰ মাক দেউতাক কেনেকৈ যে ইমান কষ্ট দিয়ে।"

"লী, তুমি তো হাৰ্ভাৰ্ডত পঢ়া ল'ৰাহঁতৰ দৰে—কথাই বতৰাই চালে চলনে নগৰীয়া। গাঁৱলৈ গৈ তুমি কেনে পাইছিলা, সঁচাকৈ কোৱাচোন।" মই লীক সুধিলো।

লীএ ক'লে, প্ৰথমৰ কালে ভাল লগা নাছিল। কিয়নো, কৃষকসকলে বৰ ককৰ্থনা কৰিছিল। আৰু তেওঁলোকৰ যেতিয়া খং উঠে তেতিয়া বৰ সভ্য ভাৱে

গালিগালাজ নকৰে। পাছত বুজিলোঁ, তেওঁলোকে মৰমো কৰে—বৰ মৰম কৰিব জানে। প্ৰথমে আমি মে' ছেভেন স্কুললৈ গ'লোঁ। তাতে থাকিলোঁ। কৃষকসকলে আমাক খেতি পথাৰ দেখুৱাই দিলে। ঘেঁহু খেতিৰপৰা কেনেকৈ ঘাঁহ বাছি বাছি উঘালি পেলাব লাগে তাকো দেখুৱাই দিলে। কিন্তু দুখৰ কথা, আমি ঘাঁহ আৰু ঘেঁহুৰ পাৰ্থক্য বুজিব নোৱাৰি ঘেঁহুবিলাককে উভালি পেলালোঁ। অলপ পাছত তেওঁলোক ঘূৰি আহিল। আমাৰ কাণ্ড দেখি তেওঁলোকৰ মুখৰ মাত নাইকিয়া হ'ল। তেওঁলোকে দেখা পালে—চহৰৰপৰা অহা এই পঙ্গপালে খেতি পথাৰ ভালকৈয়ে উছন কৰিলে। আৰু তেতিয়া তেওঁলোকৰ তিগ্ৰমাস্তি খং উঠিল।'

লীএ আকৌ ক'লে, "মই তেৰ বছৰ আছিলোঁ তাত। সেই ঠাই এৰি গুচি আহোতে মোৰ মনৰ অৱস্থা এতিয়া তোমাৰ যেনে হৈছে, তেনেকুৱা হৈছিল।"

হয় নেকি ? সেয়ানো কি ?"

'যেনে ধৰা—দেশলৈ উভতি যোৱাৰ কথা ভাবি তুমি ভাল পাইছা, আকৌ আমাক এৰি গুচি যোৱাৰ কথা ভাবি তোমাৰ বেয়াও লাগিছে। নহয়নে ? আমাৰো হৈছিল তেনেকুৱা, তেওঁলোকক এৰি গুচি আহোঁতে আমাৰ চকু চলচলীয়া হৈছিল।

মোৰো তেনেকুৱাই হ'ব লা, মই বুজি পাইছো।'

চাংছালৈ আমি পুনৰ গৈছিলো এটা সমাধি চাবলৈ। তিনি হাজাৰ বছৰৰ পুৰণি ৰজা-ৰাণীৰ সমাধি। ১৯৭২ চনত তিনিটা হাফলুৰপৰা ৰজা ৰাণী আৰু তেওঁলোকৰ পুত্ৰৰ সমাধি খান্দি ধুনীয়া ধুনীয়া বস্তু-বাহানি পোৱা গৈছিল—যেনেকৈ পোৱা গৈছিল মিছৰত।

ভাবিলে আচৰিত যেন লাগে—একো এ কাটা যুগৰ ধ্যান ধাৰণা কেনেকৈ সৰ্বব্যাপী হৈ উঠিব পাৰে। ধ্যান ধাৰণাৰ বাতাবৰণ সৃষ্টিৰ বাবে কোনোবা অজ্ঞাত নিয়ন্তাই কাম কৰিছেনে কি ?

কোনে ক'ব ?

সুদূৰ ঈজিপ্টতো যি কাম কৰা কৈছিল, ইয়াতো সেই এ কটা কামকে কৰা

হৈছিল। এটি মমি আবকৃত আছে। এনেহেন আশ্চৰ্য্য মমি ক'তো আৰু দেখা নাছিলোঁ। কাপোৰ-কানিৰে মেৰিউৱা নহয়—একেবাৰে উদং শুকুলা মৰ্মৰমূৰ্তিৰ দৰে শুই আছে। মমিৰ পেটৰ নাড়ী-ভুঁৰু ইমানেই অবিকৃত যে, সেইবোৰ পৰীক্ষা কৰি এই মহিলাগৰাকী কোন বেমাৰত মৰিছিল সেই কথাও নিৰ্ণয় কৰা হৈছে।

বয়-বস্তুবোৰ দেখুৱাই থাকোঁতে গাইডে যথাৰীতি কৈ থাকিল এই আটাইবোৰ শিল্প-সামগ্ৰীয়েই তেতিয়াৰ দিনৰ সাধাৰণ দুখীয়া মানুহে কৰা, তেওঁলোকৰ শ্ৰমৰ ফল। এই আওপুৰণি দ্ৰব্য সামগ্ৰীৰ মাজত থকা এটা টেপেষ্ট্ৰিয়ে মোৰ দৃষ্টি আকৰ্ষণ কৰিলে। তাত ভালেমান মানুহৰ মূৰ্তিয়ে পশুবিলাকৰ অনুকৰণত ব্যায়াম কৰা দেখা গৈছে। এওলোক ব্যায়াম কৰিবলৈ বৰ ভাল পায়। অতি প্ৰাচীন কালত দেশ-বিদেশত কেনেকৈ যে একে ধৰণৰ আচাৰ আচৰণ ঘটিছিল, সেই কথাটোৱে মোক ভবাই তুলিছিল।

গাড়িত উঠি চাংছাৰ এজন দোভাষীক মই সুধিছিলো, 'তোমালোকৰ এখন প্ৰাচীন মহাকাব্য আছে, সেইখনৰ নাম মাংকি। সেই সম্বন্ধে কিব জানানে?"

তেওঁ ক'লে, "নাজানো।'

মই জানিছিলোঁ, এওলোকৰো আমাৰ মহাভাৰতৰ দৰে বৃহৎ সুপ্ৰাচীন এপিক এখন আছে এতিয়া প্ৰফেছৰ ই এ শিকাগো বিশ্ববিদ্যালয়ত তাৰ ইংৰাজ ভাঙনি কৰিছে—বহু সময় লাগিব উলিয়াওতে।

বিশ্বম্ভৰ পাণ্ডে সেই গাড়িত আছিল। তেওঁ ক'লে, "পুৰণি হোৱা বাবেহে একো নাজানে, নতুন হোৱা হ'লে জানিলেহেঁতেন।"

পাছত মই বুজিছিলোঁ, মোৰ প্ৰশ্নটোতে ত্ৰুটি আছিল। কাহিনীটিৰ নাম 'মাংকি' নহয়, 'মাংকি কিং', অৰ্থাৎ 'বান্দৰ ৰজা'। 'বান্দৰ ৰজাৰ কাহিনী আজিও চীনত বহুল প্ৰচলিত আৰু বিশেষ প্ৰিয় আৰু উপভোগ্য ৰূপকথা। এই মহাকাব্যৰ সচিত্ৰ শিশুপাঠ্য সংস্কৰণ দেখিছো মই। এখন ছাৱি দেখিছিলোঁ—গভীৰ পাৰ্বত্য জংগলত মানুহৰ মুখৰ দৰে মুখ থকা বান্দৰে জঁাপ মাৰিছে। ঠিক যেন হনুমানেহে গন্ধমাদন কঢ়িয়াই আনিছে। ভাৰত ভ্ৰমি অহা গৃহস্থ গৰাকীয়ে মোক ক'লে যে, এই কাহিনীৰ সৈতে ৰামায়ণৰ হনুমানৰ অৱশ্যেই

কিবা ধৰণে যোগাযোগ আছে। বান্দৰ-ৰজাও পুণ্যবান পৰহিতকাৰী। ভাবিলোঁ, —তেওঁক কওঁ,—স্কলাৰশ্বিপ দিয়ক, এতিয়াই বহুতো ৰিছাৰ্চ ওৱাৰ্কাৰ পোৱা যাব, যিসকলে দুয়োখন দেশ ঘূৰি ঘূৰি প্ৰমাণ সংগ্ৰহ কৰিব পাৰিব যে, ৰামায়ণৰ অমৰ হনুমান চীনদেশলৈকো গৈছিল।

জানুৱাৰিৰ ১ তাৰিখে আবেলি চাৰি বজাত আমি বেলেৰে চাংছাৰপৰা কুইলীনলৈ ৰাওনা হ'লোঁ। চাংছাৰ প্ৰচণ্ড জাৰত ষ্টেশ্যনত এভাবৰ জুই পুৰাই থাকোঁতে ট্ৰেন এবোঁ এবোঁ হৈছিলেই। তেতিয়া প্ৰায় দৌৰাদৌৰি কৰিহে ট্ৰেইনত উঠিবলগীয়া হৈছিলোঁ। বৰফো পৰিছিল, বৰষুণো দিছিল।

মাজনিসা কুইলীন পালোঁহি। বৰষুণ, বৰফ আৰু তীব্ৰ চেঁচা বতাহে হাড়-ছাল ভেদ কৰি গৈছে। আমি এখন বাগিচাৰ মাজত থকা গেস্ট হাউছত সোমালোঁহি। মনোৰম বাগিচা আৰু নিজৰাৰে সুসজ্জিত গেস্ট হাউছ। নাম হ'ল 'বেনিয়ন ট্ৰি গেস্ট হাউছ'। বহু পুৰণি বড়গছ এজোপা আছে অৱশ্যে। কিন্তু প্ৰচণ্ড জাৰৰ কোবত কোনো ফালে চকু মেলি চাব নোৱাৰোঁ। লানি লগোৱা ঘৰবিলাকত কোনোৰকমে আহি সোমালোঁহি।

বৎসলা অতি শীত-কাতৰ—হিটাৰতে গাটো লগাই ক'লে, 'অকণো গৰম হোৱা নাই।"

লাউঞ্জত মাল পত্ৰবোৰ জমা হৈছেহি। এতিয়া আমি আৰু মাল পত্ৰ কঢ়িয়াবলগীয়া হোৱা নাই। কোনোবা নহয় কোনোবা এজনে আনি দিয়ে। কিন্তু দেখুৱাই দিবলৈ তো ঘৰৰপৰা ওলাব লাগিব। দুৱাৰ খুলিলোঁ, কোবাল বতাহত থিয় হ'ব নোৱৰা অৱস্থা।

লী আগবাঢ়ি আহিল আৰু মোক আগচি ধৰি ক'লে, "এই ঠাণ্ডাত যোৱা ক'লৈ? মই বাকচ আনি দিছো ৰ'বা।"

"কিন্তু মোৰ ছুটকেছটো তো দেখুৱাই দিব লাগিব—।"

"মই দহটা ছুটকেছ লৈ আহিম এই কোঠালৈকে, তোমাৰটো উলিয়াই ল'বা।"

সেই ইতালীয়ান মহিলাগৰাকীৰ লিখা মোৰ মনত পৰিল চীনাসকলে হেনো বয়-বস্তু নকঢ়িয়ায়।

বোধকৰোঁ ভাৰতীয়সকলৰ বাবে কঢ়িয়ায়।

কুইলীন হ'ল এবিধ ফুলৰ নাম। এই ফুলগছেৰে চহৰখন সজোৱা হৈছে। এতিয়া ফুল নাই। যেতিয়া থাকে তেতিয়া গোটেইখন চহৰ সুগন্ধেৰে আমোলমোলাই থাকে।

চাৰিওদিশ তেতিয়া মতলীয়া হয় সুগন্ধেৰে।

ইয়াত আমি কেৱল ঘূৰি ফুৰিম—কোনো শিক্ষা ল'বলৈ নাই। ঠাইডোখৰ আচৰিত। অ'ত ত'ত সৰু সৰু শিলৰ পাহাৰ, তাৰ ভিতৰত গুহা। স্টেলেগমাইট স্টেলেগমাইটৰ উৰ্ধ্বগামী আৰু নিম্নমুখী ধাৰাৰে গুহাৰ ভিতৰত বিচিত্ৰ দৃশ্য।

পুৰণি চীনত এইবোৰ দ্ৰষ্টব্য সজাই-পৰাই থোৱা নাছিল। এতিয়া একেবাৰে ইঅ'ৰোপৰ দৰে সজালে—সাংস্কৃতিক বিপ্লৱৰ পাছত। এই দেশৰ ওপৰত সাংস্কৃতিক বিপ্লৱে যে কি মন্ত্ৰ দিছিল, সেই কথাৰ উমান এতিয়াও ভালকৈ ল'ব পৰা নাই।

ইয়াত গুহা দৰ্শন, নৈৰ বুকুত ভ্ৰমণ—এইবোৰ কৰি কৰি তিনি চাৰিটা দিন বৰ আনন্দেৰে পাৰ হৈ গ'ল। আৰু এই জিৰণিৰ কালছোৱাত ছুটীৰ আৱহাৱাত আমাৰ বন্ধুসকলক আৰু কাষতে পালোঁ, বন্ধুত্বৰ সোৱাদ আৰু মধুৰ হৈ উঠিল। গুহাৰ ভিতৰত খলা-বমাইদি ঘূৰি ফুৰাটো যথেষ্ট কষ্টকৰ। কিন্তু সকলো সময়তে কোনো নহয় কোনো এজনে মোৰ পিছে পিছে টুল এখন লৈ মোৰ লগে লগে ঘূৰি ফুৰিছিল। যথেষ্ট অস্বস্তি অনুভৱ কৰিছিলোঁ কিন্তু দৰ্শনীয় বস্তুৰ আকৰ্ষণতকৈও এই প্ৰীতিৰ সুধা মোৰ ওচৰত মধুৰতৰ হৈ উঠিছিল। আৰু, মই সামান্য অক্ষম হোৱা বাবেই এয়া আছিল মোৰ ওপৰঞ্চি পাওনা।

টুল বাহকক ক'লোঁ, "কমৰেড, তুমি বহুতো পৰলৈকে কঢ়িয়াই ফুৰিছা,—এতিয়া আন এজনক দিয়াচোন।"

তেওঁ ক'লে, "I am doing it for my pleasure এই টুল কঢ়িউৱাতে মোৰ আনন্দ।"

তাৰ পাছত ক'বলগীয়া আৰু এ কা বিচাৰি নাপালোঁ।

একোৱেই নাপালোঁ।

জানুৱাৰিৰ ৩ তাৰিখে আমি পাৰ্বত্য পথেৰে পৰ্বতীয়া গাঁৱৰ বিচিত্ৰ শোভা চাই চাই পঞ্চাছ কিল'মিটাৰ বাট যোৱাৰ পাছত লিকিয়াং* নৈৰ উপত্যকা পালোঁগৈ। পৰ্বতক আগুৰি ধৰি এই নদী নৃত্যময়ী। তাত ভাঁপনাও সাজু হৈয়েই আছিল। প্ৰচুৰ খাদ্য সহকাৰে প্ৰায় তিনি ঘণ্টা জোৰা জল-বিহাৰ অতি সুখদায়ক হৈছিল। ইয়াতে প্ৰথম বাৰৰ বাবে চাৰিচুকীয়া মুড়িৰ পিঠা খালোঁ।

কুইলীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ এগৰাকী মহিলা অফিছাৰে আমাৰ সৈতে ভ্ৰমণ কৰিছিল। তেওঁৰ নাম মিছেছ ওৱাং হাংছে। নামটো উচ্চাৰণ কৰোঁতে উজুটি খালেও তেওঁৰ প্ৰীতিপূৰ্ণ ব্যৱহাৰ অবিস্মৰণীয়। তেওঁ সদায় মোৰ লগে লগে আছিল। মাজে মাজে কাৰোবাক লৈ আমি কথা-বতৰা পাতিছিলোঁ। সিও নিচেই সামান্য। কিন্তু মোৰ ধাৰণা—মই তেওঁক কোনো দিনেই পাহৰিব নোৱাৰিম। ই এক আচৰিত কথা। জীৱনৰ বাটত মানুহৰ ভিৰত কিমান যে মানুহ হেৰাই যায়, কিন্তু আচৰিত কথা এয়ে যে কোনো কোনোবাৰ ওচৰত কোনোবা কোনোবা চিৰ-চিনাকি হৈয়েই থাকে।

ফেৰি বাছেৰে আমি নৈৰ সিপাৰ পালোঁগৈ। তাৰ পাছত চাৰিশ বছৰৰ পুৰণি চহৰ এখনৰ মাজেদি গ'লোঁ। এই চহৰখন মিং ডাইনেষ্টিৰ সময়ত স্থাপিত। চহৰখন পুৰণি হ'লেও শস্যক্ষেত্ৰ নতুন দিনৰ পৰশত জীপাল হৈ উঠিছে। নতুন পদ্ধতিৰে খেতিবাতি কৰা হৈছে। বিভিন্ন গাঁৱৰ মাজেদি বাষষ্ঠি কিল'মিটাৰ বাট ঘূৰি ফুৰি আমি আকৌ আমাৰ 'বেনিয়ান ট্ৰি গেস্ট হাউছ'লৈ উভতি আহিলোঁ।

চীনদেশৰ পৰা উভতি অহাৰ পাছত বহুতেই আমাক কৈছে, আমাক চকু বান্ধি ঘূৰাই ফুৰাইছিল। এইবোৰ দুৰ্গম গাঁৱৰ মাজে মাজে ঘূৰি ফুৰোঁতে কোনোৱেই আমাৰ চকু বন্ধা নাছিল। কিন্তু চীনদেশৰ ক'তো আমি শস্যহীন খেতিপথাৰ, ফটাকানি পিন্ধা মানুহ, ফপৰা চেৰেলা কুকুৰ মেকুৰী, জাবৰ-জোথৰৰ দ'ম, মহ-মাখি, বা মগনিয়াৰ দেখা পোৱা নাছিলোঁ।

জানুৱাৰিৰ ৪ তাৰিখ, আগবেলাতে আকৌ এটা গুহা চাবলৈ গ'লোঁ। নাযাওঁ বুলিয়েই থাটাং কৰিও গ'লোঁ আকৌ। ভাগ্যে গৈছিলোঁ যেনিবা। ওচৰতে এখন বাগিচা আছে। জাপানীসকলৰ দৰে এওঁলোকেও বিৰাট বিৰাট গছক বাওনা কৰি ৰাখে। একো একোজোপা গছৰ বয়স দুশ আঢ়ৈশ বছৰ।

মই চৌক সুধিলোঁ, "তোমালোকৰ ইয়াত যেতিয়া বছৰৰ পাছত বছৰ ধৰি যুদ্ধ চলিছিল তেতিয়া এইবোৰ কোনে চোৱা-চিতা কৰিছিল?—কেনেকৈ বাঁচি থাকিল এইবোৰ?"

চৌৱে ক'লে, 'এই প্ৰশ্নৰ উত্তৰ দিয়া মোৰ পক্ষে সম্ভৱ নহয়।"

যুদ্ধ-বিগ্ৰহে মানুহৰ বহুতো কীৰ্তি ধ্বংস কৰে, তথাপি কিছুমান ধ্বংস নোহোৱাকৈও থাকে।

জানুৱাৰিৰ ৪ তাৰিখ।

আমাৰ কৰিবলগীয়া বিশেষ একো নাছিল আৰু বহুদিনৰ ডাৱৰীয়া-গোমা বতৰৰ পাছত আজিহে ৰ'দ ওলাইছে। আমি কেইজনমানে বাৰাণ্ডাত বহি ৰ'দ পুৱাইছো। আজিয়েই ৰাতি এঘাৰ বজাত আমি কেণ্টনলৈ বাওণা হ'ম।

মঙে ক'লে, "কাইলৈ বাংলাদেশৰ ৰৰমুৰীয়া জেনাৰেল জিয়া কেণ্টনলৈ আহিব।"

কথাষাৰ মই আগতেই শুনিছিলোঁ। পিকিঙত থাকোঁতে আমাৰ কাষৰ কোঠাটোতে বাংলাদেশী পৰিয়াল এটি আছিল। মহিলাগৰাকী বৰ মিঠামুখীয়া। তেওঁ বৰ বেছি মাতবোল কৰা নাছিল। অলপ জড়তা থকা বাবেই বোধহয়।

তেওঁক সুধিছিলোঁ, "ডালিম ইয়াতে আছিল বুলি শুনিছিলোঁ। তেওঁ ক'ত আছে এতিয়া?"

মহিলাগৰাকীয়ে অলপ ইতস্তত কৰি ক'লে, "আছিল। পিছে এতিয়া ক'ত আছে নাজানো।"

স্বাধীন ৰাষ্ট্ৰৰ সৰ্বেসৰ্বা জিয়া কালিলৈ আহিব—এই কথাষাৰে মোৰ মনত অনেক স্মৃতিৰ উথল মাথল লগাই দিলে। এই সৰ্বেসৰ্বাজনক মই নিচেই

ওচৰৰপৰা কেইবাবাৰো দেখা পাইছোঁ। এবাৰ আমি একেলগে একেখন জিপ গাড়িত উঠি কলিকতাৰপৰা কল্যাণীলৈ গৈছিলোঁ। শ্ৰীণ্লিন মিঠাবৰণীয়া স্বল্পভাষী ল'ৰা এটি। তেওঁৰ তেতিয়া বিশেষ অভিযোগ আছিল—ভাৰত চৰকাৰে মুক্তিফৌজক যথেষ্ট পৰিমাণে অস্ত্ৰ-শস্ত্ৰ দিয়া নাই। যথেষ্ট অস্ত্ৰ-শস্ত্ৰ যে আন বাটেদি ভাৰতলৈ ঘূৰি আহে সেই কথা তেওঁক কোনে বুজাব। কল্যাণীলৈ যোৱাৰ দিনা মোৰ লগত আন কেইজনীমান ছোৱালীও আছিল। আমি ৰবীন্দ্ৰসংগীত গাই গাই দূৰ দূৰণিলৈ গাড়িৰ গৈ আছিলোঁ। জিয়া গুচি যাবগৈ ৰণক্ষেত্ৰলৈ আৰু আমি যাম ভগনীয়া শিবিৰলৈ—য'ত পানীয়ে-বোকাই লুতুৰি পুতুৰি হৈ থকা হাজাৰ বিজাৰ গৃহত্যাগী মানুহ পশুৰ পৰ্য্যায়লৈ নামি আহিবলৈ বাধ্য হৈছে। যিসকল মানুহৰ হাতত এখন ৰেশন কাৰ্ডৰ বাহিৰে আন একো নাই।

জিয়াই স্বাধীনতা ভোগ কৰি আছে, ভালেই। সেই মানুহসকলৰ দুৰ্গতি অলপমানো কমিলনে?

এইবোৰ কথা ভাবি থাকোঁতে মোৰ বুকুৰ মাজত এক কোটি মানুহৰ পদশব্দ বাজি উঠিল।

ইপিনে আৰাম কৰি ৰ'দত বহি থকা বিশ্বম্ভৰনাথৰ মনত ধৰ্মকথাই উজান ভাটি লগাইছে। তেওঁ এতিয়া আত্মা, সাধু সন্ন্যাসীৰ অলৌকিক ক্ষমতা, দৈৱ ইত্যাদিৰ কথা কৈছে। মই গুচি আহিলোঁ তাৰপৰা। এইবোৰ খবৰ বিচাৰি চীনদেশলৈ অহা নাই নহয়, দেশতে যথেষ্ট সুযোগ আছে। চীনদেশৰ সাধু-সন্ন্যাসী হ'লেও কথা বেলেগ আছিল। কিন্তু চীনাসকলে দেখোন সাধু-সন্ন্যাসীসকলক বিদায় জনাই—'তোমৰ লগত মাৰোঁ চিতল, মৰিয়াৰ লগত খুন্দো পিতল' কৰিছে।

মই গুচি আহিলোঁ।

মঙে সুধিলে, "যোৱা ক'লৈ? বহাঁ—বহাঁচোন।"

"নহয়, নবহোঁ।"

"প্লিজ—বহাঁ।"

মই মঙৰ অনুৰোধলৈ কৰ্ণপাত নকৰিলোঁ। কাষৰ বাৰাণ্ডালৈ গুচি গ'লোঁ।

গৈ কুইলীনৰ দোভাষী ছোৱালীজনীক ক'লোঁ, "মণ্ডক তোমালোকৰ ভাষাত কোৱাগৈ যে তেওঁৰ সৈতে মোৰ এটা কথা আছে—তাৰপৰা এতিয়াই গুচি আহে যেন। মই এতিয়া সাধু সন্ন্যাসীৰ অলৌকিক কাণ্ড-কাৰখানা শুনিবলৈ অকণো আগ্ৰহী নহওঁ।"

এই ছোৱালীজনীয়ে মোক চিনি নাপায়, তাত কি কথা হৈছিল তাকো নাজানে, সেয়েহে তাই অলপ বিস্মিত হ'ল আৰু তাৰ পাছত 'বাৰু' বুলি কৈ মণ্ডক খবৰটো দিবলৈ ওলাই গ'ল।

অলপ পাছত মং ওলালহি আৰু আমি এই দোভাষী ছোৱালীজনীক লগত লৈ কাষৰ কোঠাটোত বহিলোঁগৈ।

মঙে সুধিলে, "তোমাৰ কি কথা আছে কোৱাঁ।"

মই ক'লোঁ, "মই আজি তোমাৰ স'তে বাজিয়া কৰিম। জিয়া কেণ্টনলৈ আহিব—এই কথা শুনি মোৰ বাংলাদেশৰ কথা মনত পৰিছে।'

বিতর্ক আৰম্ভ হ'লত দোভাষী ছোৱালীজনী বিপদত পৰিল। তাই ইংৰাজী নজনা নহয়, কিন্তু বিষয়বস্তু অপৰিচিত মোৰ আৰু বচনভংগীও নাজানে। সেয়েহে তাই ক'লে, "মই বৰং লীক মাতি আনোগৈ।

লীএ পিকিঙলৈ ফোন কৰি আছিল। আহি আমাৰ দুয়োৰে মাজত বহিল। প্ৰায় দুঘণ্টামান ধৰি মোৰ আৰু মঙৰ মাজত বিতৰ্ক চলি থাকিল। কোনেও কাৰো মত নমনাও। আৰু লীএ মেচিনৰ দৰে দ্ৰুতগতিৰে অনুবাদ কৰি গৈছে। সি বিতৰ্কত ভাগ লোৱা নাই। তাৰ নিবা মতামত আছেনে নাই তাকো কোৱা নাই। সি কাৰো ফলীয়া নহয়, মাত্ৰ দোভাষী। অনুবাদ যে বঢ়িয়া হৈছে, উত্তৰৰপৰাই সেই কথা বুজা গৈছে। সিদিনা আমাৰ মাজত যিমানবোৰ কথা কৈছিল তাৰ আটাইখিনি ইয়াত লিখিব নোৱাৰিম। মনতো পৰা নাই।

তাৰ এটা থূলমূল বিবৰণহে দিলোঁ।

'কমৰেড মং, বাংলাদেশৰ যুদ্ধৰ সময়ত তোমালোকে আমাৰ সৈতে অতি বেয়া ব্যৱহাৰ কৰিছিলা। তোমালোকে বাৰু পাকিস্তানৰ হৈ মাত মাতিছিলানো কেনেকৈ?"

"মিছিছ দেৱী, আমি জানো, ধৰ্মৰ ভিত্তিত দেশ টুকুৰা হোৱাটো উচিত হোৱ নাছিল। কিন্তু এবাৰ হ'লেই যেতিয়া, পঁচিছ বছৰ ধৰি তেওঁলোকৰো স্বাধীন দেশ, তেতিয়া তেওঁলোকৰ দেশৰ আভ্যন্তৰীণ গণ্ডগোলত তোমালোকে সৈন্য পঠাইছিলা কিয় ?"

"আভ্যন্তৰীণ গণ্ডগোল ? ভালেই কৈছা। আমাৰ দেশত যে এক কোটি মানুহ সোমালহি তেওঁলোকৰ বাবে কি কৰিলোহেঁতেন আমি ?"

"সেইবুলি তোমালোকে আন দেশলৈ সৈন্য পঠাবা ? ধৰা—এই থাই লোকসকলৰ ওপৰত আমি যদি অত্যাচাৰ কৰোঁ তেনেহ'লে থাইলেণ্ডৰ বাইজে 'সিহঁত আমাৰ জ্ঞাতি, গতিকে আমি চীনলৈ সৈন্য পঠাম' বুলি ক'ব নেকি ?"

"তোমাৰ এই যুক্তি অৰ্থহীন। আৰু থাইলেণ্ডে কি কৰিব নাজানো, পিছে তোমালোকে যদি বেচেৰা থাইসকলৰ ওপৰত অত্যাচাৰ কৰা তেন্তে ময়েই সৈন্য পঠাম। অৰ্থাৎ মোৰ সৈন্য থাকিলে পঠালোহেঁতেন। মানুহৰ ওপৰত অত্যাচাৰ য'তেই নহওক, সেই অত্যাচাৰ প্ৰতিৰোধ কৰাৰ অধিকাৰ যিকোনো মানুহৰ আছে। আৰু—বাংলাদেশৰ মানুহ আমাৰ আত্মীয়, তেওঁলোকৰ সৈতে আমাৰ ধমনীৰ সংযোগ আছে। তাত আমাৰ আত্মীয় স্বজন আছে, তেওঁলোকৰ নাজল নাথল অৱস্থা হ'লে আমি নিমাতে থাকিব নোৱাৰোঁ। আৰু তোমালোক আমেৰিকাৰ ফলীয়া হ'লা। আমেৰিকাই আমাৰ বংগোপসাগৰলৈ সপ্তম নৌবাহিনী প্ৰেৰণ কৰিলে।"

মঙে ক'লে, "কিন্তু কেতিয়াও গুলী নেৰিলেহেঁতেন।'

"তেনেহ'লে আমাক ভাবুকিহে দিছিলনে কি ? সিও কম বেয়া কথা নহয়। সেইবাবেই আমি ৰুছিয়াৰপৰা সহায় ল'বলগীয়া হ'লোঁ। পিছে পিছে ৰুছ নৌবাহিনী নহাহেঁতেন, কি যে হলহেঁতেন কোনে ক'ব ? সেয়েহে, ৰুছসকলে আমাক ভালেখিনি সহায় কৰিলে—এই কথা ক'বই লাগিব।"

"এই ক্ষেত্ৰত সিহঁতৰ স্বাৰ্থ আছে। এই সহায়তা নিস্বাৰ্থ নহয়। আৰু সৈন্যসকলক ধৰি আনি তোমালোকে ইমানদিন ধৰি আটক ধৰি থৈছিল কিয় ?"

"অত্যাচাৰীহঁতৰ বিচাৰ হোৱা উচিত আছিল। সৈন্যইতে যুদ্ধৰ দায়িত্বহে পালন কৰে—অত্যাচাৰ কৰাৰ অধিকাৰ সিহঁতৰ নাই।"

"তুমি দেখিছোঁ মিছিছ গান্ধীৰ ছাপ'টাৰ।"

"বাংলাদেশৰ প্ৰশ্নত মিছেছ গান্ধীয়েই আমাৰ ছাপ'টাৰ। মিছেছ গান্ধীৰ আটাইতকৈ ডাঙৰ বিৰোধী মানুহ্ জয়প্ৰকাশ নাৰায়ণ, যিজন পাকিস্তানৰো বন্ধু, তেওঁৰো উচ্চকণ্ঠেৰে কৈছিল, বাংলাদেশৰ অত্যাচাৰিত মানুহৰ কাষত থিয় দিব লাগিব। সমগ্ৰ দেশৰ মানুহেই তাকে বিচাৰিছিল। আৰু কেৱল ৰুছিয়াইহে আমাক সহায় কৰিছিল। চোৱা কমৰেড, মই পলিটিক্স বুজি নাপাওঁ। মোৰ মানত মানৱিকতাৰ দিশটোৱেই আটাইতকৈ ডাঙৰ। আৰু সেইবাবেই খ্ৰুশ্চফক মই বেছ সহৃদয় ব্যক্তি বুলিয়েই ভাবিছিলোঁ। তেওঁৰ পলিছিয়েই আজিও চলি আছে।"

মণ্ডৰ বৰ থং উঠিল 'খ্ৰুশ্চফ সহৃদয়। বঢ়িয়া কথা কৈছা। ছ'ছিয়েলিজমৰ ছাইনব'ৰ্ডৰ আঁৰত ইম্পিৰিয়েলিজমৰ শোষকবৃত্তি। পাকিস্তানে অন্তত এই ছাইনব'ৰ্ড আঁৰা নাছিল। সহৃদয় হয়েই তো। সেয়েহে আমাৰ সেই আকাল-অনাটন আৰু দুৰ্ভিক্ষৰ দিনত আমাক ধ্বংস কৰিবলৈ চেষ্টা কৰিছিল আৰু একপক্ষীয়ভাৱে সকলো কনট্ৰাক্ট ফালি ছিৰি দলিয়াই পেলাইছিল। কনট্ৰাক্ট দলিয়াই পেলাই সিঁহতৰ কৰ্মীইঁতক তো লৈ গ'লেই, বয়বস্তু লৈ যাবলৈ জাহাজ পঠিয়ালে—নহ'লে তেতিয়াই ঋণ পৰিশোধ কৰিব লাগিব।"

"কমৰেড মং, সঁচা কৈছো, এই বিষয়টো দেশত থাকোঁতে মই জনা নাছিলো। অলপমান শুনিছিলোঁহে। পিছে তোমালোকে যে কিমান কষ্ট ভোগ কৰিছিলা সেই কথাৰ উমান ল'ব পৰা নাছিলোঁ। সেয়েহে কওঁ, এখন দেশৰ কথা আন এখন দেশৰ মানুহে ওপৰে ওপৰে চাই বুজিব নোৱাৰে, বাতৰি যোগানৰ ব্যৱস্থা যিমানেই নিপুণ নহওক। তুমি জানিছিলানে, আমাৰ কলিকতাৰ দেৱালবিলাকত 'চীনৰ চেয়াৰমেন আমাৰ চেয়াৰমেন' বুলি লিখিছিল—তুমি জানিছিলানে এই কথাটো?"

"জানিছিলোঁ।"

"কিন্তু জানা—সেই শ্ল'গান আমাৰ কোনো কামত নাহিল। এই কথাত দ্বিমত থাকিব নোৱাৰে যে মাও চে তুং সমগ্ৰ মানৱ জাতিৰ শ্ৰদ্ধাৰ পাত্ৰ, সেই বুলি তেওঁ কোনোপধ্যেই ভাৰতৰ চেয়াৰমেন হ'ব নোৱাৰে। সেয়েহে এই শ্ল'গানে আমাৰ যথেষ্ট অনিষ্টহে কৰিছিল।"

"সেই কথা ঠিক।"

ৰাতি এঘাৰ বজাত কুইলীন এৰি মাজনিশা আমি কেণ্টন পালোঁগৈ। বিমানকোঁঠত ডা কোটনিছৰ এগৰাকী বন্ধুপত্নী আৰু তেওঁৰ দুজনী ছোৱালী আহিছিল বৎসলা আৰু মঙ্গেশক দেখা কৰিবলৈ। তেওঁলোক বহু দূৰৈত থাকে, কিন্তু আমাৰ গেস্ট হাউছত তেওঁলোকৰ বাবেও ঘৰ ঠিক কৰি থোৱা হৈছিল। আমি যিকেইদিন কেণ্টনত আছিলোঁ, তেওঁলোকো সদায় আমাৰ লগতে আছিল।

ডা কোটনিছৰ বন্ধুজনৰ কেতিয়া কেনেকৈ মৃত্যু হৈছিল মোৰ মনত নাই, পিছে তেওঁৰ পত্নীৰ মুখখনত যি এটা বেদনাগধুৰ ভাব দেখা পালোঁ, তাৰপৰা তেওঁক সদ্য বিধৱা যেনেই লাগে। ছোৱালী দুজনীৰ ব্যৱহাৰো বৰ আপোন। এওঁলোকে বৎসলাক আপোন মানুহৰ দৰে বুকুত সাবটি ধৰিলে। যেন একেই পৰিয়াল, যেন বহুকালৰ চিনাকি।

ভাৰত চীন সংঘৰ্ষৰ কালছোৱাত এই অকৃত্ৰিম ভাৰতবন্ধুসকল বৰ মনোকষ্টত আছিল।

কেণ্টনৰ গেস্ট হাউছটো পুৰণিদিনীয়া। বিৰাট প্ৰাসাদ, কিন্তু 'ছেণ্ট্ৰাল হিটিং' নাই। ঘৰত এটা হিটাৰ দি থৈ গ'ল। কিন্তু এই হিটাৰেৰে তেজ গোটমৰা জাৰ নকমে। জাৰে আমাক যেন শিশুপাল খেদা দি খেদি ফুৰিছে।

ইয়ালৈ আহিয়েই সেইদিনা মাজনিশাই কলিকতাৰ চিঠি-পত্ৰবোৰ পালোঁ। প্ৰথমে পাঁচখন চিঠি লীএ দি গ'ল, তৰ পাছত আৰু দুখন।

লী-এ ক'লে, "বাম্পাৰ হাৰ্ভেস্ট।"

ইমানদিনলৈকে দেশৰপৰা এখনো চিঠি পোৱা নাছিলোঁ। বিজয়বাবুৱে কৈছিল, 'আপোনালৈ কোনেও চিঠি পত্ৰ লিখা নাই। ভ্ৰাম্যমান বাটৰুৱাসকলৰ পিছ ল'লে চিঠি-পত্ৰ হেৰাই যাব পাৰে—সেয়েহে আটাইবোৰ চিঠিপত্ৰ কেণ্টনতে থুপ খাইছিলহি।'

আৰু কলিকতাৰপৰা অহা এইবোৰ চিঠিৰ কথা ভাবি ভাবি কিমান যে বিনিদ্ৰ ৰাতি কটাইছিলোঁ মই।

মঙে ক'লে, "তুমি যে ইমানকৈ চিন্তিত, ক'তো—কেতিয়াও কোৱা তো নাছিলা। সেইবুলি জনা হ'লে তেতিয়াই খবৰ পালাহেঁতেন।"

কেণ্টনৰ কাষেদি বৈ গৈছে 'পার্ল ৰিভাৰ'। মাল কঢ়িউৱা জাহাজ অহা-যোৱা কৰিছে তাৰ বুকুৰেদি। পুৰণি চহৰ। বৰ ঘন বসতিৰ ঠাই এটুকুৰাতো চকু পৰিল। একোখন ঘূৰণীয়া পার্কত হাতেৰে চুকি পোৱাতে ফুলিথকা ফুলৰ টবৰ লানি সজাই থোৱা হৈছে। কেণ্টনলৈ অহাৰ পাছৰেপৰাই অলপ কিনা কটা কৰিবলৈ আমি ব্যস্ত হৈ পৰিলোঁ। যিখিনি ইয়েন আছে এতিয়াই খৰচ কৰিব লাগিব।

জানুৱাৰিৰ ৬ তাৰিখ। আমি এখন স্বাস্থ্য নিবাসলৈ গ'লোঁ। তাত আছে গৰম পানীৰ উহ। পিছে ইয়াত গা ধুবলৈ হ'লে ৰাজগীৰৰ দৰে শাৰী পাতি থিয় হ'ব নালাগে, ঘৰলৈকে নলীয়েদি পানী আহে, যদিও বাহিৰতো পাইপ আছে আৰু তাতো বহুতকে গা ধুই থকা দেখিলোঁ। পঞ্চাছ কিল'মিটাৰ-মান গাড়িৰে গৈ আমি সেই স্বাস্থ্যনিবাস পালোঁগৈ।

যাওঁতে বাটত এটা ঘৰলৈ আঙুলিয়াই তেওলোকে আমাক ক'লে, "এই গেস্ট হাউছতে জিয়া আছে।"

চাৰিওফালে পতাকা উৰি আছিল। দেশবিলাক টুকুৰা টুকুৰ হ'লে নতুন নতুন মানুহে উচ্চপদ অধিকাৰ কৰিবলৈ সুবিধা পোৱা হয়। গতিকে, সেই অৱস্থাটো কাৰো কাৰো বাবে বৰ আকাংক্ষিত।

পাকিস্তানৰ কবলৰপৰা ওলাই আহি ইয়াতকৈ বেছি আৰু কি লাভ হ'ল এওঁলোকৰ?

মং আমাৰ গাড়িত নাছিল, নহ'লে তেওঁৰ সৈতে আকৌ তর্ক আৰম্ভ কৰি দিলোহেঁতেন। গাড়িত সদায় তিনিজন থাকে। দুজন আলহী, এজন দোভাষী। মই, বংসনা আৰু লী গৈ আছো অকোৱা পকোৱা পর্বতীয়া বাটেদি, সৰু সৰু গাঁৱৰ মাজেদি। গাড়িৰপৰা নামি দুই চাৰিষাৰ কথা পাতিবলৈ মন গৈছে।

মই ক'লোঁ, "লী, উভতি যোৱাৰ দিন চমু চাপিল। এনে লাগিছে যেন একোৱেই জনা নহ'ল, একোৱেই দেখা নহ'ল।"

"আকৌ আহিবা। তোমাৰ কাৰণে চীনৰ দুৱাৰ সদায় খোলা।"

"যদি আকৌ যুদ্ধ লাগে?'

"যুদ্ধত তোমাৰেই বা কি, আমাৰেই বা কি?"

"ঠিক। পিছে পুনৰ আহি লাভো নহ'ব। মই যি দেখিলোঁ যি শুনিলোঁ তাতকৈ বেছি কোনোদিনে শুনিবলৈ বা দেখিবলৈ নাপায়। কিয়নো, মই ভাষা নাজানো। স্বাভাৱিকভাৱে মাত বোল কৰাৰ ক্ষমতা মোৰ নাই। জানা আমাৰ কবিয়ে কৈছে, কাঁটা চামোচে'ৰ খোৱা আৰু ইণ্টাৰ প্ৰটাৰৰ হতুৱাই ক'ৰ্টশিপ কৰা একেই কথা। গতিকে, তোমাৰ দেশৰ মানুহৰ স তে মনৰ আদান-প্ৰদান নহ'ল, আৰু নহ'বও।"

এই কথাষাৰে লী ক যে কেনেকৈ আঘাত কৰিব পাৰে—ভবাই নাছিলোঁ। আগফালৰ ছীটটোৰপৰা লীএ ঘূৰি চালে। মুখত মোলানপৰা হাঁহি, "so you are using me as a fork—মোক তেন্তে এডাল কাঁটাৰ দৰে ব্যৱহাৰ কৰিছা?"

স্বাস্থ্যনিবাসৰ নামটো বোধ হয় চুংহোৱা। কাষেদি এখন খৰস্ৰোতা নৈ বৈ গৈছে। গৰম পানীতো গা ধুই ল'ব পাৰি।

পাছদিনা তাৰপৰা আমি এটা হাইড্ৰ'লিক পাওৱাৰ ষ্টেশ্যন চাবলৈ গ'লোঁ। পৰ্বতীয়া নৈৰ জলসম্ভাৰক বান্ধ দি এই পাৱাৰ ষ্টেশ্যন 'গ্ৰেট লিপ ফৰৱাৰ্ডৰ' বছৰত ১৯৫৮ চনত নিৰ্মাণ কৰা হৈছিল। গোটেই প্ৰকল্পটো দুবছৰ তেৰ দিনত সমাপ্ত কৰা হৈছিল। এই যন্ত্ৰশালাৰ গুণ আৰু গতি অতি সুন্দৰ। গোটেই প্ৰকল্পটো সাজি উলিয়াবলৈ তিনি বছৰ সময় নিৰ্ধাৰিত হৈছিল, কিন্তু উৎসাহী কৰ্মীসকলে নিৰ্ধাৰিত সময়ৰ বহু আগতেই সাজি উলিয়ালে।

চৌধাহাজাৰ স্কোৱেয়াৰ কিল'মিটাৰ ঠাইত এই পাওৱাৰ ষ্টেশ্যনেৰে উৎপাদন কৰা বিজুলী সৰবৰাহ কৰা হয়। বাহিৰলৈ ওলাই আহি দেখা পালোঁ, পৰ্বতচূড়াত চেয়াৰমেন মাও চে তুঙৰ অনুশাসন জিলিকি আছে 'go all out, aim high, work faster and better so as to achieve more economical results to build Socialism

এনেবোৰ কথা সকলোতেই সকলো মানুহেই লিখি থ'ব পাৰে। সেই লিখনীৰ

কাৰেদি জনস্ৰোত বৈ যায়। কিন্তু ইয়াত পৰ্বতচূড়াত লিখি থোৱা এই আখৰাবিলাক পাহাৰবপৰা নামি আহি হাইড্ৰ'লিক যন্ত্ৰত ঘূৰি আছে। নিৰ্দিষ্ট সময়ৰ ন মাহৰ আগতেই কাম শেষ কৰাটো সহজ কথা নহয়।

এই পাৰ্বত্য অঞ্চলত বহুতো সৰু সৰু নৈ আছে। সেই নৈবিলাককো কামত খটোৱা হৈছে। গাঁৱলীয়া বাইজে সৰু সৰু পাওৱাৰ ষ্টেশ্যন সাজি উলিয়াইছে। এখন নৈৰ গতিমুখ সলনি কৰি এটা পাইপৰ মাজেদি নশ কুৰি কিউছেক পানী লৈ অহা দেখিলোঁ। তাৰ ফলত দুশ ম' খেতপথাৰবপৰা বানপানী নোহোৱা হৈছে। বিজুলীয়ে তো পোহৰাইছেই।

এয়েই চীনৰ এটা ডাঙৰ আচৰিত কাণ্ড। বিৰাট বিৰাট প্ৰজেক্ট নকৰি য'তে যেনে ধৰণৰ সুবিধা ওলায় তাক কামত খটুৱাইছে।

ৰাইজেই পাওৱাৰ ষ্টেশ্যন সাজিলে, ষ্ট্ৰাইক কৰিব কোনে ?

গ' স্ল' কৰিব কোনে ?

গাঁৱলীয়া-কৃষকসকলেনো কেনেকৈ এইবোৰ প্লাণ্ট সাজিলে—এই কথা সোধাত কোৱা হ'ল

সাংস্কৃতিক বিপ্লৱৰ কালছোৱাত চহৰবপৰা ল'ৰাহত আহিছিল, তেওঁলোকৰ সহায়ত এইবোৰ যন্ত্ৰপাতি নিৰ্মাণ কৰা হৈছে। এই অঞ্চলত এনেকুৱা সৰু সৰু বাৰনটা পাওৱাৰ ষ্টেশ্যন আছে। উদ্বৃত্ত বিজুলীশক্তি চহৰলৈ যায়।

শুনিলোঁ, ওচৰে পাঁজৰে এনেকুৱা আৰু ওঠৰটা পাওৱাৰ ষ্টেশ্যন নিৰ্মাণ কৰা হ'ব।

তেওঁলোকে এটা গল্প ক'লে পাহাৰৰ ওপৰত এগৰাকী বুঢ়াই অকলশৰে বাস কৰিছিল। প্ৰকৃতিৰ দান এই পৰ্বতীয়া খৰস্ৰোতা জলধাৰাক বুঢ়াই বিভিন্ন কামত ব্যৱহাৰ কৰিছিল। বুঢ়াৰ এই কাম দেখি গাঁৱৰ ৰাইজ উৎসাহিত হৈ উঠিল। এওঁলোকে চৰকাৰবপৰা আৰ্থিক আৰু কাৰিকৰী সহায় পায়। কিন্তু নিৰ্মাণ তেওঁলোকেই কৰিছে। আমি এটি মজলীয়া বিধৰ পাওৱাৰ ষ্টেশ্যন চাবলৈ গ'লোঁ। এইটো—ক'বলৈ গ'লে চেমনীয়াইতেই চলাইছে। এজনী সৰুফুটীয়া বাংঢালী ছোৱালী—ইংৰাজীত মাত বোল কৰিব পাৰে—বৰ ভাল লাগিল তাইক। তাইৰ স'তে কাৰো সহায় নোলোৱাকৈয়েই গল্প কৰিবলৈ পাই নথৈ আনন্দ পালোঁ।

ছোৱালীজনীয়ে আমাক ক'লে তেওঁলোকৰ আদৰ্শ হ'ল 'dare to scale the heights, dare to follow the road, dare to work hard, take class struggle as keylink to make use of local conditions, use the local people 'ওখ পৰ্বত বগাবলৈ সাহস গোটোৱা, আগবাঢি যাবলৈ সাহসী হোৱা, কঠিন শ্ৰম কৰিবলৈ সাহসী হোৱা, শ্ৰেণী সংগ্ৰামৰ সূত্ৰ মনত ৰাখি স্থানীয় সুযোগৰ ব্যৱহাৰ কৰা, স্থানীয় লোকসকলৰপৰা সহায় লোৱা'।

বাস্তৱ আৰু কবিতাৰ সংমিশ্ৰণ এই মাও চে তুং। এইবাবেই তেওঁৰ বাণীত ইমান প্ৰেৰণা।

নৈৰ কাষত আটোমটোকাৰীকৈ সজা স্বাস্থ্যনিবাসত দুটা দিনৰ বাবে ভালকৈ জিৰাই শঁতাই ল'ব পাৰিলোঁ। উভতি অহাৰ আগৰ দিনা খোৱা-বোৱাৰ পাছত আমি চাৰিওজনে—মই, বৎসলা, লী আৰু মং আলোচনাত বহিলোঁ। বহু ৰাতিলৈকে চীনৰ ৰাজনৈতিক পৰিস্থিতি সম্বন্ধে আলোচনা কৰা হ'ল। আলোচনা মানে—মই প্ৰশ্ন কৰোঁ আৰু তেওঁলোকে তাৰ উত্তৰ দিয়ে। এই প্ৰশ্নবোৰ সকলোৱে আগত সুধিব নোৱাৰি। কিয়নো আনসকলে জানে, মই নাজানো। মই এওঁলোকৰ মুখৰপৰা শুনিম আৰু তাৰ পাছত দেশবাসীক ক'ম—এয়ে মোৰ ইচ্ছা।

মই প্ৰশ্ন কৰোঁ, মঙে উত্তৰ দিয়ে।

বৎসলা নীৰৱ শ্ৰোতা।

আমাৰ প্ৰশ্ন আছিল লিউ শ্বাও চি ৰ সম্বন্ধে। ইমান উচ্চ পদত থাকি, মাও চে তুঙৰ অনুগত হোৱা সত্বেও, তেওঁৰ লৈতে বিৰোধ হৈছিল কিয়?

এই কথাৰ উত্তৰত যি শুনিলোঁ তাৰ সত্যাসত্য নিৰ্ধাৰণ কৰাৰ সমল আমাৰ হাতত নাই।

মঙৰ বক্তব্য

"তেওঁ—অৰ্থাৎ লিউ শ্বাও চি সদায় দ্বিধাগ্ৰস্ত আছিল। ১৯২৭ চনত তেওঁ এভাৰ'ৰাইট' বা সোঁপন্থী কুওমিণ্টাংইতৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ ওলাইছিল। তেতিয়া তেওঁ এটা নতুন থিয়'ৰি আওৰাইছিল—'পীছ এণ্ড ডেম'ক্ৰেছি।' মুক্তিৰ পাছতো তেওঁ ডেম'ক্ৰেছিৰ কথা কৈছিল। ১৯৬৬ চনত সমগ্ৰ দেশতে তেওঁৰ প্ৰভাৱ বিয়পি পৰিছিল। যদিও লিউ শ্বাও চি নহয়, চেয়াৰমেন মাও-এ-ই

সাংস্কৃতিক বিপ্লৱৰ সূচনা কৰিছিল, কিন্তু তেওঁ মাও চে তুঙক অগ্ৰাহ্য কৰি এটা গুপ্ত বিৰোধীচক্ৰ গঢ়ি তুলিছিল। তেওঁৰ ইচ্ছা ফলৱতী হোৱাহেঁতেন আমিও ছোভিয়েড ইউনিয়নৰ বাট'ক ল'লোহেঁতেন। সেইদেখিহে মাও চে তুঙে এ কৰাবে পূৰ্ণ আভ্যন্তৰীণ বিপ্লৱৰ সূচনা কৰিছিল। লিউ শ্বাও চি-ৰ ঘাঁটি (headquarters) ধ্বংস কৰাটোৱেই মাথোন ইয়াৰ উদ্দেশ্য নাছিল, উদ্দেশ্য আছিল জনসাধাৰণৰ মনৰ পৰিৱৰ্তন কৰা, যাতে তেওঁলোকে পুৰণি পথলৈ ঘোজ দিয়াৰ ভুলখিনি বুজি পায়। কিন্তু সেই সাংস্কৃতিক বিপ্লৱৰ কালছোৱাত বহুতো অবাঞ্ছিত মানুহ তাৰ মাজত সোমাই পৰিছিল। সিহঁতে এই গোলমালৰ সুবিধা লৈ নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ উঠি পৰি লাগিল। এই কালছোৱালৈকে চিয়াং চিং আছিল কমিউনিষ্ট পাৰ্টিৰ এগৰাকী সাধাৰণ সভ্য। এই ছেগতে তেওঁলোক ছেণ্ট্ৰাল কমিটিত সোমালহি আৰু ডাঙৰ ডাঙৰ বিপ্লৱৰ ৰচন গাওবাবলৈ ধৰিলে। ডিফেন্স মিনিষ্টাৰ লিন পিআওৱে চিয়াং চিঙক বৰ প্ৰশংসা কৰিলে। ক্ৰমে ক্ৰমে আন তিনিজনো সেই কালছোৱাত বিৰাট বিপ্লৱীৰ ভাও লৈ সোমালহি। তেওঁলোকৰ উচ্চাকাংক্ষা বাঢ়িবলৈ ধৰিলে। ১৯৬৯ চনত, নৱম পাৰ্টি কংগ্ৰেছত তেওঁলোক পলিট ব্যুৰ'ৰ মেম্বাৰ হ'ল। জনগণে বুজিব নোৱাৰিলে যে চিয়াং চিঙে কোৱা কথাবোৰ মাও চে তুঙৰ বক্তব্য হয়নে নহয়। তেওঁলোকে যাক যে নকৈ ইচ্ছা বৰ্খাস্ত কৰিছিল, লিউ শ্বাও চিৰ অনুগত কেপিটালিস্ট বুলি বদনাম ৰটিছিল।

'এইবোৰ কিয় কৰিছিল?"

'কৰিছিল—যাতে আন লোকসকলক খেদি নিজা মানুহেৰে শাসনযন্ত্ৰ পৰিবেষ্টিত কৰি ৰাখিব পাৰে, তাৰ বাবেহে। এওঁলোকে মাও চে তুঙক সদায় কৈছিল, ইয়াক খেদিব লাগে, তাক আঁতৰাব লাগে। সিংহাসনত বহুবাই থৈও মাও চে তুঙৰ সকলো শক্তি কাঢ়ি ল'বলৈহে এই কামবোৰ কৰিছিল। যাক বোলে চুকত থাকি বুকত গোৰ মৰা।

"কিন্তু আটাইতকৈ ডাঙৰ বাধা আছিল—প্ৰধানমন্ত্ৰী চৌ এন লাই। আৰু সেয়েহে, এওঁলোকে মাওৰ ওচৰত সদা-সৰ্বক্ষণ চৌ এন লাইৰ নিন্দা কৰিবলৈ ধৰিলে। কিন্তু মাও চে তুঙে এওঁলোকৰ টোটক-নাটক বিশ্বাস কৰা নাছিল। সেয়েহে তেতিয়াই তেওঁ কৈছিল 'Do not conspire, be open, do not

behave like the gang of four unite with the two hundred members of the Polit Bureau ”

১৯৭৪ চনত অক্টোবৰ মাহত জাতীয় কংগ্ৰেছ আহ্বান কৰা হ'ব। সেই সভাত নতুনকৈ মন্ত্ৰিসভা গঠিত হ'ব। তেতিয়া চৌ এন লাই গুৰুতৰভাৱে অসুস্থ।

ৱাং হো-এ (দুষ্ট চতুষ্টয়ৰ এজন) মাও চে তুঙক ক'লে তেওঁ অসুখৰ ভাওহে জুৰিছে।

কিন্তু মাও এওঁলোকৰ এই কথাতো পতিয়ন নগ'ল।

থাং ছিও পিঙক প্ৰধান আৰু উপ প্ৰধানমন্ত্ৰী পতা হ'ল। ১৯৭৪ চনত দুষ্ট চতুষ্টয়ে কিবা এটা ত্ৰুটিৰ বাবে তেওঁকো বহিষ্কাৰ কৰিলে। ১৯৭৬ চনৰ জানুৱাৰিৰ ৮ তাৰিখে চৌ এন লাই ঢুকাল।

সেয়েহে মাও চে তুঙে হুৱাক প্ৰধানমন্ত্ৰী আৰু প্ৰথম ভাইছ চেয়াৰমেন ৰূপে নিযুক্ত কৰি কৈছিল হুৱাৰ হাতত দেশৰ দায়িত্বভাৰ অৰ্পি মই নিশ্চিন্ত।

দুষ্ট চতুষ্টয়ে হুৱাৰ বিৰুদ্ধে আন্দোলন চলাই থাকিল। ক্ৰমে মাও গুৰুতৰ ভাৱে অসুস্থ হৈ পৰিল। দুষ্ট চতুষ্টয়েও বৰ সুবিধা পালে। মাও চে তুঙৰ মৃত্যুৰ পাছত এওঁলোকে বিজুলীগতিৰে ক্ষমতা দখল কৰিবলে চেষ্টা কৰিলে। বাতৰি কাকত ৰেডিঅ' ইত্যাদি (mass media) এওঁলোকৰ দখলত আছিল। এওঁলোকে মাও চে তুঙৰ এখন উইলও জাল কৰিছিল।

কিন্তু হুৱা ইয়ে চি চিন এ এওঁলোকৰ সকলো চক্ৰান্ত ব্যৰ্থ কৰি ১৯৭৬ চনৰ অক্টোবৰৰ ৭ তাৰিখে এওঁলোকক বন্দী কৰিলে।

সেয়েহে হুৱা কোৱে কয় এটুপি ৰক্তপাতো নহ'ল, চাৰিজনক বন্দী কৰিয়েই কাৰ্য্যোদ্ধাৰ হ'ল'।

মই সুধিলো শুনিছিলো যে এখন বৰ ডাঙৰ যুদ্ধ হৈছিল? হাজাৰ হাজাৰ মানুহ মৰিছিল বোলে?'

মঙে ক'লে, ক'ৰপৰা এইবোৰ খবৰ পালা? হংকঙৰপৰা বোধকৰোঁ। আমাৰ শত্ৰুও বৰ কম নহয়।

ৰাতি গভীৰ হ'ল।

লীএ কলমটিয়াইছে।

চীনদেশত আমাৰ আৰু দুটি ৰাতি বাকী।

গভীৰ অন্ধকাৰৰ মাজেদি পাছদিনা আমি আকৌ কেণ্টনলৈ উভতি আহিলোঁ। মই এই কথা ভাবি আচৰিত হৈছিলোঁ যে, এই লোকসকলৰ বাবে মোৰ বুকুত মৰম উপজিছে। কিন্তু এওঁলোকৰ সৈতে আৰু কাহানিও দেখাদেখি নহ'ব। মোৰ যি বয়স হৈছে, আৰু কাহানিবা জানো মই এই দেশলৈ আহিব পাৰিম? যদিও লীএ কৈছে তুমি আৰ চল্লিছ বছৰ জীয়াই থাকিবা।' অৰ্থাৎ শতজীৱ।

আৰু—কোনো ডেলিগেশ্যন যদি এইদেশৰপৰা ভাৰতলৈ যায—এওঁলোক যাবনে?

মঙে ক'লে, "আমালৈ বুকুত মৰম ওপজাটো আচৰিত কথা নহয়। আজি পাঁচ সপ্তাহ ধৰি আমি সদায় একেলগে আছো। মানুহ এনেকুৱাই।'

মই এতিয়া এটা মস্কিলতো পৰিছো। মই এওঁলোকক কিবাকিবি উপহাৰ দি যাবলৈ বিচাৰিছো, কিন্তু মোৰ ওচৰত একোৱেই নাই আৰু। যিখিনি আছিল বোজা পাতলাবলৈ পিকিঙতে দিলোঁ আক তাক। কিন্তু সিদিনা যিসকলক দিছিলোঁ তেওঁলোক আছিল অন্য মানুহ। সেয়া আছিল ভদ্ৰতাৰ উপহাৰ। আজি এওঁলোক পৰিচয়ৰ বান্ধোনেৰে বান্ধ খাই আত্মীয় হৈ পৰিছে।

একেইবোৰ মানুহৰ মূল্য কিমান যে সলনি হৈ পৰে'

দৰক কৰিলা বুবুৰ বান্ধৈ,
পৰক কৰিলা ভাই।'

"জানা লী, পোনতে তোমাক মোৰ অলপো ভাল লগা নাছিল। মই ভাবিছিলোঁ, এই উদ্ধত ল ৰাটোক চম্ভালিম কেনেকৈ?'

"এ, কিয়?"

'কাৰণ, মোৰ কবিতাটো তুমি টাইপ কৰি দিয়া নাছিলা।'

"অ'—তাৰ পাছত কেতিয়াৰপৰা চম্ভালিব পৰা হ'লা?"

"সেই কথা মনত নাই। যি কি নহওক, তোমাৰ পত্নীলৈ মোৰ মৰম আৰু

আশীৰ্বাদ দিবা আৰু লগতে এই শাড়ীখনো দিবা, তেওঁ যেন পৰ্দা হিচাপে ব্যৱহাৰ কৰে।

"এইবোৰ দিবলৈ তুমি ব্যস্ত হৈ পৰিছা কিয় ? বস্তু সামগ্ৰী বিনে জানো মৰম-ভালপোৱা বুজাব নোৱাৰি ?"

মোৰ এই ব্যস্ততাৰ আৰু এটা কাৰণ আছিল এয়ে যে, বৎসলাই বহুতো দ্ৰব্য-সামগ্ৰী লৈ আহিছিল—সকলোৰে মাজত বিলাবলৈ ধৰিলে। তেওঁ শেষ দিনলৈকে আটাইবোৰ সাঁচি থৈছিল।

৭ জানুৱাৰিত কেণ্টনত আমি 'কলা বোবা' ল'ৰা ছোৱালীহঁতৰ এখন স্কুল চাবলৈ গ'লোঁ। তাত আকুপাংচাৰৰ সহায়ত চিকিৎসা কৰা হৈছে। সকলো কলা-বোবা ল'ৰা-ছোৱালীয়েই সম্পূৰ্ণ ভাল হৈ উঠে। সিহঁতৰ চিকিৎসা আৰু শিক্ষাৰ বহল বিবৰণ আৰু নিদিও। পিছে সিহঁতে প্ৰদৰ্শন কৰা নাচবোৰৰ বিষয়বস্তুসমূহ ইয়াত লিখিম।

বাটৰুৱা এজনৰ কিবা প্ৰকাৰে দুৰ্ঘটনা ঘটিল। স্কুলৰ ছাত্ৰ ছাত্ৰী আৰু ৰেডগাৰ্ডসকলে বাটৰুৱাজনক সহায় কৰিছে।

আন এটা নাচ—উমৈহতীয়া বয় বস্তু নষ্ট হোৱা দেখি এটি ল'ৰাই জীৱন বিপন্ন কৰিও উটি যোৱা কাঠ ৰক্ষা কৰিলে।

তৃতীয় নাচৰ বিষয়বস্তু হ'ল—লঠঙা গছত ফুল ফুলিল। ইয়াৰ নিহিতাৰ্থ হ'ল যে কলা বোবাসকলেও মাত বোল কৰিব পাৰিছে।

চতুৰ্থ নাচ হ'ল—ৰেডগাৰ্ডসকলে এগৰাকী বাট হেৰুউৱা বৃদ্ধ বাটৰুৱাক ঘৰটো বিচাৰি উলিয়াই দলে।

পঞ্চম নাচটো আছিল আটাইতকৈ ধুনীয়া—মৈত্ৰী নৃত্য। ভাৰতৰ ত্ৰিবৰ্ণ আৰু চীনৰ পতাকা লৈ গোটেই মঞ্চ জুৰি ল'ৰা ছোৱালীহতে টেব্‌ল্ টেনিছ নৃত্য দেখুৱালে। নাচৰ সৈতে গানৰ কথা আছিল

'Friendship first, Competition Second'

এই নৃত্য-গীত চাই আমি সন্মানিত আৰু অভিভূত বোধ কৰিলোঁ।

জানুৱাৰিৰ ৭ তাৰিখৰে পৰাই ল'ৰা-ছোৱালীহঁতে কাগজৰ ফুলৰ থোপাবোৰ লৈ বাটেদি খোজকাটি গৈ থকা আমি লক্ষ্য কৰিছিলোঁ। কিছুমান আচল ফুলো আছিল।

জানুৱাৰিৰ ৮ তাৰিখে আমি পঞ্চাছ বছৰৰ আগতে ম্যও চে তুঙে প্ৰতিষ্ঠা কৰা এখন প্ৰতিষ্ঠান চাবলৈ গ'লোঁ। এই প্ৰতিষ্ঠান আছিল কৃষকসকলৰ শিক্ষণকেন্দ্ৰ। ইয়াত কমিউনিষ্ট পাৰ্টিয় তেওঁলোকৰ কেডাৰ গঢ়ি তুলিছিল। ১৯২৬ চনত প্ৰতিষ্ঠিত এই প্ৰতিষ্ঠানৰ পৰমায়ু আছিল মুঠেই কেইমাহমান, কিন্তু তাৰ ভিতৰতে দেশৰ বিভিন্ন ঠাইৰপৰা তিনিশ ছাত্ৰ ইয়ালৈ আহিছিল। এই ছাত্ৰসকলৰ বাবে ম্যও চে তুঙে কিতাপো লিখিবলগীয়া হৈছিল। ইয়াত ছয়ত্ৰিছটা বিষয়ত শিক্ষাদান কৰা হৈছিল। শস্ত্ৰ আৰু শাস্ত্ৰত শিক্ষিত হৈ তেওঁলোকে নিজা নিজা ঠাইলৈ গৈ শিক্ষণকেন্দ্ৰ খুলিছিল। এই প্ৰতিষ্ঠাম আছিল এখন ব'ৰ্ডিং স্কুল। লানি লগোৱা খাটত এতিয়াও ঢাৰি পাতি থোৱা আছে। ইয়াত চৌ এন লাইও এগৰাকী শিক্ষক আছিল।

আমি ঘূৰি ঘূৰি চাইছোঁ আৰু চোতালত খটখটী বগাই উঠি এটা হলঘৰ—তাত মালা লৈ দলে দলে মানুহ গোট খাইছেহি।

সোমাই আহি দেখা পালোঁ যে তাত চৌ এন লাইৰ ছবি আছে। এই ৮ জানুৱাৰি আছিল চৌ এন লাইৰ প্ৰথম মৃত্যুবাৰ্ষিকী। যোৱা এবছৰ ধৰি কুখ্যাত গেং অব ফোৰৰ বা দুষ্ট চতুষ্টয়ৰ অত্যাচাৰৰ ফলত চীনাসকলে তেওঁলোকৰ প্ৰিয় প্ৰধানমন্ত্ৰীৰ বাবে শোক প্ৰকাশো কৰিব পৰা নাছিল, এইবেলি, সেয়েহে জনগণৰ উচ্ছ্বাসে আৰু বাধা নমনা হ'ল।

আমি একাষত থিয় হৈ থাকিলোঁ। মৃত্যুৰ মহিমা আছে। শোকৰো শক্তি আছে। সি অচিনাকিক ওচৰ চপাই আনে, কঠিনক দ্ৰৱীভূত কৰে। আমি থিয় হৈ শাৰীবদ্ধ সুশৃংখল জনতাৰ শান্ত অভিবাদন প্ৰত্যক্ষ কৰিলোঁ। দলে দলে স্কুলৰ কিণ্ডাৰগাৰ্টেনৰ ল'ৰা-ছোৱালীহঁত আহিল। সকলোৰে হাতত মালা।

কিন্তু আমি ইমান ডাঙৰ ডেলিগেশ্যন—আমাৰ হাতত'হ এ'কা নাই।

আমি ক'লোঁ, আমি ভাৰতীয় প্ৰথাৰে শ্ৰদ্ধা জ্ঞাপন কৰিম। মই আৰু বৎসলাই কৰযোৰে স্বৰ্গত আত্মালৈ বা স্মৃতিলৈ নমস্কাৰ জনালোঁ। তেতিয়া

আমাৰ লগত বিজয়বাবু বা ইন্দিৰা দেৱী নাছিল। তেওঁলোকে এইবোৰ আগতেও দেখিছিল।

বৎসলাৰ মনটোৱে উচপিচাই থাকিল। বৎসলাই ক'লে, 'আমিও মালা দিয়া উচিত।"

সকলোৰে মন ভাবাক্রান্ত। সিদিনাৰ সেই মৃত্যু মহোৎসৱ আছিল অতি সুন্দৰ।

গাড়িত উঠোতে আমি ক'লোঁ, "কমৰেড মং, আমিও এধাৰ মালা দিয়াটোকে বৎসলাই বিচাৰিছে।"

মঙে শোকবিহ্বল কণ্ঠেৰে ক'লে, "তোমালোকৰ অভিপ্রায় অতি সুন্দৰ, নিশ্চয় ব্যৱস্থা কৰা হ'ব।

মই ক'লোঁ, "মং—এটা কথা— এইবাৰ মালাৰ দাম কিন্তু আমিয়েই দিম—, তোমালোকে নিদিবা।'

মং এই কথাত সন্মত হ'ল। আচল ফুলৰ মালা অনা হ'ল। দাম চল্লিছ ইউৱান।

আবেলি পৰতে আমি সকলোৱেই সেই স্মৃতিমন্দিৰলৈ গৈ পুষ্পার্ঘ্য দিলোঁ। বাহিৰত তেতিয়া লোকে লোকাৰণ্য। ল'ৰাইতে মিটিং পাতিছে বক্তৃতা দিছে।

দিনটো সঁচায়ে এটি স্মৰণীয় দিন।

৮ জানুৱাৰি শোক দিৱস হ'লেও সেই দিনটোৱেই চীনদেশত আমাৰ শেষ দিন। সেয়েহে ভোজৰ আয়োজন আছিল প্রচুৰ। মোৰ মেজত নাৰীৰ উপৰিও আন এগৰাকী বয়সীয়াল মানুহ আছিল। এওঁ ভালকৈ ইংৰাজীত মাত বোল কৰিব পাৰে। সেয়েহে আলাপ বেছ জমি উঠিছিল। আন এজন কথাই-বতৰাই বৰ ৰঙিয়াল স্বভাৱৰ মানুহো আছিল।

তেওঁক মই সুধিলোঁ, "আপুনি ইংলিছ জানেনে ?"

তেওঁ টপৰাই ক'লে, "ভালকৈ চীনায়েই নাজানো—আৰু ইংলিছ। যুদ্ধ-বাগৰ কৰি কৰি জীৱন কটালোঁ—ভাষা শিকিম কেতিয়া ?"

এওঁ মোক খোৱা বোৱা লৈ কুটবি আছিল। মই ক'লোঁ, 'চীনদেশলৈ আহি খাই খাই লোদোৰ পোদোৰজনী হৈ পৰিছোঁ।"

"হয় নেকি। চীনদেশত থাবা কিটো? কছিয়াই দেখোন আমাৰ খাবলৈ নোজোৰে বুলিহে কয়।"

"মোৰ লোদোৰ-পোদোৰ হোৱাৰ যে এনেকুৱা এক ৰাজনৈতিক তাৎপৰ্য্য আছে —আগেয়ে জনা হ'লে আৰু অলপ বেছিকৈ খালোহেঁতেন।" মই হাঁহি মাৰি ক'লোঁ।

তাৰ পাছত আৰম্ভ হ'ল কছইতৰ গল্প।

"তোমালোকে কেতিয়াবা সিহঁতৰ ওচৰত আপেল বেচিছানে?—আমাৰ লৈ'ত চুক্তি হ'ল, সিহঁতে আমাৰপৰা আপেল কিনিব। আমাক জোখে জোখাৰে বি,—মানে বেৰি এটা দিলে। সেই বিৎটাৰ মাজেৰে সোমাই যাব পৰা আপেলহে লাগে সিহঁতক। তাতকৈ সৰু হ'লে নহ'ব, ডাঙৰ হ'লেও নচলিব। তেতিয়া আমি ক'লোঁ, থাওক, আমাৰ আপেল বাৰু আমিয়েই খাম। —তোমালোকৰ লগত এনেকুৱা কিবা চুক্তি হোৱা নাছিলনে?"

ভদ্রলোকে কোনো তিক্ততা প্ৰকাশ নকৰাকৈ এনেকৈ বহুতো নিন্দাবাক্য হাঁহি হাঁহি ক'বলৈ ধৰিলে। এওঁ বিশ্বভাষাত কথা পাতে। ভাষা নাজানিলেও এনেকুৱা লোকৰ লৈ'ত বন্ধুত্ব তৎক্ষণাৎ হৈ যায়। মোৰ টেবলত যেতিয়া গল্প এইদৰে বেছ জমি উঠিছে তেতিয়া বিজয়বাবুৱে তাৰাচান্দ গুপ্তক কিবাকিবি এটা ক'বলৈ ক'লে। আগৰেপৰাই বন্দৱস্ত আছিল নিশ্চয়।

তাৰাচান্দে জেপৰপৰা এখিলা কাগজ উলিয়াই লৈ ৰেভলিউশ্যন সম্বন্ধে বহুতো সাৰগৰ্ভ কথা ক'বলৈ ধৰিলে। লীএ মোৰ মনৰ কথা বুজি পালে। সি জানে, এইবোৰ ধৰা বন্ধা বচন শুনিলে মোৰ বৰ হাঁহি উঠে।

"লী, কছসকলৰ দোষ বহুত। কিন্তু তেওঁলোকে চিঠি লিখে। তোমালোকক চিঠি লিখিবলৈ দিয়া হয়নে? আমালৈ চিঠি লিখিবলৈ অনুমতি দিয়া হ'বনে?"

"অনুমতি কিয় নিদিব। কিন্তু মই নিলিখোঁ। তুমি লিখিবা, কিন্তু মই উত্তৰ নিদিওঁ।"

"কি আচৰিত কথা। কিয় কোৱাচোন?"

'কিয়নো, I am just a fork and not a pen (মই এডাল কাঁটাহে, কলম তো নহওঁ) ।"

মই অবাক দৃষ্টিৰে লীৰ দুষ্টামিভৰা মুখখনলৈ চাই আছোঁ। সেই কথাষাৰ – মই কোৱা সেই কথাষাৰে তাৰ মনত দ সাঁচ পেলাইছে, আৰু সিও চল চাই চাপৰি মাৰিছে।

"লী, তোমাক ইমান সিয়ানৰ দৰে কথা ক'বলৈ খেতিয়কসকলে শিকালে নে বাৰ্নাৰ্ড শ্বই ?"

ৰাতি আমাক ছবি দেখুউৱা হ'ল—চো এন লাইৰ শৱযাত্ৰা আৰু অন্ত্যেষ্টিক্ৰিয়াৰ ছবি। এই ছবিখনো হেনো চিয়াং চিং আৰু তেওঁৰ দলবলে প্ৰদৰ্শন কৰিবলৈ দিয়া নাছিল। সেয়েহে, আমাৰ লৈতে আমাৰ চীনা বন্ধুসকলেও এয়ে প্ৰথমবাৰৰ বাবে চালে। আমি আগফালৰ ছিটত লানি লগাই বহিলোঁ— লগতে কেণ্টনৰ বিশিষ্ট লোকসকল। আৰু পিছফালে বহিল ইংৰাজী জনা দোভাষীসকল। এই ছবিত মাদাম চো এন লাইক বেছ ভালকৈ দেখা গ'ল, মাদাম ছান ইযাং সেনকো।

তযো গবাকীয়েই বৃদ্ধা।

সেইদিনা পুৱা আৰু আ বলি আমি যেতিয়া চো এন লাইৰ স্মৃতিলৈ মাল্যদানৰ দৃশ্য চাই আছিলোঁ, আৰু মালা দিছিলোঁ, তেতিয়া লী আমাৰ লগত নাছিল। সেয়েহে তাক ক'লোঁ যে মই আৰু বংসলাই কেনেকৈ ভাৰতীয় প্ৰথাৰে কৰযোৰে নমস্কাৰ কৰিছিলোঁ।

লীএ ক'লে, "জাপানীসকলেও বোধহয় এনেকৈ হাতযোৰ কৰি অভিবাদন কৰে।"

মই ক'লোঁ, 'আৰু তোমালোকে সেই ইংৰাজহতৰ দৰে হেণ্ডশ্বেক কৰা।"

আগতে আমাৰ কাউটাউ আছিল, এতিয়া আৰু নাই। সেই প্ৰথা ভাল নাছিল। তোমালোকৰ নমস্কাৰ সুন্দৰ প্ৰথা।'

ছিনেমা চাই অহাৰ পাছতো কৰিডৰত থিয় হৈ আমি বহু সময় ধৰি কথা পাতিলোঁ—বৎসলা, মঙ্গেশ, দীনেশ, মই, মং, সু আৰু চো। মঙে ঘণ্টাৰ হিচাপ কৰি ক'লে, "আৰু এঘাৰ ঘণ্টা সময় আছে।

মোক কিবা এটা উপহাৰ দিবলৈ স্যু অধীৰ হৈ পৰিল। কিয়নো, পিকিং এৰি অহাৰ পাছৰেপৰাই তাইৰ যি মাফলাৰটো মই ব্যৱহাৰ কৰিছিলোঁ সেইটো ঘূৰাই দিলোঁ। তাই মনতে বৰ দুখ পালে।

'তোমাক কিবা এটা দিবলৈ মোৰ বৰ মন,
নহ'লেইবা তোমাৰ প্ৰয়োজন।'

তাইৰ চকু-মুখত বিষণ্ণ ভাব। কিন্তু মই কি কৰিম—আমাৰ বয় বস্তুৰ ওজন আৰু বঢ়ালে নহ'ব, কঢ়িয়াবও নোৱাৰিম। সেয়েহে স্যুৰ বঙা ডটপেনটো লৈ তাইক শান্ত কৰিলোঁ।

স্টেশ্যনলৈ আহি শুনিলো যে আমাৰ পাচ সপ্তাহৰ বন্ধুসকল সামান্তলৈকে আমাৰ সৈতে নাযায়। আমাৰ সৈতে যাব কেণ্টনৰ এজন দোভাষী। তেওঁ এই ফালৰ সকলো খা খবৰ ৰাখে। আমাৰ বন্ধুসকলে কেণ্টনৰ ভাষাও নাজানে। পিছে সকলোৱেই মেণ্ডাৰিন জানে বুলিয়েই ৰক্ষা। লেখা এক হ'লেও ভাষা বেলেগ বেলেগ। সুনীতিবাবুৱে মোক কৈছিল, মেকুৰীৰ ছাব চাই আটায়ে যেনেকৈ মেকুৰী বুলি নপঢ়ে কোনোবাই বিড়াল, কোনোবাই বিল্লী, কোনোৱেবা মেকুৰী খেনোৱে কেট -তেওলোকৰ আখৰ মানেই চিত্ৰাক্ষৰ।

স্টেশ্যনত, বিদায় লোৱাৰ পৰতে মঙে ক'লে, আকৌ দেখাদেখি হ'ব, এই দেশত, নাইবা তোমাৰ দেশতে।

চৌৰ চকু চলচলীয়া হৈ পৰিছিল। তাৰ মনটো বৰ কোমল।

স্যুৱে মোৰ হাতখনত সাৰটি ধৰি আছিল। তাইৰো চকু চলচলীয়া।

কি আচৰিত কাণ্ড! কেইদিনৰবা চিনা জনা!

লীএ অলপ আঁতৰত থিয় হৈ দানেশৰ সৈতে কথা পাতি আছিল। তাৰেপৰাই চিঞৰি ক'লে, "তোমাৰ কিতাপখনলৈ বাট চাই থাকিম।

গাড়িৰ ভিতৰত উঠি বন্ধ খিৰিকীৰ ওচৰত আমি থিয় হ'লো -বিশেষকৈ মই আৰু জ্ঞানসিং। জ্ঞানসিং ধিংডাৰ চকুতো পানী। ছফুট ওখ দাড়িয়ে গোঁফে ভোবোকাৰ জবৰদস্ত পঞ্জাৱী মানুহ -কিন্তু মনটো বৰ কোমল। যেতিয়া ট্ৰেইন এৰিলে তেতিয়া লীএ আঁতৰৰপৰা হাতেৰে ইংগিত কৰি দেখুৱালে যেন

সি কলমত ধৰি লিখি আছে, অৰ্থাৎ সি চিঠি লিখিব। তাৰ পাছত আমাৰ দৰে কৰযোৰে মোলৈ নমস্কাৰ জনালে—যোৱা ৰাতিৰ নৱলব্ধ বিদ্যাৰ প্ৰমাণস্বৰূপে।

সেযে আছিল চীনভূমিৰ শেষ দৃশ্য।

তৰুণ বন্ধুৰ এই সশ্ৰদ্ধ বিদায় নমস্কাৰ মই কোনোদিনে পাহৰিব নোৱাৰিম।

ৰেলগাড়ি গৈ থাকিল। এজনী মিঠা বৰণীয়া ছোৱালী দেখিলো, খিৰিকী চাফা কৰি আছিল। পাছত ছোৱালীজনীয়ে আমাক চাহ দিলে। আমাৰ দোভাষীজনে ক'লে যে এই ছোৱালীজনীয়ে আমাৰ সৈতে হেনো এঘণ্টামান কথা পাতিবলৈ বিচাৰিছে।

খিৰিকীবোৰ চাফা কৰাৰ পাছত তাই আমাৰ ওচৰলৈ আহিল। তাইৰপৰা জানিলো যে তাই ছান ইয়াং সেন বিশ্ববিদ্যালয়ৰ ইংৰাজীৰ ছাত্ৰী, এতিয়া বাহিৰা শিক্ষা লৈছে। কেণ্টনৰপৰা সীমান্তলৈকে, আৰু সীমান্তৰপৰা কেণ্টনৰ মাজেদি বিদেশীসকলৰ চীনলৈ অহা-যোৱাৰ ব্যৱস্থা। গতিকে, এই ৰেলৰ সৈতে যুক্ত থাকিলে ইংৰাজীতে মাত বোল কৰাৰ আৰু শিকাৰ বৰ সুবিধা। সেয়েহে, বিশ্ববিদ্যালয়ে এইজনী ছোৱালীৰ হাতত এই কামত মকৰল কৰিলে। তাইৰ দৰমহা বিশ্ববিদ্যালয়েই দিব। আগতেই কৈ আহিছো যে, চীনদেশত ইউনিভাৰ্ছিটিত ভৰ্তি হ'লে সকলো ধৰণৰ ব্যয় চৰকাৰে বহন কৰে।

এই ছোৱালীজনীয়ে মিডল স্কুললৈকে পঢ়ি তাৰ পাছত দুবছৰ কাল ট্ৰেক্টৰ ফেক্টৰিত কাম কৰিছিল। তাত দৰমহা পাইছিল। তাৰ পাছত তিনি বছৰ কাল কলেজত পঢ়িলে। কলেজত মানে বিশ্ববিদ্যালয়ত। এতিয়া বিদেশীসকলৰ সৈতে কথা বতৰা পতাৰ প্ৰেকটিকেল ক্লাছ কৰিছে। তাৰ পাছত আকৌ সেই ফেক্টৰিলৈ উভতি যাব। বিভিন্ন কামৰ সৈতে অনুবাদৰ কামো কৰিব।

হিচাপ কৰি ধাৰণা হ'ল শিক্ষাকাল সৰ্বমুঠ তেৰ বছৰ—তাৰ ভিতৰত দুবছৰ প্ৰেকটিকেল।

নতুন চীনৰ প্ৰান্তসীমাত সুমচেন চহৰ—তাৰপৰা খোজ কাঢ়ি এখন দলং পাৰ হৈ ৰেলগাড়িত উঠিব লাগে। সুমচেনত শেষ চীনাবন্ধুৱে বিদায় ল'লে। আমাক গটাই দিলে ট্ৰাভেল এজেন্সীৰ এজন কেণ্টনবাসী চীনাৰ হাতত।

মধ্যৱৰ্তী ঠাই পাৰ হৈ ৰেলগাড়ি গৈ থাকিল। আমাৰ গন্তব্যস্থল কাউলুন। ট্ৰাভেল এজেণ্ট ভদ্ৰলোকে চীনৰ প্ৰশংসা কৰিবলৈ ধৰিলে। আমি শুনিছিলোঁ, হংকঙৰ অধিবাসীসকল চীনৰ বিৰোধী। পাছত অৱশ্যে তেনেকুৱা কিছুমান মানুহ লগ নোপোৱা নহয়। যদিও তেওঁলোকে নতুন চীন সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ। আৰু অজ্ঞতায়েই হ'ল বিদ্বেষৰ জনমভূমি। এই ভদ্ৰলোকে সদায় চীনলৈ অহা যোৱা কৰে। নতুন চীনৰ প্ৰতি এওঁ শ্ৰদ্ধাশীল।

তেওঁ ক'লে, "আমি চীনৰ বাবে গৌৰব বোধ কৰোঁ।'

এওঁৰপৰাই শুনিলোঁ যে স্বাধীনতাৰ আগতে চীনলৈ কেৱল আমদানীহে হৈছিল। এতিয়া প্ৰচুৰ দ্ৰব্য সামগ্ৰী ৰপ্তানী কৰা হয়। তেওঁ এখন মালগাড়ীলৈ আঙুলিয়াই ক'লে, "চীনদেশৰপৰা কয়লা ৰপ্তানী কৰা হৈছে। চীনদেশে এতিয়া আৰু আমদানী কমেইহে কৰে। এতিয়া নিজৰ চাহিদা নিজেই পূৰ্ণ কৰে। আগতে চীনলৈ বছৰেকত এশ দুশতকৈ বেছি মানুহ নগৈছিল। এতিয়া বিভিন্ন দেশৰ কমেও এক মিলিয়ন ট্যুৰিষ্ট নতুন চীন চাবলৈ যায়।

শুনি ভাল পালোঁ। তেনেহ'লে—চীনলৈ ফুৰিবলৈ যোৱাটো যিমান অসম্ভৱ বুলি ভাবিছিলোঁ সিমান অসম্ভৱ নহয়। এওঁলোকে তেন্তে বাঁহৰ পৰ্দা বা 'চিক' দাঙি দিলে।

ৰেলগাড়ি যিমান আগ বাঢ়িছে সিমানেই দৃশ্যৰো পৰিৱৰ্তন হৈছে। মানুহৰ সাজ পাৰ ধৰণ ধাৰণ—সকলোতে পাৰ্থক্যৰ চিন ফুটি উঠিছে। জাবৰ জোথৰৰ দ'ম, টোকোৰা-পঁজা আৰু আকাশলংঘা অট্টালিকাৰ সহাৱস্থান বাদেও বিচিত্ৰ পোছাক আৰু চকু চাট মাৰি ধৰা সাজ পাৰেৰে বুজা গৈছে, এওঁলোক অন্য চীনৰ মানুহ।

কাউলুনত আমি এখন হোটেলত সোমালোঁগৈ। হোটেলখন বোধকৰোঁ ফাইভ ষ্টাৰ হোটেল। কোঠাটোত এটা বিৰাট টেলিভিজন এনেকৈ থোৱা হৈছে যে আমি দুজনীয়ে দুখন বিছনাত শুই একেলগে চাব পাৰোঁ।

চীনদেশ এৰি অহাৰ আগদিনা মোৰ বিনিদ্ৰ ৰাতি জুৰি এটা কথাই মনত উথল-মাথল লগাইছিল—একোৱেই চোৱা নহ'ল। সেয়েহে সমগ্ৰ মন জুৰি এটা অতৃপ্তিয়ে জুমুৰি দি ধৰিছিল। মাত্ৰ পাঁচটা সপ্তাহ। এই পাঁচ সপ্তাহতে স্থান-কালেৰে বহুব্যাপ্ত এই মহাদেশখনৰ কিমানখিনি জানিলোঁ? এইখন দেশৰ ইতিহাস কিমান দীৰ্ঘদিনৰ। সেই প্ৰাচীন যে কেনেকৈ নবীন হ'ল, তাৰ বহু-ভাষাভাষী বহু প্ৰদেশবাসী সমূহ ৰাইজ কেনেকৈ যে একতাৰ ডোলেৰে বান্ধ খালে তাৰ কিমানকণ বুজিলোঁ?

পাশ্চাত্য দেশসমূহত দেখি আহিছোঁ, কম বয়সৰ ল'ৰা ছোৱালীইঁতৰ মনত কিবা এক অশান্তিয়ে যেন একুৰা জুই জলাই দিছে। সাজপাৰ, ফেশ্বন, ধন, যৌনতা ইত্যাদিৰে ভৰপূৰ বাসনা জৰ্জৰিত জীৱনৰ উগ্ৰ ৰূপ ইয়াৰ আগতে আৰু কাহানিও মনত পৰা নাছিল। কিয়নো, ভাৰতৰ ত্যাগধৰ্ম, উপনিষদৰ বাণী, আধ্যাত্মিকতাৰ কথা যিমানেই আলোচনা নকৰোঁ কিয়, পচিমীয়া অনুকৰণ আৰু লোভ আমাৰ দেশতো উৎকট ৰূপত আত্মপ্ৰকাশ নকৰাকৈ থকা নাই। আৰু এই লোভৰপৰা মানুহক নিবৃত্ত কৰাৰ চেষ্টাও বিশেষ একো চকুত পৰা নাই।

সেয়েহে, চীনদেশলৈ আহি বিস্মিত হৈছো।

চীনাসকল চীনায়েই, তেওঁলোকে ইঅ'ৰোপৰ সৈতে ভোগ বিলাসিতাৰ প্ৰতিযোগিতাত নমা নাই। চাল চলন ধৰণ ধাৰণতো ইঅ'ৰোপীয় হোৱাৰ ইচ্ছা তেওঁলোকৰ সমূলি নাই। 'বিলাতী ধৰণে হাহি আৰু বিলাতী ধৰণে হাঁচি'—এই ভাব ক'তো নেদেখিলো। এই স্বয়ংপ্ৰতিষ্ঠ আত্মবিশ্বাসে তেওঁলোকৰ বহুতৰে মাজত এক স্থৈৰ্য্যৰ সৃষ্টি কৰিছে। আনকি সৰু সৰু ল'ৰা-ছোৱালীইঁতৰ মাজতো। যদিও, উত্তৰ প্ৰত্যুত্তৰত, বুদ্ধিৰ দীপ্তিত, চৰিত্ৰৰ মাধুৰ্য্যত কোনো হীন-ডেটি ঘটা নাই। মানুহৰ পৰিৱৰ্তন ঘটাই দেশৰো কি বিপুল পৰিৱৰ্তন ঘটোৱা হৈছে!

অন্তত পক্ষে মোৰ এয়ে ধাৰণা।

কুইনীনৰ বে.ক'ৰেটত ময়ো দুআষাৰ ক'বলৈ সুযোগ পাইছিলোঁ। তেতিয়া মই তেওঁলোকক এই কথায়েই সুধিছিলোঁ তেওঁলোকে যে নিজক ধৰ্মত বিশ্বাসী নহয় বুলি কয়, সেই কথা সঁচা নহয়। ধৰ্মৰ যি মূল কথা—ত্যাগ, নিৰ্লোভতা

আৰু সৌভ্ৰাত্ৰ্য, সেয়ে যদি তোমালোকৰ আদৰ্শ, তোমালোক ধৰ্মহীন হ'লা কেনেকৈ? দহোটা অনুশাসনৰ মাজত যিটো অনুশাসন সৰ্বজনগ্ৰাহ্য, সেইটো হ'ল—thou shall not steal'—তাকে যদি তোমালোকে এনেকৈ প্ৰয়োগ কৰিছা, তেনেহ'লে তোমালোকক ধৰ্মহীন বুলি ক'ব নোৱাৰি।

এইবোৰ কথা ভাবি থাকোঁতে মই বুজি পাইছিলো যে মোৰ মনটো কেনেবা কেনেবাখন যেন লাগিছে আৰু পুৰতি নিশাৰ টোপনিৰ জাল চকুৰপৰা গুচাই বৎসলাক মই মাতিলোঁ—'বৎসলা'।

বৎসলাই উত্তৰ দিলে, 'কেইটা বাজিল?

স্যুইচ টিপি চালোঁ—ৰাতি চাৰি বাজি গ'ল।

'ইমান ৰাতি জগালা কেলেই?

এই দলটোৰ মাজত বৎসলাৰ সৈতে মোৰ বন্ধুত্ব হৈছিল।

মই বৎসলাক কৈছিলোঁ, "এই দেশ এৰি গুচি যাবলৈ মোৰ মনটো বৰ কেনেবা কেনেবা যেন লাগিছে—বৎসলা। কাইলৈ আমি আন এখন জগতলৈ গুচি যাম।"

বৎসলাই নিদ্ৰাজড়িত কণ্ঠেৰে কৈছিল' ও, আৰু সেই হ'ক হে' আমাৰ যি বেয়া অভ্যাস হ'ল—য'তে ত'তে বয় বস্তু এৰি থৈ যাও—।

সপোন

হ কঙৰ জগতত সোমালোহি। হোটেল এস্টৰত উঠিলোঁ। কোঠাত সোমাই মালপত্ৰলৈ বাট চাই আছো, এনেতে দীঘলচুলীয়া স্মার্ট ইউনিফর্ম পিন্ধা দুজন কম বয়সীয়া ল'ৰাই আমাৰ বাকচবোৰ লৈ আহিল। তাৰ পাছত অলপ ইফালে সিফালে চাই ক'লে, 'আমি বথ ছিছ আশা কৰিব পাৰোঁনে?"

এ কবাৰেই নোৱাৰা। কিয়নো, ছাৰ্ভিছ চাৰ্জ লোৱা হ'লেই নহয়—।'

বৎসলাই ক'লে, আৰু আমি টকা চেঞ্জ কৰা নাই নহয়—?'

মই ভাবিলো, আন এখন জগত আৰম্ভ হ'ল। চীনৰ হোটেলবিলাকত আমাৰ আলপৈচান ধৰাসকল আছিল ঘৰৰে ল'ৰা ছোৱালীহঁতৰ নিচিনা। কোনোবা কোনো কলেজৰপৰা অহা, কোনোবা কিবা প্ৰতিষ্ঠানৰপৰা অহা। সেইহতক বথ ছিছ যাচিলে নিশ্চয় অপমানিত বোধ কৰিলেহেঁতেন। এনেকুৱা আন কোনো কমিউনিষ্ট দেশতো দেখা নাযায়। চীনদেশত এওঁলোক ভৃত্য নহয়। ভৃত্যৰ দৰে মনোভাৱেই নাই কাৰো মাজত—সেৱকৰ মাজতো নাই, সেৱিতৰ মাজতো নহয়।

বৎসলাই টেলিভিজন খুলি দিলে।

লগে লগে পৰ্দাত আধা উলংগ নৰ নাৰীৰ নৃত্যলীলা ভাহি উঠিল।

অলপ পৰলৈ চাই থাকি মই ক'লো, বৎসলা, ইমান দিন আমি regimented artৰ বহু নিন্দা কৰিলো, এতিয়া তোমাৰ unregimented art অলপ বন্ধ কৰাচোন।

বৎসলাই আন এটা চেনেলত ধৰিলে। তাতো বিজ্ঞাপনৰ ধুমধাড়াক্কা।

অদমনীয় বৎসলাই এইবাৰ তৃতীয় চেনেলটোত ধৰি পকাই দিলে। তাত তেতিয়া এটা হত্যা ৰহস্যৰ গল্প চলি আছে।

এইবাৰ টেলিভিজন বন্ধ কৰি আমি মনে মনে বহি থাকিলো।

মোৰ আৰু বজাৰলৈ ওলোৱাৰ ইচ্ছা নহ'ল। ভাৰত চৰকাৰে আমাক আঠাৰনটি আমেৰিকান ডলাৰ দিছিল। সেই ডলাৰকেইটি কোনেও খৰচ কৰা নাছিলোঁ—হংকঙৰ বজাৰৰপৰা বস্তু-বাহানি কিনিবলৈ।

"বৎসলা, মই আৰু বজাৰ-সমাৰ কৰিবলৈ নোলাওঁ। মোৰ ইচ্ছায়েই নাই। এতিয়া মোৰ চীনৰ কথা ভাবি মনটো ৰিঙা ৰিঙা যেন লাগিছে।"

বৎসলাই গা-পা ধুই সাজু হ'বলৈ ওলাই গ'ল। তেওঁৰ ককায়েকৰ সৈতে ওলাব তেওঁ।

মই বিছনাত শুই ভাবিবলৈ ধৰিলোঁ—এতিয়া মই যেন এটা সপোন দেখিম—দেখিম—এখন উৰাজাহাজৰ খটখটী বগাই কাপোৰ কানিৰ বোজা চম্ভালি লৈ কোনো ৰকমে উঠি গৈ আছোঁ, আৰু পিছফালে লীএ মোৰ কিলাকুটিত ধৰি উঠোঁতে সহায় কৰি কৈছে—'Be careful Mrs Devi, there is a step down—সাৱধানে নামিবা, তলত এটা চিৰি আছে।'

আৰু ঠিক তেতিয়াই মই তললৈ নাচাই ওপৰলৈ চালোঁ, সেইটো এটা মন্দিৰৰ সিংহদ্বাৰ, তাৰ সিকাষেদি নামি মই এডৰা বিস্তীৰ্ণ শস্যক্ষেত্ৰলৈ গুচি গ'লোঁ। তাত সেউজৰ সমাৰোহৰ মাজত ল'ৰা বুঢ়া ডেকা গাভৰুৱে নীলা কোটচোল পিন্ধি, মূৰত স্কাফ বান্ধি কাম কৰি আছে। নাইবা এখন আপেল বাগিচা—য'ত এজন বুঢ়া কৃষকৰ নিৰ্দেশমতে এখন স্কুলৰ সকলো ল'ৰা ছোৱালীয়ে ফল বুটলি পাচিত ভৰাইছে। কিম্বা এখন গাঁও—য'ত দুই এজন কলেজীয়া ল'ৰাৰ তত্বাৱধানত গাঁৱলীয়া ৰাইজে নিজা গাঁৱত বিজুলীচাকি জ্বলাবলৈ হাইড্ৰলিক যন্ত্ৰ বহুৱাইছে।

নহয়, স্বপ্ন নহয়।

কিয়নো, তেতিয়া মোৰ প্ৰসুপ্তিৰ মুহূৰ্ত নহয়—জাগৰণ আৰু মননৰ সময় মই জানো—জানো মই—মন্দিৰৰ সৌধ একেটাই, কেৱল বিগ্ৰহৰহে সলনি হৈছে। হয়তো আৰু সলনি হ'ব। কিয়নো, আগবাঢ়ি যোৱাটোৱেই সংসাৰৰ ৰীতি।

কেৱল ভাবিছো, আগলৈ গৈ থাকিবনে

++